কথা কীৰ্ত্তন-ঘোষা

মূল ৰচনা

শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত

।। কীৰ্ত্তন-ঘোষা ।।

আৰু

ৰত্নাকৰ কন্দলি বিৰচিত

।। সহস্ৰ-নাম-বৃত্তান্ত ।।

GOVT. OF ASSAM
DIRECTORATE OF LIBRARY SERVICES
NO ......

বিপিন চুতীয়া

Kiran Prakashan
কিৰণ প্ৰকাশন
ধেমাজি

Katha Kirtan-Ghosha : Written by Sri Bipin Chutia, M.A.B.T. Retired Principal and Ex-Member of the Central Committee of Srimanta Sankar Dev Sangha and published by Sri Naba Kalita, on behalf of Kiran Prakashan, D. K. Market, Dhemaji Chariali, Dhemaji - 787057 (Assam)

Second Edition : Jan. 2008 **Rs. 90/-**

প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০০৮

প্ৰকাশক ঃ নৱ কলিতা
কিৰণ প্ৰকাশন
ডি.কে. মাৰ্কেট, ধেমাজি চাৰিআলি
ধেমাজি - ৭৮৭ ০৫৭
ফোন - ০৩৭৫৩-২২৫৮০৩

মূল্য ঃ ৯০.০০ টকা

মূদ্ৰক ঃ ধেমাজি অফচেট্ প্ৰিণ্টাৰ্চ
ৰতনপুৰ, ধেমাজি - ৭৮৭ ০৫৭
ফোন ঃ ০৩৭৫৩-২২৪২৮৮

লিখকৰ নিবেদন...

"জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহিকে উপাম।
তোহাৰি চৰণক ৰেণু শতকোটি
বাৰেক কৰোঁহো প্ৰণাম।।"

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিৰচিত কীৰ্ত্তন-ঘোষা এখন মহান ভক্তি-শাস্ত্ৰ আৰু একশৰণ হৰিনাম ধৰ্মৰ অন্যতম গ্ৰন্থ। বৈকুণ্ঠৰ কল্পতৰু শাস্ত্ৰ, পুৰাণ সূৰ্য্য মহাভাগৱতৰ কাহিনীৰ ওপৰত আধাৰিত কীৰ্ত্তন-ঘোষা গুৰুজনাৰ মহান কীৰ্ত্তিস্তম্ভ। শ্ৰৱণ-কীৰ্ত্তনৰ সুবিধাৰ্থে গুৰুজনাই ২৯ টা খণ্ডত ১৮৯ টা কীৰ্ত্তন ৰচনা কৰে। ৰত্নাকৰ কন্দলিয়ে এটা খণ্ডত ৬ টা কীৰ্ত্তন লিখে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দ্বাৰা সম্পাদিত কীৰ্ত্তন-ঘোষাত ওপৰিঞ্চি (পৰিশিষ্ট)ক ভিতৰ কৰি মুঠ ৩০ টা খণ্ড আৰু ১৯৫ টা কীৰ্ত্তন সন্নিবিষ্ট হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ ৰচিত পদৰ সংখ্যা ২২৬৪ আৰু ৰত্নাকৰ কন্দলিৰ পদৰ সংখ্যা ৭৭ টা আৰু মুঠ পদৰ পৰিমান ২৩৪১ টা। প্ৰতিটো কীৰ্ত্তনৰ ভাগ দুটা– ঘোষা আৰু পদ। কীৰ্ত্তনটিৰ আৰম্ভণিত ঘোষা আৰু তাৰ পৰৱৰ্ত্তী অংশ পদ।

সাহিত্য হিচাবে কীৰ্ত্তন-ঘোষা অমৰ গ্ৰন্থ। প্ৰতিটো কীৰ্ত্তনেই একো একোটা অনুপম গীতি-কবিতা। ভক্তি ৰসেৰে ভাৱাক্ৰান্ত ছন্দোময়ী কবিতাবোৰ সাহিত্যিক সৌন্দৰ্য সুষমাৰে ভৰা। পয়াৰ, দুলড়ী, ছবি, একাবলী আদি ছন্দত পদসমূহ সনিৰ্বদ্ধ। শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰ সু-প্ৰয়োগ কৰি বিষয়-বস্তুক অতি চমকপ্ৰদভাৱে প্ৰকাশ কৰিছে। কীৰ্ত্তনত নৱ-ৰসৰ প্লাৱন উঠিছে আৰু সৰ্বোপৰি ভক্তিৰসৰ নিজৰা প্ৰতি পদৰ ছন্দে ছন্দে প্ৰবাহিত হৈছে। কোনো কোনো পদৰ গূঢ়াৰ্থ বুজা কঠিন হৈ পৰে।

এক শৰণ হৰিনাম ধৰ্ম্মৰ চাৰিপুথি– কীৰ্ত্তন,দশম, নামঘোষা, ৰত্নাৱলীৰ ভিতৰত কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা নাম-প্ৰসঙ্গৰ ক্ষেত্ৰত অতি প্ৰয়োজনীয়। প্ৰসঙ্গত কীৰ্ত্তন অপৰিহাৰ্য আৰু প্ৰতি প্ৰসঙ্গতে এজনা বা একাধিক কীৰ্ত্তন দিয়া হয়। প্ৰসঙ্গৰ পাছত পাঠৰ বাবে সচৰাচৰ কীৰ্ত্তন-ঘোষাকে লোৱা হয়। অনুষ্ঠান বিশেষে দশম, গীতা, ভক্তি ৰত্নাকৰ আদি শাস্ত্ৰসমূহো পাঠ কৰা হয়। কীৰ্ত্তন পাঠৰ সময়ত পাঠকাচাৰ্য্যই পাঠ কৰি যোৱাৰ লগে লগে ভকতবৃন্দই শ্ৰৱণ কৰাৰ লগতে পাঠত পদাৱলী আৰু ঘোষাৰ অৰ্থও পাবলৈ বিচাৰে, কিন্তু কোনো কোনো পদাবলীৰ মাজত ব্যক্ত হোৱা বিষয়-বস্তু বুজাত অসুবিধা হয়। বিষয়-বস্তুক ছন্দৰ মাধ্যমৰ মাজৰ পৰা বিচাৰি উলিওৱাত অসুবিধা আহি পৰে আৰু কিছুমান পৌৰাণিক শব্দৰ অৰ্থ নুবুজাৰ বাবেও প্ৰকৃত অৰ্থ উদ্‌ঘাটন নহয়; ফলত অৰ্থ বিভ্ৰাট ঘটে। ভকতসকলে প্ৰতিটো পদৰে অৰ্থ পাবলৈ বৰ হাবিয়াস কৰে। ভকতৰ মাজত অভিজ্ঞ আৰু পণ্ডিত বা শাস্ত্ৰজ্ঞ লোক থাকিলে অৱশ্যে পাঠ কৰাৰ লগে লগে অৰ্থ-ভাঙনি কৰি যায় কিন্তু, তেনেলোকৰ অভাৱত ভকত সমাজে প্ৰকৃত ৰসোপলব্ধিত বাধাপ্ৰাপ্ত হয়। এনে অভাৱ পূৰাবৰ বাবে বা কিছু অংশে দূৰ কৰিবৰ কাৰণে এই অভাজনে মৰ সাহস কৰি আগবঢ়া হৈছে।

ভকতসকলৰ বাদেও শাস্ত্ৰ-জিজ্ঞাসু লোকেও আধুনিক গদ্যত কীৰ্ত্তনৰ বিষয়-বস্তুক জানিবলৈ আশা কৰে। সাহিত্যৰ ছাত্ৰ-ছাত্ৰী-শিক্ষাৰ্থীসকলেও— বিশেষকৈ অসমীয়া বিষয়ৰ স্নাতকোত্তৰ 'ছাত্ৰ-ছাত্ৰীয়ে, স্নাতক মহলাৰ অসমীয়া মেজৰ' লোৱা ছাত্ৰ-ছাত্ৰীয়ে 'ভক্তি' বিষয়ৰ অধ্যয়নৰ বাবে গদ্যৰূপত ইয়াক পাবলৈ বিচাৰে। এনে অপূৰণীয় অভাৱ দূৰ কৰাৰ বাবেও অভাজনে এই প্ৰয়াস কৰিছে।

এইক্ষেত্ৰত ভালেমান ভকত-বৈষ্ণৱে, ছাত্ৰ-ছাত্ৰীয়ে আৰু শাস্ত্ৰ-জিজ্ঞাসুলোকে এই অভাজনক অনুৰোধ জনাইছে। ধেমাজিৰ কিৰণ প্ৰকাশনৰ উদীয়মান স্বত্বাধিকাৰী শ্ৰীমান নব কলিতাই এই মহান কৰ্ম্মত আগবাঢ়িবলৈ সৎসাহস দিয়াত ক্ষুদ্ৰ জ্ঞান-বুদ্ধিৰে আগবঢ়া হ'ল।

যুগন্ধৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ মহান শাস্ত্ৰ কীৰ্ত্তনৰ গদ্যৰূপ দিব পৰা ক্ষমতা এই অভাজনৰ তেনেই নাই। তৎসত্বেও গুৰুজনাৰ কীৰ্ত্তি-কলাপকে প্ৰকাশ কৰাৰ দুৰ্ব্বাৰ বাসনা থকাৰ বাবে গুৰুজনাৰ অভয় চৰণত সেৱা জনাই, ভগৱন্ত কৃষ্ণৰ অৰুণ চৰণৰ ধূলি লৈ আগবঢ়া হ'ল।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ দ্বাৰা সম্পাদিত, কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা,১৯৯১, প্ৰথম প্ৰকাশৰ খণ্ড সমূহৰ ক্ৰম অনুসৰি এই কথা কীৰ্ত্তন-ঘোষা হ'ল। ঘোষা সমূহৰ ভাবাৰ্থ চমুকৈ উল্লেখ কৰা হৈছে আৰু প্ৰতিটো কীৰ্ত্তনৰে পদ সমূহক একাদিক্ৰমে কথাত লিখি যোৱা হৈছে। প্ৰয়োজনীয় শব্দৰ অৰ্থও লগে লগে উল্লেখ কৰা হৈছে। কথা ৰূপ দিওঁতে প্ৰতি পদৰ শব্দানুবাদ বা অৰ্থানুবাদ কৰা হোৱা নাই; মাত্ৰ পদত উল্লেখ থকা কথা-বস্তুক চমুকৈ লিখা হৈছে। প্ৰাসঙ্গিক কথাসমূহ আৰু ভক্তিতত্বমূলক কথাখিনি বাহুল্যৰ ভয়ত উল্লেখ কৰা নহ'ল।ধেমাজিৰ কিৰণ প্ৰকাশনৰ স্বত্বাধিকাৰী শ্ৰীমান নব কলিতাই কথা কীৰ্ত্তন-ঘোষা গ্ৰন্থখনি অশেষ কষ্ট স্বীকাৰ কৰি প্ৰকাশ কৰাৰ বাবে শ্ৰী কলিতাৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰলো। কিৰণ প্ৰকাশনৰ সমূহ কৰ্ম্মীৰ প্ৰতিও আমাৰ কৃতজ্ঞতা থাকিল।

বঢ়া-টুটাৰ বাবে সুধীবৃন্দৰ ওচৰত ক্ষমা বিচাৰিলো আৰু তেওঁসবৰ সৎ পৰামৰ্শ আৰু আশীৰ্বাদ ভিক্ষা কৰিছোঁ। লিখনিত বৈ যোৱা অনিচ্ছাকৃত বৰ্ণাশুদ্ধিৰ বাবেও ক্ষমা বিচাৰিলোঁ। সংশ্লিষ্টলোকৰ উপকাৰ সাধন কৰিলে আমাৰ শ্ৰম সাৰ্থক হ'ব। মহাপুৰুষ মাধৱদেৱৰ নিম্নোক্ত ঘোষা জনাৰে সদৌটিলৈকে সেৱা জনালো—

" মঞিও অজ্ঞানীৰ যতেক অজ্ঞান
হৰি হৰি হৰি হৰি এ
কথা কহি কোনে সীমা কৰিবেক তাক
ইটো মোৰ ঘোৰ দোষ পৰিহৰি
হৰি হৰি হৰি হৰি এ
কৃপাময় কৃষ্ণ চৰণে ৰাখা আমাক"

সেৱাৰে
০১/১০/২০০৫
শ্ৰীবিপিন চুতীয়া
ধেমাজি, অসম

কথা কীৰ্ত্তন-ঘোষা

শ্ৰীকৃষ্ণলৈ নমস্কাৰ

শ্লোক

ভগৱান কৃষ্ণলৈ, বসুদেৱ আৰু দৈৱকী পুত্ৰলৈ,
নন্দগোপ কুমাৰলৈ, গোবৰ্দ্ধনধাৰী গোবিন্দলৈ
পুনঃ পুনঃ নমস্কাৰ।।

পদ্ম-নাভলৈ নমস্কাৰ দিব্যপদ্মমালা
পৰিধানকাৰীলৈ নমস্কাৰ,
পদ্মসম নেত্ৰযুক্তজনলৈ নমস্কাৰ, শতপদ্ম
প্ৰকাশিত পাদযুক্তজনলৈ নমস্কাৰ।।

কংস- চানুৰ বিমৰ্দ্দনকাৰী বসুদেৱৰ পুত্ৰ কৃষ্ণ
দেৱক, দৈৱকীহৃদয়ত
আনন্দৰ জোৱাৰ তোলা বিশ্ব ব্ৰহ্মাণ্ডৰ গুৰু
কৃষ্ণদেৱক, বন্দনা কৰোঁ।।

(সেই) হৰি, ৰাম, ৰামক বন্দনা কৰোঁ।।

যাৰ কৃপাত বোবায়ো কথা ক'ব পাৰে, ভৰি
নোহোৱাজনেও গিৰি শৃঙ্গত
আৰোহণ কৰিব পাৰে, সেই পৰমানন্দ মাধৱক
বাৰম্বাৰ বন্দনা কৰোঁ।।

সূচীপত্র

প্ৰথম খণ্ড	চতুৰ্বিংশতি অৱতাৰ	৭-১২
দ্বিতীয় খণ্ড	নাম-অপৰাধ	১৩-১৭
তৃতীয় খণ্ড	পাষণ্ড মৰ্দ্দন	১৮-২৬
চতুৰ্থ খণ্ড	ধ্যান বৰ্ণন	২৭-৩০
পঞ্চম খণ্ড	অজামিল উপাখ্যান	৩১-৩৮
ষষ্ঠ খণ্ড	প্ৰহ্লাদ চৰিত	৩৯-৭৭
সপ্তম খণ্ড	গজেন্দ্ৰ উপাখ্যান	৭৮-৮৩
অষ্টম খণ্ড	উৰেষা-বৰ্ণন	৮৪-১০১
নৱম খণ্ড	বলি ছলন	১০২-১০৭
দশম খণ্ড	শিশু লীলা	১০৮-১২৯
একাদশ খণ্ড	ৰাস ক্ৰীড়া	১৩০-১৬২
দ্বাদশ খণ্ড	কংস বধ	১৬৩-১৯০
ত্ৰয়োদশ খণ্ড	গোপী উদ্ধৱ সংবাদ	১৯১-১৯৩
চতুৰ্দশ খণ্ড	কুঁজীৰ বাঞ্ছা পূৰণ	১৯৪-১৯৫
পঞ্চদশ খণ্ড	অক্ৰূৰৰ বাঞ্ছা পূৰণ	১৯৬-১৯৭
ষোড়শ খণ্ড	জৰাসন্ধৰ যুদ্ধ	১৯৪-২০৩
সপ্তদশ খণ্ড	কালযৱন বধ	২০৪-২০৭
অষ্টাদশ খণ্ড	মুচুকুন্দ স্তুতি	২০৮-২১৫
ঊনবিংশ খণ্ড	স্যমন্তক হৰণ	২১৬-২২৪
বিংশ খণ্ড	নাৰদৰ কৃষ্ণ দৰ্শন	২২৫-২৩০
একবিংশ খণ্ড	বিপ্ৰপুত্ৰ আনয়ন	২৩১-২৩৮
দ্বাবিংশ খণ্ড	দামোদৰ বিপ্ৰাখ্যান	২৩৯-২৪৪
ত্ৰয়োবিংশ খণ্ড	দৈৱকীৰ পুত্ৰ-আনয়ন	২৪৫-২৪৯
চৰ্তুবিংশ খণ্ড	বেদস্তুতি	২৫০-২৫৫
পঞ্চবিংশ খণ্ড	লীলা মালা	২৫৬-২৭০
ষষ্ঠবিংশ খণ্ড	শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ- প্ৰয়াণ	২৭১-৩০২
সপ্তবিংশ খণ্ড	ভাগৱত-তাৎপৰ্য	২০৩-৩০৬
পৰিশিষ্ট - ১	সহস্ৰনাম -বৃত্তান্ত	৩০৭-৩১৭
পৰিশিষ্ট - ২	উৰেষা-বৰ্ণন	৩০১-৩৫০

কথা কীৰ্ত্তন-ঘোষা

প্ৰথম খণ্ড

চতুৰ্বিংশতি অৱতাৰ

প্ৰথম কীৰ্ত্তন

ঘোষা যিজনে সংসাৰৰ দুঃখ-দুৰ্গতি-ত্ৰিতাপ হৰণ কৰে বেদৰ যি অধিৰ্কতা, বেদৰ গুপ্ত বিত্ত নাৰায়ণ যাৰ নাম, যি সমস্ত বিশ্ব-ব্ৰহ্মাণ্ডৰ প্ৰাণীপদাৰ্থত ৰাম নামেৰে ৰমণ কৰি আছে, ব্ৰহ্মা-বিষ্ণু-মহেশ তিনিওকে যি পৰম ব্ৰহ্ম-নাৰায়ণ নামে আচ্ছাদিত কৰি ৰাখিছে সেই কেশৱ; সেই ৰাম-হৰি-কেশৱৰ জয় হওক।।১।।

পদ ১ সৰ্ব্ব প্ৰথমে সমস্ত অৱতাৰৰ মূল কাৰণ নাৰায়ণৰ সনাতন-ব্ৰহ্মক প্ৰণাম কৰিছোঁ। নিৰাকাৰ নিৰ্গুণ ব্ৰহ্মাই সাকাৰ ৰূপীহৈ সনাতন ব্ৰহ্মাৰূপত নাৰায়ণ নাম লৈছে।তেওঁৰ নাভি কমলৰ পৰাই বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰথম জীৱ ব্ৰহ্মাৰ জন্ম হৈছে আৰু ইয়াৰ পাচত যুগে যুগে অসংখ্য বাৰ ভগৱন্তই গ্ৰহণ কৰিছে।

২ প্ৰধান দহটি অৱতাৰ ভিতৰত মৎস্য অৱতাৰেই প্ৰথম। মহাপ্ৰলয়ৰ জলত হেৰাই যোৱা বেদ ব্ৰহ্মক ভগৱন্তই মৎস্য অৱতাৰ অৱগাহন কৰি উদ্ধাৰ কৰে। ভগৱন্তৰ মৎস্য অৱতাৰৰ দ্বিতীয় উদ্দেশ্য সত্যব্ৰত ৰাজাক নিজ মায়া- মাহাত্ম্য প্ৰদৰ্শন কৰা ; সেয়ে ক্ষুদ্ৰ মাছৰ পোনাৰূপে গণ্ডুষ জলত দেখা দি অৱশেষত মহাসমুদ্ৰতো নধৰা আকৃতি ধাৰণ কৰি অনিমাৰ পৰা মহিমালৈ পৰ্য্যবসিত হৈছিল।।

৩ ক্ষীৰ সাগৰৰ কাষত কুৰ্ম্ম বা কাছ ৰূপে ভগৱানে অৱতাৰ গ্ৰহণ কৰি লক্ষ প্ৰহৰৰ পথ আগুৰি পেলালে। মন্দৰ গিৰিক পিঠিত তুলি সমুদ্ৰ মন্থনৰ বাবে উঠাই নিবৰ কাৰণেই ভগৱানৰ কুৰ্ম্ম অৱতাৰ। দেৱ-দৈত্যৰ অসাধ্য কৰ্ম্ম অনায়াসে সাধিত হোৱা দেখি আৰু কুৰ্ম্ম - কলেবক দেখি দেৱতা, অসুৰ- নাগসকলে পৰি পৰি স্তুতি কৰিলে।

৪ মহাজলধিত দৈত্য হিৰণ্যাক্ষ বীৰে পৃথিৱীক লুকুৱাই থোৱাত ভগৱন্তই

বৰাহ ৰূপে যজ্ঞভূমিত অৱতাৰ হৈ ভয়ঙ্কৰ আকৃতিধৰি জলৰ ভিতৰত প্ৰৱেশ কৰি প্ৰচণ্ড যুদ্ধ কৰিবলৈ ধৰিলে আৰু হিৰণ্যাক্ষক দাঁতেৰে ছিৰি অনায়াসে বধ কৰি পৃথিৱীক উদ্ধাৰ কৰে।

৫ দৈত্যৰাজ মহাপ্ৰতাপী হিৰণ্যকশিপু আছিল প্ৰথম দৈত্য। স্বৰ্গ- মৰ্ত্য-পাতাল তিনি ত্ৰৈলোক্যক ত্ৰ্যস্তমান কৰি তোলা হিৰণ্যকশিপুক বধ কৰিবৰ কাৰণে আৰু মহাভক্ত প্ৰহ্লাদক ৰক্ষা কৰিবৰ কাৰণেই বিষ্ণুৱে নৰসিংহ অৱতাৰ গ্ৰহণ কৰিছিল। নৃসিংহ ৰূপে দৈত্যেন্দ্ৰৰ হিয়া বিদাৰি ত্ৰিদশ কোটি দেৱতাৰ ভয় দূৰ কৰিলে আৰু ভক্ত প্ৰহ্লাদক ৰজা পাতিলে।

৬ দৈত্যৰ উৎপাতত দেৱসৱৰ দুৰ্গতি হোৱাত দেৱমাতৃ অদিতিৰ অনুৰোধত ভগৱানে বামনৰূপে অৱতাৰ লৈ- মহাবলী দৈত্যৰাজ বলিক কৌশলেৰে পাতাললৈ পথাই ইন্দ্ৰক স্বৰ্গত স্থাপন কৰে। ভগৱান বামনৰ তিনি পাদে ত্ৰৈলোক্যক আগুৰি পেলালে আৰু বামনৰ ভৰি প্ৰক্ষালনৰ জলেৰে পবিত্ৰ গঙ্গাৰ সৃষ্টি হ'ল।

দ্বিতীয় কীৰ্ত্তন

ঘোষা কৃষ্ণ যাদব বংশৰ শিৰোমণি স্বৰূপ। যদুবংশত জন্মগ্ৰহণ কৰাৰ বাবে (যদু + ষ্ণ) তেওঁক যাদব বোলা হয়। তেওঁ যাদৱসকলৰ পৰমানন্দ স্বৰূপ আৰু যাদৱসকলৰ দুখ-মোচনকাৰী 'হৰি'।।২।।

পদ ৭ পৰশুৰাম ভগৱন্তৰ ষষ্ঠ অৱতাৰ ক্ষত্ৰিয়ই কৰা নিৰ্য্যাতনৰ বাবেই পৰশুধাৰী ৰামে একৈশ বাৰ পৃথিৱী পৰ্যটন কৰি সমস্ত ক্ষত্ৰিয়ক কাটি জগতত ক্ষত্ৰিয়ৰ নাম নাৰাখিলে। তেওঁৰ হাতৰ কুঠাৰখনেৰে ক্ষত্ৰিয়ৰ নিধন কৰিছিল।

৮ অযোধ্যাৰ ৰজা দশৰথৰ ভাৰ্য্যা কৌশল্যাৰ গৰ্ভত শ্ৰীৰামে সপ্তম অৱতাৰ গ্ৰহণ কৰি পিতৃবাক্য পালি চৈধ্য বছৰ বনবাস খাটিছিল। তেওঁ পঞ্চৱতী বনত-বিৰাধ, কবন্ধ, মাৰীচৰ প্ৰাণ লৈছিল আৰু খৰ আৰু দূষণক বধ কৰিছিল।

৯ কিষ্কিন্ধাৰ বানৰ ৰজা বালীক একেপাট শৰে বধ কৰিছিল আৰু বালীৰ ভাতৃ সুগ্ৰীবক কিষ্কিন্ধাৰ ৰজা পাতিছিল। সাগৰত সেতু বান্ধি লঙ্কা নগৰীত প্ৰৱেশ কৰি সীতাদেৱীক হৰণ কৰাৰ অপৰাধত লঙ্কাধিপতি ৰাৱণক ৰামে বধ কৰিছিল।

১০ লঙ্কাৰ যুদ্ধত ৰামচন্দ্ৰই ৰাৱণৰ বাদেও আন আন ৰাক্ষসকো বধ কৰিছিল আৰু ৰাৱণৰ ভাতৃ বিভীষণক ৰাজাসনত অভিষিক্ত কৰিছিল। তাৰ পাচত সীতা দেৱীক অগ্নিত পৰীক্ষা কৰিছিল আৰু ব্ৰহ্মাদেৱৰ স্তুতিত সন্তোষ্ট হৈছিল।

১১ পিতৃ দশৰথৰ পূৰ্ব্ব বচন স্মৰণ কৰি ৰামে সীতাক সম্বৰণ কৰি স্বৰাজ্য অযোধ্যালৈ আনন্দিত মনেৰে ভাৰ্য্যা সহ প্ৰত্যাগমন কৰে। অযোধ্যাত সুদীৰ্ঘ দহ হাজাৰ বছৰ ৰাজত্ব কৰি অযোধ্যাকো লগত লৈ স্বৰ্গাৰোহণ কৰে।

১২ বসুদেৱৰ পত্নী ৰোহিণীৰ গৰ্ভত ভগৱন্তই হলিৰাম অৱতাৰ গ্ৰহণ কৰি মুষ্টিৰ প্ৰহাৰে দ্বিবিদৰ প্ৰাণ সংহাৰ কৰে। তদুপৰি প্ৰলম্ব, মুষ্টিক, ৰুক্ম, দন্তবক্ৰাদি বীৰক লীলা কৰি বধ কৰি ভূমিৰ ভাৰ হৰণ কৰিছিল।

১৩ ভগৱন্তই বুদ্ধ অৱতাৰ গ্ৰহণ কৰি বেদ পন্থ ছন্ন কৰে। বামানয় শাস্ত্ৰই সকলোৰে মন আচ্ছন্ন কৰি ৰাখিছিল। লোকে ঈশ্বৰৰ চৰণ চিন্তা নকৰে, ঈশ্বৰৰ নাম নলয়, সদায়ে পাষণ্ড আচাৰত প্ৰমত্ত হৈ জীৱন প্ৰৱৰ্ত্তন কৰিছিল।

১৪ কলিৰ শেষত ভগৱানে কল্কি অৱতাৰ পৰিগ্ৰহ কৰিব আৰু সমস্ত ম্লেচ্ছক কাটি মাৰি বুন্দামাৰ কৰিব। সমস্ত বৌদ্ধগন অৰ্থাৎ তন্ত্ৰবাদীসকলক নিচ্ছিন্ন কৰি কলিৰ অন্তত সত্য যুগৰ প্ৰৱৰ্ত্তন কৰিব।

৯৩ কথা কীৰ্ত্তন-ঘোষা ৩৫ ১০

তৃতীয় কীৰ্ত্তন

ঘোষা মানৱী তনু অৱগাহন কৰি মানৱৰ দুঃখ হৰণকাৰী 'হৰি'য়েই বেদ-ৰক্ষক হিচাবে 'গোবিন্দ' ৰাম ৰাম নামত জীৱক ৰমন কৰি আছে। সেই নৰহৰি গোবিন্দ, ৰাম নাম উচ্চাৰণ কৰি সংসাৰ- সাগৰৰ পাৰ হওঁহঁক। ।।৩।।

পদ ১৫ হৰিয়ে সনক-সনন্দ-সনাতন-সনতকুমাৰ অৱতাৰ লৈ অতি কষ্টকৰ ব্ৰহ্মাচৰ্য্য ব্ৰত পালন কৰি জগতক আদৰ্শ প্ৰদৰ্শন কৰিছিল। পৃথিৱীৰ প্ৰথম ৰজা পৃথুৱে সনতকুমাৰক যি মহা-তত্বজ্ঞান দিবলৈ আহ্বান জনাইছিল তাক হৰিয়েই সনাতন ৰূপ লৈ ব্যাখ্যা কৰিছিল।

১৬ কৃষ্ণই নাৰদ অৱতাৰ লৈ ভগৱন্তৰ নামৰ মাহাত্ম্য প্ৰকাশৰ বাবে ' পঞ্চৰাত্ৰ তন্ত্ৰ' শাস্ত্ৰ জগতত প্ৰচাৰ কৰিছিল। এই নাৰায়ণ সম্প্ৰদায়ৰ পঞ্চৰত্ৰি মত আচৰণ কৰি মহামোক্ষ পদ লাভ কৰিব পাৰি। বীনাৰ সুমধুৰ সুৰ-তৰঙ্গৰ মাজেদি ভগৱন্ত কৃষ্ণৰ পৰম মঙ্গল নাম- নাৰদে কীৰ্ত্তন কৰি ফুৰিছিল।

১৭ 'নৰ' আৰু 'নাৰায়ণ' ৰূপে ঈশ্বৰে অৱতাৰ লৈ অত্যন্ত দুষ্কৰ বা কঠিনতম তপ কৰি চিত্তৰ শোধনৰ আদৰ্শ জগতক প্ৰদৰ্শন কৰিছিল। আনকি উগ্ৰ তপস্যা দেখি স্বৰ্গৰ ইন্দ্ৰৰো সন্ত্ৰাসৰ সৃষ্টি হৈছিল আৰু কামদেৱক পঠাই নৰনাৰায়নৰ তপভঙ্গ কৰিবলৈ চেষ্টা কৰি ব্যৰ্থ হৈ ঘূৰি যায়।

১৮ জগতত জ্ঞান বিলুপ্ত হোৱাত ভগৱানে কৰ্দম প্ৰজাপতি আৰু তেওঁ ভাৰ্য্যা দেৱহুতিৰ পুত্ৰৰূপে-'কপিল'ৰ অৱতাৰ হয়। সাংখ্যযোগৰ তত্ব কপিলৰ মুখে শুনি মাতৃ দেৱহুতিয়ে পুত্ৰক ভগৱানৰ অৱতাৰ বুলি জানি, তেওঁৰে চৰণ চিন্তি মুক্তি লাভ কৰিলে।

১৯ ভগৱানে ক্ষত্ৰিয়ৰ ঔৰসত দত্তাত্ৰেয় নামেৰে অৱতাৰ হয়। ৰজা যদু, অলৰ্ক আৰু হৈহয়ে দত্তাত্ৰেয়ৰ ওচৰত যোগশাস্ত্ৰ সম্পৰ্কে সোধাত তেওঁ তিনিও ৰজাকে যোগ-শাস্ত্ৰ-তত্ব ব্যাখ্যা কৰে আৰু তাকে পাই তিনিজনেই পৰম মুক্তি লাভ কৰে।

২০ যজ্ঞ অৱতাৰ গ্ৰহণ কৰি নিজে ইন্দ্ৰ হৈ যামা নামে দেৱগণৰ সহায় লৈ স্বায়ম্ভুৱ মনুৰ দিনত স্বৰ্গ-মৰ্ত্য-পাতাল এই ত্ৰিলোক পালন কৰিছিল।

২১ নাভিৰ পুত্ৰ ঋষভে ভগৱন্তৰ অৱতাৰ গ্ৰহণ কৰি জড়যোগচৰ্যা আচৰি পৃথিৱী পৰ্য্যটন কৰিছিল। ঋষভে পৰমজ্ঞানৰ পথ লোকক প্ৰদৰ্শন কৰিছিল আৰু এই পন্থ অনুসৰণ কৰি পৰম্পদ বা মুক্তি লাভ কৰিব পাৰি।

২২ পৃথিৱীত অৰাজকতাৰ সৃষ্টি হোৱাত অত্যাচাৰী বেনৰ সোঁবাহু মুনিগণে মন্থন কৰি পৃথুৰ সৃষ্টি কৰে আৰু এওঁ ভগৱানৰ অৱতাৰ। প্ৰজাক ৰক্ষা কৰিবলৈ পৃথুৰ আগমন। এওঁ পৃথিৱীৰ আদি ৰজা। পৃথিৱীৰ সৰ্ব্বৰস দুহন কৰি পৃথিৱীক শস্যেভৰা কৰিলে, তাৰ বাবে তেওঁৰ যশ সমস্ত জগতত বিয়পি পৰিল।

২৩ দেবাসুৰৰ সাগৰ মন্থনত ভগৱন্তই ধন্বন্তৰি নামে অৱতাৰ ললে। সমস্ত বৈদ্য শাস্ত্ৰ জগতত প্ৰচাৰ কৰিলে। বৈদ্য শাস্ত্ৰ জানিলে সমস্ত ব্যাধি বিনাশ হয়।

২৪ সাগৰ মন্থনত নাৰায়ণে সংসাৰ মোহিনী বেশ ধাৰণ কৰি এগৰাকী নাৰী হৈ দুষ্ট দৈত্যগণক মুহি পেলালে আৰু দৈত্যগণে নাৰীমায়াত অমৃতক এৰি নাৰী সৌন্দৰ্য্যত মুগ্ধ হ'ল আৰু মোহিনীয়ে কৌশলেৰে ভকত অৰ্থাৎ দেৱগণক অমৃত পান কৰোৱালে আৰু ভগৱানৰ কৃপাত দেৱগণ কৃতকৃত্য হ'ল।

চতুৰ্থ কীৰ্ত্তন

ঘোষা হে লক্ষ্মীপতি মাধৱ, তুমিয়েই ৰাম,তুমিয়েই হৰি; হে যদুমনি যাদৱ, তুমিয়েই ৰাম, তুমিয়েই হৰি; অৰ্থাৎ মাধৱ, ৰাম, হৰি,যাদৱ- ভগৱান কৃষ্ণৰ পৰম মঙ্গল নাম। ।।৪।।

পদ ২৫ 'পৰাশ'ৰ ঔৰসত সত্যৱতীৰ গৰ্ভত ভগৱন্তই ব্যাস নাম লৈ অৱতাৰ হয়। সমস্ত প্ৰজা অল্পমতি হোৱাত তেওঁ বেদৰ চাৰিটি শাখা প্ৰনয়ণ কৰাৰ বাদেও চাৰিবেদৰ বিভিন্ন শাখা, পুৰাণসমূহ, মহাভাৰত আৰু অন্যান্য শাস্ত্ৰ লিখি উলিয়ায়।

২৬ গ্ৰাহে গজেন্দ্ৰক গিলিবলৈ ধৰাত গজেন্দ্ৰই আৰ্ত্তনাদ কৰি ভগৱানৰ চৰণ কমলত শৰণ লোৱাৰ লগে লগে ভগৱন্তই ভকতক উদ্ধাৰ কৰিবলৈ আহিল। শুৰেৰে পদুমৰ কলিটি ওপৰলৈ তুলি হৰিক উদ্ধাৰ কৰিবলৈ হৰিৰ শৰণাপন্ন হ'ল।

২৭ গজেন্দ্ৰৰ ভক্তিত তুষ্ট হৈ ভকতক ৰক্ষা কৰিবলৈ গৰুড়ৰ স্কন্ধত উঠি হৰিয়ে ততাতৈয়াকৈ উপবিষ্ট হ'ল আৰু গৰুড়ৰ স্কন্ধৰ পৰা নামি প্ৰবল পৰাক্ৰমেৰে শুৰত ধৰি হ্ৰদৰপাৰলৈ তুলিলে। লগতে ভৰিত কামোৰ মাৰি থকা গ্ৰাহো পাৰলৈ আহিল।

২৮ হৰিয়ে শীঘ্ৰে চক্ৰ প্ৰহাৰ কৰি গ্ৰাহৰ মুখ ছিঁড়ি পেলালে। ঈশ্বৰৰ দয়াত গজেন্দ্ৰৰ বিপদ দূৰ হ'ল। হঠাতে হস্তীৰ ৰূপ নাইকীয়া হৈ চতুৰ্ভুজ ৰূপ ধাৰণ কৰিলে আৰু তেওঁৰ ডিঙিত বনমালা জিলিকি উঠিল আৰু চাৰি হাতত চাৰি অস্ত্ৰ প্ৰকাশ পালে।

২৯ হৰিক গজেন্দ্ৰই দণ্ডৱতে পৰি নমস্কাৰ জনালে আৰু তেওঁৰ কৃপাত গজেন্দ্ৰই পাৰিষদী তনু লাভ কৰি বৈকুণ্ঠগামী হ'ল। আনহাতে শাপভ্ৰষ্ট গ্ৰাহই ভগৱানৰ পৰশত দিব্যৰূপ ধাৰণ কৰি স্বৰ্গধামলৈ গতি কৰিলে।

৩০ বিষ্ণুৱে হয়গ্ৰীৱ শিৰোধৰ মূৰ্ত্তি ধাৰণ কৰে। তেওঁ দেহৰ বৰণ তপ্ত সুবৰ্ণৰ দৰে। মধু আৰু কৈতভ দৈত্যই অপহৰণ কৰা বেদ উদ্ধাৰ কৰিবলৈ, যি বেদ তেওঁৰ সুন্দৰ নাসিকাৰ পৰা নিশ্বাসৰ লগত বাজ হৈছিল -দৈত্যদ্বয়ক বধ কৰি বেদ উদ্ধাৰ কৰে হয়গ্ৰীৱ অৱতাৰত।

৩১ উত্তানপাদ ৰজাৰ দুই পত্নী সুৰুচি আৰু সুনিতী; বৈমাতৃ সুৰুচিৰ কঠোৰ আৰু নিষ্ঠুৰ বাক্যত অতীষ্ঠ হৈ সুনিতীৰ পুত্ৰ ধ্ৰুৱই অত্যন্ত মৰ্মান্তিক বেজাৰ পাই ভগৱন্তক বিচাৰি ভগৱন্তৰ চৰণত পৰি আৰাধনা কৰাত ভগৱানে ধ্ৰুৱক ত্ৰৈলোক্যৰ ওপৰত স্থান দি ধ্ৰুৱলোকত অধিষ্ঠিত কৰিলে। বৰ্ত্তমানো গোধিকা নক্ষত্ৰৰ নেজৰ ফালে এই ধ্ৰুৱ নক্ষত্ৰ প্ৰত্যক্ষ কৰা যায়।

৩২ দেৱতা আৰু দৈত্যই দাঙি আনিব নোৱাৰা মন্দৰ গিৰিক কূৰ্ম্ম অৱতাৰ ধৰি পিঠিত তুলি আনিলে আৰু সাগৰ মন্থন কৰিবলৈ সুবিধা কৰি দিলে। দেৱতাৰ পক্ষ লৈ ভগৱানে দানৱৰ বিপক্ষে যুঁজি ইন্দ্ৰক স্বৰ্গৰ সিংহাসন দিয়ে।

৩৩ ভগৱান কৃষ্ণৰ ৰহস্যময় জন্ম কথা সকলোৱে শ্ৰৱণ-কীৰ্ত্তন কৰি মোক্ষ লাভ কৰিব পাৰে। কৃষ্ণৰ পৰম ভক্ত শঙ্কৰদেৱে নিজকে কৃষ্ণৰ কিঙ্কৰ বুলি কৃষ্ণ-কথা ব্যক্ত কৰিছে; সেয়ে এই অমৰ কথা শুনি নিজৰ অধোগতি ৰোধ কৰক।।

চতুৰ্বিংশতি অৱতাৰ সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

দ্বিতীয় খণ্ড

নাম-অপৰাধ

প্ৰথম কীৰ্ত্তন

ঘোষা হৰিৰ চৰণে ৰতি কৰক। কাৰণ কলিযুগত হৰিনামেহে গতি দিব পাৰে।। ৫।।

পদ ৩৪ পদ্ম পুৰাণৰ স্বৰ্গ খণ্ডত, কলি যুগৰ ধৰ্ম্মসমূহ নিৰূপিত হৈ আছে। তাক একান্ত মনে-চিতে শুনাসকলে সংসাৰৰ পৰা উদ্ধাৰ হ'ব পাৰে।

৩৫ ব্ৰহ্মাৰ প্ৰথম মানস পুত্ৰ সনক, সনন্দ, সনাতন আৰু সনত কুমাৰ পৰম আনন্দিত হৈ মনত উদয় হোৱা সংশয়সমূহৰ উত্তৰ বিচাৰিলে।

৩৬ কৃপাৰ সাগৰ ভগৱানে মহাপাপসমূহৰ সম্পৰ্কে কি কথা ব্যক্ত কৰিছে— মহাপাপসমূহ কেনেকৈ নিৰাময় কৰিব পাৰি আৰু কি পূণ্য কৰ্ম্ম কৰি ঘোৰ কলিযুগত সংসাৰ-সাগৰৰ পাৰ পাব পাৰি - তাৰ উত্তৰো বিচাৰিছে।

৩৭ যিহেতু চাৰিসিদ্ধ- মহাভাগৱত; গতিকে নাৰদৰ মনত উদয় হোৱা সংশয় সমূহ দূৰ কৰিব লাগে।

৩৮ নাৰদৰ প্ৰশ্নৰ উত্তৰত সনত কুমাৰে কৈছে - "হে নাৰদ, তুমি গোবিন্দৰ অতি প্ৰিয় আৰু তুমি ভাগৱত ধৰ্ম্মৰ বিষয়ে নিজেও অভিজ্ঞ। তথাপি সংসাৰৰ লোকে জানিবৰ কাৰণেই বা মোক্ষলাভ কৰিবৰ কাৰণেই নজনাৰ ভাওযুৰি এই সৰ্ব্বোত্তম সাৰ কথা সুধিছা।"

৩৯ কেনেকৈনো সংসাৰত পাপৰ পৰা উদ্ধাৰ হ'ব পাৰি, তাৰ উপায় মনোযোগেৰে শুনা বুলি সনতকুমাৰে উত্তৰ দিছে— যি সকলে নিজৰ ধৰ্ম্ম-আচাৰ পৰিত্যাগ কৰিলে যি লোকে নিজৰ স্বভাৱজাত কৰ্ম্ম এৰি পেলালে, তেওঁলোক অধঃপতিত হয়।

৪০ যি জনে শঠতাৰ আশ্ৰয় লৈছে, তেওঁ জগতক বঞ্চনা কৰিছে; সদায়ে দম্ভ-অহঙ্কাৰৰ বশবৰ্ত্তী হৈ, সুৰাপান কৰি, চাতু বাণীৰে লোকক প্ৰৱঞ্চনা

কৰি চণ্ডালৰ দৰে কৰ্ম্ম কৰি, আনক নিষ্ঠুৰ বাক্য প্ৰয়োগ কৰিছে তেনেলোক পাপত বুৰ গৈছে।

৪১ পুত্ৰ-ভাৰ্য্যা-ধনত যাৰ আসক্তি হৈছে, তেওঁ সকলোতকৈ পাপমতি। তেনেজনে যদি হৰিৰ চৰণত শৰণ লৈছে তেওঁ ওপৰত উল্লেখ কৰা পাপসমূহতো উদ্ধাৰ হ'ব পাৰে।

৪২ দেৱৰ ভিতৰতে উত্তম কৰুণাময় ভগৱানৰ কৃপাত সমস্ত চৰাচৰ জগতে মুক্তি লাভ কৰিব পাৰে। আনকি ভগৱানৰ দ্ৰোহ আচৰণ কৰা জনেও যদি ভগৱানক ভজে তেন্তে তেওঁ নিস্তাৰ পায়।

৪৩ যি মণ্ডমতি আৰু অধম লোকে ঈশ্বৰৰ ওচৰত মহা অপৰাধ কৰে, তেওঁ যদি এবাৰমান নামত শৰণ লয়, তেতিয়া নামে তাৰ সমস্ত পাপ মোচন কৰে।

৪৪ হৰিনাম অতি আপোন আৰু ই সমস্ত লোকৰ হিতকাৰী, তেনে হৰিনামৰ অপৰাধ যি জন কৰে তেনেজনক কোনেও ৰক্ষা কৰিব নোৱাৰে, তাৰ পৰা উদ্ধাৰৰ উপায়ো নাই আৰু সেইজনৰ অধোগতি অৱশ্যাম্ভাৱী।

৪৫ তেনেজনক হৰিয়েও ৰাখিব নোৱাৰে। ইয়াকে শুনি নাৰদে কলে - 'নামৰ অপৰাধবোৰ কি কি? লোকৰ সঞ্চিত পূণ্য কিহে বিনাশ কৰে?"

৪৬ পাপ অৰ্জ্জন কৰি কেনেকৈ লোক অধোগতি যায়, নামৰ দ্ৰোহ- সমূহ কি কি, এই বিষয়ে নাৰদে প্ৰশ্ন কৰে। সমত কুমাৰে এই বিষয়ত পৰম ৰহস্য কথা কবলৈ ধৰিলে।

৪৭ "এই সমস্ত কথা পুৰ্ব্বতে শঙ্কৰে মোক কৈছিল আৰু তাকে তোমাৰ আগত প্ৰকাশ কৰিম আৰু নামৰ দ্ৰোহ শুনিবা" বুলি সনত কুমাৰে নাৰদক কৈছিল।

দ্বিতীয় কীৰ্ত্তন

ঘোষা হৃদয়ত ভগৱানৰ ৰূপ ধাৰণ কৰি মুখে হৰি নাম উচ্চাৰিবা। নামৰ সমান পুণ্য আন একো হ'ব নোৱাৰে।।৬।।

পদ ৪৮ নামৰ পৰম দ্ৰোহী জন হৈছে সেইজন, যি জনে ভকতক নিন্দা কৰে; কাৰন ভগৱান আৰু ভকত অভেদ্য। কিয়নো ভকতৰ মুখেৰেহে নামৰ সৃষ্টি হয় আৰু নামৰ মাহাত্ম্য প্ৰকাশ পায় আৰু তেনে ভকতক নিন্দা কৰিলে নামে সহ্য কদাপি নকৰে।

৪৯ হৰি হৰ একে আত্মা; সেয়ে বিষ্ণু আৰু শিৱৰ গুণ-নাম ভিন্ন বুদ্ধি কৰিব নালাগে। অন্য প্ৰকাৰে বিষ্ণুৱেই শিব অৰ্থাৎ মঙ্গলময় আৰু মঙ্গলময় বিষ্ণু আৰু তেওঁৰ নামৰ ভিন্নতা থাকিব নোৱাৰে; নাম আৰু নামী অভেদ। এনে নামৰ ভেদ দেখাজন নামৰ অপৰাধী আৰু নৰকত তেওঁ পৰিবই।

৫০ গুৰুক অবহেলা কৰা আৰু বেদ-নিন্দুকজন পাপী। এই দুইটি অপৰাধৰ বাবে যতনা ভুগিবই লাগিব।

৫১ হৰিনামত তৰ্কবাদ কৰি হৰিনামৰ মহিমা উচ্ছাদ কৰা জন নামৰ পৰম দ্ৰোহী; তেওঁ নৰকত পচে আৰু নৰকৰ পৰা কোনোদিনে উদ্ধাৰ হৈ পুনঃ জন্ম পোৱাটো কঠিন।

৫২ ভগৱন্তৰ নামক যদি পাপ কৰ্ম্মত প্ৰয়োগ কৰে তেনে ব্যক্তিয়ে অষ্টাঙ্গ যোগ সাধনা কৰিও শুদ্ধ হ'ব নোৱাৰে। ইও নাম অপৰাধত পৰে আৰু তাৰ বাবে যান্ত্ৰণা ভুগিব লাগে।

৫৩ ধৰ্ম্ম, হোম, ব্ৰত, তীৰ্থস্নান, বিভিন্ন যজ্ঞ- মহাযজ্ঞ, দানাদি কৰ্ম্মক নামৰ সমতুল্য জ্ঞান কৰিলে অশেষ যাতনা ভোগ কৰিব লাগে।

৫৪ নাম কীৰ্ত্তনৰ সময়ত অন্যমনা হৈ শ্ৰদ্ধাৰে শ্ৰৱণ নকৰিলে অধঃপতন হোৱাৰ উপৰিও কাণ কলা হয় আৰু তেনে কৰ্ণত গৰম শলা নিশ্চয়ে সোমাব।

৫৫ ভগৱানৰ নামত শ্ৰদ্ধা নোহোৱা বা কাণ পাতি নুশুনাজনক নাম দান কৰিলে তেনেজন নাম অপৰাধত পৰে আৰু যমৰ যান্ত্ৰণা ভোগ কৰিব লগা হয়।

৫৬ নামৰ মাহাত্ম্য জানি শুনিও নামত প্ৰীতি নোহোৱাজনো নামৰ দ্ৰোহী

হয় আৰু তেওঁ অহঙ্কাৰী বুলি পৰিগণিত হয়। তাৰ জিভা উঘালি যমে শাস্তি দিয়ে।

৫৭ এই দহবিধ নাম অপৰাধীৰ বিষয়ে শিৱই কোৱা শুনি ইতিপূৰ্ব্বে সমস্ত মুনিৰ আগত আৰু এতিয়া তোমাৰ আগত ব্যক্ত কৰিলো বুলি সনতকুমাৰে নাৰদক কয়।

৫৮ নামৰ দ্ৰোহে কেতিয়াও এৰা নিদিয়ে আৰু তাৰ বাবে পাপত পচিবই। বালকে মাতৃৰ খণ্ডত অন্ন খাবলৈ এৰিলে নিজে অনাহাৰৰ দুঃখ ভোগ কৰাৰ দৰে নামৰ দ্ৰোহ আচৰি নিজেহে কষ্ট পোৱা যায়।

৫৯ গতিকে 'নাম-অপৰাধ নকৰি নাম লবলৈ যত্ন কৰা' বুলি দেৱৰ্ষিক সনত কুমাৰে কৈছে। কাৰণ নামে পৰম সিদ্ধি আনি দিয়ে, যিহেতু নাম সমস্ত জগতৰ অমূল্য ৰত্ন।

৬০ সনত কুমাৰক নাৰদে পুনৰ প্ৰশ্ন কৰিলে- যে যিজনৰ বিজ্ঞান নাই আৰু বৈৰাগ্যৰ অভাৱ, কেৱল বাসনাতে মজি থাকে তেওঁ কেনেকৈ নামৰ দ্ৰোহৰ পৰা পৰিত্ৰাণ পাব।

৬১ উত্তৰত কুমাৰে কলে যে নামৰ দ্ৰোহী পাপীজনে যদি সততে নাম গাই ফুৰে , তেওঁ নাম-অপৰাধৰ পৰা ৰক্ষা পায়।

৬২ আচলতে যি জন সংসাৰৰ প্ৰতি উদাসীন, নাম অপৰাধ হীন, তেওঁ ভগবানৰ নাম ললে বা স্মৰণ কৰিলে এক নামেই তেওঁক তাৰিব পাৰে।

৬৩ নামৰ-ৰহস্য শঙ্কৰে সনত কুমাৰক কৈছিল আৰু যি জনে তাক কীৰ্ত্তন কৰে তেওঁক অপৰাধৰ পৰা নিষ্কৃতি দিয়ে- ইয়াত কোনো বিকল্প নাই।

৬৪ হৰিনাম পৰমবন্ধু আৰু ইয়াক অনবৰতে লোৱাজনৰ সাতটি কাৰ্য্য সাধন হয় - তাৰ প্ৰতিটোৰ উল্লেখ কৰা হ'ল—

৬৫ নামৰ কাৰ্য্য হ'ল— নামে প্ৰথম পাপ সমূহ ভস্মীভূতকৰে, তাৰ পাচত পুণ্য অভ্যুদয় কৰায়, লগে লগে বিষয়ৰ প্ৰতি বিৰক্তি আনে আৰু কৃষ্ণত প্ৰেমভক্তিৰ উদয় কৰে।

৬৬ তাৰ পাছতে- জ্ঞানৰ উদয় হয় আৰু মায়াক দূৰ কৰি চিত- হৃদয়ত হৰিয়ে চৈতন্যমূৰ্ত্তি ধৰি অৱস্থান কৰে আৰু পূৰ্ণ জ্ঞানন্দেৰে হৃদয় মন বুৰাই পেলায়। তেতিয়া ঈশ্বৰ আৰু জীৱ এক হৈ যায়।

৬৭ নামে সাত কাৰ্য সাধন কৰিহে শান্ত হয়- এয়ে নামৰ পৰম তত্ত্ব। কলিত

নামৰ বিনে গতি নাই আৰু কলি যুগত মানুহ পাপমতি হ'বই।

৬৮ কলিত নামৰ বাহিৰে অন্য ধৰ্ম্মসমূহৰ অধিকাৰ নাথাকে। সেইবাবে হৰি স্মৰণ নকৰাজনে আত্মঘাতী হয়।

৬৯ মানৱী জনম সহজে লাভ কৰা কঠিন বুলি কৃষ্ণ-দাস শ্ৰীমন্ত শঙ্কৰে কৈছে। মূল্যবান পদাৰ্থ বিক্ৰী কৰি কাঁচ কিনাৰ দৰে মূল্যবান মানৱী জীৱন অবাবতে পঠাব নালাগে।

৭০ কেতিয়া কি বিঘাত হ'ব ক'ব নোৱাৰি; তথাপি মানৱৰ চেতনা নাই। আজি বা কাইলৈও মৰণ আহিব পাৰে বাবে জীয়াই থকা সময়ছোৱাত হৰিনামত শৰণ লোৱাই বিধেয়।

৭১ এই তত্ত্ব কথা মূল শাস্ত্ৰৰ পৰাই অৱধাৰিত কৰা হৈছে। বাৰাণসীৰ পৰা অহা শাস্ত্ৰ চাইহে ইয়াক লিখা হৈছে ; গতিকে লিখক শঙ্কৰক নিন্দা নকৰিবলৈ সকলোৰে ওচৰত আহ্বান জনাইছে - গুৰুজনে।

নাম অপৰাধ সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

তৃতীয় খণ্ড

পাষণ্ড মৰ্দ্দন

প্ৰথম কীৰ্ত্তন

ঘোষা কলিৰ ধৰ্ম্ম একমাত্ৰ হৰিনাম বুলি জানিবা।
পাপীয়ে হৰিনামৰ নিন্দা কৰিলেও তাত কাণ নিদিবা। ৭।।

পদ ৭২ ৰজা পৰীক্ষিতৰ আগত শুকমুনিয়ে বেদান্তৰ তত্ত্ব ব্যাখ্যা কৰিবলৈ ধৰিলে। কলিৰ ধৰ্ম্মনো কি, চাৰিযুগৰ ভিতৰত কলিযুগৰ শ্ৰেষ্ঠত্বৰ বিষয়ে আৰু জ্ঞানীসমাজে কলিযুগক কিয় শ্ৰেষ্ঠ বুলি প্ৰশংসা কৰে - সেই সম্পৰ্কে শুকে ক'বলৈ ধৰিলে—

৭৩ কলিযুগৰ মহাগুণৰ ভিতৰত হৈছে অতি সহজে পুণ্য অৰ্জন হয়, চৌত্ৰিশ জাতিয়ে কেৱল কীৰ্ত্তন কৰিয়েই বৈকুণ্ঠ লাভ কৰিব পাৰে।

৭৪ সত্যযুগত ধ্যান আৰু সমাধি কৰি, ত্ৰেতাত যজ্ঞ কৰি, দ্বাপৰত পূজা কৰি যি ফল লাভ কৰে, কলিত কীৰ্ত্তন কৰিয়েই সেই ফল লাভ কৰে।

৭৫ সত্যযুগত থকা সকলো প্ৰাণীয়েই কলিত জন্মগ্ৰহণ কৰি হৰিনাম লৈ ভকত হ'ব পাৰিব।

৭৬ কলিকালৰ প্ৰধান দোষ হৈছে পাপ, তথাপি পাপে ভৰা কলিযুগৰ মহাগুণ আছে; কাৰণ কেৱল হৰি কীৰ্ত্তন কৰি লোকে সংসাৰ বন্ধন ছিঙি মুক্তি লাভ কৰিব পাৰে।

৭৭ কীৰ্ত্তনৰ দ্বাৰা ভক্ত হোৱাৰ পথ কলিত মুক্ত হৈ থাকে বাবে অন্য ধৰ্মত লোক নিমজ্জিত হোৱাৰ প্ৰয়োজন নাই; ভাগৱত পুৰাণৰ একাদশ স্কন্ধত এই কথাৰ প্ৰমাণ আছে, গতিকে লিখকৰ কথাত অবিশ্বাস কৰা স্থল নাই।

নোবাৰে। কলিত ৰাম নাম লৈয়েই মানুহে মুক্তি পাব পাৰে।

৭৯ অতি দুষ্ট মনৰ ব্যক্তিয়েও যদি হৰিক সোঁৱৰণ কৰে, তেওঁৰ পাপৰাশি নাশ হয়। বিষ্ণু ধৰ্ম্মোত্তৰ আগমে কৈছে যে অনিচ্ছাতো অগ্নিয়ে পুৰাৰ দৰে হৰিনামে পাপ মষিমূৰ কৰিবই।

৮০ দুৰ্ঘোৰ সংসাৰ ব্যধিৰ পৰা আৰোগ্য লাভৰ মূল ঔষধ হৈছে-হৰিনাম। এনে মহৌষধৰূপী হৰিনাম নলৈ মিছাতে পণ্ডিত বোলাই ফুৰাজনে মুক্তি লাভ কৰিব নোৱাৰে।

৮১ নাৰদে মুনিক নামৰ অত্যাশ্চৰ্য্যৰ বিষয়ে কৈছে - সংসাৰ তাপত জ্বলাকলা হোৱা মনুষ্যই সমস্ত জগত ব্যাপি থকা হৰিনাম নলৈ আত্মঘাতী হয়।

৮২ নাৰদে কৈছে যে হৰিনামেই নিশ্চয়ে নাৰদৰ জীৱন আগুৰি আছে। কলিৰ লোকৰ গতি দিব পৰা নামৰ বাহিৰে কোনো পন্থা নাই।

৮৩ নাৰদে নাম সম্পৰ্কত দঢ়াই দঢ়াই কৈছে যেতিয়া এই কথা নমনাজন বিৰোধি; কাৰণ নাৰদৰ বাণী শিলৰ ৰেখাৰ দৰে। বৃহৎ নাৰদীয় পুৰাণে এই কথাকেই কৈছে।

৮৪ সমস্তলোকে বিভিন্ন ধৰ্ম পালন কৰে; সৰ্ব্বধৰ্ম্ম ত্যাগ কৰি কেৱল বিষ্ণু নামক নিৰন্তৰে উচ্চাৰণ কৰাসকলে যি মহাফল লাভ কৰিব, অন্যধৰ্ম্মত থকাসকলে সেইফল লাভ কৰাৰ পৰিবৰ্তে দুখহে ভোগ কৰিব লগাত পৰে।

৮৫ এই তত্ত্ব উপলব্ধি কৰি হৰিক অনবৰতে স্মৰণ কৰা উচিত। এক ক্ষণো হৰিনাম নোলোৱাকৈ থাকিব নেলাগে আৰু ইয়াক ললে মহাপাপ বা পুণ্যই হৰি মানে।

৮৬ ইমানতো মনক স্থিৰ কৰিব নোৱাৰিলে বা বিশ্বাস নহ'লে পদ্ম পুৰাণ চালেই প্ৰমাণ পাব। বৃহৎ সহস্ৰ নাম খণ্ডত এই কথাৰ সত্যতা প্ৰমাণ নহ'লে লিখক-গুৰুজনক নিন্দিবা বুলি কোৱা হৈছে।

৮৭ মহামুনি শুকে পৰমাৰ্থ তত্ত্ব হিচাবে নামৰ মহিমা প্ৰকাশ কৰিছে। মহাভাগৱত শাস্ত্ৰই এই পৰমাৰ্থ তত্ত্ব প্ৰকাশ কৰিছে। অসৎ বা দুষ্টসকলৰ ছলাহী কথা শুনি হৰি কীৰ্ত্তন নেৰিবলৈ আৰু নিজকে পবিত্ৰ কৰি ৰাখিবলৈ গুৰুজনে কৈছে।

দ্বিতীয় কীৰ্ত্তন

ঘোষা — হৰি, ৰাম মুৰাৰি – ভগৱন্তৰ পৰম মঙ্গল নাম। কিয়নো হৰি নামে দুঃখ হৰণ কৰে, ৰাম নামে চিত্তক ৰমণ কৰি পৰমানন্দ দিয়ে আৰু মুৰ দৈত্য বিনাশকাৰী বিষ্ণু নামে অশুভ শক্তিক বিনাশ কৰে। ভগৱানৰ এনে মহিমাময় নামক নিন্দা কৰাজনক ভগৱানে কেতিয়াও ক্ষমা নকৰে।

পদ ৮৮ — চণ্ডালে হৰি কীৰ্ত্তন কৰা শুনি যি মুৰ্খই নিন্দা কৰে, সেই মুৰ্খজনক যি সম্ভাষণ কৰে তেওঁৰ পূৰ্ব্বঅৰ্জিত পুণ্য ক্ষয় হয়।

৮৯ — ভগৱান বিষ্ণুৰ অলঙ্কাৰ স্বৰূপ গুণ-নাম নীচলোকেও যদি লয়, তাক নিন্দা কৰা অনুচিত আৰু নিন্দা কৰাজন অধোগতি যায় আৰু তেওঁৰ পুণ্য ক্ষয় হয়।

৯০ — এই কথাত বিশ্বাস নহ'লে সুত সংহিতা চালেই হ'ব বুলি গ্ৰন্থকাৰে ব্যক্ত কৰিছে। ৰজোগুণে কৰ্ম্মত ধাউতি বঢ়ায় আৰু কৰ্ম্মীয়ে অহঙ্কাৰ দোপদদোপে বাঢ়ি যায়।

৯১ — অহঙ্কাৰৰ বশৱৰ্ত্তী হৈ জ্ঞান হেৰুৱাই হিংসা কৰ্ম্মত ৰত হয়। হিংসা কৰ্ম্মত ক্ৰোধৰ সৃষ্টি হৈ অঘটন ঘটায়। সৰ্পৰ ক্ৰোধ অৱদমিত, হিংসুক-অহংকাৰীজন সদায়ে ক্ৰোধান্ধ আৰু তেনে লোকে বিষ্ণু-বৈষ্ণৱক সততে ইতিকিং কৰি পাপ পয়োধিত নিমৰ্জ্জিত হয়।

৯২ — স্ত্ৰী, ধন,জন, যৌৱন, বিদ্যাদিৰ অহঙ্কাৰত অন্ধ হৈ বিষ্ণু-বৈষ্ণৱসকলক নিন্দা-ভৎসৰ্না কৰাসকলে হৰিনাম শুনিলে কাণত বেজিয়ে বিন্ধাৰ দৰে বিন্ধে।

৯৩ — হৰিভক্তসকলক যি সকলে উপহাস কৰে তেওঁলোকে বেদৰ উলংঘা কৰে। বিষ্ণুৱে সমস্ত জগত ব্যাপি আছে; এইতত্ত্ব নুবুজি পাপীসকলে ভকতক তুচ্ছজ্ঞান কৰে।

৯৪ — স্ত্ৰী, মদ্য, মাংসৰ প্ৰতি একান্ত লালায়িত সকলে অন্য কথা ভাবিবই নোৱাৰে আৰু ইন্দ্ৰিয়-সম্ভোগতে অমূল্য জীৱন ব্যৰ্থ কৰে। বেদৰ প্ৰকৃত অৰ্থ বুজিব নোৱাৰি বেদ-বিহিত কৰ্ম্মত প্ৰবৃত্ত হ'ব নোৱাৰে।

৯৫ — তেওঁলোকে মূঢ়তাত অন্ধ হৈ নিজকে মহাপণ্ডিত বুলি ভাবি আনসকলৰ মনতো বিভ্ৰান্তিৰ সৃষ্টি কৰে। ভগৱন্ত বিষ্ণুত সকলো ধৰ্ম্ম-কৰ্ম্ম অৰ্পণ কৰি নিষ্কামভাৱে কৰিব লাগে।

৯৬ শ্ৰৱণ-কীৰ্ত্তন ধৰ্ম্ম উত্তম ফল। ইয়াক নাজানিহে অধমলোকে শ্ৰৱণ-কীৰ্ত্তনক নিন্দা কৰে। এই কথা নামানিলে একাদশ স্কন্ধ ভাগৱত চালেই ইয়াৰ সত্যতাৰ প্ৰমাণ পোৱা যায়।

৯৭ বিষ্ণু-বৈষ্ণৱক নিন্দা কৰা শুনিলে যি জনে কাণত আঙুলি দি কাণ বন্ধ কৰি আঁতৰি নাযায়, তেওঁৰ অৰ্জ্জিত পূণ্যৰাশি নষ্ট হয় আৰু নৰকত পৰে।

৯৮ বিষ্ণু-বৈষ্ণৱক ধিক্কাৰ দিয়াজনৰ জিভা কটা যায় আৰু শাস্তি ভোগ কৰিব লগা হয়। গতিকে শাস্তিৰ পৰা ৰক্ষা পাবলৈ কাণত আঙুলি গুজি (গাৰি) আঁতৰি যোৱাই বিধেয়।

৯৯ বৈষ্ণৱৰ নিন্দা শুনিও যদি আঁতৰি নাযায় তাৰ বাবে এককল্প কাল নৰকত বঞ্চিব লাগে, যাবলৈ স্থান নাপালে বা আঁতৰি যাবলৈ উপায় নাথাকিলে প্ৰাণকে ত্যাগ কৰা উচিত।

১০০ তেতিয়াহে প্ৰায়শ্চিত হয়; এই কৰ্ম্ম শিৱ-ভাৰ্যা সতীয়ে দক্ষযজ্ঞত কৰিছিল। সতীৰ এই বাক্যৰ সত্যতা ভাগৱতৰ চতুৰ্থ স্কন্ধত পোৱা যায়।

১০১ তপ-ধৰ্ম্ম-বেদ-বেদাঙ্গ যিমান আছে সকলোকে হৰিনামেহে উদ্ধাৰ কৰে। এনে সৰ্ব্ববিনাশকাৰী হৰিনামত বিশ্বাস নহ'লে মৃত্যু-ভয় দূৰ নহয়।

১০২ দ্বাদশ স্কন্ধ ভাগৱতৰ সাৰ উদ্ধাৰ কৰি মহামুনি শুকে কৈছে যে জ্ঞান আৰু কৰ্ম্মযোগতকৈ ভক্তিযোগহে শ্ৰেষ্ঠ, য'ত হৰিকীৰ্ত্তন আছে আৰু এই হৰিকীৰ্ত্তনে পৰম গতি দিব পাৰে।

১০৩ উৰেষা, (উৰিষ্যা) বাৰানসী (বেনাৰস), আদি স্থানত মহাভক্ত কবীৰে হৰি গীত গাই ফুৰিছিল; ইমানতো হৰিকীৰ্ত্তনক ধিক্কাৰ দিয়াজন অন্ধৰ বাহিৰে কি হ'ব পাৰে।

১০৪ সেইবাবে সকলোকে কওঁ যে, মুৰ্খৰ কথাত বিশ্বাস নকৰিবা। ভাগৱত শাস্ত্ৰ চালেই মুৰ্খৰ কথা যে অমূলক তাক বুজিব পাৰিবা।

১০৫ অষ্টাদশ পুৰাণৰ ভিতৰত মদ্ভাগৱত পুৰাণ সূৰ্যসদৃশ, বেদান্তৰ পৰমভক্ত ভাগৱতত মূৰ্ত্তিমান হৈ আছে। এই তত্ব নুবুজাসকলে হৰিনামক নিন্দা কৰি ফুৰে ভাগৱতৰ তত্ব লৈ হৰি হৰি বুলি সংসাৰত তৰি যোৱা।

তৃতীয় কীৰ্ত্তন

ঘোষা হে হৰি, হে ৰাম, মোক উদ্ধাৰ কৰা। মই ঘোৰ সংসাৰ সাগৰত পৰি মজি আছো।। ৯।।

পদ ১০৬ বাৰস্কন্ধ ভাগৱতত শুকমুনিয়ে ব্যক্ত কৰা কীৰ্ত্তনৰ মাহাত্ম্য আগ্ৰহ কৰি শুনা।

সকলো ধৰ্ম্মতকৈ হৰিকীৰ্ত্তন শ্ৰেষ্ঠতম।

১০৭ আন ধৰ্ম্ম অনাদৰ কৰি হৰি ভকতিৰ উপদেশ সম্প্ৰতি দিব বিচাৰিছোঁ। অশান্ত চিত্ত কেনেকৈ নাৰদৰ উপদেশত শান্ত হৈছিল -তাৰ বিষয়ে প্ৰথম স্কন্ধ ভাগৱতত সবিশেষ আছে।

১০৮ ব্ৰহ্মাদেৱে বেদক তিনিবাৰ মন্থন কৰি হৰি নামকেই পালে আৰু এই হৰিনাম কীৰ্ত্তন কৰিসংসাৰ তৰিব পাৰে।

১০৯ ইয়াকে সাৰোগত কৰি অতি যত্নেৰে হৰিকীৰ্ত্তন কৰিবলৈ শুকে ৰজা পৰীক্ষিতক উপদেশ দিছে। দ্বিতীয় স্কন্ধত এই কথা বিচাৰি পাব বুলি কৈছে।

১১০ বিষয়ৰ সুখ অতি সামান্য (লবলেশ); বিষয় সুখকে লৈ হৰি বিমুখ হোৱা অনুচিত। হৰি কীৰ্ত্তনত ৰতি নহ'লে নিজ কৰ্ম্মদোষত নিজৰে বিনাশ ঘটে।

১১১ চণ্ডালৰ মুখতো যদি হৰিনাম উচ্চাৰণ হয় তেনে চণ্ডাল উত্তমলোক হয়। তীৰ্থ-স্নান, তপস্যা, হোমযজ্ঞ, দান কৰিলেও হৰিকীৰ্ত্তনৰ সমান ফল নাপায়।

১১২ বেদৰ পৰম-তত্ত্ব বুজাজনহে আচলতে উচ্চজাত সম্পন্ন লোক। তেওঁ হৰিনামকে সাৰ বুলি মানে। এই পৰম তত্ত্ব জানি পৰমাৰ্থ লাভ কৰিবলৈ তৃতীয় স্কন্ধত ভগৱান কপিলে মাতৃ দেৱহুতিক জ্ঞান দিছে।

১১৩ হৰিপদ-পঙ্কজত মগ্ন থকাজনক লীন মুক্তিৰো নিষ্প্ৰয়োজন। হৰিভক্তৰ মুখত কৰ্ণৰ অমৃত সদৃশ হৰি চৰিত্ৰ নিতৌ শ্ৰৱণ কৰিব লাগে।

১১৪ হৰি কথামৃত কাণেৰে হৃদয়ত প্ৰৱেশ কৰি আত্মজ্ঞান আনি দিয়ে। ইয়াৰ বাহিৰে ভকতে আন বস্তু নিবিচাৰে। এই কথা চতুৰ্থ স্কন্ধত ৰজা পৃথুৱে কৈছিল।

১১৫ জ্বৰ-মৰণ আদি দুঃখৰ সময়ত ভগৱানৰ গুণ-নাম এৰিব নালাগে। পঞ্চম

স্কন্ধত নাভিৰ যজ্ঞত পৰোহিতে (ঋত্বিজে) নাভিৰ পৰা এই কথা মাগিছিল।

১১৬ পঞ্চ মহাপাপ কৰা পাপীকো হৰিনামে প্ৰায়শ্চিত্ত কৰে। তেনেজন পাপীকো হৰিয়ে সন্তুষ্ট হৈ পাপৰ পৰা উদ্ধাৰ কৰে।

১১৭ ব্ৰহ্মবধী, গুৰুবধী, পিতৃ-মাতৃ-হত্যাকাৰী পাপীবোৰক আৰু কুকুৰৰ মাংসভোজী ম্লেচসকলেও হৰিকীৰ্ত্তন কৰি পবিত্ৰ হয়।

১১৮ চণ্ডালেও হৰিনাম ললে ঈশ্বৰে তেওঁক যজ্ঞৰ পাত্ৰ কৰি তোলে। আনকি হৰিনাম ললে পাপৰ আলু পৰ্যন্ত উঘলি পৰে। এনে মহৌষধ অৱজ্ঞা কৰি কি কাৰণে আত্মঘাতী হয়?

১১৯ ষষ্ঠ স্কন্ধত এই কথা কোৱা হৈছে - যে নামৰ অপাৰ মহিমা, মোক্ষ লাভৰ উপায় -সেইবাবে শুদ্ধ হৰিনামক গোপ্য কৰি ৰখা হৈছিল।

১২০ হৰিনাম লবৰ বাবে দেৱতা, দ্বিজ, ঋষি নহ'লেও হ'ব, বিস্তৃত শাস্ত্ৰ নাজানিলেও হ'ব। অন্য অন্য কৰ্ম্ম কৰিবৰ প্ৰয়োজনেই নাই ; কেৱল ভকতি কৰিলেই ভগৱান তুষ্ট হয়।

১২১ উদাহৰণস্বৰূপে - যক্ষ,ৰক্ষ,দৈত্য,ব্ৰজবাসী, জটায়ুপক্ষী, মৃগগণ, চণ্ডাল আদিয়েও হৰিভকতি কৰি মহাসুখ লাভ কৰি গতি লাভ কৰিলে।

১২২ সপ্তম স্কন্ধত মহাভক্ত প্ৰহ্লাদে হৰিকীৰ্ত্তনৰ মহিমা দেখুৱাই গৈছে। গতিকে মূঢ়জনৰ কথা পৰিহাৰ কৰি সদায়ে হৰিনাম লোৱা উচিত।

চতুৰ্থ কীৰ্ত্তন

ঘোষা ৰামেই জীৱন, ৰামেই প্ৰাণ।
ৰামৰ বাহিৰে আন বন্ধু জগতত নাই।। ১০।।

পদ ১২৩ তন্ত্ৰ-মন্ত্ৰ-দ্ৰব্যসমূহ ছিদ্ৰযুক্ত। সেইদৰে দেশ-কাল-পাত্ৰও নিষ্কলুষ নহয়। যজ্ঞাদি কৰিও পূৰ্ণ ফল লাভ কৰা অসম্ভৱ। কিন্তু হৰিনাম -ছিদ্ৰমুক্ত, নিষ্কলুষ বাবে সৰ্ব্বত্ৰতে সৰ্ব্বফল দিয়ে।

১২৪ অষ্টম স্কন্ধত ভগবান বামনৰ আগত দৈত্যগুৰু শুক্ৰাচাৰ্যই বামনৰূপী হৰিক তিনিপদ ভূমি দান নিদিবলৈ ভক্ত বলিক বাধা কৰিছিল। শুক্ৰাচাৰ্য্যৰ পাষণ্ড আচাৰৰ বাবেই এটা চকু হেৰুবালে। ভকত ভগবানৰ হৃদয় আৰু ভকতৰ হৃদয়তো ভগবান বিৰাজমান হৈ থাকে।

১২৫ ভকতে ভগবানৰ বাহিৰে আন চিন্তা নকৰে আৰু ভকত অবিহনে ভগবানেও আন ধ্যান নকৰে। নবম স্কন্ধত ভগবানে দূৰ্ব্বাসাৰ আগতো এই কথা ব্যক্ত কৰিছিল।

১২৬ মুক্তি লাভ কৰি পোৱা সোৱাদতকৈ ভক্তি কৰি পোৱা সোৱাদ অনাবিল। ভক্তি এৰি জ্ঞানযোগত ৰতি কৰিলে দুঃখহে পোৱা যায়। ধান বানি চাউল পোৱা যায়; কিন্তু পতানধান বানিলে যেনেকৈ একো পোৱা নাযায়; সেইদৰে ভক্তিক এৰি জ্ঞানক আশ্ৰয় কৰা অমূলক।

১২৭ ব্ৰজৰ তৰু-তৃণতো ভগবানৰ মাধুৰ্য্য মিহলি হৈ আছে আৰু ব্ৰজবাসী গোপীসকলে যি অনন্য কৃষ্ণ-ভক্তি কৰি মহাপুণ্যভাগী হৈছিল- সেই ভক্তা গোপীৰ ভক্তিৰ পৰাগ তৃণ-বনেও বিচাৰিছিল। সেই ব্ৰজপুৰী আৰু গোপীয়েই ভগৱান। আনকি সৃষ্টিকৰ্তা ব্ৰহ্মায়ো কৃষ্ণক স্তুতি কৰিবলৈ বাধ্য হ'ল।

১২৮ ব্ৰজৰ নিৰক্ষৰা,দুষ্টা আৰু ব্যভিচাৰী যুৱতীসকলেও কৃষ্ণত ভকতি কৰি ধন্য হৈছিল। গতিকে পাপীয়েও হৰিক ভজি মুক্তি লাভ কৰিব পাৰে।

১২৯ কৃষ্ণৰ কথাত যি জন ৰসিক, তেওঁক ব্ৰাহ্মণৰ জন্মৰ প্ৰয়োজন নাই। দিনে-ৰাতিয়ে মাত্ৰ হৰিক স্মৰণ কৰিব লাগে; ভকতিয়ে জাতি-অজাতি বিচাৰ নকৰে।

১৩০ নন্দৰ ৰাজ্য ব্ৰজ বা গকুলত সমস্ত গোপীয়ে কৃষ্ণৰ পাদপদ্মৰ ধূলি শিৰত লৈ বন্দনা কৰে। দিনে-ৰাতি হৰিগুণ গান তাত অবিৰতভাৱে

চলি থাকে। হৰি গুণ-গান নামে সমস্ত জগতকে পবিত্ৰ কৰে।

১৩১ আনকি ভক্ত উদ্ধৱেও ভক্তা গোপীৰ পদধূলি লৈ বন্দনা কৰে; এনে ক্ষেত্ৰত অন্য মূঢ়জনে নিন্দা কৰাৰ ভিত্তি ক'ত? মূঢ়জনে দেহকেই অহংকৰ্তা বুলি ভাবে আৰু পুত্ৰ-ভাৰ্যাকেই মূল বস্তু বুলি জ্ঞান কৰে।

১৩২ তীৰ্থ জলতে স্নান কৰি পবিত্ৰ হোৱা বুলি আৰু মৃণ্ময় প্ৰতিমাকে দেৱতা জ্ঞান কৰে -মূঢ়জনে। বৈষ্ণৱৰ প্ৰতি অধমসকলৰ অকণো শ্ৰদ্ধা নাই। এনে মূঢ়লোক জ্ঞানহীন গৰুতকৈ অধম।

১৩৩ মূঢ়সকলে মাত্ৰ কৰ্ম্মকাণ্ড ব্ৰতী হৈ ধ্বংসে পায় আৰু হৃদয়ত থকা হৰিক পাহৰি পেলায়। কিন্তু শ্ৰৱণ-কীৰ্ত্তন অভ্যাস কৰি হৰিক ভজাজনক ঈশ্বৰে কেতিয়াও এৰি নিদিয়ে।

১৩৪ তৰ্ক শাস্ত্ৰৰদ্বাৰা ভগৱানক পোৱা নায়ায়, তৰ্কবাদৰ দ্বাৰা প্ৰকৃত জ্ঞান ভক্তিৰ সন্ধান পোৱা নাযায়।সেইবাবে মাধব, বামন, গোবিন্দ আদি ভগবানৰ মঙ্গলময় নাম লৈ মুক্তি নোহোৱালৈকে অগ্ৰসৰ হ'ব লাগে।

১৩৫ ভাগৱতৰ দশম স্কন্ধত বেদ-স্তুতিত প্ৰাণীসমস্তই ভগৱানক চৈতন্যশক্তি প্ৰদান কৰিবলৈ প্ৰাৰ্থনা জনাইছে। ইয়াৰ তত্ত্ব নমনাকৈ থকা অযুক্তিকৰ। এনে বেদক পাষণ্ডই নিন্দা কৰে বাবে তেনে নিন্দুকক কেতিয়াও সম্ভাষণ কৰিব নেলাগে।

১৩৬ কৰ্ম্মকাণ্ড অৰ্থাৎ তপ, দান আদি আৰু জ্ঞানযোগ, সন্ন্যাস আদিৰ দ্বাৰা যি ফল লাভ কৰা যায়, ভকতে অতি আয়াসতে তেনে ফল লাভ কৰিব পাৰে বুলি উদ্ধৱৰ আগত কৃষ্ণই ব্যক্ত কৰি গৈছে।

১৩৭ সন্ন্যাসত পৰম অহিংসা থাকিলেও, জ্ঞান-যোগাভ্যাস কৰি ভগৱন্তক লাভ কৰা সহজসাধ্য নহয়; কিন্তু ভকতে ভক্তিৰ দ্বাৰা ভগন্তক পোৱাটো বাদেই ভগবানক বশো কৰিব পাৰে বুলি উদ্ধৱক কৃষ্ণই কৈছে।

১৩৮ গকুলৰ গৰু, গোপিকা, পশু-পক্ষী, গছ-লতিকাৰ পূৰ্ব্ব জন্মৰ সুকৰ্ম্ম ফল আৰু সাধনমাৰ্গ নথকাকৈয়ে কৃষ্ণৰ সান্নিধ্য লাভ কৰি ভকতি কৰি পৰম গতি লাভ কৰিলে।

১৩৯ কৰ্ম্ম কৰে ইন্দ্ৰিয়ৰ সহযোগত মনে। মন শুদ্ধ হ'লে কৰ্ম্মও শুদ্ধ হ'ব আৰু অশুদ্ধ মনৰ কৰ্ম্ম অশুদ্ধই হ'ব; কাৰণ এবাঁঘটত পানী থলে ছিদ্ৰইদি নিৰ্গত হয়। কৃষ্ণই কোৱা কথা শিলৰ ৰেখাৰ দৰে বুলি একাদশ স্কন্ধত ব্যক্ত হৈছে।

১৪০ পাষণ্ডসকলে বুদ্ধিক সন্ত্রস্ত কৰিব নোৱাৰি নিজেই নষ্ট যোৱা দেখি শুক মুনিয়ে দুঃখ প্ৰকাশ কৰিছে। কলিত হৰিনামেহে গতি সাধে, গতিকে হৰি কীৰ্ত্তন নকৰি পাষণ্ডসকলে কলিত আন কৰ্ম্মতহে লিপ্ত হ'ব।

১৪১ যুগধৰ্ম্ম অনুসৰি কলিত তপ, ব্ৰত আদি কৰি কষ্টহে পোৱা যায়; কিন্তু হৰিক একান্তমনে সোঁৱৰণ নকৰাজনৰ গতি নাই। সেইবাবে জ্ঞান-কৰ্ম্মক ত্যাগ কৰি হৰি কীৰ্ত্তনৰ আশ্ৰয় লোৱা।

১৪২ ভাগৱতৰ দ্বাদশ স্কন্ধত হৰিকীৰ্ত্তনৰ শ্ৰেষ্ঠত্বৰ বিষয়ে কোৱা সত্বেও মূঢ়জনৰ জ্ঞানোদয় নহ'ল। হৰিকীৰ্ত্তনক উপলুঙা কৰাৰ বাবে মূঢ়সকলে আত্মঘাট হে কৰে।

১৪৩ বিষ্ণু ভক্তক দেখি ইঁহাজনে নিজেতো মৰেই, আনকো নাশ কৰে। কীৰ্ত্তন কৰা শুনিলে তেওঁলোক মৃতপ্ৰায় হয় আৰু তেওঁলোক মহাপাপীলৈ পৰ্যবসিত হয়।

১৪৪ হৰিধ্বনি শুনি তেৰাসব বলিয়াৰ দৰে হয়, হৃদয়ত জুই লগাৰ দৰে দগ্ধ হয় আৰু সমস্ত শাস্ত্ৰতে তেনেসকলক "পাষণ্ড" নামেৰে নামকৰণ কৰা হয়।

১৪৫ কলিৰ এই পাষণ্ডসকলক মৰ্দ্দন কৰিবৰ কাৰণেই নামৰ আবিৰ্ভাব আৰু নামেই মুক্তিপথৰ পাথেয়। কৃষ্ণৰ দাস শ্ৰীমন্ত শঙ্কৰদেৱে পাষণ্ড মৰ্দ্দনৰ পদ ৰচনা কৰিছে আৰু সকলোৱে হৰি হৰি বুলিবলৈ আহ্বান জনাইছে।

পাষণ্ড মৰ্দ্দন সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

চতুৰ্থ খণ্ড

ধ্যান বৰ্ণন

প্ৰথম কীৰ্ত্তন

ঘোষা বসুদেৱৰ পুত্ৰ গোপাল স্বয়ং ভগৱান। তেওঁ সকলোকে কৃপা কৰাৰ কাৰণে পৰম কৃপালু আৰু তেওঁ বিশ্বৰ গৰাকী। আমি জীৱসমস্ত সংসাৰ সাগৰত ডুব গৈ কক্‌বকাব লাগিছো; আমাক উদ্ধাৰ কৰা হে ভগৱান।।১১।।

পদ ১৪৬ পৰম ভগৱানৰ নিবাসস্থান বৈকুণ্ঠ। বৈকুণ্ঠত থকা ভগৱানক একমনেৰে কেনেকৈ ধ্যান কৰিব লাগে- তাক শুনা। বৈকুণ্ঠৰ বৰ্ণনা অতি চমৎকাৰ, তাত শাৰী শাৰীকৈ বিমানসমূহ তিৰ্‌বিৰাই থাকে আৰু পদ্মৰাগমনি (বৈদূৰ্য্য) হীৰা-মৰকৰ জিক্‌মিকনিত সমস্ত বৈকুণ্ঠপুৰী উদ্ভাসিত।

১৪৭ বৈকুণ্ঠ নগৰীক যেন চন্দ্ৰ-সূৰ্যই পোহৰাই পেলাইছে , তাত প্ৰৱেশ কৰিলে দিন নে ৰাতি ধৰিবই নোৱাৰি। হ্ৰদবোৰৰ নিৰ্ম্মল জলত সুগন্ধি পদুম উৎপল ফুলে শোভা কৰি আছে।

১৪৮ তাতে ৰাজহংসবোৰে পদুমৰ নলাৰ মাজে মাজে ঘূৰি ফুৰিছে; পদুমৰ সুৰভিআনন্দমনেৰে উপভোগ কৰিছে। পাৰিজাত ফুলৰ সুগন্ধ মলয়া বতাহে লৈ ফুৰিছে আৰু চটক চৰাই সুললিত কণ্ঠে আৰাও কৰিছে।

১৪৯ ভোমোৰাবোৰেও তাত হৰিগীত গায় আৰু তাকে শুনি বৈষ্ণৱ বৃন্দই আনন্দত আত্মহাৰা হয়।এনেহেন মনোৰম বৈকুণ্ঠপুৰীৰ মাজত সুউচ্চ ৰত্ন মন্দিৰসমূহ জিলিকি আছে।

১৫০ পদ্মৰাগমনিৰে নিৰ্ম্মিত স্তম্ভসমূহত স্ফটিকৰ বাৰ লগোৱা হৈছে। মানিকেৰে তৈয়াৰী দুৱাৰসমূহত হীৰা লগোৱা হৈছে। জিঞ্জিৰিবোৰ সোণোৱালী কৰি কটা হৈছে আৰু তাত বৈচিত্ৰ্যময় মণি-মৰকত খুওৱা হৈছে।

১৫১ ঘৰৰ চ'তিবোৰ পদ্মৰাগ ৰত্নেৰে লগোৱা আৰু গৃহৰ পোহৰ অতি উজ্জ্বল যেন কোটি সূৰ্যৰ ৰশ্মিহে নিৰ্গত হৈছে। বিচিত্ৰ চন্দ্ৰাতপ মুকুতা মণিৰে ৰঞ্জিত কৰি মাৰলিত গৃহে গৃহে আঁৰা হৈছে।

১৫২ এনে ৰত্নময় মন্দিৰৰ ৰত্ন সিংহাসনত উপবিষ্ট হৈ প্ৰভু নাৰায়ণে শোভা কৰিছে আৰু চাৰিওফালে পাৰিষদবৰ্গই সেৱা কৰি আছে। নাৰায়ণৰ মূৰৰ ওপৰত মুক্তা ৰঞ্জিত ছত্ৰই শোভাবৰ্দ্ধন কৰিছে।

১৫৩ তেওঁক শুক্ল চামৰে দুয়োফালৰ পৰা বিচি থকা হৈছে আৰু ঘনে ঘনে সুৰভি-কুসুম তেওঁৰ দেহৰ ওপৰত বৰ্ষণ কৰা হৈছে। জগমাত্ৰী লক্ষ্মীয়ে তেওঁৰ চৰণকমলত অশেষ ভক্তি যাচিছে।

১৫৪ চৈতন্যস্বৰূপ নাৰায়ণে পৰম আনন্দে স্বত্ব-শুদ্ধ-শুক্লৰূপ ধাৰণ কৰি বিৰাজমান হৈ আছে। তেওঁৰ ৰূপ অতি চমকপ্ৰদ আৰু অনিন্দ্যসুন্দৰ, কোটি মদনৰ ৰূপেও তেওঁক চেৰ পেলাব নোৱাৰে।

১৫৫ একেকোটি চন্দ্ৰমাৰ স্নিগ্ধ কান্তিয়েও তেওঁৰ ৰূপৰ সমান হ'ব নোৱাৰে। এনে মনোহৰ কান্তিৰে বিৰাজমান নাৰায়ণক দেখা মাত্ৰতে,স্মৰণ কৰা মাত্ৰকে সমস্ত পাপ নাশ হয়। এওঁ জগতৰ পিতৃ, পৰম বান্ধৱ, ভকতৰ নৱনিধি — এওঁক হৰি হৰি বুলি পাপ নাশ কৰোক।

দ্বিতীয় কীৰ্ত্তন

ঘোষা ভগৱান করুণাৰ সাগৰ আৰু ভকতৰ পৰম বান্ধৱ। ৰূপ-মাধুৰ্যতো কোটি চন্দ্ৰমায়ো তেওঁক চেৰ পেলাব নোৱাৰে। ১২।।

পদ ১৫৬ ভকতে স্থিৰবুদ্ধি কৰি ভগৱানৰ প্ৰতিটো অঙ্গকে মনতে চিন্তা কৰিব লাগে। ভগৱানৰ চৰণ-পদ্ম দেখি পৰম সুখ অনুভৱ কৰে। তেওঁৰ অৰুণ চৰণ যুগলে ভকতৰ মনত পুলক জগায়।

১৫৭ ভগৱন্তৰ চৰণৰ পঞ্চচিহ্ন -অঙ্কুশ, পদ্ম, ধ্বজ, ৱজ্ৰ আৰু যৱক দেখা পালেই মনত আনন্দ উৎসৱ হয় ভকতৰ। চৰণ পদ্ম-দ্বয়ৰ আঙুলিবোৰ যেন পদুমৰ পাহিহে।

১৫৮ তেওঁৰ আঙুলিৰ নখচন্দ্ৰসমূহ ৰত্নময় সুতলাহি (পাকৰি) ৰ নিচিনা সুন্দৰ, ভৰিৰ আঙুলিৰ অলঙ্কাৰসমূহ (উঝণ্টি) ৰত্ন সদৃশ, পাদ-পৃষ্ঠত পৰিধান কৰা নুপুৰে সুশোভিত কৰে।

১৫৯ তেওঁৰ কলাফুল (জঙ্ঘা)ত বহুমূলীয়া ধাতুৰে নিৰ্ম্মিত হোড়ৰ নামৰ অলঙ্কাৰে শোভা কৰে, উৰুযুগল হাতীৰ শুৰৰ দৰে সুগোল, কঁকালত হালধীয়া বস্ত্ৰ আৰু তাতে অলঙ্কাৰে ৰঞ্জিত কৰে।

১৬০ তেওঁৰ নাভিপদ্মৰ কান্তি মনোহৰ,হৃদয়ত শ্ৰীবৎসৰ শাৰী,বুকুত লক্ষ্মীৰ নিবাসস্থান। কষটিত সোণৰ ৰেখাৰ দৰে ভগৱানৰ অঙ্গ জ্যোতিষ্মান।

১৬১ শ্যামল দেহত পীতবস্ত্ৰে ক'লা মেঘত বিজুলীৰ চমকনিৰ দৰে জিলিকি আছে; বহল বুকুত মুকুতাৰ হাড়ে অতি সুশোভিত কৰি তুলিছে। পেচন্দাৰ নামৰ অলঙ্কাৰে তেওঁৰ দেহৰ সৌন্দৰ্য আৰু বঢ়াই তুলিছে।

১৬২ পৰিহিত ৰত্নৰ জ্বালাই চিকিমিকি কৰি চকু চাট মাৰি ধৰে। কণ্ঠত পঞ্চ মহাভূতৰ প্ৰতীকী বৰ্ণমালাই ভৰি পৰ্যন্ত ওলমি আছে আৰু তাৰ গন্ধত আকৰ্ষিত হৈ মৌ-মাখিবোৰে বেৰি বেৰি সুঘ্ৰাণ লয় আৰু মধুগুঞ্জন কৰে।

১৬৩ ভগৱন্তৰ চাৰিভুজ ললিত, বলিত, সুঠাম আৰু নীল-পদ্মৰ নিচিনা সুন্দৰ। চাৰিভুজ নৱ-পল্লৱৰ দৰে আৰু তাতে কেয়ুৰ-কঙ্কণ আৰু বলয়াই সোণত সুৱগা চৰাইছে।

১৬৪ আঙুলিবোৰত ৰত্নৰ শলাকাৰ শাৰী, আঙুঠিয়ে জ্যোতিষ্মান। ৰাতুল নখত চন্দ্ৰমাৰ দৰে নখচন্দ্ৰ প্ৰতিভাত হৈছে আৰু চাৰি হাতত শঙ্খ, চক্ৰ,

গদা আৰু পদ্ম-চাৰি অস্ত্ৰই শোভা কৰিছে।

১৬৫ ডিঙিত সাতসৰীৰ গলপতা, নৱ-গুণৰ উত্তৰী আৰু ম'ৰা চৰাইৰ নেজৰ চিক্‌মিকনিৰ দৰে শ্যামবৰণীয়া শৰীৰত অধিক শোভা বৰ্দ্ধন কৰিছে।

১৬৬ ৰাজহংসৰ ডিঙিৰ নিচিনা তেওঁৰ কণ্ঠত কৌস্তুভ মণিয়ে শোভা কৰিছে যেন পুবাৰ উদিত সূৰ্যহে। পূৰ্ণ চন্দ্ৰমাৰ স্নিগ্ধ কান্তিৰ দৰে তেওঁৰ বদনমণ্ডল

১৬৭ কাণত পিন্ধা কুণ্ডলৰ ৰশ্মি দুয়োখন গালত বগা হালধীয়া বৰণৰ জ্যোতি পৰি অতি মনোৰম দৃশ্যৰ সৃষ্টি কৰে। থুতৰি আৰু অধৰ মুকুতাৰমণি যেন কান্তিময় আৰু মুকুতামণিৰ নিচিনা দাঁত অতি মনোৰম।

১৬৮ তেওঁৰ মুখত সদায়ে মিচিকিয়া হাঁহি নুগুচে আৰু তিলফুল সদৃশ নাসিকাযুক্ত। তেওঁৰ নেত্ৰদ্বয় পদুমৰ পাহিৰ দৰে আৰু ভ্ৰূযুগল মদনৰ ধনুৰ দৰে ভিৰ খোৱা।

১৬৯ কপালত অলঙ্কাৰ শাৰীয়ে শোভা কৰে আৰু তাতে লোৱা ৰঙা ফোঁটটোৱে সৌন্দৰ্য প্ৰকাশ কৰে। মূৰত ৰত্নময় মুকুট আৰু মুকুটৰ উৰ্দ্ধত চূড়ামণি উদ্ভাসিত হৈ অতি মনোৰম কৰি তোলে।

১৭০ ৰত্নময় পদুমৰ মালাই তাতে মুখমণ্ডল জ্যোতিষ্মান কৰি তুলিছে। এনে মনোময় ৰূপ তেওঁৰ শৰীৰৰ সৰ্ব্বত্ৰতে আৰোপ কৰি ধ্যান কৰিব লাগে।

১৭১ প্ৰথমে মূৰৰ পৰা ভৰিলৈকে এইৰূপে মনত আৰোপ কৰি নমাই আনি পুনৰ প্ৰত্যক্ষ কৰিব। ভৰিলৈ অৱনমিত কৰি পদযুগলত থকা ধ্বজ, ব্ৰজ, পদ্ম, অঙ্কুশ, যৱক দেখি প্ৰদক্ষিণ কৰি নমস্কাৰ কৰিব আৰু ভৰিত সেৱা কৰিব।

১৭২ যিহেতু হৰি জগতৰ মূলতত্ত্ব; এইৰূপ ধ্যান কৰিলে সিদ্ধি লাভ হয়। অমূল্য মানৱী তনু ব্যৰ্থ নকৰিবলৈ হ'লে আৰু অনায়াসে সংসাৰ তৰিবলৈ এনে ধ্যান কৰা উচিত।

১৭৩ সুদৃঢ় মনেৰে হৰিৰ চৰণত ধৰিব পাৰিলে পাপ সাগৰত কৃষ্ণ-নৌকাৰ দ্বাৰা উদ্ধাৰ হ'ব পাৰে। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই পদ ৰচনা কৰিছে।

ধ্যানবৰ্ণন সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

পঞ্চম খণ্ড

অজামিল উপাখ্যান

প্ৰথম খণ্ড

ঘোষা জগতৰ গৰাকী অৰ্থাৎ জগন্নাথৰ জয় হওঁক। জগতৰ স্বামী অনাথৰ বন্ধু। তেঁৱেই লক্ষ্মীপতি অৰ্থাৎ মাধৱ, মুক্তিদাতা বা মুকুন্দ আৰু সকলোৰে হৃদয়ত ৰমন কৰি থকা ৰাম ৰঘুপতি। ১৩।।

পদ হৰিনামৰ মহিমা অতি সাৱধানে মনক স্থিৰ কৰি শুনা।

১৭৪ অজামিল নামে এজন ব্ৰাহ্মণে বেশ্যাত পতিত হয়। তেওঁৰ ঔৰষত বেশ্যা গৰাকীৰ গৰ্ভত দহটি পুত্ৰ জন্ম হয়, কনিষ্ঠ পুত্ৰক ব্ৰাহ্মণে বৰ মৰম কৰাৰ বাবে নাৰায়ণ নাম ৰাখিলে।

১৭৫ তেওঁ নিজ জাতি, গোত্ৰ, ক্ৰিয়া এৰি কৰ্ম্মবিপাকত পৰিল। যিমানবোৰ মহাপাপ আছে সমস্ততে লিপ্ত হৈ নিজ পুত্ৰ-ভাৰ্যা পুহিবলৈ ধৰিলে। অসংখ্য অধৰ্ম্ম কাৰ্য কৰোঁতে আয়ুস কমি আহিল আৰু মৃত্যুৰ সময় সমাগত হ'ল। লগে লগে তিনিটা যমদূত আহি তেওঁৰ সন্মুখত উপস্থিত হ'ল।

১৭৬ যমদূতৰ গাৰ বৰণ ক'লা, হাতত লোৰ দণ্ড আৰু অতি ভয় লগা প্ৰকৃতিৰ। সিহঁতে অজামিলক বান্ধি-চাতি জীৱ বাজ কৰিবলৈ ধৰা দেখি ভয়ত বিহ্বল হৈ সৰু পুত্ৰক 'নাৰায়ণ আহা' বুলি মাতিলে।

১৭৭ মৃত্যুভয়ত ত্ৰস্তমান হোৱা অজামিলৰ মুখত আচম্বিতে হৰি কীৰ্ত্তন অৰ্থাৎ নাৰায়ণ শব্দ শুনি চাৰিজন বিষ্ণুদূতে খেদি আহিল আৰু যমদূত কেইজনক খেদি ব্ৰাহ্মণৰ বান্ধোন ছিঙি পেলালে। যমদূতে ভয়ত আতুৰ হৈ বিষ্ণুদূতৰ পৰিচয় বিচাৰিলে।

১৭৮ বিষ্ণুদূতকেইজন অতি সুন্দৰ চেহেৰাৰ, শৰীৰৰ বৰণ শ্যামল, হালধীয়া বস্ত্ৰ পৰিধান কৰা। চাৰিওজনৰে মুখমণ্ডল পূৰ্ণিমাৰ চন্দ্ৰতকৈয়ো জ্যোতিষ্মান। তেওঁলোকৰ চক্ষু পদুমৰ পাহিৰ দৰে আয়তাকাৰ, ভ্ৰূযুগল

কান্তিময়, নাক তিলফুল সদৃশ ওঁঠ ৰঙা, দাঁত মুকুতা মণিৰ শাৰীৰ দৰে মনোৰম।

১৭৯ মূৰত তেওঁলোকৰ ৰত্নৰ কিৰীটি, কাণত মকৰ কুণ্ডলে জল্‌মলাই আছে, আঁঠুলৈকে পৰা পদ্ম-মালাই শোভা কৰে কণ্ঠত। বুকুত ৰত্ন-খচিত গজ মুকুতাৰ হাৰ, সুন্দৰ চাৰিহাতত কেয়ুৰ কঙ্কণে জাতিষ্কাৰ কৰিছে।

১৮০ শঙ্ক, চক্ৰ, গদা, পদ্ম আৰু শাৰ্ঙ্গধনু হাতত লৈ কঁকালত ৰত্নৰ কাঞ্চী আৰু কিঙ্কিনী পৰিধান কৰি থকা বিষ্ণুদূতৰ উৰুযুগল হাতীৰ শুঁৰৰ নিচিনা সুগোল, ভৰি দুখনি পদুমৰ কোষৰ দৰে। চাৰিজন সমবয়সীয়া যেন লাগে আৰু তেওঁলোকক দেখামাত্ৰেই মনত আনন্দৰ শিহৰণ উঠে।

১৮১ সমস্ত দিশ প্ৰকাশি তেওঁলোকৰ প্ৰভা সূৰ্যৰ দৰে সমুজ্জ্বল ; এনে দিব্য পুৰুষসকলে মহাপাপী অজামিলক ৰক্ষা কৰিবলৈ কিয় আহিল বুলি যমদূতে সুধিলে। ইয়াকে শুনি বিষ্ণুদূতে যমদূতক ক'লে যে তেওঁলোকে পাপ কি, পুণ্য কি একোকে নাজানে।

১৮২ মৃত্যুৰ সময়ত অজামিলে নাৰায়ণ নাম লোৱাৰ লগে লগে কোটি জন্মৰ অৰ্জ্জিত পাপৰ প্ৰায়শ্চিত্ত হৈ গ'ল বুলি বিষ্ণুদূতে ক'লে। ব্ৰহ্মবধ, পিতৃবধ, সুৰাপান, অগম্যাগমণ, গো-বধ, স্ত্ৰী-বধ, সুবৰ্ণহৰণ আৰু মিত্ৰৰ দ্ৰোহ আচৰণৰো প্ৰায়শ্চিত্ত হৰিনামহে।

১৮৩ সংসাৰত আন আন যিমানবোৰ পাপী আছে, সকলোৰে প্ৰধান প্ৰায়শ্চিত্ত হৈছে হৰিনাম কীৰ্ত্তনহে। মাধৱৰ নাম যিসকলে সোঁৱৰণ কৰি ফুৰে তেওঁলোকক মাধৱে সুমতি দিয়ে। তেওঁলোক মাধৱৰ দাস হোৱাৰ বাবে মাধৱে লগ এৰি নিদিয়ে আৰু সৰ্ব্বত্ৰতে ৰক্ষা কৰি ফুৰে।

দ্বিতীয় কীৰ্ত্তন

ঘোষা জগতৰ স্বামী নাৰায়ণ; তেওঁৰ বাহিৰে ত্ৰাণ কৰোঁতা আন নাই। সেই নাথ নাৰায়ণ, সংসাৰ সাগৰৰ পৰা উদ্ধাৰ কৰক, নাৰায়ণৰ চৰণ পদ্মত শৰণ লওঁ। ১৪।।

পদ ১৮৪ হৰিৰ কীৰ্ত্তনে মহা মহা পাপক যিদৰে মৰিমূৰ কৰিব পাৰে, অন্য প্ৰায়শ্চিত্তহ তাৰ সমান পবিত্ৰ কৰিব নোৱাৰে। অন্যান্য প্ৰায়শ্চিত্ত ব্যৱস্থাই কোনো লোকৰ পাপ সাম্প্ৰতিকভাৱে দূৰ কৰিলেও পুনৰ পাপ কৰিবলৈ তেনেলোক উদ্যত হয়; কিয়নো তেওঁৰ মনৰ পৰিশোধন নহয়। কিন্তু হৰি কীৰ্ত্তনৰ দ্বাৰা চিত্তৰ শোধন হয় আৰু পাপৰ শিপা উঘলে।

১৮৫ হৰিনামৰ মহিমা ইমানেই প্ৰভাৱশালী যে- অৱহেলা আৰু উপহাস কৰিও যদি হৰি উচ্চাৰণ কৰে, তেওঁৰ সমস্ত পাপ বিনাশ হোৱাটো নিশ্চিত। ওখ ঠাইৰ পৰা পৰা, পিছল খাই পৰা, সৰ্প দংশন, জ্বৰ, তাপ আদি পীড়াতো হৰিনাম উচ্চাৰণ কৰিলে মনৰ যাতনাৰ পৰা ত্ৰাণ পায়।

১৮৬ জ্ঞানে বা অজ্ঞানে হৰিনাম ললে অগ্নিয়ে শুকান কাঠ পোৰাৰ দৰে পাপৰাশি ভস্মীভূত কৰে। বিষাদৰ সময়ত হৰি উচ্চাৰণ কৰিলে দুখ দূৰ হয়। মহৌষধ চিনি নোপোৱাকৈ সেৱন কৰিলে পেটৰ অসুখ নিৰাময় হোৱাৰ দৰে হৰিনামেও ব্যাধি দূৰ কৰে।

১৮৭ প্ৰভু ভগৱতৰ নামৰ মহিমা অনন্ত। এনে মহিমান্বিত হৰি নাম লোৱাজনকো তহঁতে বন্ধাছটা কৰি অধোগামী হৈছ। গতিকে ব্ৰাহ্মণক এৰি প্ৰাণ ৰক্ষা কৰি শীঘ্ৰে ইয়াৰ পৰা আঁতৰি যাহঁক।

১৮৮ অজামিলে 'নাৰায়ণ' নাম লৈ উদ্ধাৰ হ'ল আৰু বিষ্ণুক চিন্তি চতুৰ্ভূজৰূপ লৈ বৈকুণ্ঠ আৰোহণ কৰিলে। যমদূতকেইজনে যমৰ ওচৰত কান্দি কান্দি বান্ধি লোৱা অজামিলক চাৰিজন সিদ্ধই কাঢ়ি নিয়াৰ সবিশেষ ক'লে।

১৮৯ সেই অজামিলে মাত্ৰ 'আহা নাৰায়ণ' বুলি কোৱাৰ লগে লগেই তেওঁলোক আহি আপোনাৰ আজ্ঞা অৱজ্ঞা কৰি কাঢ়ি নিলে। আমাৰ পৰা এইদৰে ব্ৰাহ্মণক কাঢ়ি নিয়াৰ অধিকাৰ ক'ত? উত্তৰত যমে বিষ্ণুক স্মৰণ কৰি দূতগণক ক'লে -

১৯০ দূতসকল- শুনা, প্ৰভু নাৰায়ণ জগতৰ স্বামী। তেওঁৰ আদেশ শিৰত

লৈহে আমি প্ৰজাক নিয়ন্ত্ৰণ কৰোঁ। বিষ্ণুৰ দূতসকল বৈষ্ণৱক ৰক্ষা কৰিবলৈ সদায় ভ্ৰমণ কৰি ফুৰে। তেওঁলোকৰ ৰূপ বিষ্ণুৰ ৰূপৰ লগত একে, চাৰিহাতত চাৰি অস্ত্ৰ ধাৰণ কৰে।

১৯১ নামৰ মহিমা আনকি দেৱতা, ঋষি, মনুষ্য, সিদ্ধ, বিদ্যাধৰ, গন্ধৰ্ব্ব আৰু চাৰণসকলেও জানিব নোৱাৰে। ব্ৰহ্মা, মনু, হৰ, কপিল, কুমাৰ, শুক, ভীষ্ম, বলি, প্ৰহ্লাদ, নাৰদ আৰু আমি (যম) এই বাৰজন বৈষ্ণৱ।

১৯২ হৰিনাম ধৰ্ম্মৰ গুপ্তৰহস্য আমি বাৰজনে শুদ্ধভাৱে জানি আছো আৰু ইয়াক আচৰণ কৰি আয়াসতে মুক্তি লাভ কৰিব পাৰে। মনুষ্যলোকত জীৱৰ শ্ৰেষ্ঠধৰ্ম্ম হৈছে কীৰ্ত্তন কৰ্ম্মৰ দ্বাৰা হৰিভকতিত সদায়ে ৰত থকা।

১৯৩ হে দূতসকল, পাপী অজামিলে নাৰায়ণ বুলি হৰিনাম স্মৰণ কৰি কেনেকৈ গতি পালে। ইয়াকে মনত ৰাখি যি জ্ঞানীয়ে হৰিনাম গাই ফুৰে, তেওঁলোকে নিজৰ কুল উদ্ধাৰ কৰাৰ লগতে নিজেও তৰিব পাৰে আৰু যমৰ যাতনাৰ পৰাও ৰক্ষা পায়।

তৃতীয় কীৰ্ত্তন

ঘোষা হে জগতবাসী, হৰিনাম (উচ্চাৰণ কৰা) লোৱা, হৰিৰ বিনে জগতত অন্য গতি নাই।। ১৫।।

পদ ১৯৪ হৰিৰ চৰণ চিন্তি স্বৰ্গত থাকি সিদ্ধ মুনিগণেও হৰিৰ যশ-কীৰ্ত্তি কৰি হৰিনামৰ প্ৰশংসা কৰে। ভগৱন্তৰ কৌমুদকী গদাই হৰিভক্তক ৰক্ষা কৰি থাকে। গতিকে হে মোৰ দূতসকল মই বাধা কৰিছোঁ যে কেতিয়াও তেওঁলোকৰ ওচৰ নাচাপিবি।

১৯৫ বৈষ্ণৱক দেখিলেই আঁতৰি যাবি, শিৰ দোঁৱাবি; তাকে নকৰিলে মাধৱৰ গদাৰ কোবত তহঁতৰ হাড় (খুখুণ্ড) গুৰি হ'ব। যি ঠাইত হৰি কীৰ্ত্তনৰ ধ্বনি শুনিবি, তাৰ ওচৰ নাচাপিবি, কাৰণ তাত নিশ্চয়ে বিষ্ণু দূতসকল উপস্থিত থাকিবই আৰু সৰ্বনাশ ঘটাব।

১৯৬ যাৰ মুখত বিষ্ণু গুণ-নাম ব্যক্ত নহয়, যাৰ মনে হৃদয় পদ্মত কৃষ্ণৰ চৰণক অৱধাৰণ নকৰে, কৃষ্ণৰ পদ কমলত যাৰ শিৰ দোঁ নাখায়; সেইসকলক মোৰ আজ্ঞায়ে হাতে-গলে বান্ধি আনিবি বুলি যমে দূতগণক ক'লে।

১৯৭ হৰিৰ চৰণ-বিমুখ, কৃষ্ণ-কথা নুশুনা, মাধৱৰ কৰ্ম্ম নাচৰাজনে অন্য শ্ৰম কৰিলেও সকলো বৃথা আৰু কৃষ্ণৰ কীৰ্ত্তন নকৰি নকৰি আন কথা চোবাই থকা পাপীষ্ঠজনক লোৰ মাৰিৰে কোবাই শীঘ্ৰে মোৰ ওচৰলৈ আনিবি।

১৯৮ গৃহবাস নৰকৰ পথ, ইয়াত যাৰ মন মগ্ন হৈ থাকে আৰু পুত্ৰ-ভাৰ্য্যাক পোহ পালন দি ভগৱন্ত প্ৰভুৰ প্ৰতি তেনেই আওকণীয়া হয়; বিষ্ণুৰ পদ কমলৰ সান্নিধ্য ত্যাগ কৰি কেৱল ধনকেই ধ্যান কৰে, সেইজন মহাপাপী আৰু তেনেজনক কোনো সোধপোচ নকৰি মোৰ ওচৰলৈ লৈ আহিবি।

১৯৯ সাতজন-পাঁচজন লগ হৈ কৃষ্ণ-কথা এৰি আন কথা পাতি থাকে, তেওঁলোকে আচলতে খাই পেট পেলাই থকা গাহৰিয়ে অমৃত এৰি বিষ্ঠাভুঞ্জি থকাৰ দৰেহে থাকে। তেনে পাপীসকল হতভাগা আৰু তেনে পাপীয়ে নিজেই নিজৰ ধ্বংস আনে। তেওঁলোক উপজিয়ে মৰি যাতনা ভুঞ্জিব, সিহঁতৰ কোনো কালে নিস্তাৰ নাই।

২০০ বিষ্ণুৰ নামৰ মহিমা শুনি যমদূতৰ ভয় লাগিল আৰু সেই দিনাৰ পৰাই হৰিভকতক দেখিলেই হৃদয় কম্পিত হৈ উঠে। এই পৰম তত্ব শুকমুনিয়ে

কুৰুপতিক পৰীক্ষিতক শুনালে। পাপ-পঙ্কিলময় সংসাৰ সাগৰত হৰিনামৰবাহিৰে উদ্ধাৰ কৰোঁতা আন নাই।

২০১ মহাযোগীয়েও যদি কেৱল ব্ৰহ্ম চিন্তা কৰিয়েই থাকে, হৰি নাম নলয়, তেনে যোগী ভ্ৰষ্ট হৈ সংসাৰ চক্ৰত পতিত হয় বুলি বেদে ব্যক্ত কৰি গৈছে। যি সকলে ধৰ্ম্ম, অৰ্থ আৰু কাম অভিলাষেৰে মুক্তি বিচাৰে, তেনেলোকেও হৰিনাম লৈ সৰ্ব্ব মনোবাঞ্ছা পূৰণ কৰিব পাৰে।

২০২ ঋষিয়ে নামৰ মহিমা উপলব্ধি কৰিব নোৱাৰি পাপৰ অন্য অন্য প্ৰায়শ্চিত্তৰ বিধান দিয়ে। বৈদ্যই মৃত সঞ্জীৱনীক চিনিব নোৱাৰি অন্য ঔষধ ৰোগীক দিয়াৰ দৰে মৃত সঞ্জীৱনীৰূপী হৰিনামৰ পৰিৱৰ্তে আন প্ৰায়শ্চিত্তৰ বিধান দিয়াও তেনে কথা। নাম সঞ্জীৱনী মণি, জগতত মোক্ষ লাভৰ মহৌষধ, ইয়াক দিলে জগতৰ সকলোৰে মোক্ষলাভ হয় বুলি জানিও তাক নোকোৱাজনে সংসাৰ সাগৰৰ পৰা তৰণ হ'ব নোৱাৰে। সংসাৰৰ দুষ্প্ৰাপ্য বস্তু হৰিনাম, তাক পায়ো অৱহেলা কৰা অনুচিত।

২০৩ হৰিনামৰ গোপন-তত্ত্ব মহিমা পূৰ্ব্বতে মলয়গিৰিত বিষ্ণুক অৰ্চ্চনা কৰি থকা অগস্তি মুনিয়ে মোক আনন্দ মনেৰে কৈছিল। হৰিনাম লোৱাৰ বাবে বিশেষ সময়, স্থান বা দেশ, নিয়ম, অশৌচ আদিৰ দোষ নাই। নিদ্ৰা, ভোজনৰ সময়তো অন্যান্য আক্ৰোশ এৰি নিৰন্তৰে হৰি হৰি বুলিব লাগে।

২০৪ যাৰ জিভাৰ আগত 'হৰি' শব্দৰ দুটি আখৰ উচ্চাৰিত হয় -তেওঁ গঙ্গা, গয়া, কাশী, প্ৰয়াগ আদিলৈ যোৱা নিষ্প্ৰয়োজন। কৃষ্ণৰ দাস শ্ৰীমন্ত শঙ্কৰে লিখিছে -যে আন সকলো কাম এৰি আলজাল কথা এৰি ৰাম-নাম লৈ পাপ বিনাশ কৰাইঁক।

চতুৰ্থ কীৰ্ত্তন

ঘোষা যি জন নিৰঞ্জন অৰ্থাৎ মায়াহীন, যি জনে পাপ বিনাশ কৰিব পাৰে, যি সমগ্ৰ ঐশ্বৰ্য্যৰ গৰাকী, যি জনে জীৱক মুক্তি দিব পাৰে আৰু যি জনে সমস্ত প্ৰাণী-পদাৰ্থকে ৰমন কৰি আছে- সেই ভগৱন্তক ক্ৰমে- নিৰঞ্জন, পাতক ভঞ্জন, মাধৱ, মুকুন্দ আৰু ৰাম নাম আৰোপ কৰা হৈছে আৰু সেই নামৰ জয় হওঁক। ১৬।।

পদ ২০৫ যাৰ মুখত পৰম মঙ্গল হৰিনাম ধৰ্ম্ম থাকে তেনেজনৰ এশ কোটি পাপ থাকিলেও নামে ক্ষণিকতে পাপ ভষ্মীভূত কৰে। মহাপাপক হস্তীৰ অহঙ্কাৰ আৰু প্ৰমত্ত সিংহৰ নাদ বা চিঞৰক হৰিনামৰ লগত তুলনা কৰা হৈছে। হস্তীৰ যেতিয়ালৈকে অহঙ্কাৰ দূৰ নহয় তেতিয়ালৈকে - সিংহৰ গৰ্জ্জনক কৰ্ণপাত নকৰে।

২০৬ 'ৰাম' নামৰ দুটি অক্ষৰ ব্ৰহ্মাক শ্ৰদ্ধাৰে সদায়ে ললে সংসাৰ সাগৰৰ পৰা উদ্ধাৰ হৈ দুষ্প্ৰাপ্য মুক্তি লাভ কৰিব পাৰে। তেনেজনৰ মনৰ মলি দূৰ হৈ অশুদ্ধ আচাৰসমূহ আঁতৰে। কলিযুগত হৰিনাম ধৰ্ম্মৰ বাহিৰে অন্য ধৰ্ম্মত অধিকাৰ নাই অৰ্থাৎ অন্য ধৰ্ম্মই ফল নিদিয়ে।

২০৭ অন্য ধৰ্ম্ম ত্যাগ কৰি কেৱল হৰিনাম স্মৰণ কৰি যেনেধৰণে গতি পায়, অন্য ধৰ্ম্মত থকাসকলে অনেক প্ৰবন্ধ কৰিলেও তেনে গতি নাপায়। সেইবাবে ক্ষণেকৰ বাবেও বিষ্ণুক পাহৰিব নালাগে; কিয়নো যিমান মহাপাতক আৰু মহাপুণ্য আছে - সেই সকলোবোৰ বিষ্ণুনামৰ তলতীয়া।

২০৮ কলিযুগ দোষৰ কাৰণ; তৎসত্বেও ইয়াৰ মহাগুণ আছে। এই যুগত কেৱল কীৰ্ত্তন কৰিয়েই সংসাৰ বন্ধন ছিন্ন কৰি মোক্ষ লাভ কৰিব পাৰি। হৰিনামেই আমাৰ জীৱন ছানি আছে আৰু কলিযুগত প্ৰকৃতপক্ষে হৰিনামৰ বাদে গতি নাই।

২০৯ সেইবাবে নামৰ বাহিৰে- বেদ (কৰ্ম্মকাণ্ড) আগম আদি বিস্তৰ শাস্ত্ৰৰ প্ৰয়োজন নাই। ধৰ্ম্ম কৰিবৰ কাৰণে তীৰ্থাদিলৈ যোৱাও নিষ্প্ৰয়োজন। নিজৰ মুক্তিৰ আশা কৰিলে গোবিন্দ গোবিন্দ বুলি কীৰ্ত্তন কৰিবলৈ সকলোৱে যত্ন কৰা।

২১০ এই হৰি নামে সমস্ত লোকৰ অপৰ্য্যাপ্ত পাপ মোচন কৰে; হৰি নামে যিমান পাপ মোচন কৰিব পাৰে পাতকীয়ে সিমান পাপ কৰিবই নোৱাৰে।

ব্ৰহ্মচাৰী, গৃহবাসী, বনবাসী, সন্ন্যাসী, মতি যিয়েই নহওঁক হৰিনাম কীৰ্ত্তনৰ বিনা কোনো মানুহেই পৰম গতি পোৱা অসম্ভৱ।

২১১ সূৰ্য্য-গ্ৰহণত এককোটি গাই ব্ৰাহ্মণক দান কৰিলেও, প্ৰয়াগ-গঙ্গা আদি জলত দহ কল্পকাল নিবাস কৰিলেও এক অযুত যজ্ঞ কৰিলেও আৰু মেৰু সম সুবৰ্ণ দান কৰিলেও গোবিন্দ নামৰ ৰেণুৰ সমানো ফল নাপায়।

২১২ 'হৰি' এই দুটি অক্ষৰ এবাৰ উচ্চাৰণ কৰিলেই মুক্তি পথলৈ যাবৰ কাৰণে সাজু হ'ব পাৰে। হৰিনামৰ অনন্ত মহিমাৰ কথা কৈ শেষ কৰিবলৈ কাৰ শক্তি আছে; ব্ৰহ্মাই চতুৰ আননে কৈয়ো শেষ কৰিব নাৱাৰিলে।

২১৩ কৃষ্ণৰ দাস শঙ্কৰদেৱে এই পদ ৰচনা কৰি কৈছে - আন আন ধৰ্ম্ম পন্থা এৰি হৰি কীৰ্ত্তন সকলোৱে কৰা; কাৰণ এই মৃন্ময় দেহ কোনদিনা শেষ হ'ব, যমে কোনদিনা ধৰি নিব তাৰ ঠিক নাই। পুনৰবাৰ মানৱী জনম পৱিত্ৰ ভাৰত ভূমিত পাবা– তাৰো কোনো নিশ্চয়তা নাই।

২১৪ যাৰ কোটি কোটি জন্মৰ পূণ্যফল সঞ্চিত হৈ আছে , সেইজনহে কেতিয়াবা আহি ভাৰতত মনুষ্যজন্ম ল'ব পাৰে। দেৱতায়ো বাঞ্ছা কৰা মনুষ্য জন্ম মিছাতে পঠিওৱা অনুচিত। ঘৰত থাকিয়েই হৰি-স্মৰণ কৰি, হৰিনাম কীৰ্ত্তন কৰি মুক্তি লাভ কৰা।

২১৫ এক কোটি ৰাজসূয় যজ্ঞ, অশ্বমেধ যজ্ঞও হৰিনামৰ সমান হ'ব নোৱাৰে। এনে হৰিনাম নলৈ অৱহেলা কৰি আত্মঘাতী হৈ মৰে। এনে বেদৰ বাণীৰ তত্ত্ব জানি সুখেৰে বহি থাকিয়েই লাভ কৰা আৰু ইয়াৰদ্বাৰা নিজক উদ্ধাৰ কৰাৰ উপৰিও পুৰুষ (পূৰ্ব্বৰ চৈধ্য আৰু পাছৰ সাত পুৰুষ) উদ্ধাৰ কৰা, হৰি হৰি বুলি (অজামিল উপাখ্যান) সামৰণি মাৰিলো।

অজামিল উপাখ্যান সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

ষষ্ঠ খণ্ড

প্ৰহ্লাদ চৰিত

প্ৰথম কীৰ্ত্তন

ঘোষা জগতৰ ঈশ্বৰ ৰাম; মুৰদৈত্যক বধ কৰোঁতা মুৰাৰি (বিষ্ণু), তেঁৱেই প্ৰভু ৰঘুবংশৰ শিৰোমণি ৰঘুনাথ আৰু দ্বাপৰত পূৰ্ণ অৱতাৰ গ্ৰহণ কৰোঁতা কৃষ্ণক শিৰ দোঁৱাই প্ৰণাম কৰোঁ। ১৭।।

পদ ২১৬ মহামুনি শুকদেৱে ক'লে - 'ৰজা পৰীক্ষিত, ভক্ত প্ৰহ্লাদ চৰিতৰ বিষয়ে কওঁ শুনা — এই কথা নাৰদে যুধিষ্ঠিৰৰ আগত কৈছিল।

২১৭ ব্ৰহ্মাৰ চাৰিজন মানস পুত্ৰই আকাশ মণ্ডলত বিচৰণ কৰি ফুৰিছিল। আনন্দমনে আকাশত বিচৰণ কৰা চাৰি কুমাৰক পাঁচ বছৰীয়া শিশু যেন লাগে আৰু তেওঁলোকৰ দেহত বস্ত্ৰ নাছিল দিশেই তেওঁলোকৰ বস্ত্ৰ।

২১৮ আনন্দমনে ঘুৰি ফুৰোতে তেওঁলোকে বৈকুণ্ঠধাম দেখিবলৈ পালে। চতুৰ্ভূজ মূৰ্ত্তিৰে চাৰিওজনে আনন্দিত হৈ বিষ্ণু স্থানক প্ৰত্যক্ষ কৰিলে।

২১৯ বৈকুণ্ঠধামত থকা সকলো ৰমণীয়েই যেন সাক্ষাৎ লক্ষ্মী স্বৰূপা, বৃক্ষসমূহ কল্পতৰু সদৃশ। বৈমানিকসকলে নাৰীসকলৰ লগত হাতত তাল লৈ মহাৰঙ্গ কৰি আছিল।

২২০ তেওঁলোকে কৃষ্ণৰ গুণ-গান-চৰিত্ৰ গাইছিল যাক শুনিলে পৰমানন্দত হৃদয় পমি যায়; যেন সুগন্ধী বায়ুৱে হৃদয়-মনত দিয়া মাদকতাকো চেৰ পেলাব পাৰে। এনে আনন্দই আমাক তন্ময় কৰি তুলিলে।

২২১ ভোমোৰাই মধুৰ গুঞ্জন কৰি হৰিকীৰ্ত্তন কৰে, পক্ষীয়ে হৰিকীৰ্ত্তন শুনি বিভোৰ হৈ থাকে; আৰাও নকৰি তন্ময় হৈ থাকে।

২২২ সুন্দৰী ৰমণীসকলে দিব্য বিমানত উঠি আনন্দত উত্ৰাৱল হৈ শৰীৰৰ অঙ্গ সৌষ্ঠৱ প্ৰদৰ্শন কৰে আৰু তাক দেখিও বৈষ্ণৱসকলৰ কামভাৱ জাগ্ৰত নহয়।

২২৩ হৰিৰ গৃহত লক্ষ্মীমাৱে মাধৱৰ চৰণ যুগল স্পৰ্শ কৰি প্ৰদক্ষিণ কৰে। ৰত্নখচিত বেৰেৰে পৰিবেষ্টিত মজিয়া লক্ষ্মীয়ে নিজেই অনুলেপন কৰে।

২২৪ গোবিন্দৰ গুণ-চৰিত্ৰৰ বাহিৰে যি সকলে গ্ৰাম্য কথাক গুৰুত্ব দিয়েসি সকল নিলাজ আৰু সেই সকল দুৰ্ভগীয়া আৰু বৈকুণ্ঠলৈ তেওঁলোক যাব নোৱাৰে, কাৰণ কু-কথাই তেৰাসবৰ পূণ্য ক্ষয় কৰে।

২২৫ তেওঁলোক চিৰকাল তমো নৰকত মজিব লাগে আৰু নিজেই নিজৰ অহিত চিন্তে। দেৱতাৰো বাঞ্ছিত মনুষ্যজন্ম লাভ কৰি জ্ঞান-কৰ্ম্মত লিপ্ত থকা অনুচিত।

২২৬ এনে জন্ম লাভ কৰি হৰিকীৰ্ত্তন নকৰিলে বিষ্ণুমায়াই বেৰি ধৰে। সেইবাবে অন্য আলাপ ত্যাগ কৰি সকলোৱে হৰি হৰি উচ্চাৰণ কৰাহে উচিত।

দ্বিতীয় কীৰ্ত্তন

ঘোষা যি জনৰ দুটি নয়ন পদুমৰ পাহিৰ দৰে অৰ্থাৎ পুণ্ডৰীক অক্ষ তেওঁক নমস্কাৰ, হে ৰাম কৃপা কৰা, হে কমললোচন কৃপা কৰা; তোমাৰ অৰুণ চৰণ যুগল যেন কেতিয়াও নেৰো। ১৮।।

পদ ২২৭ তপ-জপ-যাগ-যজ্ঞ-সোম-তীৰ্থাদি ধৰ্ম্মসমূহ পৰিহাৰ কৰি যিজনে হৃদয়-স্থিত আত্মাৰূপী কৃষ্ণক চিন্তা কৰে আৰু অনবৰতে কৃষ্ণ-কীৰ্ত্তন কৰে, তেনেজন নৰে বৈকুণ্ঠত স্থিত হয়।

২২৮ আন আনসকলে হৰিকীৰ্ত্তন কৰা শুনিলে যিজনৰ শৰীৰত প্ৰেম-ভক্তিৰ শিহৰণ উঠে, আনন্দত চকুলো নিজৰি ওলায় , আনন্দতে চিএৰি (গেৰিপাৰি) ৰাম হৰি উচ্চাৰণ কৰে তেওঁলোকৰ ভক্তি সিজে।

২২৯ বৈকুণ্ঠপুৰী অতি সুন্দৰ আৰু চমৎকাৰ, তাৰ তুলনা নাই। তাত কালৰ প্ৰভাব নাই; তাত ভক্তসকলে আনন্দৰ সাগৰত মজি থাকে।

২৩০ বৈকুণ্ঠত স্বয়ং কেশৱে অনন্ত শয্যাত লক্ষ্মীৰ কোলাত ভৰি থৈ শয়ন কৰি থাকে আৰু লক্ষ্মীমাৱে কেশৱৰ চৰণ দুখনি মোহাৰি থাকে।

২৩১ বেদ-শাস্ত্ৰগণে মূৰ্ত্তি ধাৰণ কৰি কেশৱৰ মহিমাৰাশি কীৰ্ত্তন কৰি থাকে। সপ্তস্বৰ্গ আৰু সপ্ত বৈকুণ্ঠ একত্ৰে চৈধ্য ব্ৰহ্মাণ্ডই বন্দনা কৰা বৈকুণ্ঠপুৰী কৃষ্ণই নিৰ্মাণ কৰিলে।

২৩২ উক্ত বৈকুণ্ঠপুৰীৰ হৰিকীৰ্ত্তনৰ ধ্বনি শুনি ভ্ৰমণৰত ব্ৰহ্মাৰ চাৰি মানস পুত্ৰই কৃষ্ণৰ বাসভৱনৰ কাষ চাপিল আৰু তাত থকা ৰত্নময় দুৱাৰসমূহ দেখিবলৈ পালে।

২৩৩ দুৱাৰত হীৰাৰ কপাট লগোৱা আছে, বাট-পথসমূহ ৰত্নেৰে বন্ধোৱা হৈছে। এনেধৰণৰ দুৱাৰসমূহ অতিক্ৰম কৰি দুজন দুৱৰী দেখিবলৈ পালে।

২৩৪ সপ্তমখন দুৱাৰৰ দুয়োপাশে থকা দুৱৰী দুজনৰ শিৰত কিৰীতিয়ে তিৰবিৰাই আছে। পদুম পাহিৰ দৰে নেত্ৰদ্বয় মুখমণ্ডলত শোভা কৰি আছে, গালত (গণ্ডস্থল) মকৰ কুণ্ডল ওলমি আছে।

২৩৫ সুন্দৰ নাক, মুখত অলপ হাঁহি, শৰীৰ কান্তিভৰা শ্যামল, হালধীয়া বস্ত্ৰ পৰিধান, দুপাৰি দাঁত কুন্দ ফুলৰ কলি সদৃশ (কুন্দকড়ি) তেওঁলোক দ্বয়ৰ বহিৰাবৰণ। কাণত সোণৰ কেয়ুৰ, হাতত সুবৰ্ণৰ আঙুঠিয়ে শোভা বঢ়াইছে।

২৩৬ দুয়ো চতুৰ্ভূজৰূপী, বুকুত বনমালা পৰিহিত, যাক ভোমোৰাবোৰে গুঞ্জন কৰি সেৱা কৰে। দুয়োয়ে হাতত দিব্য গদা ধৰি আছে।

২৩৭ দুৱাৰৰক্ষী দুজনে বস্ত্ৰহীন চাৰিসিদ্ধক দেখিবলৈ পালে আৰু চাৰিজনে কাকো নুসুধি ভিতৰলৈ সোমাই অহা দেখি দুয়োৰে খঙত ওঁঠ কঁপিবলৈ ধৰিলে।

২৩৮ খঙত তেওঁলোক দুয়োজনে বিকৃতাকৃতি ৰূপ ধাৰণ কৰি বেতেৰে চাৰিওজনকে ঠেলি খেদিবলৈ ধৰিলে। কৃষ্ণৰ দাস শ্ৰীমন্ত শঙ্কৰে এই পদ ৰচনা কৰিলে আৰু সকলোকে হৰি হৰি বুলিবলৈ কৈছে।

তৃতীয় কীৰ্ত্তন

ঘোষা সদায় ৰাম কৃষ্ণ বোলাইঁক। হে ভাইসকল, চিত্তত কেৱল হৰিপদকে ধৰি লোৱা, হৰিপদ বিনে আন গতি নাই। ১৯।।

পদ ২৩৯ দেখাত চাৰিসিদ্ধ শিশু যেন লাগিলেও তেওঁলোক বয়সত বৃদ্ধ। কৃষ্ণক দৰ্শন কৰিবলৈ কৰা আশা ভঙ্গ হোৱাত চকু পকাই খঙেৰে ক'বলৈ ধৰিলে—

২৪০ তোমালোক দুজনে নিজকে বৈষ্ণৱ বুলি ভাবিছা যদিও বৈষ্ণৱৰ লক্ষণ তোমালোকৰ গাত নাই; কাৰণ বৈকুণ্ঠবাসীৰ এনে লক্ষণ হ'বই নোৱাৰে। পৰম আনন্দময় প্ৰশান্ত পুৰুষকো তোমালোকে সংশয় কৰা।

২৪১ নিজকে পাৰিষদ বোলাই অহঙ্কাৰ (চটি) কৰিছ, তইঁত বৈষ্ণৱ নহ'ব, দুয়ো কপতাচাৰী। তইঁতে বৈকুণ্ঠৰ দুৰ্যশহে আনিলি আৰু এই ঠাইৰ পৰা দুয়ো খহি পৰ।

২৪২ তইঁতে অসুৰ যোনিত জন্ম গ্ৰহণ কৰি মৰি মৰি পুনৰ একে জন্মকে ল গৈ। জয়-বিজয়ে এই কথা শুনি ভয়ত বিহ্বল হৈ মাটিত পৰি চাৰিসিদ্ধৰ চৰণ সেৱা কৰিলে। দুয়োৱে কাতৰ প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

২৪৩ তোমালোকক বাধা কৰি পাপ কৰিলো আৰু তাৰ বাবে যি চণ্ড শাপ দিলা, সেই শাপত আমাৰ শাস্তি হওঁক। নিজ কৰ্ম্মফলে আমি অধোগতি যাও; কিন্তু প্ৰভুৰ প্ৰতি যেন আমাৰ মতি সদায়ে থাকক।

২৪৪ এই বৰ তোমালোকৰ ওচৰত ভিক্ষা কৰিছোঁ বুলি দুয়োৱে প্ৰাৰ্থনা কৰিলে। এনে অথন্তৰৰ কথা জানি হৰিয়ে ভিতৰৰ পৰা নিজেই ওলাই আহিল।

২৪৫ লক্ষ্মীমাৱে কৃষ্ণৰ লগতে ওলাই আহিল। শুক্ল চামৰে বিচি, বগাছত্ৰ মূৰৰ ওপৰত ধৰি দুয়ো অগ্ৰসৰ হ'ল।

২৪৬ কৃষ্ণই ধীৰ গতিৰে আগবাঢ়িল, তেওঁৰ বক্ষস্থল (উৰঃস্থল) শ্যামবৰণৰ, তাতে লক্ষ্মীৰ নিবাসস্থান আৰু ভৰিলৈকে পৰা বনমালাই শোভা কৰে। চন্দ্ৰমাৰ শীতল কান্তি শুক্ল ছত্ৰৰ তলত যেন বিৰাজ কৰে।

২৪৭ কৃষ্ণৰ চাৰিওফালে মধুকৰে গুঞ্জণ কৰে, শিৰত অমূল্য ৰত্নেৰে নিৰ্ম্মিত কিৰীটি, ওখ নাসিকা, আনন্দেৰে ভৰা মুখমণ্ডল, পদ্মনয়ন দেখি সুখ অনুভৱ হয়।

২৪৮ গালত মকৰকুণ্ডল লাগি মুখৰ সৌন্দৰ্য্য বৃদ্ধি কৰে; শ্যামবৰণৰ মনোলোভা চাৰিভুজ আৰু তাতে কেয়ুৰ কঙ্কণে জাতিষ্কাৰ কৰি আছে। বক্ষস্থলত শ্ৰীবৎসৰ ওপৰত মুকুতাৰ হাৰ জিলিকি উঠে।

২৪৯ শ্যামল শৰীৰত হালধীয়া বস্ত্ৰাবৰণ, মুখত মিচিকিয়া হাঁহি, কঁকালত মূল্যবান কাঞ্চী, ভৰিত ৰত্নৰ নুপূৰৰ ৰুণুঝুনু ধ্বনিয়ে তেওঁৰ আনন্দ শোভা প্ৰকাশ কৰিছে।

২৫০ কণ্ঠত কৌস্তুভমণি পৰিধানকাৰী কৃষ্ণৰ দুয়োপাশে নানা দিব্য মন্ত্ৰৰ শব্দ বাজি উঠিছে আৰু সেই শব্দতৰঙ্গত মনলৈ একান্ত ভকতি নামি আহে আৰু ভকতৰ নৱনিধি কৃষ্ণই ভকতৰ বাবেই যেন আবিৰ্ভাৱ হয়।

২৫১ গৰুড় পক্ষীৰ কান্ধত কৃষ্ণই হস্ত ৰাখি আনখন হাতেৰে পদ্ম ধাৰণ কৰি ফুৰে। পাৰিষদসকলে তেওঁক উপাসনা কৰি কৰি গমন কৰে আৰু বৈকুণ্ঠপুৰীৰ প্ৰভা বঢ়ায়।

২৫২ চাৰিসিদ্ধই কৃষ্ণৰ এনে অদ্ভুত মূৰ্ত্তি দেখি চাই চাই হেঁপাহ নপলায়। এনে পদ শঙ্কৰদেৱে ৰচনা কৰিছে আৰু সমস্তজনকে হৰি হৰি বুলিবলৈ কৈছে।

চতুৰ্থ কীৰ্ত্তন

ঘোষা যিজনে চতুৰ্ভূজৰ একভূজত পদ্মধাৰণ কৰে- অৰ্থাৎ পদ্মপাণি জগতৰ জীৱকুলৰ হৃদয়ত আত্মাৰূপে ৰমণ কৰি ৰামৰূপে খ্যাত হৈছে- সেই জীৱমোহন ৰামক সুখে-দুখে সকলো সময়তে মুখেৰে ৰাম ৰাম নাম লৈ তেওঁক যেন হৃদয়ৰ পৰা এৰি নেপেলাওঁ।।২০।।

পদ ২৫৩ চাৰিসিদ্ধই পৰম আনন্দেৰে শিৰে প্ৰণাম জনাই দণ্ডৱতে কৃষ্ণৰ চৰণত পৰি আছে। কৃষ্ণ পদ-অমৃতৰ তুলসীৰ সুগন্ধ পাই পৰম আনন্দত চিত্ত তদ্‌গদ্ হৈ থাকিল।

২৫৪ প্ৰেমভক্তিত তেওঁলোকৰ চিত্ত দ্ৰৱীভূত হ'ল , আনন্দৰ লোতক বৈ আহিল, শৰীৰ ৰোমাঞ্চিত হ'ল । পদুমৰ কোষৰ দৰে শ্যাম কৃষ্ণৰ মুখ দেখি আৰু আনন্দেৰে উপচি পৰা দুটি অধৰৰ মৃদু হাঁহি দেখি অত্যন্ত সন্তোষ লাভ হয়।

২৫৫ তেওঁলোকৰ মনোবাঞ্ছা পূৰণ হ'ল আৰু পুনঃ কৃষ্ণৰ চৰণ যুগল চাবলৈ ধৰিলে। চৰণত থকা ৰঙা নখৰ শাৰীসহ চৰণ যুগল হৃদয়তো প্ৰতিষ্ঠা কৰিলে।

২৫৬ হৃদয়ত কিছু সময় ধৰি ৰখাৰ পাচত পুনৰ চক্ষু মেলি কৃষ্ণক চাব ধৰিলে।চাৰি সিদ্ধই হাতযোৰ কৰি কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে।

২৫৭ সমস্ত প্ৰাণীৰ হৃদয়ত কৃষ্ণ থকা সত্বেও কৰ্ম্মকাণ্ডত লিপ্ত থকা সকলৰ মনত তেওঁ ব্যক্ত নহয়। মাত্ৰ কৃষ্ণ-ভকতেহে অন্তৰ্যামী ঈশ্বৰক বিচাৰি পায়। তেনে কৃষ্ণক আমি স্বচক্ষে দেখিবলৈ পালো- ই আমাৰ পৰম ভাগ্য।

২৫৮ পিতৃ ব্ৰহ্মাৰ মুখত ভগৱন্তৰ গুণ যিদিনাই শুনিবলৈ পালো, সেই দিনৰ পৰাই চক্ৰপাণিয়ে আমাৰ হৃদয়ত প্ৰৱেশ কৰিলে। তুমিয়েই যে পৰমাত্মা তত্ত্ব তাক সদ্যহতে জানিব পাৰিলো। ভগৱন্তই সত্য ব্ৰহ্ম-মূৰ্ত্তি ধৰি ভকতক উদ্ধাৰ কৰে।

২৫৯ হে কৃষ্ণ, তোমাক নাপাই যাৰ অনুৰাগ বাঢ়ি যায়, সেই ভাব-ভক্তিত মনৰ অহঙ্কাৰ নিৰ্ম্মূল হয়। তেতিয়া তেওঁলোকৰ বিষয়ৰ প্ৰতি অনুৰাগ কমি আহে আৰু হৃদয়ত তেওঁক প্ৰত্যক্ষ কৰে।

২৬০ তোমাৰ চৰণত যিজনে শৰণ ললে,তোমাৰ গুণ-গান শ্ৰৱণ কীৰ্ত্তন

কৰিলে আনকি মোক্ষপদো নিবিচাৰে; তেওঁলোকৰ বাবে স্বৰ্গ সুখ কোন কথা।

২৬১ তোমাৰ গুণ-গান কৰ্ণভৰি থাকিলে, সদায় মুখেৰে ৰাম হৰি বুলিলে, বিপদ-বিঘিনিকে হৃদয়ত নগণি, চিত্তত চিন্তা কৰি থাকি যদি নাৰকী জন্মত পোৱা যায়, তাকহে আমি পাব বিচাৰোঁ।

২৬২ এনে দিব্যৰূপ আমাক দেখুৱাই আমাৰ চকুৰ আনন্দ আনি দিলা, মূঢ়জনে তোমাৰ গুণ-নাম নলয়; কিন্তু আমি পৰি পৰি প্ৰণাম কৰিলো।

২৬৩ তোমাৰ চৰণত যেন একান্ত ভকতি থাকোক -এই অনুগ্ৰহ আমাক কৰা। কৃষ্ণ-দাস শঙ্কৰে এই পদ ৰচনা কৰি ক'লে - হে লোক, হৰি হৰি চিঞৰি লোৱাহঁক, তেতিয়া পাতক দূৰ হ'ব।

পঞ্চম কীৰ্ত্তন

ঘোষা গোবিন্দদেৱেই মোৰ একমাত্ৰ গতি, একমাত্ৰ গতি, একমাত্ৰ গতি মাধৱৰ বাহিৰে মোৰ কেৱ বন্ধু নাই, বন্ধু নাই।। ২১।।

পদ ২৬৪ চাৰি মহামুনিয়ে স্তুতি কৰাত মাধৱে চাৰিকো মাত দিলে—মোৰ পাৰিষদ জয়-বিজয়ে ঘোৰ অপৰাধ কৰিলে।

২৬৫ তেওঁলোকক উচিত দণ্ড দিলা, দুয়োৰে আমাকো কদৰ্থনা কৰিলে-কাৰণ সেৱকে যদি কাৰো অপকাৰ কৰে,তাৰ অপযশ গৰাকীয়েও পায়।

২৬৬ হে চাৰি মহাসিদ্ধ, মোক ক্ষমা কৰা। ব্ৰাহ্মণক লগোৱা দোষত মই মহাকষ্ট পাওঁ; কাৰণ তেওঁলোক মোৰ আৰাধ্য। বিপ্ৰ সেৱাই আমাৰ আনন্দ, তেওঁলোকে চাণ্ডালকো পৱিত্ৰ কৰে।

২৬৭ তোমালোককো যদি ইন্দ্ৰই অপকাৰ কৰে, ইন্দ্ৰকো কাটিবলৈ বাধ্য হ'ম। বিপ্ৰৰ মুখৰ কথা শুনিবলৈ ইচ্ছা কৰোঁ; বহ্নিৰ হোমও তাৰ সমান হ'ব নোৱাৰে।

২৬৮ বিপ্ৰগণ আমাৰ শৰীৰ। গতিকে তেওঁলোকৰ দ্ৰোহ আচৰণ কৰাসকলক যমৰ দুতে দণ্ড দিবই, সেইসকলৰ মাংস শগুণে চিঙি চিঙি খাব।

২৬৯ বিপ্ৰই যদি গালিও পাৰে তাকো হাঁহি মুখে সহ্য কৰি বিপ্ৰক প্ৰণাম জনোৱাজনে আৰু সাধু বাক্যৰে সম্বোধন কৰি প্ৰবোধ দিয়াজনে মোকো বশ্য কৰিব পাৰে।

২৭০ মোৰ পাৰিষদ জয়-বিজয় তোমালোকৰ শাপত অসুৰ হৈ অনতিপলমে বৈকুণ্ঠলৈ ঘূৰি আহক— এনে অনুগ্ৰহেই মোক কৰা।

২৭১ চাৰিওজনে বিষাদিত হৈ থাকিলেও কৃষ্ণ বাক্য অমৃত শুনি অশেষ তৃপ্তি লাভ কৰিলে। কৃষ্ণৰ কথাৰ বিচাৰ-বিশ্লেষণ কৰিও তেওঁলোকে তত্ত্ব নাপালে।

২৭২ আনন্দত মন দ্ৰবীভূত হ'ল, চকুৰ পানী ধাৰাসাৰে ওলাই আহিল, শৰীৰ ৰোমাঞ্চিত হ'ল। কৃতাঞ্জলি কৰি কৃষ্ণক তেওঁলোকে পুনৰ ক'লে-

২৭৩ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে কয় - দেহা চিৰকাল নাথাকে, গতিকে দেহা থকা সময়ৰ ভিতৰতে কৃষ্ণ-কীৰ্ত্তন কৰি একান্তমনেৰে হৰি হৰি বুলি নিজ

ষষ্ঠ কীৰ্ত্তন

ঘোষা ৰাম ৰাম নামে মনুষ্যক মুক্তি দিব পাৰে ; সেই মুক্তিদাতা মুকুন্দই গোবিন্দ। হে গোবিন্দ- উদ্ধাৰ কৰা, উদ্ধাৰ কৰা।। ২২।।

পদ ২৭৪ হে কৃষ্ণস্বামী, তোমাৰ কথা আমি অকণো বুজিব নোৱৰিলো। আপুনি নিজেই ঈশ্বৰ হৈ কৈছা যে, আমিহে তোমাক দয়া কৰিব লাগে।

২৭৫ স্বৰ্গ-মৰ্ত্য-পাতালে যাক সেৱা কৰে, সেই দেৱাদিদেৱ আপুনি কৈছে যে— বিপ্ৰসবহে তোমাৰ দেৱ। যত দেৱ, দ্বিজ আছে সকলোৰে দেৱতা তুমিহে।

২৭৬ ধৰ্ম্মৰ ভিতৰত পৰম গুহ্যতম তুমিহে, সমস্ত জগতৰে পূজ্য তুমি হে, যাৰ ৰূপ হৃদয়ত ধৰি দুষ্কৰ মায়া-মৃত্যুৰ পৰাও উদ্ধাৰ হ'ব পাৰি।

২৭৭ তেনেজনক আনে দয়া কৰিব লাগে- এনে মায়াময় কথা কোনে বুজিব? ব্ৰাহ্মণক সন্মান কৰি, আমাৰ নিচিনা সমান্য ব্ৰাহ্মণক মহান শিক্ষা দান কৰিছা।

২৭৮ ধৰ্ম্ম পথ ৰক্ষা কৰি সৃষ্টি পালন কৰিছা। তেনে ঈশ্বৰৰ পাৰিষদক আমি মুনি হৈ শাপ দিছো।

২৭৯ হে জগৎ পিতা, আমাক দণ্ড দিয়া, এনে অমোচন পাপ আমি কৰিলো বুলি মৌন হৈ ৰ'ল আৰু মাধৱে ক'লে-।

২৮০ হে মুনিগণ, দুখ নকৰিবা, কাৰণ শাপটো মইহে দিয়াইছোঁ। মোক শত্ৰুভাৱত লৈ পুনৰ এই বৈকুণ্ঠত পাবহি।

২৮১ তেতিয়াহে মুনিয়ে মহাসন্তুষ্টি লাভ কৰি মাধৱক প্ৰদক্ষিন কৰি তিনিবাৰ প্ৰণাম কৰিলে।

২৮২ কৃষ্ণৰ পৰা অনুমতি লৈ চাৰিসিদ্ধ আকাশ পথে গতি কৰিলে। বৈষ্ণৱৰ শ্ৰীযশ গুণ-গান কৰি মনক আনন্দ দান কৰি গমন কৰিলে।

২৮৩ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই পদ ৰচনা কৰে, সৰ্ব্বজনে ইয়াক শুনক। যমকালে ধৰোঁ ধৰোঁ কৰি আছে, গতিকে ৰাম হৰি বুলি উদ্ধাৰ হোৱা।

সপ্তম কীৰ্ত্তন

ঘোষা	হে পৰম আনন্দ দান কৰোঁতা, পৰমানন্দ তোমাৰ ভৃত্যগণক কৃপা কৰা। কাৰণ তোমাৰ বাহিৰে গতি দিওঁতা কেও নাই। ২৩।।
পদ ২৮৪	ইয়াৰ পাচত হৰিয়ে জয়-বিজয়ক আশ্বাস দান কৰি ক'লে- তইঁতে অসুৰ যোনিত গৈ জন্ম ধৰগৈ, তাৰ বাবে মনলৈ কোনো শঙ্কা নানিবা।
২৮৫	তইঁত দুয়োটাই মঙ্গলে থাকিবি, তইঁতৰ দুঃখ মই নাইকিয়া কৰিম। যি ব্ৰহ্মশাপ তইঁতে পাইছ তাক মই উলঙ্ঘা নকৰোঁ,কাৰণ এই শাপ মোৰ প্ৰয়োজনীয়।
২৮৬	মই অতীতৰ স্মৃতি সোঁৱৰণ কৰি পাইছো যে মই আত্ম-চিন্তা কৰি থাকোতে এদিন লক্ষ্মীদেৱী মোৰ কাষলৈ আহিছিল আৰু তেওঁক দুয়োদ্বাৰীয়ে বাধা দিছিল।
২৮৭	লক্ষ্মীয়ে খং কৰি দুয়োকে অভিশাপ দিলে যে দুয়ো পাপৰ বাবে অসুৰ হ'ব লাগিব। সেইবাবে এতিয়া দুয়ো দৈত্য হৈ জন্ম ল'গৈ যদিও তইঁত ভকত বাবে ভয় কৰিব লগা নাই।
২৮৮	মোক পাবৰ কাৰণে বৈৰী বা শত্ৰুভাবে ভক্তি কৰিবা, তেতিয়া কম সময়তে আহি এই লোক পাবি। মই দুঃখ দূৰ কৰিম।
২৮৯	এই কথা কৈ লক্ষ্মীৰ সৈতে হৰিয়ে গৈ অন্তঃপুৰ পালেগৈ। লগে লগে দুয়ো পাৰিষদে বৈকুণ্ঠৰ পৰা বিদায় লয়।
২৯০	শ্ৰীহত হৈ দুয়ো বিমানৰ পৰা তললৈ খহি পৰে আৰু বৈকুণ্ঠক হাহাঁকাৰ ধ্বনিয়ে আবৰি পেলায়।
২৯১	দুয়ো নিজ শৰীৰ ত্যাগ কৰি কশ্যপৰ বীৰ্যত স্থান লয়। কশ্যপৰ বীৰ্য দিতিৰ গৰ্ভত প্ৰৱেশ কৰে আৰু দিতি গৰ্ভৱতী হয়।
২৯২	কৃষ্ণৰ দাস শঙ্কৰে এই পদ ৰচনা কৰিছে, তাক কোনো লোকেই এৰিব নেলাগে; কাৰণ কেতিয়া এই মানৱীয় দেহাৰ অৱসান ঘটে তাৰ ঠিক নাই বাবেই 'হৰি হৰি' বুলি ভক্তি আচৰা।।

অষ্টম কীৰ্ত্তন

ঘোষা ভগৱন্তৰ অনন্ত নামৰ ভিতৰত 'হৰি' আৰু 'ৰাম' নাম অতি মহিমাযুক্ত। হৰি ৰাম, হৰি ৰাম- ব্ৰহ্মাণ্ডৰ মূলমন্ত্ৰ, মূলতত্ব। কলি যুগত নাম ধৰ্ম্মহে প্ৰধান, তপ, যজ্ঞ, মন্ত্ৰাদি অন্য যুগৰ হে যুগধৰ্ম্ম। সেইবাবে হৰি, ৰাম আদি ভগৱন্তৰ মূলমন্ত্ৰ সদৃশ নাম লৈ কলিযুগত তৰি যোৱা। ২৪ ।।

পদ ২৯৩ দিতিৰ গৰ্ভৰ পৰা দুয়ো জন্মলাভ কৰিলে- জ্যেষ্ঠজনৰ নাম হিৰণ্য কশিপু আৰু কনিষ্ঠজনৰ নাম হিৰণ্যাক্ষ। হিৰণ্যাক্ষক বৰাহৰূপী বিষ্ণুৱে বধ কৰিলে।

২৯৪ ভায়েক হিৰণ্যাক্ষৰ বধৰ বাতৰি পাই চকু ৰঙা কৰি, হাতত শূল লৈ হিৰণ্যকশিপু গৰ্জি উঠিল। ওঁঠ কামুৰি, মুৰ জোকাৰি দৈত্যেন্দ্ৰই ক'লে-

২৯৫ হে দানৱসকল, বৰাহক এই শূলেৰে বধ কৰিম। কাৰণ ই মোৰ ভাতৃক বধ কৰিলে। তোমালোকে জগতত থকা দেৱ আৰু ব্ৰাহ্মণসকলৰ অনিষ্ট সাধন কৰা।

২৯৬ তোমালোক পৃথিৱীলৈ গৈ তপ, জপ, যজ্ঞাদি ধ্বংস কৰা, কাৰণ এওঁলোক বিষ্ণুৰ আশ্ৰিত। গো-ব্ৰাহ্মণাদিৰো প্ৰলয় ঘটোৱাগৈ।

২৯৭ এনে আদেশ দৈত্যৰাজে দি ভায়েকৰ প্ৰেত-কাৰ্য সমাপন কৰি, মাতৃ দিতিক আশ্বাস প্ৰদান কৰি তপ কৰিবলৈ মন্দৰ গিৰিলৈ গ'ল।

২৯৮ আকাশলৈ চাই উৰ্দ্ধবাহু কৰি, আঙুলিৰ ওপৰত ভৰ দি পৃথিৱীক স্পৰ্শ কৰি ৰ'ল। জঁটাৰ চিক্‌মিকনিয়ে যেন প্ৰলয় সূৰ্যকো চেৰ পেলাইছে।

২৯৯ তেওঁ ব্ৰহ্মাক ধ্যান কৰিছিল আৰু এশ বছৰ এইদৰে ধ্যান কৰি আছিল। সৰ্ব্বশৰীৰ উঁয়ে মাটি তুলি ঢাকি পেলালে আৰু শৰীৰৰ মাংস খাই পেলালে।

৩০০ চাৰিওফালে বাঁহজাতীয় (বেৰুঝাৰ) গছে ঢাকি পেলালে, তথাপি তাঁলৈ লক্ষ্য নাই। মুৰত তমোময় তাপ বহন কৰি কেৱল ঘোৰ তপস্যাত নিমগ্ন দৈত্যেন্দ্ৰৰ বাবে জগত ভয়ত কঁপি উঠিল।

৩০১ ধৰণী অনবৰতে কঁপিবলৈ ধৰিলে, সপ্ত সাগৰৰ জল খলকি উঠিল, গ্ৰহ-নক্ষত্ৰবোৰ লৰি উঠিল, দশোদিশে উল্কাপাত হ'বলৈ ধৰিলে।

৩০২ এনে ভয়াবহ কাৰ্য দেখি দেৱসবে ত্ৰাসত ভূগিলে আৰু স্বৰ্গ এৰি সকলোৱে ব্ৰহ্মাৰ ওচৰ পালেগৈ। এই কথা কৃষ্ণভক্ত শঙ্কৰদেৱে কৈছে আৰু সকলো মানৱকে হৰি হৰি বুলিবলৈ আহ্বান জনাইছে।

নৱম কীৰ্ত্তন

ঘোষা কৃষ্ণ যদুবংশৰ স্বামী আৰু ৰাম ভকতৰ গতি দাতা। কৃষ্ণই ৰাম আৰু ৰামেই কৃষ্ণ। ৰাম-কৃষ্ণ অভেদ্য। যদুপতি-ৰঘুপতি = কৃষ্ণ + ৰাম = জগতৰ ত্ৰাণকৰ্ত্তা। ২৫।।

৩০৩ দেৱগণে ব্ৰহ্মাক প্ৰণাম কৰি ক'লে- " সৃষ্টি নষ্ট হোৱাৰ উপক্ৰম হৈছে, এনে স্থলত আমাক ৰক্ষা কৰাৰ ব্যৱস্থা কৰক।" হিৰণ্যকশিপুৱে যি ঘোৰ তপস্যা কৰিছে তাৰ ফলত স্বৰ্গত থকাৰ শক্তি কাৰো নহ'ব।

৩০৪ লগতে তোমাৰো ব্ৰহ্মাপদৰ অৱসান ঘটাই দৈত্যেন্দ্ৰই দ্বিতীয় সৃষ্টিৰ পাতনি মেলিব। সেইবাবে ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা কৰক, যাতে সৃষ্টি আৰু সমস্ত সংসাৰ ৰক্ষা পৰে।

৩০৫ এই কথা শুনি ব্ৰহ্মাই হংসযানত উঠি কশিপুৰ ওচৰ পালেগৈ। তাৰ তপৰ মাহাত্ম্য দেখি ব্ৰহ্মাই আশ্চৰ্য্য প্ৰকাশ কৰি কশ্যপ পুত্ৰক উঠিবলৈ ক'লে।

৩০৬ তোৰ শৰীৰৰ মাংস উঁয়ে খাই শেষ কৰিলে, তথাপি তই মোক এক মনেৰে আৰাধনা কৰিছ। সংসাৰত এনেধৰণৰ তপস্যা কৰোঁতা অন্য নাই। গতিকে তোৰ মনোমত বৰ ল'ব পাৰ।

৩০৭ এই কথা কৈ ব্ৰহ্মাই জলস্নান কৰি শান্ত মনেৰে তপ্ত সুবৰ্ণসম শৰীৰ অৱগাহন কৰিলে। দৈত্যেন্দ্ৰয়ো বজ্ৰময় নবদেহ লৈ মাটিৰপৰা উঠিল।

৩০৮ হংসযানত উপবিষ্ট ব্ৰহ্মাক দেখি হিৰণ্যকশিপুৱে পৰম তৃপ্তি লাভ কৰিলে আৰু প্ৰণাম কৰি চৰণত পৰিল। আনন্দত চকুলো ওলাই আহিল আৰু শৰীৰ ৰোমাঞ্চিত হ'ল আৰু বিনম্ৰভাৱে স্তুতি কৰিবলৈ ধৰিলে।

৩০৯ তেওঁ ক'লে- " যদি মোক বৰ দিও বুলিছা, তেন্তে এনে এটি বৰ দিয়া যাতে জগতৰ তুমি সৃষ্টি কৰা সকলো প্ৰাণীৰ হাতত মোৰ মৰণ নহওক। ত্ৰৈলোক্যৰলোকে মোতে শৰণ লওঁক।

৩১০ ৰাতিতো মই নমৰোঁ, দিনতো মই নমৰোঁ, অস্ত্ৰ-শস্ত্ৰয়ো মোক মাৰিব নোৱাৰে, তোমাৰ সমান মহিমা মোৰ যেন হয়- এই বৰ মোক প্ৰদান কৰক, ইয়াৰ বাহিৰে আন বৰ মই নিবিচাৰো।

৩১১ ব্ৰহ্মাই হাঁহি মাৰি ক'লে- হেৰা দৈত্যপতি, এই বৰ যদিও দুৰ্লভ আৰু মহা বৰ, তথাপি তোক এই বৰকেই দিলো। এইদৰে কৈ ব্ৰহ্মা নিজ

৩১২ এনে বৰ পাই তাৰ অশেষ শক্তি বৃদ্ধি হ'ল আৰু ভাতৃবধী বিষ্ণুৰ দ্ৰোহ আচৰণ কৰিলে। তিনিলোকক বশ কৰি ইন্দ্ৰৰ অমৰাৱতী কাঢ়ি ললে।

৩১৩ ত্ৰিজগতৰলোকে ভয়ত তাৰ শৰণাগত হ'ল। মাত্ৰ ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰহে বাদ পৰিল। এইদৰে দিব্যভোগ ভুঞ্জি অসংখ্য হেজাৰ বৰ্ষ অতিক্ৰম কৰিলে।

৩১৪ দেৱতাসকলৰ সুখ শান্তি নোহোৱা হ'ল, উদ্ধাৰৰ উপায় মনে ভাবি-গুণিও নাপালে। হৰিৰ বাহিৰে আনে তাৰিব নোৱাৰে বুলি হৰিত শৰণ ললে।

৩১৫ এইদৰে কেৱল বায়ু সেৱন কৰি, নিদ্ৰা পৰিহৰি কষ্ট-ব্ৰতত থাকি মাধৱক আৰাধনা কৰিলে। শঙ্কৰদেৱে এই কৃষ্ণ কথা ব্যক্ত কৰিছে, গতিকে মানৱীজন্ম ব্যৰ্থ নকৰি হৰি হৰি বুলিবলৈ কৈছে।

দশম কীৰ্ত্তন

ঘোষা ভগৱন্তৰ পৰম মঙ্গল নাম- ৰাম, হৰি, নিৰঞ্জন। যিজন ঈশ্বৰে শৰীৰ মনক ৰমি আছে,যিজনে দুঃখ হৰণ কৰি আছে আৰু যি পৰমাত্মা মায়াহীন- তেওঁ নিৰঞ্জন — তেওঁক সম্বোধন কৰোঁ। ২৬।।

পদ ৩১৬ দেৱতাসকলে বিষ্ণুক উপাসনা কৰি থাকোতেই আকাশীবাণী শুনিবলৈ পালে - "দেৱগণ, ভয় নকৰিবা, দৈত্যৰ প্ৰলয় ঘটাম।"

৩১৭ এই দুঃখৰ অন্ত পৰিব,তাৰ কেনেকৈ,কেতিয়া মৰণ ঘটিব, শুনা– তাৰ পুত্ৰ পৰম বৈষ্ণৱ হৈ জন্ম গ্ৰহণ কৰিব আৰু তেওঁৰ নাম হ'ব প্ৰহ্লাদ আৰু তেওঁৰ লগত যিদিনাই বিবাদ কৰিব–

৩১৮ তেতিয়াই তাক নিৰ্ম্মূল কৰা হ'ব। কিয়নো ভকত মোৰ প্ৰাণৰ সদৃশ, ভকতৰ দুঃখ মোৰ মনে সহ্য নকৰে, ভকতৰ দুঃখে মোৰ হৃদয় দহে।

৩১৯ দেৱগণ, নিৰ্ভয়ে থাকাইক, অতি সোনকালে কাৰ্য সিদ্ধি হ'ব। কথা শুনি দেৱতাসকলে প্ৰত্যাগমন কৰিলে আৰু ইফালে কশিপুৰ চাৰিটা পুত্ৰই জন্ম গ্ৰহণ কৰিলে।

৩২০ তাৰে ভিতৰত প্ৰহ্লাদ পৰমবৈষ্ণৱ হ'ল আৰু দিনে-ৰাতিয়ে বিষ্ণুক চিন্তা কৰিবলৈ ধৰিলে।ইন্দ্ৰিয়গণক বিষ্ণুত অৰ্পণ কৰি সমস্ত প্ৰাণীকে আত্মসম জ্ঞান কৰিলে।

৩২১ ৰূপ-গুণত প্ৰহ্লাদ সুন্দৰ আৰু পাৰ্গত যদিও মনত গৰ্ব্ব ভাৱ নাই। দুঃখ- কষ্টতো অধীৰ নহয় মন, সুখ-বাঞ্ছাও অকণো নকৰে।

৩২২ অসুৰ বংশত জন্মিও আসুৰিক স্বভাৱহীন, কামনা-বাসনাতো অনাসক্ত, দেৱগণ দৈত্যৰ পৰম শত্ৰু যদিও তেওঁ দেৱগণকে বখানে।

৩২৩ পাঁচ বছৰ বয়সতে মহানলোক আৰু শৈশৱৰ খেল-ধেমালিও এৰি ভকতি কৰে। নিতৌ তেওঁ হৰিক ধ্যান কৰে, হৰি বিনে তেওঁ আনক নেদেখে।

৩২৪ সদায় গুণ-কীৰ্ত্তন কৰে, চিত্তত কেৱল কৃষ্ণকেই ধৰি ৰাখে। গোবিন্দৰ ৰাতুল চৰণত সদায়ে মন লাগি থাকে। কৃষ্ণ প্ৰেমত সদায়ে মন মগ্ন ।

৩২৫ কৃষ্ণক চিন্তা কৰোঁতে কৰোঁতেই মন দ্ৰৱীভূত হৈ থাকে, কেতিয়াবা কৃষ্ণক বিচাৰি কান্দি পেলায়, কেতিয়াবা হয়তো আনন্দতে হাঁহি দিয়ে আৰু কোনো ক্ষণত কৃষ্ণৰ গুণ গাই থাকে।

৩২৬ গোবিন্দক আনন্দতে চিঞৰি মাতে, কেতিয়াবা লাজ মান এৰি নাচি দিয়ে আৰু কেতিয়াবা নিজকেই হৰি বুলি কৃষ্ণ লীলা কৰে।

৩২৭ আনন্দতে চকুলো উলিয়ায়, কাকো নমতাকৈ থাকে, আনন্দত শৰীৰ ৰোমাঞ্চিত হয় আৰু কৃষ্ণতেই সমস্ত মন নিবিষ্ট কৰে।

৩২৮ এইদৰে তেওঁ ভক্তি কৰে, বিষয়ত বিৰকতি হয়। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই পদ ৰচনা কৰিছে আৰু সকলোকে হৰি হৰি বুলিবলৈ কৈছে।

একাদশ কীৰ্ত্তন

ঘোষা ভগৱন্তৰ পৰম মঙ্গলকাৰী নাম হৈছে ৰাম, হৰি, গোপাল, গোবিন্দ। এই নাম বাৰম্বাৰ উচ্চাৰণ কৰোঁ। ২৭।।

পদ ৩২৯ শুক্ৰাচাৰ্যৰ দুই পুত্ৰ ষণ্ড আৰু অমৰ্ক। এওঁলোক দুয়োজনে প্ৰহ্লাদক বামানয় অৰ্থাৎ দৈত্যশাস্ত্ৰৰ শিক্ষা দিছিল। প্ৰহ্লাদৰ লগতে অসংখ্য দৈত্য শিশুৱেও বামানয় শাস্ত্ৰ পঢ়িছিল যদিও প্ৰহ্লাদে মনতে ভাল পোৱা নাছিল।

৩৩০ এদিন দৈত্যেন্দ্ৰই পুত্ৰক কোলাত লৈ আনন্দ মনেৰে প্ৰহ্লাদেনো কি পঢ়িছে সুধিলে। প্ৰহ্লাদেনো কাক শ্ৰেষ্ঠজ্ঞান কৰে তাকো সুধিলে আৰু উত্তৰত প্ৰহ্লাদে ক'লে—

৩৩১ হে পিতৃদেৱ, এই গৃহ অন্ধকূপৰ নিচিনা, গতিকে গৃহ এৰি তপোবনত হৰিক আৰাধনা কৰকগৈ। সংসাৰ-সাগৰত ইয়াতকৈ উত্তম কৰ্ম্ম নাই। এই কথা শুনি হিৰণ্যকশিপুৱে হাঁহি মাৰি ক'লে—

৩৩২ কোননো বৈষ্ণৱে তোক এই ভেদজ্ঞান দিলে? গতিকে এই শিশুক একাধাৰে বামানয় শাস্ত্ৰ পঢ়াবলৈ যণ্ডামৰ্কক আজ্ঞা কৰিলে। যণ্ডামৰ্কই শিশুক ঘৰলৈ আনি সুধিলে, বাপ, সঁচা কথা ক'চোন -

৩৩৩ তোক কোনে এনে ধ্বংসকাৰী বুদ্ধি দিলে? নতুবা তোৰ মনতেই আপোনা -আপুনি এনেভাৱৰ উদয় হ'ল? এই কথা শুনিবলৈ ইচ্ছা হৈছে। যণ্ডামৰ্কৰ প্ৰশ্নৰ উত্তৰত প্ৰহ্লাদে কৃষ্ণক বন্দনা কৰি ক'লে –

৩৩৪ ব্ৰহ্মাকে প্ৰমুখ্য কৰি যিমানবোৰ দেৱতা আৰু পণ্ডিতলোক আছে সেই সকলোবোৰেই যি নিজৰ মায়াত মোহিত হৈ আছে আৰু যিজনৰ মায়াৰ পৰিচ্ছেদ বা অন্ত নাই, তেনেজন হৰিয়েই মোৰ বুদ্ধি ভেদ কৰিছে।

৩৩৫ যিদৰে চুম্বকৰ আকৰ্ষণত লোহা আকৰ্ষিত হৈ ঘূৰি ফুৰে , সেইদৰে বিষ্ণুৰ সান্নিধ্যয়ে মোক আকৰ্ষিত কৰি ৰাখিছে। ইয়াকে কৈ প্ৰহ্লাদ মৌন হৈ ৰ'ল। যণ্ডামৰ্কই এই কথা শুনি গুজৰি গুমৰি উঠিল।

৩৩৬ বেত আনা, এই দুৰাচাৰক বেতেৰে কোবাই মাৰো। ই আমাৰো অপযশ (খিলিঙ্কাৰ) আনিলে। তই দৈত্যবংশৰ কণ্টক হিচাপে জন্ম ললি। চিৰশত্ৰু বৈষ্ণৱৰ পক্ষ লৈ নিজ কুলৰ ধ্বংস মাতি আনিলি।

৩৩৭ এনেদৰে নানা ভীতি প্ৰদৰ্শন কৰি প্ৰহ্লাদক বামানয় শাস্ত্ৰ পঢ়াবলৈ ধৰিলে। তেওঁ বামানয় শাস্ত্ৰ হৃদয়ঙ্গম কৰিলে বুলি মনতে ভাবি গুৰুৱে প্ৰহ্লাদক

পিতৃৰ ওচৰলৈ নিলে।

৩৩৮ প্ৰহ্লাদে পিতৃৰ চৰণত সেৱা জনোৱাত হিৰণ্যাই দুই হাতে প্ৰহ্লাদক তুলি কোলাত বহুৱাই ললে আৰু মূৰত চুমা খাই হাঁহি হাঁহি কথা সুধিবলৈ ধৰিলে।

৩৩৯ গুৰুগৃহত কি সুন্দৰ কথা পঢ়িলা আৰু গুৰুৱে কি মনোময় জ্ঞান দিলে - মোক কোৱাচোন । প্ৰহ্লাদে আহ্লাদেৰে ক'বলৈ ধৰিলে -। এই কথা শুনিলে পাপ মোচন হয় আৰু হৰি হৰি বুলি পাপমুক্ত হোৱা।

দ্বাদশ কীৰ্ত্তন

ঘোষা হে হৰি তোমাৰ চৰণত ধৰো, তোমাত শৰণ লওঁ, তুমি বেদৰ অধিকৰ্তা (অৰ্থাৎ গোপাল) আৰু বেদৰ পৰম তত্ত্ব (গোবিন্দ)। সংসাৰ সাগৰত ডুব গৈ আছো আৰু মায়াত জ্বলা-কলাহে টোপনিয়েই নাইকীয়া হৈছে। কাৰণ - এই কথা স্মৰণ কৰি তোমাৰ সান্নিধ্য বিচাৰিছোঁ। ২৮।।

পদ ৩৪০ শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চ্চন, পদসেৱন,দাস্য,সখিত্ব, বন্দন - এই ন বিধি ভক্তিৰ দ্বাৰা বিষ্ণুত দেহ অৰ্পণ কৰাই উত্তম পাঠ বুলি প্ৰহ্লাদে কোবাত হিৰণ্যকশিপু খণ্ডত উগ্ৰমূৰ্ত্তি ধাৰণ কৰিলে।

৩৪১ গুৰু শুক্ৰাচাৰ্যৰ পুত্ৰক এনে পাঠ শিকোৱাৰ বাবে হিৰণ্যকশিপুৱে গালি পৰাত ষণ্ডামৰ্কই ক'লে - এই পাঠ আমি শিকোৱা নাই। তোমাৰ পুত্ৰই স্বভাৱতে শিকিছে আৰু তাৰ বাবে আমাক খং নকৰিবা।

৩৪২ হিৰণ্যকশিপুৱে পুনঃ ক'লে - গুৰুৱে নিশিকালে তই কেনেকৈ এনে অমঙ্গলীয়া কথা জানিবি? প্ৰহ্লাদে বাপেকক (তাত) ক'লে যে, বিষয়ীৰ গতি নাই। গুৰুৰ উপদেশ আৰু আপোনাৰ পৰা কৃষ্ণত ভকতি নহয়।

৩৪৩ কিয়নো আপুনি নিজেই বিষয়ী বাবে বিষয়ীকে গুৰু মানিছা। অন্ধলাই অন্ধক কি উপদেশ দিব, তেওঁ বিষ্ণুক নাজানেই। মোহত অন্ধ হৈ থকা মূঢ়জনে বৈষ্ণৱক উপাসা নকৰে। হে পিতৃ, মোহ্‌ত থকাজনে কৃষ্ণৰ চৰণ চিন্তা কৰাৰ কথা মনলৈ আনিবই নোৱাৰে।

৩৪৪ প্ৰহ্লাদৰ এই বক্তব্য শুনি অহঙ্কাৰত মত্ত হৈ ক্ৰোধত জ্বলি উঠিল আৰু প্ৰহ্লাদক কোলাৰ পৰা মাটিলৈ দলিয়াই দিলে। ৰাক্ষসসকলক আদেশ দিলে যে, ভাতৃবৈৰী বিষ্ণুক সেৱা কৰাৰ বাবে প্ৰহ্লাদক মাৰিব লাগে।

৩৪৫ দৈত্যৰাজৰ কঠোৰ আদেশ পাই ৰাক্ষসবোৰে হাতত শূল লৈ ককৰ্শ মাতেৰে (খেখট কৰিয়া) চাৰিওফালৰ পৰা আগুৰি ধৰি শূল প্ৰহাৰ কৰিলে যদিও প্ৰহ্লাদে বিষ্ণুক স্মৰি নিৰ্ভয়ে ৰ'ল।

৩৪৬ শূলবোৰ প্ৰহ্লাদৰ শৰীৰত লাগি ভোটা হৈ ৰ'ল। ইয়াকে দেখি দৈত্যপতি সমে দৈত্যগণ শঙ্কিত হ'ল। তেতিয়া হস্তীগণক আদেশ কৰাত হস্তীগণে দাঁতেৰে প্ৰহ্লাদক ভিড়ি ধৰিলে, পানীত পেলালে, পৰ্ব্বতৰ শিখৰৰ পৰা খহাই দিলে।

৩৪৭ কঢ়াল সৰ্পগণে বেৰি দংশন কৰিলে যদিও সিহঁতৰ দাঁত ভাগি গ'ল।

পৰ্ব্বতৰ পৰা পেলাই, গাঁত খানি পুতি, বিষপান কৰোবাই, হাতে-গলে বান্ধি জুই লগাই শাস্তি দিয়ালে যদিও প্ৰহ্লাদক মাৰিব নোৱাৰিলে।

৩৪৮ প্ৰহ্লাদে বিষ্ণুৰ চৰণ চিন্তি নিৰ্ভয় মনেৰে থকা দেখি কশিপুৱে উদ্বিগ্ন হৈ চিন্তা কৰিলে। ইয়াক বিৰোধ কৰাৰ বাবে নিজৰে সৰ্ব্বনাশ হ'ব বুলি হিৰণ্য চিন্তিত হ'ল।

৩৪৯ দুৰন্ত চিন্তাত অধীৰ হোৱাত দৈত্যেন্দ্ৰৰ চেহেৰা বদলি হৈ গ'ল। ম্লান মুখ তললৈ কৰিলে আৰু ইয়াকে দেখি ষণ্ডামৰ্কই কান্দিবলৈ ধৰিলে। প্ৰহ্লাদ চৰিত বৰ্ণনা কৰা কৃষ্ণদাস শঙ্কৰে হৰি হৰি বুলি সংসাৰ এৰি বৈকুণ্ঠলৈ যাবলৈ কৈছে।

ত্ৰয়োদশ কীৰ্ত্তন

ঘোষা (হে নৰগণ), সদায় ভগৱন্তৰ মাহাত্ম্যসূচক নাম-কেশৱ, শিৱ, ৰাম উচ্চাৰণ কৰিব লাগে। ব্ৰহ্মা + বিষ্ণু + শিৱ অৰ্থাৎ ত্ৰিশক্তিক আৱৰি থকা নাৰায়ণক লৈ ভগৱানৰ কেশৱ নাম হৈছে - (ক + ঈ + শ + ৱ)। 'শিৱ' হৈছে মঙ্গলময় ভগৱান 'ৰাম' নিৰ্গুণ ব্ৰহ্ম। সেই মহাবিষ্ণু আৰু একনাম ৰাম নাম উচ্চাৰণ কৰা নৰগণৰ কৰ্তব্য। ২৯।।

পদ ৩৫০ (ষণ্ডামৰ্কই ক'লে),- হে দৈত্যেন্দ্ৰ, আপুনি মনোবল কমাই দিয়াৰ প্ৰয়োজন নাই, কিয়নো আপুনি তিনিলোক বিজয়ী। আপোনাৰ খং উঠিলে আনকি দিক্‌পালগণো কঁপি উঠে, গতিকে আপোনাৰ চিন্তাৰ কাৰণেই নাই।

৩৫১ গতিকে হে ৰজা, মনত সন্তুষ্টি লভা। শিশুৰ দোষ নধৰিব। তাৰ পৰিবৰ্তে কথাৰে তাক প্ৰলোভিত কৰি অৰ্থাৎ খং নকৰি মুখৰোচক কথাৰে তাক কিছুকাল ৰখা হওঁক। বয়স হোৱাৰ লগে লগে তাৰ সু-বুদ্ধি উদয় হ'ব। (বৰুণ মানে জল অৰ্থাৎ জিভা, পাশ মানে ৰচি অৰ্থাৎ মিঠা কথাৰে)।

৩৫২ দৈত্যেন্দ্ৰই ক'লে- সেয়েই হওঁক আৰু তাক ৰাজনীতি অনৰ্গল শিকাওক। গুৰুপুত্ৰ খণ্ডামৰ্কই তেতিয়াই প্ৰহ্লাদক মাতি আনি দৈত্যশাস্ত্ৰ পঢ়াবলৈ ধৰিলে।

৩৫৩ প্ৰহ্লাদৰ মনত দৈত্যশাস্ত্ৰ শিক্ষা ভাল নালাগিল, তাৰ পৰিবৰ্তে কৃষ্ণৰ চৰণত হে ৰতি বাঢ়িল। গুৰুৱে পঢ়ুৱা-শুনোৱা শেষ কৰি গৃহকৰ্ম্ম কৰিবলৈ যোৱাৰ লগে লগে প্ৰহ্লাদে দৈত্য শিশুসৱক মাতি আনি শিকাবলৈ ধৰে।

৩৫৪ দৈত্য শিশুগণেও আন খেলা-ধূলা এৰি প্ৰহ্লাদৰ চাৰিওফালে অতি আগ্ৰহেৰে বহি প্ৰহ্লাদৰ উপদেশ শুনিবলৈ ধৰে।

৩৫৫ প্ৰহ্লাদে কয় - সংসাৰ সাৰশূণ্য আৰু ইয়াত কোনো সঞ্জাত নাই বাবে ইয়াক এৰি হৰিভকতিৰ অভ্যাসহে কৰিব লাগে। কিয়নো মানৱৰ আয়ুস এশ বছৰহে, ইয়াৰে টোপনিত যায় আধাখিনি।

৩৫৬ ওমলোতে যায় বিশ বছৰ, ধন অৰ্জ্জন কৰোঁতে যায় দহ বছৰ, বৃদ্ধ কালত বিশ বছৰ অতিক্ৰম হয় যদিও বৃদ্ধত্বৰ বাবে কোনো কৰ্ম্ম কৰাৰ শক্তি নাথাকে।

৩৫৭ এই বয়সত ব্যাধিয়ে প্ৰাৰ্দুভাব চলায়, চকুৰে নেদেখা হৈ আহে। বিভিন্ন কামৰ-কৰ্ম্মৰ আশাৰ জৰীয়ে মনক বান্ধি ৰখাৰ বাবে গৃহতেই থাকিব

লগা হয়। ইয়াকে জানি - হে শিশুসব, কুমাৰ কালৰ (ল'ৰালি কালৰ) পৰাই অন্য কাম্য-কৰ্ম্ম এৰি ভাগৱত ধৰ্ম্ম কৰিবলৈ যত্ন কৰাইক– বুলি প্ৰহ্লাদে উপদেশ দিছে।

৩৫৮ মানৱী জনম লাভ কৰাটো অতি দুৰ্ল্লভ, ইয়াক বিফলে যাবলৈ দিব নালাগে। মাধৱ বান্ধৱৰ চৰণ-কমল চিন্তা কৰা উচিত, কিয়নো হৰি সকলোৰে আত্মাতবন্ধু হিচাপে বাস কৰিছে। পুত্ৰ-ভাৰ্যা-দেহ মায়াৰে আবৰা।

৩৫৯ এনে মায়াময় প্ৰাণী-পদাৰ্থৰ বাবে অমূল্য আয়ুস নিঃশেষ কৰা অনুচিত। প্ৰাণীৰ হৃদয়ত ঈশ্বৰ বিষ্ণুৰূপে প্ৰত্যক্ষভাৱে বিৰাজ কৰি আছে। সেই কাৰণে সকলোৱে আসুৰিক স্বভাৱ ত্যাগ কৰি সকলো প্ৰাণীকে বিষ্ণু অংশী ভাবি পূজা-সেৱা কৰিব লাগে।

৩৬০ এনে বুদ্ধিৰে প্ৰাণীসেৱা কৰিলে দেৱনাৰায়ণ অলপতে সন্তুষ্ট হ'ব। হৰি সু-প্ৰসন্ন হ'লে কোনো দুৰ্ল্লভ থাকিব নোৱাৰে। সেইবাবে বিষয়-বাসনাৰ প্ৰতি পিঠি দিব লাগে। বিষয়ৰ সুখ-আনন্দ মানৱ জীৱনত নালাগে পশুৰ জীৱনতো পোৱা যায়।

৩৬১ ল'ৰালি কালৰ ক্ৰীড়া এৰি মাধৱৰ ধ্যান-ধাৰণা কৰা উচিত। এই মহাসত্য মহৰ্ষি নাৰদৰ মুখে ব্যক্ত কৰা হৈছে। এয়ে স্বৰূপ বা বাস্তৱ জ্ঞান ইয়াত কোনো সন্দেহ কৰিব লগা কথা নাই। হৰি হৰি বুলি পাপৰাশিক বিনাশ ঘটোৱা।

চতুৰ্দ্দশ কীৰ্ত্তন

ঘোষা হে মধুদৈত্য, মুৰদৈত্যক মৰ্দ্দন কৰোঁতা বিষ্ণু, তুমিয়েই ত্ৰেতাত ৰামৰূপে অৱতাৰ গ্ৰহণ কৰিছিলা। সংসাৰৰ ত্ৰিতাপ তোমাৰ বাহিৰে কোনে দূৰ কৰিব? তুমি সংসাৰ তাপৰ পৰা উদ্ধাৰ কৰা প্ৰভু! ৩০।।

পদ ৩৬২ প্ৰহ্লাদৰ মুখত নাৰদক লগ পোৱাৰ কথা শুনি দৈত্যশিশুসকলে প্ৰহ্লাদক সুধিলে - "অন্তেষপুৰত থাকি হে মহাভাগ, তুমি কেনেকৈ নাৰদক লগ পালা?"

৩৬৩ ঋষি নাৰদে তোমাক যি তত্ত্ব কথা শুনালে তাক আমাক কৈ আমাৰ সংশয় ছেদ কৰিব লাগে। প্ৰহ্লাদে পূৰ্ব্বকথা ক'বলৈ ধৰিলে–

৩৬৪ যিদিনাই মোৰ পিতৃ তপস্যাৰ বাবে গ'ল, সেইদিন ধৰি দেৱগণৰ মনত সংশয়ৰ উদ্ভৱ হ'ল। পিতৃয়ে তপস্যাত থাকোতেই উঁয়ে খাই শেষ কৰিলে বুলি দেৱগণে নগৰত জুই লগাই দিলে।

৩৬৫ নগৰত প্ৰচণ্ড অগ্নি উঠা দেখি নিজ পুত্ৰ-ভাৰ্যাদিক এৰি দানৱগণ ভয়ত ত্ৰস্তমান হৈ দৌৰি পলাল। এনে সুযোগতে ইন্দ্ৰই মোৰ মাতৃক হৰণ কৰি নিলে।

৩৬৬ ইন্দ্ৰই নিজ স্থানলৈ মাতৃক আজুৰি নিয়াত মাতৃয়ে মুখত বস্ত্ৰ লৈ ক্ৰন্দন কৰিছিল। মাতৃৰ আৰ্ত্তনাদ শুনি নাৰদ ঋষি আহি ইন্দ্ৰক ক'লে–

৩৬৭ হে সুৰপতি ইন্দ্ৰ- এওঁক এৰি দিয়া, কিয়নো এওঁ পৰভাৰ্যা, মহাসতী নাৰী। ইন্দ্ৰই ক'লে - এওঁৰ গৰ্ভত এটি শিশু আছে।

৩৬৮ এইৰ গৰ্ভস্থ সন্তানটিক মাৰিহে এৰিব পৰা যাব। নাৰদে তেতিয়া ক'লে- এটি নিষ্পাপ পুৰুষ এওঁৰ গৰ্ভত আছে আৰু এই শিশু সাক্ষাতে মহাভাগৱত। ৩৬৯।। ইয়াক মাৰিব পৰা ক্ষমতা তোমাৰ নাই বুলি নাৰদে কোৱাত ইন্দ্ৰই কয়াধুক এৰি গুছি গ'ল। যোৱাৰ আগতে ইন্দ্ৰই এওঁক প্ৰদক্ষিণ কৰি আৰু মোক আদৰ কৰি স্বৰ্গ গমন কৰে।

৩৭০ তাৰ পাচত প্ৰহ্লাদৰ মাতৃক আশ্ৰমত ৰাখি ঋষিয়ে আশ্ৰয় দান কৰি ৰাখিলে। তেওঁৰ স্বামী তপস্যাৰ পৰা ঘূৰি নহালৈকে নিৰ্ভয় মনেৰে থাকিবলৈ ক'লে।

৩৭১ মাতৃয়ে ভয়, শঙ্কা এৰি ঋষিৰ শুশ্ৰূষাত থাকিবলৈ ধৰিলে আৰু নাৰদে পিতৃবৎভাৱে তেওঁক পৰমজ্ঞান দান কৰি থাকিল।

৩৭২ নাৰদে তেওঁক ভক্তিৰ লক্ষণসমূহ শুনোৱালে আৰু মাতৃৰ গৰ্ভত থাকি মই সেই সমস্তকে জানিব পাৰিলো বুলি প্ৰহ্লাদে ক'লে। স্বামী তপস্যাৰ পৰা ঘূৰি অহাৰ পাচত মাতৃয়ে স্বামীৰ সঙ্গ লাভ কৰি সেইবোৰ পাহৰি গ'ল যদিও নাৰদৰ কৃপাত মই সোঁৱৰণ কৰিছোঁ।

৩৭৩ ঋষিয়ে ভক্তিৰ লক্ষণসমূহ কৈ মোক স্বৰূপ জ্ঞান দিলে। তেওঁ ক'লে হৃদয়ত কৃষ্ণৰ ৰূপ ধাৰণ কৰিব লাগে। ইয়াতকৈ পৰম ধৰ্ম্ম কি হ'ব পাৰে। কোন মূহূৰ্ত্তত অশ্বাশ্বত মানবী দেহৰ বিলুপ্তি ঘটিব তাৰ ঠিক নাই।

৩৭৪ সেইবাবে অহঙ্কাৰ এৰি দৃঢ়ভাৱে কৃষ্ণৰ চৰণত আত্মোৎসৰ্গা কৰিব লাগে। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে সেইবাবেই হৰি হৰি বুলি সমস্ত নৰক উদ্ধাৰ হ'বলৈ কৈছে।

পঞ্চদশ কীৰ্ত্তন

ঘোষা মনক কু-আচাৰে অনবৰতে ঢাকি ৰাখে বাবে দুৰাচাৰ মনক সুস্থিৰভাৱে শুদ্ধ ৰূপত ৰাখিবলৈ ভগৱন্তৰ পৰম মঙ্গলকাৰী নাম ৰাম, হৰি কীৰ্ত্তন কৰিব লাগে। ৰাম, হৰি উচ্চাৰণ কৰি কৰি জীৱন অতিবাহিত কৰিব লাগে। ৩১।।

পদ ৩৭৫ কৃষ্ণৰ চৰণতনো কিদৰে ভকতি কৰিব লাগে তাক মন স্থিৰ কৰি শুনাইক বুলি দৈত্য শিশুগণক প্ৰহ্লাদে কৈছে - প্ৰথমে বিষ্ণুৰ সঙ্গ লাভ কৰিব লাগে আৰু তেৰাসৱকে গুৰু মানি শুদ্ধভাৱে শুশ্ৰূষা কৰিব লাগে।

৩৭৬ ভকতৰ পৰা উপদেশ লৈ প্ৰভু ভগৱন্তক আৰাধনা কৰিব, নিজস্ব যশস্যা-কীৰ্ত্তিসমূহ ভগৱন্ত কৃষ্ণৰে ঐশ্বৰ্য্য বুলি তেওঁতেই অৰ্পণ কৰিব, কৃষ্ণ-কথা শ্ৰৱণ কৰাৰ বাবে মন শুদ্ধ হ'ব আৰু সদায়ে কৃষ্ণৰ কীৰ্ত্তন কৰিব।

৩৭৭ কৃষ্ণৰ চৰণ হৃদয়-কমলত স্থাপন কৰিব, কিয়নো সকলোৰে হৃদয়ত ঈশ্বৰ কৃষ্ণ আত্মাৰূপে বিৰাজ কৰি আছে আৰু ইয়াকে জ্ঞান কৰি সকলো প্ৰাণীকে সৎকাৰ কৰিব। এনে কৰ্ম্মৰ দ্বাৰা তোমালোকৰ কৃষ্ণৰ প্ৰতি ৰতি হ'ব।

৩৭৮ হৰিসেৱা কৰিবলৈ কোনো কষ্টই কৰিবলগীয়া নহয়; ঈশ্বৰ আপোনা-আপুনিয়ে আহি হৃদয়ত বাস কৰিবহি। কিয়নো কৃষ্ণ ঈশ্বৰ সাক্ষী, জীৱৰ সাক্ষী হিচাবে আছেই। তেনেক্ষেত্ৰত দেহস্থ ভগৱানক এৰি অন্য অন্য সামান্য দেৱক সেৱা কৰাজন দুৰাশয়।

৩৭৯ ধন, জন, প্ৰাণ, পুত্ৰ, পৰিয়ালবৰ্গ আদিবোৰ অবস্তু বা মায়াহে, ভগৱানহে প্ৰকৃত বস্তু বা পৰমাৰ্থ। এইবোৰ সাৰশূণ্য বুলি জানি কেৱল সাৰবস্তু মাধৱৰ প্ৰতিহে অনুৰক্ত হ'ব লাগে। ইহলোক, পৰলোকত কৃষ্ণইহে পৰম গতি।

৩৮০ ভক্তি কৰিবলৈ দেৱতা হ'ব নালাগে, দ্বিজ হ'বৰ প্ৰয়োজন নাই, ঋষি হোৱাৰো প্ৰয়োজন নাই, বিভিন্ন শাস্ত্ৰাদিৰ তত্ত্ব নাজানিলেও হয়। তপ, জপ, যজ্ঞ, দানাদি বিড়ম্বনা মাত্ৰ। এই সকলোবোৰৰ পৰিবৰ্তে কেৱল ভক্তিতহে নাৰায়ণ সন্তুষ্ট হয়।

৩৮১ যক্ষগণ, ৰক্ষগণ, স্ত্ৰী জাতি, শূদ্ৰসকল আৰু ব্ৰজবাসীসকল, পক্ষীজাতি, মৃগগণেও কৃষ্ণক ভক্তি কৰি তৰি গ'ল। সেইবাবে হে দৈত্য শিশুসকল,

সকলোবে এক মনেৰে হৰিক একান্ত ভকতি কৰাইঁক।

৩৮২ ইয়েই জীৱৰ পৰম পুৰুষাৰ্থ। শ্ৰৱণ-কীৰ্ত্তন নিৰন্তৰে কৰাটোৱেই আচল কৰ্ম্ম। সকলো প্ৰাণী-পদাৰ্থকে নাৰায়ণ জ্ঞান কৰা। ইয়াৰ বাহিৰে কৰা অন্য ধৰ্ম্মবোৰ অৰ্থশূণ্য।

৩৮৩ দৈত্য শিশুগণৰ হৃদয়ত প্ৰহ্লাদৰ ভক্তি তত্বই স্থান ললে। গুৰুৱে দিয়া উপদেশৰ প্ৰতি তেওঁলোক বীতশ্ৰদ্ধ হ'ল আৰু ভাগৱত ধৰ্ম্মৰ প্ৰতি সবাৰে আগ্ৰহ বাঢ়িল।

৩৮৪ তেওঁলোকে কৰ্ণেৰে কৃষ্ণৰ কথা শুনে আৰু মনত হৰিক চিন্তা কৰে, ৰাম নাম গাই চাপৰি বজায়। ইয়াকে দেখি যণ্ডামৰ্কই খণ্ডত অতীষ্ঠ হৈ শিশুগণক শাস্তি দিবলৈ ধৰিলে। শাস্তি খায়ো চিঞৰি চিঞৰি ৰাম ৰাম গায়।

৩৮৫ যণ্ডা আৰু অমৰ্ক দুয়ো গুৰুৱে এই অদ্ভুত কাৰ্য দেখি ভয়ত ত্ৰস্তমান হৈ প্ৰহ্লাদক হাতত ধৰি টানি নি ৰজাৰ ওচৰ পোৱালৈগৈ আৰু ৰজাৰ পুত্ৰ নষ্ট পালে বুলি কান্দি কান্দি ক'লৈগৈ। ই নিজে নষ্ট যোবাৰ উপৰিও আন শিশুসকলকো নষ্ট কৰিলে বুলি ক'লে।

৩৮৬ কোনো ছাত্ৰই দৈত্যশাস্ত্ৰ নপঢ়া হ'ল বুলি ৰজাক ক'লে। উগ্ৰ শাস্তি দিলেও শাস্তিক সিহঁতে কটাক্ষই নকৰে। আমাকো দণ্ডিত কৰিবা বুলি আমি সবিশেষ জনালোহি। এই কথা কাহিনী শুনি হৰি হৰি বুলি পাপৰ পৰা উদ্ধাৰ হয় বুলি লিখকে কৈছে।

ষোড়শ কীৰ্ত্তন

ঘোষা হে ভকতসকল, ৰামৰ চৰণত ভজন লোৱা। সদায়ে 'হৰি' উচ্চাৰণ কৰা। ৰামত ভজন ললে আৰু হৰি কীৰ্ত্তন কৰিলে মুক্তি পোৱা যায়। ৩২।।

পদ ৩৮৭ হিৰণ্যকশিপুৱে এই কথা শুনি ক্ৰোধত অগ্নিশৰ্মা হৈ উঠিল আৰু যমৰ দৰে কঁপি উঠিল। ঘোৰ দৰ্প কৰি ভুজঙ্গৰ দৰে মাথা জোকাৰি উঠিল, যেন লাঠিৰ প্ৰহাৰ পাই সৰ্পই ক্ৰোধান্বিত হয়।

৩৮৮ প্ৰহ্লাদে পিতৃৰ খং দেখি মূৰ দোঁৱাই কৃতাঞ্জলি কৰি পিতৃলৈ চালে। পিতৃয়েও খণ্ডত গৰ্জ্জি উঠিল আৰু আজি তোৰ মুণ্ডচ্ছেদ কৰিম বুলি ক'লে।

৩৮৯ হে অধম, তই মোক গণ্য কৰা নাই। আজি তোক মাৰি পেলাম। তিন ত্ৰৈলোক্যই মোৰ খং দেখি কঁপি উঠে, তেনেস্থলত তই মোৰ আদেশ নামান।

৩৯০ প্ৰহ্লাদে ক'লে - সকলোতকৈ শ্ৰেষ্ঠ চক্ৰপাণি বিষ্ণুহে, তুমি আমি কোন, ব্ৰহ্মা আৰু শিৱই যাৰ চৰণ সেৱা কৰে সেই বিষ্ণু সৰ্ব্বশ্ৰেষ্ঠ।

৩৯১ তেৱেঁই পৰম ঈশ্বৰ, পৰমদেৱ; বিষ্ণুৰ বাহিৰে আন কোনো নাই। তেৱেঁই নিজ মায়াৰে জগত সৃষ্টি কৰি পালন কৰিছে আৰু সংহাৰো কৰে।

৩৯২ সেইদেখি হে পিতৃ আসুৰিকভাব ত্যাগ কৰা, নিজৰ মনক শান্ত কৰা। সংসাৰত শত্ৰু-মিত্ৰ সকলো সমান। এই সমভাৱেই উত্তম ভকতি আৰু এয়ে কৃষ্ণ ভকতি।

৩৯৩ শৰীৰস্থ শত্ৰু অৰ্থাৎ কাম-ক্ৰোধ, লোভ-মোহ, ইন্দ্ৰিয়-প্ৰবৃত্তি, মদ আদিক দমন কৰাটোহে আচল দিগ্‌বিজয়, ইয়াক দমন কৰিব নোৱাৰি দহদিক্ জয় কৰিলো বোলা নিৰৰ্থক। সেয়ে হে পিতৃ, অহঙ্কাৰ এৰি হৰিক ভজনা কৰা। এয়ে সাৰ কথা।

৩৯৪ তেতিয়া হিৰণ্যই ক'লে- তই ঠিক মৰিবলৈকে বিচাৰিছ। মোক ককৰ্থনা কৰিছ, তই নাজাননে মোতকৈ কোন ঈশ্বৰ আছে?

৩৯৫ তোক খাণ্ডাধৰি কাটি পেলাম, তোক তোৰ হৰিয়ে কেনেকৈ ৰাখে চাম। যদি হৰি তোৰ ঈশ্বৰেই হয়, সেই হৰি ক'ত আছে তাৰ উৱাদিহ মোক দে।

৩৯৬ প্ৰহ্লাদে হাঁহিমুখে ক'লে- ঈশ্বৰ ব্যাপক, সকলোতে তেওঁ বিৰাজমান। তেওঁ জগতৰ গৰাকী আৰু স্ফটিকৰ স্তম্ভটোযে দেখিছা তাতো মই তেওঁক দেখা পাইছো।

৩৯৭ এই কথা শুনি দৈত্যৰাজে দাঁত কামুৰি ডাবৰ পৰা খড়গ উলিয়াই ললে আৰু আসনৰ পৰা উঠি প্ৰচণ্ড প্ৰতাপেৰে মুঠি প্ৰহাৰ কৰি স্তম্ভটো ভাঙি পেলালে।

৩৯৮ স্তম্ভৰ ভিতৰত ভয়ঙ্কৰ শব্দ হ'ল - প্ৰলয় মেঘত মেঘ গৰ্জ্জনৰ দৰে। কেৰাহী (কটাই) ভগাৰ দৰে শব্দ শুনি স্বৰ্গ-মৰ্ত্য-পাতালত বিস্ময়ৰ সৃষ্টি হ'ল।

৩৯৯ চাৰিওফালে থকা মহা প্ৰতাপী দৈত্যবোৰে ভয়ত বিহ্বল হৈ বসুধাৰ বুকুত পৰি পৰি কঁপিবলৈ ধৰিলে। কৃষ্ণৰ দাস শ্ৰীমন্ত শঙ্কৰে কৈছে যে সকলো মানুহেই হৰি হৰি বুলিব লাগে।

সপ্তদশ কীৰ্ত্তন

ঘোষা হে হৰি তুমি নৰগণৰ দুখ হৰণ কৰোঁতা, মায়া হৰণ কৰোঁতা, তুমি নৰৰ কু-মতি দূৰ কৰা। মৃত্যুকালত ভগৱন্ত চৰণৰ বাহিৰে অন্য গতি নাই। ৩৩।।

পদ ৪০০ স্ফটিকৰ স্তম্ভত কোনে শব্দ কৰিলে আৰু কি কাৰণে এনে ভীষণ শব্দৰ সৃষ্টি হ'ল-তাকে শুনি দৈত্যেন্দ্ৰৰ ধাতু যেন আকাশলৈ উৰা মাৰিলে। ভক্ত প্ৰহ্লাদৰ কথাৰ সত্যতা প্ৰমাণ কৰিবলৈ প্ৰভু ভগৱন্ত স্তম্ভতে প্ৰকাশ পালে।

৪০১ সিংহও নহয়, মানুহো নহয় - এনে অদ্ভুত ৰূপ দেখি দৈত্যপতি নিচ্চুপ হৈ ৰ'ল। ভগৱন্ত বিষ্ণুৱে নৰ-সিংহ ৰূপে ঘোৰ মূৰ্ত্তি ধাৰণ কৰি ব্যক্ত হোৱাত সমস্ত দানৱে মহাত্ৰাসত কঁপিবলৈ ধৰিলে।

৪০২ নৰ-সিংহৰ দুই চক্ষু অগ্নি দগ্ধ সুবৰ্ণৰ দৰে তিৰ্‌বিৰাই জিলিকি উঠিল, শৰীৰ পৰ্ব্বতৰ সমান উচ্চ, যেন স্বৰ্গ চুইহে আছে। চন্দ্ৰমাৰ শুক্ল বৰণৰ দৰে শৰীৰৰ নোমবোৰ আৰু দুয়োখন কাণ উৰ্দ্ধলৈ উঠি আছে।

৪০৩ মুখখন মেলি দিয়াৰ লগে লগে পৰ্ব্বতৰ গহ্বৰৰ দৰে দেখা গ'ল আৰু মুখ-গহ্বৰৰ পৰা প্ৰচণ্ড বতাহ যেন বলৈ ধৰিলে। সূৰ্যৰ ৰশ্মিৰ দৰে কেশ গুচ্ছ ডিঙিত ওলমি পৰিল আৰু মুখমণ্ডল ভ্ৰূকুটি কুটিল আৰু তাতে বিকট দন্তসমূহ জিলিকি উঠিল।

৪০৪ তীক্ষ্ণ ধাৰযুক্ত খুৰৰদৰে জিভাখন লহ্‌লহ্ কৰিবলৈ ধৰিলে। বাহু যুগলত যেন শ শ জোঙা নখে চমৎকাৰ ৰূপ ধাৰণ কৰিলে। বুকুখন আহল-বহল, ডিঙি দীঘল, টিকাৰফালে ক্ষীণ। দাঁত সিঞ্ৰাই জিভামেলি থকা নৰসিংহৰ ৰূপ অতি ভয়াবহ আৰু চমৎকাৰ।

৪০৫ এনে ৰূপ দেখি মনতে ভাবিবলৈ ধৰিলে - ঠিক বিষ্ণুৱেই মায়া কৰি মোক বধিবলৈ আহিছে। মনলৈ ভয় আৰু অনুশোচনা আহিলেও দৈত্যেন্দ্ৰই গদা ধৰি নৰসিংহলৈ শক্তিশালী হাতীৰ দৰে আগবাঢ়ি গ'ল।

৪০৬ নৃসিংহৰ অতিকায় অবয়ৱৰ ওচৰত দৈত্যেন্দ্ৰক দেখিবলৈ নাই যেন লাগিল। প্ৰচণ্ড অগ্নিত পতঙ্গই মৰিবলৈ যোৱাৰ দৰে দৈত্যেন্দ্ৰও নৃসিংহ অগ্নিত জাহ যাবলৈ যেন আগবাঢ়ি গ'ল। দুষ্ট দানৱে সুবিধা বিচাৰি নৃসিংহক গদাৰে তীব্ৰভাৱে প্ৰহাৰ কৰিলে।

৪০৭ নৰ-সিংহই গা কাতি কৰি প্ৰহাৰৰ পৰা নিজকে ৰক্ষা কৰিলে। দৈত্যেন্দ্ৰই পতঙ্গৰ দৰে নৰসিংহৰ কাষে কাষে ঘূৰি ফুৰিবলৈ ধৰিলে। নৃসিংহই হাত মেলি গদাৰ সহিতে দৈত্যপতিক ধৰি পেলালে, যেন গৰুড় পক্ষীৰ গৰাহত সৰ্পহে পৰিল।

৪০৮ দৈত্যয়ো আৰিমৰি কৰি নৃসিংহৰ হাতৰ পৰা এৰাই আহিল, অৱশ্যে নৰসিংহই তাক ধেমালি কৰিবলৈহে এৰি দিছিল। ইয়াকে দেখি দেৱতাসকলে অত্যন্ত দুঃখ পালে। কিয়নো ই জীৱিত থাকিলে আমাৰ দুঃখ-দুৰ্গতিৰ অন্ত নহ'ব।

৪০৯ দৈত্যপতিয়ে ক'লে- মই মোৰ বলেৰে নৰসিংহৰ গৰ্ব্ব খৰ্ব্ব কৰিলো (কটালিলো)। এতিয়া ক'ত যাবা, তোক দুচেও কৰিহে এৰিম বুলি খাণ্ডাবাৰু ধৰি পক্ষীৰ দৰে বিজুলি সঞ্চাৰে জপিয়াই পৰিল।

৪১০ আৰ্তনাদ কৰি তলে ওপৰে ঘূৰিবলৈ ধৰিলে, ঢালৰ মাজত শৰীৰ যেন লুকাই গৈছে, ছিদ্ৰ বিচাৰি প্ৰহাৰ কৰিবলৈ অসুৰে প্ৰাণপণে চেষ্টা কৰিছে। এই কাহিনী শুনি হৰি হৰি বোলা উচিত; কিয়নো হৰি উচ্চাৰণে পাপ নিৰ্ম্মূল হয়।

অষ্টাদশ কীৰ্ত্তন

ঘোষা হৰি, ৰাম, মুকুন্দ, মুৰাৰি ভগৱানৰ নাম বিশেষ। হৰিয়ে তাপ হৰণ কৰে, ৰাম নামে সংসাৰ তৰায়, মুকুন্দ নামে মুক্তি দিয়ে আৰু মুৰাৰি নামে অশুভ শক্তিক দমন কৰে অৰ্থাৎ এই চাৰি নামে জীৱৰ গতি অৰ্থাৎ মুক্তি আনে। কৃষ্ণই কৃপা কৰে, প্ৰভু ৰঘুপতিয়ে জীৱক আনন্দ দিয়ে বাবে তোমাক প্ৰাৰ্থনা কৰোঁ। ৩৪।।

পদ ৪১১ দানৱে নৃসিংহক প্ৰহাৰ কৰিবলৈ ছিদ্ৰ বিচাৰি ফুৰা দেখি নৰসিংহই খণ্ডত শিৰ কঁপাই, কেশৰ থিয় কৰি উচ্চস্বৰে হাঁকিবলৈ ধৰিলে।

৪১২ নৃসিংহৰ মাতে স্বৰ্গকো ভেদিলে, বেগেৰে থাপ মাৰি (চাম্প দিয়া) নৃসিংহই ওপৰতে দৈত্যক ধৰি পেলালে আৰু দৈত্যৰ মাত নাইকীয়া হ'ল।

৪১৩ সৰ্পই ইন্দুৰ ধৰাৰ নিচিনাকৈ দৈত্যক ধৰাত দৈত্যৰ মাতবোল নোহোৱা হ'ল। দেৱ কৰ্ম্ম সাধনৰ বাবে নৃসিংহই তাক দুৱাৰৰ বাহিৰলৈ আনিলে।

৪১৪ চিত খুৱাই কৰঙনৰ ওপৰত থৈ নখেৰে নৰসিংহই তাৰ বুকু ফালি পেলালে। গৰুড়ে সৰ্পক ভৰিৰে গচকি, ঠোঁটেৰে ছিঁৰি পেলোৱাৰ দৰে নৰসিংহয়ো দৈত্যক তেনে গতি কৰিলে।

৪১৫ নৰসিংহই চক্ষু পকাই, জিভাৰে কোৱাৰি চেলেকিবলৈ ধৰিলে আৰু নৃসিংহৰ সমস্ত শৰীৰ তেজেৰে ৰঙা হ'ল আৰু দৈত্যপতিৰ নাড়ী মূৰত মেৰিয়াই ললে।

৪১৬ দৈতেন্দ্ৰৰ মৃত্যুৰ খবৰ দৈত্যৰ দূতে জনোৱাৰ লগে লগে দানৱসকলে অস্ত্ৰ-শস্ত্ৰ লৈ যুদ্ধ কৰিবলৈ সাজু হ'ল। নৃসিংহই দানৱগণক খেদি গ'ল।

৪১৭ কোনোবাটোক নখেৰে ছিৰি, কোনোবাটোক মূৰ ছিঙি, কোনোবাটোক গোৰ মাৰি, ঘৰাকাতি মাৰি - দানৱসকলক সংহাৰ কৰিলে।

৪১৮ দৈত্যসকলক নিৰ্য্যনি কৰি নৰসিংহই চিঞৰি উঠিল আৰু এই শব্দত দিগ্‌গজ সকলেও ভয়ত ত্ৰাহি হৰি মানিলে। নৃসিংহৰ শিৰৰ কেশৰৰ জোকাৰণিত স্বৰ্গৰ বিমানবোৰ ছিন্ন-ভিন্ন হৈ পৰিল।

৪১৯ শ্বাশ্বত- সাগৰৰ পানী খলকি উঠিল, শ্বাসৰ বেগত পৰ্ব্বত ভাগি গ'ল, নৃসিংহৰ চৰণৰ ভিৰত বসুমতী টলমল কৰিবলৈ ধৰিলে।

৪২০ চক্ষুৰ তীব্ৰ ৰশ্মিত সমস্ত নক্ষত্ৰ নিষ্প্ৰভ হৈ পৰিল। হিৰণ্যকশিপুৰ

ৰাজসিংহাসনত নৃসিংহই আৰোহণ কৰিলে।

৪২১ নৰসিংহৰ লগত যুঁজ কৰিবলৈ কোনো বীৰ নোলোৱাত ক্ৰোধমনে থকাত ত্ৰি-ত্ৰৈলোক্যৰ ভয় হ'ল। জানোচা আজি মহাপ্ৰলয় আসন্ন হৈছে।

৪২২ হিৰণ্যৰ মৃত্যুৰ বাতৰি পাই দেৱতাগণৰ বিমানসমূহ নামি আহিল, দেৱ দুন্দুভি বাজি উঠিল।

৪২৩ দেৱাঙ্গনাসকলে আনন্দত উত্ৰাৱল হৈ পুষ্প বৃষ্টি কৰিলে, গন্ধৰ্ব্বসকলে গীত গালে আৰু বিদ্যাধৰসকলে মৃদঙ্গ বজালে।

৪২৪ অপেস্বৰাসকলে নৃত্য কৰিলে, দেৱগণ কৃত-কৃত্য হ'ল। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে সব নৰক হৰি হৰি উচ্চাৰণ কৰিবলৈ কৈছে।

উনবিংশ কীৰ্ত্তন

ঘোষা হৰি, মাধৱ, মধুৰিপু, মুৰাৰি, ৰাম - ভগৱন্তৰ কৃষ্ণৰে নাম। হৰিয়েই নাৰায়ণ, লক্ষ্মীপতি বিষ্ণুৰেই মাধৱ, মধুদৈত্য মৰ্দ্দনকাৰী বিষ্ণুৰেই মধুৰিপু, মুৰদৈত্য বিনাশী মুৰাৰি, ৰামেই কৃষ্ণ আৰু সেই কৃষ্ণৰ চৰণত পৰি পৰি প্ৰণতি জনাওঁ ৷৩৫ ৷৷

পদ ৪২৫ ইয়াৰ পাছত ব্ৰহ্মা, ৰুদ্ৰাদি দেৱগণে শিৰত কৃতাঞ্জলি কৰি তালৈ আহিল। বৈকুণ্ঠৰ পৰা পাৰিষদগণো আহি প্ৰৱেশ কৰি চৌপাশে ৰ'ল।

৪২৬ প্ৰথমে ব্ৰহ্মাই স্তুতি কৰিবলৈ ধৰিলে। ব্ৰহ্মাই ক'লে - হে অনন্ত শক্তি সম্পন্ন ভগবান, তোমাৰ শক্তি দুৰন্ত। লীলা কৰি তুমি জগত সংহাৰ আৰু পুনৰ সৃষ্টি কৰা আৰু পালন কৰা।

৪২৭ তোমাৰ বীৰ্য্য, পৰাক্ৰম জানিব নোৱাৰি। ব্ৰহ্মাই এইদৰে স্তুতি কৰি ৰৈ গ'ল। ইয়াৰ পাছতে শঙ্কৰে স্তুতি আৰম্ভ কৰিলে। শঙ্কৰে ক'লে - হে প্ৰভু, তুমি তোমাৰ মানত এই অসুৰ অল্প প্ৰাণীহে।

৪২৮ তোমাৰ খণ্ডত ব্ৰহ্মাণ্ড ধ্বংস হয়। ভক্ত প্ৰহ্লাদক পালনৰ কাৰণেহে তুমি এই কাৰ্য কৰিছা। ৰুদ্ৰই স্তুতি কৰি মৌন হোৱাৰ লগে লগে ইন্দ্ৰই স্তুতি কৰিবলৈ ধৰিলে।

৪২৯ হে প্ৰভু, দৈত্যই আমাৰ হৃদয়ত আক্ৰমণ কৰিলে- সপোন আৰু দিঠকতো আমি কেৱল দৈত্যময় দেখিছোঁ। দৈত্যক বধ কৰি আমাৰ দুখ-দুৰ্গতি দুৰ কৰিলা, তোমাক ভক্তি নকৰি কোনো থাকিব নোৱাৰে।

৪৩০ ঋষিসকলেও নৰসিংহক স্তুতি-মিনতি কৰিলে। তেওঁলোকে ক'লে- দৈত্যই আমাৰ তপভঙ্গ কৰিলে। ই পৰম পাতকী, তাক বধি আমাৰ মনোবাঞ্ছা পূৰণ কৰিলা আৰু ধৰ্ম্ম সংস্থাপন কৰিলা।

৪৩১ পিতৃগণেও নৃসিংহক স্তুতি কৰি ক'লে - পুত্ৰগণে শ্ৰাদ্ধ কৰি আমাক যি উৎসৰ্গা কৰে— দৈত্যই তাক ভুঞ্জে। গতিকে তাক বধি উত্তম কাম কৰিলা।

৪৩২ নাগসকলেও স্তুতিৰে ব্যক্ত কৰিলে - আমাৰ সুন্দৰী নাৰীসকলক ই কাঢ়ি আনিছিল, তাক মাৰি মহান কৰ্ম্ম সাধন কৰিলা। ভকতৰ ভয়হাৰী তোমাক প্ৰণাম কৰোঁ।

৪৩৩ বৈতালিকগণে (প্ৰশস্তি গায়ক) ক'লে- দেৱৰ সভাত তোমাৰ গুণ-গান

কৰি ফুৰোতে ই আমাক বাধা প্ৰদান কৰিছিল, তাক বধি আমাৰ মহৎ উপকাৰ সাধিলা।

৪৩৪ পাৰিষদসকলে ক'লে- তোমাৰ চৰণত নমস্কাৰ কৰোঁ। তোমাৰ এই নৃসিংহ ৰূপ আজিহে দেখা পালো। ই তোমাৰ ভৃত্যই আছিল; শাপভ্ৰষ্ট হৈহে দৈত্য জনম পালে। ইয়াক মাৰি দয়াহে কৰিলা।

৪৩৫ এইদৰে অন্যান্য দেৱেও স্তুতি কৰিলে। এই কথা-কাহিনী – নাৰদে যুধিষ্ঠিৰৰ আগত কৈছিল। ইমান তুতি-মিনতিতো নৃসিংহৰ মহাক্ৰোধ দূৰ নোহোৱাত দেৱগণে লক্ষ্মীক প্ৰবোধ দিবলৈ অনুৰোধ কৰিলে।

৪৩৬ হে জগতৰ মাৱ, স্বামীৰ খং দূৰ কৰক। লক্ষ্মীদেৱীয়ে তেতিয়া নৃসিংহৰ মহাক্ৰোধী ভয়ঙ্কৰ ৰূপ দেখি ভয়ত চকু মুদি ঘূৰি আহিল।

৪৩৭ ব্ৰহ্মাই তেতিয়া নৃসিংহৰ খং উপশমৰ বাবে প্ৰহ্লাদক ক'লে - তই পৰম ভকত আৰু হিৰণ্যৰ পুত্ৰ। পাপ নাশ কৰিবলৈ হৰি হৰি বুলিবলৈ লিখকে কৈছে।

বিংশ কীৰ্ত্তন

ঘোষা হে হৰি ৰাম, নাৰায়ন, তুমি যাদৱ কুলৰ আনন্দ স্বৰূপ, মোৰ মায়া দূৰ কৰা প্ৰভু– বিষয়-সংসাৰ ব্যাধি স্বৰূপ, ইয়াৰ ঔষধ তোমাৰ ওচৰতহে আছে। সেয়ে তোমাৰ ভক্তি-অমিয়াৰ কাষ চাপিছো, অঘটন- ঘটন-পটিয়সী মায়াৰ কবলৰ পৰা মোক ৰক্ষা কৰা। ৩৬।।

পদ ৪৩৮ ব্ৰহ্মাৰ আজ্ঞা শিৰত লৈ ধীৰে ধীৰে আগবাঢ়ি গৈ শিৰত কৃতাঞ্জলি কৰি বিষ্ণুৰূপী নৃসিংহক প্ৰণাম জনালে ভূমিত পৰি। চৰণত প্ৰহ্লাদক পৰি থকা দেখি নৃসিংহই হাঁহি মাৰিলে, স্নেহত চকুৰ লোতক বাগৰি আহিল, হাতেৰে প্ৰহ্লাদক দাঙি ধৰিলে।

৪৩৯ ভগৱন্তৰ পদুম পত্ৰৰ নিচিনা হাতে প্ৰহ্লাদৰ মূৰ স্পৰ্শ কৰিলে আৰু নিৰ্ভয়দান কৰিলে। তাকে দেখি প্ৰহ্লাদৰ সৰ্ব শৰীৰতে ৰোমাঞ্চৰ সৃষ্টি হ'ল আৰু আনন্দত হৃদয় গলি গ'ল। আনন্দত আনন্দাশ্ৰু ওলাল আৰু ভগৱানৰ চৰণত হৃদয়-মন স্থাপিত হ'ল। দুয়োহাতে যুৰি গদ্‌গদ্ স্বৰে তুতি আৰম্ভ কৰিলে।

৪৪০ ব্ৰহ্মা, সিদ্ধমুনিগণেও তোমাৰ চৰণ পূজিব নেজানে, মই অসুৰ জনম লৈ কেনেকৈ তোমাক পূজিম? ধন, জন, তপৰ প্ৰভাৱেৰে তোমাক পূজা কৰাৰ শকতি মোৰ নাই। গজেন্দ্ৰই কেৱল ভকতি কৰিয়েই পৰমপদ লাভ কৰিলে। আপদৰ সময়ত তুমিয়েহে উদ্ধাৰ কৰা।

৪৪১ যিজন চাণ্ডালে কায়-বাক্য-মনে তোমাক সোঁৱৰণ কৰে ব্ৰাহ্মণৰ বাৰব্ৰত আচৰণ ফলতকৈ শ্ৰেষ্ঠ ফল লাভ কৰে। মহাগৰ্ব্বী ব্ৰাহ্মণে নিজকে পৱিত্ৰ কৰিব নোৱাৰে, কিন্তু চাণ্ডালে ভকতিৰ যোগে নিজক পৱিত্ৰ কৰিব কৰাৰ ওপৰিও নিজৰ কোটি পুৰুষ উদ্ধাৰ কৰিব পাৰে।

৪৪২ তুমি জগতৰ সকলো জীৱৰে প্ৰাণ, তোমাক পূজিলে জীৱ তোমাতে লীন যাব পাৰে। আৰ্চিত নিজৰ স্বৰূপ দেখাৰ দৰে নিজ আত্মাক জানিলে তোমাক জানিব পাৰে। এই তত্ত্বজ্ঞান পাই মোৰ শক্তি অনুসৰি তোমাৰ চৰণত ভজিলো। ব্ৰহ্মাকে আদি কৰি দেৱগণে তোমাৰ ক্ৰোধ দেখি ত্ৰস্তমান হৈ পৰিছে বাবে এই ক্ৰোধ এৰি পেলাওক।

৪৪৩ হে প্ৰভু, তোমাৰ ভয়ঙ্কৰ কোপ দেখি মোৰ ভয় লগা নাই, ভয় লাগিছে সংসাৰ চক্ৰত পৰি দুঃখ, কষ্ট, নিকাৰ ভোগ কৰা জীৱ কুলক দেখিহে।

তোমাৰ চৰণৰ শীতল ছায়াত মোক কাহানিকৈ ঠাই দিবা। কি উপায়েৰেনো সংসাৰৰ নির্মম দুঃখ-শোকৰ পৰা অব্যাহতি পাওঁ - তাক কওক প্ৰভু।

৪৪৪ তোমাৰ পদ্মসদৃশ হস্ত মোৰ মূৰত দিয়াত মই মহানন্দ লাভ কৰিলোঁ। ব্ৰহ্মা, লক্ষ্মীদেৱী, হৰ আদিয়েও তেনে মৰমৰ স্পৰ্শ লাভ কৰিবলৈ পোৱা নাই। সমস্ত প্ৰাণীৰ হৃদয়ত তুমি আত্মাৰূপে, পৰম গুৰুৰূপে নিবাস কৰি আছা। যি যেনেদৰে সেৱা কৰিছে সেই অনুক্ৰমে কল্পতৰুৱে দান কৰাৰ দৰে তুমিও জীৱক দয়া কৰি আছা।

৪৪৫ কি মতেনো তোমাক ভকতি কৰিম বুজিব নোৱাৰোঁ, কাৰণ দেহস্থ পঞ্চ জ্ঞানেন্দ্রিয়ই ভকতিৰ পথত বাধা দিয়ে। এজন গৃহস্থৰ বহুপত্নী থাকিলে সকলোৱেই নিজ স্বাৰ্থ পৰিপূৰণৰ বাবে গৃহস্থজনক আকুল কৰাৰ দৰে ইন্দ্ৰিয় বৰ্গই পত্নীৰদৰে কৰ্ম্ম কৰাৰ বাবে ভকতিৰ অন্তৰায় হয়। সংসাৰ সাগৰত আবদ্ধ মই – শোক-মোহ ভয়ে জ্বলা-কলা কৰি ৰাখিছে। সেয়ে তোমাৰ চৰণত শৰণাগত হৈছোঁ, মোক কৃপা কৰা।

৪৪৬ এই বিধে বিধে স্তুতি কৰি প্ৰহ্লাদে নৰসিংহৰ চৰণত পৰি থাকিল। নৰসিংহই প্ৰসন্ন হৈ ক্ৰোধ সম্বৰণ কৰে আৰু হাঁহি মাৰি প্ৰহ্লাদক চাই ক'বলৈ ধৰিলে। ত্ৰিজগতৰ পতিক হৰি হৰি বুলি সংসাৰ সাগৰৰ পৰা উদ্ধাৰ হৈ বৈকুণ্ঠগামী হ'বলৈ গুৰুজনাই আহ্বান জনাইছে।

একবিংশ কীৰ্ত্তন

ঘোষা হে স্বামী ৰাম, এইবাৰৰ জন্মত তোমাৰ চৰণ কমল কেতিয়াও নেৰোঁ। সংসাৰ নিকাৰ জন্মে-জন্মান্তৰে ভূগি ভূগি আমনি পাইছো, সংসাৰ নিকাৰ দুৰ কৰি মোক উদ্ধাৰ কৰা প্ৰভু। ৩৭।।

পদ ৪৪৭ প্ৰহ্লাদ উঠা উঠা, তোৰ ভক্তিত মই তুষ্ট হ'লো। মোৰ দৰ্শন লাভ কৰিলা যেতিয়া তোমাৰ লাভ হ'বই; গতিকে মনোমত বৰ লোৱা।

৪৪৮ মোক দৰ্শন পোৱাজনে পুনৰ জন্ম লব লগা নহয়। মই ভকতৰ মনোৰথ পূৰ্ণ কৰোঁ আৰু ভকতৰ ধৰ্ম্ম-অৰ্থ-কাম-মোক্ষ দান কৰোঁ।

৪৪৯ এই বুলি প্ৰহ্লাদক বৰ লবলৈ প্ৰলোভিত কৰে, কিন্তু প্ৰহ্লাদে তাক বাঞ্ছা নকৰে। ভক্তিহে পৰম লাভ জানি প্ৰহ্লাদে বিষ্ণুক হাঁহি মুখে ক'লে–

৪৫০ হে প্ৰভু, মোক পৰীক্ষা কৰিবলৈহে এনেদৰে কৈছা। তোমাক ভক্তি কৰি তাৰ ফল কামনা কৰা ভৃত্য মই নহওঁ।

৪৫১ মই তোমাৰ কামনাহীন ভক্ত আৰু তুমি মোৰ নিষ্কাম ঈশ্বৰ। ৰাজকৰ্ম্মচাৰীয়ে ৰজাৰ কাম কৰি দিয়াৰ দৰে ময়ো ভগৱন্তৰ ভক্তি কৰাহে মোৰ কৰ্ত্তব্য।

৪৫২ নৰসিংহই হাঁহি ক'লে– তুমি যে একান্ত ভকত মই তাক জানো, তথাপিও এই মন্বন্তৰ দৈত্যৰ ঈশ্বৰ বা ৰজা হৈ থাকা।

৪৫৩ মোৰ কথা সদায় শুনিবা, মোৰ ৰূপ হৃদয়ত চিন্তিবা,কীৰ্ত্তন কৰি পাপসমূহ বিনাশ কৰিবা আৰু ভোগ ভূঞ্জি পুণ্যসমূহ ক্ষয় কৰিবা।

৪৫৪ তোৰ যশ জগতত বিয়পিব, ৰাত্ৰি-দিনে মোক সোঁৱৰণ কৰি কৰি সৰ্ব্ব কৰ্ম্মবন্ধ ক্ষয় হৈ সৰ্বশেষত মোতে লীন যাবা।

৪৫৫ তোৰ আৰু মোৰ কাহিনী যিজনে শুনে আৰু আমাৰ দুয়োকে যি সময় মতে সোঁৱৰণ কৰে, সেইজনেও মোক লাভ কৰিব। তেতিয়া প্ৰহ্লাদে ক'লে–

৪৫৬ তোমাৰ চৰণত এটি বৰ মাগো, কাৰণ তুমি জগতৰ ঈশ্বৰ। তোমাক মোৰ পিতৃয়ে নিন্দা কৰিলে বাবে পিতৃৰ মহা পাপ হ'ল।

৪৫৭ সেয়ে পিতৃ যেন নিস্তাৰ হয়, এই অনুগ্ৰহ মোক কৰা। তুমি দুখীয়াৰ প্ৰতি দয়ালু, তোমাৰ চৰণত সেৱা জনাওঁ।

৪৫৮ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে কৈছে- কোনোদিনে নৰে কীৰ্ত্তন এৰিব নালাগে। আজি বা কাইলৈ মৰণ মিলিব পাৰে বাবে হৰি হৰি বোলা উচিত।

দ্বাবিংশ কীৰ্ত্তন

ঘোষা হে হৰি তোমাক নমস্কাৰ কৰোঁ। তুমি দামোদৰ,যাদবানন্দ তোমাৰ ওচৰত মোৰ দুঃখ কিমান জনাম? এই জন্মত ভক্তি কৰিব নোৱাৰিলো। মনুষ্য জন্ম লাভ কৰি ঈশ্বৰ ভকতি কৰিব লাগিছিল। ৩৮।।

পদ ৪৫৯ নৃসিংহই প্ৰহ্লাদক হাঁহি হাঁহি ক'লে– হেৰ' প্ৰহ্লাদ শুন, তোক এই অনুগ্ৰহ কৰাৰ প্ৰয়োজনেই নাই। তোৰ নিচিনা পৰম বৈষ্ণৱ পুত্ৰই একৈশ পুৰুষ উদ্ধাৰ কৰে (পূৰ্ব্বৰ ১৪ আৰু পৰবৰ্ত্তী ৭ পুৰুষ)।

৪৬০ য'ত মোৰ উদাৰ চৰিত্ৰৰ ভক্ত থাকে,সেই ঠাইত থকা কীট-পতঙ্গও পৱিত্ৰ হয়।মোৰ ভকতে প্ৰাণী হিংসা নকৰে, কোনো স্পৃহাও নাথাকে। আনকি নিজৰ দেহো মোত অৰ্পণ কৰে।

৪৬১ ভকতৰ ভিতৰত তয়ে শ্ৰেষ্ঠ বাঞ্ছা-সিদ্ধি লভিলি। পিতৃৰ প্ৰেত-কাৰ্য বিধি অনুসৰি সমাধা কৰ আৰু মোতে চিত দি সৰ্ব্বকৰ্ম্ম সম্পন্ন কৰিবি আনন্দ মনেৰে; তেতিয়া সংসাৰৰ কোনো দোষে তোক স্পৰ্শ কৰিব নোৱাৰে।

৪৬২ নৃসিংহৰ আদেশ মতে প্ৰহ্লাদে পিতৃৰ প্ৰেত কাৰ্য সম্পন্ন কৰিলে। ইফালেব্ৰহ্মাই দেখিলে যে নৃসিংহ প্ৰসন্ন হৈছে আৰু দেৱগণক লগত লৈ নৃসিংহক ক'লে–

৪৬৩ হে জগন্নাথ, নমস্কাৰ কৰোঁ, পাপীষ্ঠক বধি আমাৰ মহৎ উপকাৰ কৰিলা। মোৰ পৰা বৰ লৈ সি কাকো গণ্য নকৰা হ'ল আৰু সমস্ত জগতৰ দ্ৰোহ আচৰণ কৰিলে।

৪৬৪ তাৰে পুত্ৰ মহাবৈষ্ণৱ প্ৰহ্লাদে তোমাৰ ক্ৰোধ উপশম কৰিলে।নৃসিংহই ক'লে- ভৱিষ্যতে দৈত্যক এনে বৰ নিদিবা।

৪৬৫ দুৰ্জ্জন দৈত্য স্বভাৱতে অত্যাচাৰী আৰু একো নগণে। দুগ্ধপানে সৰ্পৰ বিষবঢ়াৰ দৰে উৎপতীয়া দৈত্যই বৰ পাই অতপালি কৰিবই – বুলি কৈয়েই নৰসিংহ অন্তৰ্ধান হ'ল আৰু প্ৰহ্লাদে দেৱগণক মান-সৎকাৰ কৰিলে।

৪৬৬ সৰ্ব্ব প্ৰথমে প্ৰহ্লাদে ব্ৰহ্মাক, তাৰ পাচত শঙ্কৰক প্ৰণাম কৰিলে। বিষ্ণুঅংশী অন্যান্য দেৱকো একেলগে প্ৰণাম কৰিলে।

৪৬৭ ইয়াৰ পাছত গুৰু শুক্ৰাচাৰ্যসহ মুনিগণক লগত লৈ প্ৰহ্লাদৰ ৰাজ্য অভিষেক

সম্পন্ন কৰিলে আৰু পিতৃৰ অধিকাৰসমূহো প্ৰদান কৰিলে।

৪৬৮ প্ৰহ্লাদ দৈত্য-দানৱৰ ৰজা হ'ল, দেৱগণে আশীৰ্বাদ দি স্বৰ্গ গমন কৰিলে। শুকমুনিয়ে পৰীক্ষিতক ক'লে – তোমাক প্ৰহ্লাদ চৰিত্ৰৰ বিষয়ে ক'লো।

৪৬৯ এই কাহিনী নৃসিংহৰ–লীলা আৰু দৈত্যেন্দ্ৰৰ বধ, প্ৰহ্লাদৰ পুণ্য কথাৰে ভৰপূৰ; ইয়াক যি নৰে শুনে তাৰ মৃত্যু ভয় নাথাকে আৰু সংসাৰৰ কৰ্ম্ম পাশো ছিগে।

৪৭০ কৃষ্ণৰ দাস শঙ্কৰে কৈছে-হে লোক, কীৰ্ত্তনত বাহিৰে আন ধৰ্ম্ম নাই। বৈকুণ্ঠলৈ যাবলৈ হ'লে -নিৰন্তৰে হৰি হৰি বুলিবা।

৪৭১ সংসাৰৰ কাৰণৰো কাৰণ নাৰায়ণৰ জয় হওঁক, যি নাৰায়ণক যোগীসকলেও চৰণত সেৱা জনায়। যাৰ মায়াৰ গতি কোনেও পাৰ নাপায়-সেই হৰিৰ চৰণত মই সেৱা জনালোঁ।

৪৭২ হৰি পদযুগলত এক মনেৰে ধৰি– কৃষ্ণৰ কীৰ্তন সকলোৱে কৰক, হৰি চৰণৰ বিনে গতি নাই। প্ৰহ্লাদ চৰিত্ৰত ইয়াকে বৰ্ণনা কৰা হৈছে।

প্ৰহ্লাদ চৰিত সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

সপ্তম খণ্ড

গজেন্দ্ৰ উপাখ্যান

প্ৰথম কীৰ্ত্তন

ঘোষা হে ৰাম, হে ৰাম, হে ৰাম,হে হৰি, হে ৰাম, হে ৰাম।
(ৰাম আৰু হৰি ভগৱন্তৰ মহিমাসূচক নাম কীৰ্ত্তন কৰিছো। ৰাম আৰু হৰি নাম অভেদ আৰু এই নামত শৰণ লৈছো।)

পদ ৪৭৩ ৰজা বিষ্ণুৰাত (পৰীক্ষিত) ক মহামুনি শুকে সাদৰি ক'বলৈ ধৰিলে– হে কুলৰ নন্দন, মাধৱৰ গুণসমূহ অতি মধুৰ, ইয়াক শ্ৰৱণ কৰিলে পাপৰ প্ৰলয় হয়, গতিকে সাৱধানে শুনা।

৪৭৪ সপ্ত সাগৰৰ ভিতৰত ক্ষীৰ সাগৰ অতি পবিত্ৰ। ইয়াৰ মাধ্যভাগতে ত্ৰিকুট পৰ্ব্বত অৱস্থিত। স্বৰ্গ-মৰ্ত্য-পাতালত এই সাগৰ প্ৰখ্যাত। সোণ-ৰূপেৰে আৰু লোৰে তিনিটি ইয়াৰ শৃঙ্গ আছে আৰু ইয়াৰ উজ্জ্বলতাই (বিৰিঙ্গ) চকু চাট মাৰি ধৰে।

৪৭৫ ইয়াৰ অন্যান্য শৃঙ্গবোৰো নানা ৰত্নে চিক্‌মিকাই আছে। এই পৰ্ব্বত ধবল আৰু দশোদিশে প্ৰকাশমান হৈ আছে। ত্ৰিকুট পব্বৰ্ত অযুত যোজন জুৰি জিলিকি আছে আৰু দহ হাজাৰ প্ৰহৰৰ পথজুৰি ওখ হৈ আছে।

৪৭৬ ক্ষীৰ সাগৰৰ ঢৌৱে ইয়াৰ চাৰিওদিশে উথলি উঠে আৰু স্নিগ্ধ শীতল জলে পৰ্ব্বতটিক ধুৱাই ৰাখিছে। পৰ্ব্বতৰ ঠায়ে ঠায়ে উদ্যান ভূমি বিৰাজমান আৰু তাত নানা পুষ্পৰাজি ফুলি জক্‌মক্ কৰি থকাৰ ওপৰিও গন্ধে আমোলমোলাই আছে।

৪৭৭ তাত নদ-নদী সৰোবৰ আছে, তাৰ জল নিৰ্ম্মল আৰু চাবলগীয়া। বিদ্যাধৰী সকলে সেই জলত নামি স্নান কৰে, শৰীৰ পখালে আৰু সুগন্ধ লয়।

৪৭৮ তাত সদায়ে সুগন্ধ নিৰ্গত হয়, বায়ুৱে সেই সুগন্ধ দশোদিশে কঢ়িয়াই

নিয়ে। উপবনসমূহত বিভিন্ন ৰুচিকৰ তৰুৱে সুশোভিত কৰি ৰাখিছে। তাত সদায়ে দেৱ, দিব্য অঙ্গনাই খেলা-ধূলা কৰে।

৪৭৯ শাল, তাল, তমাল, পাৰিজাত, মন্দাৰ, চম্পক, অশোক আদি অন্যান্য পুষ্পৰাজিৰে ভৰা ত্ৰিকূট পৰ্ব্বত। আম, জাম, নেমু, জৰা, জামীৰ, খাজুৰী,বেল, তাম্বুল, পাকড়িৰে ভৰপূৰ হৈ তাত ফলমূলসমূহ বিৰাজ কৰিছে।

৪৮০ অগৰু, পদ্ম, সৰল, সোণাৰু আদি অন্যান্য কল্পতৰুসমূহ তাত বিৰাজিত হৈ আছে। একে সময়তে তাত ছয় ঋতুৰ সমাৱেশ ঘটি নৱ বসন্তৰ সৃষ্টি কৰিছে। ভ্ৰমৰগণে গুঞ্জন কৰে; কুলি কেতেকীয়ে পঞ্চমত সুৰ তুলি মাতে।

৪৮১ মলয়া বতাহে মৃদুমন্দ গতিৰে প্ৰবাহিত হৈ মনত আমোদৰ উদ্ৰেক কৰে। অপেস্বৰাগণে নৃত্য-গীতেৰে তাত আনন্দৰ হিল্লোল তোলে। গন্ধৰ্ব্ব আৰু কিন্নৰে হৰিগুণ-গীত গাই আনন্দৰ শিহৰণ তোলে। এই কথা শুনি হৰি হৰি বুলি আনন্দ কৰা আৰু তেতিয়া পাপৰাশি নিচ্ছিন্ন হ'ব।

দ্বিতীয় কীৰ্ত্তন

ঘোষা কৃষ্ণ ভক্তই ভগৱন্ত কৃষ্ণক প্ৰাৰ্থনা জনায়, কাকুতি কৰে— ৰাম, দামোদৰ, হৰি উচ্চাৰণ কৰি । (ৰাম, দামোদৰ নামে জীৱৰ দুঃখ হৰণ কৰে।) ৪০।।

পদ ৪৮২ ত্রিকুট পৰ্ব্বতৰ বনৰাজিৰ উপমা নাই, এনে বিতোপন বনৰ নামো তুলনাবিহীন। ইয়াৰ মাজতে এখন সৰোবৰ আছে আৰু এখন বিস্তীৰ্ণ সাগৰ যেন লাগে।

৪৮৩ তাত কেঁচা সোণৰ দৰে পদুমফুল ফুলি ভৰপূৰ হৈ আছে। ভোমোৰাবোৰে তাত পৰি মধু পান কৰে। ৰাজহংস আদি পক্ষীবোৰে তাতে পৰি পৰি থাকে।

৪৮৪ ভেট, ইন্দু, উৎপল আদি ফুল বিকশিত হৈ আছে আৰু গন্ধে আমোল মোলাই আছে। তাৰ চাৰিওফালে উপবনে আগুৰি আছে আৰু তাৰ নাম কৈ শেষ কৰিব নোৱাৰি।

৪৮৫ কদম্ব, ৰঘু, নাগেশ্বৰ ফুলি জকমকাই আছে। তদুপৰি মালতী, যুতি, জাঁই আৰু পাৰিজাত আদি বৃক্ষও তাত বিৰাজমান।

৪৮৬ তাত বসন্তৰ মলয়া বতাহ বৈ থাকে, কুলিয়ে সুললিত গীত গায়। সেই ঠাইতে গজেন্দ্ৰই অন্য হস্তীগণৰ লগত বিচৰণ কৰে।

৪৮৭ সিহঁতে গছ, বেত, বাঁহ আদি ভাঙি ফুৰে। হস্তীৰ গোন্ধ পাই সিংহকে আদি কৰি পশুবোৰ পলাই যায়।

৪৮৮ তাত মদ-জলৰ ধাৰা প্ৰবাহিত হয়। ভ্ৰমৰগণে তাক সদায় সেৱন কৰে। গজেন্দ্ৰই তাত চৰি, ফুৰি, খেলি ক্লান্ত হৈ পৰিল।

৪৮৯ সূৰ্যৰ প্ৰখৰ তাপে পীড়ন কৰাত জল পান কৰিবলৈ গজেন্দ্ৰ আগবাঢ়িল। গজেন্দ্ৰৰ গম্ভীৰ গমনত পৰ্বতো লৰিল আৰু পদুমৰ গন্ধ পাই জলৰ সমীপ পালেগৈ।

৪৯০ গজেন্দ্ৰই হস্তীগণক লগত লৈ সৰোবৰত নামিল। পদুমৰ গন্ধেৰে সুৰভিত জল হেঁপাহ পলুৱাই পান কৰিলে।

৪৯১ সুগভীৰ জলত নামি গজেন্দ্ৰই বুৰ মাৰিবলৈ ধৰিলে। হস্তিনীৰ লগত জলক্ৰীড়া কৰি সূৰ্য্যৰ তাপত তাপিত দেহ উপশম ঘটালে।

৪৯২ লগৰ হস্তী-হস্তিনীগণক স্নান কৰোৱাই, পান কৰোৱাই গজেন্দ্ৰই আপ্যায়ন

কৰে আৰু পুত্ৰ-ভাৰ্য্যাকি লৈ মদমত্ত হৈ জলক্ৰীড়া কৰে।

৪৯৩ গজেন্দ্ৰই বিষয় সুখত বিভোৰ হৈ থাকিল, মৃত্যুৱে যে তেওঁক গ্ৰাস কৰিব তাৰ চিন্তাই নাই। জলত গজেন্দ্ৰই আনন্দত ক্ৰীড়া কৰি থকা অৱস্থাত গ্ৰাহে দেখিবলৈ পালে।

৪৯৪ গ্ৰাহে খঙেৰে আহি গজেন্দ্ৰৰ ভৰিত কামোৰ মাৰিলে আৰু দুয়োৰে মাজত আজুৰা-আজুৰি লাগিল। গ্ৰাহই টানি নি গজেন্দ্ৰক তল পোৰালেগৈ আৰু গজেন্দ্ৰয়ো গ্ৰাসক আজুৰি আনিবলৈ যত্ন কৰে।

৪৯৫ দুয়োৰে শৰীৰৰ সমস্ত বল প্ৰয়োগ কৰিলে আৰু প্ৰচণ্ড যুদ্ধ চলিল। এই তমোময় যুদ্ধ দেখি দেৱসবৰো ভয় লাগিল।

৪৯৬ এই যুদ্ধ অতি অসদৃশ আছিল। এই যুদ্ধ এহেজাৰ বছৰ চলিল। সমস্ত জগতে এক দৃষ্টিৰে এই যুদ্ধ চাবলৈ ধৰিলে। হে লোক, হৰি বুলি উদ্ধাৰ হোৱা।

তৃতীয় কীৰ্ত্তন

ঘোষা **কৃষ্ণ-ৰামৰ জয় হওঁক। হে জগতৰ বান্ধৱ জগবন্ধু, হে জগতৰ গৰাকী জগন্নাথ তোমাৰ জয় হওঁক। কৃষ্ণৰ চৰণকমলত মুৰ অনবৰতে দোঁ খাই থাকক। ৪১।।**

পদ ৪৯৭ শুক মুনিয়ে পৰীক্ষিতক কৈছে - গ্ৰাহ-গজেন্দ্ৰৰ অদ্ভুত কথা শুনা– আকাশত দেৱগণে এই যুদ্ধ চাবলৈ ধৰিলে, দুয়োৰে জয় পৰাজয় নাই।

৪৯৮ যুদ্ধ কৰি কৰি গজেন্দ্ৰৰ শক্তি হ্ৰাস হ'ল। গ্ৰাহই সুস্বাদু পানী খাই অধিক শক্তি সঞ্চয় কৰিলে। গজেন্দ্ৰই অৱশ হৈ যুঁজিবলৈ অক্ষম হয় আৰু হস্তিনীসকলক সহায়ৰ বাবে চিঞৰে যদিও পাৰৰ পৰা সিহঁতে চাইহে থাকিল।

৪৯৯ অন্যান্য দঁতাল হস্তীগণেও গজেন্দ্ৰক দুঃখৰ পৰা উদ্ধাৰ কৰিবলৈ নাহি মৌন হৈ চাইহে থাকিল। গজেন্দ্ৰই দেখিলে যে তেওঁৰ মৃত্যু আসন্ন আৰু নিজ ভাৰ্যা-পুত্ৰ-মিত্ৰই সহায় নকৰে।

৫০০ সঙ্কটৰ সময়ত গজেন্দ্ৰৰ সদ-বুদ্ধি উদয় হ'ল আৰু চিন্তা কৰি পালে যে মহাগৰ্ব্বে ভ্ৰমণ কৰা আৰু নিজকে জগত প্ৰখ্যাত বুলি অহঙ্কাৰ কৰি থাকোতেই গ্ৰাহে মোক লগ পালে।

৫০১ এহেজাৰ বছৰ যুদ্ধ কৰিও জয়ী হ'ব নোৱাৰিলো আৰু জানিলো যে বিধাতাৰ বিধিমতে মই অচিৰে বন্দী হ'ম আৰু মোক ৰক্ষা কৰাৰ বাবে সংসাৰত কোনো বান্ধৱ নাই। মাত্ৰ মোক পৰম বান্ধৱ মাধৱেহে ৰক্ষা কৰিব পাৰিব।

৫০২ কাল মহা বলৱন্ত, কাল ভুজঙ্গ সদৃশ, মহাকালৰ ভয়ত যোগীগণেও ভগৱন্তকৃষ্ণক সেৱা কৰে। মৃত্যুৱেও ভগৱন্ত প্ৰভুক ভয় কৰে, আনকি সূৰ্য-চন্দ্ৰয়ো নিজ পথে নিৰ্ব্বিবাদে বিচৰণ কৰে আৰু বায়ু প্ৰৱাহিত হয়। সেই ভগৱন্তত আশ্ৰয় লোৱাৰ বাহিৰে কি আছে?

৫০৩ হে জগতৰ স্বামী, তুমি অনাথ ৰক্ষা কৰোঁতা। হৰিৰ বাহিৰে তাৰণ কৰোতা নাই। ইয়াকে ভাবি মৰণক নেওচি গজেন্দ্ৰই সোণৰ পদ্ম শুড়েৰে মেৰাই ললে।

৫০৪ অতি আনন্দ মনেৰে মাধৱক চিত্তত ৰাখি গজেন্দ্ৰই ঈশ্বৰক স্তুতি কৰিবলৈ ধৰিলে। এই স্তুতি শুনিলে নৰকৰ পৰা উদ্ধাৰ পাব পাৰি আৰু মৃত্যুৰ পাচত ভগৱানক লাভ কৰিব পাৰি।

৫০৫ শুড়েৰে মেৰাই পদুমৰ কলি ওপৰলৈ তুলি গজেন্দ্ৰই পৰিত্ৰাণ কৰিবলৈ হৰিক স্তুতি কৰিলে। হৰিয়ে স্তুতি শুনাৰ লগে লগে গৰুড়ৰ কান্ধত উঠি ভকত গজেন্দ্ৰক ৰক্ষা কৰিবলৈ শীঘ্ৰে উপস্থিত হ'লহি।

৫০৬ গৰুড়ৰ কান্ধৰ পৰা নামি হৰিয়ে গজেন্দ্ৰৰ শুঁড়ত ধৰি গ্ৰাহৰ সৈতে পাৰত তুলিলে। চক্ৰেৰে গ্ৰাহৰ মুখ কাটি গজেন্দ্ৰক উদ্ধাৰ কৰে।

৫০৭ গজেন্দ্ৰৰ হস্তীৰূপ গুছি চতুৰ্ভুজৰূপ প্ৰকাশ পালে। গলত বনমালা আৰু চাৰি হাতত চাৰি অস্ত্ৰই শোভা কৰিলে আৰু দণ্ডৱতে পৰি প্ৰণাম কৰি পাৰিষদ হৈ বৈকুণ্ঠলৈ গতি কৰিলে।

৫০৮ কৃষ্ণৰ হস্তৰ স্পৰ্শত গ্ৰাহয়ো শাপৰ পৰা মুক্ত হ'ল আৰু বিদ্যৰূপ লৈ স্বৰ্গলৈ গতি কৰিলে। মানৱী জনম সম্ফল কৰিবলৈ- কৃষ্ণক শ্ৰৱণ কৰিব লাগে। হৰিৰ চৰিত্ৰৰ কথা শুনিলে মুক্তি অনিবাৰ্য।

৫০৯ মনুষ্যজন্ম পোৱাটো অতি দুৰ্লভ। সংসাৰ সাগৰৰ পৰা উদ্ধাৰ হ'বলৈ হ'লে হৰি সেৱা কৰা উচিত। সংসাৰৰ ধন-জন সকলোবোৰ বিষ্ণুৰ মায়াহে। আকাশত থকা মেঘৰ ছাঁ- ক্ষণিকতেথাকে- ক্ষণিকতে অন্তৰ্হিত হয়। মায়াৰে অৱৰা ঐশ্বৰ্যসমূহো তেনে ক্ষণস্থায়ী।

৫১০ কৃষ্ণ কথা শ্ৰৱণ-কীৰ্ত্তন কৰিলে ভৱ-সংসাৰৰপৰা উদ্ধাৰ হ'ব পাৰি। সেইবাবে সদায়ে হৰি হৰি বোলা। কৃষ্ণৰ একান্ত ভক্ত শঙ্কৰে কৈছে হে মনুষ্যগণ, সকলোৱে হৰি হৰি বোলা, তেতিয়া পাপৰাশি নিৰ্ম্মূল হ'ব।

গজেন্দ্ৰ উপাখ্যান সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

অষ্টম খণ্ড

হৰমোহন

প্ৰথম কীৰ্ত্তন

ঘোষা — মুখেৰে সদায় ৰাম কৃষ্ণ বুলিবা, ৰাম কৃষ্ণ সনাতন অৰ্থাৎ ত্ৰিকালত চিৰস্থায়ী সত্ত্বা। এই সত্ত্বাই হৰি। হৰি আৰু একে আত্মাঃ হৰি হৰৰ প্ৰভেদ নাই। হৰি আৰু হৰৰ অৱতাৰ লীলাৰ কথা কৰ্ণভৰি শুনিবা। ৪২।।

পদ ৫১১ — মহামুনি শুকে ৰজা পৰীক্ষিতক কৈছে - কৃষ্ণৰ কথা তোমাক কম, আগ্ৰহেৰে শুনিবা। ভগৱন্তৰ মায়া অপাৰ, ইয়াৰ ভিতৰতে স্ত্ৰীমায়া অতি চমৎকাৰ, এই মায়াত মহাযোগী শিৱ কেনেকৈ কামাতুৰ হৈছিল, তাক শুনা –

৫১২ — হৰিয়ে কেনেকৈ স্ত্ৰীৰূপ ধৰি অমৃত হৰণ কৰিছিল- তাৰ কথা শুনি হৰ আচৰিত হৈছিল। হৰিয়ে দেৱসৱক অমৃত ভুজাই দানৱৰ আশাভঙ্গ কৰিলে। এই কথা শুনি হৰে পৰম আনন্দ লাভ কৰিলে।

৫১৩ — বিষ্ণুৱেনো কেনেকৈ নাৰীৰূপী হ'ব পাৰে তাক নিজ চকুৰে চোৱাৰ আশা কৰি বৃষভত উঠি ত্ৰিপুৰাৰী হৰিৰ ওচৰলৈ যাবলৈ ওলাল। গৌৰীয়েও স্বামীৰ কাষতে বহি ললে। ইয়াকে দেখি নন্দী প্ৰমুখ্যে ভৃত্যগণো ওলাল।

৫১৪ — তেওঁলোকে কৈলাশৰ পৰা বাদ্য বজাই (শব্দ কৰি) দণ্ডে-ছত্ৰে আগবাঢ়িল। আকাশ মাৰ্গেৰে গৌৰীনাথ সদলবলে গৈ বিষ্ণুপুৰীত উপনীত হ'লগৈ।

৫১৫ — বৃষভৰ পৰা হৰ-গোৰী নামি গৈ বিষ্ণুক সাদৰিম বুলি খোজকাঢ়ি আগবাঢ়িল। দূৰৰ পৰা মাধৱৰ মন্দিৰ দেখা পালে আৰু কৃতাঞ্জলি কৰিলে।

৫১৬ — ৰত্ন-মন্দিৰৰ সোণৰ সিংহাসনত প্ৰভু নাৰায়ণ উপবিষ্ট হৈ আছে।

সুনন্দ,কুমুদ, নন্দ আদি পাৰিষদগণে চাৰিওফালে আগুৰি কৃষ্ণৰ চৰণ সেৱা কৰি আছিল।

৫১৭ জগতজননী লক্ষ্মীয়ে তেওঁক উপাসি আছে। শঙ্কৰক দেখি হৰিয়ে প্ৰসন্নমনে বহিবলৈ আসন দিয়ালে আৰু হৰে পাৰ্ব্বতীসহিতে আসন গ্ৰহণ কৰিলে।

৫১৮ হৰিয়ে হৰ-পাৰ্ব্বতীক বিধিব্য আদৰ আপ্যায়ন কৰিলে। শিৱই হৃষিকেশক সেৱা জনালে আৰু কৃতাঞ্জলি কৰি স্তুতি আৰম্ভ কৰিলে।

দ্বিতীয় কীৰ্ত্তন

ঘোষা হে ৰাম, মোক উদ্ধাৰ কৰা, হে নিৰঞ্জন-নিৰাকাৰ হৰি, এই সেৱকে সেৱা জনাইছোঁ কৃপা কৰি সেৱকৰ মনোবাঞ্ছা পূৰ্ণ কৰা। হে নাথ, তুমি কৃপাৰ সাগৰ, মোক কৃপা কৰা। ৪৩।।

পদ ৫১৯ হে মাধৱ, হে বিধিৰ বিধিদাতা, তুমি সমস্ত জগতৰ জীৱকে গতি দিব পাৰা, তুমি জীৱৰ মনৰ অধিপতি,তুমি পিতৃ, তুমি মাতৃ, তুমি পৰমাত্মা, জগতৰ একমাত্ৰ ঈশ্বৰ। সংসাৰত এনে বস্তু নাই, য'ত তুমি নাথাকা।

৫২০ জগত সৃষ্টিৰ মূল কাৰণো তুমিয়েই আৰু সকলোবোৰ কাৰ্যও তোমাৰে। চৈতন্য-অচৈতন্য প্ৰাণী পদাৰ্থটো তুমিয়েই বিৰাজমান। সুবৰ্ণে তৈয়াৰী কুণ্ডল আৰু তাত থকা সোণৰ মাজত কোনো প্ৰভেদ নাই। তুমি পশু-পক্ষী, তৰু-তৃণ সমস্ততে মিহলি হৈ আছা, দেৱতা আৰু অসুৰৰ হৃদয়তো তুমিয়েই আছা। মাত্ৰ অজ্ঞানতাৰ বাবেহে সেইবোৰ ভিন্ন ভিন্ন যেন লাগে।

৫২১ সকলো সময়তে তোমাৰ মায়ায়ে জীৱক মোহিত কৰি ৰাখে। কিন্তু তুমি জীৱৰ আত্মা হিচাবে থাকা, তোমাক কোনোৱে চিনিব নোৱাৰে। সমস্ত জীৱৰ হৃদয়ত তুমি থকা স্বত্বেও অজ্ঞানতাৰ বাবে তোমাক বাহিৰত বিচাৰি ফুৰে।

৫২২ তুমিহে কেৱল সত্যবস্তু, তাৰ বাহিৰে আন সকলোবোৰ অবস্তু বা মিছা। সেই কাৰণে জ্ঞানীসকলে তোমাক হৃদয়ত ধ্যান কৰে। সুখ ভোগ কৰিবলৈও নিবিচাৰোঁ, মুকুতিও কামনা নকৰোঁ, মাত্ৰ তোমাৰ চৰণত যাতে ভকতি থাকে তাকেহে বিচাৰোঁ।

৫২৩ মোৰ মুখেৰে তোমাৰ নাম লওক আৰু কাণেৰে তোমাৰ কথা শুনক, মোৰ হৃদয়ত তোমাৰ পদ্মসম পদযুগল সকলো সময়তে থাকক। সৰ্ব্বক্ষণতে সাধু-মহন্তৰ সঙ্গ লাভ হওঁক -এইখিনিকে তোমাৰ পৰা ভিক্ষা মাগিছোঁ।

৫২৪ হে ঈশ্বৰ, তুমি বিভিন্ন অৱতাৰ ধৰি আছা। সম্প্ৰতি তুমি নাৰীৰূপে অৱতাৰ ল'লা, সেই নাৰীৰূপ দেখিবৰ কাৰণেহে ইয়ালৈ আহিলো। এতিয়া শুনিলা যে মই কি কাৰণে আহিছো - বুলি শিৱই ক'লে।

৫২৫ দানৱক মুহিবৰ কাৰণে আৰু দেৱতাক অমৃত পান কৰোৱাবৰ বাবে

তুমি যি নাৰীবেশ ধাৰণ কৰিছিলা - তাক চাবৰ কাৰণেই ভাৰ্যাসহ আহিলো বুলি শিৱই ক'লে।

৫২৬ মোৰ প্ৰতি যদি ভৃত্য হিচাবে মৰম আছে, তেন্তে তিৰী-মায়া দৰ্শন কৰোৱাওক। তেতিয়াহে ভকতৰ মনোৰথ পূৰ্ণ হ'ব। তাকে শুনি নাৰায়ণে হাঁহি মাৰি ক'লে।

৫২৭ সাগৰ মথোতে ওলোৱা অমৃত দৈত্যই কাঢ়ি নিয়াত দেৱগণৰ যি দুঃখ হ'ল- তাৰ বাবেহে মই নাৰীৰূপ লৈছিলো। সেই ৰূপ কামুকজনেহে আকুলতাৰে বিচাৰে, তোমাৰ নিচিনা মহাযোগীয়ে চোৱাৰ পৰা কি ফল হ'ব?

৫২৮ সকলো মায়াৰ ভিতৰতে নাৰীমায়া অতি কুৎসিৎ আৰু অসহনীয়, কিয়নো এই মায়াত সিদ্ধমুনিৰো ধৈৰ্য থানবান হৈ যায়, হৃদয় হৰণ কৰে। যোগীৰ যোগ, জপ, তপ ক্ষণিকতে ভঙ্গ হৈ যায়। সেইকাৰণে জ্ঞানীগণে কামিনীৰ সঙ্গ ত্যাগ কৰে।

৫২৯ তেনে স্ত্ৰীৰূপনো তুমি কেনেদৰে দৰ্শন কৰিবা? তোমাৰ লাভেই বা কি হ'ব? তুমি নাৰীৰূপত বিভুল হ'লে সকলোৱে হাঁহিব। এতেকে কৈছো - হে পশুপতি মোক ক্ষমা কৰিবা। হৰে এই কথা শুনি হাঁহি মাৰি হৰিক ক'লে-

৫৩০ মই মহাযোগবলে দেহ শুদ্ধ কৰি ৰাখিছোঁ। স্বয়ং ব্ৰহ্মদৰ্শন কৰিছো, মায়াই মোক কি কৰিব পাৰে? মদনকো ভস্ম কৰি থৈছো আৰু শঙ্কা কি থাকিব পাৰে তেতিয়া মাধৱে হাঁহি ক'লে–

৫৩১ তোমাক আজি সেই তিৰীবেশ দেখুৱাম বুলি কৈ হৃষিকেশ হঠাতে অন্তৰ্ধান হ'ল। হৰিক নেদেখি হৰে পাৰ্ব্বতীয়ে ইফালে সিফালে চালে।

৫৩২ হৰে দূৰতো লক্ষ্য কৰিলে, চাপৰি চাপৰি চকু নিক্ষেপ কৰি চালেহে চালে ক'তো দেখা নাপালে - নিজে নিজে উচ্‌পিচ্ কৰিবলৈ ধৰিলে।

৫৩৩ এইদৰে শিৱই আকুলতাৰে চাবলৈ ধৰিলে - শঙ্কৰে গোবিন্দৰ চৰণ ধিয়াই এই পদ লিখিলে আৰু ক'লে - হে সভাসদ, এইবোৰ মহাভাগৱতৰ সাৰ কথা, এইবোৰ শুনি হৰি হৰি বুলি আপদ দূৰ কৰা।

তৃতীয় কীৰ্ত্তন

ঘোষা হে ৰাম, হে শ্ৰীৰাম, তোমাৰ জয় হওঁক, জয় হওঁক।
তুমিয়েই সনাতন হৰি। ৪৪ ।।

পদ ৫৩৪ ত্ৰিনয়নে (শিৱই) চকুৰ আগতে এখন দিব্য উপবন দেখিবলৈ পালে, ফল-ফুল ধৰি,জকমক কৰি নানা বৃক্ষ তাত বিৰাজমান হৈ আছে। শিৰিষ, সেউতী, তমাল, মালতী,লৱঙ্গ, বাগী, গুলাল, কৰবীৰ, বক, কাঞ্চন, চম্পক আদি ফুলৰ ভৰত ডাল ভাগো ভাগো হৈ আছে।

৫৩৫ শেৱালি, নেৱালী, পলাশ, পাৰলি, পাৰিজাত, যুতি,জাঁই, বকুল, বন্দুলি, কনৌৰ, বানাৰী, (শ্বেতপদ্ম) কদম্ব, বাবৰি, নাগেশ্বৰ, সিংহচম্পা, অশোক, দেবণা, মন্দাৰ, মণিৰাজ, ৰাজচম্পা আদি পুষ্পৰাজিৰে উদ্যান ভৰা।

৫৩৬ কুন্দ, কুৰুবক, কেতেকী, তগৰ,গুটিমালী,ভেন্টি,ৰাঙ্গল,ৰেৱতী,মৰুৱা, মধাই, ধুস্তুৰ, চন্দন,অগৰু,দেবদাৰু,পদ্মবাচি আদি দিব্য কল্পতৰুসমূহত ফুল ফুলি থোপাথোপে ওলমি আছে আৰু সুবাস দূৰলৈকে বিয়পি পৰিছে।

৫৩৭ মণি মৰকত আদিয়ে সেই স্থান জিলিকাই ৰাখিছে। ওচৰত থকা নানান মনোহৰ সৰোবৰসমূহৰ পাৰবোৰ পোৱাল বাখৰে বন্ধোৱা, বৈদুৰ্য্যৰ বাট, ফটিকৰ ঘাট, মৰকতৰ খট্খটিৰে সৰোবৰ পাৰ চালে চকুৰোৱা।

৫৩৮ কেঁচা সোণ বৰণীয়া পদুম,ভেট, উৎপল ফুল ফুলি বিতোপন হৈ আছে। চক্ৰবাক, ৰাজহংসবোৰে পদুমৰ সৌৰভ ভোগ কৰিছে। কোঢ়া,কঙ্ক, বক আদি বিভিন্ন পক্ষীয়ে নিৰ্ভয় মনেৰে বিচৰণ কৰিছে। অমৃতময় জল পান কৰি সুললিত সুৰে পক্ষীগণে গীত গাইছে।

৫৩৯ সৰোবৰৰ চাৰিও পাৰত দিব্য পুষ্পৰাজিয়ে সুগন্ধ বিলাইছে। অলিকুলে গুঞ্জন তুলি ফুলৰ মৌ পান কৰিছে। দিব্য পক্ষীগণে ফল-ফুল ভক্ষি কলকণ্ঠী গীতৰ আৰাও কৰিছে। কুলিয়ে কুউ কুউ ধ্বনি কৰিছে আৰু মলয়া বতাহ মৃদুমন্দ গতিৰে বৈ গৈছে।

চতুৰ্থ কীৰ্ত্তন

ঘোষা হে হৰি, হে নাৰায়ণ, হৰিয়েই নাৰায়ণ, নাৰয়ণেই হৰিঃ হৰি নাৰায়ণ। ৪৫।।

পদ ৫৪০ এনে মহা মনোহৰ দিব্য উপবন ত্ৰিনয়নে চকুৰ আগতে দেখিবলৈ পালে। উপবনৰ মাজত এগৰাকী দিব্য কন্যাও তেওঁ দেখিলে। এককোটি লক্ষ্মীৰ ৰূপতকৈ তাইৰ সৌন্দৰ্য অধিক, তাই চকুৰ চাৱনিত সমস্ত জগত মোহিত হয়, তেওঁ দুয়োহাতে গুটি খেলি আছে। তাইৰ দেহৰ বৰণ জুইত গৰম কৰা সোণৰ দৰে উজ্জ্বল, হাত-ভৰি মসৃণ আৰু সুগোল। তাইৰ নয়নযুগল পদুমৰ পাহিৰ দৰে, মুখত মিচিকিয়া হাঁহি - তাইক দেখিলেই দেহ-মনত কামনাৰ উদ্ৰেক হয়।

৫৪১ হাতেৰে ওপৰলৈ গুটি মাৰি, বক্ৰভাৱে দৃষ্টি নিক্ষেপ কৰি ইফাল-সিফাল কৰি ঘূৰি ফুৰে। ওপৰলৈ বন্ধা খোপাৰ পাৰিজাতৰ থোপা খোপা খুলি সৰি পৰে আৰু বাওঁহাতেৰে পুনৰ খোপা বান্ধে। তাইৰ কাণত কুণ্ডলযোৰ তললৈ ওলমি পৰে আৰু স্তনযুগল হলফল কৰে, ডিঙিত ৰত্নমালা জিকমিকাই থাকে। সোণৰ খাৰুৰ ৰুণুঝুনু ধ্বনি উঠে আৰু বুকুত সোণৰ হাৰে চিক্‌মিকায়।

৫৪২ সাতসৰীৰ মালা ডিঙিত ওলমি থাকে, লয়লাস গতিৰে খোজ কাঢ়ে, আগলৈ গৈ পাচ ঘূৰি চাই আহে। শাৰী গাত মেৰিয়াই জিলমিলিয়া কাপোৰৰ ওৰণি লৈ (খোণ্টাজালি) ম'ৰা চৰাই চালি ধৰাৰ দৰে চালি ধৰি হৰক কটাক্ষ কৰি চায়। শৰীৰৰ কাষ-পিঠি প্ৰদৰ্শণ কৰে, কেতিয়াবা সন্মুখলৈ আহি হৰলৈ চাই লাজ ভাব দেখুৱায়, চকু মুদি দিয়ে। বিভিন্ন ভঙ্গিমাৰে ভ্ৰমি ফুৰে, শৰীৰৰ বস্ত্ৰ বতাহে উৰুৱাই নি উচ্চ স্তনযুগল উন্মুক্ত হৈ পৰে।

৫৪৩ কঁকালত কিঙ্কিনী, চৰণত ৰত্নৰ নুপূৰ ৰুণঝুনকৈ বাজে, হাউলি কঁকাল বেঁকা কৰে, কোনো অঙ্গতে অকণো খতিখুন নাই, - সংসাৰ মোহিনী বেশ ধাৰণ কৰিছে। তাইৰ মুখমণ্ডল যেন এপাহ পদুম, মুখৰ পদ্মা গন্ধ নিৰ্গত হয়, মধুকৰে সেই মধু পান কৰে। শৰীৰৰ লয়লাস গতি, চকুৰ কটাক্ষ চাৱনি দেখি শিৱ-শম্ভুৰ লাজ-কাণ নোহোৱা হ'ল।

৫৪৪ হয়তো পূৰ্বশত্ৰু কামদেৱে বাণ হানিছে শিৱৰ মনক ব্যাকুল কৰিছে। শিৱৰ শ্ৰুতি-বুদ্ধি-জ্ঞান হেৰাই গ'ল, কামনাৰ অনলে দেহ পুৰিবলৈ

ধৰিলে, লাজ এৰি পেলালে, যোগ-ধ্যান ক'ৰবালৈ গ'ল আৰু কন্যাক মাতিবলৈ ধৰিলে -হে প্ৰাণেশ্বৰী, মোৰ ওচৰ চাপি আহা। মাত্ৰ এবাৰ মাত দিয়া, মোৰ জন্ম সম্ফল কৰা আৰু তোৰ লয়লাস গতি মই চাই থাকি শান্তি লভো।

৫৪৫ মোক্ষকো মই নেওচা দিব পাৰোঁ, স্বৰ্গ সুখো ত্যাগ কৰিব পাৰোঁ, যদিহে তোক লাভ কৰিব পাৰো। তোমাৰ বাহিৰে মোৰ আন বস্তুৰ প্ৰয়োজন নাই, তুমিয়েই মোৰ যোগ-ধ্যান সকলো, তোমাৰ মুখ চায়েই মই থাকিম। হে মাজিনী আৰু অভিমান নকৰিবি, মদনে মোক বৰকৈ পীড়া কৰিছে, মোক আশ্বাস দিয়া। এনেদৰে অনেক ভাবে কন্যাৰ ওচৰত লেতুসেতু হৈ থকা শিৱই কাষতে থকা উমাক পাহৰিয়েই গ'ল।

৫৪৬ শিৱৰ নিজ ভৃত্যগণৰ প্ৰতি ধাৰণা নাইকীয়া হ'ল। পাৰ্ব্বতীয়ে এই কাণ্ড দেখি চাপৰি বজাই হাঁহিবলৈহে ধৰিলে। অন্যান্য ভৃত্যগণেও শঙ্কৰৰ এনে কাৰ্য্য দেখি অস্বাভাৱিকতা (বৈলখিল) দেখি আচৰিত মানিলে। হে সামাজিক লোক, কলিযুগত সুমতি হ'বৰ বাবে ৰাম ৰাম ডাকা।

পঞ্চম কীৰ্ত্তন

ঘোষা হে ৰাম, তুমি দেখা দিয়া, তোমাক নয়ন ভৰি চাই জীৱন সম্ফল কৰোঁ। তোমাৰ অৰুণ চৰণৰ ধূলি লৈ মই যেন মৰিব পাৰোঁ। ৪৬।।

পদ ৫৪৭ শুকে ৰজা পৰীক্ষিতক ক'লে– শৱৰ আবাহনকো নেওচি কন্যাই নমতাকৈ থাকে। হাতেৰে খেলি থকা খেলৰ গুটি হাতৰ পৰা গৈ দূৰত পৰিলগৈ।

৫৪৮ তাক আনিবলৈ কন্যাই খৰকৈ যাওঁতেই কঁকালৰ বস্ত্ৰ বতাহে উৰুৱাই নিলে, শৰীৰ ওলাই পৰিল আৰু গুপ্তাঙ্গ দৃশ্যমান হ'ল। তাই লজ্জাত আঠু সাৱটি অঙ্গ ঢাকিবলৈ যত্ন কৰে।

৫৪৯ কুঁজা হৈ নিজ অঙ্গ ঢাকিবলৈ হাত দুখন তললৈ দিয়ে, চকুমুদি তললৈ মূৰ কৰি থাকে, আঁৰ হ'বলৈ ওচৰত গছো নাই, বক্ৰ হাঁহি মাৰি হৰৰ ফালে এবাৰ চায়।

৫৫০ শঙ্কৰক মোহ নিয়াবলৈ ভাৱ-ভঙ্গী প্ৰদৰ্শন কৰে, শিৱই কন্যাৰ (বৃষকেতু -শিৱ) গুপ্তাঙ্গ দেখা পালে আৰু মদনে মন দহন কৰাত বিমোহ হ'ল। পাৰ্ব্বতীৰ প্ৰতিও লাজ ভাৱ নাইকীয়া হ'ল।

৫৫১ অগ্নিৰ সান্নিধ্য পাই ঘিঁউ জ্বলি উঠাৰ দৰে মদনৰ দুঃসহ শৰে শিৱৰ চিত্ত জৰ্জৰিত কৰি তুলিলে। শিৱই কামাতুৰ হৈ একো নেদেখা হ'ল- কন্যাক ধৰিবলৈ লৰ দিলে।

৫৫২ লৰ মাৰোতে খট্‌মট্ কৰি ডিঙিৰ মুণ্ডমালা বাজিবলৈ ধৰিলে আৰু কঁকালৰ বাঘছাল সুলকি পৰিল। শিৱ উলঙ্গ হ'ল আৰু সকলো এৰি কন্যাৰ পাছে পাছে খেদিবলৈ ধৰিলে আৰু কন্যায়ো লৰৰি পলাবলৈ ধৰিলে।

৫৫৩ কন্যাই হাঁহি লাজ কৰি গছৰ আঁৰে আঁৰে লুকাভাকু খেলিবলৈ ধৰিলে আৰু শিৱই অনুসৰণ কৰিবলৈ ধৰিলে। হস্তিনীক মত্ত হস্তীয়ে খেদি ফুৰাৰ দৰে শিৱয়ো খেদিবলৈ ধৰাত কন্যাই লগ নিদি আগবাঢ়িল।

৫৫৪ কামাৰ্ত হৈ হৰৰ প্ৰাণ যাওঁ যাওঁ হ'ল। এবাৰ বাওঁ হাতেৰে খোপাত ধৰি মুখত চুম্বন কৰে।

৫৫৫ আৰিমুৰি কৰি শিৱৰ হাতৰ পৰা এৰাই চুলি মেলি দৌৰিলে আৰু শিৱই উলঙ্গ হৈ খেদিবলৈ ধৰিলে।

৫৫৬ মিচিকিয়া হাঁহি মাৰি পাকে পাকে আঁতৰি যোৱা কন্যাই ঘন স্তন যুগল

দেখুৱাই শিৱক কামাৰ্ত কৰি তোলে আৰু শঙ্কৰে ৰহ ৰহ বুলি খেদিবলৈ ধৰে।

৫৫৭ গাত তেওঁৰ শ্ৰুতি নাই, পগলাৰ দৰে বৃক্ষগণকে নাৰী বুলি ভাবিবলৈ ধৰিলে। মদনৰ বাণত লটিঘটি হৈ বৃক্ষকে সাৱটি ধৰিলে।

ষষ্ঠ কীৰ্ত্তন

ঘোষা হে করুণাময় ভগবান, ইবাৰ অৰ্থাৎ এই জন্মত আৰু মোক নিৰাশ নকৰিবা। মায়া সাগৰৰ পৰা মোক এইবাৰ উদ্ধাৰ কৰিবই লাগিব, কিয়নো মই তোমাৰ দাস অৰ্থাৎ শৰণ ললোঁ। ৪৭।।

পদ ৫৫৮ এইবাৰ হে প্ৰাণেশ্বৰী, ক'লৈ যাবা বুলি জ্ঞান হেৰুৱাই চিঞৰিবলৈ ধৰিলে। কামবাণত মূৰ্চ্ছা গৈ শিৱই ক'বলৈ ধৰিলে– মোক চুম্বনৰ পৰশ দিয়া, আলিঙ্গন কৰা, উমালৈ ভয় নকৰিবা।

৫৫৯ কিয়নো মোক লগ নিদিয়? তই যি বিচাৰ মই তাকেই দিব পাৰোঁ। তোক কৈলাশৰ অধিকাৰিণী পাতিম, দিব্যনাৰী সকলে তোক সেৱা কৰি থাকিব।

৫৬০ মই তোৰ লগত দ্বন্দ্ব নালাগো আৰু গালিও নাপাৰোঁ। তোমাৰ দাস হৈ মই তোৰ আদেশমতে চলিম। পাৰ্ব্বতীক তোৰ দাসী কৰি দিম। গতিকে প্ৰাণেশ্বৰী তই মোক এৰি নাযাবি।

৫৬১ মোৰ কদাকাৰ ৰূপ দেখিবলৈ বেয়া পাইছা যদি আদেশ কৰা, মই মোৰ জঁটা মূৰৰ পৰা খহাই পেলাওঁ। সৰ্প ত্যাগ কৰি দিব্য অলঙ্কাৰ পৰিধান কৰোঁ, মুণ্ডমালা ছিঙি হেমহাৰ পিন্ধো।

৫৬২ বাঘ ছাল এৰি দেৱাঙ্গবসন পিন্ধো, ভস্মৰ পৰিৱৰ্তে অগৰু-চন্দন পিন্ধো, তই যি বিচাৰ মই তাকে কৰিম। মোৰ মুখলৈ চাই যদি নামাত, মই মৃত্যুকে বৰণ কৰিম।

৫৬৩ তোৰ সীমাহীন অপৰাধ লগালো। মোৰ বচন ৰাখ। দাঁতেৰে তৃণলৈ কৈছো- মোক সাৱট মাৰি ধৰ। তোৰে মোৰে মহাকেলী হওঁক।

৫৬৪ কন্যা বুলি বৃক্ষকে আঁকোৱালি ধৰি চুম্বন কৰিবলৈ ধৰিলে আৰু ইয়াকে দেখি নাৰীৰূপী বনমালীয়ে হাঁহিবলৈ ধৰিলে। হৰে চকু মেলি চাই দেখিলে যে সেই গৰাকী কন্যা নহয়, বৃক্ষহে।

৫৬৫ গছ এৰি সুন্দৰীক পুনৰ খেদা দিলে আৰু ৰমণীও পলাল। মত্ত হস্তীৰ দৰে হৰে খেদি যায়।

৫৬৬ মদনৰ ঘোৰ আক্ৰমণত পাইছো পাইছো বুলি হাত মেলি দিয়ে, আঙুলিৰ মূৰত যেন স্তনৰ পৰশ পায়। কিন্তু কন্যা আঁতৰি যোৱাত হৰ বিমুৰ্চ্ছিত হয়।

৫৬৭ পুৰণি শত্ৰু কামদেৱে সুবিধা পাই পুনঃ পুনঃ পুষ্পবান হৰৰ প্ৰতি নিক্ষেপ কৰিবলৈ ধৰিলে। মদনৰ শৰত হৰ ধৰাশায়ী হয়।

৫৬৮ পুনৰ উঠি হৰে কন্যালৈ চাই মুখত তৃণ লৈ কাউবাউ কৰি কন্যাক মাতেহে মাতে, কন্যাই কৰ্ণপাত নকৰাত নিজে নিজে মৃত্যুক বৰণ কৰিম বুলি কয় আৰু সেই বধৰ বাবে কন্যাই দায়ী হ'ব বুলি কয়।

৫৬৯ মই মৰিলে তোৰ মহাপাপ, প্ৰাণীবধ পাপ আদি লাগিব। মোক মৰাইনো কি স্বৰ্গখন লাভ কৰিবি? আঁহা, মোৰ কাষ চাপি আলিঙ্গন দিয়া, তোৰো এই নৱযৌৱন সফল হ'ব।

৫৭০ কোনেওতো তোক-মোক দেখা নাই, লাজ কৰিবলগীয়া কি আছে। এই বনত আন পুৰুষ নাই। তই ওচৰ চাপি নাহিলে ময়ে আগবাঢ়ি যাওঁ- এই বুলি হৰ আগবাঢ়ি যায়।

সপ্তম কীৰ্ত্তন

ঘোষা হে প্ৰাণ হৰি মোক তোমাৰ কাৰণে নিয়া— বুলি ত্ৰিপুৰাৰী (শিৱই) চিএৰি উঠিল। কিন্তু হৰক মোহন মুৰাৰিয়ে (বিষ্ণুৱে) মন মুহি আঁতৰি যায়। ৪৮।।

পদ ৫৭১ সুন্দৰীয়ে হাঁহি হাঁহি পলাবলৈ ধৰিলে। নাযাবা নাযাবা বুলি শিৱই (বৃষধ্বজ) খেদি যায়। গিৰি, গুহা, বন, নদ-নদী, সৰোবৰ, দ্বীপ-দ্বীপান্তৰ সকলোতে হৰে খেদি ফুৰিবলৈ ধৰিলে।

৫৭২ গৈ গৈ ঋষিগণৰ আশ্ৰমে আশ্ৰমে অতিক্ৰম কৰিবলৈ ধৰিলে। মদনৰ পীড়াত অতিষ্ঠ হৈ হৰে আশ্ৰমতো তেনে কৰিলে।

৫৭৩ আউল-বাউল হৈ জঁটাই চকু ঢাকি ধৰিলে। নওঠা হৈ শিৱই কন্যাক খেদি ফুৰিছে। ঋষি পত্নীগণে দেখি হাঁহিলে, মুখ ঢাকি ভিতৰ সোমাল।

৫৭৪ মহাদেৱ পাগল হ'ল, উন্মত্ত হ'ল, দেৱতা-দৈত্যই এওঁকনো কেনেকৈ সেৱা জনায়। এওঁ উলঙ্গ হৈ এইজনী কাৰ জী নে বৌক খেদি ফুৰিছে, লাজ-কাজ সকলো জলাঞ্জলি দিলে বুলি ঋষি পত্নীয়ে কোৱাকুই কৰিলে।

৫৭৫ এইদৰে জুমাজুমি কৰি তেওঁলোকে হাঁহিবলৈ ধৰিলে। ঋষিসকলেও হৰক কামাতুৰ দেখি বিষ্ণু বিষ্ণু স্মৰি তলমূৰ কৰিলে। ভোলানাথৰ নো এইবোৰ কি বিপৰ্যয় হ'ল।

৫৭৬ কোনোৱে ক'লে- শঙ্কৰৰ মায়া বুজা টান। পাদ্য-অৰ্ঘ্য লৈ পূজা কৰোঁহক। এইদৰে ঋষিসকলে লৰৰি গৈ হাতযোৰ কৰি হৰক ক'লে -

৫৭৭ তুমি চৰাচৰৰ গুৰু, জগতৰ পিতা, সকলো জানি বুজিও এনে পাপ কিয় কৰা? আমাৰ আশ্ৰমত ক্ষন্তেক বিশ্ৰাম কৰা। এইবোৰ কথালৈ হৰে ভ্ৰূক্ষেপেই নকৰে।

৫৭৮ কামিনীয়ে মন হৰণ কৰিলে বাবে কামত উন্মত্ত হ'ল আৰু ঋষিৰ কথাও নুশুনা হ'ল। কেৱল ৰমনীৰ পাছত দৌৰিহে ফুৰিছে, ৰমণীজনীয়েও গা-দেখুৱাই পলাইহে গৈছে।

৫৭৯ কামিনীক লগ নাপাই শিৱৰ হাৰাশাস্তিহে হ'ল। মদনৰ প্ৰভাৱত মন বিকল হ'ল, অৱশেষত শঙ্কৰৰ বিন্দুপাত হ'ল।

৫৮০ হস্তিনীক খেদি খেদি হস্তীৰ যেনেকৈ স্ৰৱ নিৰ্গত হয়, গিৰি শিখৰৰ পৰা যেনেকৈ পানী বৈ আহে, সেইদৰে শঙ্কৰৰ বিন্দুজল নিঃসৰণ হ'ল।

ঋষিসকলে এনে দৃশ্য দেখি তাৰ পৰা আঁতৰিল।

৫৮১ কোনো পিঠি দি ৰাম ৰাম উচ্চাৰণ কৰিলে, মহাযোগী শিৱৰ– এনে কৰ্ম্ম, এনে বক্তব্য দান কৰি ঋষিসকলে ঘৰাঘৰি গ'ল আৰু ৰাম-কৃষ্ণ হৰি ঋষিকেশ উচ্চাৰণ কৰিলে।

অষ্টম কীৰ্ত্তন

ঘোষা এ হৰি, হে প্ৰাণ হৰি, তোমাৰ চৰণে শৰণ ললো, মোক কৃপা কৰা, হে নাথ, তোমাৰ অৰুণ চৰণত শৰণ ললোঁ। ৪৯।।

পদ ৫৮২ শঙ্কৰৰ বিন্দু য'ত য'ত পৰিল -তাতে মাটি গুচি সুবৰ্ণময় ভূমি হ'ল। বিন্দুজলে স্পৰ্শ কৰা বৃক্ষ আৰু লতাসমূহ কাঠ গুচি সুবৰ্ণময় বৃক্ষ আৰু লতা হ'ল।

৫৮৩ সিমানতো ক্ষান্ত নাথাকি হৰে উলঙ্গত হৈ ঘূৰি ফুৰি বৈকুণ্ঠৰ সমীপ পালেগৈ। সমস্ত বিন্দুপাত হোৱাৰ পাচতহে শঙ্কৰে চেতনা পালে।

৫৮৪ চাপৰি দেখিলে - যে তেওঁৰ কঁকালত বাঘ ছাল নাই। লাজত তলমূৰ কৰি মাটিত বহি পৰিল। পাচত ব্ৰহ্ম-জ্ঞান চিন্তি মন স্থিৰ কৰিলে আৰু নাক-কাণ স্পৰ্শ কৰি ৰাম হৰি স্মৰণ কৰিলে।

৫৮৫ মহাযোগীয়ে মদনৰ পীড়া এৰাই চিৰৰোগীয়ে সকাহ পোৱাৰ দৰে সকাহ পালে। মনলৈ সুস্থিৰতা অহাৰ লগে লগে জগতৰ গৰাকীয়ে (ৰাউল) মনতে ভাবিবলৈ ধৰিলে—

৫৮৬ মোৰ দুষ্কাৰ্যই আজি মোক জগতত হাঁহিয়াতৰ পাত্ৰ কৰি তুলিলে। পাৰ্ব্বতীকনো মই কিদৰে বুজাম। মই কোন নাৰীৰ সঙ্গত ফুৰিলো - এই লৈ মোক গৃহত প্ৰৱেশ কৰিবলৈ নিশ্চয়ে নিদিব।

৫৮৭ মাধৱৰ হাক-বচন নুশুনি নিজে লঘু হলোঁ। উমাৰ সন্মুখতে কন্যাক চাটুকথা কলো। এতিয়া তেওঁৰ আগত কেনেকৈ মুখ দেখুৱাম বুলি নানা ধৰণে চিন্তা কৰিবলৈ ধৰিলে।

৫৮৮ বিচাৰ কৰিলে মোৰ গাত দোষ নাই, কিয়নো সমস্ত সংসাৰ যি মায়াৰে ভগৱন্তই বান্ধি ৰাখিব পাৰে, তেঁৱে নাৰীমায়া হৈ মোক মুহিলে। গতিকে তাত অনুশোচনা কৰি কি লাভ।

৫৮৯ তেওঁৰ দৃষ্টিতে কোটি কোটি ব্ৰহ্মাণ্ডৰ সৃষ্টি হয়, তাৰে এটি ব্ৰহ্মাণ্ডৰ হে মই এজন ৰুদ্ৰ। যাৰ শৰীৰত চৰাচৰ জগত বিৰাজমান, তেনে হৰিয়ে মুহিলে- কি লাজ আছে।

৫৯০ বিষ্ণুৰ ওচৰত মই পৰম অজ্ঞানী কথা ক'লো— কাৰণ মায়াক জিনিলো বুলিলো।ই মোৰ গৰ্ব্ববাণী আৰু এই অহঙ্কাৰৰ বাবেই হৃদয়ত তাপ পালো।

৫৯১ এইবুলি কৈ শিৱ মৌন হ'ল আৰু মাধৱক ধ্যান কৰিবলৈ ললে। সেইবাবে হে নৰগণ মনক উপশম কৰা, ৰাম ৰাম বলি পাপ মোচন কৰা।

নৱম কীৰ্ত্তন

ঘোষা হে মাধৱ, তুমি বান্ধৱ, তুমিয়েই দেৱ, তুমিয়েই হৰি। মোৰ দোষ ক্ষমা কৰা, মোক কৃপা কৰা। ৫০।।

পদ ৫৯২ ইয়াৰ পাচত দেৱ হৰিয়ে নিজৰ ৰূপ পৰিগ্ৰহ কৰি শঙ্কৰৰ আগত উপস্থিত হ'ল। হৰিয়ে হাঁহি মাৰি প্ৰশংসা কৰি হৰক ক'লে- হে শূলপাণি, তুমি যে মহাজ্ঞানী মই জানো, দুষ্টৰামায়াক তুমি জিনিবও পাৰা। তুমি তত্ত্ব জানা, তোমাৰ বাহিৰে মোৰ আন প্ৰিয় নাই।

৫৯৩ হে জ্ঞানশালী, তোমাৰ বাক্য পালন কৰিহে দুষ্টৰামায়া প্ৰদৰ্শন কৰিলো। ইয়াৰ বাবে দুখ নকৰিবা, তোমাৰ মোৰ কিঞ্চিতো ভেদাভেদ নাই। হে ভূতনাথ, মই তুষ্ট হৈ তোমাক বৰ দিলো যে মায়া তোমাৰ অধীন হ'ব। এই মহাকল্প শেষ হোৱালৈকে সুখেৰে নিজ স্থানত থাকি মোৰ শৰীৰতে লীন যাবা।

৫৯৪ এই বুলি বনমালীয়ে শঙ্কৰৰ আঁকোৱালি সৎকাৰ কৰিলে, দিব্য-বস্ত্ৰ-অলঙ্কাৰ দিলে আৰু পাৰ্ব্বতীকো সন্মান জনালে। শিৱৰ ভৃত্যগণকো সন্তুষ্ট কৰে। শিৱই পাৰ্ব্বতীসহিতে বিষ্ণুক প্ৰণাম কৰিলে।

৫৯৫ বিষ্ণুৰ পৰা বিদায় লৈ ভাৰ্যাসহ বৃষভত উঠি আকাশীপথেৰে শিৱই কৈলাশলৈ গমন কৰিলে। সমাজ পাতি শিৱ আসনত বহি উমাক মাতি আনি ক'লে- হে প্ৰাণপ্ৰিয়া, বিষ্ণুমায়াই মোক কি কৰিলে তুমি স্বচক্ষুৰে দেখিলা।

৫৯৬ মই জগতৰ পতি হৈয়ো মোৰে তেনে অৱস্থা হ'ল, আনৰ অৱস্থা কি হ'ব? সেয়ে চৰাচৰ বিশ্বই বিষ্ণুমায়াৰ অধীন। এহেজাৰ বছৰ ধৰি মই যোগধ্যানত থকাৰ পাচত তুমি মোক সুধিছিলা যে, মইনো কাক আৰাধনা কৰোঁ।

৫৯৭ লোভ, ক্ৰোধ,কাম, ত্যাগ কৰি কাৰ নামনো জপিছা, আৰুনো কোম দেৱতা আছে বুলি পাৰ্ব্বতীয়ে সোধাত শিৱই ক'লে - সুৰাসুৰে ভজা জগতৰ স্বামী তেঁৱে যাৰ মায়াত মোৰ এনে দূৰ্গতি হৈছিল। কামবাণত উটি-বুৰি পগলাৰ দৰে লাজ-কাজ এৰিছিলো আৰু জগতক হহুৱাইছিলো আৰু বৈকুণ্ঠ সমাজকো হহুঁৱালো।

৫৯৮ হৃষিকেশে কপট যুৱতী হৈ মোক মুগ্ধ কৰিলে আৰু তোমাৰ সঙ্গও

পাহৰিলো। গিৰি-গুহা-বন-নদী,ঋষিৰ আশ্ৰমত কন্যাক খেদি ঘুৰিছিলো, মোক এই জগতৰ লোকে নেদেখিবলৈ নাই - এইবোৰ কথা মনত পৰিলে, হে প্ৰাণপ্ৰিয়া মোৰ হিয়া কঁপি উঠে।

৫৯৯ চৰাচৰ জগত হৰিময় হৈ আছে, ভকতহীনে হৰিক ভিন্ন দেখে বাবে হৰিৰ মায়াই মোহে। হৰিহে পৰম দেৱ, হৰিকেহে সেৱা কৰোঁ, তেঁৱে পালন আৰু সৃষ্টি কৰে। হৰি নাম হৃদয়ত ধৰি আৰু স্মৰণ কৰি হৰিৰ দুষ্টৰামায়াৰ পৰা উদ্ধাৰ হওঁ।

৬০০ ইয়াকে জানি হে দেৱী, হৰিৰ চৰণ সেৱা কৰা, লোভ-মোহ, কাম-ক্ৰোধ এৰা, জীৱন ব্যথা নকৰিবা, সদায় হৰি কথা শুনা আৰু হৰিনাম কীৰ্ত্তন কৰা। সৰ্ব্বক্ষণতে হৰিৰ চৰণ চিন্তা, হৰিক ভালমতে ভকতি কৰা। তেতিয়া হৰিৰ প্ৰসাদত সংসাৰ তৰি মোৰ লগত লীন যাব পাৰিবা।

দশম কীৰ্ত্তন

ঘোষা হে নৰলোক, মুখেৰে জয় কৃষ্ণ বোলা।
বৈকুণ্ঠলৈ প্ৰয়াণ কৰিব পাৰিবা, যদিহে মুখেৰে জয় কৃষ্ণ বোলা। ৫১ ।।

পদ ৬০১ *শঙ্কৰৰ এনে বাণী শুনি পাৰ্ব্বতীৰ আনন্দ শিহৰণ উঠিল। গৌৰীয়ে* শিৱক প্ৰদক্ষিণ কৰি হাত কৰযোৰ কৰি শিৱৰ চৰণত সেৱা জনালে। হে প্ৰভু, তুমি সৰ্ব্বজ্ঞান, মোক দিব্যজ্ঞান দিলা, তোমাৰ পত্নী হিচাবে মই সাৰ্থক হ'লো। মই অতি ভাগ্যবতী যে তোমাৰ অনুগ্ৰহত দুষ্টৰা মায়া তৰণৰ উপায় পালো।

৬০২ এতিয়াহে বুজিলো যে ভকতিৰ বাহিৰে নিস্তাৰ পোৱাৰ পথ নাই। মুৰ্খজনেহে ভক্তি এৰি আলজাল ধৰ্ম্ম কৰে। হৰি নামহে মোক্ষ দিব পাৰে। এতিয়া আৰু আন চিন্তা নকৰি সংসাৰ তৰাৰ কৌশল হৰি নামৰ নাৱকে আশ্ৰয় কৰিলো। এইদৰে পাৰ্ব্বতীয়ে হৰি ভক্তিত ৰত হ'ল।

৬০৩ শুক মুনিয়ে ক'লে যে হৰিৰ চৰিত্ৰৰ বিষয়ে কোৱা হ'ল। কপট যুৱতী হৈ বিষ্ণুৱে শিৱৰ মন মোহা দৈত্যৰ মন মোহি দেৱতাক অমৃত পান কৰোৱা - আদিৰ বিষয়ে কোৱা হ'ল।

৬০৪ কৃষ্ণৰ কথা অকপট চিত্তে যি শুনে বা ভনে তেওঁ চৌষষ্ঠি ৰোগৰ পৰা মুক্তি পায়, মনোৰথ পূৰ্ণ হয়, সমস্ত পাপ নাশ হয়, মুক্তি লাভ হয় আৰু এক কোটি পুৰুষ উদ্ধাৰ হয়। হৰি কথা শ্ৰৱণৰ এয়ে মহাফল।

৬০৫ হে পৰীক্ষিত, ইয়াকে জানি চক্ৰপাণিক চিন্তা কৰা, অন্য কৰ্ম্ম এৰি হৰি নাম জপ কৰা, কিয়নো ইহে ইহ-পৰলোকৰ গতি সাধক। পাৰ্থিৱ সকলো বস্তু অশ্বাশ্বত, জীৱনো অস্থায়ী।

৬০৬ দামোদৰক নমস্কাৰ কৰোঁ। এওঁ সংসাৰৰ বিঘিনি দূৰ কৰে, ভকতক অভয় দান কৰে- ভাগৱতৰ এই সাৰতত্ত্ব শঙ্কৰে পদ আৰু ছবি ছন্দৰ মাজেৰে ব্যক্ত কৰিছে। গুৰুজনে কৈছে - এই কথা ব্যক্ত কৰাত যদি কিবা দোষ হৈ গৈছে তাৰ বাবে ক্ষমা মাগিছো। কাৰণ ক্ষমাহে মহত্ত্বৰ ভূষণ ।

৬০৭ কৃষ্ণই দিয়া শক্তি অনুসাৰেহে বিৰচন কৰিলো। চটক চৰাই পাখিৰ শক্তিৰ অনুসৰিহে উৰিব পাৰে। ভাগৱতৰ কথা তিনিলোকৰ বাবে সাৰতত্ত্ব। মহাযজ্ঞ, দান, তীৰ্থস্নান আদিয়েও ইয়াক ঢুকি নাপায়।

৬০৮ কৃষ্ণ কথা শুনাজনৰ যমৰ যাতনা থাকিব নোবাৰে। ই পুৰুষৰ পুৰুষাৰ্থ, অন্তকালে বিষ্ণুপুৰী লাভ হয়। শঙ্কৰদেৱে জগতৰ হিত চিন্তা কৰি লিখিলে আৰু ক'লে - হে লোক, চিঞৰি চিঞৰি ৰাম ৰাম বোলা।

হৰমোহন সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

নৱম খণ্ড

বলি ছলন

প্ৰথম কীৰ্ত্তন

ঘোষা মুখেৰে ৰাম ৰাম বোলা, হৃদয়ত ৰাম ৰাম ভাবা।
ৰাম নাম পৰম মধুৰ, মধুৰতকৈয়ো সুমধুৰ শব্দ, এই অনুপম শব্দ লোৱা উচিত। ৫২।।

পদ ৬০৯ শুকমুনিয়ে পৰীক্ষিতক ক'লে -শুনা পৰীক্ষিত, সুতলপুৰীত প্ৰহ্লাদৰ নাতি বলিয়ে বামণৰ আজ্ঞায়ে দানৱৰ মাজত বিষ্ণুধৰ্ম্ম প্ৰচাৰ কৰি আছিল।

৬১০ বলিয়ে দিব্যভোগ কৰিবলৈ পাইছিল যদিও সিবোৰত অনুৰক্ত নাছিল। দিব্যভোগ ত্যাগ কৰি বলিয়ে কেৱল দিব্যসভা পাতি থাকে।

৬১১ মাধৱৰ চক্ৰই আহি তাত সভাসদ হৈ ৰ'ল আৰু চক্ৰৰ ভয়ত দৈত্যগণে নিঃশব্দে থাকি প্ৰহ্লাদে কোৱা কৃষ্ণ কথা শুনি থাকে। দুৱাৰত হৰিয়ে সদায়ে ৰক্ষা কৰি থাকে।

৬১২ তেওঁৰ শৰীৰ শ্যাম বৰণৰ, মূৰত কিৰীটি, কৰ্ণত মকৰ কুণ্ডল আৰু চকু দুটি পদুমৰ পাহিৰ দৰে শোভা কৰে। কণ্ঠত কৌস্তুভ, হাতত খাৰু আৰু কেয়ুৰ, কঁকালত কাঞ্চি, ভৰিত নুপূৰ পৰিধান কৰে।

৬১৩ গাত পীতবস্ত্ৰ, ডিঙিত ভৰিলৈকে পৰা বনমালা,হাতত গদা আৰু মুখত সন্তোষৰ হাঁহিৰে বলিৰ সম্মুখত ভগবান বিৰাজমান হৈ থাকে।

৬১৪ হৰিৰ দৰ্শন লাভ কৰি ক্ষণে ক্ষণে কৃষ্ণৰ চৰণ সেৱি বলিয়ে বিষয়ক পিঠি দিলে। তেওঁৰ মুখত সদায়ে কৃষ্ণ গুণ-নাম গুঞ্জৰিত হৈ থাকে।

৬১৫ কেতিয়াবা হাতত তাল লৈ ঠিয় হৈ কীৰ্ত্তন কৰে. দৈত্যগণে চাৰিওফালে

বেঢ়ি চাপৰি বজায়। প্ৰহ্লাদে গোবিন্দৰ গীত গাবলৈ শিকায় আৰু বলিয়ে নৃত্য কৰে।

৬১৬ গোবিন্দক সম্মুখত দেখি আনন্দত চিত্ত দ্ৰৱিত হয়, আনন্দত আনন্দাশ্ৰু নিগৰি ওলায়, শৰীৰ ৰোমাঞ্চিত হয়, মাত গদ্‌গদ্ হয় আৰু ভক্তি-প্ৰেমত আপ্লুত হৈ ভূমিত পৰি যায়।

৬১৭ ভকতৰ বশ্য হৰিক বলিয়ে দেখি খলখলি হাঁহে (আকলিয়া-দেখি) আৰু কেতিয়াবা হুকহুককৈ কান্দে আৰু কেতিয়াবা গীত গায়।

৬১৮ কেতিয়াবা হৰি বুলি বলিয়ে (ইন্দ্ৰসেন) চিঞৰি (গেৰিয়াত্ত) উঠে, আৰু উঠি উঠি পৰে আৰু বাতুল হৈ নৃত্য কৰে। কেতিয়াবা হয়তো মাটিত মৌন হৈ পৰি থাকে। তেওঁক বেঢ়ি দৈত্যগণে কীৰ্ত্তন কৰে।

৬১৯ এইদৰে ভক্তিভাবেৰে দৈত্যেন্দ্ৰৰ দিন অতিবাহিত হয়, বলিৰ দৰে ভাগ্যবান ত্ৰৈলোক্যত নাই। সমস্ত জগতকে বলিয়ে পৱিত্ৰ কৰে আৰু বলিৰ ভক্তি দেখি হৰিয়েও বিস্ময় মানিলে।

৬২০ সিদ্ধমুনিগণে আকাশৰ পৰা বলিৰ গুণ বখানে, এনে এজন বৈষ্ণৱ ক'তো নাই বুলি কয়, যাৰ ওচৰত স্বয়ং দামোদৰ সদায়ে থাকে তেওঁৰ সমান ভাগ্যৱন্ত আন কোন হ'ব পাৰে।

৬২১ মাধৱৰ চৰণত বলিয়ে নিজকো অৰ্পণ কৰিলে, দুৰ্জ্জয় মায়াক জয় কৰিলে- এই বুলি সিদ্ধমুনিগণে আকাশৰ পৰা পুষ্পবৃষ্টি কৰিলে। হে সভাসদগণ, হৰি হৰি বোলা।

দ্বিতীয় কীৰ্ত্তন

ঘোষা হে হৰি তোমাৰ চৰণত পৰিলো, মোক উদ্ধাৰ কৰা। হে পৰমানন্দ, মোক উদ্ধাৰৰ উপায় দিয়া। সংসাৰৰ তিনি তাপ মই সহিব নোৱাৰা হৈছোঁ, মোৰ হিয়া সংসাৰৰ তাপে দগ্ধ কৰিছে। ৫৩।।

পদ ৬২২ শুক মুনিয়ে কুৰুপতি পৰীক্ষিতক কৈছে - শুনা পৰীক্ষিত, বৈষ্ণৱ বলিৰ কৰ্ম্ম দেখি ডাণ্ডৰ ডাণ্ডৰ দৈত্যবোৰে আলোচনা-বিলোচনা কৰিবলৈ ধৰিলে যে, দৈত্যৰাজ্যত বিপৰীত কৰ্ম্ম হ'ব ধৰিছে। দৈত্যৰাজে ৰাজকাৰ্য্য এৰি শত্ৰুৰ নাম লৈ ৰাতিয়ে দিনে কেৱল নাচ দি গাই-গাই গৰ্হিত কাম কৰিছে। দৈত্যৰাজ মুৰ্খ হৈছে।

৬২৩ ৰজাই দৈত্যৰ ৰীতি-নীতি এৰি বিষ্ণুৰ ফলীয়া হৈ হৰি হৰি বুলিয়েই শোৱ ৰোগীৰ নিচিনা হৈ বিবুদ্ধিত পৰিছে। শোৱ ৰোগৰ ঔষধ নোহোৱাৰ দৰে ৰজাক ভাল কৰাৰো উপায় নাই। গল ফালি কেৱল হৰিৰ কথা কয় আৰু শ্ৰৱণ কৰে। ইয়াকে শুনি শুনি কাণত বেজি সোমোওৱা যেন লাগিছে। কিমাননো ককৰ্থনা শুনিম, হৰিনাম শুনিবৰ ইচ্ছা নাই, ব'লা ঘৰলৈ যাওঁ।

৬২৪ এওঁ কুল ধৰ্ম্ম এৰি পগলাৰ দৰে হ'ল। এই ৰজাক সেৱা কৰি লাভ নাই, এনেদৰে কথা কৈ কৈ নিষ্খল দানৱগণ ঘৰাঘৰি গ'ল। হৰিনাম শ্ৰৱণত আনন্দ লাগে, কীৰ্ত্তনত পাপ বিনাশ হয় আৰু মুক্তি আনি দিয়ে। পাপীয়ে কিন্তু হৰিনাম শুনিব নোৱাৰে, কিয়নো শঠ আৰু অধৰ্ম্মীজনক হৰিনামে খেদি খেদি যাতনা দিয়ে।

৬২৫ ৰাম নাম পৰম মঙ্গল ধ্বনি, অনুপম নাম বৈষ্ণৱে শুনি সন্তোষ্টি লাভ কৰে। দুৰাচাৰ দৈত্যগণে ৰাম নাম শুনিব নোৱাৰি উঠি গুচিহে গ'ল। বলিয়ে হাক দিছিল যদিও নুশুনাত মাধৱৰ চক্ৰই চাইহে আছিল। কোটি সূৰ্যসম প্ৰভাৱে চকুৰ পলকতে চক্ৰই দানৱক খেদি গ'ল।

৬২৬ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই কাহিনী বৰ্ণাইছে, মতি স্থিৰ কৰি সকলোৱে শুনাইক। আজি কালি কৰি আয়ু কমি আহিছে আৰু যমৰ ঘৰ পাবলৈ (কৰণে-ঘৰ) বেছি সময় নাই। সংসাৰৰ সকলো বৈভৱ সপোনৰ দৰে, মৃত্যু সন্নিকত। ভাৰতত জন্ম লাভ কৰিছো যেতিয়া বিলম্ব নকৰাকৈ নিৰন্তৰে হৰি হৰি বোলাইক।

তৃতীয় কীৰ্ত্তন

ঘোষা হে হৰি দেখা দিয়া, তুমি শিব অৰ্থাৎ মঙ্গলময়, তুমি চিৰস্থায়ী সত্তা সনাতনৰূপী, তোমাৰ অৰুণ চৰণত ধৰোঁ। তোমাৰ পৰম মঙ্গলে নাম আৰু গুণাৱলী শ্ৰৱণ-কীৰ্ত্তন নকৰি মিছাতে মৰিবলৈ নিবিচাৰোঁ।।৫৪।।

পদ ৬২৭ চক্ৰই তুৰন্তে দৈত্যৰ পুৰীত প্ৰৱেশ কৰি বৈষ্ণৱদ্ৰোহীসকলক বাঘে খেদাৰ দৰে খেদি খেদি মূৰবোৰ ছেদ কৰিবলৈ ধৰিলে। কাৰোবাৰ নাক,কাণ,কৰ্কাল কাটি খণ্ড খণ্ড কৰে, হাত-ভৰি কাটি নোহোৱা কৰে আৰু মাজ ডোখৰে বাগৰি বাগৰি ঘূৰি ফুৰে। (গড়াগড়ি- বাগৰি বাগৰি)।

৬২৮ কোনোজনৰ জিভা কাটি, চকু কাঢ়ি, দাঁত ভাঙি ভাঙি মাৰিবলৈ ধৰিলে। কাৰোবাৰ বুকু ফালি তপত তেজ শগুণ-শিয়ালক খাবলৈ দিয়ে। এইদৰে দৈত্যসকলৰ বিনাশ ঘটালে।

৬২৯ হাতীয়ে মাখিক মৰাৰ দৰে চক্ৰই আগবাঢ়িয়েই থাকিল। মৰো-জীওঁ কৰি, পুত্ৰ-ভাৰ্যা এৰি দৈত্যগণ পলাল আৰু পাচলৈ ঘূৰি নাচাই দৌৰিবলৈ ধৰিলে।

৬৩০ দৈত্যগণে গৈ ব্ৰহ্মাত শৰণে পশিলে যদিও ৰক্ষা নাপাই বলিৰ চৰণত সেৱা জনালেগৈ।

৬৩১ শঙ্কৰে এই পদ ৰচনা কৰি লোকক কৈছে - বিষয় ভোগ ত্যাগ কৰা। পুত্ৰ-ভাৰ্যা-ধন, দেহ, স্বজন সকলোবোৰ বিয়োগ হয়। সেই সকলোবোৰ এৰি হৰিক চিন্তা কৰা, মৃত্যুৰ আগে আগে ৰাম ৰাম বুলি উদ্ধাৰ হোৱা।

চতুৰ্থ কীৰ্ত্তন

ঘোষা হে গৰুড়কেতু (কৃষ্ণ), মই ত্ৰাণ পোৱাৰ হেতু তোমাৰ কাষ চাপিলো। তুমি ৰাম, তুমি নাৰায়ণ- তোমাত শৰণ ললো। মোক ত্ৰাণ কৰা প্ৰভু। ৫৫।।

পদ ৬৩২ এইদৰে চক্ৰই কাটি, মাৰি, বশ কৰি কিছুমান দানৱক ঘূৰাই আনিলে আৰু দৈত্যগণে ভয়ত পেপুৱা লাগি কাণ -মূৰ নলৰোৱাকৈ বলিৰ আদেশ মানি থাকিল। দৈত্যপতিয়ে কৃপা কৰি দানৱক পুনঃ পুনঃ শিক্ষাদি কৈছে - দানৱগণ- যি সকলে হৰি কথা কয়, হৰি নাম লয়, তেওঁহে মোৰ পৰম বন্ধু।

৬৩৩ কৰযোৰ কৰি বলিয়ে ক'লে- হে দানৱসকল, অসুৰ স্বভাৱ এৰি ভক্তিত মন দিয়া, মুখেৰে হৰি নাম লোৱা, হৃদয়ত ভগৱন্তৰ ৰূপ ধাৰণ কৰা, সেইজনৰ ভৃত্যৰো ভৃত্য মই হ'ম। হে জ্ঞাতিলোক, হৰি স্মৰি পৰিত্ৰাণ হোৱা- মোক কৃপা কৰা বুলি ভক্তিৰ সভা (দেৱান) পাতিলে।

৬৩৪ কোনে ক'ত হৰি কথা পাতিছে, কোনে ক'ত হৰি নাম লৈছে তাৰ হিচাপ ভগৱন্তই নিতৌ লয় (ওৱাচিল বাকী - পোৱা-নোপোৱাৰ হিচাব-নিকাচ)। যাৰ ভক্তিভাব নোপজে তেওঁক গৰম শলাৰে প্ৰাণটাকি মাৰে, (চেঙ্গি-তপত শলা) নাম নোলোৱা গৃহলৈ গৈ সবংশে মাৰে, ছালৰ জৰিৰে ডিঙিত মেৰাই নমৰে মানে শাস্তি দিয়ে।

৬৩৫ হৰি কীৰ্ত্তনত মন নিদি গ্ৰাম্যকথা পতাসকলক কাণত বেজিৰে খোচাৰ দৰে খোচে। হৰি নামক উপহাস কৰাজনক গালত চৰ সোধায়, ইচ্ছা নোহোৱাজনে ভয়ত নাম উচ্চাৰণ কৰে যদিও তাক জিভা টানি কষ্ট দিয়ে, হৰি নাম নলৈ মৌন হৈ থকাজনকো কণ্ঠত জুই লগাই দিয়ে।

৬৩৬ দিনে-ৰাতিয়ে প্ৰতি ঘৰে ঘৰে নগৰৰখীয়া সৈন্যদলে হৰিনাম লবলৈ কৈ ফুৰে। বাটে-ঘাটে সৈন্যদলে ভেৰীবজাই হৰিনাম লবলৈ কোৱাৰ ওপৰিও নিদ্ৰাৰ পৰাও জগাই হৰি নাম লোৱায়। ৰজাৰ দৰিয়লি সুতল পুৰীত অনবৰতে হৰি নামৰ ধ্বনি উঠে। অন্য গৃহ কৰ্ম্মকো এৰি হৰি হৰি বুলি চিঞৰ মাৰি ফুৰা শুনিলেই বলিৰ সন্তুষ্টি আহে।

পঞ্চম কীৰ্ত্তন

ঘোষা হে ভাই, হৰিৰাম হৰিৰাম অবিৰাম ঘোষি -সংসাৰ সাগৰৰ পৰা উদ্ধাৰ হোৱা। ৰামৰ চৰণৰ নাওখনি নিকটতে আছে, তাত নুঠি ডুবি নমৰিবা।। ৫৬।।

পদ ৬৩৭ এইদৰে তাত বাস কৰা সকলো দৈত্যই অন্য আলাপ -আলোচনা এৰি কেৱল হৰি কথা শুনি আৰু হৰিধ্বনি কৰি মহা পৱিত্ৰ হৈছিল। কৃষ্ণৰ চৰণত প্ৰতি মুহূৰ্ত্ততে সেৱি অক্ষয় পূণ্য সঞ্চয় কৰিছে আৰু বলিৰ অনুগ্ৰহতে সুতলপুৰীত শান্তিত দিন কটাইছে।

৬৩৮ দৈত্যপতি বলিয়ে মাধৱৰ বাহিৰে আনক চিন্তা নকৰিলে, শয়ন-ভোজন, সচিতে সপোনে হৰি নাম নেৰিলে, সুদৃঢ় ভকতি কৰি কৰ্ম্মবন্ধ নিৰ্মূল কৰিলে। সংসাৰ তৰি, পুৰুষ উদ্ধাৰ কৰি তেওঁ নিজ কুলো উদ্ধাৰ কৰিলে।

৬৩৯ বৈষ্ণৱৰ ভিতৰত বলিৰ দৰে সুপুৰুষ নাই, যাৰ সুযশ চন্দ্ৰ -দিবাকৰ থকালৈকে বিয়পি থাকিব। শুকে বলিৰ পৰম পৱিত্ৰ চৰিত্ৰৰ কথা ক'লে আৰু ইয়াক যি শুনে বা পঢ়ে তাৰ পাপ খণ্ডি সুখে সংসাৰত থাকিব পাৰে।

৬৪০ হে নাৰায়ণ তোমাক নমস্কাৰ, তুমি জগতৰ কাৰণ,গতিকে সংসাৰ ভয় দুৰ যদি কিবা দোষ হৈ গৈছে, - তাক ক্ষমা কৰিব। জ্ঞানীজনে গুণহে দেখে, দোষবোৰ মৰিষণ কৰে।

৬৪১ মোৰ পদ বুলি যেন এৰি নেপেলাই বিচাৰ কৰি চাওক, কাৰণ ইয়াত মোক্ষ লাভৰ অমৃত কৃষ্ণ কথা সোমাই আছে। ইয়াকে অনুমান কৰি কৃষ্ণৰ কাহিনী বুলি আনন্দমনেৰে শুনক, আন সকলোবোৰ এৰি সমাজ পাতি হৰি কীৰ্ত্তন কৰক।

বলিছলন সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

দশম খণ্ড

শিশু লীলা

প্ৰথম কীৰ্ত্তন

ঘোষা হে কৃষ্ণ, তুমিয়েই গোপাল (গো-বেদ,পল- পালন কৰোঁতা), তুমি কৰুণাময়, তুমি ৰাম আৰু তুমিয়েই হৰি। (তোমাক- কৃষ্ণ, গোপাল, কৰুণাময়, ৰাম আৰু হৰি নামেৰে প্ৰাৰ্থনা কৰিছোঁ।) ৫৭।।

পদ ৬৪২ দৈৱকীৰ গৰ্ভত ভগৱন্তই কৃষ্ণৰূপে পূৰ্ণ অৱতাৰ ধৰিলে। চতুৰ্ভূজৰূপে অৱতাৰ গ্ৰহণ কৰি চাৰিভূজত শঙ্খ, চক্ৰ, গদা আৰু পদ্ম তুলি ললো শ্যামবৰণৰ শৰীৰত পীতবস্ত্ৰই (হালধীয়া বসন) শোভা কৰিছে। তেওঁৰ নয়নযুগল পদুমৰ পাহিৰদৰে মনোহৰ আৰু ওঁঠ দুটি নৱ উদিত সুৰুজৰ দৰে ৰঙা।

৬৪৩ সুন্দৰ নাক আৰু কৰ্ণত মকৰ কুণ্ডল, কণ্ঠদেশত কৌস্তুভমণি আৰু মূৰত উজ্জ্বল কিৰীটি। ভৰিলৈকে পৰা বনমালা (ব+ন+ম+অ+ল = বৰুণ+ নভঃ+ মৰুৎ +অনল+পৃথিৱী = পঞ্চ মহাভূতৰ মালা) গলত জিলিকে আৰু বক্ষস্থলত শ্ৰীবৎস (বগা নোমৰ শাৰী)য়ে শোভা কৰে।

৬৪৪ আঠুলৈকে পৰা (অজানুলম্বিত) চাৰিখন হস্ত, হাতীৰ শুঁৰৰ দৰে ঘুৰণীয়া আৰু ক্ৰমে সৰু হৈ বৈ পৰা উৰুযুগল, ভৰিৰ তলুৱা নতুনকৈ ফুলা পদুমৰ পাহিৰ মাজত থকা পদ্ম-কোষৰ দৰে ধুনীয়া, যাক দেখি ভক্তজনৰ পৰম সন্তোষ্টি আহে।

৬৪৫ হাস্যমুখ মণ্ডলত আঁকোৰা-আঁকুৰি কেশ গুচ্ছৰ মাজত টকৈ জিলিকি থকা ৰঙা ফোঁট (তিলক)। বসুদেৱে এনে অদ্ভুত ৰূপৰ বালকক দেখিবলৈ পালে। ইয়াকে দেখি বসুদেৱ-দৈৱকীয়ে পৰি পৰি স্তুতি কৰিলে আৰু কৃষ্ণই পিতৃক সবিশেষ ক'বলৈ ধৰিলে–

৬৪৬ প্ৰভু নাৰায়ণে শিশুৰূপ ধাৰণ কৰিলে আৰু কোলাত লৈ বসুদেৱ আগবাঢ়িল। কাৰাগাৰৰ লোৰ শিকলি ছিগিল আৰু দুৱাৰ মেল খালে (কপাট-দুৱাৰ মেলান-মেল খালে) যমুনা নদীয়েও ভগৱন্তলৈ ভয় কৰি শুকাই মাজেদি বাট দিলে।

৬৪৭ বৰ্ষাৰি বাষ্পপূৰ্ণ মেঘে বৰষিলে, গাজিলে। বৰযুগৰ পৰা ৰক্ষা কৰিবলৈ সৰ্পৰাজে ফণা মেলি ছত্ৰ ধৰিলে। সেই সময়ত যশোদাৰ গৰ্ভত যোগমায়াই জন্ম ললে আৰু অচেতন হৈ নন্দ আৰু যশোদা টোপনি গ'ল।

৬৪৮ তেওঁলোকৰ বিচনাত তোমাক (কৃষ্ণক) থৈ নন্দৰ কন্যা যোগমায়াক বসুদেৱে লৈ আহিলে। গোকুলত কৃষ্ণই শিশুভাৱে ধেমালি কৰিবলৈ ধৰিলে আৰু নন্দ-যশোদাক অশেষ আনন্দ দিলে।

৬৪৯ শিশু হ'লেও শিশু কৃষ্ণৰ মহিমা কোনেও বুজিব নোৱাৰে, তেওঁৱেই আদি পুৰুষ-পৰমাত্মা। তেওঁ লীলাৰ মাজেৰে অসংখ্য দৈত্য-দানৱক বধ কৰিলে। কংসৰ আদেশত (পাঞ্চনি-আদেশ) যিমানবোৰ দৈত্য আহিল - সকলোবোৰ চগাই জুঁইত পৰি মৰাৰ দৰে মৰিল।

৬৫০ পুতনাই মোহিনীৰূপ লৈ নাৰী হিচাবে আহি স্তন পান কৰাই কৰাই শিশু মাৰি দেশে দেশে ঘুৰি ফুৰিবলৈ ধৰিলে। তোমাকো (কৃষ্ণকো) কোলাত লৈ স্তন পান কৰিলে আৰু কৃষ্ণই পুতনাৰ স্তন পান কৰি তাইৰ দেহৰ সমস্ত ৰস পি পেলালে। (পুতনাই মাতৃ গতি পালে।)

৬৫১ গাড়ীৰ তলত যশোদাই কৃষ্ণক শোৱাই থৈছিল, কৃষ্ণই লাথি মাৰি গাড়ী (শকট) ওভোটাই পেলালে। ইয়াকে দেখি যশোদাই বৰ দুঃখ পাই কৃষ্ণক কোলাত তুলি স্তন পিবলৈ দিলে।

৬৫২ কৃষ্ণৰ ভক্ত শঙ্কৰে প্ৰকৃত সত্য কথা ক'লে যে ৰাম নামৰ বাহিৰে কোনেও মুক্তি নাপায়। সেইবাবেই অনবৰতে ৰাম নাম ঘোষিব লাগে- তেতিয়াহে আৰ্জ্জিত পাপৰাশি বিনাশ হ'ব।

দ্বিতীয় কীৰ্ত্তন

ঘোষা হে ৰঘুনাথ (ৰঘুবংশৰ তিলক) (ৰাম), সংসাৰ সাগৰত পৰি মই কক্‌বকাই আছো, হে প্ৰভু ৰাম, মোক উদ্ধাৰ কৰা। ৫৮।।

পদ ৬৫৩ কংসৰ অনুচৰ চক্ৰবাত অসুৰে কৃষ্ণক হৰণ কৰিলে, আকাশত ভগৱান শ্ৰীকৃষ্ণই ডিঙি চেপি মাৰিলে আৰু কৃষ্ণক হিয়াত লৈ ভূমিত পৰিলহি আৰু তেতিয়াহে যশোদাৰ মনলৈ শান্তি ঘূৰি আহিল।

৬৫৪ কৃষ্ণই চল কৰি মাক যশোদাৰ আগত মুখ মেলি হাঁহি মাৰি দেখুৱালে। যশোদাই কৃষ্ণৰ মুখৰ ভিতৰতে সমস্ত জগত দেখিবলৈ পালে। এনে অদ্ভুত দৃশ্য দেখি যশোদাৰ সৰ্ব্বশৰীৰ কঁপি উঠিল আৰু চকু মুদি দিলে।

৬৫৫ বসুদেৱে গৰ্গ ঋষিক পঠালে আৰু তেওঁ আহি কৃষ্ণৰ জাতকৰ্ম্ম সম্পন্ন কৰিলে গোপনীয়ভাৱে। নন্দ ৰজাৰ আগত ঋষিয়ে তেওঁৰ গুণ বিৱৰি ক'লে আৰু বিধিমতে নাম থলে কৃষ্ণ।

৬৫৬ কৃষ্ণই আঠুকাঢ়ি ব্ৰজৰ মাজে মাজে বগাই ফুৰিলে (ৰিঙ্গপাৰি-বগাই ফুৰা), সোণৰ সৰু জুনুকাৰ মালা ককাঁলত বাজে, বৃক্ষৰ মাত শুনি চমক খাই উলটি চাই তৎক্ষণাত গৈ মাকক সাবটি ধৰেগৈ।

৬৫৭ দামোদৰে থিয়দণ্ডা দিব পৰা হোৱাত গোৱালীৰ ঘৰে ঘৰে গৈ নানা উত্তগালি কৰি ফুৰে আৰু গোৱালীবাসীয়ে আনন্দতে কৃষ্ণৰ দুষ্টামিৰ কথা যশোদাক কয়গৈ।

৬৫৮ হে মাই যশোৱা, তোমাৰ পুত্ৰ বৰ দুষ্ট হৈছে, কৃষ্ণৰ অত্যাচাৰৰ বাবে আমি আৰু শান্তিৰে থাকিব নোৱাৰা হৈছো। হয় গাইজনী মেলি দিয়ে গাখীৰ খীৰোৱাৰ আগতে, নহয় ঘৰত সোমাই দধি-দুগ্ধ খাই অন্ত কৰে।

৬৫৯ দুষ্ট (চাণ্ড) কৃষ্ণই নিজে কোবাৰ উপৰিও বানৰকো খুৱায়, কোবাই কোবাই ভাণ্ডবোৰো ভাঙি পেলায়, ঢুকি নাপালে উড়লত উঠি শিকিয়াৰ পৰা নমাই আনে।

৬৬০ কৃষ্ণই গাত পিন্ধি থকা বস্ত্ৰগণৰ বাবে পোহৰ ওলায় আৰু আন্ধাৰতো লুকুৱাই থোৱা বস্তুবোৰ বিচাৰি পায়। বস্তু নাপালে কেঁচুৱাক জগাই মাৰ-কিল কৰি শৌচ কৰি থৈ যায়।

৬৬১ এতিয়া মাৱাৰ কোলাত তুমি শুই আছা আৰু ভয়ত তললৈ মুখ কৰিছা। যশোদাই অৱশ্যে পুত্ৰক মৰমতে একো নকয়।

৬৬২ পুত্ৰ কৃষ্ণই ভয় কৰা যেন দেখি চুমা খাই বুকুত সাবটি লয়। মাধৱৰ শিশু লীলা -সকলোৱে শুনাইক। হৰি হৰি বুলি পাপবোৰ আঁতৰোৱা।

তৃতীয় কীৰ্ত্তন

ঘোষা হে কেশৱ, হে কৃষ্ণ, হে করুণা সিন্ধু (করুণা সাগৰ)
হে জগন্নাথ (জগতৰ স্বামী) হে অনাথৰ বন্ধু (আশ্রয়হীনৰ আশ্রয়), মোক উদ্ধাৰ কৰা, পৰিত্ৰাণ কৰা। ৫৯।।

পদ ৬৬৩ এইদৰে শিশু কৃষ্ণই ব্ৰজত অতি আনন্দ মনে নানা ক্ৰীড়া-কৌতুক কৰি ফুৰিবলৈ ধৰিলে। বলোভদ্ৰ প্ৰমুখ্যে গোপশিশুসকলে কৃষ্ণৰ বিপক্ষে যশোদাৰ আগত লগালৈগে যে কৃষ্ণই এচপৰা মাটি খাইছে।

৬৬৪ যশোদাৰ আগত লগোৱা কথা আচলতে মিছা (খেল)। যশোদাই সঁচাকৈ কৃষ্ণই মাটি খাইছে বুলি কৃষ্ণক হাতত ধৰি ললে।

৬৬৫ হে গোপাল,তই কিয় মাটি খাইছিলি? তোক আজি কোবাই ছাল ছিঙিম। কৃষ্ণই যশোদালৈ চাই মাতেই হেৰাল, মাত্ৰ চকু ঘোপা কৰি মাকলৈ খঙেৰে চালে।

৬৬৬ ভয়তে কৃষ্ণৰ হাত-ভৰি কঁপিবলৈ ধৰিলে। যশোদাই দেখিলে যে কৃষ্ণই বৰ ভয় খাইছে, মুখলৈ চালে মৰমো লাগে। মাটিনো কিয় খাইছিলি বুলি সুধিলে।

৬৬৭ লগৰীয়া শিশুগণে কৈছে আৰু তোৰ ককায়েৰা বালোৱেও কৈছে। কৃষ্ণই মাকলৈ চাই ক'লে -আই, এই সকলোৱে মিছা কথা কৈছে।

৬৬৮ মই কেতিয়াও মাটি খোৱা নাই, দাদা বলোভদ্ৰয়ো মিছাকৈ কৈছে। যদি বিশ্বাস কৰা নাই -ভালকৈ বিচাৰ কৰি চোৱা। তেতিয়া যশোদাই ক'লে-

৬৬৯ যদি মাটি খোৱা নাই মুখখন মেলি দেচোন। তেতিয়া শিশুৰূপী বনমালীয়ে মুখখন বৰ ডাঙৰ কৰি মেলি দি ক'লে, চোৱা।

৬৭০ যশোদাই দেখিলে যে- সমস্ত জগত কৃষ্ণৰ গৰ্ভতে বিৰাজমান হৈ আছে - সাতটা দ্বীপ, সাতখন সাগৰ, পৰ্ব্বত, অৰণ্য, নদী, গাঁও, নগৰ আদিসমূহো দেখিবলৈ পালে।

৬৭১ মহাবায়ু, সূৰ্যমণ্ডল, চন্দ্ৰ,দিক, মহাকাশ,নক্ষত্ৰগণ,সমস্ত জীৱ, জ্যোতি আৰু তেজমণ্ডল,জল, সত্ব-ৰজ-তম-গুণ, ইন্দ্ৰিয়গণ শক্তিক গৰ্ভতে যশোদাই দেখা পালে।

৬৭২ মন, বুদ্ধি, মহাকাল, কৰ্ম্মাদি গৰ্ভতে তেওঁ দেখিবলৈ পালে। তদুপৰি গাইসমূহ, গোপগণ, গোপীসকল আৰু তাত নিজকো দেখা পালে।

৬৭৩ *সতী যশোদাই পৰম শঙ্কাত অভিভূত হ'ল আৰু এনে অদ্ভুত কাৰ্য দেখি ক'বলৈ ধৰিলে -মোৰ ভ্ৰমেই হৈছে নেকি? মহামোহত পৰি কি* দেখিছো এইবোৰ? ই দেৱতাৰ মায়া নে স্বপ্ন?

৬৭৪ মোৰ পুত্ৰই কিবা মায়া জানে নেকি? মই একো স্থিৰ কৰিব পৰা নাই। মোৰ পুত্ৰ মানুহ নহয়, এওঁ নিশ্চয়ে বিষ্ণু বা বিষ্ণুৰ আদি পুৰুষ।

৬৭৫ এইবুলি কৈ যশোদাই মন স্থিৰ কৰি হাতযোৰ কৰি কৃষ্ণক স্তুতি কৰিবলৈহে ধৰিলে- যি ব্ৰহ্মক তৰ্কেৰে ঢুকি পোৱা নাযায়,যাক মনেৰে *বিচাৰি নাপায়, বাক্যেৰে ঢুকি নাপায়–*

৬৭৬ তোমাৰ উৎপত্তিও নাই, মৰণো নাই আৰু সেইজনকে সদায় চৰণত প্ৰণাম কৰোঁ। মই যশোদা বুলি, মোৰ পুত্ৰ বুলি আৰু মোৰ স্বামী ব্ৰজৰ অধিকাৰী-

৬৭৭ এইবুলি সদায় অহঙ্কাৰ কৰোঁ। যাৰ মায়াত উপজোঁ, মৰো সেই জগতৰ স্বামীৰ বাহিৰে গতি নাই। গতিকে মই আৰু মোৰ ভাৱত যি অহঙ্কাৰ কৰিছোঁ তেনে কুমতি দূৰ কৰা।

৬৭৮ যশোদাই এনেদৰে কৰা স্তুতিত তিনি জগতৰ অধিকাৰী কৃষ্ণই ভাবিলে যে সতী যশোদাই তেওঁক বিষ্ণু বুলি জানিলে,সেয়ে বৈষ্ণৱী মায়াৰ দ্বাৰা মাতৃ যশোদাৰ বিষ্ণু জ্ঞান দূৰ কৰিলে।

৬৭৯ লগে লগে কৃষ্ণক মনুষ্য বুদ্ধিৰে পুত্ৰ বুলি ভাবি ধূলি গুচাই কোলাত যশোদাই তুলি ললে। মুখত চুমা খাই তেওঁ স্তন দিলে আৰু নিজৰ আয়ুস দি পুত্ৰক দীৰ্ঘজীৱী কৰিলে।

৬৮০ যাৰ মহিমা ব্ৰহ্মায়ো নাজানে, চাৰিবেদেও যাক কৈ শেষ কৰিব নোৱাৰে তেনে মাধৱক নন্দ-যশোদাই কিনো তপ কৰি পুত্ৰ হিচাবে লাভ কৰিলে।

৬৮১ সুনন্দ আদি যোগীসকলে চিন্তা কৰিও যাৰ চৰণ লাভ কৰিব নোৱাৰে তেনে পৰম ব্ৰহ্মাই যশোদাৰ পুত্ৰ হ'ল– ই অতি অদ্ভুত কথা।

৬৮২ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰদেৱে ৰচনা কৰা শিশু লীলা সকলোৱে শুনাইঁক। এই অমৃত কথা শ্ৰৱণ কৰিলে বৈকুণ্ঠ লাভ হয় বাবে সদায়ে হৰি ঘোষিব লাগে।

চতুৰ্থ কীৰ্ত্তন

ঘোষা হে কৰুণাৰ আধাৰ কৰুণাময়, তুমিয়েই ৰাম আৰু কৃষ্ণ, তুমিয়েই পৰম পুৰুষ ৰঘুপতি ৰাম।। ৬০।।

পদ ৬৮৩ এদিন নন্দ পত্নী যশোদাই দধি মথিবলৈ লয়। কৃষ্ণৰ শৈশৱ কালৰ লীলা-মালাক স্মৰণ কৰি কৰি কৃষ্ণ-গীত গাবলৈ ধৰিলে।

৬৮৪ পাতৰ কাপোৰ পৰিধান কৰি দিব্য বেশত কঁকালত কাঞ্চি মেৰাই লৈছিল (মেখলা-কাঞ্চি)। পুত্ৰৰ প্ৰতি থকা প্ৰেমত যশোদাৰ স্তন যুগলৰ পৰা দুগ্ধ নিগৰি ওলাইছিল আৰু মথনি মাৰি আঁজোৰাত স্তনদ্বয় হুলফুল কৰিছিল।

৬৮৫ মন্থন কৰোঁতে তেওঁৰ কেয়ুৰ, খাৰু ৰুণঝুণকৈ বাজি উঠিছিল, মুখমণ্ডলত ঘাম-বিন্দুবোৰ নিৰ্গত হৈছিল, কাণত থকা কুণ্ডল দোলিছিল আৰু খোপাত পিন্ধা মালতী ফুলৰ থোপাবোৰ খহি পৰিছিল।

৬৮৬ এইদৰে মন্থন কৰি থকা অৱস্থাতে কৃষ্ণই মাক যশোদাৰ মথনি মাৰিত ধৰি মন্থন কাৰ্য্যত বাধা জন্মায়।

৬৮৭ যশোদাই কৃষ্ণক কোলাত লৈ স্তন দি থাকোতে গাখীৰ উথলি আহি পৰিবলৈ ধৰাত পুত্ৰক পেলাই থৈ লৰৰি গ'ল।

৬৮৮ স্তন পান কৰিবলৈ নাপাই কৃষ্ণৰ খঙত ওঁঠ কঁপিবলৈ ধৰিলে। দাঁত কামুৰি শিলগুটি মাৰি গাখীৰৰ ভাণ্ডকে ভাঙি পেলালে।

৬৮৯ অতি খঙত কোঠাত সোমাই লৱণু খাবলৈ ধৰিলে। যশোদাই গাখীৰ নমাই আহি দেখিলে যে গাখীৰ থোৱা পাত্ৰ ভাঙি থোৱা আছে।

৬৯০ এই কাম কৃষ্ণৰ বুলি জানি যশোদাই কৃষ্ণক বিচাৰি গৈ দেখিলে যে উড়লৰ ওপৰত বহি কৃষ্ণই চুৰ কৰি গাখীৰ খাই আছে।

৬৯১ শিকিয়াৰ পৰা ক্ষীৰ নমাই আনি তেওঁ বান্দৰকো খুৱায় আৰু ভয়ে বয়ে শব্দ নোহোৱাকৈ (সাৰি-শব্দ) থাকে। যশোদাই মাৰি হাতত লৈ খেদি যায়।

৬৯২ যশোদাই কোবাব বুলি কৃষ্ণ দৌৰি পলায় আৰু যশোদাই পাছে পাছে খেদি ফুৰে।

৬৯৩ যিজনক যোগীয়েও ধ্যানত নাপায়, তেনে হৰিয়ে মাকৰ ভয়ত পলাব ধৰিছে। তপিনাৰ ভৰত লৰিব নোৱাৰা যশোদাই ভয়ত পলোৱা কৃষ্ণক

সপ্তম কীৰ্ত্তন

ঘোষা হে কৃষ্ণ তোমাক নমস্কাৰ জনাওঁ, তুমি নিৰঞ্জন (মায়াহীন) আৰু তুমি দুঃখ হৰণকাৰী হৰি। ৬৩।।

পদ ৭২৪ কংসৰ অনুচৰ অঘাসুৰে বাটত ছদ্মবেশেৰে সৰ্পহৈ মুখ মেলি আছিল। তাৰ শৰীৰ পৰ্ব্বতৰ সমান, মুখখন গহ্বৰৰ দৰে।

৭২৫ উৰ্দ্ধ ওঁঠ স্বৰ্গচোৱা আৰু তলৰ ওঁঠ মাটিত লগা, জিভাখন ৰাজআলিৰ দৰে। কৃষ্ণই গোবৎস লৈ সেইফালে আহিল।

৭২৬ গোৱাল আৰু দামুৰি আদিয়ে চিনিব নোৱাৰি অঘাসুৰৰ মুখত প্ৰৱেশ কৰিলে। কৃষ্ণই ভকতসবৰ আসন্ন বিপদ দেখি নিজেও অঘৰ মুখ গহ্বৰত প্ৰৱেশ কৰিলে।

৭২৭ সকলো মুখত সোমোৱাত অঘাসুৰে মুখখন টানকৈ জপাই ধৰিলে আৰু দৈত্যগণে অট্টহাস্য কৰিলে। দেৱগণে দেখি হাহাকাৰ কৰিলে, কৃষ্ণই তাৰ ডিঙিৰ বাট বন্ধ কৰি পেলালে।

৭২৮ পেটত বায়ু বৃদ্ধি কৰি ওখহাই পেলালে। মূৰেদি তাৰ প্ৰাণ বাজ হৈ গ'ল। কৃষ্ণৰ স্পৰ্শত তাৰ কৰ্ম্মবন্ধ বিনাশ ঘটিল আৰু অঘাসুৰ মৰি কৃষ্ণত বিলীন হ'ল।

৭২৯ তাকে দেখি দৈত্যসকলৰ মাত হেৰাল আৰু দেৱগণে আনন্দত পুষ্পবৃষ্টি কৰিলে। হৰিয়ে অমৃত দৃষ্টিৰে চোৱাত গোৰক্ষ-দামুৰি জী উঠিল।

৭৩০ সকলোৰে তাৰ পৰা আঁতৰি আহি বাংশী বজাই দামুৰি চৰাই ফুৰিলে। সেই সময়তে ব্ৰহ্মাই আহি সমস্ত গোৰক্ষ-দামুৰি চুৰ কৰি নিলে।

৭৩১ ব্ৰহ্মাই মায়া কৰি গহ্বৰৰ ভিতৰত সমস্ত গোৰক্ষ আৰু দামুৰি ৰাখি থলে। দামোদৰে কাকো নেদেখি বুজিলে যে ব্ৰহ্মাইহে এই কাম কৰিছে। গতিকে নিজেই গোৰক্ষ-দামুৰি হ'ল।

৭৩২ গোৱাল-গোৱালিনীয়ে গোৰক্ষ-গৰু চিনিবই নোৱাৰিলে আৰু আগৰ গৰু বুলিয়েই প্ৰতিপালন কৰি থাকিল। ব্ৰহ্মাই আহি দেখিলে যে সেইখিনি গোৰক্ষ-দামুৰি দেখোন ইয়াতে আছে।

৭৩৩ ব্ৰহ্মাই অতি আচৰিত হৈ চাবলৈ ধৰিলে। কৃষ্ণই মায়া কৰি গোৰক্ষ-দামুৰিৰ ৰূপ এৰি প্ৰত্যেকেই চতুৰ্ভুজৰূপ ধাৰণ কৰিলে।

৭৩৪ তেওঁৰ শৰীৰৰ বৰণ ঘনশ্যাম, দেহত পীতবস্ত্ৰ, কেয়ুৰ কঙ্কণে শোভিত,

হৃদয়ত শ্ৰীবৎসৰ শাৰীৰে সুশোভিত।

৭৩৫ শঙ্খৰ দৰে কণ্ঠত কৌস্তুভ মণি, ডিঙিত ভৰিলৈকে পৰা বনমলাই জিলমিলাই আছে বক্ষস্থলত। কৰ্ণত তেওঁৰ মকৰ কুণ্ডলে শোভা কৰিছে।

৭৩৬ শঙ্খ, চক্ৰ, গদা, পদ্ম চতুৰ্ভূজত ধাৰণ কৰি হৰিয়ে দেখা দিলে। প্ৰতিজনৰ দেহতে এনে চতুৰ্ভূজ ৰূপ ব্যক্ত হ'ল। চৰাচৰ জগতে তেওঁক সেৱা জনালে।

৭৩৭ মোহগ্ৰস্ত হৈ ব্ৰহ্মাৰ মাত হেৰাল, সকলোৰূপ এৰি পূৰ্ব্বৰ দৰে হৰি বিৰাজমান হৈ আছে। হংসৰ পৰা নামি আহিল ব্ৰহ্মা।

৭৩৮ সোণৰ মাৰি মাটিত পৰাৰ দৰে ব্ৰহ্মাই নিজৰ সুৱৰ্ণময় কায় ভূমিত পৰি মাধৱৰ দুই পদ্ম-চৰণত চতুৰ আননৰ মুকুটৰ স্পৰ্শ দি সেৱা জনালে।

৭৩৯ আনন্দত চকুৰ লোতক নিগৰি গৈ হৰিৰ চৰণকমলত পৰিলগৈ, দুয়ো ভৰিত ধৰি ধৰি হৰিৰ অনন্ত মহিমা সোঁৱৰণ কৰিলে - ব্ৰহ্মাদেৱে।

৭৪০ মুকুন্দক কথমপিহে চাই চাই কৃষ্ণ কৃষ্ণ জপি জপি ব্ৰহ্মাই অনেক ধৰণে ভকতি যাচিলে আৰু স্তুতি কৰিবলৈ ধৰিলে।

৭৪১ সমাজে কৃষ্ণ কথা শুনক, ভাৰতত জন্মলৈ হৰি কথা শুনাটো পৰম ভাগ্যৰ কথা। ইয়াক কেতিয়াও বৃথায়ে যাবলৈ দিব নালাগে। হৰি নাম লৈ মুকুতি লাভ কৰক।

ষষ্ঠ কীৰ্ত্তন

ঘোষা ৰাম, তোমাৰ চৰণত ধৰিছোঁ,
হে স্বামী, আমি যেন তৰিব পাৰোঁ। ৬২।।

পদ ৭১৩ এইবাৰ কংসৰ আদেশত দানৱে বকাসুৰ হৈ কৃষ্ণক ঠোঁটেৰে ধৰি গিলি পেলালে। গোপগণে তাকে দেখি মৰো মৰো হ'ল। কৃষ্ণৰ প্ৰভাৱত তাৰ তালুত জুই জ্বলি উঠিল আৰু বকে বমি কৰি কৰি মূৰ্চ্ছা গ'ল। (ছাদিল- বমি কৰিলে)।

৭১৪ বকে পুনৰ গিলিবলৈ অহাত কৃষ্ণই তাক বিৰিণাৰ পাত (পোথা) ছিৰাৰ দৰে ছিৰি পেলালে। ধেনুকাসুৰকো সবান্ধৱে বধ কৰি গোপ শিশুগণক তালফল খুৱালে।

৭১৫ ময়দানৱৰ পুত্ৰ ব্যোমে গোপৰূপ ধৰি গোপ শিশুসকলক চুৰ কৰি নি গহ্বৰত সোমোৱাই শিল দি লুকুৱাই ৰাখিলে। কৃষ্ণই ব্যোমাসুৰক বধ কৰি শিশুসকলক উদ্ধাৰ কৰি আনিলে।

৭১৬ বনজুয়ে গৰু আৰু গোপশিশুসকলক বেঢ়ি ধৰাত সকলোৱে কৃষ্ণত শৰণ ললে আৰু কৃষ্ণই চকু মুদি ক্ষন্তেকতে সকলোকে যোগবলেৰে গোকুললৈ আনিলে।

৭১৭ সৰ্পই নন্দক গিলিবলৈ ধৰাত কৃষ্ণৰ পৰশত সৰ্পই দিব্যৰূপ ধৰি শাপমুক্ত হৈ বিদ্যাধৰৰ স্থানলৈ গতি কৰিলে। গোপগণে এই দৃশ্য দেখি আচৰিত হ'ল।

৭১৮ গোপ-গোপীসকলে শয়ন কৰি থাকোতে কৃষ্ণই যোগবলে বৈকুণ্ঠলৈ নি বৈকুণ্ঠবাসীৰ মহিমা দেখুৱাই পুনৰ গোকুললৈ আনিলে।

৭১৯ বৰুণৰ দূতে নন্দক ধৰি অপহৰণ কৰিছিল আৰু কৃষ্ণই বৰুণৰ পৰা কৃষ্ণক উদ্ধাৰ কৰি আনে। কৃষ্ণৰ মহিমাৰ কথা শুনি সকলোৱে আশ্চৰ্য প্ৰকাশ কৰিলে।

৭২০ ইন্দ্ৰই সপ্তদিন বৰষুণ দিয়ালে,কৃষ্ণই এখন হাতেৰে গোবৰ্দ্ধন পৰ্ব্বত দাঙি ধৰিলে আৰু তাৰ তলত সোমাই গোপ নগৰে উদ্ধাৰ পালে। কৃষ্ণই এইদৰে ইন্দ্ৰৰ দৰ্পচূৰ্ণ কৰিলে।

৭২১ ইন্দ্ৰই হৰি নিয়া সুৰভিবোৰক লৈ গোৰ অৰ্থাৎ বেদৰ অধিপতি পাতি অভিষেক পাতিলে আৰু কৃষ্ণক অনেক প্ৰকাৰে ভক্তি প্ৰদৰ্শন কৰি

স্বৰ্গলৈ গমন কৰিলে আৰু সেইদিন ধৰি কৃষ্ণৰ নাম গোবিন্দ হ'ল।

৭২২ গোপ কুমাৰীসকলে পাৰত বস্ত্ৰ থৈ বিবস্ত্ৰ হৈ যমুনাত স্নান কৰিবলৈ নামিল। কৃষ্ণই বস্ত্ৰবোৰ লৈ কদম্ব গছত তুলি গোপনাৰীক নানা উপহাস কৰিলে আৰু অৱশেষত বস্ত্ৰ ঘূৰাই দিলে।

৭২৩ কৃষ্ণৰ গীত শঙ্কৰদেৱে ৰচনা কৰিলে। এইবোৰ কীৰ্ত্তন কৰাৰ বাদে আন ধৰ্ম্ম নাই। হে লোক, ক্ষণস্থায়ী জীৱনত চেতনা থকালৈকে হৰি হৰি বোলা।

খেদিবলৈ ধৰিলে।

৬৯৪ লৰি যাওঁতে যশোদাৰ খোপাৰ পৰা মালতী ফুল খহি পৰে। গোবিন্দই মাকৰ কষ্ট দেখি চকু মুদি কান্দি কান্দি ৰৈ গ'ল।

৬৯৫ ভয়ভাৱেৰে যশোদালৈ চাই থকা দেখি হাতত ধৰি কয় - পাত্ৰ ভাঙি গাখীৰ খাই এতিয়া ক'ত সাৰিবি, আজি তোক মজা দিম।

৬৯৬ সমস্ত লৱণু শেষ কৰিলি বুলি মাৰি এৰি কৃষ্ণক বান্ধিবলৈ যো-জা কৰিলে।

৬৯৭ যাৰ আদি নাই, অন্ত নাই, পূৰ্ব্বাপৰ নাই, যিজন জগতৰ ঈশ্বৰ, পূৰ্ণ ব্ৰহ্ম, তেওঁক পুত্ৰ বুলি ভাবি উড়ালত বান্ধিবলৈ ধৰিলে।

৬৯৮ কৃষ্ণক ধৰি জৰীৰে বান্ধিবলৈ ধৰে যদিও দুআঙুল নোজোৰে। পুনৰ জৰী আনি বান্ধিবলৈ ধৰিলে, জোৰা দি দি বান্ধেহে বান্ধে দুআঙুল কম হয়।

৬৯৯ আকৌ জৰী আনি যশোদাই টানি টানি গাৰ জোৰেৰে বান্ধিবলৈ ধৰে যদিও দুআঙুল নাটে।

৭০০ ঘৰত যিমান জৰী আছে সকলোখিনি জোৰা দিও বান্ধিব নোৱাৰিলে। উড়লত কৃষ্ণক বান্ধিব নোৱাৰিলে– দুআঙুল কম হোৱাৰ বাবে।

৭০১ গোপীগণে দেখি হাঁহিবলৈ ধৰিলে আৰু যশোদাও আচৰিত হ'ল। যশোদাৰ শৰীৰৰ ঘাম ববলৈ ধৰিলে।

৭০২ মাকৰ দুখ দেখি কৃষ্ণই নিজেই উড়ালত বান্ধ খালে। জগতৰ ঈশ্বৰ হৈয়ো ভক্তা যশোদাৰ বশ হ'ল।

৭০৩ ব্ৰহ্মা, লক্ষ্মী, মহাদেৱেও নোপোৱা অনুগ্ৰহ যশোদাই লাভ কৰিলে। এই গোপীয়েনো কি তপস্যা কৰিছিল?

৭০৪ হে হৰি, তুমি ভকতৰ অধীন; ভক্তই ঘৰতে থাকি সহজে তোমাক লাভ কৰিব পাৰে। শঙ্কৰদেৱে এই পদ ৰচনা কৰিলে। সভাসদ সকলে হৰি হৰি বোলা।

পঞ্চম কীৰ্ত্তন

ঘোষা হে ৰাম, গোপাল, হৰি, তুমিয়েই গোবিন্দ, হৰি আৰু ৰাম। ৬১।।

পদ ৭০৫ মাকক গৃহকৰ্ম্মলৈ যোৱাৰ সুযোগ পাই কৃষ্ণই আঁঠুকাঢ়ি উঢ়াল টানিবলৈ ধৰিলে। অৰ্জ্জুন গছত লাগি উঢ়ালটো পথালি হ'ল আৰু কৃষ্ণই কঁকালত বলদি টানিবলৈ ধৰিলে।

৭০৬ উঢ়াল বৰকৈ টনাত অৰ্জ্জুন গছ দুজোপা উঘালি পৰিল। কুবেৰৰ দুই পুত্ৰই শাপভ্ৰষ্ট হৈ অৰ্জ্জুন গছ হৈ আছিল আৰু দুই পুত্ৰ মণিগ্ৰীৱ আৰু নলকুবেৰে কৃষ্ণক নমস্কাৰ জনাই নিজ স্থানলৈ গতি কৰিলে।

৭০৭ কিবা ডাঙৰ ঘটনা হ'ল বুলি গোপবোৰে খেদি আহিল আৰু নন্দয়ো দেখিলে কৃষ্ণ বন্দী হৈ আছে। কোনে এনে কৰিছিল বুলি হাঁহি হাঁহি নন্দই বান্ধ খুলি কৃষ্ণক কোলাত ললে।

৭০৮ নন্দ-যশোদাৰ মহাভাগ্য যে পূৰ্ণব্ৰহ্ম তোমাক গৃহতে লগ পালে। এইদৰে ভকতক আনন্দ দান কৰি নাৰায়ণে শিশুলীলা-মালা কৰিবলৈ ধৰিলে।

৭০৯ কোনো সময়ত গোপীসকলে কৃষ্ণক গীত গাবলৈ কয় আৰু তেওঁ গীত গাই নৃত্য কৰি গোপীক আনন্দ দিয়ে। গোপীৰ কথা মতে ছাঁয়া পুতলাক নচোৱাৰ দৰে অঙ্গিভঙ্গি কৰি নৃত্য কৰে। (মালড়ি- অঙ্গিভঙ্গি)।

৭১০ কেতিয়াবা গোপীৰ আদেশত ভৰিৰ খৰমযোৰকে ধৰি থাকে। হৰিয়ে গোকুলত কোনো কৰ্ম্ম কৰিবলৈ বাকী নাথাকিল। জগতক তেওঁ ভকতৰ বশ্য হৈ দেখুৱালে।

৭১১ পোহাৰীয়ে কোনে ফল ল'বা বুলি চিঞৰাত তুমি ধান দি ফল খুজিলে। তোমাৰ হাত ভৰাই ফল দিলে আৰু তাৰ বিনিময়ত পোহাৰীৰ পাচি সোণেৰে উপচি পৰিল।

৭১২ কংসই পঠোৱা দানৱ এটাই বৎসৰূপ ধৰি কৃষ্ণক বধ কৰিবলৈ অহাত কৃষ্ণই নেজ আৰু পাছ ভৰি জপতিয়াই ধৰি ওপৰলৈ ঘূৰাই দলিয়াই দিলে আৰু বেলগছ (কপিত্থ) ত পৰি মৃত্যু হয়।

অষ্টম কীৰ্ত্তন

ঘোষা ৰামেই নিৰঞ্জন, ৰামেই নিৰঞ্জন আৰু হৰি।
সেই ৰাম, নিৰঞ্জন আৰু হৰিক নমস্কাৰ কৰোঁ। ৬৪।।

পদ ৭৪২ হে গোপৰূপত থকা ঘনশ্যাম, তোমাৰ গাত পীতবস্ত্ৰ, হাতত শিঙা, বেত, বেণুৱে শোভা কৰিছে, তোমাক নমস্কাৰ কৰোঁ। তোমাৰ কাণত লাটুমণি গুটি (গুঞ্জাৰ) ৰ থোপা, মূৰত মৈৰাপাখি বন্য পুষ্পমালা পিন্ধি গৰু চৰাই ফুৰিছা।

৭৪৩ এই শৰীৰতে যিমানবোৰ মহিমা বিৰাজমান হৈ আছে তাক কোনেও সীমা দিব নোৱাৰে। তোমাত পৰম ব্ৰহ্মাৰ সৰ্ব্বলক্ষণ থকাতো তাক জানিবৰ শকতি কাৰো নাই।

৭৪৪ হে ঈশ্বৰ, তোমাক ভক্তি কৰিলে মুক্তি ৰস নিগৰি ওলায়; এনেহেন ৰসময়ী ভকতি এৰি যিজনে জ্ঞানমাৰ্গত ৰতি কৰে তেওঁ মাত্ৰ ক্লেশ হে ভোগ কৰে আৰু ব্যৰ্থ প্ৰয়াস কৰে মাত্ৰ। কাৰণ পতান ধানৰ বাকলি আঁতৰালেও চাউল (তণ্ডুল) পোৱাৰ আশা কৰা অমূলক।

৭৪৫ যিসকলে কৰ্ম্মফলত অতীষ্ঠ হৈ তোমাৰ কৃপা পাৰ্থী হৈ থাকে, তেওঁলোকে কায়-বাক্য-মনেৰে তোমাৰ চৰণ চিন্তিলে মুকুতি পদ পোৱাৰ যোগ্য হয়।

৭৪৬ হে ভগৱান, মই যে কিমান জ্ঞানশূণ্য তুমি নিশ্চয়ে জানা, কাৰণ তুমি মায়াৰ অধিকাৰী, অনাদি, অনন্ত। মায়াত লিপ্ত হৈ তোমাক মই কেনেকৈ পৰীক্ষা কৰিম। মায়াহীন হ'লেহে তোমাক লাভ কৰিব পাৰিম। অগ্নিৰ আগত মই সাধাৰণ ফিৰিঙ্গতিহে।

৭৪৭ মোৰ চকু থাকোতেও অন্ধ হৈছো, কাৰণ তোমাক অৱহেলা কৰিছোঁ। আচল ঈশ্বৰক এৰি মই ভিন্ন বুদ্ধিৰে অন্য দেৱকহে ঈশ্বৰ জ্ঞান কৰিছোঁ; গতিকে মোৰ অজ্ঞানতাৰ বাবে মোৰ দোষ ক্ষমা কৰিবা কাৰণ তুমি জগতৰ আধাৰ, মোক এই কৃপা কৰা প্ৰভু যেন মই তোমাৰ দাসৰো দাস হ'ব পাৰো।

৭৪৮ মাকৰ গৰ্ভত থকা সন্তানে মাতৃৰ গৰ্ভত ভৰিৰে আঘাত কৰে (ঘাৰৈ পাৰে) যদিও মাকে দোষ নধৰাৰ দৰে ভগৱন্তৰ গৰ্ভত আমি চৰাচৰ সকলোবোৰ আছোঁ। আমাৰো দোষ হে দামোদৰ, সন্তান বুলি ক্ষমা কৰা।

৭৪৯ হে প্ৰভু, এই ব্ৰহ্মাপদো আমি নিবিচাৰোঁ, কৰ্ম্মফল অনুসাৰে কীট-পতঙ্গৰ জন্ম ললেও তোমাৰ সেৱক হিচাবে, তোমাৰ ভক্তগণৰ মাজত যেন এজনহৈ থাকিব পাৰো- ইয়াকেহে মাগোঁ।

৭৫০ এই গোকুলৰ গোপী, ধেনুবোৰৰনো কি সৌভাগ্য যে স্বয়ং দামোদৰে এই সকলৰ স্তন পান কৰি কৃতকৃত্য কৰিলে। অশ্বমেধ আদি মহাযজ্ঞ কৰিও তোমাক সন্তোষ্ট কৰিব নোৱাৰে।

৭৫১ ব্ৰজৰ প্ৰজাৰ কি মহান ভাগ্য যে পূৰ্ণ ব্ৰহ্ম হৰিক মিত্ৰ হিচাবে লগ পালে। গোকুলৰ বৃক্ষ লতায়ো কি পুণ্য সাধিলে যে তোমাৰ চৰণ-কমলৰ মধুৰ পৰশ দিনে ৰাতিয়ে লাভ কৰিবলৈ পালে।

৭৫২ চোৱাচোন,সকলো লোকেই অজ্ঞানী আৰু বৰ্বৰ, কাৰণ তেওঁলোকে তুমি হেন অন্তৰ্যামী ঈশ্বৰক আপোন বুলি ভাবিব নোৱাৰিলে। নিজ শৰীৰটোকে 'মই' অৰ্থাৎ সৰ্বস্ব বুলি ভাবিলে, তেওঁলোকৰ বুদ্ধি ভ্ৰষ্ট হৈছে। দেহস্থ আত্মাক নেওচি বাহিৰত তোমাক বিচাৰিছে।

৭৫৩ সেইবাবে বৃন্দাবনত আনকি তৃণ জন্ম পালেও মহাভাগ্যোদয় হ'ব। কিয়নো ভগৱান কৃষ্ণৰ ভক্ত ব্ৰজবাসীৰ চৰণৰ স্পৰ্শ লাভ কৰিম। আজিও দেৱগণে ব্ৰজত কৃষ্ণৰ পদধূলি বিচাৰি ফুৰে। সেই ব্ৰজবাসীৰ হৃদয়ৰ প্ৰাণকৃষ্ণ হৈছিল।

৭৫৪ পুতনা পাপীষ্ঠীয়ে কৃষ্ণক মাৰিবলৈ স্তন দিছিল কিন্তু তাই বিৰুদ্ধাচৰণ কৰিছিল যদিও কৃষ্ণই তাইক সুদৃষ্টিৰে চাই মুকুতিকহে দান কৰিলে। ব্ৰজবাসীয়ে কৃষ্ণত প্ৰাণকে উৎসৰ্গা কৰিছিল। তথাপিও তেওঁলোকে আৰু কিবা দিব নোৱাৰি খেদহে কৰিছিল।

৭৫৫ যেতিয়ালৈকে খং, লোভ,ক্ৰোধ আদি জীৱই ত্যাগ কৰিব নোৱাৰে, বন্দীশালৰূপী গৃহবাস এৰিব নোৱাৰে, ভৰিৰ শৃঙ্খলৰ দৰে মোহ ত্যাগ কৰিব নোৱাৰে; তেতিয়ালৈকে তোমাৰ (ভগৱান কৃষ্ণৰ) ভকতি পূৰ্ণাঙ্গ হ'ব নোৱাৰে।

৭৫৬ তোমাৰ আগত বহু কথাই বলকিছোঁ, এইবোৰে জানো তোমাক জানিব পাৰিম বা সন্তোষ্ট কৰিব পাৰিম। সেইবাবে কায়-বাক্য-মনেৰে তোমাত শৰণ লোৱাহে সাৰ কথা। কাৰণ তোমাৰ মায়া-ঐশ্বৰ্য্যৰ পাৰ পোৱাটো বৰ কঠিন।

৭৫৭ হে প্ৰভু, তোমাৰ দাস হ'ব বিচাৰোঁ আৰু তোমাৰ চৰণ কমলত দেহ

দশম কীৰ্ত্তন

ঘোষা ৰাম, দেৱ দামোদৰ দয়াশীল আৰু তেওঁক প্ৰণাম কৰোঁ।
তেতিয়াহে কৃষ্ণৰ কৃপা লাভ কৰিব পাৰিম। ৬৬।।

পদ ৭৮২ গোপ-গোপী-গোৱাল-নন্দ-যশোদা আদি মহাভক্তগণৰ দুঃখ দেখি গোপাল কৃষ্ণই গাৰ জোৰেৰে ওফাল মাৰি সৰ্পৰ বান্ধ এৰাই একেজাপে কালীৰ মূৰত উঠি ললে।

৭৮৩ তাৰ এশটা মূৰত হৰিয়ে নৃত্য কৰিব ধৰিলে, বিদ্যাধৰসকলে মৃদঙ্গ ধ্বনি কৰিলে। গন্ধৰ্বসকলে গীত গাই গাই তাল বজালে আৰু কৃষ্ণই নাচিবলৈ ধৰিলে।

৭৮৪ সমস্ত জগতৰ অধিপতিয়ে সৰ্পৰ মূৰত ভিৰ দিয়াত তাৰ নাকে-মুখে তেজ ওলাবলৈ ধৰিলে। নাগপত্নীসকলে স্বামীৰ মৃত্যু আসন্ন বুলি জানি শিশু সকলক আগত লৈ শোকত বিহ্বল হৈ কাষ চাপিল।

৭৮৫ কৃষ্ণৰ সন্মুখত মাটিত পৰি স্বামীৰ জীৱন ভিক্ষা কৰিলে। আমাৰ স্বামীয়ে খণ্ডৰ বশৱৰ্তী হৈ দোষ কৰিলে, তেওঁক সমুচিত দণ্ড বিহা হ'ল। (চণ্ড -বৰ খণ্ডাল)।

৭৮৬ তুমি দুৰ্জ্জনসকলক মৃত্যুদণ্ড দিবৰ বাবেই অৱতাৰ লৈছা। সৰ্পজাতি স্বভাৱতে ক্ৰুৰ স্বভাৱৰ আৰু তুমি দণ্ড দিয়াত তেওঁৰ পাপ ক্ষয় হৈছে।

৭৮৭ হে দয়াশীল হৰি, তোমাৰ ক্ৰোধ বৰৰ সমান ।এওঁ পূৰ্বজন্মত নিশ্চয়ে কিবা তপ কৰিছিল আৰু সেই তপৰ প্ৰভাৱতে তোমাৰ পৰা দণ্ড পাইছে অৰ্থাৎ তুমি তুষ্ট হৈহে দণ্ড দি পাপ ক্ষয় কৰিছা।

৭৮৮ সেইবাবেই এওঁৰ এনে ভাগ্য উদয় হ'ল। তোমাৰ পদধূলা লাভ কৰিলে, যি পদধূলা লক্ষ্মীদেৱীয়েও বাঞ্ছা কৰে আৰু তাৰবাবে তপ ব্ৰত আদিও কৰিছিল।

৭৮৯ ভগৱান, তোমাৰ পদধূলা পালে সৰ্বোত্তম পদকো ভকতে ত্যাগ কৰিব পাৰে।ব্ৰহ্মপদ, স্বৰ্গাদি, যোগ-সিদ্ধিকো ভকতে তুচ্ছজ্ঞান কৰি তোমাক পাবলৈ বিচাৰে।

৭৯০ হে হৰি, তোমাৰ পদৰেণু এৰি মোক্ষকো আভিলাষ নকৰে। ক্ৰুৰমতি স্বামীয়ে ক্ৰোধত হিতাহিত জ্ঞান হেৰুৱাই তোমাৰ অনিষ্ট সাধন কৰি পদধূলাহে লাভ কৰিলে।

৭৯১ ব্ৰহ্মা আদি দেৱতায়ো নোপোৱা পদধূলা এওঁ লাভ কৰিলে বাবে এওঁক ৰক্ষা কৰা প্ৰভু। তোমাৰ চৰণত সেৱা জনাইছোঁ-সন্তুষ্ট হৈ এইবাৰৰ বাবে দোষ ক্ষমা কৰা।

৭৯২ হে প্ৰভু, অনুগ্ৰহ কৰি স্বামীৰ প্ৰাণ নলবা। অনাথ স্ত্ৰী আমাক স্বামী দান দিয়া। অনেক স্তুতি আৰু ভকতিৰ বাবে হৰি সন্তুষ্ট হ'ল।

৭৯৩ কৃষ্ণই তাক প্ৰাণে নামাৰি গতিয়াই (ডাকি) দূৰলৈ খেদাই পঠালে। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই পদ ৰচনা কৰিলে, সমস্ত লোকে হৰি হৰি বোলা।

মনুষ্য তনু লৈ থকাৰ বাবে তেওঁ মনুষ্য চেষ্টা দেখুৱাই শুই পৰিছিল।

৭৭০ ইয়াকে দেখি শিশুসকল মৃতপ্ৰায় হ'ল, গৰুবোৰে ঘাঁহ খাবলৈ এৰিলে, মাত্ৰ কৃষ্ণৰফালে দৃষ্টি কৰি ৰ'ল আৰু চকুলো বৈ আহিল।

৭৭১ গোকুলত উৎপাত লাগিল। গোপ-গোপীবোৰে ভাবিলে -আজি কৃষ্ণৰ লগত বলোভদ্ৰ যোৱা নাছিল; গতিকে কিবা অপায়-অমঙ্গলো হ'ব পাৰে।

৭৭২ নন্দ-যশোদাই ব্যাকুল হৈ কৃষ্ণক চাবলৈ ঢাপলি মেলিলে। তেওঁলোকৰ লগত গোপ-গোপীবোৰ গ'ল। হাঁ কৃষ্ণ, হাঁ কৃষ্ণ বুলি তেওঁলোকে চিঞৰিবলৈ ধৰিলে।

৭৭৩ কৃষ্ণৰ খোজ চাই চাই তেওঁলোক আগবাঢ়িল। কৃষ্ণৰ ভৰিত ধ্বজ, ব্ৰজ, পদ্ম,যৱ, অঙ্কুশৰ চিহ্ন আছে। যশোদাই পুত্ৰ-পুত্ৰ বুলি কৃষ্ণৰ খোজতে ঢলি পৰিছে।

৭৭৪ গোপীগণে যশোদাক ধৰি ধৰি নিছে। গৈ দেখিলে যে জলৰ মাজত চকুৰ পচাৰ নেপেলোৱাকৈ মৃতৰ নিচিনাহৈ কৃষ্ণ পৰি আছে।

৭৭৫ ইয়াকে দেখি গোপ-গোপীসকল মৃতকৰ দৰে হ'ল, চেতনা হেৰাল, প্ৰাণ বাহিৰ হওঁ হওঁ হ'ল, যমুনাৰ তীৰত কৃষ্ণ কৃষ্ণ বুলি আৰ্ত্তনাদ কৰি কান্দিবলৈ ধৰিলে।

৭৭৬ যশোদা সুন্দৰী আৰু গোৱাল নন্দই বাগৰি বাগৰি পৰি লালকাল হ'ল (লোটাৰি পড়ি- বাগৰি ফুৰা) আৰু মোৰ পুত্ৰৰ কি হ'ল বুলি চিঞৰিবলৈ ধৰিলে আৰু দুহাতেৰে বুকুত চপৰিয়াবলৈ ধৰিলে।

৭৭৭ কৃষ্ণৰ মৰমলগা মুখখনিলৈ চাই চাই যশোদাই গুণ বৰ্ণাই কান্দিবলৈ ধৰিলে -গধূলি কোনেনো বাঁহী বজাই গৈ মোক আই বুলি মাতিব?

৭৭৮ ধূলি-মাকতি জাৰি-জোকাৰি কাকনো গা ধুৱাম, কোনেনো গাখীৰ খাবহি, কাকনো কোমল তুলিৰে বিচনা কৰি দিম আৰু পুৱা কাকনো শুই উঠা বুলি জগাম।

৭৭৯ সুন্দৰ বদনে বেণু বজাই কোনে ৰাতিপুৱা গৰু চৰাবলৈ যাব। মোৰ বাপু কৃষ্ণৰ আজি কি হৈ গ'ল, তোৰ সন্তাপ মৰিলেও নাযাব।

৭৮০ এইবুলি কৃষ্ণক চাই চাই কান্দি কান্দি জাপ দিবলৈ গ'ল। বলোভদ্ৰই বাধা দি ক'লে- চিন্তা নকৰিবা, কালীক বিনাশ কৰি শীঘ্ৰে কানাই আহিব।

৭৮১ কৃষ্ণৰ বাবে ক্ৰন্দন নকৰিবা বুলি বলোভদ্ৰই কোৱাত সকলোৱে অলপ সকাহ পালে। কৃষ্ণ ভক্ত শঙ্কৰে এই কথা বিৰচন কৰিলে, সকলোৱে হৰি হৰি বুলি শান্তি লভা।

অৰ্পণ কৰিলো। তুমি সমস্ত জীৱৰে বুদ্ধি-সাক্ষী হিচাবে থাকি সকলোখিনিকেই জানা, গতিকে আজিৰে পৰা মোক তোমাৰ 'দাস' কৰি লোৱা প্ৰভু।

৭৫৮ হে কৃষ্ণ, হে বৃষ্ণি বংশৰ তিলক, হে দেৱ দ্বিজ, পৃথিবীৰ বুদ্ধিদাতা, দুষ্ট দৈত্য-দানৱ-ৰাক্ষসৰ ক্ষয়কাৰী, তোমাৰ চৰণত আমাৰ প্ৰণাম যাছিলো প্ৰভু।

৭৫৯ ব্ৰহ্মাই এইদৰে অনেক স্তুতি-মিনতি কৰিলে তাক পদ দীঘলীয়া হ'ব বুলি ইয়াত প্ৰকাশ কৰা নহ'ল। প্ৰজাপতিয়ে ইয়াকে কৈ মোহহীন হ'ল আৰু কৃষ্ণক তিনিবাৰ প্ৰদক্ষিণ কৰিলে।

৭৬০ ভগৱন্তৰ চৰণত পৰি তেওঁ প্ৰণাম কৰিলে আৰু বিদায় লৈ নিজস্থানলৈ গতি কৰিলে। শঙ্কৰদেৱে কৃষ্ণৰ চৰণত ধৰি কৈছে- হৰি হৰি বোলা, পাপবোৰ তেতিয়াহে নাশ হ'ব।

নৱম কীৰ্ত্তন

ঘোষা হে গোপাল (বেদৰক্ষক) ৰাম, কৃষ্ণ, বনমালী (পঞ্চভূতৰ প্ৰতীক) ,তুমি অশুভ শক্তি অসুৰসমূহক দমন কৰিলা, কালীকো দমন কৰিলা। ৬৫।।

পদ ৭৬১ গোপশিশুৰ সঙ্গত আগত গৰু লৈ, বাঁহী বজাই বজাই কৃষ্ণ ওলাই আহিল (বঝাই-ওলাই অহা) গৰু গোৰক্ষ চৰাই চৰাই গৈ যমুনা নদীৰ কাষ পালেগৈ।

৭৬২ সেই ঠাইতে অৱস্থিত কালীৰ হ্ৰদক চিনিব নোৱাৰি পিয়াহত পানী খালে। হ্ৰদৰ পানী বিষাক্ত আছিল। দাৰুণ বিষাক্ত পানী খাই পোৱালি আৰু গৰখীয়া সকলোবোৰে প্ৰাণ এৰিলে।

৭৬৩ কৃষ্ণই এনে দৃশ্য দেখি মৰ্মাহত হ'ল যদিও অমৃত দৃষ্টিৰে চাই সকলোকে জীয়ালে। কালীক দমন কৰিবলৈ কৃষ্ণ সাজু হ'ল আৰু কঁকালত টঙালি বান্ধি ললে।

৭৬৪ হ্ৰদৰ পাৰৰ কদম্ব গছত উঠি তেওঁ হ্ৰদত জাপ দিলে। লগে লগে ঢৌ উঠলি উঠিল। তাৰ শব্দ চাৰিওফালে গ'ল।

৭৬৫ জলক্ৰীড়া কৰি থকা কালীনাগে বাহু আস্ফালন কৰি খঙেৰে আহি শ্যাম বৰণৰ দেহধাৰী সুন্দৰ দেহৰ কুমাৰক দেখিলে। তেওঁৰ শৰীৰত পীতবস্ত্ৰই অনুপম সৌন্দৰ্য বিস্তাৰ কৰিছিল।

৭৬৬ তেওঁৰ মুখমণ্ডল আনন্দৰে ভৰা, নয়নযুগল পদ্ম-পত্ৰ সদৃশ লাৱণ্য, দাঁত মুকুতামণিৰ নিচিনা, নাসিকা উঠা, মুখত মৃদু হাঁহি, কণ্ঠত কৌস্তুভমণিয়ে প্ৰকাশ কৰিছে।

৭৬৭ বুকুখনি জিল্‌মিলাই আছে আৰু বুকুৰ মাজত শ্ৰীবৎসৰ শাৰী , বাহুযুগল আজানুলম্বিত, উৰুযুগল মনোহৰ আৰু কটিদেশ সুন্দৰ সুঠাম। (কটি-কঁকাল)

৭৬৮ তপিনা দুটি মনোৰম, ভৰি দুখন নৱ প্ৰস্ফুটিত পদুমৰ কোষৰ দৰে; আনন্দ মনেৰে তেওঁ জলত ভ্ৰমি ফুৰিছে। কালীয়ে আহি তেওঁৰ বুকুতে দংশন কৰিলেহি।

৭৬৯ তোমাৰ শক্তি-পৰাক্ৰম নুবুজি কালীয়ে সমস্ত দেহ নেজেৰে মেৰাই ধৰিলে। বিষৰ প্ৰভাৱত তেওঁ কিছুসময় টোপনি গৈ আছিল। কাৰণ

একাদশ কীৰ্ত্তন

ঘোষা হে ৰাম, গোবিন্দ, মুক্তিদাতা মুকুন্দ, মুৰাৰি
(তোমাক প্ৰণাম জনাওঁ) ।। ৬৭ ।।

পদ ৭৯৪ সেই হ্ৰদৰ পানী এতিয়া নিৰ্ম্মল হ'ল আৰু তাকে দেখি সকলোৱে আনন্দিত হ'ল। পুত্ৰ-বান্ধৱ আদি সকলোকে লৈ কালীনাগে সেই হ্ৰদ ত্যাগ কৰিলে আৰু বনমালীয়ে হ্ৰদৰ পাৰলৈ উঠি আহিল।

৭৯৫ যশোদাই কৃষ্ণৰ গলত সাৱটি ধৰিলে আৰু পুত্ৰ পুত্ৰ বুলি চকুলোৰে কৃষ্ণৰ সৰ্ব্বশৰীৰ তিয়াই পেলালে। নন্দয়ো আহি মূৰত চুমা খালে।

৭৯৬ কৃষ্ণক আলিঙ্গন কৰি হেৰাই যোৱা প্ৰাণ যেন ঘূৰাই পালে। গোপ-গোপীসকলে বেঢ়ি লৈ চাবলৈ ধৰিলে আৰু দেহা শান্ত হ'ল।

৭৯৭ বলোৰামেও ভাই বুলি সাৱটি ধৰিলে আৰু কৃষ্ণৰ প্ৰভাৱ জানি হাঁহি মাৰিলে। এইদৰে সকলোৱে শোকৰ পৰা মুক্ত হ'ল আৰু ইতিমধ্যে গধুলি হৈ আহিল।

৭৯৮ যমুনাৰ পাৰতে ৰাতিটো কটালে আৰু ভোকে-পিয়াহে লালকাল হৈ টোপনি গ'ল। সেই সময়ত বনত জুই লাগিল।

৭৯৯ জুইৰ তাপ গোপ-গোপীৰ গাত লগাত সকালো সাৰ পালে আৰু ভয়ত ত্ৰাহি কৃষ্ণ বুলি চিঞৰিবলৈ ধৰিলে।

৮০০ জুঁইত পৰি আমি সকলো মৰিম, হে জগত স্বামী, আমাৰ প্ৰাণ বচোৱা, তোমাৰ বাহিৰে আমাৰ বন্ধু নাই। আমি তোমাৰ ভকত, আমাক ৰক্ষা কৰা মাধৱ বুলি স্তুতি কৰিলে।

৮০১ এইদৰে সকলোৱে কোঢ়াল কৰিলে। ভকতসকলৰ দুখ দেখি কৃষ্ণই ক'লে- ভয় নাই, ভয় নাই—এই বুলি মুখেৰে বনাগ্নিক আনন্দ মনেৰে পান কৰিলে।

৮০২ সকলোৱে দুৰ্ঘোৰ বিপদৰ পৰা ৰক্ষা পৰিল। ইতিমধ্যে সূৰ্যোদয় হ'ল। কৃষ্ণৰ কৰ্ম্ম আচৰিত - সকলোৱে দেখি অবাক হ'ল।

৮০৩ নন্দৰ পুত্ৰ মানুহ নহয়- এওঁক পৰম পুৰুষ বুলি জানি সকলোৱে গৰুচৰণীয়া পথাৰলৈ (গোষ্ঠক-গৰু চৰোৱা পথাৰ) আহি ধেমালি কৰিবলৈ ধৰিলে।

৮০৪ তেওঁলোকে বেণু বজাই বজাই কৃষ্ণগীত গাবলৈ ধৰিলে। আগত

গৰুবোৰ লৈ তেওঁলোকে কৃষ্ণগীত গাই গাই পৰম আনন্দ মনেৰে ব্ৰজলৈ আহিল।

৮০৫ কৃষ্ণ দাস শঙ্কৰে কৈছে - কেতিয়া ক্ষণ্ডেকীয়া দেহৰ অৱসান ঘটে তাৰ ঠিক নাই। সেইবাবে জীৱিত সময়তে সকলোৱে কৃষ্ণৰ চৰণত ধৰি হৰি হৰি বোলা।

কালীয় দমন সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

একাদশ খণ্ড

ৰাস ক্ৰীড়া

প্ৰথম কীৰ্ত্তন

ঘোষা হে নৰলোক, হৰিৰাম বোলা, মুকুন্দ মুৰাৰি বোলা।
হৰি নাম অবিহনে ভব-সাগৰ (সংসাৰ সাগৰ)ৰ পৰা
উদ্ধাৰ হ'ব নোৱাৰি।। ৬৮।।

পদ ৮০৬ শুক মুনিয়ে পৰীক্ষিতক কৃষ্ণৰ চৰিত্ৰ সম্বলিত ৰাসক্ৰীড়াৰ কথা কবলৈ ধৰিলে। ঋতুৰাণী শৰতকালৰ ৰজনী অতি মনোহৰ দেখি কৃষ্ণৰ ৰাস ক্ৰীড়া কৰিবলৈ মন গ'ল।

৮০৭ পূব দিগন্তৰ চন্দ্ৰমাই ভূমুকি মাৰি যেন কামাতুৰা স্ত্ৰীৰ মনৰ সন্তাপ দূৰহে কৰে। পূৰ্ণ চন্দ্ৰমাক যেন ফুলৰ পৰাগে ৰক্তিম কৰি ৰাখিছে। যেন লক্ষ্মীৰ পদ্ম মুখখনিহে। চন্দ্ৰমাৰ এনে অপৰূপ সৌন্দৰ্য্য কৃষ্ণই দেখা পালে।

৮০৮ চন্দ্ৰৰ জ্যোস্নাই বনকো ৰঞ্জিত কৰি তুলিছে। হৰিয়ে মধুৰ সুৰেৰে গীতৰ ধ্বনি তুলিলে। গোপীসকলে গীতৰ ধ্বনি শুনি কমোনমত্ত হৈ দৌৰি গ'ল।

৮০৯ তেওঁলোকে তীব্ৰ গতিত যাওঁতে কৰ্ণৰ কুণ্ডল দোলিবলৈ ধৰিলে। কৃষ্ণই তেওঁলোকৰ চিত্ত অলক্ষিতে পূৰণ কৰিলে। কোনো কোনো গোপীয়ে দোহন কাৰ্য্য কৰি আছিল, কোনোৱে গাখীৰ গৰম কৰি আছিল; সকলোৱে আধাতে এৰি দৌৰি গ'ল।

৮১০ কোনোগৰাকীয়ে শিশুক স্তন পান কৰাই থাকোতেই এৰি থৈ কৃষ্ণৰ কাষলৈ দৌৰি গুচি যায়। কোনো গোপীয়ে স্বামীক স্পৰ্শ কৰিবলৈ এৰি আৰু কোনোৱে আধা খোৱা অৱস্থাতে আহাৰ এৰি ল'ৰি ল'ৰি যাবলৈ ধৰিলে।

৮১১ হৰিভক্তসকলে হৰি কথা শ্ৰৱণ কৰিবলৈ পালে কাম্য কৰ্ম্মকো ত্যাগ কৰাৰ দৰে গোপীগণৰো চিত্ত কৃষ্ণই হৰণ কৰাত তেওঁলোকৰ চেতনা হেৰাই গ'ল। তেওঁলোকে সোণৰ খাৰু হাতত নিপিন্ধি ভৰিত পিন্ধিলে।

৮১২ হাতৰ নূপুৰ, কঁকালত আঁৰিলে। এনেদৰে বস্ত্ৰ-অলঙ্কাৰ পিন্ধিলে যদিও গোপীসকলে কৃষ্ণৰ সান্নিধ্য লাভ কৰিলে। ভকতৰ কৰ্ম্মত বিপৰ্যয় হ'লেও ভক্তি লাভ হয়।

৮১৩ গোপীসকলক স্বামী আৰু পুত্ৰসকলে বাধা প্ৰদান কৰা সত্ত্বেও কৃষ্ণই গোপীৰ মন মোহাৰ বাবে বাধা নামানি আগবাঢ়ে। কৃষ্ণৰ প্ৰেমত ডুব গৈ গোপী সকল ক্লান্ত শ্ৰান্ত হৈ দৌৰিবলৈ ধৰিলে। হৰিভক্তক কোনো বিঘিনিয়ে লঙ্ঘিব নোৱাৰে।

৮১৪ যিসকল গোপীয়ে যাব নোৱাৰিলে তেওঁলোকে ঘৰতে থাকিয়েই কৃষ্ণক মনতে আলিঙ্গন কৰিলে। অনেক জন্মৰ কৰ্ম্ম-বন্ধন নাশ কৰি তেওঁলোকে কৃষ্ণত লীন গ'ল।

৮১৫ পৰীক্ষিতৰ মনত সংশয় হ'ল- গোপীগণে উপপতি ভজাহে হ'ল (জাৰ বুদ্ধি-জ্ঞান উপপতি ক্ৰম)। তেনে ক্ষেত্ৰত গোপীয়ে কেনেকৈ মোক্ষ লাভ কৰিলে। হৰি হৰি বোলা তেতিয়াহে পাপৰ প্ৰলয় ঘটিব।

দ্বিতীয় কীৰ্ত্তন

ঘোষা হে ভবহাৰী (অৰ্থাৎ সংসাৰৰ ভয় দূৰকাৰী) হৰি, হে মুকুন্দ, মুৰাৰি জনম লোৱাটো আৰু মৃত্যু হোৱাটো অতি দুখদায়ক, ইয়াক সহ্য কৰাটো বৰ কষ্টকৰ। ৬৯।।

পদ ৮১৬ শুকে ক'লে হে ৰাজা, গোপীয়ে মোক্ষ লাভ কৰাত আচৰিত নহ'বা। শিশুপালে হিংসাধৰ্ম আচৰণ কৰিয়েই মুক্তি লাভ কৰিলে। মহৌষধিয়ে শক্তি দিয়াৰ দৰে বুদ্ধিয়েহে মুকুতি দিব পাৰে। স্থিৰ বুদ্ধিয়েই স্থিতপ্ৰজ্ঞৰ আলম্বন।

৮১৭ অমৃত খালে অমৰ হয়, বিষ খালে মৃত্যু হয়। অমৃতক বিষ বুলি খালে কেতিয়াও অজৰ অমৰ হ'ব নোৱাৰে। কৃষ্ণকো যেনে তেনে ৰূপে স্মৰণ কৰিলে মুকুতি লাভ কৰা সহজ।

৮১৮ প্ৰভু ভগৱন্ত ব্ৰহ্মাদিৰো ঈশ্বৰ আৰু তেৱেঁই কৃষ্ণ। কৃষ্ণক ভক্তি কৰিলে আনকি স্থাৱৰ অৰ্থাৎ জড়েও মোক্ষ লাভ কৰে। ভগৱন্তৰ দয়াৰ পাৰ নাই, গতিকে ভকতিৰ দ্বাৰা তেওঁক পাবই।

৮১৯ গোপীগণে গৈ কৃষ্ণৰ কাষ পোৱাত কৃষ্ণই তেওঁলোকক কথাৰে মুহিবলৈ যত্ন কৰিলে। হে ব্ৰজৰ কল্যানীগণ, তোমালোকে সুকলমে আহি পালাহিনে? তোমালোকক কি প্ৰিয় কাৰ্য্য সাধিব লাগে কোৱাচোন।

৮২০ এই দুৰ্ঘোৰ ৰাতি, চাৰিওফালে প্ৰেত পিশাচবোৰে ৰাতি বিচৰণ কৰে। তোমালোক সাধাৰণতে নাৰীসুলভ গুণৰ অধিকাৰী, গতিকে ইয়াত থকা অনুচিত। তদুপৰি তোমালোকক নেদেখি তোমালোকৰ পিতৃ-মাতৃসকলে মহা চিন্তা আৰু সংশয়ত ভুগিব।

৮২১ এই মনোৰম বৃন্দাবন দেখিলা, চন্দ্ৰমাৰ জ্যোৎস্নাই বৃন্দাবন বিকশাই তুলিছে, নৱ-নৱ কুঁহিপাতে শোভা বৰ্দ্ধন কৰি ৰাখিছে। তোমালোকৰ শিশুসকলে কান্দিছে, তেওঁলোকে নিশ্চয়ে স্তনপান কৰিবলৈ বিচাৰিছে, গতিকে ব্ৰজলৈ ঘূৰি যোৱাহঁক।

৮২২ ইয়াৰোপৰি তোমালোকৰ নিজ পতি আছে আৰু তেওঁলোকক শুশ্ৰূষা কৰাটো কুলস্ত্ৰীৰ মহাধৰ্ম্ম; তেনেক্ষেত্ৰত উপ-পতি ভজাটো গৰহিত কাম নহ'বনে? সিমানতো তোমালোকে মোৰ মৰমতে আহিলা আৰু মোক দেখিলা; গতিকে তোমালোকৰ প্ৰয়োজন সিদ্ধি হ'লেই।

৮২৩ দূৰৈত থাকি শ্ৰৱণ-কীৰ্ত্তন কৰিলেও মোক ভক্তি কৰা হয় আৰু সিহে নিৰ্ম্মল ভকতি যাৰদ্বাৰা মন পবিত্ৰ হয়। ওচৰত থাকি দেখোঁতে দেখোঁতে শুনোঁতে শুনোঁতে অৱহেলাহে হয়। গতিকে ঘৰতে থাকি ভকতি কৰাগৈহঁক।

৮২৪ গোপীসকলে কৃষ্ণৰ এনে মৰমবিহীন বাক্য শুনি মৰ্ম্মাহত হ'ল আৰু মুখ বিবৰ্ণ হ'ল। অত্যন্ত দুখ পাই তলমূৰ কৰি ঘনে ঘনে হুমুনিয়াহ কাঢ়িলে আৰু ওঁঠবোৰ শুকাই গ'ল।

৮২৫ গোপিনীৰ স্তনৰ কুঙ্কুম চকুলোৰে তিতিল, বেদনাক্লিষ্ট মনেৰে নিমাত হৈ ৰৈ গ'ল। ভৰিৰে মাটি খুচৰি বিষাদত অন্ধকাৰ দেখিলে হৰি হৰি বুলি পাপৰ সমাধি ঘটোৱা।

তৃতীয় কীৰ্ত্তন

ঘোষা ৮২৭ হে গোপাল, হে কৃষ্ণ, উদ্ধাৰ কৰা।
তোমাক দেখিবলৈ বিচাৰোঁ, কিন্তু দেখিবলৈ নাপাই প্ৰাণে নসহে।। ৭০।।

৮২৮ শোকত অভিভূত হৈ গোপীগণে কাপোৰৰ আঁচলেৰে মুখ মচিলে, মুখৰ পৰা মাত নোলায়; তথাপি গদ্‌গদ্ স্বৰে কৃষ্ণক মাতিলে।

৮২৯ গতিকে হে নাথ, তোমাৰ করুণাৰে, আমাক উদ্ধাৰ কৰা, ভকত বুলি আমাক ত্যাগ নকৰিবা। তুমি যি কুলস্ত্ৰীৰ ধৰ্ম্ম বুলি কৈছিলা, সেই সমস্ত কৰ্ম্ম তোমাৰে সিজক।

৮৩০ তুমি জগতৰ আত্মা, জগতৰ সুহৃদ, সমস্ত ধৰ্ম্মৰ শিৰোমণি, তুমি সকলোৰে আত্মা বুলি তোমাকে ভকতে ৰতি কৰে।

৮৩১ পাৰ্থিৱ স্বামী আৰু পুত্ৰদি দুঃখৰ হে কাৰণ, তুমিহে প্ৰকৃত স্বামী, হে গৰুড়কেতু তুমি প্ৰসন্ন হোৱা। তোমাকে চিৰজীৱন স্বামী হিচাবে পাবলৈ বিচাৰিছোঁ, হে গোপাল, এই আশা ভঙ্গ নকৰিবা।

৮৩২ তুমি আমাৰ হৃদয় হৰণ কৰিলা; গতিকে ঘৰত আমাৰ মন নবহে, হাত দুখনো গৃহকৰ্ম্মত আগনাবাঢ়ে, তোমাক এৰি যাবলৈ ভৰিও নচলে। সেইবাবে ব্ৰজলৈ গৈ নো আমাৰ কি লাভ হ'ব।

৮৩৩ তোমাৰ গীতৰ ধ্বনিয়ে আমাৰ হৃদয়ত যি কামনাৰ জুই জ্বলাই দিলে তাক নিৰ্ব্বাপিত কৰিবলৈ তোমাৰ অধৰ অমৃতৰ পৰশ দিয়া প্ৰভু নহ'লে তোমাৰ বিৰহত শৰীৰ নিশ্চয়ে দগ্ধ হ'ব আৰু এই শৰীৰ ত্যাগ কৰি পুনৰ তোমাকে লাভ কৰিম।

৮৩৪ হে জগনিবাস, আমাৰ প্ৰতি প্ৰসন্ন হোৱা, সকলো ত্যাগ কৰি তোমাৰ ওপৰতে ভাৰসা কৰিলোঁ। আমাক পুৰি নামাৰিবা, হাঁহি মুখে তোমাৰ দাসী কৰি লোৱা।

৮৩৫ তোমাৰ অলকাৰে আবৃত্ত মুখৰ অধৰ অমৃতৰ স্বাদ পোৱাটো কিমান যে সুখকৰ। তোমাৰ মদনৰ দৰে ভ্ৰূযুগল আৰু মধুৰ হাস্যমুখ দেখি আমি তোমাৰ দাসী হ'বলৈ হাবিয়াস কৰিছোঁ।

৮৩৬ তোমাৰ মধুৰ গীতত কোন স্ত্ৰী মোহিত নহ'ব? আনকি অন্যান্য বৃক্ষ, পশু, পক্ষীয়েও তোমাৰ প্ৰেমত পুলকিত নোহোৱাকৈ থাকিব নোৱাৰে।

৮৩৭ তুমি যেনেকৈ দেৱগণৰ ৰক্ষাকৰ্তা তেনেকৈ ব্ৰজকো ৰক্ষা কৰি ব্ৰজবাসীৰ দুঃখ আৰু ভয় দূৰ কৰি আছা। সেই দেখি আমাৰ শিৰত হাত দি আমাৰ প্ৰাণ ৰক্ষা কৰা আৰু আমাৰ প্ৰাণ জুৰোৱা।

৮৩৮ ভগৱন্তৰ প্ৰতি কাম বিহ্বল গোপীসকলে অনেক বাক্য ব্যক্ত কৰিলে। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই কথা ৰচনা কৰি সমাজক হৰি হৰি ঘোষিবলৈ উপদেশ দিছো।

চতুৰ্থ কীৰ্ত্তন

ঘোষা ৮৩৯ গোপীৰ আকুল বাণী শুনি সাৰঙ্গপাণি সদয় হ'ল। হাতত সাৰঙ্গ ধনুধাৰী বিষ্ণু তেওঁ হাঁহিমাৰি ক'লে হে গোপীগণ তোমালোকে মনৰ তাপ এৰা, এই বুলি কৈ জগত পিতা কৃষ্ণই গোপীৰ লগত খেলা কৰিলে।

৮৪০ কৃষ্ণৰ সদয় ভাব দেখি সকলোৰে মুখত আনন্দ বিৰিঙি উঠিল। সকলোৱে নানা ভাবেৰে হাঁহি হাঁহি চাৰিওফালৰ পৰা কৃষ্ণক আবৰি ল'লে।

৮৪১ গোপীসকলক মাজত কৃষ্ণই শোভা কৰিলে - যেন আকাশত তাৰকাৰাজিৰ মাজত চন্দ্ৰমাহে। গলত তেওঁৰ উজ্বল পদুমৰ মালা। গোপীগণে তেওঁক বেঢ়ি লৈ তেওঁৰ গুণ গাবলৈ ধৰিলে।

৮৪২ কৃষ্ণয়ো গীত গাবলৈ ধৰিলে। মধুৰ গীত গাই গাই বৃন্দাবনৰ মাজে মাজে গৈ সুকোমল যমুনাৰ বালিত উপনীত হ'লগৈ। তাত মৃদু মন্দ পদ্মগন্ধী বায়ু বৈ দেহ শীতল কৰি তুলিলে।

৮৪৩ গোপী সমন্বিতে কৃষ্ণই যমুনাৰ জলত নামি হেঁপাহ পলুৱাই ক্ৰীড়া কৰিলে। তেওঁ হাত মেলি মেলি কোনোজনীক আলিঙ্গি ধৰিলে, কোনোজনীৰ স্তন যুগলত নখেৰে স্পৰ্শ কৰিলে।

৮৪৪ কোনোজনীৰ মুখলৈ চাই হাঁহিলে, কোনোবাজনীক ঠাট্টা-মস্কৰা কৰিলে, কাৰোবাৰ হয়তো গাৰ বস্ত্ৰ কাঢ়ি ল'লে আৰু তেনে কৰাত গুপ্তাঙ্গ দৃষ্টিগোচৰ হ'ল।

৮৪৫ কোনোজনীক বাহু মেলি ডিঙিত ধৰি অনঙ্গকেলি কৰিলে। এইদৰে গোপীৰ কামবাসনাক বৃদ্ধি কৰি কৃষ্ণই বিৰামবিহীনভাৱে গোপীক ৰমনৰ সুখ দিলে।

৮৪৬ কৃষ্ণকৃপাৰ মনে বিচৰামতে অনুগ্ৰহ লাভ কৰি সকলো গোপীয়ে গৰ্ব্বত নিজকে সুভাগিনী বুলি জ্ঞান কৰিলে। তেওঁলোকে ভাবিলে যে যাদব কৃষ্ণ তেওঁলোকৰ অধীন হ'ল।

৮৪৭ গোপীৰ মহা গৰ্ব্বভাব দেখি কৃষ্ণৰ সহ্য নহ'ল (অহম্মম-অহঙ্কাৰ) তেওঁলোকৰ দৰ্পহৰণ কৰিবৰ মনেৰে কৃষ্ণ হঠাতে অন্তৰ্ধান হ'ল।

৮৪৮ গোপীগণে কৃষ্ণক নেদেখি মনত ভয় লাগিল আৰু বেদনা অনুভব কৰিলে; হস্তিনীবোৰে অৰন্যত হস্তীগণক নেদেখি আৰ্তনাদ কৰি চিঞৰাৰ দৰে গোপীবোৰেও কান্দিবলৈ ধৰিলে।

৮৪৯ কৃষ্ণৰ সদয় দৃষ্টি, হাস্য বদন, মধুৰ আলাপ, লয়লাস গতিয়ে গোপীৰ চিত্ত আকৰ্ষণ কৰাত তেওঁলোকে আচল কথা পাহৰিয়েই গ'ল। গতিকে কৃষ্ণ কৰ্ম্ম কৰাত লাগি গ'ল।

৮৫০ গোপীয়ে কৃষ্ণৰ নিচিনাকৈ লীলায়িত গতিৰে কাৰো প্ৰতি হাঁহি মাৰি সদয় দৃষ্টিৰে চাবলৈ ধৰিলে। গোপীগণে নিজকে কৃষ্ণ বুলি এজনীয়ে আনজনীক ক'বলৈ ধৰিলে।

৮৫১ সকলোৱে একেলগে মিলি মহাপ্ৰেমভাবেৰে গোবিন্দৰ গীত চিঞৰি গাবলৈ ধৰিলে আৰু কৃষ্ণক বৃন্দাবনত বিচৰাত লাগিল। কৃষ্ণ কৃষ্ণ বুলি উন্মাদৰ দৰে গোপীগণে বিচৰণ কৰিলে।

৮৫২ জগত ব্যাপি থকা হৰিক বিচাৰি কাষ চাপি গোপীয়ে সোধাপোছ কৰে। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই পদ ৰচনা কৰিছে আৰু সকলোকে হৰি হৰি বুলি ক'বলৈ কৈছে।

পঞ্চম কীৰ্ত্তন

ঘোষা সেই প্ৰাণসম স্বামী গোপালক আমি ক'ত পাম, অৰুণলোচন কৃষ্ণক হাতে পাইয়ো হেৰুৱাইলো।। ৭২।।

৮৫৩ ওখ গছবোৰৰ কাষ চাপি গোপীগণে সোধে হে অশ্বত্থ, বট, পাকড়ি এই ফালে আমাৰ নন্দকুমাৰক যোৱা দেখিছিলানে? তেওঁ আমাৰ মন হৰণ কৰি লৈ গৈছে।

৮৫৪ হে কুৰুবক, অশোক, চম্পা আমাৰ প্ৰতি সহানুভূতিশীল হৈ কোৱাচোন আমাৰ দৰ্পচূৰ্ণ কৰি কৃষ্ণ কিমান দূৰলৈ গৈছে?

৮৫৫ হেৰা তুলসী, তুমি গোবিন্দৰ চৰণৰ অতি প্ৰিয়দেৱী, তুমি নন্দকুমাৰক যোৱা দেখিছিলানে? তেওঁ আমাৰ অধিক প্ৰিয়।

৮৫৬ হে জাই, যুথী, সমী, মালতী, তোমালোকে কৃষ্ণৰ স্পৰ্শ লাভ কৰি গতি পালানেকি? তেওঁ আমাৰ জীৱনৰ ধন, তেওঁক যোৱা দেখিলানে?

৮৫৭ হে আম, জাম, বেল, বকুল - তোমালোকৰ সমান উপকাৰী নাই। কৃষ্ণৰ বেজাৰত আমি চাৰিওফালে অন্ধকাৰ দেখিছোঁ; আমাৰ প্ৰাণসম প্ৰিয়জন কলৈ গ'ল?

৮৫৮ হে ভূমি, তুমিনো কি তপ কৰিছিলা যে কৃষ্ণৰ চৰণৰ স্পৰ্শ লাভ কৰি মহানন্দে ৰোমাঞ্চিত হৈ আছা।

৮৫৯ পূৰ্ব্বত ভগৱন্তৰ বৰাহ অৱতাৰে তোমাক আলিঙ্গন কৰিছিল, তুমি সৰ্ব্বতিকালে কৃষ্ণৰ সাৰথি। গতিকে তুমি নিশ্চয় কৃষ্ণক চিনি পোৱা আৰু আমাক সদয় হৈ কৃষ্ণৰ বাৰ্তা দিয়া।

৮৬০ হে সখী মৃগপত্নী, তোমাৰ নয়নক আনন্দ দিওঁতা কৃষ্ণই প্ৰিয়জনীক লৈ লয়লাস গতিৰে এইফালে গৈছিলনে? তেওঁ কুন্দফুলৰ সৌৰভ বিলাই গৈছিলনে?

৮৬১ কোনোজনী গোপীয়ে আনকি লতাতো কৃষ্ণৰ বাতৰি সুধিছিল। কৃষ্ণৰ নখৰ পৰশ পাই তোমাৰ সমস্ত শৰীৰ ৰোমাঞ্চিত হৈ আছে নেকি?

৮৬২ সকলোৱে উন্মাদ হৈ বনত কৃষ্ণক অনুসন্ধান কৰিলে। কৃষ্ণৰ গুণ-গান গাই গাই প্ৰেমাকুল হৈ কৃষ্ণত মন নিমগ্ন হ'ল।

৮৬৩ সকলো গোপিনী বিহ্বলহৈ কৃষ্ণলীলা কৰিবলৈ ধৰিলে। শঙ্খৰে এই কথা ৰচনা কৰিছে; সকলোৱে হৰি হৰি উচ্চাৰণ কৰা।

ষষ্ঠ কীৰ্ত্তন

ঘোষা *হে মন্দৰগিৰি ধাৰণকাৰী যাদব কৃষ্ণ, মোৰ তোমাৰ বাহিৰে গতি নাই আৰু তুমিয়েই মোৰ মনৰ গৰাকী, তুমি সেই মুৰাৰি। ৭৩।।*

৮৬৪ কোনোজনীয়ে পুতনা হৈ স্তন দান কৰে, কোনোজনীয়ে শিশুকৃষ্ণ হৈ স্তনপান কৰি শিশু নিধন কৰে, কোনোৱে শকট অৰ্থাৎ গাড়ী ৰূপ হয় আৰু কৃষ্ণ হৈ শকট ভৰিৰে ওভতাই পেলায়।

৮৬৫ কোনো গোপীয়ে কৃষ্ণৰ ৰূপত বহি থাকে আৰু কোনোৱে তৃৰ্ণাবত অসুৰ হৈ কৃষ্ণক হৰণ কৰি নিয়ে। কোনো গোপীয়ে কৃষ্ণ ৰূপত আঠুকাঢ়ি ফুৰে আৰু কঁকালত ঘাঘৰ-ঘুঘুৰা পিন্ধি (সৰজু-পুকৰি মালা) লৰচৰ কৰি ফুৰে (সাৰী- লৰচৰ কৰি ফুৰা)।

৮৬৬ কোনো কোনোৱে বলৰাম আৰু কৃষ্ণ হৈ, কোনোৱে বৎস হয় আৰু গৰু চৰায় ফুৰে। কোনো গোপীয়ে বক হৈ খাপ দি থাকে আৰু কোনোজনীয়ে কৃষ্ণ হৈ তাক চিৰি মাৰে।

৮৬৭ কোনোৱে কৃষ্ণ হৈ বাঁহী বজায় আৰু কোনোৱে বেৰি ধৰি প্ৰশংসা কৰে। বাঁহীৰ মাত শুনি গাইয়ে হেম্বেলিয়ায় আৰু কোনো গোপীয়ে চিঞৰি চিঞৰি আগবাঢ়ে।

৮৬৮ কিছুমান গোপীয়ে এজনীয়ে আনজনীৰ ডিঙিত হাত থৈ আনন্দত উত্ৰাৱল হৈ কৃষ্ণময় দেখে। তেওঁলোকে কয় যে ময়েই কৃষ্ণ, মই যদুপতি, এই লীলাময় গতি মোৰেই।

৮৬৯ কিছুমানগোপীয়ে কয় - ভয় নকৰিবা, মই কৃষ্ণ থাকোতে বতাহ বৰষুণে কি কৰিব পাৰে। এখন হাতেৰে গিৰি দাঙি ধৰিলো, ইয়াৰ তললৈ চাপি আহা বুলি কয়।

৮৭০ কোনোজনীয়ে কয় - মই যদুনাথে কালীক দমন কৰিছোঁ। গোপিনীৰ মূৰত ভৰি দি কিছুমান গোপীয়ে উঠি কয় - হে দুৰাচাৰী সৰ্প, ইয়াৰ পৰা তৎক্ষণাৎ আঁতৰ হ। মই দুষ্টক দমন কৰিবলৈকে অৱতাৰ লৈছোঁ।

৮৭১ কোনোজনীয়ে কয় - চোৱাচোন গোপীসকল, বনজুয়ে আমাক বেঢ়ি ধৰিছে আৰু তোমালোকৰ ভয় হৈছে। তোমালোকে চকুমুদি থাকা, তোমালোকৰ কল্যাণ সাধন কৰিম আৰু তোমালোকক নিজৰ বাসস্থানলৈ লৈ যাম।

৮৭২ কোনোজনীয়ে কয় - চোৰাচোন গাখীৰবোৰৰ কি বিলাই হৈছে। এই ভাণ্ড ভঙা কৃষ্ণক খেদি খেদি ধৰিলো। পুনৰ যাতে লবণু চুৰি কৰিবলৈ নাযাব। উৰালত কোনো কোনো গোপিকাক কোনো কোনো গোপীয়ে বান্ধে।

৮৭৩ এইদৰে গোপীগণে কৃষ্ণৰ লীলামালা কৰি বৃন্দাবনত কৃষ্ণৰ খোজৰচিন দেখিবলৈ পালে। খোজৰ চিনৰ ধ্বজ, বজ্র, পঙ্কজ, অঙ্কুশ দেখিবলৈ পালে।

৮৭৪ ইয়াৰ পাচত গোপীগণে অনুসন্ধান কৰি পঞ্চ আঙুলিৰ কৃষ্ণৰ খোজৰ চিনৰ লগতে স্ত্রীৰ খোজো দেখিবলৈ পালে। ইয়াক দেখি গোপীগণৰ মন আকুল হ'ল। চেতনা থকালৈকে হৰি হৰি বোলা।।

সপ্তম কীৰ্ত্তন

ঘোষা জীৱৰ জীৱনস্বৰূপ বনমালী (কৃষ্ণ) ক আৰু দেখিবলৈ নাপাম। হে প্ৰভু তুমি কলৈ গ'লা? হে গোপাল, আমাৰ হৃদয়ত জুই জ্বলাই তুমি ক'লৈনো গ'লা? ।। ৭৪।।

৮৭৫ হে সখী, চোৱাচোন, কোনজনীয়ে দেৱ হৰিৰ কান্ধত হাত দি লয়লাস কৰি সাদী হৈ গৈছে। নিশ্চয় জানিলো তাই দেৱ হৰিক আৰাধনা কৰাৰ বাবে আমাক এৰি তাইক লগত লৈ গৈছে।

৮৭৬ হে সখীগণ, কৃষ্ণৰ চৰণৰ ধূলি অতি পবিত্ৰ। ব্ৰহ্মা, হৰেও শিৰত সেই পদধূলি লয়; গতিকে আমিও সেই ধূলি লৈ শুদ্ধ হওঁ। আমি এই ধূলিৰে অভিষেক কৰোহঁক।

৮৭৭ আন এজনীয়ে ক'লে - হে গোপীসকল, কি কব, তাইৰ ভৰিৰ খোজৰ চিন দেখি মন আকুল কৰে। কৃষ্ণৰ অধৰৰ অমৃতবোৰ তাই চুৰি কৰি নি অকলে ভূজিছে।

৮৭৮ এতিয়া ইয়াত তাইৰ খোজ ভালকৈ মনিব নোৱাৰিলো, হয়তো তাইৰ সুকোমল ভৰিৰ তলুৱাত বনে বিন্ধিলে আৰু প্ৰিয়াই দুঃখ পালে বুলি ভাবি কৃষ্ণই কোলাত আলফুলকৈ তুমি লৈ গৈছিল।

৮৭৯ কামাতুৰ হৰিয়ে গোপীজনীক দাঙি নিব লাগেনে? চোৱা, চোৱা এই ঠাইত ভৰি পোত গৈ আছে; ইয়াত গোপীজনীক নমাই থৈ তাইৰ বাবে ফুলবোৰ আনিবলৈ গৈছিল।

৮৮০ কৃষ্ণৰ ভৰিৰ গোৰোহাৰে আধা ভৰিৰ খোজৰ চিন ইয়াত দেখা গৈছে; হয়তো ইয়াত তাইক উৰুত বহুৱাই তাইৰ খোপা বান্ধি দিছিল।

৮৮১ তাইৰ খোপাৰ চাৰিওকালে ফুল পিন্ধাই কৃষ্ণই বহি আছিল। শুকে ৰজাক কলে- পূৰ্ণকাম অৰ্থাৎ কামক বশ কৰিব পৰা হৰিয়ে যি কাৰণত গোপীক ক্ৰীড়িলে শুনাচোন।

৮৮২ কামনাসক্ত পুৰুষৰ আৰু দুৰ্জন ভাবাপন্ন নাৰীৰ দুঃখ দেখাবলৈকে ভগৱানৰ এই লীলা। কৃষ্ণৰ লগত যোৱা গোপীজনীৰ মনত মহা গৰ্ব্ব ভাব হৈছিল।

৮৮৩ তাই ভাবিলে কৃষ্ণক পোৱাৰ আশাৰে যিমানবোৰ গোপী আহিছিল, সেই সকলোকে এৰি কৃষ্ণই মোক হে ভজিলে। সমস্ত নাৰীৰ ভিতৰত নিজকে

শ্ৰেষ্ঠ বুলি ভাবি মহা গৰ্ব কৰি কৃষ্ণক এই কথা শুনাইছিল।

৮৮৪ মই এখোজো আৰু আগবাঢ়িব নোৱাৰোঁ। গতিকে যলৈকে মন যায় সেই ঠাইলৈ মোক যিকোনো প্ৰকাৰে লৈ যোৱা। হৰিয়ে এইকথা শুনি হাঁহি মাৰি কলে— যাব যেতিয়া নোৱাৰ, মোৰ কান্ধতে উঠা।

৮৮৫ তাই তৎক্ষণাৎ কান্ধত উঠিবলৈ সাজি কাচি গ'ল আৰু হঠাতে কৃষ্ণ অন্তৰ্দ্ধান হ'ল। গোপীজনীয়ে কৃষ্ণক নেদেখি আৰ্ত্তনাদ কৰি কান্দিবলৈ ধৰিলে— হে নাথ, মোক এৰি থৈ তুমি ক'লৈ গ'লা?

৮৮৬ হে নাৰায়ণ, মই তোমাৰেই দাস, তুমি অনাথৰ নাথ, মোক দৰ্শন দিয়া। ইফালে গোপীগণে কৃষ্ণৰ খোজ অনুসন্ধান কৰি কৰি গৈ দেখে যে এজনী দুঃখত পৰি কান্দি আছে।

৮৮৭ গোপীজনীয়ে সকলো গোপীৰ আগত সকলো বৃত্তান্ত কলে। কৃষ্ণই তেওঁক কেনেকৈ এৰিলে তাকো ক'লে। এই বৃত্তান্ত শুনি সকলো গোপীয়ে আচৰিত মানিলে।

৮৮৮ কৃষ্ণৰ আলাপ কৰি, কৃষ্ণ গুণ গাই, কৃষ্ণক বিলাপ কৰি, কৃষ্ণতে মন অৰ্পণ কৰিলে। নিজ পতি-পুত্ৰ, গৃহ আৰু শৰীৰক নুসুমৰি মাত্ৰ সকলোতে কৃষ্ণময় হৈ কৃষ্ণৰ লীলাকে কৰি থাকিল।

৮৮৯ কৃষ্ণৰ পদ-পঙ্কজত চিত্ত নিবিড় কৰি পুনৰবাৰ যমুনাৰ বালিত গোপীসকল নামিল। সকলোৱে এঠাইত সমবেত হৈ কৃষ্ণক প্ৰাৰ্থনা জনালে। পাপৰাশি বিনাশ কৰিবলৈ হৰি হৰি বোলা।

অষ্টম কীৰ্ত্তন

ঘোষা হে জগতমোহন দেখা দিয়া, হে গোপাল, আমাৰ প্ৰাণ, তোমাৰ মুখপদ্ম দেখিবলৈ বিচাৰো। তোমাৰ চৰণ সংসাৰ তৰনৰ সম্বল, তোমাৰ চৰণত নভজিলে জন্ম বিফলে যায়। ৭৫।।

৮৯০ যমুনাৰ বালিত পুনৰ নামি গোপীসকলে কৃষ্ণক নাপাই নিৰাশ হ'ল। পুনঃ কৃষ্ণক দৰ্শন পাবলৈ কৃষ্ণৰ গুণ বৰ্ণাহি গীত গাবলৈ ধৰিলে। হে, কৃষ্ণ তুমি গোকুলতে জন্ম লোৱাৰ বাবেই গকুলৰ সমৃদ্ধি পৰিপূৰ্ণ হ'ল। স্বয়ং লক্ষ্মীমাৱেও ব্ৰজত থকাৰ বাবে সকলোৱে সুখ-সমৃদ্ধি লাভ কৰিছে।

৮৯১ তোমাতেই প্ৰাণ সমৰ্পি (সুম্পি) গোপীগণে দশোদিশে তোমাকেই বিচাৰি ফুৰিছোঁ। আমাৰ যান্ত্ৰণাৰ ওৰ পেলোৱা প্ৰভু, হে প্ৰাণৰ স্বামী, হে জগত ঈশ্বৰ, আমাক দেখা দিয়া। শাৰদীয় বিকশিত পদ্মৰ সৌন্দৰ্যকো চেৰ পেলোৱা তোমাৰ পদ্মনয়নৰ কটাক্ষই আমাক বিমুগ্ধ কৰি মাৰিছে।

৮৯২ তোমাৰ গীততে নিবিচৰাকৈয়ে আমি দগ্ধ হৈ আহি তোমাক ভজিছিলোহি। তোমাৰ চাৱনিয়ে আমাক বধ কৰিলা, আমাক অস্ত্ৰই কাটিব নালাগে। বিষসনা জলৰপৰা, অঘাসুৰ আৰু পুতনাৰপৰা, ইন্দ্ৰৰ বৃষ্টিৰপৰা, চক্ৰবাৎ অসুৰৰপৰা, বনাগ্নিৰপৰা আৰু অন্যান্য ভয়-সংকটৰপৰা হে অনন্ত, তুমি ৰক্ষা কৰিলা।

৮৯৩ এতিয়ানো মদনৰ বাণেৰে আমাক কিয় মাৰিব বিচাৰিছা? তোমাৰ চৰণ যদি পুনৰ বাৰ দেখো, আমি মৃত্যুৰ পৰা জী উঠিম। তুমি কেৱল যশোদাৰে পুত্ৰ নোহোঁ'া - এই কথা আমি নিশ্চিতভাৱে ক'লো; তুমি সমস্তৰে বুদ্ধিসাক্ষী। তোমাক ব্ৰহ্মায়ো প্ৰাৰ্থনা কৰিলে।

৮৯৪ জগতক ৰক্ষা কৰিবলৈ তুমি যদু কুলত স্বয়ং উদয় হ'লা। হে মহাভাগ আমি তোমাৰ ভকত, আমাক ত্যাগ কৰা অনুচিত। যি দুখনি হাতেৰে আৰু চৰণেৰে সংসাৰ বিনাশ কৰি, ভকতৰ ভয় দূৰ কৰি, ভকতৰ মনোবাঞ্ছা পূৰ্ণ কৰিলা, সেই হস্ত-পদে আমাৰ শিৰত স্পৰ্শ কৰি আমাক ৰক্ষা কৰা প্ৰভু।।

৮৯৫ হে গোকুলৰ ৰত্ন, হে দুখহাৰী, আমি তোমাৰ দাসৰো দাসী, মধুৰ

কৰা। সমস্ত প্ৰাণীৰ প্ৰাণ হৰণ কৰি তোমাৰ চৰণপদ্ম কালীৰ ফণাত দিছিলা আৰু সেই পদ্মচৰণ আমাৰ স্তনযুগলত অৰ্পণ কৰি আমাৰ কামক মৰ্দ্দন কৰা প্ৰভু।

৮৯৬ তোমাৰ পদ্মলোচন দেখিবলৈ নাপাই আমি সকলো গোপী (দাসী) মৰিম। মধুৰ মাতেৰে, অধৰ অমৃত দান কৰি আমাক জীওৱা। তোমাৰ কথাঅমৃতে দগ্ধকো জীয়ায় আৰু কথা অমৃত শ্ৰৱণ কৰি মুক্তিও লাভ হয়। কৰ্ম্মযোগ আৰু জ্ঞান যোগতকৈয়ো কৃষ্ণৰ লীলাৰ শ্ৰৱণ ভকতি উচ্চ বাবে জ্ঞানযোগীয়েও তোমাক স্তুতি কৰে।

৮৯৭ সদায় কৃষ্ণ কথাত ৰসিকজনক কৃষ্ণই জীৱদান দিয়ে, তেহেলৈ তেওঁ সকাম কৰ্ম্মীয়েই হওঁক বা জ্ঞানীয়ে হওঁক। এনে সুহৃদৰ পৰা বঞ্চিত হৈছো, গতিকে হে সদাশিৱ (সদায়েই মঙ্গলময়) আমাক দেখা দিয়া। হে কপটী, শুনা, আমাৰ হৃদয়ত আলাপ শুনিলা, তোমাৰ অনুগ্ৰহ আৰু হাঁহি মুখেৰে আমাৰ মন মুহিলা।

৮৯৮ তোমাৰ কাৰণেই সকলো গোপীৰ মন প্ৰেমত ব্যাকুল হৈছে, তথাপিও তুমি কপটাচৰণ কৰিলে আমাৰ গতি কি হ'ব? তুমি যেতিয়া ব্ৰজত গৰু চৰাবলৈ যোৱা তেতিয়া জানোচা তোমাৰ পাদপদ্মত শিল বা বনত লাগি দুঃখ পোৱা বুলি আমি মনত বৰ কষ্ট পাওঁ।

৮৯৯ দিনৰ দিনটো গৰু চৰাবলৈ গৈ গধূলি ঘৰলৈ আহা। হে গোপাল, আমি গোটেই দিনটো চিন্তাতে পাৰ কৰোঁ। তোমাৰ অলকাৰে আবৃত কঁপালত গৰুৰ খোজৰ ধূলিৰে ঢাক খাই আহে আৰু সেই পদ্ম মুখখনিত মদনৰ প্ৰকাশ দেখি মনত কিমান যে আনন্দ লাগে। ৰাতি তোমাৰ সঙ্গ লাভ কৰিব নোৱাৰি শয়ন কৰোঁ যদিও সাৰ পাই তোমাৰ অৰুণ চৰণ চিন্তো।

৯০০ হে কৃপাময়, আমাৰ হৃদয়ৰ কথা জানি কপট এৰি আমাক দেখা দিয়া আৰু আমাৰ জীৱন ৰক্ষা কৰা।

কৃষ্ণৰ সেৱক শঙ্কৰে এই পদ ৰচনা কৰিছে। হৰিৰ পদত ৰতি কৰা, হে লোক, অন্যমনস্ক নহৈ হৰি উচ্চাৰণ কৰা।

নৱম কীৰ্ত্তন

ঘোষা হে পদ্মপানি (কৃষ্ণ বা বিষ্ণু যি এক হস্তত পদ্ম ধাৰণ কৰে) আমি কলৈ যাম কৃষ্ণক ক'ত পাম? গোবিন্দ (কৃষ্ণ) বিনে আমাৰ জনম অৰ্থ শূণ্য আৰু এনে ব্যৰ্থতাৰে ভৰা জীৱন কেনেকৈ অতিবাহিত কৰো? ।। ৭৬।।

৯০১ কৃষ্ণৰ মনোৰম পাদপদ্মই ভকতৰ কামনা পূৰ্ণ কৰে। কৃষ্ণ-সেৱাৰ বাবে তেওঁৰ পাদ যুগল অতি সুখময়। সেই পদ্মচৰণ স্মৰণ কৰিলে বিপদ দূৰ হয়। সেই মনোৰম চৰণ আমাৰ শৰীৰত যেন অৰ্পিত হয়।

৯০২ কৃষ্ণৰ চৰণ যুগলে সমস্ত শোক বিনাশ কৰে আৰু সু ৰতি বৃদ্ধি কৰে, একছত্ৰী সম্ৰাটৰ ৰাজভোগৰ সুখো পাহৰাব পাৰে। যি দুটি ওঁঠেৰে বাঁহীত সুললিত সুৰৰ মূৰ্চ্ছনা তোলা, সেই অধৰৰ অমৃত আমাক দান কৰা প্ৰভু।

৯০৩ তোমাৰ সঙ্গ লাভ কৰিলে মনত মহানন্দৰ উদ্ৰেক হয় আৰু তোমাক ক্ষন্তেক নেদেখিলেই মনত অতিশয় দুঃখ বেদনাৰে ভৰি পৰে। সেইবাবে সকলো ত্যাগ কৰি তোমাক ভজিলো। তুমি কিয়নো আমাক এৰি আছা?

৯০৪ তুমি দিনত যেতিয়া বৃন্দাবনত ঘূৰি ফুৰা, তেতিয়া তোমাক নেদেখি আধা ক্ষণকে এটি যুগ যেন লাগে। সন্ধ্যা তুমি ঘূৰি আহি মুখ দেখুওৱাৰ লগে লগে মনৰ বেদনা দূৰ হয়। ব্ৰহ্মাই নিমেষে (অকণমান সময়) সৃষ্টি কৰি যেন কামহে কৰিলে কাৰণ এক নিমেষো আমাৰ বাবে দুখকৰ।

৯০৫ তোমাৰ গীতে আমাৰ মন মুহিলে আৰু পতি-পুত্ৰ-ভাতৃকো পৰিহাৰ কৰি তোমাৰ ওচৰ পালোঁগৈ। আমাৰ গতি সাধিবা বুলিয়েই তোমাৰ সান্নিধ্য বিচাৰি আহিছিলো - প্ৰভু।

৯০৬ তোমাতকৈ আৰু ধূৰ্ত (টেঁঙৰ, ঠগ কোন আছে? কিয়নো তুমি আমাক মাতি আনি ৰতিকালে এৰি গ'লা। কাকনো দোষ দিম, আমি দুৰ্ভগীয়া, হে গোপাল আমাৰ হৃদয়ৰ ৰোগ নিৰাময় কৰা।

৯০৭ তোমাৰ লগত পতা ৰহস্যময় কথাবোৰ সুঁৱৰি আমি কামনলত দগ্ধ হৈ হৃদয়ত তাপ পাইছোঁ। লক্ষ্মীয়ে বাস কৰা তোমাৰ বক্ষস্থলে (উৰঃস্থল) আমাৰ মন বিহ্বল কৰি তোলে।

৯০৮ গোকুলৰ জনগনৰ দুঃখ হৰণ কৰিবলৈ-তোমাৰ এই অৱতাৰ। সেইবাবে

ক্ষণমাত্ৰত আমাক নেৰিবা, তোমাক নেদেখি আমাৰ প্ৰাণ যায় যায় হৈছে।

৯০৯ হে প্ৰভু, তোমাৰ চৰণপদ্ম অতি মনোহৰ, আমি লাহে লাহে তোমাৰ মনোহৰ চৰণ দেহত স্থাপন কৰো। এনে সুকুমাৰ চৰণে তুমি কেনেকৈ জনপ্ৰাণীহীন বিজন বনত বিচৰণ কৰা। ভৰিত শিলৰ টুকুৰা লাগি কিমান যে কষ্ট পোৱা।

৯১০ এই কথা মনত পৰিলে আমাৰ প্ৰাণত আঘাত পাওঁ; তুমি আমাৰ জীৱ, আমাৰ প্ৰাণ। এনেদৰে ভাবোতেই প্ৰেমভাব সৃষ্টি হৈ কৃষ্ণ কৃষ্ণ বুলি ডাঙৰকৈ চিঞৰি চিঞৰি গোপীগণে কান্দিবলৈ ধৰিলে।

৯১১ কেতিয়াবা তেওঁলোকে গীত গায় আৰু নয়নৰ নীৰ ধাৰসাৰে বৈ আহে। হা কৃষ্ণ, হা কৃষ্ণ বুলি চিঞৰি মন অথিৰ অবিৰ হৈ পৰে। কৃষ্ণক নেদেখি সকলো গোপীয়ে বিহ্বল হৈ পৰে। পাপ ৰসাতললৈ যাবলৈ হ'লে হৰি হৰি বুলিব লাগে।

দশম কীৰ্ত্তন

ঘোষা হেৰা পালো, পালো, প্ৰাণধনক বিচাৰি পালো। সেই মুকুন্দ, মুৰাৰিক পালো। দামোদৰে আমাক দেখা দিলে, আমি জীৱন ঘুৰাই পালো।।৭৭।।

৯১২ গোপীকাৰ অতিশয় প্ৰেমভক্তি দেখি-শুনি কৃষ্ণৰ মন আকুল হৈ উঠিল। গোপীগণৰ মনৰ আনন্দ বঢ়াই গোপীগণৰ মাজত অতি মনোহৰ মূৰ্ত্তিৰে কৃষ্ণ হঠাতে উপস্থিত হ'ল।

৯১৩ তেওঁৰ পদুমৰ নিচিনা মুখখনিত মিচিকিয়া হাঁহি বিকশি উঠিল, শ্যামবৰণৰ শৰীৰ পীতবস্ত্ৰই শোভা কৰিলে। নানা ৰত্ন-অলঙ্কাৰে তেওঁৰ শৰীৰ জিলমিলাই উঠিল। ডিঙিত পদ্মৰ মালাই তিৰবিৰাই মনলৈ তৃপ্তি আনিলে।

৯১৪ তেওঁৰ ৰূপে মদনৰ ৰূপকো চেৰ পেলায়। গোপীসকল আনন্দত উল্লাসিত হৈ উঠিল, বিৰহ দূৰ হ'ল, মন দ্ৰৱীভূত হ'ল। প্ৰাণৰো প্ৰাণ কৃষ্ণক পাই দেহ মন জুৰ পৰিল।

৯১৫ কৃষ্ণক কৃতাঞ্জলি কৰি কোনো কোনো গোপীয়ে পদ্ম-সদৃশ হাত দুখনিত ধৰি থাকিল, কোনোৱে আথেবেথে গৈ বাহু আৰু কান্ধত ধৰি আৰু কোনোৱে ডিঙিত সাবটি ধৰিলে।

৯১৬ কোনোৱে আগবাঢ়ি হাতত সুগন্ধী দ্ৰব্য লৈ থাকে, কোনোৱে চকু পকাই চাই থাকে। কোনো গোপীৰ মন মদনে দহন কৰে আৰু নিজৰ স্তনত কৃষ্ণৰ চৰণৰ পৰশ দিয়ে।

৯১৭ কোনো কোনো গোপীয়ে কৃষ্ণৰ মুখপদ্মক এক দৃষ্টিৰে চাই থাকে। পীত তৃষ্ণা দূৰ নোহোৱাৰ দৰে কৃষ্ণৰ মুখপদ্মকো চাই চাই তৃপ্ত নহয়। ভকতে কৃষ্ণৰ চৰণ চিন্তা কৰাৰ দৰে গোপীয়েও ভকতি কৰিলে।

৯১৮ কৃষ্ণৰ চকুৰ চাৱনিক কোনোজনীয়ে হৃদয়লৈ বোৱাই নিয়ে। কৃষ্ণক আলিঙ্গন কৰি পুলক অনুভৱ কৰিলে, আনন্দত নয়নৰ নীৰ বাগৰি গ'ল। মহাযোগীয়ে ধ্যানত থকাৰ দৰে গোপীয়েও প্ৰেমভক্তি কৰি আপোন পাহৰা হ'ল।

৯১৯ এইদৰে গোপীগণে কৃষ্ণক চাই চাই আনন্দত শৰীৰ-মন গলি গ'ল। তেওঁলোকৰ বিৰহত তাপ নাইকীয়া হ'ল আৰু আনন্দত হিয়া উথলি উঠিল। ভকতক লগ পাই সংসাৰীলোক তৰাৰ দৰে গোপীগণো তৰিল।

৯২০ গোপীগণে বেজাৰ এৰি কৃষ্ণক চাৰিফালে বেঢ়ি ধৰিলে, মাজতে কৃষ্ণই শোভাবৰ্দ্ধন কৰি ৰ'ল। ইয়াৰ পাচত সকলো গোপীক লৈ গৈ আনন্দমনেৰে যমুনাৰ বালি পালেগৈ।

৯২১ প্ৰস্ফুটিত মন্দাৰ, কুন্দ ফুলৰ গন্ধত লুভীয়া ভ্ৰমৰবোৰে গুঞ্জন কৰিছে, শৰত কালৰ চন্দ্ৰমাৰ শুভ্ৰকান্তিয়ে মনোহৰ ৰূপ ধাৰণ কৰিছে; ইয়াকে দেখি গোপীসকলৰ মন ওখল মাখল।

৯২২ গোপীসকল বহি সকলো সন্তাপ পাহৰি পূৰ্ণকাম হৈ নিজৰ কাপোৰৰ আঞ্চল পাৰি মধ্যত মাধৱক বহিবলৈ অনুৰোধ কৰে।

৯২৩ অন্তৰ্য্যামীদেৱ হৰিয়ে ত্ৰিভুবন-মোহন-মধুৰ ৰূপ ধৰি তাতে বহিল। কিছুমান গোপীয়ে কৃষ্ণৰ চৰণ দুখানি কোলাত লৈ পিতিকি দিলে, গোপীগণে পাৰে মানে শুশ্ৰূষা কৰিলে।

৯২৪ কোনো কোনোজনীয়ে কৃষ্ণৰ চৰণ কান্ধত, বাহুত থৈ মোহৰি দিয়ে, কোনোৱে প্ৰেম ৰসত বুৰ গৈ কটাক্ষ কৰি চায়, কোনোৱে প্ৰণয়ৰ প্ৰভাৱত আক্ৰান্ত হৈ খঙেৰে উত্তৰ দিয়ে। পাপমোচনৰ বাবে হৰি হৰি বোলা।

একাদশ কীৰ্ত্তন

ঘোষা হে শাৰঙ্গপাণি, প্ৰভু ভগৱন্ত,
তোমাৰ মায়াৰ অন্ত নাই, তোমাৰ মায়া বুজিব নোৱাৰোঁ ৭৮

৯২৫ ইয়াৰ পাচত গোপীসকলে অতি আদৰ কৰি আনন্দমনেৰে কৃষ্ণৰ হাত-ভৰি ঘঁহিবলৈ (পিহিবলৈ) ধৰিলে। প্ৰণয়াবদ্ধ হৈ চল-চাতুৰী কৰি কৃষ্ণক গোপীগণে সকলো কথা সুধিবলৈ ধৰিলে।

৯২৬ কিছুমান মানুহে ভজন্তাক ভজে, কিছুমানে নভজে। এইদৰে ভজন্তা আৰু নভজন্তাৰ ভিতৰত কোনে নভজে, তাক বুজাই কোৱা বুলি গোপীয়ে কৃষ্ণক প্ৰশ্ন কৰিছে।

৯২৭ গোপীৰ প্ৰশ্নৰ তাত্ত্বিক অৰ্থ থকাৰ বাবে কৃষ্ণই তাৰ উত্তৰ দিছে হে গোপীসব, শুনা-

৯২৮ যি জনে মাত্ৰ ভজন্তাক ভজে সেইজন সুহৃদ নহয়, তাৰ ধৰ্ম্মও নাই; মাত্ৰ নিজ স্বাৰ্থৰ বাবে কৰ্ম্ম কৰে। যি জনে নিজৰ উপকাৰলৈ নাচাই ভজে সেই জন সুহৃদ আৰু তেওঁৰ ধৰ্ম্মও সিজে।

৯২৯ ভজা-নভজা দুয়োটাতে মন নিদিয়া চাৰিবিধ লোক আছে, তেওঁলোকৰ লক্ষণ হ'ল কিতাপ শুনা। ব্ৰহ্মজ্ঞানীজনে সৰ্ব্বত্ৰতে মিছা দেখে, যিজন পূৰ্ণ; তেওঁৰ ভোগৰ ইচ্ছা নাথাকে।

৯৩০ একো নমনা গুৰুদ্ৰোহী, মহামূৰ্খ -এই চাৰিবিধ লোকে ভজনা নকৰে - এই কথা মই নিশ্চিতভাৱে ক'লো।

৯৩১ সকলো গোপীয়ে কৃষ্ণৰ কথা শুনি পৰস্পৰে হাঁহিবলৈ ধৰিলে। কৃষ্ণই পুনৰ বুজাই ক'লে - হে সখীসৱ, মই চাৰিবিধৰ বাহিৰত।

৯৩২ ভকতেই মোৰ সুহৃদ, মোৰ প্ৰাণসম, মই কি কাৰণে নভজো তাৰ কাৰণ শুনাইক - মোক নাপাই সদায়ে চিন্তা কৰক। ধনীয়ে ধন হেৰুৱাই বিহ্বল হোৱাৰ দৰে মোক বিচাৰি বিহ্বল হওঁক।

৯৩৩ তোমালোকে মোৰ বাবে বেদ ধৰ্ম্ম আৰু জ্ঞাতি ত্যাগ কৰিলা; সেইবাবে তোমালোকৰ প্ৰেমভক্তি বাঢ়ক বুলি অন্তৰ্ধান হৈছিলো।

৯৩৪ এই কথাৰ স্বৰূপ উপলব্ধি কৰি তোমালোকে বিৰোধিতা নকৰিবা। ই চিৰন্তন সত্য কথা। গৃহ ত্যাগ কৰা অসম্ভৱ যদিও তাৰ আশা এৰি মোক ভজিলাহি।

৯৩৫ মই তোমালোকৰ বশ্য হ'লো। চিৰকালে তোমালোকক ধাৰ পৰিশোধ কৰিব নোৱাৰিম। নিজৰ দায় এৰিব পাৰিলে মোৰ ঋণ পৰিশোধ হ'ব।

৯৩৬ কৃষ্ণৰ কথাত অমৃত নিৰ্গত হয় আৰু সকলো গোপীয়ে শুনি শৰীৰ শীতল হ'ল - সমস্ত বিৰহৰ তাপ এৰালে। পাপ সাৰিবৰ কাৰণে হৰি হৰি হৰি বোলা।

দ্বাদশ কীৰ্ত্তন

ঘোষা ৰামে গোপাল-গোপী সঙ্গত ৰাস কেলি কৰে।
আনন্দমনে অনবৰতে হৰি হৰি বোলা ।৭৯।।

৯৩৭ শুকমুনিয়ে ক'লে — গোবিন্দই তাত (বৃন্দাবনত) গোপিকাৰ লগত ৰাসক্ৰীড়া আৰম্ভ কৰিলে। দুগৰাকী গোপীৰ মাজত কৃষ্ণই এজন এজন মাধব হৈ ৰাসক্ৰীড়া মহাউৎসৱৰ পাতনি মেলিলে।

৯৩৮ হাত আৰু ডিঙিত ধৰি ধৰি মণ্ডলাকাৰ হৈ কৃষ্ণ -গোপীৰ মাজত আলিঙ্গনৰ আৰম্ভণি হ'ল। প্ৰতি মণ্ডলত থকা গোপীসকলে ভাবিলে যে হৰিয়ে মোকেই আলিঙ্গন কৰিছে। দেৱতাসকলে সপত্নীক আহি আকাশত বিমান ৰখালেহি। দেৱসৱৰ বিমানে আকাশ ছানি পেলালে।

৯৩৯ দেৱসৱে দুন্দুভি বজাই, পুষ্পবৃষ্টি কৰি কৰি মাধৱৰ ৰাসক্ৰীড়া নিৰীক্ষণ কৰিলে। মুখ্য গন্ধৰ্বগণে অপেস্বৰাৰ লগ হৈ অতি আনন্দ-উল্লাসেৰে গোবিন্দৰ গুণ গীতেৰে গাবলৈ ধৰিলে।

৯৪০ সকলো গোপিনীয়ে আনন্দ কৰি কৃষ্ণৰ লগত নৃত্য কৰিলে আৰু নৃত্য কৰোতে বলয়া, নুপূৰ বজাবলৈ ধৰিলে। গোপীৰ মাজত কৃষ্ণই নৃত্য কৰোতে সোণৰ মণিৰ মাজত মৰকত জিলিকি উঠাৰ দৰে দেখা গ'ল।

৯৪১ কৃষ্ণৰ লগত গোপীসকলে না না ভঙ্গিমাৰে খোজ চলাই, ঘূৰি ফুৰি নাচিবলৈ ধৰিলে। তেওঁলোকে না না লয়লাসেৰে হাতবোৰ ওপৰলৈ তুলি নৃত্য কৰিছিল। চকুৰ চেলাউৰী ঘোৰ খোৱাই বক্ৰ গতিৰে হাঁহি মাৰি কৃষ্ণলৈ চাইছিল।

৯৪২ কাণৰ কুণ্ডল ঝল্‌মল্ কৰি ডিঙিত লাগিছিল আৰু ক্ষীণ কঁকাল হালি পৰিছিল আৰু স্তনৰ কাপোৰ লৰি উঠিছিল। কঁকালৰ বস্ত্ৰ (মেখলা) অৰ্থাৎ কাণ্ডি ঢিলা হৈ পৰিছিল, খোপাৰ বান্ধ সোলোক-ঢোলোক হৈছিল আৰু মুখত ঘামৰ বিন্দুবোৰ জিলিকি পৰিছিল। তেওঁলোকে কেৱল কৃষ্ণ গুণ-গান গোৱাতে ব্যস্ত আছিল।

৯৪৩ কৃষ্ণৰ অসংখ্য মূৰ্ত্তি মেঘমল্লাৰ দৰে জিলিকি উঠিছিল আৰু সেই মেঘত গোপীসকল বিজুলীৰ চিক্‌মিকনিৰ দৰে চিক্‌মিকাইছিল। গোপীৰ ঘৰ্ম বিন্দুবোৰ মিলি যেন পানীৰ কণিকা হৈছিল আৰু তাত কৃষ্ণ গীতৰ ধ্বনি যেন মেঘৰ গৰ্জ্জন হৈছিল - যাক দেৱগণে আকাশৰপৰা চাই আচৰিত হৈছিল।

৯৪৪ কৃষ্ণৰ মধুৰ আলিঙ্গনৰ পৰশ পাই গোপীৰ আনন্দৰ সীমা নাই। কৃষ্ণ গীতৰ ধ্বনি দশোদিশে প্ৰতিধ্বনিত হ'ল। এইদৰে নৃত্য-গীতেৰে কৃষ্ণক আপ্যায়ন কৰাত কৃষ্ণই প্ৰশংসা কৰিলে।

৯৪৫ কৃষ্ণই গোপীসকলক বহু আনন্দ প্ৰদান কৰি মহা মহোৎসৱ পাতিলে। গোপীৰ অৱস্থাৰ বিষয়ে ইয়াৰ পাছত কোৱা হ'ব। হে সামাজিকলোক অকণো বিৰাম নোলোৱাকৈ হৰি হৰি বোলা।

ত্ৰয়োদশ কীৰ্ত্তন

ঘোষা পদ্মপাণি (বিষ্ণু) গোপীৰ হৃদয়ৰ আনন্দ, দুখ হৰণকাৰী দেৱ। হে দেৱ, তোমাৰ চৰণৰ বিনে কাৰো গতি (মুক্তি) নাই। ৮০

৯৪৬ কোনো কোনো গোপী ভাগৰত আকুল হৈ পৰিল আৰু খোপাৰ বলয়া সোলকি পৰিল আৰু খোপাৰ ফুল খহি পৰিল। কৃষ্ণৰ দেহতে দেহ লগাই আউজি জিৰণী লৈছিল। হাত মেলি অতি প্ৰেমেৰে কান্ধত ধৰি শান্তি লাভ কৰিছিল।

৯৪৭ কৃষ্ণৰ পদ্ম-গন্ধীবাহু কান্ধত লৈ তাৰ পৰা সঘনে সুগন্ধ গোপীসকলে আনি সুঙিছিল। তাকে পাই গোপীৰ দেহ-মন আনন্দত উল্লাসিত হৈছিল আৰু ভুল কৰি কৃষ্ণৰ বাহুযুগলতে চুম্বনৰ পৰশ দিছিল।

৯৪৮ নাচোতে আৰু খোজ কাঢ়োতে মকৰ কুণ্ডল লৰিছিল আৰু তাৰ ৰশ্মি পৰি কৃষ্ণৰ গণ্ডস্থল শোভিত হৈছিল। সেই শোভিত গণ্ডস্থলত গোপীয়ে মুখ নি লগাইছিল। নৃত্যৰ ভঙ্গিমাৰ মাজতে চক্ৰপাণিক এনে কৰে।

৯৪৯ নাচোতে গাৰ কাঞ্চি আৰু নুপূৰৰ ৰুণুঝুণু শব্দ হয় আৰু গোপীসকল ভাগৰত লালকাল হয়। কৃষ্ণ পদ্মহস্ত দুখনি অতি সুখকৰ হোৱাৰ বাবে গোপীয়ে হস্ত দুখনি নি নিজৰ স্তনদ্বয়ৰ ওপৰত থয়।

৯৫০ ভগৱন্ত কৃষ্ণৰ লক্ষ্মীৰ লগত ৰমণৰ যি মাদকতা তাক গোপীসকলে স্বামী হিচাবে পাই মহানন্দ লাভ কৰিলে। কৃষ্ণই দুই বাহু মেলি গোপীক কান্ধত ধৰি ৰাসকেলি মহাআনন্দেৰে কৰিবলৈ ধৰিলে।

৯৫১ তললৈ ওলমি পৰা কেকুৰা চুলিৰ শাৰীবোৰ, পদুমৰ পাহিৰ বৰণৰ দৰে কৰ্ণদ্বয়, পদুমৰ দৰে বদনত ঘাম বিন্দুবোৰে কৃষ্ণৰ অনিন্দ্য শোভা বৃদ্ধি কৰিছে। কৃষ্ণৰ লগত আনন্দত মতলীয়া হৈ গোপিনীগণে নাচিবলৈ ধৰে। নাচোতে হাতৰ খাৰু, নুপূৰ আদি বাজিছিল।

৯৫২ গায়কৰ গানৰ দৰে ভোমোৰাৰ গুঞ্জনৰ অনুৰূপে গোপীৰ নৃত্যতো ভৰি আৰু হাতৰ ধ্বনি প্ৰতিধ্বনিত হ'ল। (গীতাল— গায়ক)। গোপীৰ মূৰ লৰাৰ বাবে খোপাৰ চুলিত আউল-জাউল হল; যেন চুলিৰপৰা পুষ্প বৰিষণহে হ'ল।

৯৫৩ গোবিন্দ্ৰয়ো বিভিন্ন ভঙ্গিমাৰে নৃত্য কৰিবলৈ ধৰিলে। নৃত্যৰ ছেৱে ছেৱে কোনো গোপিকাক আলিঙ্গন কৰিলে। কোনো কোনো গোপীৰ স্তনত

স্পৰ্শ কৰে, বঙ্কিম দৃষ্টিৰে গোপীক চুম্বন কৰে।

৯৫৪ কৃষ্ণই নিজা কলা-কৌশল প্ৰয়োগ কৰি গোপীৰ আনন্দ বঢ়াই ক্ৰীড়া কৰিবলৈ ধৰিলে। গোপীয়ে নৃত্য-কলাৰে কৃষ্ণক বিভুল কৰিব নোৱাৰিলে। সৰু ল'ৰা-ছোৱালীয়ে ছাঁয়াৰ লগত ওমলাৰ দৰে কৃষ্ণৰ অনিন্দ্যসুন্দৰ নৃত্যত গোপীয়ে ছাঁয়াৰ দৰে ঘূৰি ফুৰিলে।

৯৫৫ কৃষ্ণৰ ক্ৰীড়াত গোপীগণ বিমোহিত হ'ল আৰু তেওঁলোকৰ অলঙ্কাৰ, মালা খহি খহি পৰে, খোপা সোলকি পৰে যদিও তাক নাবান্ধে, বুকুৰ কাপোৰ খহি পৰে যদিও পুনৰ তুলি নলয়।

৯৫৬ বিমানৰ পৰা চাই থকা দেৱাঙ্গনাসকলে কৃষ্ণৰ মনোৰম কেলি দেখি বিমানতে ঢলি ঢলি পৰিবলৈ ধৰিলে। কৃষ্ণৰ ক্ৰীড়াৰ মাদকতাত চন্দ্ৰয়ো কামবানত বিমোহিত হয়। ৰথ ৰখাই ৰখাই সেই কেলি এনেকৈ চাবলৈ ধৰিলে যেন সেই ৰাতি নুপুৱাওক।

৯৫৭ যিমান গোপী আছিল সিমানজন কৃষ্ণ হৈ কৃষ্ণই গোপীৰ মনোৰথ পূৰ্ণ কৰি ক্ৰীড়া কৰিলে। কৃষ্ণ পূৰ্ণকাম (কামনাৰহিত) হৈয়ো ভকতৰ বশ্য হৈ অৰ্থাৎ ভকতৰ মনোবাঞ্ছা পূৰণৰ বাবে ক্ৰীড়া কৰিলে। হৰি হৰি বুলি তৰিব পাৰি, এই তত্ত্ব-ৰহস্য ব্যক্ত কৰিলো।

চৰ্তুদ্দশ কীৰ্ত্তন

ঘোষা হে যাদৱ, তুমি জগতৰ প্ৰাণ, তুমি ৰাম।
তুমি পৰমভক্তা গোপীৰ মনৰ কামনা পূৰণ কৰিলা। ৮১

৯৫৮ ৰতি ক্ৰীড়াৰ পৰিসমাপ্তিত গোপীসকল শ্ৰান্ত-ক্লান্ত হোৱাত হৰিয়ে নিজ হাতেৰে তেওঁলোকৰ মুখবোৰ মাজিলে আৰু তেওঁলোকেঅতিশয় আনন্দ লাভ কৰিলে।

৯৫৯ হাঁহিত অমৃত বৰষাই গোপীসকলে কৃষ্ণক আৱৰি কৃষ্ণক পূজি গোবিন্দৰ গুণ-গীত গাবলৈ ধৰিলে।

৯৬০ তেওঁলোকৰ ভাগৰ দূৰ কৰিবলৈ সমস্ত যুৱতীক লৈ হৰিয়ে যমুনাৰ জলত নামিল। চাৰিওফালৰপৰা ভ্ৰমৰগণে গুঞ্জন কৰিবলৈ ধৰিলে।

৯৬১ হস্তিনীৰ লগত মদমত্ত হস্তীয়ে জলক্ৰীড়া কৰাৰ দৰে কৃষ্ণয়ো গোপীগণৰ লগত জলক্ৰীড়া কৰিবলৈ ধৰিলে।

৯৬২ কৃষ্ণক বেঢ়ি গোপীসকলে হাঁহি হাঁহি পানী সিঁচিবলৈ ধৰিলে। কৃষ্ণৰ পদ্মমুখলৈ-চাই দেৱগণে পুষ্পবৃষ্টি কৰিলে।

৯৬৩ গজেন্দ্ৰই লীলা কৰাৰ দৰে কৃষ্ণয়ো আনন্দমনেৰে গোপীসকলক ক্ৰীড়া কৰিলে। জলক্ৰীড়া সমাপন কৰি যমুনাৰ পাৰলৈ উঠি আহি বনত বিচৰণ কৰিলে।

৯৬৪ ফুলৰ সুগন্ধই জল-স্থল সকলোতে অমৃত বিলালে আৰু সেই সুৰভি পান কৰি গোপীসকলে লয়লাস গতিৰে ফুৰিবলৈ ধৰিলে। কৃষ্ণৰ ৰাস ক্ৰীড়াত ভ্ৰমৰগণে গুঞ্জন কৰি পৰিৱেশ অতি সুন্দৰ কৰি তুলিলে।

৯৬৫ এইদৰে শৰতৰ ৰাতিবোৰত চন্দ্ৰমাই শুভ্ৰ-শীতল প্ৰভা বিলাবলৈ ধৰিলে। কৃষ্ণই এনে মনোময় প্ৰাকৃতিক অনুকূল পৰিৱেশত ৰাসক্ৰীড়া কৰিলে। পৰীক্ষিতে বিস্ময় হৈ শুকক সুধিলে —

৯৬৬ অধৰ্ম্মক বিনাশ কৰি ধৰ্ম্মক ৰক্ষা কৰিবলৈহে ভগৱান কৃষ্ণই অৱতাৰ লৈছিল; কিন্তু ধৰ্ম্ম-ৰক্ষক হৈ কৃষ্ণই কিয় গোপনাৰীক ক্ৰীড়া কৰিলে?

৯৬৭ হৰি যদি পূৰ্ণ কাম অৰ্থাৎ কামৰহিত হয়, তেনেহলে এনে গৰ্হিত কাম কিয় কৰিলে? ইয়াৰ উত্তৰ দি মোৰ সংশয় ছেদ কৰক। শুকে উত্তৰত ক'বলৈ ধৰিলে—

৯৬৮ ৰাসক্ৰীড়া শ্ৰৱণ কৰিলে সকলোৱে সংসাৰৰ দুখ-কষ্ট এৰাব পাৰে। কৃষ্ণৰ কিঙ্কৰে কয় - একান্তমনে হৰি হৰি বোলা।

পঞ্চদশ কীৰ্ত্তন

ঘোষা ৰাম ৰাম বুলি সংসাৰত উদ্ধাৰ হোৱা।
হে ভাই, অন্তকে (মৃত্যুৱে) এই গ্ৰাস কৰোঁ কৰোঁ হৈছে। ৮২।।

৯৬৯ পৰম ঈশ্বৰে অকৰ্ম্ম কৰিব পাৰে; কাৰণ পৰম তেজস্বী (সৰ্ব্ব শক্তিমান) কোনো অধৰ্ম্ম থাকিব নোৱাৰে। অগ্নি (বহ্নি) সৰ্ব্বভক্ষক; ই সকলোকে পুৰি ভস্মীভূত কৰে; কিন্তু তাৰ দোষে অগ্নিক স্পৰ্শ নকৰে।

৯৭০ ঈশ্বৰ সৰ্ব্বশক্তিমান, কিন্তু যিজন ঈশ্বৰৰ গুণসম্পন্ন নহয়, তেওঁ তেনে কৰ্ম্ম কৰিলে অধোগতিহে যায়। সাগৰ মন্থনত নিৰ্গত হোৱা বিষ শিৱই পান কৰি নীলকণ্ঠ হ'ব পাৰিলে; তাকে দেখি আনে বিষ পান কৰিলে মৃত্যু নহে কি হ'ব?

৯৭১ দেহক লৈ যি অহঙ্কাৰ নকৰে, তেওঁক কৰ্ম্মদোষে বিকাৰ নঘটায়। জগতৰ পৰম ঈশ্বৰক কৰ্ম্মই স্পৰ্শ কৰিব নোৱাৰে।

৯৭২ যি ঈশ্বৰৰ চৰণ কমল চিন্তি ভকতে কৰ্ম্মবন্ধ বিনাশ কৰে, তেনে ঈশ্বৰে লীলা অৱতাৰৰ বাবে মানৱী তনু লৈ কৰ্ম্ম কৰি দেখুৱাইছে; গতিকে কৃষ্ণৰ ৰাসক্ৰীড়াত সন্দেহ থাকিব নোৱাৰে।

৯৭৩ যিজন অন্তৰ্যামী, নাৰায়ণ, জগতৰ ঈশ্বৰ, তেওঁৰ বাবে পৰদাৰ বুলি কোনো বস্তু নাই। যাক স্মৰণ কৰিলে পাপ নাশ হয় (মোষে- নাশ হয়), তেওঁক এইবোৰ দোষে একো কৰিব নোৱাৰে।

৯৭৪ শৃঙ্গাৰ বা আদি ৰসত যাৰ আসক্তি আছে, এই কথা শুনি তেওঁৰ মন পবিত্ৰ হ'ব। গোপী পৰমভক্তা, হৰিয়ে ভকতৰ মনোবাঞ্ছা পূৰণ কৰিবৰ বাবেহে নৰদেহা ধৰি ক্ৰীড়া কৰিলে।

৯৭৫ কৃষ্ণৰ মায়াই গোপকো মোহিলে। গোপৰ কাষতে নিজৰ পত্নী আছে। গতিকে সেই গোপগণৰ পত্নীসকল স্বামীক এৰি কৃষ্ণৰ ওচৰলৈ যোৱা নাছিল দেখি কোনো গোপে কৃষ্ণৰ প্ৰতি অসূয়া নহ'ল।

৯৭৬ ৰাতি পুওৱাৰ সময় আহি পৰাত কৃষ্ণই গোপীসকলক মাতি নি ঘৰাঘৰি যাবলৈ ক'লে। কৃষ্ণক এৰি যাবৰ মন নাই যদিও অসন্তোষ মনেৰে গৃহাগমন কৰে।

৯৭৭ কৃষ্ণৰ এই ৰাসলীলাৰ কথা একান্তমনেৰে যি শুনে, তেওঁৰ কৃষ্ণৰ প্ৰতি ভক্তি বাঢ়িব আৰু কাম-সাগৰৰ পৰা উদ্ধাৰ হ'ব।

৯৭৮ ৰাসলীলা কামজয়ৰহে কথা। নৰদেহধাৰীয়ে এই দেহক মিছাতে ব্যয় নকৰি কৃষ্ণকথা শুনা। কৃষ্ণদাসে সকলোকে হৰি হৰি বুলিবলৈ কৈছে।

ষোড়শ কীৰ্ত্তন

ঘোষা হে যাদৱ, হে যাদৱ, তুমি দৰিদ্ৰক দয়া কৰোঁতা।
তুমিয়েই আমাৰ গতি, আমাৰ মুক্তি দিওঁতা গোপাল।। ৮৩

৯৭৯ এইদৰে ওৰে ৰাতি ক্ৰীড়াতেই অতিক্ৰম হ'ল। দিন হোৱাৰ লগে লগে গোপীসকল বিৰহত আকুল হৈ উঠিল। কৃষ্ণ বনলৈ যোৱাত নেদেখি গোপীগণে দুঃখ পালে আৰু ওৰে দিন কৃষ্ণৰ গুণ-গান গাই গাই মহা দুঃখে পাৰ কৰিলে।

৯৮০ হৰিনাম বিনে উদ্ধাৰৰ অন্য উপায় নাই। কোনো কোনো গোপীয়ে ক'লে- সখী, কৃষ্ণ-কথা শুনা। বাওঁ কপাল, বাওঁ বাহুত থৈ কৃষ্ণই বাঁহীক ওঁঠত লৈছিল।

৯৮১ বাঁহীৰ ৰন্ধ্ৰত কোমল আঙুলি বুলাই কৃষ্ণই বংশী ধ্বনি কৰিলে, তাকে শুনি দেবাঙ্গনাবোৰ মুৰ্চ্ছিত হ'ল আৰু কামবানত তেওঁলোকৰ চিত জৰ্জ্জৰিত হ'ল।

৯৮২ মহামোহত আকৃষ্ট হৈ তেওঁলোকে বস্ত্ৰ সামৰিবলৈ পাহৰিলে। নিজ স্বামীৰ কাষতে থাকি নিজৰ অৱস্থা দেখি লজ্জা পায়। এনে হৰিৰ বিৰহ কি মতে সহো বুলি এজনী গোপীয়ে আনজনীক কয়।

৯৮৩ যি হৰিৰ বক্ষস্থলত (উৰঃস্থল-বক্ষস্থল) শ্ৰী বৎসৰ ছটা বিদ্যমান আৰু য'ত লক্ষ্মীৰ বাসস্থান, সেই স্থান, শ্যামল মেঘত বিজুলিৰ চিক্‌মিকনিৰ দৰে মনোহৰ। তেনেজন হৰিৰ বংশীধ্বনিয়ে আনকি গৰু আৰু মৃগবো চিত হৰণ কৰে।

৯৮৪ দাঁতেৰে তৃণ লৈ, কৰ্ণ ওপৰলৈ তুলি, চক্ষু মুদি চিত্ৰত অঁকা পুতলাৰ দৰে হৈ তেওঁলোকে বংশীৰ মাত শুনি থাকে। অন্যান্য গোপীয়েও কৃষ্ণক নেদেখি কেনেকৈ জীয়াই থাকো বুলি প্ৰমাদ গণিছে।

৯৮৫ গোপীয়ে কৈছে - কৃষ্ণৰ মুৰত ময়ুৰপুচ্ছ, কৰ্ণত পল্লৱৰ দৰে কুণ্ডল আৰু গাত অগৰু ঘঁহি মল্লবেশত কৃষ্ণৰ ৰূপ অতি মনোহৰ। বংশীৰাৱে যেতিয়া ধেনুক নামধৰি মাতে; সেই শবদত নদীসৰেও আচৰিত হৈ মৌনভাৱে থাকে।

৯৮৬ আমি কৃষ্ণৰ চৰণৰ ধূলি পাবলৈ কম্পিত হস্তে বাৰম্বাৰ প্ৰাৰ্থনা কৰোঁ। কোনো গোপীয়ে কয় - গোপগণেও কৃষ্ণৰ গুণ বখানে।

৯৮৭ বাংশীৰ ধ্বনিত (নিস্বানে-ধ্বনিত) গৰুবোৰ কৃষ্ণৰ কাষ চাপে আৰু সেই ধ্বনিত তৰুলতাও প্ৰেমত পুলকিত হৈ উঠে, ফল-ফুলবোৰেও তললৈ দোঁ খাই যায়। তেওঁ বৃক্ষৰো আত্মা; সেইবাবে বৃক্ষয়ো সেৱা জনায়।

৯৮৮ এনে কৃষ্ণক নেদেখাকৈ কেনেকৈ থাকিম? আনজনী গোপীয়ে কয়-তুলসীৰ সুগন্ধ ভ্ৰমৰে গুঞ্জৰি গুঞ্জৰি আনি যেন কৃষ্ণক যোগায়হি।

৯৮৯ কৃষ্ণই সুন্দৰ অধৰে যেতিয়া বাংশীধ্বনি কৰে তেতিয়া বিলৰ পদুমে বনৰ পক্ষীয়েও হৰিক উপাসনা কৰে। সকলোৱে চকু মুদি সেই সুৰ-তৰঙ্গত উটি-ভাঁহি যায়।

৯৯০ পক্ষীয়েও যেতিয়া বাংশীৰ ধ্বনিত মোহ যায়, আমিনো বাৰু কিদৰে প্ৰাণ ধৰো বুলি গোপীয়ে কয়। কোনোজনী গোপীয়ে কৈছে কৃষ্ণয়ে বলৰামৰ সহিতে পৰ্ব্বত আৰোহণ কৰিছে।

৯৯১ বাংশীৰ ধ্বনিৰে সকলোকে আনন্দ দান কৰিলে আৰু মেঘেও ছত্ৰধৰি দিব্যপুষ্প বৃষ্টি কৰিলে। এনে হৰিৰ বিয়োগত আমি কি আকুল নহ'ম?

৯৯২ কিছুমান গোপীয়ে যশোদাক কৈছে - তোমাৰ পুত্ৰই বেণু বজাই সকলোকে মুগ্ধ কৰিলে। বাঁহীত মুখ দি উদ্দাত্ত, অনুদাত, স্বৰিত আদি ধ্বনি তুলি যেতিয়া বাঁহী বজায়, তেতিয়া ব্ৰহ্মা, ৰুদ্ৰ আদি দেৱো মোহ যায়।

৯৯৩ সেই বাংশীধ্বনি একমনেৰে তলমূৰ কৰি শুনি থাকে আৰু তাৰ তাল-স্বৰ নিশ্চয় কৰিব নোৱাৰে। এনে হৰিৰ বিহনে প্ৰাণ কি দৰে ধৰো। পাপৰ মূল উচ্ছেদ কৰিবৰ বাবে হৰি হৰি বোলা।

সপ্তদশ কীৰ্ত্তন

ঘোষা হে কৃষ্ণ, হে হৰি, উদ্ধাৰ কৰা প্ৰভু। হে গোপাল, হে কৃপালু হৰি, তোমাৰ চৰণত ধৰোঁ, হে হৰি এই জন্মতে কৰুণা কৰা যেন তৰি যাব পাৰোঁ। ৮৪

৯৯৪ কোনোজনীয়ে কয় হে সখি, মোৰ কথা শুনা-- ব্ৰজত কৃষ্ণই খোজ দি ফুৰোঁতে ধ্বজ, বজ্ৰ, পঙ্কজৰ চিন থাকি যায়। আমাক তেওঁ নানা ভঙ্গিমাৰে চাই যায়।

৯৯৫ কৃষ্ণৰ মধুৰ চাৱনিয়ে যেন আমালৈ কামনাৰ শৰ হে মাৰে। তেওঁৰ চাৱনিত আমি বৃক্ষৰ দৰে থৰ হৈ চাই থাকো, সুলকি যোৱা খোপাও সামৰিবলৈ পাহৰোঁ আৰু বস্ত্ৰও নাসামৰোঁ।

৯৯৬ আন এজনীয়ে কয়- কৃষ্ণই এজন গোৱালৰ কান্ধত হাত থৈ গৰুবোৰ গণনা কৰে, ডিঙিত গন্ধ তুলসীৰ মালা পিন্ধি বাঁহী বজায়।

৯৯৭ কৃষ্ণসাৰ হৰিণৰ ভাৰ্য্যাগণে কৃষ্ণৰ কাষ চাপি কৃষ্ণৰ গুণৰ সাগৰত ডুব গৈ থাকে। আমিও তেনে কৃষ্ণৰ বাবে গৃহ ত্যাগ কৰো।

৯৯৮ এনে হৰিৰ বিৰহত কেনেকৈ প্ৰাণ ধৰোঁ-বুলি গোপীয়ে যশোদাৰ আগত কয়। কুন্দ ফুলৰ সৌৰভ গাত সানি, চন্দন ঘঁহি গৰু লৈ আহোঁতে তোমাৰ পুত্ৰৰ মাধুৰ্য্য চালে চকুৰোৱা।

৯৯৯ যমুনাত সকলোকে আনন্দ দি থাকোতে গন্ধৰ্ব্বই গীত গায়, মলয়া বতাহ বয়, তেওঁলোকে কৃষ্ণৰ শিৰত পুষ্পবোৰ সিঁচি দিয়ে। তেনেজন হৰিৰ বিয়োগত আমি অথিৰ অবিৰ হৈছোঁ।

১০০০ কৃষ্ণক অহা দেখিলে- আমাৰ সুহৃদ আহিছে বুলি সখীসকলক কওঁ। গধূলি গৰুবোৰ একেলগ কৰি কৃষ্ণ আহি পোৱাত আমাৰ প্ৰাণ গোবিন্দ আহি পালেহি বুলি কৈ আনন্দ কৰিছিলো। তেওঁ বাঁহী বজাই তেতিয়া আনন্দ দিছিল।

১০০১ গৰুলৈ আহোঁতে পথত ব্ৰহ্মা আদি দেৱসৱে প্ৰণাম কৰিছিল, যেন আমাৰ হিংসাত হে কৃষ্ণক অহাত পলম ঘটাইছিল। আমাৰ হৃদয়ক জুৰুৱাবৰ বাবেহে দৈৱকীনন্দন আকাশৰ চন্দ্ৰমাৰ দৰে উদয় হৈছিল।

১০০২ গোপিকাসকলে ক'লে- চোৱাচোন গোবিন্দৰ চকুযুৰি কিমান চঞ্চল, কৰ্ণৰ কুণ্ডলৰ জ্যোতি পৰি মুখখনি কেনে পাণ্ডুবৰণীয়া হৈ শোভা

কৰিছে, যেন সন্ধ্যাকালে উদিত চন্দ্ৰৰ জ্যোতিহে।

১০০৩ *কৃষ্ণৰ গমন গজৰাজৰ (হস্তী) নিচিনা গহীন-গম্ভীৰ, এনেজনতে* গোপীসকলে প্ৰতিদিনে প্ৰাণ সঁপি দিছিল।

১০০৪ সমস্ত দিৱসত গোবিন্দৰ গুণানুকীৰ্ত্তন কৰি, গীত গাই ফুৰা গোপীসকল প্ৰকৃতাৰ্থত পৰম ভাগ্যৱতী। এওঁলোকে কৃষ্ণক ভজি কৰ্ম্মবন্ধ ছেদ কৰিলে বুলি শুকে পৰীক্ষিতক কলে।

১০০৫ ভক্তৰ বাবেই কৃপাময় কৃষ্ণই এই কামজয় কেলি অৰ্থাৎ ৰাসলীলা কৰি দেখুৱালে। যিজনে বিৰাম বিহীনভাবে এই কামজয় কেলি শুনে আৰু ভনে, তেওঁৰ ভক্তি বৃদ্ধি হয় আৰু কামক জয় কৰিব পাৰে।

১০০৬ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে কয়-কলিযুগত ভাৰতত জন্ম গ্ৰহণ কৰিবলৈ পোৱাটো মহাভাগ্য বাবে নিৰন্তৰে হৰি ভকতি কৰিব লাগে। দৃঢ়ভাবে হৰি ভক্তি কৰি পৰম গতি পাবা।

১০০৭ সংসাৰত ভকতিতকৈ পৰমধৰ্ম্ম আন হ'ব নোৱাৰে, এই কথা বেদৰ সাৰতত্ত্ব। ৰাম নাম অমৃত, ইয়াক পান কৰা, কেতিয়া মৃত্যু হ'বা ঠিক নাই; গতিকে জীয়াই থাকোতেই হৰি হৰি বোলা।

অষ্টাদশ কীৰ্ত্তন

ঘোষা যাদৱ, জগত মোহনকাৰী হে ৰাম, তুমি ভকত বৎসল বাবে তোমাৰ নামেই ভকত বৎসল। ৮৫

১০০৮ শৰত কালৰ চন্দ্ৰাৱলী ৰজনীত কৃষ্ণই দিব্য ৰাসক্ৰীড়া সম্পন্ন কৰিলে। হৰিয়ে পঞ্চমত সুৰ তুলি গীত গালে আৰু সেই সুৰ তৰঙ্গত গোপসুন্দৰী উটি-ভাঁহি গ'ল।

১০০৯ নিজৰ ঘৰ-দুৱাৰ এৰি গোপীসকল দৌৰি গ'ল। গমনত তেওঁলোকৰ কাণৰ কুণ্ডল দোলিলে আৰু স্তনযুগল হলফল কৰিলে। বৃন্দাবনত কৃষ্ণই বাঁহী বজালে আৰু গোপীগণে চাৰিওফালে বেঢ়ি নৃত্য কৰিলে।

১০১০ তেওঁলোকে জয় কৃষ্ণ বুলি চাপৰি বজালে আৰু মাজত থাকি কৃষ্ণই শোভা কৰিলে। উজ্বল মৰকত মণি সোণ অলঙ্কাৰৰ মাজত জিলিকি থকাৰ দৰে কৃষ্ণয়ো গোপীৰ মাজত তিৰবিৰাই উঠিল।

১০১১ দুগৰাকী গোপীৰ মাজত এক কৃষ্ণই হাতে ভৰিয়ে নুপূৰৰ ৰুণু ঝুনু শব্দ কৰি নৃত্য কৰিলে। গোপী হাতে হাতে ধৰি কৃষ্ণক মাজত ললে আৰু কৃষ্ণই ৰঙেৰে নৃত্য কৰিলে।

১০১২ কৃষ্ণৰ দেহৰ বৰণ সজল মেঘৰ দৰে শ্যামল, গোপীসকল যেন কৃষ্ণ মেঘত বিজুলী সুদৃশ। পৰিধান কৰা অলঙ্কাৰসমূহৰ শব্দই মনলৈ সন্তোষ্টি কঢ়িয়াই আনে।

১০১৩ গোপীৰ ডিঙিত ধৰি বনমালীয়ে অনঙ্গ কেলি কৰিলে। গোপীসকলৰ শ্ৰম দূৰ কৰিবলৈ যমুনাৰ জলত নামিল আৰু গোপীগণে কৃষ্ণলৈ পানী সিঁচিবলৈ ধৰিলে।

১০১৪ গোপীৰ মনোৰথ পূৰ্ণ হ'ল। তেওঁলোকৰ ক্ৰীড়া দেখি চন্দ্ৰই ৰথ ৰাখি উপভোগ কৰিলে, দিব্য অঙ্গনাসকলে মোহিত হ'ল। মহাৰাসৰ আগ মুহূৰ্তত যক্ষক বধ কৰি গোপীক উদ্ধাৰ কৰিছিল বনমালীয়ে।

১০১৫ তাৰ পাচত অৰিষ্ট অসুৰ পৃথিবী কঁপাই খেদি আহিল আৰু শিঙত ধৰি কৃষ্ণই তাকো বধ কৰিলে।

১০১৬ কেশী অসুৰে ভয়ঙ্কৰ চিঞৰ মাৰি, নেজৰ কোবত মেঘ উৰাই গোপপুৰ কঁপাই তুলিলে। তাকে দেখি কৃষ্ণ আগবাঢ়ি গ'ল।

১০১৭ অতি তীব্ৰ গতিৰে কেশীয়ে ভৰিৰে লাঠি মাৰিলে আৰু কৃষ্ণই তাৰ

ভৰি দুখনিত ধৰি আছাৰি পেলালে।

১০১৮ পুনৰ কেশীয়ে মুখ মেলি আহিল আৰু কৃষ্ণই বাঁওহাত তাৰ মুখত ভৰাই গলত ভেটি ধৰিলে।

১০১৯ সি মাটিত পৰি ভৰি আছাৰিবলৈ ধৰিলে আৰু তেজবমি কৰি মৰিল আৰু তাৰ শৰীৰ ফাটি যোৱাত কৃষ্ণৰ হাত বাহিৰ হ'ল।

১০২০ কেশী বধ হোৱা দেখি ব্ৰহ্মাদিদেৱে আনন্দ পাই পুষ্প বৃষ্টি কৰিলে। কংসৰ আদেশত যিমানবোৰ দৈত্য আহিছিল জুইত পতঙ্গ পৰি মৰাৰ দৰে কৃষ্ণৰ হাতত প্ৰাণ দিলে।

১০২১ এইদৰে সকলো অসুৰকে বধ কৰি কৃষ্ণই বৃন্দাবনত গৰু চৰাই ফুৰিছিল। গৰুৰ খোজৰ ধূলিৰে মুখ আৰু চকু আচ্ছাদিত হয়, মূৰত মৈৰাৰ পাখি পিন্ধি কৃষ্ণই শোভা কৰে।

১০২২ তেওঁ কাণত লাটুমণি গুটিৰ থোপা আৰি লয় (গুঞ্জাৰ-লাটুমণি গুটি)। শিঙা, বেত বাড়ি কাষত লৈ, মোহন বাঁহী কাঁকালৰ পেটিত থৈ, ব্যঞ্জন আৰু ভাত বাঁও হাতত লৈ ফুৰে। (বেৰটিত— কঁকালৰ পেটি)।

১০২৩ গোপশিশুসকলৰ সঙ্গত কৃষ্ণই ভোজন কৰে। তেওঁৰ লীলা বুজা টান । তেওঁ ইচ্ছা কৰি লীলাৰ দ্বাৰাই ভূমিৰ ভাৰ হৰণ কৰিছিল।

১০২৪ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ৰচনা কৰা কৃষ্ণৰ কেলি সকলোৱে শুনাহঁক। এই অমৃত কথা শুনিলে অনায়াসে সংসাৰ তৰিব পাৰিবা। সেইবাবে সঘনে হৰি হৰি কীৰ্ত্তন কৰা।।

ৰাসক্ৰীড়া সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

দ্বাদশ খণ্ড

কংস বধ

প্ৰথম কীৰ্ত্তন

ঘোষা হৰিয়েই আত্মা, হৰিয়েই বন্ধু।
সংসাৰ সাগৰ তৰিবৰ কাৰণে হৰিনামেই নৌকা।। ৮৬।।

১০২৫ কেশীক বধ কৰাত দেৱগণে পুষ্পবৃষ্টি কৰি স্তুতি কৰিছিল। সেই সময়তে নাৰদ তাত উপস্থিত হৈ মহা আনন্দে কৃষ্ণক ক'লে -

১০২৬ হে কৃষ্ণ তোমাক প্ৰণাম জনাইছোঁ। তুমি সমস্ত প্ৰাণীৰ আত্মা। তুমি আদি পুৰুষ আৰু ঈশ্বৰ সাক্ষী আৰু চৰাচৰ জগতক তুমিয়েই ৰাখি আছা।

১০২৭ ভকতসকলক ৰক্ষা কৰিবলৈ, দুষ্টক বিনাশ কৰিবলৈ হে গৰুড়কেতু তোমাৰ এই অৱতাৰ। কেশীৰ মাত শুনি দেৱগণ ভঙ্গ দিছিল যদিও কেশীক কৃষ্ণই বধ কৰাত বৰ আনন্দ লাভ কৰিলে।

১০২৮ কেশীৰ বাবেই দেৱগণে স্বৰ্গত থাকিব পৰা নাছিল। কেশীক বধ কৰাতহে দেৱগণে ৰক্ষা পায়। পাচদিনা পুৱাতেই মথুৰালৈ গৈ ধোবাক বধি ধনুভঙ্গ কৰিব কৃষ্ণই।

১০২৯ তাৰ পাচত চানুৰ, মুষ্টিক আদি মল্লক আৰু কুবলয়পীড় হস্তীক বধ কৰি কংসক বধ কৰিব।

১০৩০ কালযৱন, নৰকাসুৰ, পঞ্চজন অসুৰক কৃষ্ণই বধ কৰিব, কণ্যা বিবাহ কৰিব, নৃগৰ শাপ মোচন কৰিব।

১০৩১ জাম্বৱন্তক জয় কৰি সত্যভামাসহ স্যমন্ত মণি লাভ কৰিব, বিপ্ৰৰ মৃত পুত্ৰক আনি দি পৌণ্ড্ৰক ৰজাক বধ কৰিব।

যুদ্ধ জয় কৰাই ওঠৰ অক্ষৌহিনী সেনা নিধন কৰিব।

১০৩৩ তাৰ পাচত দ্বাৰকাত বহুত কৰ্ম্ম সমাপন কৰি আনন্দমনে দিন কটাব। তেওঁ জ্ঞান-মূৰ্তি, তেওঁ স্বামী, তেওঁত আমি শৰণে পশিলোঁ।

১০৩৪ তেওঁ পৰমপুৰুষ, সন্ত-মহন্তৰ গতি, যদুবংশৰ শিৰোমনি, তোমাক প্ৰণাম জনাওঁ বুলি নাৰদে কৃষ্ণৰ পৰা বিদায় ললে।

১০৩৫ গোবিন্দই কেশী অসুৰক বধ কৰি ব্ৰজৰ আনন্দ বৃদ্ধি কৰিলে আৰু নানালীলা কৰি কিছুদিন থাকিল। সমস্ত লোকে হৰি বোলা।।

দ্বিতীয় কীৰ্ত্তন

ঘোষা রাম বনমালী, গোপাল বনমালী অৰ্থাৎ হে ৰাম তুমিয়েই বনমালী অৰ্থাৎ কৃষ্ণ আৰু গোপালেই বনমালী (কৃষ্ণ), চাৰি নামে তুমি ভগৱান।। ৮৭।।

১০৩৬ নাৰদ ঋষি কংসৰ ৰাজসভালৈ গৈ কংসক কলে -হে ভোজৰাজ, তই নিচিন্তহৈ কিয় আছ? তোক মাৰিবৰ কাৰণে দেৱতাসকলে যত্ন কৰিছে, দৈৱকীৰ গৰ্ভত নাৰায়ণৰ জন্ম হৈ গৈছে।

১০৩৭ বসুদেৱে গোকুলত কৃষ্ণক লুকুৱাই ৰাখিছে আৰু নন্দৰ ঘৰত তোমাৰ প্ৰাণবৈৰী ডাঙৰ দীঘল হৈছে। ছল কৰি (কৃত্যাকৰি) নন্দৰ কন্যাক আনি তোমাক দিলেহি।

১০৩৮ কংসই এই কথা শুনি খাণ্ডা তুলি মহন্ত বসুদেৱক কাটিবলৈ খেদি গ'ল। দেবৰ্ষি নাৰদে কথমপি বাধা দি ৰাখি কলে যে কৃষ্ণক নমৰাকৈ ইয়াক নামাৰিবা।

১০৩৯ পিতৃক মৰা খবৰ পালে তোমাক কৃষ্ণই লগেই নিদিব। নৰাদৰ কথাত কংস উলটি আহিল আৰু বসুদেৱ দৈৱকীক লোহাৰ গড়াঁলত সোমোৱালে আৰু উগ্ৰসেনক বন্দী কৰিলে।

১০৪০ ইয়াৰ পাচত নাৰদ গোকুললৈ গৈ আকাশৰপৰা কৃষ্ণক স্তুতি কৰিলে তোমাৰ বাহিৰে ভূমিৰ ভাৰ সংহাৰ কৰোতা কোন আছে, পৰশিলৈ তুমি কংসক বধিবা।

১০৪১ উগ্ৰসেনক কংসৰ ৰাজ্যভাৰ অৰ্পণ কৰিবা, বসুদেৱ-দৈৱকীৰ দুখ দূৰ কৰিবা, তোমাৰ মানৱীয় লীলা আনন্দ মনেৰে দেখিবলৈ পাম- এইবুলি কৈ নাৰদে স্বৰ্গলৈ গতি কৰিলে।

১০৪২ কংসই কৃষ্ণক আনিবলৈ অক্ৰূৰক গোকুললৈ পঠালে। শিশুকালৰ পৰা অক্ৰূৰ মোৰ মিত্ৰ, গতিকে মোৰ এই কাৰ্য সাধন কৰা।

১০৪৩ অক্ৰূৰে (দানপতি) এই কথা শুনি বৰ আনন্দ লভিলে আৰু ৰাতি মথুৰাতে কটাই পুৱাই যাত্ৰা কৰিলে। বিধাতা নিশ্চয় মোৰ প্ৰতি প্ৰসন্ন হৈছে, সেইবাবে আজি কৃষ্ণক দেখিবলৈ পাম বুলি অক্ৰূৰে ক'লে।

১০৪৪ এই দুটি চকুৰে মই কৃষ্ণৰ চৰণ কমল দেখিবলৈ পাম, আজিহে মোৰ জীৱন সম্ফল হৈছে। কৃষ্ণৰ চৰণত দণ্ডৱতে পৰিম আৰু কৃষ্ণই মোক মধুৰ কথাৰে আশ্বাসিব।

১০৪৫ কৃষ্ণই মোক খুড়া বুলি আদৰ কৰিব আৰু তেতিয়াই ব্ৰহ্মায়ো নোপোৱা প্ৰসাদ মই লাভ কৰিম। ইয়াকে ভাবি গুণি ৰথ লৈ অক্ৰূৰ যাবলৈ ধৰিলে আৰু গধূলিৰ সময়ত গোপপুৰ পালেগৈ।

১০৪৬ মাধৱৰ খোজ অক্ৰূৰে ভূমিত দেখিবলৈ পালে। তাত ধ্বজ, বজ্ৰ, পঙ্কজ, অঙ্কুশৰ চিনেৰে সুশোভিত পদচিহ্ন দেখি অক্ৰূৰে ৰথৰ পৰা নামি কৃষ্ণ কৃষ্ণ বুলি চৰণৰ ধূলি আনি শিৰত ঘঁহিলে।

১০৪৭ ইয়াৰ পাচত গৈ কৃষ্ণক দেখি মহানন্দ পালে আৰু কৃষ্ণ কৃষ্ণ বুলি দণ্ডৱতে শিৰ দোঁৱালে। কৃষ্ণই তেওঁক আকোঁৱালি ধৰিলে আৰু অক্ৰূৰ খুড়া বুলি সৎকাৰ কৰিলে।

১০৪৮ অক্ৰূৰে ভক্তিৰদ্বাৰা যি যি কৰিলে, কৃষ্ণই সেই সকলো মনোবাঞ্ছা পূৰণ কৰিলে। কংসৰ অপচেষ্টাৰ কথা অক্ৰূৰে কৃষ্ণক সদৰি কৰিলে। মথুৰালৈ যাবৰ কাৰণে গোপসকল সাজু হ'ল।

১০৪৯ গাড়ীত উঠি নন্দকে আদি কৰি গোপসকল পুৱাতেই যাবলৈ ওলাল, ৰাম-কৃষ্ণও যাবলৈ ধৰিলে। কৃষ্ণই যাবলৈ লোৱা শুনি গোপীগণে ঘৰৰ পৰা ওলাই আহি বেজাৰ কৰিলে।

১০৫০ তেওঁলোকৰ চকুৰ পৰা চকুলো বাগৰি আহিল, মনত দুখৰ ডাৱৰে আবৰি ধৰিলে, জুমাজুমি কৰি কৃষ্ণক ওপৰলৈ মুখ কৰি চাবলৈ ধৰিলে। কৃষ্ণৰ বিজয়ৰ কথা মনোযোগেৰে শুনা আৰু জীৱন থকালৈকে হৰি হৰি বোলাইঁক।

তৃতীয় কীৰ্ত্তন

ঘোষা এ জয় হৰি, জয় ৰাম।।
(হৰিৰ জয় হওক, ৰামৰ জয় হওক)।।

১০৫১ নন্দৰ পুত্ৰ গোপৰূপে শুভক্ষণত বিজয় যাত্ৰা কৰিলে। শিঙা, বাঁহী, নিস্বানৰ সুৰ বাজি উঠিল আৰু কংসবধৰ বাবে উদ্যত হ'ল।

১০৫২ কৃষ্ণ ৰথত উঠি যাবলৈ ধৰিলে, গোপীগণে পৰি পৰি কান্দিবলৈ ধৰিলে। কৃষ্ণৰ বিৰহৰ তাপ লাগি গোপীৰ দেহ ভাগি গৈছে আৰু বাতুল হৈ পৰিছে।

১০৫৩ কৃষ্ণ কৃষ্ণ বুলি চিঞৰি চিঞৰি কয় - আমাৰ প্ৰাণক কোনে হৰণ কৰি নিছে? অক্ৰুৰ ক্ৰুৰ হৈছে, আমাৰ শত্ৰু হৈ আমাৰ প্ৰাণ কাঢ়ি নিছে।

১০৫৪ হে হৰি, তুমিও ইমান নিদাৰুণ হৈছা, গোকুলক অনাথ কৰি আঁতৰি গৈছা, কৃষ্ণ বিনে আমাৰ জীৱনৰ অৰ্থ হেৰাই গৈছে। বৃন্দাবনত কোনে আজিৰ পৰা ধেমালি কৰিব?

১০৫৫ ৰাতিপুৱাই কোনে গৰু চৰাবলৈ নিব? কোনে সুমধুৰ বাঁহী বজাব? কোনে আমাক মৰমেৰে চাব? কাক দেখি আমি হৃদয় জুৰাম?

১০৫৬ কোনে বাংশীত সুৰ দি মাতিব? কি চাই আমি জীয়াই থাকিম? আমাৰ জীৱনৰ সুখ হেৰাই গ'ল, কৃষ্ণৰ মুখ আৰু দেখিবলৈ নাপাম।

১০৫৭ যাৰ কেশগুচ্ছ নীল-আকুঞ্চিত, শিৰত সুন্দৰ কিৰীটি, ভ্ৰুযুগল মদনৰ ধনুৰ দৰে ঘোৰ খোৱা, যাক দেখামাত্ৰেই হৃদয়ৰ তাপ দূৰ হয়, সেই কৃষ্ণক সোঁৱৰো।

১০৫৮ তেওঁৰ চকুযুৰি কমলৰ পাহিৰ দৰে সুন্দৰ, মুখত অমৃতৰ মাত, সুন্দৰ কপাল, গণ্ডস্থল সু-সম, কৰ্ণত সুন্দৰ মকৰ কুণ্ডল - সেই কৃষ্ণক সোঁৱৰো।

১০৫৯ তেওঁৰ নাসিকা তিলফুলৰ দৰে সুন্দৰ, ওঁঠ দুটি উঠি অহা সুৰুজৰ দৰে ৰাতুল, ডালিমৰ গুটিৰ দৰে দাঁতৰ শাৰী, চন্দ্ৰমাৰ হাঁহিৰ দৰে তেওঁৰ হাঁহো হাঁহো কৰা মুখখনি কিমান যে মনোহৰ।

১০৬০ শঙ্খ-শামুকৰ দৰে তিনি ৰেখাযুক্ত ডিঙিত কৌস্তুভমণিৰ প্ৰকাশে আকাশৰ উদিত সূৰ্যৰ জ্যোতিকো ম্লান কৰে। কান্ধ সিংহবন্ধ আৰু সুন্দৰ সুঠাম, বাহু দুটি ৰত্ন খচিত পদুমৰ নলাৰ দৰে মসৃণ আৰু সুগোল।

১০৬১ তাতে কেয়ুৰ আৰু কঙ্কণে শোভা কৰে, অমূল্য ৰত্নে খচিত ডিঙিৰ

ধৰীয়ামণি, বুকুত শ্ৰীবৎকান্তি কলামেঘৰ বগলীজাকৰ দৰে শোভিত। (গুলিয়া-ধৰীয়ামণি, বলাকাৰ- বগলীৰ শাৰী)।

১০৬২ শ্যামল শৰীৰত পীতবস্ত্ৰৰ শোভা, ভৰিলৈকে পৰা বনমালাৰ কান্তি অতি সুখকৰ। তাত মধুলোভে অলিকুলে গুঞ্জন কৰে।

১০৬৩ বুকুত মুকুতাৰ হাৰ যেন আকাশী গঙ্গাৰ জলা ধাৰহে। কঁকালত ৰত্নৰ কাঞ্চলি, তাত সোণৰ কিঙ্কিনী বাজি উঠে।

১০৬৪ হাতীৰ শুঁৰৰ দৰে উৰুযুগল অতি নিৰুপম, চৰণ কমল মনোৰম, তাত ধ্বজ, বজ্ৰ, অঙ্কুশ-অঙ্কিত আৰু ৰত্নময় নূপুৰে ৰঞ্জিত।

১০৬৫ তেওঁ ভকতৰ হৃদয়-ৰঞ্জন তেনেৰূপ মাধুৰীসনা চৰণ দেখিবলৈ পোৱা কঠিন। সেই যদুমনিয়ে কোটি কোটি মদনৰ ৰূপকো চেৰ পেলাই গোকুলত প্ৰকাশমান হৈছিল।

১০৬৬ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে কৈছে কীৰ্ত্তনৰ বিনে গতি নাই, গতিকে ইয়াকে জানি হৰি হৰি কীৰ্ত্তন কৰা।

চতুৰ্থ কীৰ্ত্তন

ঘোষা হে আমাৰ প্ৰাণ, আমাৰ জীৱ, তুমি আমাৰ প্ৰাণ হৰি, তুমি আমাক এৰি থৈ গ'লা প্ৰভু। ৮৯।।

১০৬৭ এনেজন হৰিৰ পৰা বঞ্চিত হ'লো আৰু এতিয়া মনক কিদৰে বুজাওঁ। অতিপ্ৰাতঃসতে আমাৰ স্বামী কৃষ্ণই মথুৰাবাসীক সেই মুখপদ্ম দেখুৱাবগৈ।

১০৬৮ তেওঁ আমাৰ জীৱন, তেওঁ প্ৰাণপতি; তেওঁক আজি কোনোবা ভাগ্যৱতীয়ে লাভ কৰিব। বিধি তেওঁলোকৰ বাবে সু-প্ৰসন্ন হ'ল, সেয়েহে গোকুলৰ অমূল্য ৰতন তেওঁলোকে হাতে হাতে পাব।

১০৬৯ তেওঁৰ মুখপদ্ম চন্দ্ৰতকৈ সুন্দৰ, তেওঁক নেত্ৰভৰি চাই আনন্দ পাব। মথুৰা নগৰৰ সুন্দৰী ৰমণী পাই নিশ্চয়ে কৃষ্ণ গোঁসাই ঘূৰি নাহিব।

১০৭০ আমাৰ মাজত থকা সৌহৃদ্য ক্ষন্তেকতে চুৰমাৰ হৈ গ'ল। লক্ষ্মীয়ে কি দৰে এতিয়া উপাসনা কৰিব। তেওঁ ইমান নিৰ্দ্দয় যে প্ৰবোধ বচনো নিদিলে।

১০৭১ নিজ পতি-পুত্ৰ এৰি থৈ তেওঁৰ দাসী হৈছিলো (চেড়ী-দাসী)। তৎসত্ত্বেও তেওঁ কোন সতে আমাক এৰি গ'ল। তেওঁৰ হৃদয়খন বজ্ৰেৰে তৈয়াৰী নেকি যে ভকতক দুঃখ দি এৰি গ'ল।

১০৭২ আমি তোমাৰ বেজাৰত মৰিম বুলি জানিও কেনেকৈ সহ্য কৰিলা? ৰাম-কৃষ্ণ বুলি চিঞৰি চিঞৰি গোপনাৰীসকলে কান্দিবলৈ ধৰিলে।

১০৭৩ চকুলো ধাৰাসাৰে বৈ গ'ল, সঘনাই নিশ্বাস এৰিলে, হৰিৰ বাহিৰে আন শব্দ মুখত নোলায় আৰু সচিতে-সপোনে কৃষ্ণক নাপাহৰে।

১০৭৪ দিনে-ৰাতিয়ে হৰি গীত গায়, কৃষ্ণতে মন-প্ৰাণ অৰ্পণ কৰিলে। শঙ্কৰে এই কথা ৰচনা কৰিলে, হৰি কথা সকলোৱে শুনা।

১০৭৫ মুখে হৰি কীৰ্ত্তন কৰা, হিয়াত মাধৱৰ ৰূপ ধাৰণ কৰা, অলপ পূণ্যৰ ফলত হৰিক পোৱা কঠিন, সদায় ৰাম ৰাম উচ্চাৰণ কৰা।

১০৭৬ পাপীলোকে হৰিক স্মৰণ নকৰে কাৰণ, পাপবোৰে সিহঁতৰ মুখ চেপি ধৰে। আনে সোঁৱৰিলেও মৰাৰ সমান হয়, চিত অস্থিৰ হয়।

১০৭৭ হৰিধ্বনি শুনিলে কাণ ফটা যেন পায়, হাতে-বাটে নিন্দা ৰতি ফুৰে। ইয়াকে জানি পাপ সংহাৰ কৰি সদায় হৰি হৰি বোলা।

পঞ্চম কীৰ্ত্তন

ঘোষা হৰি বোলা, হৰি বোলা, হৰিয়েই মাধব, হৰিয়েই ৰাম।
হৰি, মাধৱ, ৰাম- নাম লোৱা। ৯০

১০৭৮ অক্ৰূৰে ঘোঁৰাৰ ৰথত তুমি বলোৰাম কৃষ্ণক লৈ যায়। অতি বেগী যানেৰে গৈ যমুনাৰ পাৰ পালেগৈ।

১০৭৯ মধ্যাহ্ন-সন্ধ্যা কৰিবৰ কাৰণে দানপতিয়ে ৰথ ৰাখিলে। দুয়োকে ৰথত থৈ তেওঁ যমুনাৰ জলত নামিল।

১০৮০ বুৰ মাৰি মন্ত্ৰ জপ কৰিলে আৰু জলত ৰাম-কৃষ্ণক দেখিবলৈ পালে। দুয়োৰথৰ পৰা নামি তাৰৈ আহিছিল বুলি জলৰ পৰা উঠি গৈ অক্ৰূৰে ৰথত দুয়োকে দেখিলে।

১০৮১ দুয়ো আগৰ দৰে ৰথত বহি আছিল। পুনৰ জলত নামি বুৰ মাৰি ৰাম-কৃষ্ণক দেখা পালে। সহস্ৰ ফনাৰে অনন্তকো দেখিলে।

১০৮২ পদুমৰ নলাৰ দৰে বগা বৰণৰ শৰীৰ, নীলাবস্ত্ৰেৰে সুশোভিত, ফনাৰ মণিৰে তিৰ্‌বিৰাই থকা কৈলাশ শৃঙ্গৰ দৰে অনন্তক দেখা পালে।

১০৮৩ চাৰিওফালে সৰ্পগণে আৱৰি থকা অনন্তৰ কোলাত পূৰ্ণ চন্দ্ৰমাৰ দৰে বিকশিত হৈ পৰমপুৰুষ উপবিষ্ট হৈ থকা দেখা পালে।

১০৮৪ ঘনশ্যাম, পীতবসন, ৰত্নৰ কিৰীটিৰে শিৰ শোভা কৰি কৰ্ণত কুণ্ডল, ধনুসম ভ্ৰূযুগলেৰে পৰম পুৰুষে প্ৰকাশমান হৈ আছে।

১০৮৫ তেওঁৰ চকু কমলৰ পাহিৰ দৰে, মুখত মৃদু হাঁহিৰে ভৰা, নাক তিলফুলৰ দৰে সুন্দৰ, সুন্দৰ অৰুণ অধৰে মূৰ্তিমান হৈ আছে।

১০৮৬ তেওঁৰ কুন্দফুলৰ কলিৰ দৰে প্ৰবাল ৰত্নেৰে গঢ়া যেন লগা দাঁত দুপাৰি অতি মনোহৰ (কুন্দকঁড়ি— কুন্দফুলৰ কলি)। শঙ্খৰ দৰে ডিঙিত কৌস্তুভমণিয়ে শোভা কৰিছে। পুবাৰ আকাশত উদিত ৰবিৰ কিৰণকো কৌস্তুভমণিয়ে চেৰ পেলাইছে।

১০৮৭ তেওঁৰ চাৰিভুজ আঁঠুলৈকে পৰা আৰু শঙ্খ-চক্ৰ-গদা-পঙ্কজ-চাৰিভুজত বিৰাজমান। কেয়ুৰ আৰু কঙ্কণে জ্যোতিষ্মান হৈ আছে আৰু বক্ষস্থলত শ্ৰীবৎসৰ শাৰীয়ে শোভা কৰিছে।

১০৮৮ ভৰিলৈকে পৰা বনমালা, বুকুত মুকুতাৰ হাৰ, কঁকালত ৰত্ন কাঞ্চি, সুবৰ্ণৰ কিঙ্কিনীয়ে তেওঁক ৰঞ্জিত কৰি তুলিছে।

১০৮৯ কৰঙন দুটি মনোহৰ, আঁঠু সুন্দৰ, জঙ্ঘা দুটি চালে চকুৰোৱা, চৰণ

দুখনি পদুমৰ পাহিৰ দৰে, আঙুলিবোৰ পদুম পাহিৰ দৰে, নখবোৰ ৰক্তিম- এনে শোভাৰে তেওঁ সুশোভিত।

১০৯০ ৰত্নৰ নূপুৰে ৰঞ্জিত আৰু তাতে ভকতৰ সদায় চিত্ত মগ্ন হৈ থাকে। সুনন্দ- নন্দ আদি পাৰিষদবৰ্গই তেওঁক বেঢ়ি আছে।

১০৯১ শিব, ব্ৰহ্মা আদি প্ৰজাপতিয়ে হাতযোৰ কৰি স্তুতি কৰি আছে। লক্ষ্মীয়ে তেওঁৰ পাব মলচি আছে। অক্ৰূৰে দেখি আশ্চৰ্য্য প্ৰকাশ কৰিলে।

১০৯২ আনন্দত তেওঁৰ চকুৰ লো বাগৰি আহিল। মুখৰ মাত গদ্‌গদ্ হ'ল। পৰম ভক্তিভাৱে অক্ৰূৰ কৃতাঞ্জলি কৰি আগত পৰিল।

ষষ্ঠ কীৰ্ত্তন

ঘোষা মাধৱ ৰাম, মুকুন্দ মুৰাৰি।। ৯১

১০৯৩ দানপতিয়ে মুৰেৰে প্ৰণাম কৰি কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে। হে নাৰয়ণ তোমাক নমস্কাৰ কৰোঁ, তোমাক সেৱা জনাওঁ। তুমি স্ৰষ্টাৰ ওপৰতো স্ৰষ্টা, তুমি আদি দেৱ।

১০৯৪ তোমাৰ নাভি কমলত ব্ৰহ্মাৰ সৃষ্টি হৈ সৃষ্টিকাৰ্য্য সমাধা কৰিছিল। পঞ্চভূতেৰে নিৰ্ম্মিত যিমানবোৰ ইন্দ্ৰিয়ধাৰী প্ৰাণী আছে, তেওঁলোকে কোনেও তোমাৰ ৰূপৰ মহিমা বুজিব নোৱাৰে।

১০৯৫ তোমাক চিনিব নোৱাৰি লোকে অন্যদেৱতাক পূজে যদিও পৰোক্ষভাৱে অবিধিপূৰ্ব্বক তোমাকেই যাজনা কৰে। সকলো নদী সিন্ধুত মিলাৰ দৰে সকলো পন্থাৰে তোমাকে পায়।

১০৯৬ সকলোৰে মন মায়ায়ে মোহিত কৰি ৰাখিছে বাবে কেৱে তোমাক চৰণ নিশ্চিন্তে। যি সকলৰ সংসাৰ- বন্ধ এৰাইছে তেওঁহে তোমাক ভক্তি কৰে।

১০৯৭ তোমাৰ প্ৰকৃতৰূপ প্ৰদৰ্শন কৰি মোক সংসাৰৰ মায়াৰপৰা উদ্ধাৰ কৰিলা। হে জগতপতি, হৃষিকেশ, তোমাক নমস্কাৰ কৰোঁ। তোমাৰ বিহনে আমাৰ গতি নাই।

১০৯৮ অক্ৰুৰে এইদৰে অশেষ স্তুতি-মিনতি কৰিলে। পদ বাহুল্যৰ বাবে তাক বহলকৈ কোৱা নহ'ল। জলতে অক্ৰূৰক দেখা দি হৰি অন্তৰ্ধান হ'ল।

১০৯৯ অক্ৰুৰে বিষ্ণুক নেদেখি জলৰ পৰা উঠি আহিল। মধ্যাহ্ন-সন্ধ্যা কৰি তেওঁ ৰথত উঠিল।

১১০০ হৰিয়ে হাঁহিমাৰি অক্ৰূৰক সুধিলে তুমি বিস্ময়াভিভূত হৈছা কিয়? কিবা আচৰিত কৰবাত দেখিলানেকি? সোনকালে কোৱা হে গান্ধিনী পুত্ৰ।

১১০১ অক্ৰুৰে ক'লে- সকলো আশ্চৰ্য্য তোমাতে বিদ্যমান। যি তোমাৰ তত্ত্ব নাজানে তেওঁ সমস্ত জগত অদ্ভুত দেখে।

১১০২ এইবুলি কৈ তেওঁ ৰথ চলালে আৰু গধূলিৰ লগে লগে মথুৰা পালেগৈ। বাটত পথিকে তেওঁক বেঢ়ি বেঢ়ি চালে।

১১০৩ মথুৰা পাই দুই ভায়ে ৰথৰপৰা অৱতৰণ কৰিলে। অক্ৰূৰৰ হাতত ধৰি কৃষ্ণই হাঁহি কলে —

১১০৪ ৰথ লৈ আগতে ঘৰলৈ যোৱা আমি পাচত গৈ আছোঁ। এই স্থানতে

আমি জিৰণি লওঁ বুলি কোবাত অক্ৰূৰে ক'লে –

১১০৫ দুই ভাইক এৰি মই ঘৰলৈ নায়াওঁ। হে প্ৰভু, ভকতক ত্যাগ নকৰিবা; কোটি পুৰুষত হে তোমাক লগ পাইছোঁ যেতিয়া এৰিব নোৱাৰোঁ।

১১০৬ মোৰ গৃহলৈ বলক আৰু পদধূলা দি মোৰ গৃহ পবিত্ৰ কৰক। তোমাৰ ভৰি ধুওবা পানী মূৰত লৈ বলিয়ে মহা ঐশ্বৰ্য্য লাভ কৰিলে।

১১০৭ বলিয়ে পৰমজ্ঞানীৰ গতিও লাভ কৰিলে। গতিকে সম্প্ৰতি ভকতক দয়া কৰা প্ৰভু। মোক বিমুখ নকৰিবা, তোমাক আৰু এৰি যাব নোৱাৰোঁ।

১১০৮ মাধবে কলে- শুনা অক্ৰূৰ, তুমি আগয়ে মথুৰা নগৰলৈ যোৱা। জগতৰ শত্ৰু কংসক বধ কৰি তোমাৰ গৃহলৈ যাম।

১১০৯ ইয়াকে শুনি বীৰ অক্ৰূৰে অসন্তোষ মনেৰে লালে লাহে আগ বাঢ়িল আৰু কৃষ্ণ অহাৰ কথা কংসক কলেগৈ আৰু বিদায় লৈ গৃহলৈ গ'ল।

১১১০ কৃষ্ণৰ কথা এক মনেৰে শুনা। মনুষ্যজন্ম বৃথাতে নিনিয়াবা। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই কথা ৰচনা কৰিছে আৰু সমস্ত লোককে হৰি হৰি বুলিবলৈ কৈছে।

সপ্তম কীৰ্ত্তন

ঘোষা গোবিন্দ, হে যদুদেৱ, হে দীন দয়াশীল, তুমিয়েই বান্ধৱ কৃষ্ণ বুলি এতিয়া জানিব পাৰিলো।। ৯২

১১১১ অক্রূৰক গৃহলৈ পঠাই লগত গোপগণ লৈ আনন্দ কৰি ৰাম-কৃষ্ণই মথুৰাত প্ৰৱেশ কৰিলে। তেওঁ বিতোপন মথুৰা নগৰ চাবলৈ ধৰিলে।

১১১২ মূল্যবান ৰত্নেৰে নগৰখন নিৰ্ম্মিত, চাপৰ দুৱাৰ নথকা সোণৰ বৃহৎ দুৱাৰ, সোণময় তোৰণ চিত্ৰেৰে অলঙ্কিত (চিড়লে—চিত্ৰ), চাৰিওফালে গড়খাৰৈৰে নগৰখন আটক ধুনীয়া।

১১১৩ কাষে কাষে বিবিধ উদ্যান, শাৰী শাৰী ঘৰ হীৰা মৰকতেৰে খচিত হৈ আছে। পাৰ আৰু ময়ুৰে শোভাবৰ্দ্ধন কৰিছে আৰু সিহঁতৰ কলৰৱে নগৰখন মুখৰিত কৰি আছে।

১১১৪ ৰাজপথ আৰু চাৰিআলিবোৰ (চৌপন্থাক) সাৰিমুচি থোৱা আছে আৰু পদূলিয়ে পদূলিয়ে দীঘল ঘট ৰখা হৈছে। এনে মনোহৰ নগৰৰ মাজেদি গোপগণক লগত লৈ ৰামকৃষ্ণ আগবাঢ়িল।

১১১৫ নাৰীগণে মহাউৎসৱ হৈছে বুলি ঘৰৰ ওপৰত উঠি চাবলৈ ধৰিলে। কৃষ্ণক চাবলৈ সকলো উত্ৰাৱল হ'ল; অলঙ্কাৰ পাতিও বিপৰ্য্যয় কৰি পিন্ধি কৃষ্ণক চাবৰ বাবে উদ্‌বাউল হৈছিল।

১১১৬ এখন কাণত কুণ্ডল, এখন হাতত খাৰু পিন্ধি বিমোহিত হৈ বস্ত্ৰ নসম্বৰাকৈ নাৰীগণে ওলাই আহে এটা চকুত অঞ্জন সানি,ভোজন এৰি কৃষ্ণক চাবৰ বাবে সাজু হ'ল।

১১১৭ কেচুৱাক গাখীৰ দি থকা অৱস্থাতে কেঁচুৱা এৰি ঘৰৰ ওপৰত উঠিলগৈ। তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰি ৰাম-কৃষ্ণ ৰাজপথে অগ্ৰসৰ হ'ল।

১১১৮ সমস্ত নাৰীৰ মন হৰি কৃষ্ণই তেওঁলোকক কটাক্ষ কৰি চাইছিল। যিজনৰ গুণৰ কথা শুনি আছিলো, সেই কৃষ্ণ নয়ন ভৰি চাই লওঁ।

১১১৯ কৃষ্ণৰ স্নেহৰ হাঁহিত যেন অমৃতহে বৰষে আৰু সেই অমৃত লাভ কৰি তেওঁলোক কৃত্যকৃত্য হৈছিল। চকুৰে কৃষ্ণক হৃদয়লৈ নি সেই আনন্দ মূৰ্ত্তিক অনবৰতে আলিঙ্গন কৰিছিল।

১১২০ তেওঁলোকৰ মনৰ বেমাৰ দূৰ হ'ল আৰু আনন্দে হৃদয় ভৰপূৰ হ'ল। শৰীৰ ৰোমাঞ্চিত হ'ল আৰু চকুৰেদি আনন্দ অশ্ৰু বাগৰি আহিল। গৃহৰ ওপৰত উঠি শাৰী শাৰী হৈ থকা নাৰীগণে অত্যন্ত উৎফুল্লিত হ'ল।

১১২১ বলৰাম-কৃষ্ণৰ ওপৰত তেওঁলোকে পুষ্প বৰিষণ কৰিলে, মুখ পদ্মক চকুৰে পান কৰিলে আৰু দধি-দুগ্ধ-দুৰ্ব্বাক্ষাদি দি পদুলিয়ে পদুলিয়ে পূজা কৰিলে।

১১২২ নাৰীগণে ইজনীয়ে-সিজনীক কয়-ব্ৰজৰ গোপীসকলে কিনো তপ কৰিলে যে কৃষ্ণক কাষতে পাইছিল। ৰাম-কৃষ্ণই যি আনন্দ মূৰ্ত্তি ধৰি আছে— তাক নয়ন ভৰি চোৱা।

১১২৩ গোপীগণৰ সমান ভাগ্যৱতী ক'তো নাই বুলি পৰস্পৰে ক'বলৈ ধৰিলে। কৃষ্ণৰ কিঙ্কৰে কৈছে— হে লোক শুনা, চেতনা থকালৈকে হৰি হৰি বোলা।

অষ্টম কীৰ্ত্তন

ঘোষা হে প্ৰাণ বান্ধৱ, মাধৱ ৰাম।

১১২৪ ৰাম কৃষ্ণই গৈ থাকোতে বাটতে ধোবাক লগ পালে। তেওঁলোকে ধোবাক ক'লে - ভাল ভাল চাই বস্ত্ৰ আমাক দে।

১১২৫ আজি যদি আমাক বস্ত্ৰদান কৰ, তোৰ পৰম কল্যাণ হ'ব। কিন্তু দুৰ্ম্মুখ নামৰ ধোবাই খং কৰি ক'লে—

১১২৬ হে মহামুৰ্খ গোৱালদ্বয়, পৰ্ব্বত আৰু বনত থাকি কাল কটাইছ; তঁহতে ৰজাৰ কাপোৰ পিন্ধিবলৈ বিচাৰি মৰিবলৈ বিচাৰিছ নেকি ?

১১২৭ ইয়াৰপৰা প্ৰাণ লৈ পলাই যা, ৰাজদূতে পালে শাস্তি দিব। কৃষ্ণই এই কথা শুনি ধোবাক এটা চৰ সোধালে।

১১২৮ চৰত তাৰ মূৰ ছিগি পৰিল। আন আন ধোবাই বস্ত্ৰ পেলাই তাৰ পৰা লৰি পলাল আৰু তাকে দেখি কৃষ্ণই হাঁহিলে।

১১২৯ দুই ভায়ে ভাল ভাল বস্ত্ৰ বাচি ল'লে আৰু গোৱালসকলক দিলে। বেশকাৰে কৃষ্ণ-বলভদ্ৰক বস্ত্ৰবোৰ পিন্ধালে।

১১৩০ কৃষ্ণই তাত সন্তোষ্টি হৈ বেশকাৰক শ্ৰী আৰু ঐশ্বৰ্য্য দান কৰাৰ উপৰিও সাৰূপ্য মুক্তিকো প্ৰদান কৰিলে।

১১৩১ সুদামা নামে মালাকাৰে দূৰৰপৰা কৃষ্ণ-ৰামক সেৱা জনালে।

১১৩২ সুদামাই আসন আনি দিলে আৰু ৰাম- কৃষ্ণই তাতে বহিল। পাদ্য-অৰ্ঘ্য-গন্ধ- ধূপেৰে দুয়োকে সুদামাই পূজা কৰিলে।

১১৩৩ মাটিত পৰি মালাকাৰে কয়-মোৰ পিতৃ-দেৱ-ঋষি তুষ্ট হৈছে, মোৰ আজি জীৱন সম্ফল হ'ল। হে স্বামী—মোৰ কুলকো পবিত্ৰ কৰিলো।

১১৩৪ তোমালোক দুয়ো জগতৰ মূল কাৰণ, হে গৰুড়কেতু, দুষ্টক বিনাশ কৰি ভকতসৱক ৰক্ষাৰ কাৰণে অৱতাৰ ললা।

১১৩৫ হে ঈশ্বৰ, তুমি জগতৰ আত্মা, তোমাৰ কোনো শত্ৰু- মিত্ৰ নাই, সমস্ত ভূতত তুমিয়েই ব্যাপি আছা। যি তোমাক ভজে, তাক তুমিও ভজা অৰ্থাৎ দয়া কৰা।

১১৩৬ হে প্ৰভু, তোমাৰ দুয়োৰে প্ৰতি মই কি কৰিব লাগে আজ্ঞা দিয়া। যি কৰ্ম্মকে কৰিবলৈ আদেশ কৰা তাকে কৰিম, এই প্ৰসাদ দিয়া প্ৰভু।

১১৩৭ কৃষ্ণৰ ইঙ্গিত বুজিব পাৰি সৌৰভী পুষ্পে ৰচিত মুঞ্জমালা সুদামাই দুয়োকে পিন্ধালে আৰু গোৱালকো পুষ্পাভৰণ পিন্ধালে।

১১৩৮ সুদামাৰ ভক্তিৰ গাঢ়তা দেখি কৃষ্ণৰামে তুষ্ট হৈ কি বৰ লাগে সুদামাক সুধিলে। সুদামাই হাতযোৰ কৰি ক'লে— তোমাতে অচলাভক্তি থাকক।

১১৩৯ বিষ্ণুভকত মোৰ বান্ধৱ হওঁক, ভূত দায়া যাতে এৰি নেপেলাওঁ— এই বুলি কৈ তেওঁ মৌন হলত ৰাম-কৃষ্ণই সুদামাক বৰ দিলে—

১১৪০ তাৰ ভক্তি দেখি কৃষ্ণ-ৰামে ক'লে -লক্ষ্মীয়ে বাস কৰক, বল-আয়ুস-যশ-সমৃদ্ধি হওঁক। সৰ্ব্বকালে বংশৰ বৃদ্ধি হওঁক।

১১৪১ সুদামাক বৰ দান কৰি ৰাম-কৃষ্ণ তাৰ পৰা আগবাঢ়ি গ'ল। চাৰিওফালে বেঢ়ি গোপগণ আনন্দ মনেৰে যাবলৈ ধৰিলে। সমস্তলোকে হৰি হৰি উচ্চাৰণ কৰা।

নৱম কীৰ্ত্তন

ঘোষা হে ৰাম, মই তোমাৰ সেৱক, সেৱক বুলি মোক পালন কৰা। তোমাত শৰণ ললো। তোমাত ভকতি নকৰি হে কৃপালু ঈশ্বৰ, জনম বিফলে নিয়ালো। ৯৪

১১৪২ সুদামাক বৰ দি ৰাজপথেৰে গৈ থাকোতে চন্দনৰ পাত্ৰ লৈ যোৱা কুবুজাক কৃষ্ণই দেখা পালে আৰু কুবুজা কোন আৰু কাৰ চন্দন লৈ গৈছে সুধিলে।

১১৪৩ সেই চন্দন দুই ভাইক দি কল্যাণী হ'বলৈ কৃষ্ণই কুবুজাক ক'লে। কুবুজাৰ নাম সৈৰিন্ধ্ৰী। সৈৰিন্ধ্ৰীয়ে ক'লে - হে সুন্দৰ শুনা, মই কংস ৰজাৰ দাসী আৰু ৰজাৰ বাবে অতি সুন্দৰ আনিছো যদিও এই চন্দনৰ পাত্ৰ তোমালোক দুইজনৰ বাহিৰে আন হ'ব নোৱাৰে।

১১৪৪ কৃষ্ণৰ লাৱণ্য মাত আৰু সুকুমাৰ ৰূপ দেখি তাই মুগ্ধ হ'ল আৰু নিজ হাতেৰে দুই ভাইৰ শৰীৰত ঘঁহি দিলে। কৃষ্ণই প্ৰসন্ন হৈ তাইৰ পোন কৰিবলৈ মন কৰিলে।

১১৪৫ তাইৰ ভৰি দুখন দুই হাতেৰে একেলগ কৰি আৰু থুঁতৰিত ধৰি কৃষ্ণই পোন কৰি দিলে (চিবুক-থুঁতৰি, চম্বু - পোন কৰা)। কৃষ্ণৰ হস্তৰ পৰশ পাই তাই এগৰাকী দিব্য সুন্দৰী হৈ পৰিল। তাই কামাতুৰা হৈ কৃষ্ণৰ বস্ত্ৰত ধৰি ক'লে—

১১৪৬ হে মাধৱ, মন মুগ্ধ কৰিলা। তোমাক এৰিব নোৱাৰোঁ। হে ত্ৰিলোকনাথ, মোৰ গৃহলৈ অনুগ্ৰহ কৰি যাব লাগে বুলি বলৰামৰ সন্মুখতে কৃষ্ণৰ বস্ত্ৰত ধৰিলে। কৃষ্ণই গোপগণৰ মুখলৈ চাই হাঁহি তাইক ক'লে—

১১৪৭ তুমি এই বাটৰুৱা সকলৰ সহায়। তুমি আজি গৃহলৈ যোৱাগৈ। দুষ্ট কংসক বধ কৰি তোমাৰ ঘৰলৈ নিশ্চয়ে যাম। এইবুলি মধুৰ বচনেৰে তাইক বিদায় দিলে। বেপাৰীসকলে দুই ভাইক অনেক দ্ৰব্যাদি দি আদৰ- সাদৰ কৰিলে।

১১৪৮ কৃষ্ণক দেখি নগৰৰ সমস্ত যুৱতীয়ে কামে বিমোহিত হ'ল। তেওঁলোকৰ গাৰ আভৰণ সুলকিছিল, খোপা সুলকি গৈছিল -তথাপি তাক সম্বৰণ কৰিবলৈ পাহৰি গৈছিল। চিত্ৰৰ পুতলীৰ দৰে তেওঁলোকে কৃষ্ণত মন অৰ্পণ কৰি আছিল।

অন্য কাম এৰি সকলোৱে হৰি হৰি বোলা।

দশম কীৰ্ত্তন

ঘোষা জগন্নাথ, (আমি অনাথ) অনাথক তোমাৰ চৰণত ঠাই দিয়া। তোমাক বান্ধৱ মানি (তোমাৰ বাহিৰে বন্ধু নাই বুলি জানি) শৰণে পশিলো। ৯৫।।

১১৪৯ এইদৰে ৰামকৃষ্ণ পথ অতিক্ৰম কৰি গৈ সুধি সুধি ধনুৰ্যাগশালা পালেগৈ। কংসৰ দিব্য ধনু কৃষ্ণই দেখা পালে। এই ধনু ইন্দ্ৰ ধনুৰ নিচিনাকৈ জিলিকি আছে।

১১৫০ গোবিন্দই ধনুখন ধৰিবলৈ যোৱা দেখি ৰখীয়াসকলে বাধা দিলে। বাধা নামনি কৃষ্ণই বাওঁ হাতেৰে ধনুখন দাণ্ডি লৈ ধনুত গুণ লগালে।

১১৫১ হাতীয়ে কুঁহিয়াৰ ভঙাৰ দৰে অতি সহজে ধনুখন খণ্ড খণ্ড কৰিলে। তাৰ শব্দ দহ দিক্‌লৈকে বিয়পিল। তাকে শুনি কংসৰ বৰ ভয় লাগিল।

১১৫২ ইয়াকে দেখি সেনাৰ দলে হাতত অস্ত্ৰ-শস্ত্ৰ ধৰি খণ্ডেৰে মাধৱৰ লগত যুদ্ধ কৰিবলৈ সাজু হ'ল (কটক- সেনাৰ দল, কিটাহল- সাজু হ'ল) । মাৰ, ধৰ বুলি চাৰিওফালৰ পৰা সেনাই ৰাম-কৃষ্ণক বেঢ়ি পেলালে। ৰাম-কৃষ্ণয়ো ভঙা ধনুৰ টুকুৰাবোৰ হাতত তুলি ললে।

১১৫৩ দুই ভায়ে সমস্ত সেনাক বধ কৰিলে। কংসই পাচত পঠোৱাবোৰকো কোৱাই মাৰিলে। ধনুৰ শালাৰ পৰা বাহিৰ ওলাই দুয়ো ভায়ে নগৰ চাই ফুৰিবলৈ ধৰিলে।

১১৫৪ দুই ভাইৰ প্ৰভাৱ আৰু সাহস (প্ৰগল্‌ভ) দেখি আৰু ৰূপ সৌন্দৰ্য দেখি সকলোৰে ভাৱিলে যে এওঁলোক উত্তম দেৱতা। ইতিমধ্যে গধূলি হোৱাত গোপগণক লৈ উলটিল।

১১৫৫ নগৰৰ বাহিৰত শিবিৰ পাতি, হাত-মুখ ধুই গোপগণৰ লগত ৰাম-কৃষ্ণই ভোজন কৰিলে আৰু শয্যা তৈয়াৰ কৰি ৰাতিটো কটালে।

১১৫৬ ধেনুৰখীয়া সেনাগণৰ বধৰ বাতৰি পাই কংসই ৰাতি টোপনি যাব নোৱাৰিলে। তেওঁ নানা অমঙ্গল দেখিবলৈ পালে আৰু চিত্ত অস্থিৰ হ'ল আনকি নিজৰ মূৰটোও ছাঁয়াত যেন নেদেখা হ'ল।

১১৫৭ ধূলি আৰু বোকাত নিজৰ খোজৰ চিন নেদেখা হ'ল, আকাশত দুটা চন্দ্ৰ দেখিবলৈ পালে। সপোনত মৃতকে আহি আলিঙ্গন কৰা দেখিলে আৰু গাধত উঠি বিষপান কৰা দেখা পালে।

দক্ষিণ দিকে অকলশৰে যোৱা দেখে। এইদৰে আন আন অমঙ্গল দেখি ভয়তে কংসৰ ৰাতি টোপনি নাহিল।

১১৫৯ ৰাতিপুৱা কংসই মল্লক্ৰীড়া মহোৎসৱৰ বাবে ৰঙ্গশালা বেঢ়ি উচ্চ মঞ্চ তৈয়াৰ কৰোৱালে। ঢাক-ঢোল-ভেৰী বজাই উৎসৱ পাতিলে।

১১৬০ নগৰীয়াসকল মঞ্চত উঠি বহিল, ৰজাসকলেও স্থানে স্থানে বহিল। মন্ত্ৰীগণক লৈ কংস মঞ্চত উঠিল, কিন্তু কংসৰ মনত ভয় ভাৱ অনবৰতে নুগুচা হ'ল।

১১৬১ মল্লবাদ্য বাজি উঠাৰ লগে লগে মালৰ গুৰুক লৈ মল্লবোৰ সাজি-কাচি ৰঙ্গশালাত প্ৰৱেশ কৰিলে। মল্লবোৰৰ নাম -চানুৰ, মুষ্টিক, কুট, তোশল, অপৰ। শল্ল নামেৰে অন্য এটা ভয়ঙ্কৰ মল্লও তাত উপস্থিত হ'ল।

১১৬২ নন্দ ৰজাই ৰাজ কৰ শোধাই গোপগণৰ মাজত এফালে বহিলে। কৃষ্ণৰ কিঙ্কৰে কৈছে - সদ্গতি পাবৰ বাবে হৰি হৰি বোলা।

একাদশ কীৰ্ত্তন

ঘোষা গোপাল কৃপাল (কৃপাৰ সাগৰ) আৰু তেওঁ কৰুণাময়। হৰিভক্তৰ ভয় (সংসাৰ ভাৱ) হৰণ কৰা (আঁতৰোৱা)। ৯৬।।

১১৬৩ শুক মুনিয়ে পৰীক্ষিতক ক'লে -মল্লৰ দুন্দুভি শুনি ৰাম-কৃষ্ণই পবিত্ৰহৈ কাছি পাৰি সাজু হ'ল। ইয়াৰ অৰ্থ কি শুনা।

১১৬৪ ৰাম-কৃষ্ণই ধুন ভাঙি নিজৰ শক্তি আৰু বীৰ্য প্ৰদৰ্শন কৰি দেখুৱালো, তথাপি পিতৃক বন্দীত্বৰ পৰা মুকলি কৰি নিদিয়ে আৰু আমাকো মাৰিবলৈ যত্ন কৰিছে।

১১৬৫ মামাৰক বধ কৰিলে আমাৰ আৰু দোষ নাথাকিব বুলি ভাবি দুয়ো ভাই আগবাঢ়ি গ'ল। তেওঁলোকে ৰঙ্গশালাৰ দুৱাৰ পালেগৈ। দুৱাৰ মুখতে কুবলয় পীড় ৰৈ আছে।

১১৬৬ অম্বষ্ঠ নামে মাউতে হাতীৰ ওপৰত উঠি কৃষ্ণৰ কাৰণে জোপ লৈ আছে। কৃষ্ণই তাৰ অভিপ্ৰায় বুজি পীতবস্ত্ৰ কঁকালত টানি ললে।

১১৬৭ কঁপালত পৰা আকোঁৰা চুলি মূৰৰ ওপৰলৈ বান্ধি ললে আৰু অম্বষ্ঠক ক'লে- আমি ৰঙ্গশালালৈ যাওঁ , বাট এৰি দে।

১১৬৮ হে দ্বন্দুৰ, বাট এৰি নিদিলে - হাতীৰে সৈতে যমপুৰীলৈ পঠাম। অম্বষ্ঠই এই কথা শুনি খঙেৰে হাতীক খুচিবলৈ ধৰিলে।

১১৬৯ হাতীয়ে কালান্তক যমৰ দৰে কৃষ্ণক শুঁৰেৰে মেৰাই ধৰিলে আৰু কৃষ্ণয়ো জোৰেৰে হাতৰ মুঠি কটকটীয়া কৰি হাতীক প্ৰহাৰ কৰিলে।

১১৭০ কৃষ্ণই হাতীৰ ভৰিৰ মাজতে লুকাল আৰু হাতীয়ে দুখ পাই সৰ্পৰ দৰে ফোপাই শুঙি শুঙি কৃষ্ণক বিচাৰি পালে।

১১৭১ কৃষ্ণক সি শুঁৰেৰে মেৰাই ধৰিলে যদিও কৃষ্ণই শক্তি প্ৰয়োগ কৰি শুঁৰৰ পৰা এৰাল। কৃষ্ণই হাতীৰ নেজত ধৰি এশ হাত দূৰলৈ টানি নিলে।

১১৭২ গৰুড় পক্ষীয়ে সৰ্পক আজোৰাৰ দৰে হস্তীয়ে কৃষ্ণক শুঁৰেৰে ধৰিবলৈ যত্ন কৰিলে আৰু কৃষ্ণই ইকাতি সিকাতি হৈ হস্তীক টানি নিলে।

১১৭৩ দামুৰিক বালকে ৰচিৰে টানি নিয়াৰ দৰে কৃষ্ণই হস্তীক টানি নিয়াৰ বাবে হস্তীয়ে কৃষ্ণক ধৰিবলৈ যত্ন কৰিও ব্যৰ্থ হ'ল। অৱশেষত তাৰ নেজ এৰি কৃষ্ণই সন্মুখলৈ আহিল।

১১৭৪ টানকৈ চাপৰ মাৰি কৃষ্ণ আঁতৰি যায় আৰু হস্তীয়ে খোজত খোজ দি (গোড়ত গোড়ে) খেদি যায়। হৰিয়ে লীলাৰ চলেৰে পৰি দেখুৱালে

আৰু লগে লগে উঠিল। হস্তীয়ে ক্ৰোধেৰে আক্ৰমণ কৰিলে।
১১৭৫ হস্তীয়ে মাটিত দাংতেৰে ভিৰিলে আৰু গাৰ সমস্ত বল প্ৰয়োগ কৰিলে। সি কৃষ্ণকেই ভিৰিলো বুলি ভাবিলে কিন্তু কৃষ্ণ তাত নাছিল। পুনৰ সি তীব্ৰ আক্ৰমণ কৰিলে।
১১৭৬ হাতীৰ ওপৰত উঠি মাউতে খুচিয়েই থাকিল আৰু কৃষ্ণই প্ৰমত্ত সিংহৰ দৰে হাতীৰ শুঁৰত ধৰি মাটিত বগৰাই পেলালে।
১১৭৭ ভৰিৰে ভিৰি তাক আক্ৰান্ত কৰি হস্তীৰ দাঁত উঘালি ললে আৰু কৃষ্ণই হস্তী আৰু মাউতক দাঁতেৰে কোবাই বধ কৰিলে।
১১৭৮ মৰা কুবলয়পীড়ক এৰি ৰঙ্গশালাত ৰাম-কৃষ্ণই প্ৰৱেশ কৰিলে। দুয়োজনে হাতীৰ দাঁত কান্ধত লৈ যায় আৰু চাৰিওফালে গোপগণে বেঢ়ি যায়।
১১৭৯ কৃষ্ণৰ মুখ পদ্মত ঘৰ্ম্ম বিন্দুজলে শোভা কৰিছিল। ঘৰ্ম্ম বিন্দুৰ মাজে মাজে হস্তীৰ তেজ লাগি গৈছিল আৰু ভৰিৰ নূপুৰ বাজি উঠিছিল।
১১৮০ শ্যামল শৰীৰত পীতবস্ত্ৰই শোভা কৰিছিল আৰু কমল নয়ন হাঁহি ভৰা আছিল। কৃষ্ণৰ অপৰূপ সৌন্দৰ্য আৰু কান্তি দেখি সকলোৱে একেথৰে কৃষ্ণক চাবলৈ ধৰিলে।
সদায়ে হৰি হৰি বোলা।।

দ্বাদশ কীৰ্ত্তন

ঘোষা হে কৃষ্ণ কৃপা কৰা। হে পৰমানন্দ, মই মূৰ্খ, মলমতি, তোমাক ভকতি কৰিব নাজানো প্ৰভু ৯৭।

১১৮১ কৃষ্ণই বলৰামৰ সৈতে সভাত প্ৰৱেশ কৰাত সমবেত ৰাইজে কৃষ্ণক দহ প্ৰকাৰে দেখিবলৈ পালে। মালে ক'লে- কৃষ্ণ-বলৰামৰ কলেবৰ বজ্ৰময়, আনজনে ক'লে- এৱেঁই শ্ৰেষ্ঠ নৰ।

১১৮২ নাৰীসকলে ক'লে- এওঁ কামদেৱৰ ৰূপ ধাৰণ কৰিছে, গোপগণে ভাৱে এওঁ আমাৰ বন্ধু বুলি দুষ্ট ৰজাসকলে ভাৱে যে এৱেঁই আমাৰ শাস্তা আৰু বসুদেৱ-দৈৱকীয়ে ভাৱে এওঁ আমাৰ পুত্ৰ।

১১৮৩ কংসই ভাৱে এই কৃষ্ণই মোৰ যমকাল, অজ্ঞানীসকলে এওঁক নন্দৰ কুমাৰ বুলি লৈছে। যোগীগণে এওঁক ব্ৰহ্মতত্ব বুলি ধৰিছে, আৰু বৃষ্ণিবংশধৰে কৃষ্ণক কুলৰ দৈৱও বুলি ভাবিছে।

১১৮৪ মল্ল বেশ ভূষা পিন্ধি, ৰত্ন আভৰণেৰে অলঙ্কৃত হৈ ৰাম-কৃষ্ণই ৰঙ্গশালাৰ মাজত প্ৰতিভাত হ'ল। দুজন নৃত্যকাৰে যেন নৃত্য কৰিবলৈ প্ৰস্তুত হৈছে- যাক দৰ্শন কৰি সমস্ত লোকে তৃপ্তি অনুভৱ কৰিছে।

১১৮৫ তেওঁলোকে নয়ন ভৰি চায়, জিভাৰে চেলেকিবলৈ , বাহুৰে আলিঙ্গন কৰিবলৈ, নাকেৰে শুঙিবলৈ যেন বিচাৰে। পৰস্পৰে কোৱাকুই কৰে যে কৃষ্ণৰ কথা আগৰেপৰা কাণেৰে শুনি আছিলো, এতিয়া স্বচক্ষে দেখিবলৈ পালো।

১১৮৬ এওঁলোক দুয়ো নাৰায়ণৰ অংশ আৰু দৈৱকী -বসুদেৱৰ গৃহত জন্ম পালে। গোকুলৰ নন্দৰ ঘৰত থোৱাৰ পাচত ডাঙৰ দীঘল হ'ল আৰু পুতনাকো এই দামোদৰেই বধ কৰিলে।

১১৮৭ চক্ৰবাত অসুৰক ডিঙিত চেপি এৱেঁই মাৰিলে। উড়াল লগাই টানি অৰ্জ্জুন বৃক্ষও এঁৱেই উঘালিলে। অঘাসুৰ, বকাসুৰ, ধেনুকাসুৰ, কেশীৰ প্ৰাণো এৱেঁ ললে। এওঁ বনাগ্নিৰপৰা গোপ-গৰুক উদ্ধাৰ কৰিলে।

১১৮৮ কালীক দমন কৰোঁতা এৱেঁই আৰু ইন্দ্ৰৰ অহঙ্কাৰ গুচাই সাত দিন মন্দৰ গিৰি এখন হাতেৰে দাঙি থৈছিল। মহাবৃষ্টিপাতৰ পৰা গোকুলক ৰক্ষা কৰিছিল। এৱেঁই যাদৱ বংশৰ নাম উজ্জ্বলাব আৰু এৱেঁই ভগৱান।

১১৮৯ গোপীগণে এনে মনোহৰ হাঁহিৰে ভৰপূৰ মুখ প্ৰতিদিনে চাই চাই বিৰহ-বেদনাৰ তাপ দূৰ কৰিছিল। প্ৰলম্ব প্ৰমুখ্যে বীৰগণক এই বলৰামেই

বধ কৰিলে।

১১৯০ এইদৰে লোকে কথা-বাৰ্তা পাতিবলৈ ধৰিলে। এই উৎসৱ মুখৰ কৰিবৰ কাৰণে বাদ্য বজোৱা হ'ল। এইবোৰ শুনি চানুৰ অসহ্য হ'ল আৰু বিবুদ্ধিত পৰিল। সি ৰাম-কৃষ্ণক ক'লে—

১১৯১ শুনিছোঁ বোলে বাহু যুদ্ধত পাৰ্গত আৰু তাকে চাবলৈ ৰজাই আমাক মতাই অনালে। বৰ আনন্দ মনেৰে গোপগণক লৈ মল্লযুদ্ধ কৰি বনত বোলে বিচৰণ কৰি ফুৰা।

১১৯২ ইয়াকে জানি আমি তোমালোকৰ লগত বন্ধু পাশত আবদ্ধ হৈ ৰজাৰ আমোদৰ বাবে মল্লযুদ্ধ কৰোঁ-আহা। ৰজাই হৈছে সকলো ভূতৰে অধীশ্বৰ। গতিকে ৰজা তুষ্ট হ'লে সকলো তুষ্ট হ'ব।

১১৯৩ তাকে শুনি কৃষ্ণই যথোচিত উত্তৰ দিলে— ভোজ ৰজাৰ আমি প্ৰজা আৰু আমি বনৰে লোক। উপযুক্ত বলীৰ লগত আমি যুদ্ধ কৰিম আৰু ৰজাৰ প্ৰীতি সাধন কৰিমে।

১১৯৪ সমুচিতভাৱে বাহুযুদ্ধ কৰিম আৰু তেতিয়া সভাসদক অধৰ্ম্মই নুচুৱে। কৃষ্ণৰ কিঙ্কৰে কয় - আন কাম ত্যাগ কৰা, ৰাম নাম লোৱা, পাপ পলাই যাব।

ত্ৰয়োদশ কীৰ্ত্তন

ঘোষা ৰামৰ চৰণত ৰতি কৰা। হে ভাই ৰামৰ চৰণত সেৱা কৰিলেহে গতি লাভ হয়। ৯৮।।

১১৯৫ চানুৰে কৃষ্ণক ক'লে- হে গোপাল, তুমি বালক নোহোৱা, তোমাৰ বল হাজাৰ হাতীৰ সমান। কাৰণ ইমান বলী হাতীকো তুমি মাৰিলা।

১১৯৬ এই বলৰাম অধিক বলবান। মোৰ লগত তুমি যুদ্ধ কৰা আৰু বলৰামে মুষ্টিকৰ লগত যুঁজক। দুয়ো মহামল্ল যেতিয়া ই অন্যায় নহ'ব।

১১৯৭ কৃষ্ণয়ো ইয়াকে মানি চানুৰৰ প্ৰতি আগবাঢ়িল আৰু মুষ্টিককো ৰোহিণী পুত্ৰই আক্ৰমণ কৰিলে আৰু অদ্ভুত মল্লযুদ্ধ আৰম্ভ হ'ল।

১১৯৮ হাতে হাতে ধৰি, ভৰিয়ে ভৰিয়ে ছান্দি এজনে আনজনক আঁজোৰা আঁজুৰি কৰিবলৈ ধৰিলে। মুষ্টিয়ে মুষ্টিয়ে যুঁজিবলৈ ধৰিলে।

১১৯৯ অতি কষ্ট কৰি দুয়োৰে জানুৰে জানুৰে আক্ৰমণ কৰে। মূৰে মূৰে খুন্দা মাৰে, ঠাট ঠাট কৰি বুকুৰে বুকুৰে লগায় আৰু আঁজুৰি দূৰলৈ লৈ যায়।

১২০০ হুঁহ্ বুলি পৰস্পৰে গতা মাৰে (গলদঙ্গা) বাহুৰে বাহুৰে ধৰি আচাৰিবলৈ ধৰিলে। হাতে হাতে, ভৰিয়ে ভৰিয়ে ছান্দি বাগৰি বাগৰি একপিণ্ড হৈ যুঁজে।

১২০১ বান্ধৰ আঘাতত শৰীৰ ভাগি যোৱা যেন হয়, কেতিয়াবা এৰাই আঁতৰি যায়। খণ্ডত চকু পকাই সঘনে চাবলৈ ধৰিলে। তৰ্জ্জন-গৰ্জ্জন কৰি দাঁত কামুৰিবলৈ ধৰিলে।

১২০২ বলী আৰু নিৰ্ব্বলীৰ যুদ্ধ দেখি নগৰীয়া স্ত্ৰীগণৰ হৃদয় গলি গ'ল। পৰস্পৰে তেওঁলোকে ক'লে- এইয়া অধৰ্ম্ম কৰ্ম্ম হৈছে আৰু এই অধৰ্ম্মৰ দোষে সমাজকো চুব।

১২০৩ ৰজায়ো অন্যায় যুদ্ধ কৰাইনে আৰু তাক সকলোৱে জ্ঞান শূণ্যভাৱে চাই আছে। এই মালদুটা বজ্ৰসদৃশ আৰু ৰাম-কৃষ্ণ অতি সুকুমাৰ।

১২০৪ এওঁলোক দুয়োৰে যৌৱন কাল হোৱাই নাই, তথাপি এনে কোমল বয়সীয়া দুটি ল'ৰাৰ লগত দুৰ্জ্জয় মালে যুঁজিছে। এই ক্ষেত্ৰত সভাসদসকলৰ ধিক্কাৰ হ'ব বুলি অন্যে অন্যে কোৱাকুই কৰিছে।

১২০৫ কৃষ্ণৰ মুখত ঘাম বাহিৰ হৈছে আৰু সেই ঘাম বিন্দুবোৰ পদুমৰ কোষত পানী পৰি থকাৰ নিচিনা দেখা গৈছে। তথাপি কৃষ্ণই শত্ৰুৰ লগত তুমুল সংগ্ৰাম কৰিছে।

১২০৬ *বেজাৰতে কোনোজনীয়ে কৈছে - ৰামৰ মুখখনলৈ নোচোৱানো কিয় ? তেওঁৰ মুখখনো পদুমৰ নিচিনা শোভা কৰিছে আৰু চকুৰপৰা জ্যোতি বাহিৰ হৈছে।*

১২০৭ কোনোৱে কৈছে-হেৰা সখি, তুমি চোৱাচোন, ব্ৰজৰ ভূমি অতি ধন্য। পুৰাণ পুৰুষ এই হঁৰিয়ে য'ত নানা ক্ৰীড়া-কৌতুক কৰি ফুৰিছে।

১২০৮ বিষ্ণুৱেই অৱতাৰ লৈ মৰ্ত্যত বিদ্যমান হৈ আছে আৰু সেই ভগৱন্তৰ সগত মালক যুঁজাইছে। এই সমাজ তাৰ বাবে ধিক্কাৰৰ পাত্ৰ। হৰি হৰি বুলি সংসাৰ তৰা।

চতুৰ্দশ কীৰ্ত্তন

ঘোষা ৰামেসে গতি (ৰামেহে মুক্তি দিব পাৰে) ভজ মোৰ মতি (মোৰ মনে ভজক)। ৰামেসে গতি, ৰামেহে গতি (ৰামেহে গতি দিব পাৰে।)

১২০৯ হে সখীসব, আমি বৰ দুৰ্ভগীয়া। কিয়নো যুদ্ধৰ সময়তহে কৃষ্ণক দেখিবলৈ পাইছোঁ। কিন্তু ব্ৰজৰ নাৰীসকলে কি পুণ্য কৰি এই মুৰাৰিক অনবৰতে দেখিবলৈ পাইছিল।

১২১০ ৰূপৰ তুলনা দিব নোৱাৰা কৃষ্ণক ব্ৰজৰ গোপীয়ে চকুৰে দেখা পাইছিল। গাখীৰ মথোতে, গাই দোহন কৰোতে, গৃহৰ নিত্য নৈমিত্তিক কৰ্ম্ম কৰোতে কৃষ্ণক দেখা পাইছিল।

১২১১ কৃষ্ণত চিত্ত অৰ্পণ কৰি, কৃষ্ণৰ গুণ-গীত গাই গাই ব্ৰজৰ সুন্দৰীসকলে প্ৰেমৰ লোতক বোৱাইছিল। তেওঁলোক ধন্য।

১২১২ পুৱা ব্ৰজৰ পৰা গৰু লৈ যাওঁতে আৰু গধূলি গৰু লৈ ঘূৰি আহোঁতে কৃষ্ণই বজোৱা বাঁহীৰ মাতত গোপীসকল আকুল হৈছিল।

১২১৩ কৃষ্ণক দেখিলে মহাসুখ হয়, তেওঁ হাঁহি মুখে দৃষ্টি নিক্ষেপ কৰে। কৃষ্ণই সদয় দৃষ্টিৰে চাই মনত আনন্দ দিয়ে। গোৱালীসকলে নিজ পুণ্যৰ ফলত এই ভোগ কৰিবলৈ পালে।

১২১৪ নগৰীয়া নাৰীসকলৰ কথাবোৰ শুনি দৈৱকী-বসুদেৱে নিজ পুত্ৰৰ বলশক্তি বুজিব নোৱাৰি পুত্ৰ শোকত বিহ্বল হ'ল।

১২১৫ দৈৱকী-বসুদেৱৰ চকুলো বাগৰি আহিল, চিত্ত চঞ্চল হ'ল, পুত্ৰক চাই হাঁহাকাৰ কৰিবলৈ ধৰিলে আৰু দশোদিশে অন্ধকাৰ দেখিলে।

১২১৬ ভকতৰ ভয় দেখি ভয়হাৰী কৃষ্ণই শত্ৰুক বধ কৰিবলৈ কঠোৰ প্ৰহাৰ কৰিলে আৰু চানুৰ মূৰ্চ্ছিত হয় আৰু সি অচেতন হৈ পৰে।

১২১৭ অলপ চেতনা পাই শেনটোৰ দৰে আহি কৃষ্ণক দুয়োখন হাত একেলগ কৰি (ঝাৱলে) মুঠি মাৰি প্ৰহাৰ কৰিলে। হৰিয়ে এই আঘাতত আহত নহ'ল আৰু চানুৰ দুই বাহুত ধৰিলে।

১২১৮ ওপৰলৈ তুলি পাক দি মাটিত দলিয়াই পেলালে। তাৰ চুলি মেল খালে আৰু হাড় ভাঙিলে আৰু ইন্দ্ৰধ্বজৰ দৰে চানুৰ পৰি গ'ল।

১২১৯ বলোৰামে মুষ্টিককো চাপৰ মাৰিলে আৰু সি তেজ বমি কৰিলে (ছাদি)। বৰ দুখ পাই মুষ্টিকে ভূমিত পৰি প্ৰাণ এৰিলে। সি পৰোতে বৃহৎ বৃক্ষ উঘলি পৰাৰ দৰে শব্দ হ'ল।

১২২০ তেতিয়া কুট নামেৰে মল্লই খেদি আহিল আৰু বাও মুষ্ঠিৰে তাক বলোৰামে প্ৰহাৰ কৰি মাৰিলে। তোষল আৰু শল্লই আগবাঢ়ি অহাত হৰিয়ে লাঠি প্ৰহাৰ কৰি দুয়োটাকে বধিলে।

১২২১ চানুৰ, মুষ্টিক, কুট, তোষলক বধ কৰা হ'ল, শল্ল বিহ্বল হ'ল আৰু অন্য মল্লবোৰে ভয় খাই প্ৰাণ ৰাখি লৰ দিলে।

১২২২ ৰাম-কৃষ্ণই তেতিয়া গোপগণক লগত লৈ নৃত্য কৰিবলৈ ধৰিলে। সকলোৱে নৃত্য দেখি মহানন্দ পালে।

১২২৩ ৰুণঝুন কৰি ভৰিত নূপুৰ বাজিবলৈ ধৰিলে, মল্লবাদ্য বাজিল , তাৰ চেৱে চেৱে কৃষ্ণই নৃত্য কৰিলে।

১২২৪ সমাজে দেখি হাঁহিবলৈ ধৰিলে আৰু সাধু সাধু বুলিলে। কংসৰ বাহিৰে সকলোৱে আনন্দ কৰিলে। হৰি চৰিত্ৰ সমাজে শুনা।

১২২৫ কোনোক্ষণৰ পৰাই কালে গ্ৰাস কৰিব লাগিছে; সেইবাবে আলেজালে মানৱীজনম যাবলৈ দিব নালাগে। শঙ্কৰে কৈছে অন্য কাম এৰি ৰাম ৰাম ঘনে ঘনে উচ্চাৰণ কৰক।

পঞ্চদশ কীৰ্ত্তন

ঘোষা এ হৰি ৰাম নিৰঞ্জন (হে হৰি ৰাম তুমি মায়াহীন) যদুপতি (কৃষ্ণ)। তুমিসে মাধৱ (লক্ষ্মীৰ স্বামী) মোৰ অগতিৰ (গতি হীনৰ) গতি মুক্তি দিওতা

১২২৬ বৰ বৰ মালক বধ কৰাত কংসই মল্লবাদ্য বজাবলৈ বাধা দিলে। অত্যন্ত খঙত কংসই অন্ধ হৈ বলকিবলৈ ধৰিলে- বসুদেৱৰ পুত্ৰদ্বয় অসজ্জন।

১২২৭ আমাৰ নগৰৰপৰা ইহঁত দুটাক ৰাহিৰলৈ খেদি বসুদেৱক শীঘ্ৰে বধ কৰ, গোৱালৰ দলটোক কাঢ়িল আৰু দুৰ্ম্মতি নন্দক লোহাৰ লগাই বান্ধি থ- বুলি কংসই আদেশ কৰিলে।

১২২৮ পিতৃ উগ্ৰসেনক শীঘ্ৰে লৈ গৈ বধ কৰ আৰু লগৰীয়াকো হত্যা কৰ। এই কথা শুনামাত্ৰকে কৃপাময় কৃষ্ণৰ হৃদয়ে সহিব নোৱাৰিলে।

১২২৯ কৃষ্ণই লঘিমা গুণ আচৰি কংসৰ ওখ আসনত একেজাপে উঠিল। কংসই দেখি বহা আসনৰপৰা উঠি হাতত খাণ্ডা লৈ যুঁজিবলৈ উদ্যত হ'ল।

১২৩০ কংসই খাণ্ডাবাৰু অলাসতে ঘুৰাই জপিয়াই পৰিল (লুম্ফি-জপিয়াই পৰা, ফিঙ্কাৰে আলাসতে ঘূৰাই) শেনটোৰ দৰে আকাশত পাক দিবলৈ ধৰিলে। অচিন্ত্য মহিমা হৰিয়ে হাঁহি মাৰি ধেমালি কৰাৰ দৰে কংসক চাপ মাৰি আলাসতে ধৰিলে।

১২৩১ কংসৰ প্ৰভাৱ কমি গ'ল, দৰ্প চূৰ্ণ হ'ল, যেন গৰুড়ৰ হাতত সৰ্পহে বন্দী হ'ল। কিৰীটিৰ সৈতে তাৰ চুলিত ধৰি ভূমিত পেলাই তাৰ ওপৰত উঠি ল'লে।

১২৩২ সমস্ত জগতৰ ভাৰ কংসৰ ওপৰত পৰাত কংসৰ মৃত্যু হয় আৰু চুলিত ধৰি কৃষ্ণই সমাজৰ মাজত ঘঁহাই ফুৰালে। মত্ত সিংহই হস্তীক আজোৰাৰ দৰে তাকো তেনেদৰে আজুৰিবলৈ ধৰিলে আৰু সমাজে হাহাঁকাৰ কৰি উঠিল।

১২৩৩ কংসই কথা কওঁতে, ভ্ৰমণ কৰোঁতে, নিশ্বাস কাঢ়োতে, শয়ন কৰোঁতে কৃষ্ণক ভয় কৰি আগতে দেখাৰ দৰে সদায় থকাৰ বাবে কৃষ্ণৰ সাৰূপ্য লাভ কৰিলে।

১২৩৪ কংসৰ ভাতৃ কঙ্ককে আদি কৰি আঠজন ভায়েকে প্ৰতিশোধ লবলৈ খেদি আহিল। হলধৰে পৰিঘেৰে মেৰিয়াই শিৱই পশুক মৰিয়াই মৰাৰ দৰে মৰিয়াই মাৰিলে।

১২৩৫ আকাশত দেৱ দুন্দুভি বাজি উঠিল। ব্ৰহ্মাদিদেৱে পুষ্পবৃষ্টি কৰিলে। অপেশ্বৰাগণে প্ৰসংশাবাণী আকাশৰপৰা প্ৰেৰণ কৰিলে।

১২৩৬ ৰাজ অন্তেষপুৰত নাৰীয়ে কান্দি কান্দি হা স্বামী বুলি হিয়া ঢাকুৰি ওলাই আহিল। তেওঁলোকে স্বামীসকলক কান্দি কান্দি আলিঙ্গন কৰিলে। নয়নৰ লোৰে পৃথিৱী তিয়ালে।

১২৩৭ তেওঁলোকক কৃষ্ণই প্ৰবোধ বাণীৰে ঘূৰাই পঠালে, কংসৰ প্ৰেতকাৰ্য কৰোৱালে। তাৰ পাচত উগ্ৰসেনক ৰজা পাতিলে।

১২৩৮ পিতৃ-মাতৃক বন্ধনৰ পৰা মুক্ত কৰিলে আৰু পাৱত পৰি পিতৃ-মাতৃক কৃষ্ণই সেৱা কৰিলে। ভকত বৎসল কৃষ্ণই লোকক দেখুৱাই এই লীলা কৰিলে। পাপ খেদাবলৈ —

হৰি হৰি বোলা।।

কংস বধ সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

ত্ৰয়োদশ খণ্ড

গোপী উদ্ধৱ সংবাদ

ঘোষা। মাধৱ (বিষ্ণু), মধুসূদন (মধুদৈত্যক বধ কৰোতা = বিষ্ণু) ৰাম। (মাধৱ, মধুসূদন, ৰামে ভকতৰ প্ৰিয়, তুমি) ভকতবৎসল,(তোমাক) প্ৰণাম (কৰোঁ)।। ১০১

১২৩৯ কৃষ্ণই ব্ৰজত গোপীসকলক এৰি মথুৰালৈ গৈ থকাত গোপীসকলে বিৰহত আকুল হোৱা বুলি জানি উদ্ধৱক মাতি আনি ক'লে - হে উদ্ধৱ তুমি মোৰ পৰমভক্ত, তুমি ৰথত উঠি গোকুললৈ যোৱা।

১২৪০ তাত কিছুদিন থাকি মোৰ বাৰ্তা গোকুলৰ পৰম ভক্তা গোপীসকলক কৈ সান্ত্বনা দিবা। উদ্ধৱ গৈ গোকুল পোৱাত, নন্দই অতি আদৰ সাদৰ কৰি অভিনন্দন জনালে।

১২৪১ যশোদাই কৃষ্ণক স্মৰণ কৰি কৰি চকুৰ লোতক পেলাই আছে (লোহ-চকুলো) আৰু বলৰাম কৃষ্ণৰ খা-খবৰ ললে। কৃষ্ণই চাগে আমাৰ মৰম পাহৰি গৈছে।

১২৪২ পিতৃ-মাতৃক পাই এৰি আহিব নোৱাৰা হ'ল, আমাক অনাথ কৰিলে— এই বুলি কৈ দুয়ো কান্দিবলৈ ধৰিলে আৰু উদ্ধৱে সান্ত্বনা দিবলৈ ধৰিলে।

১২৪৩ (উদ্ধৱে ক'লে) বেজাৰ নকৰিবা, কৃষ্ণক সোনকালে পাবা, তেওঁ দুখৰ সমাপ্তি ঘটাব। উদ্ধৱৰ কথাত দুয়োৱে কিছু সকাহ পালে। গোটেই ৰাতি কৃষ্ণৰ বিষয়ে কথা পাতি পাতি ৰাতিটো কটালে।

১২৪৪ গোপীগণেও অতি ব্যাকুলমনে গোটেই ৰাতি কৃষ্ণ-গীত গাই গাই উজাগৰে পঠালে। হৰিক এৰি সকলোৱে অশান্তি পাইছে। তেওঁলোকে সন্মুখত সোণৰ ৰথ এখন দেখিবলৈ পালে।

১২৪৫ নন্দৰ নগৰত কোন প্ৰৱেশ কৰিছে, হয়তো কংসৰ দূত অক্ৰূৰ আহিছে

(জানো-জানোচা, হয়তো)। এবেঁইতো কৃষ্ণক মথুৰালৈ নিছিল আৰু আমি বিৰহত মৃতপ্ৰায় হৈছো।

১২৪৬ এইবাৰ কিজানি মাংসকে কাটি নিব আৰু তাৰে মৃত কংসৰ পিণ্ড দান কৰিব। গোপীগণে চিঞৰি অক্ৰূৰকে গালি দিলে আৰু হা কৃষ্ণ হা কৃষ্ণ বুলি কান্দিবলৈ ধৰিলে।

১২৪৭. তেওঁলোকে উদ্ধৱৰ মনোহৰ জ্যোৰ্তিময় ৰূপ দেখিবলৈ পালে। তেওঁৰ বাহুযুগল আঠুলৈকে পৰা, চকু নৱ প্ৰস্ফুটিত পদুমৰ পাহিৰ দৰে।

১২৪৮ গাত পীত বস্ত্ৰ, কৰ্ণত কুণ্ডল, মুখমণ্ডল পদুমৰ দৰে মনোহৰ, ভিঙিত নৱ পদ্মৰ মালাৰে শোভিত উদ্ধৱক দেখি গোপবালাগণ বিস্মিত হ'ল।

১২৪৯ এইজননো কৃষ্ণৰ বেশত কোন? এওঁ জানোচা কৃষ্ণৰ বাৰ্তা লৈ আহিছে। গোপীগণে আচুতীয়া স্থানলৈ উদ্ধৱক মাতি নি সভা পাতি বহিল।

১২৫০ আমি জানিব পাৰিছো তুমি কৃষ্ণৰ পৰম ভক্ত আৰু পিতৃ-মাতৃৰ ওচৰলৈ পঠাইছে। আনকি মহাসাধক মুনিগণেও ত্যাগ কৰিব নোৱাৰা প্ৰাণবন্ধু কৃষ্ণৰ বাৰ্তা বহন কৰি আনিছা।

১২৫১ ভোমোৰাবোৰে ফুলৰ সৌৰভ চুহি ফুলক পৰিত্যক্ত কৰি এৰাৰ দৰে কৃষ্ণয়ো গোকুলক কেনেকৈ স্মৰণ নকৰিব? স্ত্ৰীৰ প্ৰতি পুৰুষৰ হৃদয় এনে হ'ব পাৰে, গতিকে কৃষ্ণই এনে ইঙ্গিতকে দিছে।

১২৫২ প্ৰভু কৃষ্ণই মথুৰা নগৰীৰ সুন্দৰী ৰমনীসকলক পাই আমালৈ থকা সমস্ত স্নেহ পাহৰি গ'ল। কৃষ্ণৰ গুণাৱলী সুঁৱৰি সুঁৱৰি লাজ-কাণ এৰি গোপীগণে ক্ৰন্দন কৰিবলৈ ধৰিলে।

১২৫৩ কৃষ্ণৰ প্ৰতি প্ৰেম ভাৱত আপ্লুত হৈ কৃষ্ণৰ গুণ-গীত গাবলৈ ধৰিলে। সমস্ত মন কৃষ্ণতে নিমগ্ন হ'ল। গাৰ চেতনা নোহোৱা হ'ল।

১২৫৪ উদ্ধৱে গোপীৰ ভাৱৰ গাঢ়তা দেখি বিস্ময় মানিলে আৰু তেওঁৰ গাৰ নোম শিয়ৰি উঠিল। গোকুলৰ গোপীগণৰ পদধূলি শিৰত লওঁ বুলি উদ্ধৱে ভাবে।

১২৫৫ এওঁলোকে দিনে-ৰাতিয়ে হৰিৰ গুণ-চৰিত্ৰ গাই - তিনিলোকক পৱিত্ৰ কৰে। এনেদৰে উদ্ধৱে বহু প্ৰকাৰে সান্ত্বনা বাণী দি গোপীগণক কৈছে— হে গোপীগণ, ক্ৰন্দন এৰি পোলোৱা।

১২৫৬ তোমালোকেনো কি পূণ্য কৰিলা যে সদায়ে গোবিন্দৰ গুণ গাবলৈ

পাইছা। তোমালোকৰ মন হৰিত নিমগ্ন হ'ল, তোমালোকৰ ভাগ্য উদয় হ'ল।

১২৫৭ তোমালোক সকলোৱে দাসীভাৱে কৃষ্ণক পূজা সেৱা কৰিলা আৰু হৰিৰ বাবে আনকি পতি-পুত্ৰকো এৰিব পাৰিলা। (চেড়ী- দাসী) তোমালোকে যে সুখেৰে সংসাৰ তৰিব পাৰিলা তাত সন্দেহ নাই। তোমালোকক এইখন মুখেৰে আৰুনো কিমান প্ৰশংসা কৰিম।

১২৫৮ কৃষ্ণই কৈ পঠোৱা কথা উদ্ধৱৰ মুখে শুনি গোপীসকলৰ হৃদয় শান্ত হ'ল। তেওঁলোকে উদ্ধৱক সুধিলে --কৃষ্ণ সুখেৰে আছেনে?

১২৫৯ আমালৈ মনত পৰেনে? আমি যে ৰাতি বনত ক্ৰীড়া কৰিছিলো তেওঁৰ মনত আছেনে? তেওঁ নন্দপুৰলৈ ঘূৰি আহিবনে? কেতিয়াকৈ তেওঁৰ মুখ দেখিবলৈ পাম?

১২৬০ কথা কওঁতেই তেওঁলোকৰ চকুৰ পানী ওলাই আহিল। উদ্ধৱে প্ৰবোধ দি ক'লে - অনুশোচনা নকৰিবা, হৰিক দেখিবলৈ পাবা, ৰাম বুলি সংসাৰ তৰি যোৱা।

১২৬১ সকলোৱে কৃষ্ণৰ কথা শুনা, ভক্তক তেওঁ মৰম কৰিব। গোপৰ নাৰীগণে কামাতুৰ ভাৱেৰে কৃষ্ণক ভজি তৰি গ'ল।

১২৬২ উদ্ধৱে তেওঁলোকক শান্ত কৰিলে, ভকতৰ বাবে কৃষ্ণৰ বাহিৰে কোন ইষ্টদেৱ আছে? এলাহ ত্যাগ কৰি হৰিক ভজা, সমস্তলোকে হৰি হৰি বোলা।

গোপী উদ্ধৱ সংবাদ সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

চতুৰ্দশ খণ্ড

কুঁজীৰ বাঞ্ছা পূৰণ

ঘোষা ভকত বান্ধৱ (ভকতৰ বন্ধু) মাধৱ (আৰু) ৰাম। তুমি (মাধৱ/ৰাম)অগতিৰ (মায়ামুগ্ধলোকৰ) গতি (মুক্তিদাতা)। মোৰ মুখে নাৰায়ণ (নাৰায়ণনাম) জানোচা পাহৰণি হয় সেইবাবে মই সদা সতৰ্ক থাকিম আৰু তোমাৰ চৰণত যাতে ৰতি থাকে -তাৰ বাবেই সজাগ হৈ থাকিম। ১০২

১২৬৩ শুকে কৈছে - হে কুৰুপতি, কৃষ্ণৰ মনুষ্য লীলাৰ কথা শুনা। গোপীবৰ্গক সান্ত্বনা দি উদ্ধৱ মথুৰালৈ অহাৰ পাচত মদনৰ শৰত ব্যাকুল হোৱা সৈৰিন্ধ্ৰীৰ মনোবাঞ্ছা পূৰণৰ বাবে উদ্ধৱৰ সৈতে তাইৰ গৃহলৈ কৃষ্ণই গমন কৰিলে।

১২৬৪ সৈৰিন্ধ্ৰীৰ বাসগৃহ সূৰ্যৰ ৰশ্মিৰ দৰে জিলিকি আছিল। তেওঁৰ গৃহত সুবৰ্ণৰ আসন পৰা আছে আৰু সেই খাটত হংস তুলি পাৰি থোৱা আছে আৰু তাত ফুলেৰে ভৰপুৰ হৈ আছে, মুৰালি মুকুতাৰ থোপাৰে সুশোভিত হৈ আছে আৰু চন্দ্ৰতাপো জিলিকি আছে।

১২৬৫ তাত ৰিব্‌ৰিব্‌কৈ মলয়া বতাহ বৈ ফুলৰ সুগন্ধ বিলাই আছে। মালতী,চম্পা,শিৰীষৰ গন্ধই আমোলমোলাই আছে আৰু ধূপৰ ধোঁৱাই দিশ-বিদিশ আগুৰি আছে। বেৰত চাৰিওফালে মনোহৰ পুতলাৰ ছবি অঁকা আছে আৰু ছবিবোৰ দেখিলে কামী পুৰুষৰ কামভাৱ জাগি উঠে।

১২৬৬ এনে মনোহৰ মন্দিৰৰ মাজত আসন অলঙ্কৃত কৰি সৈৰিন্ধ্ৰী সুন্দৰী বহি আছে আৰু চাৰিওফালে সালঙ্কৃতা দাসীসকলে সেৱা কৰি আছে। তেওঁ কেৱল কৃষ্ণকেই চিন্তা কৰি আছে আৰু ভাবিছে কেতিয়াকৈনো

কৃষ্ণ তেওঁৰ ওচৰলৈ আহিব। সেই সময়তে মাধৱে আহি সেই ঠাই পালেহি আৰু তেওঁ মূৰ দাঙি চাই কৃষ্ণক দেখা পালে।

১২৬৭ সখীগণক লগত লৈ তেওঁ লয়লাস গতিৰে আগবাঢ়ি গ'ল আৰু কৃষ্ণক আদৰি আনি আসনত বহুৱালে আৰু যুৱতীসকলে পূজা কৰিলে। উদ্ধৱকো আসনত উপবিষ্ট কৰাই তেওঁলোকে ভূমিত বহি ললে।

১২৬৮ কৃষ্ণই মনুষ্য চেষ্টা দেখুৱাই শয্যাত প্ৰৱেশ কৰিলে আৰু সৈৰিন্ধ্ৰীয়েও দিব্য অলঙ্কাৰ পৰিধান কৰি ললে। তেওঁ — চন্দন, কঙ্কুম আদিৰে নিজকে গন্ধযুক্ত কৰি কৰ্পূৰ, তাম্বুল ভুঞ্জি কৃষ্ণৰ কাষ চাপিল।

১২৬৯ সৈৰিন্ধ্ৰীয়ে কটাক্ষ দৃষ্টিৰে হাঁহি মাৰি লজ্জানম্ৰা হৈ থকা দেখি কৃষ্ণই খাৰুৰে অলঙ্কৃত হৈ থকা হাতত ধৰি আহা বুলি ওচৰ চপাই নিয়ে আৰু শয্যাত বহুৱাই তাইৰ মনোৰথ পূৰ্ণ কৰি অশেষ ক্ৰীড়া কৰিলে। তাই মাত্ৰ চন্দন অৰ্পণ কৰিয়েই কৃষ্ণক পতিৰূপে লাভ কৰিলে।

১২৭০ তাই সঘনে কৃষ্ণৰ চৰণত ধৰি, লাজ এৰি কৃষ্ণৰ চৰণ শুঙিবলৈ ধৰিলে (ব্ৰীড়া-লাজ) হৃদয়ত, স্তনযুগলত আৰু চকুত ,কৃষ্ণ চৰণৰ সুগন্ধি ঘঁহি মদনৰ পীড়া আঁতৰ কৰিলে। কৃষ্ণৰ আনন্দমূৰ্ত্তি দুয়ো হাতেৰে আলিঙ্গি হৃদয়ত লৈ পৱিত্ৰ হ'ল। মুক্তি লাভতকৈ অধিক আনন্দময় ভক্তি কৰি তাই সংসাৰৰ তাপ দূৰ কৰিলে।

১২৭১ দুৰ্ল্লভ্য কৃষ্ণক স্বামী পাই কৃষ্ণক আৰু কেইদিনমান থাকিবলৈ চৰণত ধৰি কাতৰ কৰিলে। তাই ক'লে — তোমাৰ সঙ্গ আৰু অঙ্গৰ স্পৰ্শ এৰিব নোৱাৰিম, মোৰ মন তেনেই মুগ্ধ কৰিলা। কৃষ্ণই তাইক আদৰ কৰি মনোৰথ পূৰ্ণ কৰিলে।

১২৭২ তাইক বস্ত্ৰ, অলঙ্কাৰ দি নিজ গৃহলৈ উদ্ধৱৰ সৈতে কৃষ্ণই বিদায় লয়। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই কথা ৰচনা কৰিলে আৰু তেওঁ কৈছে - হে নৰলোক, কৃষ্ণ অলপতে সন্তোষ্ট হয়।

১২৭৩ কুবুজাঁই মাত্ৰ চন্দন অৰ্পণৰ দ্বাৰাই পুণ্য লাভ কৰি প্ৰসাদ লাভ কৰিলে। যিজনে সকলো সময়তে শ্ৰৱণ-কীৰ্ত্তন কৰি কৃষ্ণক ভজে সেইজন পৰম ভাগ্যবান। হেন জানি - হৰি হৰি বোলা।

কুঁজীৰ বাঞ্ছা পূৰণ সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

পঞ্চদশ খণ্ড

অক্ৰূৰৰ বাঞ্ছা পূৰণ

ঘোষা (হে) গোপাল, (তুমি) কৃপাল (দয়ালু) হে বাপ (আনক পালন কৰা) পালিয়ো। আমি পাপ পয়োধিত (পাপ সাগৰত পৰি) মৰো। ই জন্মত (ইহজীৱনত) হে নাথ, ভকতি ন'হল (ভক্তি কৰিব নোৱাৰিলো) (আমি পাপী) পাতকী। কিমতে তৰো (কি উপায়েৰে উদ্ধাৰ হ'ম)। ১০৩।।

১২৭৪ ইয়াৰ পাচত বলৰাম আৰু উদ্ধৱক লৈ অক্ৰূৰৰ প্ৰীতি সাধনৰ বাবে কৃষ্ণ আগবাঢ়ি গ'ল। তিনিজন প্ৰাণ বন্ধুক দেখি অক্ৰূৰে অতি আনন্দ মনে আদৰি নিলে।

১২৭৫ ৰাম-কৃষ্ণক অক্ৰূৰে প্ৰণাম কৰিলে আৰু ৰাম-কৃষ্ণয়ো প্ৰতি প্ৰণাম কৰিলে। অক্ৰূৰে তিনিজনক আসনত বহুৱাই অৰ্চ্চনা কৰিলে আৰু ভৰি ধুৱাই চৰণৰ জল মূৰত ললে, গন্ধ-পুষ্প, ধূপ, বস্ত্ৰ দি জীৱন সাফল কৰিলে।

১২৭৬ কৃষ্ণৰ চৰণযুগল কোলাত তুলি লৈ বৰ আদৰ সাদৰ কৰি অক্ৰূৰে মোহাৰিবলৈ ধৰিলে। অক্ৰূৰে কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে- হে নাৰায়ণ, কংসক সবান্ধৱে বধি— যদুবংশক উদ্ধাৰ কৰি যশস্যা বৃদ্ধি কৰিলা।

১২৭৭ হে ঈশ্বৰ, তোমাৰ ভক্তি পথক যেতিয়া পাষণ্ডই ধ্বংস কৰে, তেতিয়া আৰু সন্তক ৰক্ষা কৰিবৰ বাবে তুমি অৱতাৰ গ্ৰহণ কৰা। সম্প্ৰতি তুমি বসুদেৱৰ গৃহত ৰামৰ সতে অৱতাৰ লৈ দুৰ্জ্জন ৰজাসকলক বধ কৰি বসুমতীক উদ্ধাৰ কৰিলা।

১২৭৮ আজি মোৰ গৃহ তীৰ্থতকৈ অধিক পবিত্ৰ হ'ল। তুমি জগতৰ গুৰু, তোমাক এৰি আনক কোনে ভজিব। ভকততো তেওঁ নিজে বিক্ৰয় হয়।

১২৭৯ ভকতেই তোমাৰ বান্ধৱ বাবে ভকতৰ মনোৰথ তুমি পূৰ্ণ কৰা। ব্ৰহ্মায়ো

দৰ্শন নোপোৱা তোমাক পালো, মোৰ প্ৰতি বিধি সুপ্ৰসন্ন হ'ল । পুত্ৰ-ভাৰ্য্যা, ধন, বিষয় জঞ্জাল, মোহজৰীয়ে মোক বান্ধি ৰাখিছে, হে হৰি এই জৰী ছিণ্ডি মোক উদ্ধাৰ কৰা। তোমাৰ চৰণ চিন্তিবলৈ মোক কৃপা কৰা।

১২৮০ এইদৰে আনক ভকতি-মিনতি কৰি চকুৰ পানীৰে পৃথিৱী তিয়াই পেলালে। অক্ৰূৰৰ প্ৰতি কৃষ্ণই ক'লে - তুমি পিতৃ, গুৰু, সুহৃদ আৰু আমি তোমাৰ পুত্ৰৰ দৰে, আমাক ৰক্ষণ-পোষণ কৰিবা।

১২৮১ নদ-নদী, তীৰ্থ, শিলেৰে তৈয়াৰী প্ৰতিমাৰূপী দেৱ আদিক বহুকাল ধৰি সেৱা কৰিলে— অৱশ্যে সেইবোৰে পৱিত্ৰ কৰিব পাৰে, কিন্তু হৰিভক্তই সেই নদ-নদী, তীৰ্থ, প্ৰতিমাৰ দেৱক দেখামাত্ৰেই সেইবোৰ পৱিত্ৰ হয়। দেৱ আৰু তীৰ্থৰ লগত ভকতৰ বহুত অন্তৰ, ভকত সেইসবৰ লগত তুলনা নহয়।

১২৮২ তুমিও এনে এজন সুহৃদ, পৰম বান্ধৱ; এইবাৰ হস্তিনাপুৰলৈ গৈ পাণ্ডৱৰ খবৰ আনাগৈ। পাণ্ডু নিধন হৈছে, পাঁচ পুত্ৰৰ সৈতে কুন্তীয়ে দুখত থকা দেখি বোলে ধৃতৰাষ্ট্ৰই হস্তিনাপুৰলৈ আনিছে।

১২৮৩ কিন্তু পুনৰ হিংসা কৰি নিজৰ পুত্ৰৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ - কি কৰিছে তাৰ খা-খবৰ লৈ আহা। এইদৰে অক্ৰূৰক সান্ত্বনা দি ৰাম- উদ্ধৱৰ সৈতে কৃষ্ণ আপোন গৃহলৈ আহে।

১২৮৪ কৃষ্ণ চৰণত ভক্তি কৰিলে সকলো মনোৰথ পূৰ্ণ হয়। হৰিয়েই পৰমবান্ধৱ বুলি সদায় তেওঁৰ নাম লব লাগে। জীৱন কেইদিনমানৰ বাবেহে। এই কথা মনত চিন্তা কৰিব লাগে আৰু অকপট মনেৰে কৃষ্ণত শৰণ লোৱা।

১২৮৫ ব্ৰহ্মাণ্ডত তেওঁৰ বাহিৰে আনে তাৰিব নোৱাৰে। সেই কথা জানি সদায় তেওঁৰ গুণ-নাম লোৱা, কৃষ্ণক সেৱা কৰা।

কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে কয় - মুখত নাম নেৰিবা। এলাহ নকৰি সমাজ পাতি চিঞৰি চিঞৰি হৰি নাম লোৱা।

অক্ৰূৰৰ বাঞ্ছা পূৰণ সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

ষোড়শ খণ্ড

জৰাসন্ধৰ যুদ্ধ

প্ৰথম কীৰ্ত্তন

ঘোষা দামোদৰ (কৃষ্ণ) হৰি নমো (তোমাক নমস্কাৰ কৰোঁ)। নাথ, (হে নাথ মোক) উদ্ধাৰি নিয়োক (উদ্ধাৰ কৰি নিয়ক)। ১০৪

১২৮৬ শুকে ক'লে- পৰীক্ষিত শুনা, কৃষ্ণৰ আন এটা চৰিত্ৰৰ কথা কওঁ। কংস মৰাত তাৰ দুগৰকী বিধবা পত্নী পিতৃগৃহলৈ ঘূৰি গ'ল।

১২৮৭ তেওঁলোকে কলে-হে পিতৃ আমাৰ স্বামীক কৃষ্ণই বধ কৰিলে । পিতৃ জৰাসন্ধই এই কথা শুনি খণ্ডত জ্বলি উঠিল আৰু তেইশ অক্ষৌহিনী পদাতিক সৈন্য লৈ— অগ্ৰসৰ হ'ল।

১২৮৮ মথুৰা নগৰৰ চাৰিওফালে জৰাসন্ধৰ সৈন্যই আগুৰি ধৰিলে আৰু যাদবসকলে ভয় খাই উঠিল। নগৰৰ নৰ-নাৰীসকলে লৰি আহি ৰণৰ চাঙত উঠি সৈন্যবোৰক নিৰীক্ষণ কৰিলে।

১২৮৯ তেওঁলোকে সাগৰৰ সদৃশ পদাতি সৈন্যবাহিনী দেখি ভীত হ'ল আৰু হৃদয় কঁপি উঠিল। কৃষ্ণই সকলোকে নিৰ্ভয় হবলৈ কৈ জ্ঞাতিবৰ্গৰ সমবেত কৰি আলোচনা কৰিলে।

১২৯০ কৃষ্ণৰ নিৰ্ভয় দানত সকলো স্বস্থ হ'ল। কৃষ্ণৰ আদেশত বৈকুণ্ঠৰ পৰা ৰথ নামি আহিল,- চক্ৰকে আদি কৰি অস্ত্ৰসমূহ আহিল, দাৰুকে আহি কৃষ্ণক নমস্কাৰ জনালে।

১২৯১ লাঙ্গন আৰু মুষল বান আহি পৰিল আৰু ৰাম-কৃষ্ণই ৰথত উঠি তীব্ৰবেগে গৈ পৰাক্ৰমেৰে শত্ৰু সেনাক ছেদেলি-ভেদেলি কৰি পেলালে।

১২৯২ ৰথ, হস্তী আৰু ৰথীকে আদি কৰি কাটি তেজৰ নদী বোৱালে। পৰম

পৰাক্ৰমেৰে শত্ৰুক বিনাশ কৰি কৃষ্ণই পাঞ্চজন্য শঙ্খধ্বনি কৰিলে।

১২৯৩ বলৰামে ঘোৰ সমৰ কৰি মাগধৰাজ জৰাসন্ধক জীয়াই জীয়াই ধৰি আনিলে আৰু কোবাই মাৰিবলৈ ধৰোতেই কৃষ্ণই বাধা দি ৰাখিলে।

১২৯৪ কৃষ্ণৰ কথা ৰাখি বলৰামে জৰাসন্ধক নামাৰিলে আৰু সি নিজ দেশলৈ গমন কৰিলে যদিও যুদ্ধত পৰাজয় হৈ সি সকলো ৰজাকে মাকি আনিলে আৰু আলোচনা কৰিলে (হাঙ্কাৰি- মাতি অনা)।

১২৯৫ তিনি মাহৰ ভিতৰত নিজকে প্ৰস্তুত কৰি তেইশ অক্ষৌহিনী সৈন্য লৈ পুনৰ মথুৰা আক্ৰমণ কৰিলে আৰু ৰজাসকল যমুনাৰ পাৰতে শিবিৰ পাতি থাকিল।

১২৯৬ তেওঁলোকে চাৰিওফালে কাঠগড় তৈয়াৰ কৰি ৰাতিটো নৃত্য কৰি, গীত গাই পদাতি সহিতে ৰজনী কটালে। জৰাসন্ধই পুনৰ যুঁজিবলৈ অহাৰ কথা মাধৱে গম পালে।

১২৯৭ কৃষ্ণই যদুবীৰসকলক মাতি আনি ৰাতি আলোচনা কৰিলে আৰু সৈন্যবাহিনীক তিনি ভাগত বিভক্ত কৰি নিয়োগ কৰিলে।

১২৯৮ বাঁওফালে- সাৰন, গদ আৰু বলোৰামৰ নেতৃত্বত সৈন্য বাহিনী অগ্ৰসৰ হ'ল। দক্ষিণ দিশে- উদ্ধৱ, সাত্যকিৰ নেতৃত্বত সেনাগণে গৈ শত্ৰুসৈন্যক আগুৰি ধৰিলে।

১২৯৯ কৃষ্ণই কিছু সৈন্য লৈ প্ৰবল প্ৰতাপেৰে সন্মুখৰ ফালে জৰাসন্ধক খেদি গ'ল। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ৰচনা কৰি কৈছে - হে লোক, হৰি হৰি বোলা।

দ্বিতীয় কীৰ্ত্তন

ঘোষা এ হৰি নাৰায়ণ মাধৱে গতি (হে হৰি, হে নাৰায়ণ, মাধৱেই হৰি আৰু নাৰায়ণ— তেঁৱেই মুক্তি দিওঁতা)। কৃষ্ণৰ চৰণে মোৰ মতি (মন) নছাড়োক (ভগৱন্তক চৰণ কমলত মোৰ মন অনবৰতে লাগি থাকক।) ১০৫

১৩০০ মাগধ সৈন্য সাগৰ সদৃশ সীমাহীন আৰু তেওঁলোকে আনন্দ মনেৰে মূলপথতে অবতৰণ কৰি আছে । তেওঁলোকে হাঁহি-মাতি, উল্লাসিত হৈ আছে। তেওঁলোকৰ কাষতে ঘোঁৰা, হাতী, ৰথ শাৰী শাৰীকৈ বন্ধা আছে।

১৩০১ তেওঁলোক যুদ্ধৰ সাজ-সজ্জা পিন্ধি থকা নাছিল আৰু হস্তীৰ পিঠিতো উঠি থকা নাছিল, ৰথত ঘোঁৰা জোটাও নাছিল। তেওঁলোক খালী হাতেৰে আছিল। তেনে অৱস্থাত সূৰ্যোদয় হোৱাৰ দৰে মাধৱ তাত উপস্থিত হ'ল।

১৩০২ প্ৰাতঃসতে মাধব সেনাৰ মাজত যুদ্ধৰ ধ্বনি তুলি, সিংহনাদ কৰি ধনুটঙ্কাৰ কৰিলে। কৃষ্ণই দিব্য অস্ত্ৰসমূহ প্ৰয়োগ কৰিলে।

১৩০৩ ৰজাসকলে - কৃষ্ণৰ কালান্তক মূৰ্তি দেখি থৰকবৰক কৰিবলৈ ধৰিলে। তেওঁলোকৰ শ্ৰুতি বুদ্ধি হেৰাই গ'ল, উলটি-পালটি চাই থাকোঁতে মাধৱৰ অমোঘ অস্ত্ৰই আহি তেওঁলোকক থকা-সৰকা কৰিলে।

১৩০৪ বাঁওফালৰপৰা মহাবীৰ বলৰামে শত্ৰু সেনাক নিদলি আনিলে, দক্ষিণফালে সাত্যকিয়ে খেদি খেদি বুন্দামাৰ কৰিলে।

১৩০৫ তিনিওফালৰ পৰা ঘেৰি ধৰি শত্ৰুসেনাক আক্ৰমণ কৰাত কিছুমানে প্ৰাণ এৰিলে, কিছুমানে প্ৰাণ লৈ পলাল, মহা বলীগণে সন্মুখ সমৰ কৰিলে।

১৩০৬ সৈন্যগণ পলাই যোৱা দেখি ৰজাসকলেও যুদ্ধত প্ৰবৃত্ত হ'ল। তেওঁলোকৰ কোনোজন পলাই বনত প্ৰৱেশ কৰিলে, কিছুমানে কৃষ্ণৰ শৰণাপন্ন হৈ ৰক্ষা পৰিল।

১৩০৭ যিসকল ৰজাই আগবাঢ়ি যুদ্ধ কৰিলে- তেওঁলোকক কৃষ্ণই স্কন্ধ ছেদ কৰিলে। মগধৰ সাগৰ সঙ্কাশ সৈন্যগণ নিমিষতে বিভঙ্গ দিলে।

১৩০৮ বলৰাম. সাত্যকি. মাধৱে তেওঁলোকক পিছফালৰপৰা খেদি নিলে আৰু

পাঁচ প্ৰহৰৰ দুৰ পালেগৈ। ঘোঁৰা, হাতী, ৰথবোৰ নি ৰজা উগ্ৰসেনক যোগান ধৰিলে।

১৩০৯ কৃষ্ণসমে যুদ্ধ কৰি পৰাজয় হৈ জৰাসন্ধই ৰজাসকলক লগত লৈ বাণৰ ওচৰ পালেগৈ। বাণে প্ৰাণমিত্ৰ ভাৱে লৈ তেওঁলোকক সৎকাৰ কৰিলে আৰু জৰাসন্ধই তেওঁলোকৰ দুখৰ কাহিনী নিবেদন কৰিলে-

১৩১০ হে দৈত্যপতি, শুনাচোন, কৃষ্ণই ৰাতি চুৰ কৰি আহি হঠাতে আক্ৰমণ কৰি যুদ্ধত পৰাজয় কৰিলে আৰু মোক বহুত দূৰলৈ খেদি পঠালে আৰু সমস্ত ৰথ, ঘোৰা, হস্তী লৈ গ'ল।

১৩১১ হে দৈত্যপতি, তোমাৰ ওচৰত সহায় বিচাৰি আহিলো, মোৰ লগহৈ যুদ্ধ কৰিব লাগে। তুমি মোৰ মহামিত্ৰ; গতিকে কৃষ্ণ-সাগৰৰপৰা মোক উদ্ধাৰ কৰা।

১৩১২ কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে এই পদ ৰচনা কৰিলে, কীৰ্ত্তনতকৈ পৰম ধৰ্ম্ম নাই। হে লোকসকল শুনা— জীৱন মাত্ৰ কেইদিনমানৰ বাবেহে, গতিকে হৰি হৰি বুলি জীৱন সাৰ্থক কৰা।

তৃতীয় কীৰ্ত্তন

ঘোষা রাম হৰি, ৰাম হৰি, ৰাম হৰি ৰাম, (বাৰম্বাৰ উচ্চাৰণ কৰোঁ) (হে) ৰাম, (হে) হৃষীকেশ, হৃষীকেশ হৰি নমো (তোমাক নমস্কাৰ কৰোঁ। ১০৬

১৩১৩ তেতিয়া বলিৰ পুত্ৰ বাণে উত্তৰ দিলে- মোৰ সমস্ত ৰাজ্য ভাৰত তোমাৰ অধিকাৰ আছে।

১৩১৪ এইবুলি দৈত্যৰাজ বাণে অসংখ্য ঘোঁৰা, হস্তী, দৈত্য সৈন্য, ৰথ জৰাসন্ধক দিলে আৰু তেওঁৰ মনোবাঞ্ছা পূৰ্ণ হ'ল।

১৩১৫ সেই সৈন্য-সামন্তক লৈ জৰাসন্ধই প্ৰত্যাগমন কৰিলে। ৰথ-ধ্বজ, গজ-বাজীসহ তেওঁ আনন্দ মনেৰে অগ্ৰসৰ হ'ল।

১৩১৬ এই সৈন্যগণক লৈ তৃতীয়বাৰ মথুৰা আক্ৰমণ কৰিলে। মাৰ, ধৰ-শব্দ কৰি ঢাক-ঢোল বজাই বেৰি ধৰিলে।

১৩১৭ মথুৰাৰ প্ৰজাগণে ভয়ত বিব্ৰত হোৱা দেখি কৃষ্ণ কৃপাময়ে বীৰসকলক লৈ নগৰৰ বাহিৰ হ'ল।

১৩১৮ বলভদ্ৰই খণ্ডত অগ্নিশৰ্ম্মাহে মাগধপতিক খেদি গ'ল, দুৰ্ঘোৰ সমৰ লাগিল, আৰু শত্ৰু সৈন্যক সংহাৰিবলৈ ধৰিলে।

১৩১৯ সমস্ত ৰজাক কৃষ্ণই অকলেই যুদ্ধ কৰি বধিবলৈ ধৰিলে আৰু তাকে দেখি তেওঁলোকে মৃতপ্ৰায় হ'ল।

১৩২০ বলভদ্ৰই জৰাসন্ধৰ লগত- মালযুঁজ কৰিলে, অনেক প্ৰকাৰে আক্ৰমণ-প্ৰত্যাক্ৰমণ কৰিলে, ভৰিয়ে ভৰিয়ে যুদ্ধ চলালে।

১৩২১ বলৰামে চেতনা পাই (সম্ভুৰিয়া-চেতনা পাই) মাগধক আস্ফালন কৰি এৰাই নাঙলেৰে কান্ধত আঘাত কৰিলে।

১৩২২ নাঙলেৰে ওচৰলৈ চপাই আনি— মুষল দাণ্ডি জৰাসন্ধৰ মুণ্ড ভাঙিবলৈ চাওঁতেই শুনিবলৈ পালে—

১৩২৩ আকাশীবাণীয়ে শুনালে ইয়াক নামাৰিবা, নামাৰিবা, হে বলৰাম, মাগধক বধ নকৰিবা।

১৩২৪ সমৰ এৰি বলৰামে ৰথত উঠি কৃষ্ণৰ লগত গৈ মথুৰা পালেগৈ।

১৩২৫ এইদৰে বিপক্ষক সংহাৰ কৰি কিৰীটি, কুণ্ডল, হাৰলৈ মথুৰা পোৱালেগৈ।

১৩২৬ মনুষ্য চেষ্টা প্ৰদৰ্শন কৰি যাদৱ ৰজাক এই সম্ভাৰ সমূহ লীলাৰ যোগেদি যোগান ধৰিলে আৰু ভকতৰ প্ৰীতিৰ বাবেই ঈশ্বৰ কৃষ্ণই ক্ৰীড়া কৰিলে।

১৩২৭ জৰাসন্ধই যুদ্ধত পৰাজিত হৈ নিজ দেশলৈ অধোমুখে গমন কৰিলে আৰু দিন-ৰাতি মহাদুঃখেৰে অতিবাহিত কৰিলে।

১৩২৮ পুনঃ পুনঃ যুদ্ধ কৰি জৰাসন্ধই সোতৰ বাৰ পৰাজয় বৰণ কৰে। তথাপি লাজ নাপাই যুদ্ধত প্ৰবৃত্ত হয়।

১৩২৯ এইবাৰ জয় কৰিমেই বুলি- চতুৰঙ্গ দল সজ্জিত কৰি কৃষ্ণৰ প্ৰকৃত তত্ত্ব নুবুজি ৰণৰ বাবে আগবাঢ়ে।

১৩৩০ কৃষ্ণৰ কিঙ্কৰে এইপদ ৰচনা কৰে, হে সামাজিক লোক শুনা- মাধৱৰ জন্ম-কৰ্ম্ম, শ্ৰৱণ- কীৰ্ত্তন কৰাতকৈ ধৰ্ম্ম নাই।

১৩৩১ তথাপি তাক বুদ্ধিৰে উপলব্ধি কৰিব নোৱাৰে যে— কলিযুগৰ মহৌষধ হৈছে কৃষ্ণ-ৰাম নাম, ইয়াক জানিও হেলা নকৰিবা।

১৩৩২ মহাযজ্ঞ, দান, তপ, জপ, তীৰ্থ, স্নান- এই সকলোবোৰ হৰিনামৰ সমান নহয়। ইয়াক জানি হৰি হৰি বোলা ।

জৰাসন্ধৰ যুদ্ধ সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

সপ্তদশ খণ্ড

কালযৱন বধ

প্ৰথম কীৰ্ত্তন

ঘোষা ৰঘুপতি (হে ৰঘুকুলৰ গৰাকী ৰাম), গতি হৌক (মোক গতি দিয়া)।
(হে) নাৰায়ণ, তোমাৰ চৰণে (তোমাৰ চৰণত ধৰি মুক্তি বিচাৰোঁ।)
মই দাস বুলি শৰণ দিয়োক (মোক সেৱক বুলি আশ্ৰয় দিয়ক) ১০৭

১৩৩৩ কৃষ্ণই মথুৰাত থকা সময়তে যবনৰ মহাৰজাই ম্লেচ্ছৰ তিনিকোটি প্ৰজাক সৈন্য হিচাবে লৈ মথুৰা আক্ৰমণ কৰিবলৈ আহিল। যবন ৰজাৰ নাম ৰণত পটুৰ কালযৱন। কালযবনে সমকক্ষ যোদ্ধা বিচৰাৰ বাবে নাৰদে কৃষ্ণৰ লগত যুদ্ধ কৰিবলৈ পঠালে।

১৩৩৪ তিনিকোটি ম্লেচ্ছে মথুৰা নগৰ বেঢ়ি পেলালে আৰু যদুগণে ভয় কৰাত কৃষ্ণই বলৰামক কলে— দাদা, যাদৱ বংশৰ ভয় হৈছে।

১৩৩৫ দুৰ্বাৰ যবনসকলে আমাক বেঢ়ি পেলাইছে,জৰাসন্ধয়ো হয়তো এই সময়তে আক্ৰমণ কৰিব পাৰে।যবনৰ লগত যুঁজি থাকোতে জৰাসন্ধই আক্ৰমণ কৰিবলে জানোচা বংশ সমূলে বিনাশ হ'ব (চোপেবাসে- সমূলে)।

১৩৩৬ সেইবাবে মনুষ্যই লঙ্ঘিব নোৱাৰা দুৰ্গ দ্বাৰকাত বনাম। এই চিন্তা কৰি সাগৰৰ মাজত বাৰ প্ৰহৰৰ পথ জুৰি নগৰ নিৰ্মাণ কৰা হ'ব।

১৩৩৭ বিশ্বকৰ্ম্মাই সকলো শিল্প কৰ্ম্মত পাৰ্গত আৰু দ্বাৰকাত সেই শিল্প নৈপুণ্য দেখিবলৈ পাম। তাত বিবিধ উদ্যান, কল্পতৰু, উপবন, দিব্য বিতোপন দীৰ্ঘ সৰোবৰ থাকিব।

১৩৩৮ গড়ৰ দুৱাৰ আকাশ লঙ্ঘি থাকিব, স্ফটিক কপাট সোণেৰে তৈয়াৰ

হ'ব। সুবৰ্ণ-ৰজতে গৃহবোৰ তৈয়াৰ হ'ব ,স্ফটিকেৰে ঘৰৰ ওপৰত চাং আৰু মৰকতেৰে স্তম্ভ হ'ব (আটাল- ঘৰৰ ওপৰৰ চাং)।

১৩৩৯ ওপৰত সুৱৰ্ণৰ ঘট, বতাহত উৰি থকা পতাকাসমূহ হ'ব। ইন্দ্ৰই সুধৰ্ম্মা সভা প্ৰেৰণ কৰিলে, য'ত আৰোহণ কৰিলে— অজৰ অমৰ হ'ব পৰা যায়।

১৩৪০ বৰুণে শুক্লবৰ্ণৰ ঘোঁৰাসমূহ পঠালে, ইহঁতৰ বেগ অতি বেচি , এখন কৰ্ণ শ্যাম বৰণৰ। কুবেৰে অষ্টনিধিৰ ভাণ্ডাৰ পঠালে। দ্বাৰকানগৰীৰ মহিমা কৈ শেষ কৰিব নোৱাৰি।

১৩৪১ তাত দহ দিক্‌পালৰ বৈভৱ যিমান আছে সকলোবোৰ তেওঁলোকে যোগান ধৰিলে। সেই দ্বাৰকাত মথুৰাৰ প্ৰজাক কৃষ্ণই যোগবলে আনি প্ৰতিষ্ঠা কৰিলে।

১৩৪২ মথুৰালৈ আহি কৃষ্ণই বলৰামৰ লগত আলোচনা কৰি সুগন্ধী ফুলৰ মালা ডিঙিত পিন্ধি যবনক দেখুৱাই শুদা হাতেৰে মথুৰা নগৰৰ বাহিৰ হৈ গতি কৰে।

১৩৪৩ মাধৱৰ জন্ম-কৰ্ম্ম সকলোৱে সাৱধানে শুনা। কলিযুগত কীৰ্ত্তনত বাহিৰে গতি নাই। মানৱ জনম পোৱাটো অতি দুৰ্ল্লভ; গতিকে বৃথাই নিনিয়াবা। গ্ৰাম্য কথা ত্যাগ কৰি হৰি-কীৰ্তন কৰা।

১৩৪৪ কৃষ্ণৰ কিঙ্কৰ শঙ্খকে কৈছে — ইহকাল-পৰকালে হৰিচৰণতহে গতি আছে। জীৱন্ত অৱস্থাতে থাকিলেও মৃতপ্ৰায় অৱস্থা, সেইবাবে অন্য চিন্তা এৰি হৰি হৰি কীৰ্তন কৰা।

দ্বিতীয় কীৰ্ত্তন

ঘোষা মাধৱ মধুসূদন দেৱ, (মই) দাস উদ্ধাৰিয়া নিয়ো (মাধৱ, মধুসূদনদেৱ, মই তোমাৰ দাসৰো দাস , মোক উদ্ধাৰ কৰা প্ৰভু) তুমিসি পৰম গুৰু (তুমিয়েই পৰম গুৰু আৰু নাৰায়ণ), মোক উপদেশ দিয়া (কৃপাকৰা) ১০৮

১৩৪৫ কালযৱনৰ আগেদি কৃষ্ণই লীলা কৰি গৈ থকা মনোহৰ ৰূপ, পৰম সুনন্দৰ বেশ কালযৱনে দেখিলে। শৰত কালত উদয় হোৱা পূৰ্ণিমাৰ চন্দ্ৰৰ দৰে সুন্দৰ শ্যামতনু, গাত পীতবস্ত্ৰে শোভিত অতি সুচান্দ কৃষ্ণক কালযৱনে দেখি চাবলৈ ধৰিলে।

১৩৪৬ মুখত মিচিকিয়া হাঁহি, প্ৰফুল্লবদন, নৱপদ্মৰ পাহিৰ দৰে আয়তাকাৰ অৰুণলোচন, শিৰত অমূল্য ৰত্ন-খচিত কিৰীটি, তিলফুল সদৃশ নাসিকা, ৰঙাওঁঠ, কুন্দকড়ি ফুলৰ দৰে দাঁতৰ শাৰীৰে কৃষ্ণৰ ৰূপে জগতকে মোহিত কৰে।

১৩৪৭ কৰ্ণত মকৰ কুণ্ডল, কপালত অলকাৰ শাৰী, শঙ্খৰ দৰে ডিঙিত কৌস্তুভমণিৰে ন কৈ উদয় হোৱা সূৰ্য্যৰ কান্তিৰ দৰে শোভা কৰে। চাৰিখন হস্ত ওলমি পৰা, গোলাকৃতি, তাতে কেয়ুৰ কঙ্কণ, গলত আপাদলম্বিত বনমালাই শোভা কৰে।

১৩৪৮ সুন্দৰ বুকুত শ্ৰীবৎস, কঁকালত মেখলা, উৰু কৰিকৰ সম নিৰুপম, পদত নূপুৰ— এনে মনোহৰ মুৰুতি দেখি কালযৱনে কলে— নাৰদে কোৱা কৃষ্ণ এইজনেই। খালী হাতেৰে যোৱা কৃষ্ণক মই অস্ত্ৰ লৈ খেদি যাওঁ।

১৩৪৯ এই বুলি তেওঁ কৃষ্ণক খেদি গ'ল। জ্ঞানীগণে যাক ধ্যানতো নেদেখে, তেনে কৃষ্ণক খেদিবলৈ ধৰিলে আৰু কৃষ্ণই চল কৰি তাক দূৰলৈ লৈ গ'ল।

১৩৫০ যৱনে ক'লে যদুকুলে জন্ম ধৰি পলায়ন কৰা অনুচিত, মোক উত্তৰ দে, কৃষ্ণই গিৰি গহ্বৰত প্ৰৱেশ কৰিলে আৰু যৱনেও তাত প্ৰৱেশ কৰি এজন লোক শুই থকা দেখিলে।

১৩৫১ কালযৱনে কৃষ্ণইহে ভয়ত শয়ন কৰি আছে বুলি ভাবি লাথি হানিলে। তাত শুই থকাজন মুচুকুন্দ আৰু তেওঁ তাত চিৰকাল শুই আছিল। লাথিৰ প্ৰহাৰত মুচুকুন্দ উঠি বহিল আৰু চাৰিওফালে চকু ফুৰাই চালে।

১৩৫২ তেওঁ যৱনক সন্মুখত দেখি ক্ৰোধেৰে দৃষ্টি নিক্ষেপ কৰিলে আৰু তেওঁৰ পৰা অগ্নি নিৰ্গত হৈ যৱনৰ শৰীৰত লাগিল আৰু ক্ষন্তেকতে যৱনক পুৰি ভস্মীভূত কৰিলে। পৰীক্ষিতে আচৰিত হৈ শুকক সুধিলে।

১৩৫৩ যবনক ভস্ম কৰাজন কোন? কি কাৰণে তেওঁ শুই আছিল?তেওঁৰ নাম কি? — মোক কওক।

কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ইয়াক ৰচনা কৰিছে আৰু এই কথা সাৱধানে শুনাইঁক। বৈকুণ্ঠলৈ যাবৰ বাবে আন চিন্তা এৰি হৰি বুলি কীৰ্ত্তন কৰা।।

কালযৱন বধ সমাপ্ত

কথা কীৰ্ত্তন-ঘোষা

অষ্টাদশ খণ্ড

মুচুকুন্দ স্তুতি

প্ৰথম কীৰ্ত্তন

ঘোষা ৰামক নাম (ৰামৰ নাম) অতি অনুপাম (অতি মধুৰ)।
ৰামক নাম (ৰামৰ নাম) ৰামক নাম (ৰামৰ নাম)।। ১১০।।

পদ ১৩৫৪ শুকে ৰজাক ক'লে- ইক্ষাকু বংশৰ ৰজা মান্ধাতাৰ জগত বিখ্যাত পুত্ৰৰ নাম মুচুকুন্দ।

১৩৫৫ অসুৰৰ ভয়ত দেৱগণে ৰজা মুচুকুন্দক ক'লে- আমাক ৰক্ষা কৰা। তেতিয়া মুচুকুন্দই স্বৰ্গলৈ গৈ চিৰকাল স্বৰ্গ ৰক্ষা কৰি আছিল।

১৩৫৬ কাৰ্ত্তিক দেৱ সেনাপতি হোৱাত দেৱগণে ৰজাক ক'লে- মুচুকুন্দ এতিয়া বিশ্ৰাম কৰা, দুখৰ সময়ত কষ্ট কৰি আমাক ৰাখিলা।

১৩৫৭ নিজ ৰাজভোগ এৰি; নিদ্ৰাকো পৰিহাৰ কৰি আমাক ৰক্ষা কৰি আছিলা। পৃথিৱীত তোমাৰ জ্ঞাতি-মিত্ৰ-পুত্ৰ-নাতিসকল আছিল—

১৩৫৮ এতিয়া সেই সকলোকে কালে উছন্ন কৰিলে। এতিয়া তুমি ইচ্ছামতে আমাৰ পৰা বৰ লোৱা। মোক্ষৰ বাহিৰে যি বৰ লাগে লোৱা, মোক্ষ কেৱল বিষ্ণুৱেহে দিব পাৰে।

১৩৫৯ ৰজাই দেৱতাক প্ৰণাম কৰি ক'লে- মোক কোনো বৰ নালাগে, মাত্ৰ মই নিদ্ৰা যাবলৈহে বিচাৰোঁ। দেৱগণে তাকেই বৰ দান কৰিলে। নিদ্ৰাত যদি কোনোবাজনে জগায়—

১৩৬০ তেওঁক দৰ্শন পোৱাৰ লগে লগে ভস্ম হ'ব। এই কাৰণেই কালযৱন ভস্ম হ'ল। লগে লগে মাধৱে অলপ হাস্য কৰি ৰজা মুচুকুন্দক দেখা দিলে।

১৩৬১ মুচুকুন্দই কৃষ্ণক দেখি বিস্ময়াভিভূত হৈ চাবলৈ ধৰিলে। উদিত চন্দ্ৰৰ দৰে শোভাকৰি, শ্যাম শৰীৰত পীতবাস পৰিধান কৰি কৃষ্ণই তেওঁক দেখা দিলে।

১৩৬২ বক্ষস্থলত তেওঁৰ শ্ৰীবৎসৰ পান্তি, সূৰ্য্যৰ দৰে ডিঙিত কৌস্তুভমণি, কৰ্ণত মকৰ কুণ্ডল আৰু মুখমণ্ডল পদ্মৰ দৰে মনোৰম।

১৩৬৩ তেওঁৰ লোচন পদুমৰ পাহিৰ দৰে আৰু চকুৰ কোণকেইটা অৰুণৰ দৰে ৰঙা, মুখত হাঁহি, দাঁতৰ শাৰী মুকুতাৰ দৰে আৰু চাৰিভূজ শকত-আবত আৰু ওলমা।

১৩৬৪ পদ্মৰ মালা ডিঙিত; ৰত্নৰ মেখলা কটিত আৰু পদুমৰ কোষৰ দৰে পদযুগলত নূপুৰে শোভা কৰিছে।

১৩৬৫ ত্ৰৈলোক্যত এনে অতুলনীয় ৰূপ আৰু নাই আৰু তুমি সিংহৰ দৰে বিক্ৰমশালী।। তোমাৰ জ্যোতিৰ্ময় ৰূপ চকুত পৰাৰ লগে লগে মুচুকুন্দ শঙ্কিত হৈ পৰিছিল।

১৩৬৬ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই অমৰ কথা ৰচনা কৰিছে; এই কথা সকলোৱে শুনাইক। এলাহ ভাগৰ এৰি কৃষ্ণকীৰ্ত্তন কৰা আৰু সকলোৱে হৰি হৰি বোলা।

❀ কথা কীৰ্ত্তন-ঘোষা ❀ ২১০

দ্বিতীয় কীৰ্ত্তন

ঘোষা রাম কৃষ্ণ গোবিন্দ, হৰি মুকুন্দ ত্ৰাহি। (হে ৰাম, হে কৃষ্ণ, হে গোবিন্দ, হে হৰি আৰু হে মুকুন্দ, মোক উদ্ধাৰ কৰা।। ১১০।।

১৩৬৭ ইয়াৰ পাচত মুচুকুন্দ ৰজাই মাধবক সুধিলে— তুমি কোন আৰু তুমি ক'ত থাকা? কি কামৰ বাবে ইয়াত ঘূৰি ফুৰিছা?

১৩৬৮ তোমাৰ পদ্ম পত্ৰৰ দৰে সুকোমল চৰণ যুগলে কাঁইটৰ ওপৰত কেনেকৈ ভৰি দি ফুৰিছা? তুমি গিৰি গহ্বৰত যে ঘূৰি ফুৰিছা তাৰ গুপ্ত ৰহস্য কি হ'ব পাৰে। তাক বুজিব পৰা নাই।

১৩৬৯ তুমি ইন্দ্ৰ নে সূৰ্য্য ? নে চন্দ্ৰৰ মূৰ্ত্তি ধৰি আছাহি? নতুবা ব্ৰহ্মা, বিষ্ণু বা ত্ৰিনয়নৰ ভিতৰত কোনোবা এজন?

১৩৭০ এনে মনোহৰ মূৰ্ত্তি দেখিয়েই জানিছোঁ— তুমিয়েই জগতৰ স্বামী। তোমাৰ জন্ম, কৰ্ম্ম, গোত্ৰ আৰু নামৰ সম্পৰ্কে জানিব বিচাৰিছোঁ। যদি কিবা উদ্দেশ্য আছে তাকো কোৱা।

১৩৭১ মোৰ পৰিচয় হৈছে — ইক্ষাকু বংশৰ ৰজা মান্ধাতাৰ পুত্ৰ হৈ জন্ম গ্ৰহণ কৰিছোঁ আৰু মোৰ নাম মুচুকুন্দ।

১৩৭২ বহুদিন উজাগৰে থাকি ভাগৰত লালকাল হৈ গুহাত শুই আছো, কোনোবা এজনে মোক জগাই লগে লগে ভস্ম হৈ গ'ল।

১৩৭৩ তাৰ পাচতে তোমাক দেখা পালো আৰু তোমাৰ প্ৰকাশমান এই দেহ দৰ্শন হ'ল। তোমাৰ অফুৰন্ত জ্যোতিয়ে মোক ম্লান কৰি পেলালে।

১৩৭৪ তোমাৰ চমৎকাৰ ৰূপ আৰু চাই থাকিব নোৱাৰো বুলি মুচুকুন্দ মৌন হৈ ৰ'ল। তেতিয়া মাধৱে ক'বলৈ ধৰিলে —

১৩৭৫ মোৰ জন্ম-কৰ্ম্ম কোনেও কৈ অন্ত পেলাব নোৱাৰে। তথাপিতো ইহজন্মৰ কথা কওঁ, শুনা—

১৩৭৬ ধৰ্ম্মৰক্ষা কৰিবলৈ ব্ৰহ্মাই প্ৰাৰ্থনা কৰাত যদুবংশত মই জন্ম ললো। বসুদেৱ মোৰ পিতা (তাত)।

১৩৭৭ সেইবাবে পণ্ডিতলোকে মোক বাসুদেৱ (বসুদেৱ+ষ্ণ) বোলে। দৈত্যবংশৰ কালনেমিয়ে মৃত্যু বৰণ কৰি কংস নামেৰে জনাজাত ৰজা হ'ল।

১৩৭৮ তাক লীলা কৰি বধ কৰিলো। তাৰ সহচৰ দৈত্যবোৰকো বধিলো। যুদ্ধত সকলোবোৰ নিহত হ'ল আৰু এই দুৰ্জ্জন কালযবনক ইয়ালৈ চলেৰে আনিলো।

১৩৭৯ তোমাৰ শক্তিত ই যবনো ভষ্ম হ'ল আৰু পৃথিৱীৰ মহা ভাৰ দূৰ হ'ল। তোমাৰ মৰমতে মই ইয়ালৈ অকলে আহিলো।

১৩৮০ তুমি মোৰ অতি প্ৰিয়জন। গতিকে যি বৰ লাগে লোৱা। তোমাৰ অভিপ্ৰায় কি কোৱা; কাৰণ ভক্তৰ বাবে কোনো দুৰ্লভ বস্তু নাই।

১৩৮১ কৃষ্ণৰ কিঙ্কৰে ইয়াক ৰচনা কৰিছে। সকলোৱে শুনা— সকলোৱে হৰি হৰি বোলা।।

তৃতীয় কীৰ্ত্তন

ঘোষা ও হৰি নমো নাৰায়ণ (হে হৰি, হে নাৰায়ণ, তোমাক নমস্কাৰ কৰোঁ)
চৰণে তৰন উপায় মাগো (তোমাৰ চৰণত মুক্তিৰ উপায় ভিক্ষা কৰোঁ)
বাসুদেৱ, তোমাৰ ভকতি বিনে (কৃষ্ণ, তোমাত ভকতি কৰাৰ বাহিৰে)
বৃথা আয়ু বহি যায় (নিৰৰ্থক ভাবে জীৱন অতিক্ৰম হয়)।।। ১১১ ।।

পদ ১৩৮২ মুচুকুন্দই গৰ্গৰ বাক্য সোঁৱৰণ কৰি কৃষ্ণক চিনি পালে আৰু চৰণত প্ৰণাম কৰি স্তুতি কৰিলে। হে প্ৰভু, মায়াত মোহিত হৈ যি তোমাক নভজে আৰু সুখৰ বাবে গৃহবাসত আবদ্ধ থাকে, তেওঁক কালে বঞ্চনা কৰে।

১৩৮৩ যি ভাৰতত নৰতনু লাভ কৰি তোমাৰ চৰণত ভজনা নকৰে তেওঁ পশুৰ দৰে গৃহ অন্ধকূপত পৰি থাকে। ৰাজ্য, শ্ৰী, অহঙ্কাৰত প্ৰমত্ত হৈ দেহকে আত্মা বুদ্ধি কৰি, কেৱল পুত্ৰ, ভাৰ্য্যা, ধন, আহাৰ চিন্তাতে জীৱন অথলে গৈছে।

১৩৮৪ গৃহ ঘট তুল্য ঃ ঘট ভগাৰ দৰে গৃহ ভাগিবলৈ বেছি পৰ নালাগে। দেহকেই বাহাদুৰি কৰি ৰজা বুলি জ্ঞান কৰোঁ আৰু তোমাক গণ্য নকৰি ঘোঁৰা, হাতী, ৰথত উঠি পৃথিৱী পৰিভ্ৰমণ কৰি ফুৰো। (চটিমতি - বাহাদুৰি) কেৱল বিষয়-বাসনাতে মহামোহত পৰি দৰ্প কৰি প্ৰমত্ত হৈ দিন নিয়াওঁ। হে ভগৱান, তুমি অপ্ৰমত্ত, সৰ্পই এন্দুৰক মৰাৰ দৰে তুমিও হেলাৰঙে তেনে প্ৰমত্তক বধ কৰা।

১৩৮৫ যি জনে ৰজা বোলাই সোণৰ ৰথত, হাতীৰ কান্ধত ফুৰে, সেইজনেও কালৰ প্ৰভাৱত যেতিয়া প্ৰাণ এৰে, তেতিয়া তেওঁৰ শৰীৰো বিষ্ঠা পলু ছাইৰ দৰে হয়। সকলো ৰজাই সেৱা কৰা সাৰ্ব্বভৌম সম্ৰাটে সিংহাসন শুৱনি কৰি থাকে যদিও তেওঁ স্ত্ৰীৰ অধীন হৈ গৃহতে আবদ্ধ থাকি মৰে।

১৩৮৬ পুনৰ ইন্দ্ৰপদ পাবৰ কাৰণে নানা দুঃখ কষ্টেৰে চেষ্টা কৰে কিন্তু সেই অভিলাষো পূৰণ নোহোৱাত অসুখী হয়। সাধুৰ সঙ্গ লাভ হ'লে সংসাৰ ভাব দূৰ হয় আৰু সাধুৰ সঙ্গৰ প্ৰভাৱত ঈশ্বৰত মতি উপজে।

১৩৮৭ হে মাধৱ, মোৰ ৰাজ্যভাৰ আঁতৰাই মহা অনুগ্ৰহ কৰিলা; মহাজ্ঞানীগণে

ইয়াকেহে কামনা কৰে, কাৰণ জ্ঞানীগণে বিবেকৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে। হে মাধৱ, তোমাৰ চৰনৰ বাহিৰে মই আন একো নিবিচাৰোঁ। মুক্তিদাতাক পালে আনবোৰৰ প্ৰয়োজন কি? তাক কোনো মানুহে নিবিচাৰে ।

১৩৮৮ হে প্ৰভু, ইয়াকে জানি সুখ-ভোগ ত্যাগ কৰিলো, আৰু পৰম পুৰুষ তোমাৰ চৰণত শৰণ ললো। চিৰকাল অৰ্থাৎ প্ৰতি জন্মতে সংসাৰ চক্ৰৰ মাজতে ঘূৰি থাকিলো, তোমাক পাবলৈ নিবিচাৰিলো। কোনো প্ৰকাৰেই সুখ-শান্তি নাপালো আৰু কাম-ক্ৰোধকো জয় কৰিব নোৱাৰিলো।

১৩৮৯ তুমি নিঃকিনৰ পালক, গতিকে তোমাৰ চৰণত শৰণ ললো, হে নাৰায়ণ, কিদৰে-শোক, ভয়, মৃত্যু মনৰ পৰা দূৰ হয়, সেই অনুগ্ৰহ কৰি মোক ৰক্ষা কৰা। এইদৰে মুচুকুন্দ ৰজাই কৃষ্ণক প্ৰণাম কৰি আছে। প্ৰনতপালক দেৱ নাৰায়ণে মুচুকুন্দক ক'লে।

১৩৯০ শঙ্কৰদেৱে এই পদ ৰচনা কৰি জন্ম বৃথা নকৰি সকলো মানুহে শ্ৰৱণৰ যোগে কৃষ্ণ কথা সুখেৰে মোক্ষ লাভ কৰিবলৈ আহ্বান কৰিছে। হৰি কথা কীৰ্ত্তন কৰি পাপৰ আলু উঘালিবলৈও পৰামৰ্শ দিছে। সেইবাবে অন্য কামৰ ওপৰত গুৰুত্ব নিদি হৰি হৰি বুলিবলৈ তেওঁ কৈছে।

চতুৰ্থ কীৰ্ত্তন

ঘোষা মন ৰাম বোল ৰাম বোল ৰাম বোল ৰাম (হে লোক, হে মন, ৰাম ৰাম বোল)। চিত্তে চিন্ত চতুৰ্ভুজ হৰি (চিত্তত সদায় চতুভূৰ্জৰূপী হৰিক চিন্ত কৰা) ।। ১১২।।

পদ ১৩৯১ মাধৱে মুচুকুন্দক কলে- হে মুচুকুন্দ শুনা, তোমাৰ মন পৰম নিৰ্ম্মল হৈছে। কাৰণ তোমাক বৰ লবলৈ প্ৰলোভন দিয়াতো তুমি বৰ নললা।

১৩৯২ তোমাক মৰম কৰি বৰ দিবলৈ বিচাৰিলোঁ, কিন্তু ভকতক শ্ৰীমদে লঙ্ঘিব নোৱাৰে। ভকতি নকৰি যোগাভ্যাস কৰিলে কৰোতাৰ মন পুনৰ বিষয়ত নিৰ্বিষ্ট হয়।

১৩৯৩ হে মুচুকুন্দ, যিহেতু তোমাৰ - মোত একান্ত ভকতি আছে যেতিয়া মোতে চিত্ত দি তুমি বসুমতি পৰ্য্যটন কৰা। তুমি ক্ষত্ৰিয় ধৰ্ম্ম ৰক্ষাৰ্থে বহুত জন্তু বধ কৰিছা।

১৩৯৪ গতিকে শ্ৰৱণ-কীৰ্ত্তনত আশ্ৰয় কৰি মানস তপৰ দ্বাৰা অৰ্জ্জিত পাপৰাশি ক্ষয় কৰা। অন্যজন্মত তুমি শ্ৰেষ্ঠ ব্ৰাহ্মণ হ'বা আৰু সেই শৰীৰ ত্যাগ কৰি মোত লীন যাবা।

১৩৯৫ পূৰ্ব্বকালত মোক অনেক যজ্ঞ কৰি যজি আছা ; মই তোমাক ৰক্ষা কৰিম, নিশ্চিত মনেৰে আগবাঢ়া। মাধৱৰ পৰা এনে অনুগ্ৰহ লাভ কৰি তেওঁ কৃষ্ণক প্ৰদক্ষিণ কৰিলে।

১৩৯৬ চৰণত প্ৰণাম কৰি মুচুকুন্দ গহ্বৰৰ বাহিৰ হ'ল আৰু দেখিবলৈ পালে যে সকলো বৃক্ষ, পশু আৰু মানুহবোৰ ক্ষুদ্ৰাকৃতি হ'ল। ৰজাই বুজিলে যে কলিযুগ পালেহি আৰু তাকে জানি উত্তৰ দিশে অগ্ৰসৰ হ'ল।

১৩৯৭ কৃষ্ণত চিত্ত একান্ত কৰি তপত বহিবলৈ বদৰিকাশ্ৰম পালেগৈ আৰু একান্ত মনে কৃষ্ণক আৰাধি সমাধিত বহিল।

১৩৯৮ ইয়াৰ পাচত মাধৱে মথুৰালৈ আহি তিনিকোটি যবন সেনাক বধ কৰে। সিহঁতৰ ধনাদি বলদ-গাড়ীৰে দ্বাৰকালৈ নি ৰজাক দিলেগৈ।

১৩৯৯ সেই সময়তে তেইশ অক্ষৌহিনী সেনাৰে জৰাসন্ধে খেদি আহিল। পৰম পৰাক্ৰমেৰে অহা জৰাসন্ধক দেখি ৰাম কৃষ্ণই দৌৰি আঁতৰি গ'ল।

১৪০০ মনুষ্য চেষ্টা প্ৰদৰ্শন কৰি দুয়ো ভাই পলায় যায় আৰু মাগধে পাছে পাছে খেদি যায়।

১৪০১ পলাব নোৱাৰি পৰ্ব্বতৰ ওখ শৃঙ্গত দুয়ো ভায়ে আৰোহণ কৰিলে, জৰাসন্ধই পৰ্ব্বতৰ চাৰিওফালে আগুৰি ধৰিলে আৰু জুই লগাই দিলে।

১৪০২ এঘাৰ যোজন ওখ পৰ্ব্বতৰ পৰা দুয়োৱে জাপ মাৰি ভূমিত পৰিলে। শত্ৰু সৈন্যই টলকিবই নোৱাৰিলে আৰু দুয়ো গৈ দ্বাৰকা পালেগৈ।

১৪০৩ জৰাসন্ধই ভাবিলে যে - দুয়ো ভষ্ম হৈছে আৰু তাকে ভাবি নিজ দেশলৈ গুচি যায়। ঈশ্বৰৰ বলৰ প্ৰভাৱ নাজানি শত্ৰু বুলি পৰম অজ্ঞান জৰাসন্ধই খেদিছিল।

১৪০৪ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই গীত ৰচনা কৰিছে, কৃষ্ণৰ কীৰ্ত্তন কোনেও নেৰিবা। পাপ সাগৰত উদ্ধাৰ পাবলৈ হৰি হৰি বোলা আৰু পুৰুষক উদ্ধাৰ কৰা।

।। মুচুকুন্দ স্তুতি সমাপ্ত।।

কথা কীৰ্ত্তন-ঘোষা

উনবিংশ খণ্ড

স্যমন্তক হৰণ

প্ৰথম কীৰ্ত্তন

ঘোষা ভাই মুখে ৰাম বোলা, হৃদয়ে ৰূপ ধৰা (হৃদয়ত ভগৱানৰ ৰূপ ধাৰণ কৰি মুখেৰে ৰাম নাম জপ কৰা)। এতেকে মুকুতি পাইবা স্বৰূপ কহিলো (তেনে কৰিলে প্ৰকৃততে মুক্তি পোৱা সম্ভৱ হয় ।। ১১৩।।

পদ ১৪০৫ শুক মুনিয়ে পৰীক্ষিতক ক'লে— সত্ৰাজিতে কৃষ্ণক অপযশ দি ভয় খালে আৰু নিজ কন্যাক কৃষ্ণক দি লগত স্যমন্তক মণি যৌতুক দিলে।

১৪০৬ ৰজা পৰীক্ষিতে পুনৰ শুকক সুধিলে— সত্ৰাজিতে কৃষ্ণক কি কলঙ্ক দিছিল? স্যমন্তক মণি সত্ৰাজিতে ক'ৰ পৰা লাভ কৰিছিল আৰু সত্ৰাজিতে কিয় যত্ন সহকাৰে কন্যাদান কৰিলে?

১৪০৭ শুকে পৰীক্ষিতক ক'লে— শুনা পৰীক্ষিত, সত্ৰাজিতৰ পৰম বন্ধু সূৰ্য্য। সূৰ্য্যই সন্তুষ্ট হৈ সত্ৰাজিতক মহামণি স্যমন্তক দিলে আৰু তেওঁ কণ্ঠত পিন্ধি ললে।

১৪০৮ সূৰ্য্যৰ দৰে প্ৰকাশমান স্যমন্তক মণি লৈ সত্ৰাজিত দ্বাৰকালৈ নামি আহোতে তাৰ ৰশ্মিয়ে প্ৰজাৰ চকু জলক তভক লগালে। সূৰ্য্যই নামি আহিল বুলি প্ৰজাগণে কৃষ্ণৰ ওচৰলৈ দৌৰি গ'ল।

১৪০৯ প্ৰভু পীতাম্বৰে সভাত পাশা খেলি আছিল আৰু সেইসময়তে প্ৰজাই আথেবেথে গৈ কৃষ্ণক ক'লৈগৈ— হে নাৰায়ণ , শঙ্খ,চক্ৰ, গদাধৰ, অৰবিন্দ লোচন, গোবিন্দ, দামোদৰ —

১৪১০ হে ত্ৰিজগতৰ গৰাকী, তোমাক দেখিবৰ কাৰণেই সূৰ্য্যই আহিব লাগিছে- সূৰ্য্যৰ ৰশ্মিয়ে আহি সকলোৰে চকুত ধৰিছেহি; দহ দিকপালেও তোমাক বিচাৰি ফুৰে।

১৪১১ তুমি আদি নিৰঞ্জন, সনাতন, হৰি আৰু যদুবংশত ছদ্ম কৰি অৱতাৰ লৈ আছা। সেই দেখি সূৰ্য্যই তোমাক সাক্ষাৎ পাবলৈ আহিছে। হৰি হৰি বুলি নিজক উদ্ধাৰ কৰা।

দ্বিতীয় কীৰ্ত্তন

ঘোষা গোপাল গোবিন্দ যদুনন্দন (যদুবংশৰ মণি স্বৰূপ)
কৃষ্ণৰ চৰণে (চৰণত) শৰণ (আশ্ৰয়) ললো।। ১১৪।।

পদ ১৪১২ এই কথা শুনি চক্ৰপানিয়ে কলে- এইয়া সূৰ্য্য নহয়, সত্ৰাজিতে মণি লৈ ঘৰলৈহে আহিছে আৰু মণিৰ ৰশ্মিহে তোমালাকে দেখা পাইছা।

১৪১৩ সত্ৰাজিতে ঘৰ পোৱাৰ লগে লগে অনেক মাঙ্গল্য বাদ্য বাজি উঠিল। দেৱগৃহত প্ৰৱেশ কৰি প্ৰণিপাত কৰি মণি বিপ্ৰৰ হাতত অৰ্পণ কৰিলে।

১৪১৪ মণিৰ অদ্ভুত মহিমা কৈ অন্ত কৰিব নোৱাৰি। ই নিতৌ আঠ ভাৰ সোণ দিয়ে, স্যমন্তক মণি যি ঠাইত থাকে তাত দুৰ্ভিক্ষ, মাৰি-মৰক একো হ'ব নোৱাৰে।

১৪১৫ ব্যাধি নহয়, বাঘ-সৰ্পাদিৰ ভয়ো নাথাকে। এই মণি এদিন কৃষ্ণই খুজিছিল যদিও সত্ৰাজিতে অহঙ্কাৰ কৰি নিদিলে।

১৪১৬ সত্ৰাজিতৰ প্ৰসেন নামেৰে ভাতৃয়ে কণ্ঠত এই মণিটো পিন্ধি ঘোঁৰাত উঠি মহা আনন্দ মনেৰে বিজুবনত মৃগ মাৰি ফুৰিছিল।

১৪১৭ সিংহই প্ৰসেনক ঘোঁৰাৰে সৈতে মাৰি কণ্ঠৰ মণিটো চিঙি লৈ গিৰিশৃঙ্গত আৰোহণ কৰিলেগৈ।

১৪১৮ তাকে দেখি শক্তিবান বীৰ জাম্বৱন্তই সিংহক মাৰি মণিটো কাঢ়ি ললে আৰু নিজৰ গাঁতত প্ৰবেশ কৰিলে। মণিটো নি শিশুক ওমলাবলৈ ধাইৰ হাতত দিলে।

১৪১৯ ধায়ে বিচিত্ৰ মণিটো লৈ বাটত শিশু ওমলাই ফুৰিছিল।
কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে কয়- হে নৰলোক, সকলোৱে হৰি হৰি বোলা।

তৃতীয় কীৰ্ত্তন

ঘোষা বনমালী এ জগমোহন ৰাম (হে বনমালাধাৰী জগতৰ মোহন, তুমিয়েই ৰাম) সুখে দু:খে মুখে জোনো (জানোচা সুখৰ সময়ত, দু:খৰ সময়ত মুখত ৰাম নাম ওলোৱাত বাধা হয়) ছাড়ে ৰাম নাম (ৰাম নাম পাহৰি নাযাওঁ)।। ১১৫।।

পদ ১৪২০ ভাতৃ প্ৰসেন মৃগয়াৰ পৰা ঘূৰি অহা নেদেখি সত্ৰাজিতে মহাশোকত কান্দিবলৈ ধৰিলে। স্যমন্তক মণি পিন্ধি বেচেৰাই বনলৈ গ'ল আৰু তাক নিশ্চয়ে কৃষ্ণই মাৰিলে।

১৪২১ কৃষ্ণই মণিটো সত্ৰাজিতক এদিন খুজিছিল আৰু নোপোৱাত ভাইটোক মাৰি কৃষ্ণই মণিটো নিলে বুলি কোৱা কথা সকলো মানুহে কাণে কাণে পাতিবলৈ ধৰিলে। মৰিবলৈ ভয় কৰি এই কথা কোনেও প্ৰকাশ্যে নকয় বুলি জানি কৃষ্ণই মিছাতে কলঙ্ক পালো বুলি ভাবিলে।

১৪২২ ভগৱন্ত কৃষ্ণই অপযশ দূৰ কৰাৰ উপায় চিন্তা কৰি লগত অসংখ্য সৈন্য লৈ প্ৰসেন যোৱা পথেৰে অগ্ৰসৰ হ'ল। ঘোঁৰাৰ খোজ চাই চাই কৃষ্ণই বাট বুলিলে।

১৪২৩ কিছুদুৰ গৈ দেখিলে প্ৰসেন ঘোঁৰাৰ সৈতে মাটিত পৰি আছে। সিংহই প্ৰসেনক বধি মণি নিলে বুলি জানি সিংহৰ খোজ অনুসৰণ কৰি পৰ্ব্বতৰ ওপৰলৈ উঠি গ'ল।

১৪২৪ কৃষ্ণই সিংহ মৰি পৰি থকা দেখিলে আৰু ভালুকে মাৰি মণিটো নিয়া বুলি জানিলে। আনসকলেও নিশ্চিত হ'ল যে কৃষ্ণক মিছাকৈ কলঙ্ক দিয়া হৈছে।

১৪২৫ খোজ অনুসৰণ কৰি কৰি ভালুকৰ গাঁত পাই দেখিলে যে ঘোৰ আন্ধাৰে গাঁতটো আবৰি আছে। সেইবাবে বাহিৰত সৈন্যসকলক থৈ কৃষ্ণই অকলসৰে গাঁতত প্ৰৱেশ কৰিলে।

১৪২৬ ধায়ে মণিটো হাতত লৈ শিশু ওমলাই ফুৰা দেখি কৃষ্ণই মণিটো কাঢ়ি লবলৈ ধাইৰ ওচৰ চাপিল। তাকে দেখি ধায়ে প্ৰাণ কাতৰে চিঞৰ মাৰিলে (ধাউগেড়ি)।

১৪২৭ তাই ক'লে - হে ঋক্ষৰাজ, কোনোবা মনুষ্য এটাই মণিটো নিবলৈ চেষ্টা কৰিছে, গতিকে সোনকালে ইয়াৰ ওচৰলৈ আহা— বুলি ধায়ে আৰ্ত্তনাদ কৰিবলৈ ধৰিলে।

হৰি হৰি বুলি বিষয়ৰ যান্ত্ৰণাৰ পৰা উদ্ধাৰ হোৱা।

চতুৰ্থ কীৰ্ত্তন

ঘোষা রাম কৃষ্ণ গোপাল (হে ৰাম, কৃষ্ণ, গোপাল)
ত্ৰাহি হৰি কৃপাল। (হে হৰি, মোক উদ্ধাৰ কৰা)।। ১১৬।।

পদ ১৪২৮ ধাইৰ চিএৰৰ শুনি মহাবলৱন্ত জাম্বৱন্তই স্বামী কৃষ্ণক চিনিব নোৱাৰি যুদ্ধ কৰিবলৈ সাজু হৈ আহিল।

১৪২৯ সাধাৰণ মানুহ জ্ঞান কৰি কৃষ্ণক অতি খঙেৰে আক্ৰমণ কৰিলে। কৃষ্ণৰ শক্তি বুজিব নোৱাৰি হতাহতি যুদ্ধ কৰিবলৈ ধৰিলে।

১৪৩০ দুয়োজনে অতি ক্ৰোধান্বিত হৈ তুমুল সংগ্ৰাম কৰিলে। দুয়োজনে প্ৰকাণ্ড হাতীৰ দৰে পৰ্ব্বতৰ শিল লৈ দলিয়াবলৈ ধৰিলে।

১৪৩১ কেতিয়াবা গছ লৈ দুয়ো দুয়োকে প্ৰহাৰ কৰে। ভৰিয়ে ভৰিয়ে ছান্দি মালযুঁজ কৰিলে।

১৪৩২ দুয়োৰে দুইক বজ্ৰমুঠিৰে প্ৰহাৰ কৰে। শেনে মাংসৰ কাৰণে যুঁজাৰ দৰে দুয়ো যুদ্ধ কৰিলে।

১৪৩৩ শক্তিত কোনো কম নহয় আৰু এইদৰে আঠাইশ দিন যুদ্ধ চলি থাকিল। কৃষ্ণৰ প্ৰহাৰত অৱশেষত জাম্বৱন্ত অৱশ হ'ল।

১৪৩৪ ভাগৰত ঋক্ষৰাজ ক্লান্ত হ'ল, নাকেৰে নিশ্বাস এৰিলে, কঁকাল, কান্ধ ভাগি যাও ভাগি যাও হ'ল আৰু শৰীৰৰ গাঁঠিবোৰ ছিগি যোৱাৰ দৰে হ'ল।

১৪৩৫ নোমৰ বিন্ধাইদি ঘাম ওলাবলৈ ধৰিলে, ক্ষণে ক্ষণে স্থবিৰ হৈ আহিল। সমস্ত সমাজে বেঢ়ি হৰি হৰি বোলা।

পঞ্চম কীৰ্ত্তন

ঘোষা দেৱ দামোদৰ যাদৱানন্দ, দীন দয়াশীল, স্বামী, ত্ৰাহি (হে দামোদৰ, যাদব বংশৰ আনন্দ অৰ্থাৎ আত্মা, দুখীয়াৰ বন্ধু আৰু সকলোৰে গৰাকী, মোক উদ্ধাৰ কৰা।) নিস্তাৰ কৰাহা (উদ্ধাৰ কৰোক) আমি তোমাৰ চৰণে শৰণ পশিলো (তোমাৰ চৰণত আশ্ৰয় ললো)।। ১১৭।।

পদ ১৪৩৬ ঋক্ষৰাজে কৃষ্ণৰ পৰাক্ৰম দেখি পৰম বিস্ময় মানিলে আৰু এৱেঁই তেওঁৰ আৰাধ্য দেৱ বুলি জানি কৃষ্ণৰ চৰণত প্ৰণাম কৰি ক'লে -, তুমি জগতৰ ঈশ্বৰ, তুমি সনাতন হৰি, সমস্ত প্ৰাণীবৰ্গৰ তুমি প্ৰাণ আৰু শক্তি, তুমি জগতখন ধৰি আছা।

১৪৩৭ তুমি স্ৰষ্টাৰ ওপৰতো স্ৰষ্টা আৰু তুমি সকলোকে দেখি থকা, তুমি পৃথিৱীক উদ্ধাৰ কৰিছিলা, তুমি জীৱবৰ্গৰ নিয়ন্তা, পৰম আত্মা, মৃত্যুৰ গৰাকী।

তুমিয়েই সেই ৰঘুপতি ৰাম, যিজন ঈশ্বৰ মোৰ আৰাধ্যদেৱ আছিল আৰু যিজনে সীতাৰ মহাপ্ৰয়াণ কৰিছিল।

১৪৩৮ যাৰ ক্ৰোধত সাগৰেও কম্পমান হৈছিল আৰু লঙ্কালৈ যাবলৈ বাট এৰি দিছিল, সেই ৰঘুনাথ তুমিয়েই। সীতাক উদ্ধাৰ কৰিবলৈ মোৰ স্বামীয়ে সাগৰত সেতু বান্ধিছিল আৰু লঙ্কানগৰী ধ্বংস কৰিছিল, ৰাৱণৰ মূৰ কাটি সীতাক উদ্ধাৰ কৰি আনিছিল—

১৪৩৯ মই আগেয়ে চিনিব পৰা নাছিলো আৰু এতিয়াহে জানিলো যে তুমি ছিৰীৰাম। মই পৰম অজ্ঞানী, তোমাৰ চৰণত ধৰিছো হে প্ৰভু, মোক ক্ষমা কৰক। এনেদৰে জাম্ববন্তই কৃষ্ণক কৃতাঞ্জলি কৰি নমস্কাৰ জনায়। হে, নৰলোক, কীৰ্ত্তন নেৰিবা, হৰি হৰি বুলি চিঞৰিবা।।

ষষ্ঠ কীৰ্ত্তন

ঘোষা চিত্ত হৃদয়ে সৰ্ব্বথা হৰিৰ চৰণ চিন্তিয়ো (হে চিত্ত, হে হৃদয়, সদায়ে হৰিৰ চৰণ চিন্তা কৰোক)। মুখে ৰাম বোলা, কৰ্ণে কৃষ্ণ কথা শুনা (মুখেৰে ৰাম নাম লোৱাইক আৰু কাণেৰে কৃষ্ণ কথা শুনাইক)।। ১১৮।।

পদ ১৪৪০ জাম্ববন্তৰ স্তুতিবাণী শুনি দৈৱকী নন্দনে দয়াৰ দৃষ্টিৰে ভকত জাম্ববন্তলৈ দৃষ্টি দিলে - সমস্ত শৰীৰ অমৃতময় হাতেৰে মোহাৰিলে আৰু শৰীৰৰ আঘাতবোৰ নাইকীয়া হ'ল।

১৪৪১ মেঘ গম্ভীৰ ধ্বনিৰে কৃষ্ণই কলে-হে ঋক্ষৰাজ, তুমি মহামণি স্যমন্তক আনি থৈছা, মোক মিছা কলঙ্ক দিছে বাবে মণিৰ বাবেই মই তোমাৰ ঠাইলৈ আহিলো।

১৪৪২ মই জানো— তুমি পৰম ভকত, গতিকে মণিটো মোক দিয়া, তাক দ্বাৰকালৈ লৈ যাওঁ। ইয়াক দেখুৱাই মোৰ ওপৰত দিয়া কলঙ্ক দূৰ কৰোঁগৈ আৰু লোক সমাজত প্ৰত্যয় নিয়াও। জাম্ববন্তই এই কথাত বৰ আনন্দ পালে।

১৪৪৩ জাম্ববতী নামেৰে তেওঁৰ এগৰাকী দুহিতা আছে আৰু তাইক কৃষ্ণৰ লগত বিয়া দিলে। যৌতুক হিচাবে স্যমন্তক মণি দিলে আৰু কৃষ্ণ সন্তুষ্ট হ'ল।

১৪৪৪ গাতৰ বাহিৰত সৈন্য আৰু প্ৰজাগণে বাৰ দিন কৃষ্ণৰ বাবে অপেক্ষা কৰিলে, কিন্তু নহা দেখি বৰ দুখীত হ'ল আৰু উলটি গৈ দ্বাৰকাত সবিশেষ জনালেগৈ—

১৪৪৫ কৃষ্ণই মণিৰ অন্বেষণত গাতত সোমোৱাৰ পৰা বাৰদিন ধৰি বাট চাই আছিলো, কিন্তু পুনৰ ঘূৰি অহা নাই; কি অথন্তৰ ঘটিছে জনা নাযায়। সংসাৰ সাগৰ তৰিবলৈ হৰি হৰি বোলা।

সপ্তম কীৰ্ত্তন

ঘোষা ত্ৰাহি যদুনন্দন দেৱ (হে যদুনন্দন, উদ্ধাৰ কৰা)
পাৱে পৰি মঞিঃ কৰো সেৱ (চৰণত পৰি মই সেৱা কৰোঁ)।। ১১৯।।

পদ ১৪৪৬ এই কথা শুনি বসুদেৱ আচৰিত হ'ল, ৰুক্মিনীদেৱী মূৰ্চ্ছিত হ'ল, দৈৱকীয়ে কান্দিবলৈ ধৰিলে।

১৪৪৭ বেজাৰত তেওঁলোকৰ প্ৰাণ ফুটি যাও ফুটি যাওঁ হ'ল, মাটিত বাগৰি পৰিল। দৈৱকী-বসুদেৱে পুত্ৰ জানোচা হেৰাই যাব বুলি ভাবিলে, সুন্দৰ শ্যামল তনুৰ কৃষ্ণৰ প্ৰতি ব্যাকুল হৈ পৰিল।

১৪৪৮ মেঘত বিজুলীৰ চমকনিৰ দৰে পীতবস্ত্ৰই কৃষ্ণৰ শোভা কৰিছিল, চন্দ্ৰতকৈ সুন্দৰ মুখ, পদুমৰ দৰে চকুৰে কৃষ্ণৰ সৌন্দৰ্য্য কিমান মধুৰ।

১৪৪৯ কৰ্ণত তেওঁৰ কুণ্ডলে দোলে, গলত বনমালা শোভা কৰে, শিৰত কিৰীটিয়ে সৌন্দৰ্য্য বিস্তাৰ কৰে।

১৪৫০ কণ্ঠত প্ৰভাতৰ সুৰুজৰ দৰে কৌস্তুভ মণিয়ে তেওঁক শুৱনি আৰু জ্যোতিষ্মান কৰি ৰাখে। আঁঠুলৈকে পৰা বাহু আৰু সৰ্ব্বাঙ্গপূৰ্ণ কৃষ্ণৰ তনু অতি মনোহৰ।

১৪৫১ কেয়ুৰ কঙ্কণে ভৰিক শুৱনি কৰে আৰু ৰত্নৰ নুপুৰ ৰুনুঝুনুকৈ বাজি থাকে আৰু কঁকালত কাঞ্চিয়ে শোভা কৰে।

১৪৫২ এনে মনোৰম মোৰ কৃষ্ণবোপা, তেওঁৰ বিৰহ ক'তনো এৰাওঁ কোটি মদনেও তেওঁক চেৰ পেলাব নোৱাৰে, তেনে কৃষ্ণক কেনেকৈ পাহৰো।

১৪৫৩ সমস্তবান্ধৱে, জ্ঞাতি-কুটুম্বই কৃষ্ণৰ বিৰহত বিলাপ কৰিবলৈ ধৰিলে। তদুপৰি সমস্ত নগৰীয়া লোকে দুখত কাতৰ হৈ বিলাপ কৰিবলৈ ধৰিলে।

১৪৫৪ সত্ৰাজিতেই ধূমকেতুৰ দৰে বিৰাজিত হৈ কৃষ্ণৰ নাশৰ কাৰণ হ'ল। নাৰীগণে সত্ৰাজিতকে গালি দিবলৈ ধৰিলে।

১৪৫৫ কৃষ্ণক মিছা কলঙ্ক জাপি দি সত্ৰাজিত তই এতিয়াও জীয়াই আছ, দ্বাৰকাপুৰীত চাৰিওফালে হাঁহাকাৰ ধ্বনিয়ে ছানি পেলালে।

১৪৫৬ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই পদ ৰচনা কৰিছে, সকলোৱে ইয়াক শুনা, কৃষ্ণৰ কীৰ্ত্তন কৰা, হৰি হৰি বোলা।

অষ্টম কীৰ্ত্তন

ঘোষা ও হৰি দীন দয়াল (হে হৰি তুমি দুখীয়াক দয়া কৰোতা)
গোপাল পালিয়া নিয়া (হে গোপাল মোক পালন কৰা)
তোম্মাৰ নাম মুখে ফুৰো লৈয়া (তোমাৰ নাম মুখত লৈ ফুৰো)
হিয়া, তোমাৰ চৰণ চিন্তেক (হে হৃদয়, ভগৱন্তৰ চৰণ চিন্তিয়োক)।।
১২০।।

১৪৫৭ যদুবংশৰ সকলোলোকে কৃষ্ণ যাতে সুকলমে ঘূৰি আহে, তাৰ বাবে দুৰ্গাক পূজা কৰিলে।

১৪৫৮ মহামায়াক তেওঁলোকে ইয়াকে আৰাধনা কৰিলো যেন কৃষ্ণ সোনকালে ঘূৰি আহে, তাৰবাবে মহামায়াক স্তুতি পাঠ কৰিলে। দেৱীৰ আশীৰ্ব্বাদ সফল হ'ল।

১৪৫৯ কৃষ্ণয়ে ডিঙিত স্যমন্তক মণি পিন্ধি ভাৰ্য্যা সমন্বিতে দ্বাৰকাত ওলালহি। সকলোৱে দেখিবলৈ পালে যে কৃষ্ণ মৰাৰ পৰা নতুন জীৱন পাইহে আহিল।

১৪৬০ সমস্ত বন্ধু-জ্ঞাতিয়ে কন্যাসহ কৃষ্ণক বেৰি ধৰিলে। সকলোৱে শিৰত অক্ষত দুৰ্ব্ব সিঁচিলে আৰু শুভাশীষ জনালে।

১৪৬১ ইয়াৰ পাচত দিব্যসভাৰ আয়োজন কৰি কৃষ্ণই সত্ৰাজিতক মতাই পঠালে। সত্ৰাজিত আহি পোৱাত ৰাজসভাত কৃষ্ণই স্যমন্তক মণি কেনেকৈ পালে সবিশেষ ক'লে।

১৪৬২ কৃষ্ণই সকলোকে সাক্ষী হিচাবে ৰাখি মণিটো সত্ৰাজিতৰ হাতত অৰ্পণ কৰিলে। সত্ৰাজিতে মণি লৈ লজ্জিত হয়।

১৪৬৩ তেওঁ মনত অনুশোচনা কৰে আৰু অধোমুখে গৃহাগমণ কৰে। কৃষ্ণক অনাহকতে কল[illegible] ৰাতিয়ে-দিনে চিন্তা কৰিবলৈ ধৰিলে আৰু তেওঁৰ টোপনি নহা হ'ল।

১৪৬৪ তেওঁ ভাবিলে— মই মহামুৰ্খ, পাপী নিশ্চয়, মিছাতে কৃষ্ণক কলঙ্ক দিলো। ৰাইজৰ গ্লানি আৰু অভিশাপ কি দৰে নাইকীয়া কৰা হ'ব আৰু কৃষ্ণক কেনেকৈ সন্তোষ্ট কৰা হ'ব।

১৪৬৫ কৃষ্ণৰ মনত কেনেকৈ আনন্দ দিম বুলি তেওঁ চিন্তা কৰিবলৈ ধৰিলে। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে কয় - সকলো মানুহে হৰি হৰি বোলা।

নৱম কীৰ্ত্তন

ঘোষা হৰি ৰাম ৰাম ৰাম ৰাম ৰাম হৰি।।
ডাকিয়া ঘোষিয়ো শীঘ্ৰ কৰি।। (হৰি, ৰাম বুলি উচ্চাৰণ কৰোক, অবিৰাম ৰাম হৰি, বোলোক)।। ১২১।।

পদ ১৪৬৬ মোৰ কন্যাক কৃষ্ণত বিবাহ দি মণিটো যৌতুকত দিয়াই ভাল হ'ব। হয়তো কৃষ্ণ তেতিয়া সন্তুষ্ট হ'ব পাৰে। তাৰ বাহিৰে আন উপায় নাই।

১৪৬৭ ভবামতেই কন্যাক আনি মণি সমে কৃষ্ণক সত্ৰাজিতে অৰ্পণ কৰিলে। কৃষ্ণই সত্যভামাক পাই বিধি অনুসৰি বিবাহ কৰিলে।

১৪৬৮ সত্যভামা ৰূপে-গুণে বিখ্যাত। অনেকজনে সত্যভামাক বিবাহ কৰিবলৈ বিচাৰিছিল। এনে এগৰাকী নাৰীক পত্নী হিচাবে পাই কৃষ্ণ পৰম আনন্দিত হ'ল।

১৪৬৯ কৃষ্ণই শশুৰেকক ক'লে— মোৰ মণিৰ প্ৰয়োজন নাই। তুমি অপুত্ৰক বাবে এই মণি তোমাৰ ওচৰতে থাকক।

১৪৭০ তোমাৰ সকলোবোৰেই মোৰ যেতিয়া মণিটো তুমি নিয়া আৰু চিন্তা নকৰিবা। এই কথা শুনি সত্ৰাজিতে আনন্দ পালে আৰু স্যমন্তক মণি লৈ ঘৰলৈ গমন কৰিলে।

১৪৭১ তাৰ পাচত জগতৰ স্বামী (নাহে) কৃষ্ণই সত্যভামাক বিবাহ কৰি আনন্দ মনেৰে ক্ৰীড়া কৰিলে। স্যমন্তক হৰণৰ কাহিনী শুনাৰ মাহাত্ম্য আছে—

১৪৭২ ইয়াক শুনিলে কলঙ্ক, মহাপাপ, সংসাৰৰ তিনিতাপ দূৰ হয়, মনৰ বাঞ্ছা পূৰণ হয় বাবে কৃষ্ণৰ চৰিত্ৰ শুনাৰ প্ৰয়োজন আছে।

১৪৭৩ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে কৈছে- মানুহে কেতিয়াও কীৰ্ত্তন নকৰাকৈ থাকিব নেলাগে। ইয়াত বাহিৰে অন্য উপায় নাই, বেদেও ইয়াকে কৈছে।

১৪৭৪ ভাৰ্য্যা, পুত্ৰ, গৃহ মায়াৰে আবৰা, কেতিয়া এই দেহৰ অৱসান হয় তাৰ ঠিক নাই। ইয়াক জানিও, দেখিও নজনা আৰু নেদেখাৰ দৰে বিষয়তে মানুহ মগ্ন হৈ থাকে।

১৪৭৫ আন সকলো চিন্তা চৰ্চা পৰিত্যাগ কৰা। মিছাকৈ মোৰ মোৰ বুলি ভাবি আছা, মৃত্যু আসন্ন, গতিকে জানি বুজি হৰি হৰি বোলা।

।। স্যমন্তক হৰণ সমাপ্ত।।

কথা কীৰ্ত্তন-ঘোষা

বিংশ খণ্ড

নাৰদৰ কৃষ্ণ দৰ্শন

প্ৰথম কীৰ্ত্তন

ঘোষা কমললোচন ৰাম প্ৰভু ৰঘুপতি (হে কমললোচন, ৰাম ৰঘুপতি কি ৰাম হৰি গতি (ৰাম, হৰিয়েই গতি) কি ৰাম ৰঘুপতি (ৰাম, ৰঘুপতিয়েই মুক্তিদাতা)।। ১২২।।

পদ ১৪৭৬ কৃষ্ণই শিশুপালকে আদি কৰি ৰজাসকলক পৰাস্ত কৰি ভীষ্মকৰ কন্যা ৰুক্মিনীক হৰণ কৰি আনিলে আৰু ৰুক্মক মুণ্ডন কৰিলে। অষ্ট মহিষীক প্ৰথমে কৃষ্ণই বিবাহ কৰিলে।

১৪৭৭ গৰুড়ত উঠি গৈ নৰকৰ লগত যুদ্ধ কৰি বধ কৰি কৃষ্ণই ষোল হাজাৰ কন্যাক দ্বাৰকালৈ পঠাই সত্যভামাক লগত লৈ অম্ৰাৱতীলৈ গমন কৰিলে।

১৪৭৮ নৰকাসুৰপৰা দেৱমাতা অদিতিৰ কুণ্ডল নি অদিতিক দিলেগৈ আৰু ইন্দ্ৰই কৃষ্ণক অৰ্চ্চনা কৰিলে। বাসৱৰ লগত কথাবাৰ্তা পাতি ভাৰ্য্যাৰ বাবে পাৰিজাত ফুল বিচাৰিলে।

১৪৭৯ ইন্দ্ৰই পাৰিজাত নিদিয়াত কৃষ্ণই নিজেই পাৰিজাত বৃক্ষ উঘালি আনিলে। ইন্দ্ৰই খেদি আহি যুদ্ধ কৰিলে আৰু কৃষ্ণৰ হাতত পৰাস্ত হ'ল।

১৪৮০ কৃষ্ণৰ প্ৰহাৰ পাই ইন্দ্ৰই পলাই যায় আৰু সত্যভামাৰ দুৱাৰ মুখত পাৰিজাত ফুল ৰুই দিলেহি । একেদিনাই ষোল-হাজাৰ কণ্যাক দ্বাৰকাত কৃষ্ণই বিবাহ কৰিলে।

১৪৮১ সেই দিব্য পত্নীসকলৰ লগত কৃষ্ণই একো একোজন কৃষ্ণ হৈ ক্ৰীড়া কৰিলে। চৌৰাশীত কৈ অধিক তেৰহাজাৰ গোক অলঙ্কাৰ পিন্ধাই প্ৰতি দিনে গো দান কৰিলে।

১৪৮২ ইন্দ্ৰই পুৰস্কাৰ স্বৰূপে সুধৰ্ম্মা সভাক দ্বাৰকালৈ পঠাই দিলে। তাত প্ৰতিদিনেই কৃষ্ণই বহিবলৈ যায় আৰু দাৰুকে আগত আনি ৰথত যোগায়হি।

১৪৮৩ কৃষ্ণই দাৰুকৰ হাতত ধৰি ৰথত উঠি সাত্যকি আৰু উদ্ধৱৰ সৈতে সভাত আসন গ্ৰহণ কৰে। আকাশত চন্দ্ৰমাই গুৰু শুক্ৰাচাৰ্য্যৰ কাষতে থকাৰ দৰে কৃষ্ণয়ো সভাত আনন্দ কৰি বহি থাকে।

১৪৮৪ সেই সুধৰ্ম্মা সভাক দেখিলেই প্ৰণাম কৰিম যেন লাগে আৰু যদুগণে সভাৰ চাৰিওফালে আনন্দ মনেৰে ঘূৰি ফুৰে (চটকি- ঘূৰিফুৰা) কৃষ্ণৰ কৃপাত দ্বাৰকাত সকলো ভোগৰ বস্তু বিদ্যমান আৰু দ্বাৰকাত যেন দেৱযোগহে মিলিছে।

১৪৮৫ যাদৱ বংশৰ যিমানবোৰ কুমাৰ আছে, সেই সকলোকে পঢ়োৱাৰ ব্যৱস্থা কৰিলে। কুমাৰৰ সংখ্যা ইমানেই বেছি যে তেওঁলোকক পঢ়োৱা শিক্ষকৰ সংখ্যাই হৈছে তিনি কোটি চোৰাশী হাজাৰ এশ।

১৪৮৬ সকলোৱে শুনাহঁক, শঙ্কৰে এই পদ ৰচনা কৰিছে যে একচিত্তে হৰিকীৰ্ত্তন কৰিব লাগে। সংসাৰত ইয়াৰ বাহিৰে ধৰ্ম্ম নাই, গতিকে আসনত বহি বহি ৰাম নাম লোৱাহঁক।

দ্বিতীয় কীৰ্ত্তন

ঘোষা কেশৱ কৃষ্ণ বিষ্ণু বনমালী।
কৃপাময় সেৱক পালি নিয়োক।।
(হে কেশৱ, হে কৃষ্ণ, হে বিষ্ণু আৰু হে বনমালী, তুমি কৃপাময়; গতিকে এই দাসক পালন কৰক অৰ্থাৎ চলাই নিয়ক)।। ১২৩।।

পদ ১৪৮৭ কৃষ্ণই যোল হাজাৰ কন্যা একেদিনাই বিয়া কৰোৱাত আশ্চৰ্য্য প্ৰকাশ কৰি নাৰদমুনি দ্বাৰকালৈ গমন কৰিলে।

১৪৮৮ নাৰদে দিব্যপুৰী দ্বাৰকা নগৰ দেখিলে। নগৰৰ চাৰিওফালে সুৰ্ণময় গড়ে বেঢ়ি আছে আৰু সাগৰক আগুৰি গড়খাৱৈ বনোৱা হৈছে। ইয়াক দেখি বিপক্ষ শত্ৰুৱে ভয় নাখাই নোৱাৰে।

১৪৮৯ নগৰত মনোহৰ সৰোবৰ, ফুল ফুলি থকা উদ্যান আৰু তাত পক্ষীগণ, চম্পা-পাৰিজাত ফুলৰ সৌৰভ আৰু ন লাখ দেৱগৃহই শোভা কৰি আছে।

১৪৯০ ঘৰবোৰৰ কিছুমান ফটিকৰ আৰু কিছুমান ৰূপৰ কিছুমান সোণৰ আৰু মৰকটেৰে ৰঞ্জিত। ঘৰৰ জ্যোতি সূৰ্য্যৰ ৰশ্মিৰ দৰে প্ৰকাশমান আৰু প্ৰত্যেকতে ধ্বজ পতাকাৰ শাৰীয়ে শোভা বঢ়াই আছে।

১৪৯১ অন্তঃপুৰ বিশ্বকৰ্ম্মাই নিৰ্মাণ কৰিছে আৰু যোল হাজাৰ দিব্যগৃহ সূৰ্য্যৰ দৰে আকাশলঙ্ঘি আছে।

১৪৯২ সেই গৃহবোৰৰ ভিতৰৰে এটি গৃহত ৰত্নৰ দীপ্তি নাৰদে দেখা পালে। প্ৰবালেৰে তৈয়াৰী স্তম্ভ, বৈদুৰ্য্যৰ ফলি, সুবৰ্ণৰ কাঠিকামীৰে মাগুলি বিৰাজিত হৈ আছে।

১৪৯৩ গৃহৰ বাৰ ইন্দ্ৰনীল ৰত্ন খচিত, মানিকৰ কপাট আৰু হীৰাৰে তৈয়াৰী দুৱাৰ, সুন্দৰ ৰত্নেৰে খিৰিকীৰ বিন্ধা তৈয়াৰী। (কুন্দকথ জালে -খিৰিকীৰ বিন্ধা)। ধূপৰ ধোঁৱা সেই বিন্ধাইদি বেগাই ওলাই আহে (বোম্বালে-বেগেৰে)।

১৪৯৪ গৃহবোৰকে মেঘ বুলি ভাবি ম'ৰা চৰাইবোৰে তাত পৰি নৃত্য কৰে। গৃহত অসংখ্য চন্দ্ৰাতপ আঁৰা হৈছে, মুকুতাৰ মুৰাৰি তাত তৰা হৈছে।

১৪৯৫ গৃহৰ মজিয়াত ৰত্নময় সিংহাসন আছে আৰু তাত শিতোপন হংসতুলি পৰা আছে। তাতে জগতৰ স্বামী কৃষ্ণই শয়ন কৰি আছে, আৰু সতী ৰুক্মিনী দেৱীয়ে উপাসনা কৰি আছে।

১৪৯৬ ৰত্নময় দণ্ড-চামৰে কৃষ্ণক সুন্দৰীয়ে বিচি আছে। একে বয়সৰ এহেজাৰ দাসীয়ে সৰ্কলো যোগান ধৰি উপাসি আছে।

তৃতীয় কীৰ্ত্তন

ঘোষা মাধৱ মুকুন্দ দীন দয়াল।
প্ৰণত পালক তুমি গোপাল।। (মাধৱ, মুকুন্দ, দীনদয়াল-ভগবানৰ তিনি নাম। তেওঁৱেই নিঃকিনৰ পালন কৰ্ত্তা আৰু তেঁৱেই গো পালক কৃষ্ণ)।। ১২৪।।

পদ ১৪৯৭ তাত চৌপাশে ৰত্নৰ প্ৰদীপ জ্বলি আছে আৰু তাত নাৰদে প্ৰৱেশ কৰিলে। নাৰদক দেখি কৃষ্ণই উঠি আহি সাদৰে চৰণত মূৰ দোঁৱাই প্ৰণাম জনালে।

১৪৯৮ কৃতাঞ্জলি কৰি স্তুতিৰে ঋষিক আসনত বহুৱালে। লক্ষ্মীয়ে ভৃঙ্গাৰৰ পৰা পানী ঢালি নাৰদৰ পাদ পক্ষালন কৰিলে।

১৪৯৯ ভৰি ধুওৱা জল শিৰত লৈ মধুৰ বচনেৰে কৃষ্ণই ক'লে -হে ঋষিৰাজ আজিহে পবিত্ৰ হ'লো। এতিয়া কওক, কি উদ্দেশ্য সাধন কৰিব লাগে।

১৫০০ নাৰদে ক'লে - তোমাৰ চৰণ দৰ্শন হ'ল। তোমাৰ চৰণ দৰ্শন পাবলৈ ব্ৰহ্মা আদি পৰম জ্ঞানীগণেও সাধনা কৰে, তাক মই অনায়াসে লাভ কৰিলো।

১৫০১ সংসাৰ গৰ্তত পৰাজনেও তোমাৰ চৰণত শৰণ ললে উদ্ধাৰ হয়। (অৱলম্ব-অৱলম্বন কৰা) এনে পাদ-পদ্মকেই সদায় চিন্তা কৰো আৰু তোমাৰ গুণাৱলী মুখেৰে কীৰ্ত্তন কৰি ফুৰো।

১৫০২ তোমাৰ চৰণ মোৰ মনে নেপাৰক- এই বৰকেই মোক দিয়ক হে জগতপতি। এইদৰে কৈয়েই সেই গৃহ এৰি অন্য এটি গৃহলৈ নাৰদে গমন কৰে।

১৫০৩ এই গৃহত গৈ দেখিলে— কৃষ্ণই ভাৰ্য্যাৰ লগত হাঁহি ব্যঙ্গ কৰি পাশা খেলি আছে আৰু কাষতে উদ্ধৱ বহি আছে। নাৰদক দেখি কৃষ্ণ উঠি আহিল।

১৫০৪ নাৰদক আসনত উপবিষ্ট কৰাই কৃষ্ণই নাৰদৰ ভৰি ধুৱায়। কেতিয়া আহিলে? তুমি পূৰ্ণকাম সন্ন্যাসী আৰু মই অপূৰ্ণকাম গৃহবাসী বুলি কৃষ্ণই ক'লে।

১৫০৫ তথাপিও কি কৰিব লাগে কওক আৰু তাকে কৰি জীৱন সম্ফল কৰিম বুলি কৃষ্ণই ক'লে। ইয়াকে দেখি নাৰদে আচৰিত হৈ অন্য এক গৃহলৈ গ'ল।

১৫০৬ তাতে নাৰদে কৃষ্ণক দেখা পালে, তাত কৃষ্ণই কেঁচুৱা ওমলাই আছে। আন এক গৃহলে গৈ নাৰদে দেখিলে যে কৃষ্ণই স্নান কৰিবলৈ সাজু হৈছে।

চতুৰ্থ কীৰ্ত্তন

ঘোষা ত্ৰাহি সদাশিব শাৰঙ্গপাণি (হে চিৰ মঙ্গলময়, হে শাৰঙ্গধাৰী বিষ্ণু, মোক উদ্ধাৰ কৰাহি)।। ১২৫।।

পদ ১৫০৭ আন গৃহলৈ গৈ নাৰদে দেখিবলৈ পালে-কৃষ্ণই আনন্দ মনে ঘিঁউ পুৰি আছে। কোনো গৃহত তেওঁ ব্ৰহ্মভোজ দি আছে আৰু অৱশেষ ভাগ ভোজন কৰিছে।

১৫০৮ কোনো গৃহত কৃষ্ণই সন্ধ্যা উপাসনা কৰিছে, গায়ত্ৰী মন্ত্ৰ জপ কৰি আছে, কোনো গৃহত ঢাল-তৰোৱাল চলাইছে, কেতিয়াবা ৰথৰ ওপৰত ফুৰিছে।

১৫০৯ কেতিয়াবা ঘোঁৰা দৌৰাইছে, কেতিয়াবা হাতীৰ ওপৰত উঠি ফুৰিছে, কোনো গৃহত খাটত উঠি শয়ন কৰিছে, চপয় পঢ়িছে, ভাটে তুতি কৰিছে।

১৫১০ কোনো গৃহত উদ্ধৱৰ লগত বহি মন্ত্ৰীৰ সৈতে মন্ত্ৰণা কৰিছে, কোনো গৃহত হাজাৰ ৰমনী লৈ জলক্ৰীড়া কৰিছে।

১৫১১ কোনো ঘৰত বিপ্ৰসৱক আনি ধেনুদান কৰিছে, কোনো গৃহত ভাৰ্য্যাক লৈ ব্যঙ্গ-পৰিহাস কৰি আনন্দ কৰিছে।

১৫১২ ক'ৰবাত পুৰাণ পাঠ শুনিছে, কোনো গৃহত অৰ্থ ব্যাখ্যা কৰি আছে, কোনো গৃহত আসনত বহি আত্মাক চিন্তন কৰি আছে।

১৫১৩ কোনোবাটো গৃহত কৃষ্ণই দ্বন্দ্ব কৰিছে, কোনোবা গৃহত মিত্ৰতা কৰিছে। কোনোবাটোত বলৰামৰ সৈতে আলোচনাত ব্যস্ত আছে আৰু সন্তৰ হিত চিন্তা কৰিছে।

১৫১৪ কোনো গৃহত উৎসৱ পাতি পুত্ৰৰ বিবাহ কৰিছে, কোনো গৃহত কন্যাৰ বিবাহ সমাধা কৰিছে আৰু পুনৰ বোৱাৰী আনিছে।

১৫১৫ কোনো গৃহত জীয়েকে শাশুৰীক পঠাই কান্দিছে আৰু কৃষ্ণই গৃহত বহি যজ্ঞকৰ্ম্ম কৰিছে আৰু আৰাম কৰিছে।

১৫১৬ কেতিয়াবা ঘোঁৰাত উঠি মৃগ মাৰি ফুৰিছে, কেতিয়া ভৰিৰ খোপনি লৈছে, কেতিয়াবা ৰাজকাৰ্য্য বুজি চুম্পি ফুৰিছে।

পঞ্চম কীৰ্ত্তন

ঘোষা গোবিন্দ গোপাল গৰুড়কেতু।
ভকতৰ ভয় ৰঞ্জন হেতু।। (ভক্তৰ ভয় দূৰ কৰিবলৈ কৃষ্ণই গোপালৰ বেশ ধৰিছে, গোবৰ্দ্ধন ধাৰণ কৰিছে, গৰুড়ৰ স্কন্ধত উঠি গৈ ভকতক বিপদৰ পৰা তৎকালে উদ্ধাৰ কৰিছে।। ১২৬।।

পদ ১৫১৭ এনে আচৰিত কাৰ্য্য দেখি নাৰদে হাঁহি হাঁহি ক'লে— হে প্ৰভু, মোক কি আভুৱা ভাৰিছা? তোমাৰ চৰণ সেৱাৰ বলত তোমাৰ এই যোগমায়া জানো।

১৫১৮ হে প্ৰভু, আপোনাৰ প্ৰধান দাস বুলি মোক ধৰিব আৰু তোমাৰ গুণ-যশ তিনিলোকত বীনা বাই বাই গাই ফুৰো। তোমাৰ পবিত্ৰ চৰিত্ৰ প্ৰচাৰ কৰি ফুৰোঁ।

১৫১৯ মাধৱে ক'লে - হে মুনি , শুনা, তুমি যে মোৰ পৰমভক্ত তাক জানো। মানুহক জ্ঞান দিবলৈহে তোমাক দেখুৱাৰ চলেৰে এই বোৰ প্ৰদৰ্শন কৰিছো, ইয়াত তুমি বেজাৰ নকৰিবা।

১৫২০ শুকে পৰীক্ষিতক ক'লে-মাধৱে মুনিৰ মন মোহিলে। কৃষ্ণৰ গৃহ সম্পদ দেখি নাৰদে বিস্ময় মানিলে।

১৫২১ কৃষ্ণৰপৰা সৎকাৰ পাই নাৰদে কৃষ্ণৰ চৰণ ধিয়াই বীনা বাই বাই তাৰপৰা আঁতৰি গ'ল আৰু চিৰকাল গোবিন্দৰ গীত গাই থাকিল।

১৫২২ কৃষ্ণৰ মনুষ্যলীলা আৰু চৰিত্ৰই জগতক পৱিত্ৰ কৰে। যিজনে ইয়াক সঘনে শুনে বা ৰচনা কৰে তেওঁৰ কৃষ্ণৰ চৰণত ভকতি হয়।

১৫২৩ সকলোৱে শুনা- শঙ্কৰে কৈছে- চিৰকাল এই দেহ নাথাকে, বজাৰত, ঘাটত, কোনো ঠাইত কেতিয়া মৰিব লাগে তাৰ নিশ্চয়তা নাই, সেইবাবে হৰিৰ চৰণত মতি নেৰিবা।

১৫২৪ নাৰদক বিষ্ণুৱে কৈছিল- মই বৈকুণ্ঠত বৈ নাথাকো, বৈকুণ্ঠক এৰি যোগীৰ হৃদয়কো এৰি ভকতৰ কীৰ্ত্তন চাবলৈ শুচি আহো।

১৫২৫ ইয়াকে বুজি সকলোৱে ফাচফুচ এহিৰ ভাগ্য ভাৰতত মনুষ্যজন্ম পাইছা যেতিয়া বিষয়ত ভুল হৈ ইয়াক ব্যৰ্থ নকৰিবা। কাচৰ দামত মাণিকক নেবেচিবা।

১৫২৬ মিছাতে পুত্ৰ-ভাৰ্যা বুলি মৰিছা। নিজেনো ক'ৰপৰা আহিছা ভাবি চোৱা, সকলোবোৰ মায়াৰে আবৰা সপোন মাত্ৰ। গতিকে হৰি হৰি বুলি জন্ম সম্ফল কৰা।

।। নাৰদৰ কৃষ্ণ দৰ্শন সমাপ্ত।।

কথা কীৰ্ত্তন-ঘোষা

একবিংশ খণ্ড

বিপ্ৰপুত্ৰ আনয়ন

প্ৰথম কীৰ্ত্তন

ঘোষা — মন বোল ৰাম শ্ৰীৰাম জয় জয় ৰাম (মন, ৰাম, শ্ৰীৰাম বোলা, ৰামৰ জয় ৰামৰ জয় বোলা)। ।। ১২৭ ।।

পদ ১৫২৭ শুকমুনিয়ে পৰীক্ষিতক কলে- শুনা, এদিন দ্বাৰকা নগৰীত এজন বিপ্ৰ পত্নীৰ এটি ল'ৰা উপজি ভূমিত পৰিয়েই মৰি থাকিল।

১৫২৮ মৰা পুত্ৰক কোলাত লৈ ৰাজদুৱাৰ পালেগৈ আৰু কান্দি কান্দি মৃত ল'ৰাটি দুৱাৰত থৈ ৰজাক অহঙ্কাৰ কৰি নানা ভৎসনা কৰিলে। দুষ্ট, দুৰ্জ্জন, ক্ষত্ৰিয় কুলাঙ্গাৰ বুলি আখ্যা দিলে।

১৫২৯ ৰজাক পাপীষ্ঠ, ব্ৰহ্মবিদ্বেষী বুলি কয় আৰু নানা মন্দকৰ্ম্ম কৰি অধৰ্ম্ম কৰিছে। ৰজাৰ শঠবুদ্ধি হৈছে। ব্ৰাহ্মণে ৰজাক আনকি লুভীয়া, নিষ্পেষক বুলিছে আৰু ৰজাৰ দোষতে তনয় মৰিছে বুলি দোষাৰোপ কৰে।

১৫৩০ এইদৰে গালি পাৰি ব্ৰাহ্মণ ঘৰলৈ উলটি গ'ল আৰু দ্বিতীয় বাৰে আৰু এটি ল'ৰা উপজি মৃত্যু হয়। এইটি মৃত ল'ৰাকো আগৰ দৰে ৰজাৰ দুৱাৰলৈ নি নিন্দা ভৎসনা কৰিলে।

১৫৩১ এইদৰে বিপ্ৰৰ ন জন পুত্ৰ মৰিল আৰু প্ৰতিবাৰতে একে অভিনয়কে কৰিলে। কৃষ্ণৰ ওচৰতে অৰ্জ্জুন বহি আছিল আৰু অৰ্জ্জুনে বিপ্ৰক মাত দি ক'লে—

১৫৩২ হে দ্বিজবৰ তুমি পুত্ৰশোকত কিয় কান্দিছা? তোমাৰ ৰাজ্যত ধনুৰ্দ্ধৰ তেন্তে নাই। যাৰ ৰাজ্যত বিপ্ৰগণে শোকত কান্দে, সেই ৰাজ্যৰ ক্ষত্ৰিয়গণ নপুংসক।

১৫৩৩ হে বিপ্ৰ, মই প্ৰতিজ্ঞা কৰি কৈছো (কক্ষা-প্ৰতিজ্ঞা) তোমাৰ পুত্ৰক মই ৰক্ষা কৰিম। যদি ৰক্ষা কৰিব নোৱাৰিম, তেতিয়া অগ্নিত প্ৰৱেশ কৰি দেহ ত্যাগ কৰিম।

১৫৩৪ বিপ্ৰই ক'লে - যাক স্বয়ং নাৰায়ণেও ৰাখিব নোৱাৰিলে, বলৰাম,

কামদেৱ, অনিৰুদ্ধই যি কাম কৰিবলৈ সমৰ্থ নহ'ল, তাক ৰক্ষা কৰিম বুলি গৰ্ব্ব কথা নক'বা।

১৫৩৫ অৰ্জুনে ক'লে - মই বলৰাম, বাসুদেৱ, কামদেৱ আৰু অনিৰুদ্ধ নহয়, মোৰ নাম অৰ্জুন, মোক দশোদিশে জানে আৰু জগতে মোৰ গাণ্ডীৱ ধনুক প্ৰশংসা কৰে।

১৫৩৬ মই নিজ পৰাক্ৰমেৰে শিৱকো তুষ্ট কৰি আছো, যম আহিলেও তেওঁক জিনি তোমাৰ পুত্ৰক ৰক্ষা কৰিহে এৰিম।

১৫৩৭ অৰ্জ্জুনৰ কথাত বিশ্বাস কৰি নিৰ্ভয় মনেৰে বিপ্ৰই নিজ গৃহত কিছুদিন থাকিল আৰু প্ৰসৱৰ সময় আহি পোৱাত বিপ্ৰই ধনঞ্জয়ক মাতিলে।

দ্বিতীয় কীৰ্ত্তন

ঘোষা কি দয়াময়, যদুৰায় মোক ৰাখা।
তোম্মাত ভকতি বিনা বৃথা আয়ু যায়।।
(হে দয়াময়, হে যদুপতি, মোক ৰক্ষা কৰা, তোমাক ভকতি নকৰি মিছাতে জীৱনৰ আয়ুস নিয়াইছোঁ)।। ১২৮।।

পদ ১৫৩৮ অৰ্জ্জুনে খৰখেদাকৈ গৈ পৱিত্ৰ জলত মুখ হাত ধুই, ইষ্টদেৱ শিৱক নমস্কাৰ জনালে। তেওঁ দিব্য অস্ত্ৰ স্মৰণ কৰি গাণ্ডীৱ ধনুত গুণ লগালে।

১৫৩৯ আৰু টঙ্কাৰ কৰি অস্ত্ৰসমূহ জাকে জাকে (ঝাকিলা) মাৰিলে, সূতিকা গৃহৰ ওপৰে-তলে শৰেৰে বেঢ়ি পেলালে। আশে-পাশে (আঞ্জৰে পাঞ্জৰে) ক'তো অকণো সন্ধি নাৰাখিলে আৰু এটা বাহৰ নিচিনা কৰি পেলালে।

১৫৪০ সেই সময়তে বিপ্ৰৰ পুত্ৰ জন্ম হ'ল আৰু পৃথিৱীত পৰি কান্দিবলৈ ধৰে। কিন্তু সন্তানটি সশৰীৰে অন্তৰ্ধান হ'ল- কোনেও ধৰিবই নোৱাৰিলে।

১৫৪১ বিপ্ৰই পুত্ৰৰ শোকৰ জ্বালাত কৃষ্ণৰ সন্মুখতে পাৰ্থক ভৎসনা কৰিলে। মই কিমান যে মুৰ্খ সকলোৱে দেখিলে- যে মই এই নপুংসকৰ কথাত বিশ্বাস কৰিছিলো।

১৫৪২ কৃষ্ণই সবংশে যাক ৰাখিব নোৱাৰিলে- আন কোনে ৰাখিব পাৰিব। বিধিৰ লিখন অনুসৰি যি বিনাশ হ'ব হ'বই, তাক তই মুৰ্খ হৈ ৰাখিবলৈ চাইছিলি।

১৫৪৩ ধনঞ্জয়, তোমাক ধিক্ ধিক্ আৰু তোমাৰ গাণ্ডীৱ ধনুত ধিক্ ধিক্। মিছাকৈ অহঙ্কাৰ কৰি প্ৰতিজ্ঞা কৰিলি। বিপ্ৰই এইদৰে নানা কদৰ্থনা কৰিলে আৰু অৰ্জুনৰ অসহ্য হ'ল।

১৫৪৪ তেওঁ ধনু তুলি লৈ মহাবিদ্যাৰে যমৰ নগৰ পালেগৈ আৰু পাত পাত কৈ বিচাৰিব ধৰিলে আৰু ক'তো বিপ্ৰপুত্ৰক বিচাৰি নাপালে।

১৫৪৫ ইন্দ্ৰৰ নগৰতো প্ৰৱেশ কৰি বিচাৰি নাপালে। অগ্নি, বৰুণ, বায়ু, চন্দ্ৰ, নৈঋতিতো বিচাৰি নাপালে।

১৫৪৬ সাত পাতালতো পিত্ পিত্ কৰি বিচাৰি নাপালে। বিচাৰিবলৈ আৰু কোনো স্থান নথকাত তেওঁ দ্বাৰকালৈ ঘূৰি আহিল।

১৫৪৭ প্ৰতিজ্ঞা নোৰোৱাত ধনঞ্জয়ে অগ্নিত জাপ দি মৰিবলৈ যোৱাত কৃষ্ণই কলে -সখি, নিজক ৰক্ষা কৰা বুলি কৈ মৰিবলৈ নিদিলে আৰু ক'লে—

১৫৪৮ তোমাক বিপ্ৰৰ সমস্ত পুত্ৰকে দেখুৱাম, তুমি জাপ নিদিবা, তোমাৰ যশস্যা ধৰণীত থাকিব, মোৰ বচন অনুসৰি প্ৰাণ নিদিবা।

১৫৪৯ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে কয়- হৰিনাম বিনে আৰু কাৰো গতি নাই। এই বেদোক্ত বাণী হৃদয়ঙ্গম কৰি যত্ন-কষ্ট কৰি হ'লেও হৰি হৰি বোলা।।

তৃতীয় কীৰ্ত্তন

ঘোষা শ্ৰীৰাম, মাধৱ ৰাঘৱ, যদুপতি (ভগৱন্তৰ মুখ্য নামাবলী)।।১২৯।।

পদ ১৫৫০ অৰ্জুনক এই কথা কৈ কৃষ্ণই দিব্যৰথত উঠিলে আৰু অৰ্জ্জুনে ৰথ ডাকিলে আৰু উত্তৰ দিশে ৰথ চলিলে।

১৫৫১ সাতখন পৃথিৱী এৰি সপ্তসাগৰো অতিক্ৰম কৰিলে। তীব্ৰবেগে গৈ লোকালোক এৰি থৈ ৰথ আগবাঢ়িল।

১৫৫২ ঘোৰ অন্ধকাৰত ৰথ প্ৰৱেশ কৰিলে আৰু ঘোঁৰাই যাব নোৱাৰা হ'ল। তেতিয়া যোগেশ্বৰ কৃষ্ণই সুদৰ্শন চক্ৰ আগে আগে পঠাই দিলে।

১৫৫৩ মহাৰশ্মিপুঞ্জই আন্ধাৰ ফালি যায়। ৰাঘবৰ শৰে ৰাক্ষস সেনাক নিধন কৰাৰ দৰে সুদৰ্শনৰ ৰশ্মিয়ে আন্ধাৰক যেন নিঃছিন্ন কৰিছে।

১৫৫৪ ঘোঁৰাৰ আগে আগে যেন হাজাৰটা সূৰ্য্যই পোহৰ বিলাই গৈছে। তাৰ পাচত আন্ধাৰ অতিক্ৰম কৰি জ্যোতিপুঞ্জ ৰথ প্ৰৱেশ কৰিলে।

১৫৫৫ ৰশ্মি লাগি চক্ষু মোদ খাই গৈছে। পাৰ্থই চকু মুদি দিলে। তাৰ পাচত জল মণ্ডলত প্ৰৱেশ কৰিলে। তাত প্ৰবল বায়ু বৈছে আৰু ঢৌ উঠিছে।

১৫৫৬ তাৰ পাচত দুয়ো জলৰ মাজলৈ সোমাই গ'ল আৰু স্ফটিকৰ স্তম্ভ দেখিবলৈ পালে।

১৫৫৭ তাৰ মাজতে এটি দিব্য গৃহ দেখা পালে আৰু তাৰ অভ্যন্তৰলৈ দুয়ো গ'ল। তাত গৈ অনন্তক দেখা পালে, অনন্তই হাজাৰ ফেট তুলি আছে।

১৫৫৮ ফনামণিয়ে চিক্‌মিকায় (তিৰিমিৰি) আছে যেন বগা পৰ্ব্বতহে— অনন্তৰ শৰীৰত সুন্দৰ আসন কৰি নাৰায়ণ প্ৰকাশমান হৈ আছে।

১৫৫৯ তেওঁৰ শৰীৰ সুন্দৰ, বৰণ ঘনশ্যাম, পীতবস্ত্ৰে সুশোভিত, প্ৰসন্ন বদন, আয়ত লোচন।

১৫৬০ শিৰত কিৰীটি আৰু তাৰ ৰশ্মিত কেশগুচ্ছ শোভিত, গণ্ডস্থলত মকৰ কুণ্ডলে তিৰবিৰাই থাকে আৰু বক্ষস্থলত শ্ৰীবৎসৰ পান্তিয়ে শোভা কৰে।

১৫৬১ নতুন সূৰুজৰ দৰে কণ্ঠত কৌস্তুভ জিলিকে, অষ্টভূজ বৈ পৰা, সুগোল আৰু কেয়ুৰ কঙ্কণে সুশোভিত আৰু আপাদলম্বিত বনমালাই সুন্দৰ কৰি তুলিছে।

১৫৬২ চৰণ দুটি পদুমৰ দৰে, আঙুলি পদুমৰ পাহিৰ দৰে, নখচন্দ্ৰ উজ্জ্বল আৰু

ভকতৰ হৃদয়ৰ আনন্দ।

১৫৬৩ সুনন্দ আদি পাৰ্ষিদে চৌপাখে বিৰাজমান। চক্ৰ আদি অস্ত্ৰসমূহে মূৰ্ত্তি ধৰি সেৱা কৰি আছে।

১৫৬৪ পুষ্টি আদি শ্ৰীবৃদ্ধিয়ে দিব্য পৰিৱেশত মাধৱক আৰাধি আছে। শঙ্কৰে কৃষ্ণৰ চৰণ চিন্তি এই পদ ৰচনা কৰিছে। সকলো মানুহে হৰি হৰি বোলা বুলি কৈছে।

চতুৰ্থ কীৰ্ত্তন

ঘোষা রাম বোল ৰাম বোল লোকাই।
ৰাম নাম বিনা বান্ধৱ নাই।।
(হে সংসাৰীলোক, ৰাম ৰাম বোলা, ৰাম নামততকৈ বন্ধু নাই)। ১৩০।।

পদ ১৫৬৫ নাৰায়ণৰ আচৰিত ৰূপ দেখি বিস্ময়ত অৰ্জ্জুনৰ শৰীৰ কঁপি উঠিল। পৰমাত্মাক কৃষ্ণই দৰশন পাই মূৰ দোঁৱাই প্ৰণাম যাচিলে।

১৫৬৬ অৰ্জ্জুনেও দণ্ডৱতে পৰি অতি ভক্তিভাবে সেৱা জনালে। বিষ্ণুৰ অপাৰ মহিমা দেখি দুয়োৱে হাতযোৰ কৰিলে।

১৫৬৭ চক্ৰপাণিয়ে দুয়োজনকে দেখা পাই হাঁহি মাৰি ক'লে— তোমালোক দুয়ো নৰ আৰু নাৰায়ণ আছিলা আৰু মনুষ্য হৈ অৱতাৰ ললা।

১৫৬৮ ধৰ্ম্ম আৰু ব্ৰাহ্মণক ৰক্ষা কৰিবৰ কাৰণে ব্ৰহ্মাই দুইকো লৈ গৈছিল। পৃথিৱীৰ সমস্ত ভাৰ সংহৰণ কৰি মোৰ ওচৰলৈ সোনকালে ঘূৰি আহা।

১৫৬৯ তোমালোক দুয়োকে চাবৰ মন যোৱাত দ্বিজপুত্ৰসকলক ময়েই আনিলো। বহুদিনৰ মূৰত আমাৰ দেখা দেখি হ'ল আৰু পৃথিৱী এৰি অনতিপলমে প্ৰত্যাৱৰ্তন কৰা।

১৫৭০ তোমালোক দুয়ো পূৰ্ণকাম তথাপি সৃষ্টিৰ বাবেই আহি তপ কৰাহি বুলি কৈ ব্ৰাহ্মণৰ দহটি কেঁচুৱা আনি দিলে।

১৫৭১ কৃষ্ণ আৰু অৰ্জুনৰ হাতত কেঁচুৱা দিয়াত দুয়োৱে প্ৰণিপাতে নমস্কাৰ জনালে আৰু তোমাৰ আদেশ পালন কৰিম বুলি ক'লে।

১৫৭২ অৰ্জুন আৰু কৃষ্ণই মেলানি মাগি আনন্দ মনেৰে ৰথত উঠিল আৰু ব্ৰাহ্মণৰ সকলো পুত্ৰ লৈ যোৱাৰ পথেৰে ঘূৰি আহিল আৰু দ্বাৰকা পালেহি।

১৫৭৩ ধনঞ্জয়ে নিজৰ প্ৰতিজ্ঞামতে বিপ্ৰক পুত্ৰসকলক গতালে। মৃত পুত্ৰগণক পাই ব্ৰাহ্মাণৰ পৰমানন্দ পৰমানন্দ মিলিল।

১৫৭৪ ভাৰ্য্যাসহ ব্ৰাহ্মণে নাচি-বাগি অৰ্জুনক ধন্য ধন্য বুলি প্ৰশংসা কৰিলে। কৃষ্ণৰ কৃপাত পাৰ্থই মৃত্যুৰ পৰা হাত সাৰিলে।

১৫৭৫ বিষ্ণুৰ তেজৰ মহিমা দেখি ধনঞ্জয়ে মনত বৰ বিস্ময় মানিলে। পুৰুষৰ পুৰুষাৰ্থ বুলি কিছু নাই, কৃষ্ণৰ কৃপাতহে সকলো হয়।

১৫৭৬ এই বুলি বীৰ অৰ্জ্জুনে দৃঢ়মতি কৰি হৰি ভকতিত ৰত হ'ল। এইদৰে

জগতগুৰু হৰিয়ে ভকতক বিচৰামতে সকলো দিয়ে, তেওঁ ভকতৰ বাবে কল্পতৰু।

১৫৭৭ ভগবানে দুৰ্জ্জনক ধ্বংস কৰি ভূমিৰ ভাৰ হৰণ কৰে। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই পদ ৰচনা কৰিছে আৰু সমস্তজনে তাক কীৰ্ত্তন কৰা।

১৫৭৮ ইয়াৰ বাদে আৰু ধৰ্ম্ম নাই। ব্যাসৰ বচন আৰু বেদৰ বাণী এয়ে। ইয়াকে বুজি গৃহতে থাকি সমাজ পাতি হৰি হৰি কীৰ্ত্তন কৰা।

।। বিপ্রপুত্র আনয়ন সমাপ্ত ।।

কথা কীৰ্ত্তন -ঘোষা

দ্বাবিংশ খণ্ড

দামোদৰ বিপ্ৰাখ্যান

প্ৰথম কীৰ্ত্তন

ঘোষা ৰাম হৰি গোপাল গোবিন্দ।
যদুমণি মুকুন্দ গোবিন্দ।। ১৩১ ।।

পদ ১৫৭৯ শুকে পৰীক্ষিতক ক'লে - কৃষ্ণৰ আন এটি চৰিত্ৰৰ কথা শুনা। বিপ্ৰ দামোদৰ নামে বৈষ্ণৱৰ অতি মৰমৰ এজন দৰিদ্ৰ ব্ৰাহ্মণ আছিল। কৃষ্ণৰ লগত একেলগে গুৰু গৃহত শিক্ষা লাভ কৰা দামোদৰ কৃষ্ণৰ পৰম বন্ধু আছিল। তেওঁৰ খাবলৈ আহাৰ নাছিল আৰু পিন্ধিবলৈ বস্ত্ৰও নাছিল।

১৫৮০ তেওঁৰ পত্নী গৰাকী অতি পতিব্ৰতা আছিল আৰু অতি দুখঃ কষ্টৰ মাজেদি জীৱন যাপন কৰিছিল। খাবলৈ নোপোৱাত মুখৰ মাত হৰিল আৰু কঁপি কঁপি স্বামীক ক'লে - হে স্বামী আমি অতি মন্দভাগী, কিমাননো দুঃখকে সহি থাকিম! তোমাৰ মিত্ৰ প্ৰভুনাৰায়ণ দ্বাৰকাত আছে।

১৫৮১ কৃষ্ণ দুখীয়াৰ বন্ধু, জগতৰ ঈশ্বৰ আৰু তেওঁ লক্ষ্মীৰো স্বামী। তোমাৰ দুঃখৰ কথা শুনিলে হয়তো অনেক ধন-সম্পত্তি দিব পাৰে। তেওঁৰ চৰণ চিন্তা কৰাজনক তেওঁ নিজকো দিয়ে , গতিকে দুখ নকৰি মোৰ কথামতে যোৱাচোন।

১৫৮২ পত্নীৰ পৰামৰ্শ শুনি বিপ্ৰই যোৱাটোকে নিশ্চিত কৰিলে— কাৰণ মই কৃষ্ণক দৰ্শন কৰিব পাৰিম বুলি ভাবি পত্নীক ক'লে যে হাতত লৈ যাবলৈ কিবা কিছু জা-জলপান যোগাৰ কৰি দিয়া। ব্ৰাহ্মণীয়ে চাৰিমুঠিমান চাউল-চিৰা মাগি আনিলে।

১৫৮৩ ফটাকানিৰে তাকে টোপোলা কৰি বান্ধি দিলে আৰু ব্ৰাহ্মণে জোলোঙাত ভৰাই ললে। কৃষ্ণৰ চৰণ দেখিবলৈ পাম বুলি দ্বাৰকালৈ যাত্ৰা কৰিলে।

কৃষ্ণকনো কেতিয়াকৈ দেখিবলৈ পাম বুলি ব্ৰাহ্মণে ভাবিলে। তিনিখন দুৱাৰত থকা দুৱাৰৰক্ষী সেনাৰ চকী অতিক্ৰম কৰি (বাজু-সৈন্যৰ চকী) অভ্যন্তৰ পালেগৈ।

১৫৮৪ তাত যোল হাজাৰ আবাস গৃহ দেখিলে, তাত যদুগণৰ প্ৰৱেশ নিষেধ, কাৰণ সি ঠাই কৃষ্ণৰ ৰহস্য-স্থান। তেওঁক কোনেও বাধা নিদিলে আৰু তাৰে এটা গৃহত ব্ৰাহ্মণে প্ৰৱেশ কৰিলে। সোণৰ বিচনাত লক্ষ্মীসহ কৃষ্ণক শয়ন কৰি থকা দেখিলে।

১৫৮৫ বন্ধুক দেখা মাত্ৰেই ভাৰ্য্যাক এৰি কৃষ্ণ আথেবেথে উঠি আহিল, দুহাতেৰে সাবটি ধৰিলে, আলিঙ্গন কৰিলে আৰু চকুৰ লোতক নিগৰি পৰিলে। বিপ্ৰক সুৱৰ্ণ খাটত বহোৱালে।

১৫৮৬ কৃষ্ণই নিজে বিপ্ৰক চৰণ ধুৱাই পাদোদক শিৰত ললে। সুগন্ধি চন্দন, কুঙ্কুমে সৰ্ব্বশৰীৰ মাজিলে, ধূপ-দীপ লগাই পূজিলে আৰু কৰ্পূৰ তাম্বুল দিলে। লক্ষ্মীয়ে বিপ্ৰক বিচি দিলে।

১৫৮৭ অন্তেষপুৰৰ লোকে দেখি বিস্ময় মানিলে। এই মহাদুখী ভিক্ষুক ব্ৰাহ্মণে কি পূণ্য অৰ্জ্জন কৰি থৈছে বুলি ভাবিলে। ত্ৰৈলোক্যৰ ঈশ্বৰে কাক সেৱা কৰিছে? লক্ষ্মীকো এৰি শ্ৰেষ্ঠ ককায়েকক ভজাৰ দৰে কাকনো ভজিছে?

দ্বিতীয় কীৰ্ত্তন

ঘোষা যাদবানন্দ দয়াশীল ৰাম।
হৰি হৰি দয়াশীল কেশৱ গোপাল।।
(কৃষ্ণ যাদৱ বংশৰ আনন্দ-স্বৰূপ আৰু তেওঁ দয়াশীল, তেওঁ হৰি, ৰাম, কেশৱ আৰু গোপাল।) ১৩২।।

পদ ১৫৮৮ ইয়াৰ পাচত কৃষ্ণই হাঁহিমুখে সখা বিপ্ৰৰ হাতত ধৰি সুধিলে— গুৰু গৃহৰ স্মৃতিবোৰলৈ মনত পেলোৱাচোন- আমাৰ যে কিমান দুখ হৈছিল, গুৰুসকলে যে আমাক খৰি বিচাৰি আনিবলৈ কৈছিল আৰু আমি কঁকালত টঙালি বান্ধি আনন্দ কৰি খৰি বিচাৰি গৈছিলো।

১৫৮৯ অৰণ্যত প্ৰৱেশ কৰি সঙ্কটপূৰ্ণ স্থানত (সান্ধি) খৰি লুৰি বোজা বান্ধি ঘৰলৈ ৰং মনেৰে আহিছিল, এদিন যে হাবিত অকস্মাতে বতাহ-বৰষুণ আহিছিল,ভীষণ গাজনি মাৰিছিল, বজ্ৰপাত পৰিছিল, খালবাম পানীৰে চপ্‌চপীয়া হৈছিল, বাট পথ হেৰাই গৈছিল আৰু গধূলিৰ আন্ধাৰ নামি আহিছিল ।

১৫৯০ বৰষুণ-বতাহত পীড়িত হৈ আমি ৰাতিটো কটাইছিলো, গাৰ কঁপনি উঠিছিল খৰিৰ বোজা মূৰত লৈ ফুৰিছিলো। সূৰ্য উদয় হোৱাৰ পাচতহে আমাৰ সম্বিত ঘূৰি আহিছিল।

১৫৯১ সান্দিপনি গুৰুৱে বনত আমাক বিচাৰি পাইছিলহি, আমাৰ দুৰৱস্থা দেখি তেওঁযে বেজাৰ কৰিছিল আৰু আমাক তেওঁৰ বেদনাৰ কথা কৈছিল, প্ৰাণকো উপেক্ষা কৰি গুৰু ঋণ সুজিছো বুলি যে কৈছিল—

১৫৯২ গুৰুৱে কৈছিল - হে শিষ্যগণ, মই তুষ্ট হৈ বৰ দিছো যে তোমালোকে সৰ্বশাস্ত্ৰ জানিবা। পাছত গৃহলৈ গমন কৰিছিলো। এইদৰে গুৰুগৃহত পোৱা দুখ-কষ্টবোৰলৈ মনত পোলোৱাচোন। তেতিয়া বিপ্ৰই হাত যোৰ কৰি ক'লে—

১৫৯৩ হে পৰমব্ৰহ্ম (পৰমাত্মা) তোমাক পাই মোৰ সমস্ত পাপ দূৰ হ'ল। তোমাৰ লগত গুৰুগৃহত একেলগে বাস কৰাৰ বাবেই পাপ মুক্ত হ'লো। তোমাৰ চৰণ চিন্তা কৰাজনে -ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ লাভ কৰে আৰু আন মনোৰথো পূৰ্ণ হয়। নিজে সৃষ্টি কৰা শাস্ত্ৰকে ছাত্ৰ হৈ নিজে পঢ়িলে — ই কি বিড়ম্বনা।

তৃতীয় কীৰ্ত্তন

ঘোষা যদুৰায় চৰণে শৰণ দিয়ো।
জগজীৱ সেৱক পালিয়া নিয়ো।।
(হে যদুপতি, তোমাৰ চৰণত মোক আশ্ৰয় দিয়া, মই তোমাৰ দাস, মোক পালন পোষণ কৰা প্ৰভু।) ।। ১৩৩।।

পদ ১৫৯৪ অন্তৰ্যামী কৃষ্ণই ব্ৰাহ্মণক সুধিলে -হে সখি, মোলৈ কিবা আনিছা যদি দিয়া। ভকতে মোক ফল-ফুল দি পূজা কৰে আৰু তাতে তুষ্ট হওঁ কিন্তু অভকতে বিভিন্ন দ্ৰব্য দিলেও মই তুষ্ট নহওঁ।

১৫৯৫ ইয়াকে জানি যি আছে দিয়া। কৃষ্ণৰ কথা শুনি বিপ্ৰই লাজত তলমূৰ কৰিলে।

১৫৯৬ কৃষ্ণই ভাবিলে - এই ব্ৰাহ্মণে পূৰ্বেও মোক লক্ষ্মীকামে আৰাধনা কৰা নাছিল। মাত্ৰ ভাৰ্যাৰ সন্তোষৰ কাৰণেহে মোৰ ওচৰলৈ আহিছে। মনুষ্যই নোপোৱা সম্পদৰাজি আজি বিপ্ৰক মই দিম বুলি ফটাকানিৰ টোপোলাটো কৃষ্ণই নিজেই বিচাৰি ললে।

১৫৯৭ এইটোনো কি বুলি টোপোলাটো মেলিলে আৰু বিপ্ৰক ক'লে- এই চাউল-চিৰা-জগত সহিতে আমাক তৃপ্তি দিয়ে। এই বুলি এমুঠি আনি হৰিয়ে ভক্ষণ কৰিছে আৰু আন মুঠি খাবলৈ খোজোতেই লক্ষ্মীয়ে হাতত ধৰিলে।

১৫৯৮ এই মুঠিয়ে সৰ্ব সম্পত্তি দিব পাৰে বুলি লক্ষ্মীমাৱে স্বামীক বুজাই দিলে। কৃষ্ণই চাউল-চিৰা এৰি মৌন হৈ ৰ'ল। ব্ৰাহ্মণো ৰাতিটো বঞ্চিলে।

১৫৯৯ শুবৰ বাবে সোণৰ খাটত হংস তুলি পাৰি দিলে, ব্ৰাহ্মণে স্বৰ্গ পালো বুলি ৰাতিটো শুই কটালে আৰু পুৱাই বিদায় লৈ ব্ৰাহ্মণ ঘৰলৈ ৰাওনা হ'বলৈ ওলাল। কৃষ্ণই বহুত বিনয় বাণী শুনালে।

১৬০০ ঘৰৰ পৰা ব্ৰাহ্মণক আগবঢ়াই দিলে আৰু ব্ৰাহ্মণ আগবাঢ়িল। ব্ৰাহ্মণে একো নুখুজিলে আৰু কৃষ্ণই একো নিদিলে। ব্ৰাহ্মণে ভাবিলে কৃষ্ণই ব্ৰাহ্মণকো ভক্তি কৰে, মোৰ নিচিনা এজন পাপী ভিকহু ব্ৰাহ্মণকো কৃষ্ণই আঁকোৱালি ধৰিলে।

১৬০১ তেওঁ মোৰ ভৰি ধুৱাই, নিজৰ খাটত বহুৱাই আদৰ কৰিলে আৰু লক্ষ্মীমাৱে চামৰ ধৰি বিচিলে। যাৰ চৰণ অৰ্চ্চন কৰি তিনিলোকৰ

ঐশ্বর্য পোৱা যায়, সেই হৰিয়ে আমাৰ কুৎসিত সন্দেশ ভক্ষণ কৰিলে।

১৬০২ দৰিদ্ৰ ব্ৰাহ্মণে ধন পালে মোক পাহৰিব বুলিয়েই মোক কৃষ্ণই ধন-বিত নিদিলে। এইদৰে ভাবি-গুণি গৈ গৈ ঘৰৰ ওচৰ পালেগৈ। চন্দ্ৰ-সূৰ্যৰ দৰে অনেক বিমান সেই ঠাইত ব্ৰাহ্মণে দেখিবলৈ পালে।

১৬০৩ দিব্য উপবন, তাত পক্ষীগণে সুললিত গীত গাই থকা দীঘল সৰোবৰ, তাত ফুলি থকা উৎপল, পঙ্কজ ব্ৰাহ্মণে দেখিবলৈ পালে। তাত দিব্য নৰ-নাৰীয়ে বিচৰণ কৰি থকা দেখিলে আৰু এইবোৰ দেখি ব্ৰাহ্মণে ভাবিলে - এই দিব্যপুৰী কাৰ?

১৬০৪ এইয়াতো মোৰ ঘৰ নহয়, ক'লৈ আহিলো বুলি ৰৈ চাই থাকে। দিব্য বাদ্য বজাই নৰনাৰীগণে ব্ৰাহ্মণক আগুৰি ধৰিলে। স্বামী আহি পালে বুলি ব্ৰাহ্মণীয়ে সালঙ্কৃতা দাসী সহস্ৰৰ মাজত সজ্জিত হৈ আগবাঢ়িল।

১৬০৫ দিব্য আভৰণে ভূষিতা হৈ লক্ষ্মীসদৃশ হৈ আগবাঢ়ি গৈ স্বামীক দেখিলে। আনন্দৰ অশ্ৰু টুকি তেওঁ থমকি ৰ'ল।

১৬০৬ স্বামীক ব্ৰাহ্মণীয়ে বুদ্ধিৰে নমস্কাৰ জনালে আৰু মনতে আলিঙ্গন কৰিলে। কন্যাগণৰ মাজতে বিপ্ৰই ভাৰ্যাক দেখা পালে। মহা আনন্দ উৎসৱ হ'ল-স্বামী-ভাৰ্যা একেলগ হ'ল আৰু পৰম আনন্দ মনেৰে ব্ৰাহ্মণে দিব্যকাচেৰে নিজ মন্দিৰত প্ৰৱেশ কৰিলে।

চতুৰ্থ কীৰ্ত্তন

ঘোষা।। ত্ৰাহি ৰাম নিৰঞ্জন জীৱৰ জীৱন
মুকুন্দ ৰাম মুৰাৰি।
তোমাৰ চৰণে শৰণে পশিলো
মোক উদ্ধাৰি নিয়োক।।
(হে ৰাম নিৰঞ্জন, তুমি জীৱৰ আত্মা, তুমিয়েই মুক্তিদাতা ঈশ্বৰ, তুমি অশুভ শক্তিৰ বিনাশকাৰী, তোমাৰ চৰণত আশ্ৰয় ললো, মোক উদ্ধাৰ কৰক প্ৰভু।)।।১৩৪।।

পদ ১৬০৭ সোণৰ বোৱা, মৰকতৰ ছাল, স্ফটিকৰ দুৱাৰ, ৰত্নময় স্তম্ভ, ঘৰৰ আগফালে চমৎকাৰ। গাখীৰৰ ফেনৰ দৰে সুকোমল শয্যাবোৰ পৰা আছে আৰু খাটবোৰ সুৱৰ্ণৰ। নানা সুৱৰ্ণৰ আসন পৰা আছে।

১৬০৮ মুকুতাৰ মালা আঁৰি থোৱা চন্দ্ৰাতপবোৰ বিদ্যমান হৈ আছে। দিব্যকন্যাগণে তাত অহা-যোৱা কৰি আছে আৰু নুপূৰৰ ধ্বনি প্ৰতিধ্বনিত হৈছে। ৰত্ন সদৃশ প্ৰদীপবোৰ জ্বলি আছে। ইন্দ্ৰৰ অম্ৰাৱতীৰ দৰে সমৃদ্ধ গৃহ বিপ্ৰই লাভ কৰি দাৰিদ্ৰতাক দূৰ কৰিলে।

১৬০৯ ব্ৰাহ্মণে ভাবিলে - কৃষ্ণৰ কৃপাতেই এয়া হ'ল, কাৰণ ভকতৰ অল্প বস্তুকে বিস্তৰ কৰি ঈশ্বৰে গ্ৰহণ কৰি এনে কৰে। আমাৰ সন্দেশ খাই এই মহাসম্পত্তি কৃষ্ণই দিলে।

১৬১০ তেওঁৰ চৰণত হৃদয়ৰ সখিত্ব মিত্ৰভাৱ সদায় থাকক। জন্মে জন্মে মই তেওঁৰ দাস হৈ থাকিম, মোক মোহে লগ নিদিয়ক। এইদৰে কৈ ব্ৰাহ্মণে ভাৰ্যাসহ পৰম ভোগ্যক ভোগ কৰিলে। কৃষ্ণত চিত্ত অৰ্পণ কৰি বিষয়-ত্যাগ কৰিবলৈ ধৰিলে।

১৬১১ ভকতেহে অপৰাজেয় বিষ্ণুক জয় কৰিব পাৰে।। ব্ৰাহ্মণেও কৃষ্ণৰ চৰণত অচলা ভক্তি কৰিলে আৰু মোহজৰী ছিণ্ডি কৰ্ম্মবন্ধ দূৰ কৰিলে। ব্ৰহ্মময় কৃষ্ণক পাই ব্ৰাহ্মণে কৃষ্ণতে লীন গ'ল।

১৬১২ প্ৰভু নাৰায়ণ পৰম পুৰুষ, ভকতৰ নৱনিধি তেওঁৰ চৰণত ভকতি কৰিলে- সিদ্ধি অৱশ্যম্ভাৱী। মাধৱৰ এই পৱিত্ৰ কথা শুনিবলৈ যি চেষ্টা কৰে, তেওঁৰ কৃষ্ণৰ চৰণত ভক্তি বৃদ্ধি হয় আৰু তেওঁ কৰ্ম্ম-বন্ধক নাশ কৰিব পাৰে।

১৬১৩ শঙ্কৰদেৱে কৃষ্ণৰ কীৰ্ত্তন ৰচনা কৰিছে, আনবোৰেও এনে কৰিব লাগে। কলিযুগত অন্য গতি নাই, মাত্ৰ হৰি নামতহে গতি। হে সংসাৰী, আয়ুস মিছাতে গৈ থাকে, বৈকুণ্ঠলৈ যাবলৈ হ'লে মায়াময় বিষয় ধান্দা এৰি ৰাম ৰাম বোলা।

।। দামোদৰ বিপ্ৰাখ্যান সমাপ্ত।।

কথা কীৰ্ত্তন-ঘোষা

ত্ৰয়োবিংশ খণ্ড

দৈৱকীৰ পুত্ৰ-আনয়ন

প্ৰথম কীৰ্ত্তন

ঘোষা রাম মাধৱ মুৰাৰি।
কৃষ্ণ মুকুন্দ দৈত্যাৰি।।
(হে ৰাম, মাধৱ, মুৰাৰি, তুমিয়েই কৃষ্ণ, তুমিয়েই মুকুন্দ আৰু দৈত্যৰ শত্ৰু দৈত্যাৰি)।। ১৩৫।।

১৬১৪ শুকে পৰীক্ষিতক ক'লে— শুনা কৃষ্ণৰ চৰিত্ৰ পাপৰ যমকাল। গুৰু পুত্ৰক কৃষ্ণই আনি দিলে বুলি শুনিলে।

১৬১৫ দৈৱকীয়ে এই কথাত অতি বিস্ময় মানিলে। মোৰ ছয় পুত্ৰক কংসই মৰাত হৃদয় ব্যাকুল হৈ আছে, মোৰ চকুলো ওলাই আছে।

১৬১৬ সেই স্মৃতিয়ে আকুল কৰাত মুখৰ মাত নোলোৱা হৈছে, গতিকে ৰাম আৰু গোবিন্দক মাতি আনি ক'লে হে কৃষ্ণ, হে বলৰাম. তোমালোক দুয়োজন পৰম ঈশ্বৰ।

১৬১৭ স্ৰষ্টাৰো স্ৰষ্টা তোমালোক পৰম পুৰুষ। তোমালোকৰ কাৰ্য্যই তাক প্ৰমাণ কৰিছে। বসুধাৰ ভাৰ হৰণ কৰিবলৈ মোৰ গৰ্ভত আহি অৱতাৰ লৈছাহি।

১৬১৮ তোমাৰ মায়াৰে এই জগত নিৰ্ম্মিত হৈছে। সেইদেখি তোমাত শৰণ লৈছো, মোক দয়া কৰা। যমৰপৰা মৰাপুত্ৰক আনি দক্ষিণা স্বৰূপ গুৰুক দিলাহি।

১৬১৯ সেইমতে মোৰো মনোবাঞ্ছা পূৰ্ণ কৰা। তোমালোক দুয়ো পৰম ঈশ্বৰ আৰু বিধাতাৰো বিধাতা। কংসই মোৰ ছয়জন পুত্ৰক মাৰিলে, তাৰ বাবে মোৰ প্ৰাণ ফুটি যাওঁ ফুটি যাওঁ হৈছে।

১৬২০ তোমালোকৰ দয়াত যদি সিহঁতক দেখিবলৈ পাওঁ, তেতিয়া এই দাৰুণ শোক পাহৰিব পাৰিম। দুয়োৰে ক'লে— আই, চিন্তা নকৰিবা, পুত্ৰগণক আমি আনি দিম।

১৬২১ এইদৰে কৈ দুয়ো যোগমায়াক আশ্রয় কৰি ক্ষন্তেকতে গৈ সুতলপুৰীত প্ৰৱেশ কৰিলেগৈ। ত্ৰৈলোক্যমোহনৰূপী হৃষীকেশে বলিৰ সভাত প্ৰৱেশ কৰিলে।

১৬২২ দৈত্যপতি বলিয়ে বনমালীক দেখি আথেবেথে উঠি আগবাঢ়িল আৰু সমস্ত সমাজে ঠিয় হৈ শ্রদ্ধা জনালে। কৃষ্ণৰ দৰ্শন পাই আনন্দিত হৈ সবংশে গৈ কৃষ্ণৰ চৰণত পৰিলগৈ।

১৬২৩ জগতৰ আত্মা পৰম দেৱতা আহি মোক দেখা দিলাহি; মোৰ কিমান যে সৌভাগ্য। বলিৰ চকুলো বাগৰি আহিল আৰু মূৰত সিংহাসন বহন কৰি আনিলে।

১৬২৪ বলৰাম সহিতে সিংহাসনত উপবিষ্ট হ'ল, বলিয়ে নিজ হাতেৰে দুয়োৰে পদ প্রক্ষালন কৰিলে আৰু সেই জল সবংশে শিৰত ললে আৰু দিব্য বস্ত্রে অৰ্চ্চনা কৰিলে।

১৬২৫ বহুবিধ অমৃত সদৃশ সন্দেশ ভক্ষণ কৰোৱালে। সবান্ধৱে কৃষ্ণত নিজকে অৰ্পণ কৰিলে। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে কৃষ্ণৰ চৰণত এই পদ ৰচিলে, ৰাম ৰাম বুলি সভাসদগণে তৰি আঁতৰি যাওঁক।

দ্বিতীয় কীৰ্ত্তন

ঘোষা স্বামী মোক পাৰ কৰা, করুণা সিন্ধু সংসাৰ সাগৰে।
(হে ঈশ্বৰ, হে করুণাসিন্ধু, মোক সংসাৰ সাগৰৰ পৰা উদ্ধাৰ কৰা)
মাধৱ, বান্ধৱ তোমাৰ পৰে আউৰ আন গতি নাহিকে (হে মাধৱ, হে বান্ধৱী তোমাৰ বাহিৰে মোৰ অন্য গতি নাই)।। ১৩৬।।

১৬২৬ গোবিন্দক দেখি দৈত্যেন্দ্ৰ-বলিৰ আনন্দত মন উপচি পৰিল, ভাৱৰ সৃষ্টি হ'ল, গা-শিয়ৰি উঠিল, চকুৰ লোতক ওলাই আহিল। দুয়ো হাতেৰে কৃষ্ণৰ চৰণত ধৰি মুৰ স্থাপন কৰিলে। গদ্‌গদ্ বাণীৰে স্তুতি কৰিবলৈ ধৰিলে।

১৬২৭ হে অনন্ত, হে মহন্ত, হে বিধাতা, হে কৃষ্ণ, তোমাক প্ৰণাম জনাওঁ। তুমি কপিল অৱতাৰ লৈ সাংখ্যযোগ প্ৰচাৰ কৰিলা। তোমাৰ দৰ্শন লাভ কৰা অতি দুৰ্লভ, তোমাৰ অপাৰ লীলা। মই তামসিক গুণযুক্ত অসুৰ জাতি, তথাপি তুমি দয়া কৰি গৃহতে দেখা দিলাহি।

১৬২৮ ৰাক্ষস, দানব, দৈত্য, ভূতগণ, পিশাচ আৰু প্ৰথম পতিয়ে তোমাৰ বিৰোধাচৰণ কৰি সহজে পৰমগতি লাভ কৰিলে। দ্বেষভাৱত, ভয়ভাৱত তামসিক দৈত্যগণে যি ধৰণে সিদ্ধি লাভ কৰিলে, দেৱগণে সাত্ত্বিক ভাৱত থাকিও সেই সিদ্ধি নাপালে।

১৬২৯ তুমি আমাৰ প্ৰকাৰান্তৰে বান্ধৱহে, তুমি মাধৱ, তাকে জানি হে তিনিলোকৰ গৰাকী, সন্তুষ্ট হওক। হে নাথ, আমি গৃহ অন্ধকূপত তললৈ আছোঁ, তাৰ পৰা কেনেকৈ উদ্ধাৰ হ'ম, তাৰ বাবে ফল মূল খাই তোমাৰ চৰণত পৰি আছো প্ৰভু।

১৬৩০ তোমাৰ নাম মোৰ মুখত থাকোক, মোৰ চিত্ত তোমাৰ চৰণত লাগি থাকোক এনে মনোবাঞ্ছা পূৰণ কৰোক, তোমাত মই শৰণ লৈছোঁ। মোক ঐশ্বৰ্য্যৰ প্ৰভাৱ নালাগে, মোৰ মোহজৰী ছিণ্ডি দিয়োক, মাত্ৰ জন্মে জন্মান্তৰে যাতে তোমাৰ দাসৰো দাস হৈ যেন থাকো।

১৬৩১ হে ঈশ্বৰ মোক আজ্ঞা কৰক, মইনো কি কৰিব লাগে এই কথা শুনি কৃষ্ণই হাঁহি মাৰি ক'লে মনুৰ দিনত মাৰীচৰ ছয় পুত্ৰ আছিল আৰু সিহঁত দেৱতুল্য আছিল।

১৬৩২ নাম আছিল - পৰিত্বঙ্গ, উদগীথ, পতঙ্গ, ক্ষুদ্ৰভ্ৰক, স্মৰ আৰু ঘৃনি। এওঁলোকে ক্ৰোধ দমন কৰিব পাৰিছিল। ব্ৰহ্মাই যেতিয়া নিজ কন্যাক ক্ৰীড়া কৰিবলৈ বিচাৰিছিল - এই ছয়জনে ব্ৰহ্মাক উপহাস কৰি নিন্দা কৰিছিল।

১৬৩৩ তেতিয়া ব্ৰহ্মাই অসুৰ যোনীত জন্মগ্ৰহণ কৰিবলৈ শাপ দিলে। হিৰণ্যকশিপু দৈত্যৰ তনয় হৈ ছয়োজনে জন্ম ললে। পাছত দৈৱকীৰ গৰ্ভত ছয়জনকে যোগমায়াই ওপজায়। কংসই এই ছয়জনকে বধ কৰে।

১৬৩৪ সম্প্ৰতি এই ছয়জন তোমাৰ কাষতে আছে আৰু ছয়োজন মোৰ জ্যেষ্ঠ। তেওঁলোকৰ বাবেই মাতৃ দৈৱকীয়ে সদায়ে ক্ৰন্দন কৰি আছে। সকলোকেইজনকে আজি মই দ্বাৰকালৈ লৈ যাম আৰু আইৰ শোক দূৰ কৰিম আৰু মোৰ অনুগ্ৰহত তেওঁলোকে শাপ এৰাই স্বৰ্গলৈ গতি কৰিব।

১৬৩৫ এই কাৰণেই তোমাৰ ওচৰলৈ আহিছো আৰু বলিয়ে এই কথা শুনা মাত্ৰেই ছয়জনকে আনি ভকতিভাৱে অৰ্পণ কৰিলে। কৃষ্ণৰ চৰণত দুই হাতেৰে ধৰি পদধূলি শিৰত তুলি ললে। আজিহে সমস্ত পাপ মোৰ দূৰ হ'ল আৰু মোৰ জীৱন সম্ফল হ'ল বুলি বলিয়ে ক'লে।

১৬৩৬ সকলোৱে শুনা, অন্যৰপৰা মন আঁতৰাই আনি একমনেৰে কৃষ্ণৰ নাম লোৱা, ইয়াৰ বাহিৰে গতি নাই। ইয়াকে জানি কৃষ্ণৰ চৰণে সুদৃঢ় মতি কৰিলো আৰু সকলোৱে অন্য কৰ্ম্ম এৰি ৰাম নাম লৈ পৰম গতি লাভ কৰা।

তৃতীয় কীৰ্ত্তন

ঘোষা কমললোচন কলুষমোচন।(হেপদ্মলোচন কৃষ্ণ, তুমি মায়া দূৰ কৰা)।।১৩৭।।

পদ ১৬৩৭ বলিক আশ্বাস কৰি ছয় পুত্ৰক লগত লৈ হৰি বলৰামসহ দ্বাৰকালৈ আহিল আৰু মাতৃৰ আগত ছয় ভাইক গতালে।

১৬৩৮ ছয়টি কেঁচুৱাক দেখি দৈৱকীৰ পৰম আনন্দ মিলিল আৰু চাবলৈ ধৰিলে। নিজৰ পুত্ৰ বুলি ছয়োকে তেওঁ কোলাত তুলি ললে।

১৬৩৯ পুত্ৰ-স্নেহত দৈৱকীৰ স্তনৰ পৰা দুগ্ধ নিৰ্গত হ'ল আৰু পুত্ৰগণৰ মুখ স্তনত লগাই চুম্বন কৰিলে. আনন্দ মনেৰে তেওঁ স্তনদান কৰিলে আৰু মূৰৰ ঘ্ৰাণ ল'লে।

১৬৪০ আনন্দত দৈৱকী নাচি উঠিল আৰু এটি থৈ আনটিক লয়। দৈৱকীৰ বিষ্ণুমায়াত মন মোহিত হয় আৰু পৰমানন্দ লাভ কৰে।

১৬৪১ কৃষ্ণই পী খোৱা দৈবকীৰ স্তনৰ অৱশেষখিনি ছয়োজনে পীলে আৰু কৃষ্ণৰ অঙ্গৰ স্পৰ্শ লাভ কৰিলে।

১৬৪২ তেওঁলোক ছয়জনে ব্ৰহ্মশাপৰ পৰা উদ্ধাৰ হৈ নিজে যে দেৱ আছিল এই স্মৰণ হ'ল। পিতৃ-মাতৃক বন্দনা কৰি কৃষ্ণৰ চৰণত প্ৰণাম জনালে।

১৬৪৩ ইয়াৰ পাচত বলৰামৰ চৰণত সেৱা জনাই ছয়োজনে বিমানত উঠি স্বৰ্গলৈ গমন কৰে আৰু সকলোলোকে সতৃষ্ণ নয়নে চাই থাকিল।

১৬৪৪ দৈৱকীয়ে এই আচৰিত কাৰ্য দেখি বিস্ময় মানিলে। মোৰ মৃত পুত্ৰসকলক পালো আৰু মোৰ স্তন পান কৰি স্বৰ্গলৈ গমন কৰিলে— এই সকলো বিষ্ণুৰ মায়া বুলি জানিব পাৰিলো।

১৬৪৫ শুকে পৰীক্ষিতক ক'লে— কৃষ্ণৰ লীলা আচলতে অতি অদ্ভুত। ভগবান অনন্ত বীৰ্য্য; তেওঁৰ মহিমাৰ কথা কৈ অন্ত কৰিব নোৱাৰি।

১৬৪৬ হৰি চৰিত্ৰ পৰম মঙ্গল আৰু ই জগতকে পৱিত্ৰ কৰে। যিসকলে ইয়াক শুনে আৰু আনক শুনায়, তেওঁ মোক্ষ লাভ কৰে।

১৬৪৭ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ৰচনা কৰিছে আৰু ইয়াক সকলোৱে কীৰ্ত্তন কৰা। কলিযুগত ই মহৌষধ, কাৰণ ইয়াৰ দ্বাৰা মুক্তি লাভ হয়।

১৬৪৮ বেদৰ বাণীও এয়ে আৰু তত্ত্বও এয়ে আৰু শুকেও এই কথাকে কয়। গতিকে জানি বুজি হেলা নকৰি সকলোৱে সুখেৰে বৈকুণ্ঠ পাবলৈ হৰি হৰি বোলা।।

।দৈৱকীৰ পুত্ৰ আনয়ন সমাপ্ত।।

কথা কীৰ্ত্তন-ঘোষা

চৰ্তুবিংশ খণ্ড

বেদস্তুতি

প্ৰথম কীৰ্ত্তন

ঘোষা এ হৰি ৰাম হৰি অনন্ত মুৰাৰি।
ভকত বৎসল নিয়ো সেৱক উদ্ধাৰি।।
হে হৰি, হে ৰাম, তুমি অনন্ত, তুমি মুৰাৰি, তুমি ভকতবৎসল, মই তোমাৰ দাস, মোক উদ্ধাৰ কৰা)।। ১৩৮।।

পদ ১৬৪৯ নাৰয়ণে জগত সংহাৰ কৰি শয়ন কৰি আছিল আৰু প্ৰথম নিশ্বাসতে বেদসমূহ বাহিৰ হ'ল। বেদগণে বিষ্ণুক ভক্তিভাৱে স্তুতি কৰি টোপনিৰ পৰা জগালে। নট-ভাটে চক্ৰৱৰ্তী সম্রাটক জগোৱাৰ দৰে বেদগণেও বিষ্ণুক জগালে।

১৬৫০ হে হৰি, তোমাৰ জয় হওক, সমস্ত জীৱৰ মায়াক আনন্দ প্ৰকাশ কৰি বিনাশ কৰা। সমস্ত জীৱক চৈতন্য শক্তি দিয়া, আমি বেদগণে চৈতন্য শক্তি নোপোৱাৰ বাবেই অচেতন হৈ আছো— অৰ্থাৎ আমিয়েই তাৰ প্ৰমাণ।

১৬৫১ তোমাৰ পৰাই দহদিগ্‌পালৰ সৃষ্টি হৈছে, সমস্ত জগত সৃষ্টি হৈছে, তোমাৰ পৰা উপজি তোমাতে লীন যায়। যেনেকৈ য'তেই ভৰি দিয়ক, সেই ভৰি পৃথিৱীত পৰাৰ দৰে ব্ৰহ্মমন্ত্ৰগণে তাকেই কয়।

১৬৫২ তোমাকেই পৰমতত্ত্ব বুলি জ্ঞানীগণে জানি তোমাৰ গুণাৱলী শ্ৰৱণ কীৰ্ত্তন কৰি পাপ বিনাশ কৰে। সেই আনন্দ ব্ৰহ্মাক যি ভজে, তেওঁৰ মহিমা আমি কৈ শেষ কৰিব নোৱাৰো।

১৬৫৩ মনুষ্য জন্ম লাভ কৰি যি তোমাৰ নাম-গুণ-শ্ৰৱণ-কীৰ্ত্তন নকৰে তাৰ জীৱন বিফলে যায় আৰু সৰ্ব্বনাশ ঘটে। কমাৰৰ ভাথিৰ নিশ্বাসৰ দৰে জীয়াই থাকোতেই মৃত।

১৬৫৪ শৰীৰৰ ছয়চক্ৰ চিন্তাকৰা যোগীৰো মৃত্যুভয় নাৰায়ণে দূৰ কৰে। আমি বেদ সমস্তয়ে তোমাক হৃদিগত কৰি উপাসা কৰোঁ।

১৬৫৫ হে প্ৰভু, তুমিয়েই জড় আৰু চৈতন্য দেহসমূহ সৃজিছা আৰু সকলোৰে দেহত ঐশ্বৰ্য্য হিচাবে বিদ্যমান হৈ আছা। সকলো দেহতে জীৱ অংশ লৈ প্ৰৱেশ কৰিলা, সেইবাবে আমি সকলোৱে সৰ্ব্বভাৱে তোমাক ভজনা কৰো।

১৬৫৬ আমি জীৱসমস্ত তোমাৰেই অংশ আৰু তোমাৰ মায়াই আমাক বান্ধি ৰাখিলে। মায়াৰপৰা অব্যাহতি পাবলৈ তোমাৰ চৰণত ভজিবলৈ উপদেশ দিয়া আৰু শ্ৰৱণ-কীৰ্ত্তনৰ দ্বাৰা মায়া দূৰ কৰিবলৈ আমাক প্ৰেৰণা দিয়া প্ৰভু।

১৬৫৭ জ্ঞানযোগৰ দ্বাৰাও কোনোৱে তোমাক পোৱাটো কঠিন, কিন্তু শ্ৰৱন-কীৰ্ত্তনৰ যোগে সংসাৰৰ দু:খ দূৰ কৰা সহজপন্থা। তোমাৰ ভক্তৰ সঙ্গ অতি অনুপম আৰু তাক পালে ধৰ্ম্ম-অৰ্থ-কাম-মোক্ষকো তৃণসম যেন লাগে।

১৬৫৮ তুমি অতি প্ৰিয়, তুমি আত্মাৰূপী নাৰায়ণ, তোমাৰ পদ পঙ্কজত মোৰ মন মজি থাকক। ভাৰতত মনুষ্যই জন্ম পোৱাটো দুষ্প্ৰাপ্য। তোমাক মনুষ্যজন্ম পায়ো নভজাটো আত্মঘাতী হোৱাৰ তুল্য।

১৬৫৯ তোমাক প্ৰেমভক্তি কৰা দুৰ্ল্লভ, স্মৰণ কৰাও কঠিন, যেনে তেনে প্ৰকাৰে শ্ৰৱন-কীৰ্তন কৰো, সদায় যেন তোমাতে মোৰ মন লাগি থাকে। প্ৰাণ থকা পৰ্য্যন্ত হৰি হৰি বোলা।

দ্বিতীয় কীৰ্ত্তন

ঘোষা হৰি, হৃষীকেশ, কৰুণাসাগৰ ক্লেশ হৰিও।
মায়ামহোদধি মাজে মজিলোহো, মাধৱ, মোক উদ্ধৰ।।
(হে হৰি, হৃষীকেশ; হে কৰুণা সাগৰ, মোৰ বিঘিনি হৰণ কৰা, মায়া-সাগৰৰ মাজত পৰি মজিছো, হে মাধৱ, মোক উদ্ধাৰ কৰা) ।। ১৩৯ ।।

পদ ১৬৬০ বুদ্ধি- অহঙ্কাৰে সমূলঞে আবৰি ধৰিলে, হে স্বামী, আমি মহামুৰ্খ হলো। তোমাৰ অখণ্ডি সদানন্দৰূপ আমিনো কেনেকৈ জানিম, গতিকে হে দীন- দয়াশীল, তোমাৰ চৰণত ধৰি থাকিবলৈ উপদেশ দিয়া, আমি তোমাৰ শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ ভক্তি যাতে সদায় কৰিব পাৰো।

১৬৬১ তৰ্কবাদেৰে তোমাক পোৱা টান; মিছা তৰ্কবাদে আমাক অন্ধ কৰি পেলালে আৰু মন্দমতি হৈ তাতে ভ্ৰমি ফুৰিছোঁ। তোমাৰ জ্ঞান পন্থক বিচাৰি নাপাওঁ, গতিকে হে হৰি মোক সু-গতি দিয়ক। তোমাৰ গুণ-নাম আমাৰ মুখে নেৰক - এই কৃপা কৰা।

১৬৬২ তুমি সত্য ব্ৰহ্ম, কিন্তু সত্য ব্ৰহ্মতে জগত প্ৰকাশমান হৈ আছে যদিও জগতখন অসন্তহে। অসন্ত জগতৰ ভিতৰতে অন্তৰ্য্যামী ভগৱন্তই নিত্য প্ৰকাশমান হৈ আছে। অসন্ত জগতঅস্থায়ী কিন্তু সমস্ত ভগৱান চিৰস্থায়ী আৰু সত্য ব্ৰহ্মাই সন্ত। সেইবাবে জ্ঞানীগণে জগতকে হৰি বুলি কৈছে আৰু সেইবাবেই জগতৰ প্ৰাণ হিচাবে তোমাক হৃদয়ত ভজনা কৰোঁ।

১৬৬৩ যিমান তপ আছে - সকলোবোৰ কৰক, পৰ্বতত উঠি তললৈ পৰক, সমস্ত তীৰ্থত স্নান কৰি ফুৰক, বেদকো পঢ়ক, যিমান যজ্ঞ আছে সেইবোৰো কৰক, যোগাভ্যাসো কৰক, তথাপি হৰি কীৰ্ত্তন নকৰালৈকে মৃত্যুভয় নেৰায়।

১৬৬৪ দেহ আৰু ইয়াৰ ইন্দ্ৰিয় বৰ্গৰ নিজস্ব অস্তিত্ব নাই, ইহঁতৰ সমস্ত শক্তিকে ভগবানেৰে ধৰি ৰাখিছে। তুমি সৰ্ব্বজ্ঞ অৰ্থাৎ সকলো জানা, তুমি সকলোৰে কৰ্তা বাবে তোমাক সকলোৰে সেৱা কৰে। চক্ৰৱৰ্তী ৰজাক কৰতলীয়া ৰজাই (সামৰাজে) কৰভাৰ যোগোৱাৰ দৰে ব্ৰহ্মা প্ৰমুখ্যে দেৱগণে তোমাক নমস্কাৰ কৰে।

১৬৬৫ তোমাৰ মায়াৰে প্ৰৰোচিত হৈ কৰ্ম্ম চক্ৰত বন্দী হৈ সংসাৰত জন্ম লওঁ

আৰু মৰো। গতিকে দুঃখ সাগৰত তল গৈ তোমাৰ চৰণত ধৰো, হে হৰি আমাক উদ্ধাৰ কৰা। তুমি অন্তৰ্য্যামী, মহেশ্বৰদেৱ, সৰ্ব্বজ্ঞ, নৰসিংহ, তোমাক আমি মনে প্ৰাণে সেৱা কৰোঁ।

১৬৬৬ সংসাৰ চক্ৰ অৰ্থাৎ জন্ম-মৃত্যুক কৰতেৰে খণ্ড খণ্ড কৰি কটাৰ দৰে কাটি পেলোৱা। মহামোহ আৰু ভয়ে আমাৰ পাছ এৰা নাই। তোমাৰ চৰণত আশ্ৰয় ললো, হে কৃপাময় আমাক ৰক্ষা কৰা। তুমি গুৰুৰ ওপৰতো গুৰু, তোমাৰ চৰণত মন নিৰ্বিষ্ট হ'লে তোমাৰ কৃপা হ'ব আৰু তাৰ দ্বাৰা সৰ্ব্ব সিদ্ধি হ'ব আৰু তেতিয়া জ্ঞান -অভ্যাস নকৰিলেও হ'ব।

১৬৬৭ তোমাক আত্মাজ্ঞান কৰি চিত্তেৰে যি ভজে তেওঁৰ বাবে পুত্ৰ, ভাৰ্য্যা, বিষয় ভোগক অতি তুচ্চ জ্ঞান কৰি পৰিত্যাগ কৰিব পাৰে অৰ্থাৎ তাৰ সেইবোৰৰ প্ৰয়োজনবোধ নকৰে। হৃদয়ত তোমাৰ ৰূপ ধাৰণ কৰি মুখেৰে তোমাৰ নাম গাই ফুৰিলে সেই নামৰ ধ্বনি যিমানলৈকে শুনা যায় সিমানলৈকে পাপ পলাই যায়। সেইবাবে হৰি হৰি বোলা।।

তৃতীয় কীৰ্ত্তন

ঘোষা ৰাম হৰি কৰুণাময় তোম্মাৰ চৰণে ভজো।
স্বামী দুনাই যেন সংসাৰে নমজো।।
(হে ৰাম, হে হৰি, হে কৰুণাময়, তোমাৰ চৰণত ভজো; হে স্বামী, পুনৰ যেন সংসাৰ-চক্ৰত পৰি দুখ ভোগ নকৰো) ।। ১৪০।।

১৬৬৮ তোমাৰ চৰণ চিন্তা কৰি যি স্থানত ভকত থাকে, সেই স্থানেই পুণ্য স্থান আৰু তীৰ্থস্থান। যি ঠাইত তোমাৰ অমৃতময় অমৰ কথাৰ সোঁত বৈ যায় আৰু যি জনে তাক পান কৰে, তেওঁ সংসাৰৰ ক্লেশ আৰু কদাকাৰ বিষয়-সুখৰ অভিলাষ নাথাকে। যিজনে এবাৰ মাত্ৰ তোমাৰ চৰণ চিন্তিলে— তেওঁ গৃহবাসৰ সুখৰ প্ৰতি বীতশ্ৰদ্ধ হয়।

১৬৬৯ জগতখন অসন্ত আৰু ই তোমাৰ পৰাই সৃষ্টি হৈছে আৰু দেখাত জগতক সন্ত যেনেই লাগে। কৰ্ম্মকাণ্ড জড়, চৈতন্য নহয়, তৎসত্বেও মানুহৰ মন তাতেই মগ্ন হ'ল; কিয়নো তেওঁলোকে বেদৰ প্ৰকৃত লক্ষ্য বুজিব নোৱাৰে। বেদৰ বাহিৰ ভাগৰ জড় সদৃশ কৰ্ম্মকাণ্ড থাকিলেও অভ্যন্তৰত চৈতন্য সদৃশ জ্ঞান নিহিত হৈ আছে। পৰম আনন্দ স্বৰূপ তোমাৰ অদ্বৈত ৰূপত হে আমাৰ মন মগ্ন হওক। আমি দাসৰো দাস হৈছো, আমাক নেৰিবা স্বামী।

১৬৭০ মুকুট কুণ্ডল সোণেৰে তৈয়াৰী আৰু সোণৰ লগত অভিন্ন হৈ থাকে। বিভিন্ন আকাৰত, বিভিন্ন ৰূপত অলঙ্কাৰ থাকিলেও আৰু তাৰ বেলেগ নাম হ'লেও সোণৰ কিন্তু নাম নাই। গতিকে সিহঁতৰ নাম-ৰূপ অসত্য। পঞ্চভূত অহঙ্কাৰ পৰমাৰ্থ বিচাৰত ভগৱানৰপৰা বেলেগ নহয়। তোমাৰ কটাক্ষ দৃষ্টিত মায়াই আমাৰ মূৰৰ ওপৰত উঠি মূৰক মৰ্দ্দন কৰে। তোমাত শৰণ ললো প্ৰভু, কাৰণ আমি মায়াত আতুৰ হৈ পৰিছোঁ আপোনাৰ মায়াক নিবাৰণ কৰা হে জগন্নাথ।

১৬৭১ সন্ন্যাসীৰ বেশ ধৰি সমাজক কৌশল কৰি প্ৰবঞ্চনা কৰিলো, ভোগ-চিন্তাতে ব্যাকুল হ'লো, দিনে-ৰাতিয়ে নানা উদ্যম কৰি মনৰ মোহকে পুহি ৰাখিছো অজ্ঞানীসকলে মোৰ চালাকী বুজি নাপাই মোক মান-সন্মান কৰিলে, তেতিয়া মই গৰ্ব্বিত হৈ ঈশ্বৰৰ বাক্যকো এৰি পেলালো।

হে পৰমানন্দ, মই দীন, মই অনাথ, মোক কৃপা কৰি ৰক্ষা কৰা প্ৰভু।

১৬৭২ তোমাৰ পৰমতত্ত্ব-জ্ঞান হে মাধৱ, মোক দিয়া, য'ত খণ্ড দুখ-সুখ নাথাকে। হে নাৰায়ণ, শ্ৰৱণ-কীৰ্ত্তন ভক্তি দিয়া, য'ত বিধিৰ অধীন হ'ব নালাগে। ব্ৰহ্মায়ো তোমাৰ অন্ত নাপায়, বেদেও তোমাক নাজানে আৰু সেইবাবে তোমাৰ চৰণত ভজিলো।

১৬৭৩ চাৰি বেদ, অষ্টাদশ পুৰাণ; বিভিন্ন শাস্ত্ৰ, বেদান্তৰ সাৰ ভাগৱতৰ তত্ত্ব সনক, সনন্দ মুনিয়ে উদ্ধাৰ কৰিলে। যোগজ্ঞানৰ মাজত এই তত্ত্ব বিচাৰি উলিয়ালে। আগম পন্থী পুৰাণসমূহ আৰু বেদান্তৰ তাৎপৰ্য জানি ভকতিকহে সাৰ বুলি তেওঁলোকে ঠিৰাং কৰিলে। এই দুৰ্ঘোৰ সংসাৰৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় অন্য অন্য পুণ্যকৰ্ম্মৰ দ্বাৰা সম্ভৱ নহয়, কেৱল শ্ৰৱণ-কীৰ্ত্তনৰ দ্বাৰাহে সম্ভৱ হয়।

১৬৭৪ জন্ম-মৰণৰ দুঃখৰ পৰা তৰিবলৈ যাৰ ইচ্ছা আছে, তেওঁলোকে গোবিন্দৰ নাম-গুণ শ্ৰৱন-কীৰ্ত্তন কৰক, কাৰণ, মৃত্যু আসন্ন হৈ আছে। গতিকে হে জ্ঞানীগণ ইয়াক সাৰোগত কৰা। এনে মনুষ্য জন্ম বেগতে (সেহুৰে) পাম বুলি নাভাবিবা বুলি চাৰিবেদেও সুনিশ্চিত কৰি ব্যক্ত কৰিছে। মাধৱৰ চৰণৰ সেৱক শঙ্কৰে কৈছে— সদায় হৰি নাম লোৱা।

।। বেদস্তুতি সমাপ্ত।।

কথা কীৰ্ত্তন-ঘোষা

পঞ্চাবংশ খণ্ড

লীলা মালা

প্ৰথম কীৰ্ত্তন

ঘোষা হে বন্ধু মাধৱ, তুৱা বিনে আৰু তাৰক কে আছে। হে বন্ধু মাধৱ।
(হে পৰম বান্ধৱ লক্ষ্মীপতি, তোমাৰ বাহিৰে উদ্ধাৰকৰ্তা আৰুনো কোন আছে, হে বন্ধু মাধৱ তুমিয়েই একমাত্ৰ ত্ৰাণকৰ্তা।) ১৪১ ।।

পদ ১৬৭৫ শুক মুনিয়ে ৰজা পৰীক্ষিতক কৈছে - কৃষ্ণৰ কৰ্ম্মাৱলীৰ লীলাসমূহ মনোযোগেৰে শুনা। ইয়াক শ্ৰৱণ-কীৰ্ত্তন কৰিলে বৈকুণ্ঠলৈ যাব পাৰিবা আৰু ধৰ্ম্ম-অৰ্থ- কাম আৰু মোক্ষও শ্ৰৱণ-কীৰ্ত্তনতে পায়।

১৬৭৬ পৃথিৱীয়ে পাপ বহনত অসমৰ্থ হৈ ব্ৰহ্মাৰ ওচৰ চপাত ব্ৰহ্মাদেৱে পৃথিৱীক লৈ নাৰায়ণক স্তুতি কৰাত ভগৱন্তই দৈৱকীৰ উদৰত থিতাপি ললেহি। ব্ৰহ্মাই দৈৱকীৰ গৰ্ভত থকা কৃষ্ণক স্তুতি কৰিলে। দৈৱকী দেৱীক আশ্বাস দিলে।

১৬৭৭ পাছত নিজ চতুৰ্ভূজৰূপে নাৰায়ণে জন্ম ললে আৰু বসুদেৱ দৈৱকীয়ে কেঁচুৱাৰ অদ্ভুত ৰূপ দেখি বিস্তৰ স্তুতি কৰিলে। নাৰায়ণে পূৰ্ব্বজন্মৰ কথা তেওঁলোকৰ আগত ব্যক্ত কৰিলে। কৃষ্ণৰ পৰামৰ্শ অনুসৰি বসুদেৱে গোকুলত কংসৰ ভয়ত পলুৱাই থলে।

১৬৭৮ নন্দই পুত্ৰমুখ দেখি আনন্দত উত্ৰাৱল হ'ল, পুত্ৰৰ জাত-কৰ্ম্ম কৰিলে। কৃষ্ণই গোকুলত দৈত্য বধিবলৈ আৰম্ভ কৰিলে। প্ৰথমে স্তন পান কৰি পুতনাক শুহি বধ কৰে।

১৬৭৯ শকতৰ (গাড়ী) তলত কৃষ্ণক শুৱাই থৈছিল আৰু কৃষ্ণই শকতক ভৰিৰে লাথি মাৰি উভতাই পেলালে। যশোদাৰ কোলাত উঠি স্তন পান কৰি হামি মাৰি মুখখন মেলিছিল আৰু যশোদাই কৃষ্ণৰ মুখৰ ভিতৰতে চৈধ্যভুৱন দেখিবলৈ পালে।

১৬৮০ ইয়াকে দেখি যশোদাই বিস্ময় মানিলে আৰু চকু মুদি দিলে। তাৰ পাছত চক্ৰবাত অসুৰে কৃষ্ণক চুৰ কৰি নিলে, কৃষ্ণই তাৰ ডিঙিত চেপি শিলত পেলাই বধ কৰিলে।

১৬৮১ গৰ্গ ঋষিয়ে তেওঁৰ জাত-কৰ্ম্ম কৰি 'কৃষ্ণ' নাম ৰাখিলে। গোকুলত কৃষ্ণ-বলৰামে ক্ৰীড়া আৰম্ভ কৰিলে। গোপীসকলে কৃষ্ণক নাচিবলৈ কৈ চাপৰি বজালে আৰু কৃষ্ণই বিভিন্ন অঙ্গিভঙ্গীৰে নৃত্য কৰিলে।

১৬৮২ এদিন যশোদাই কৃষ্ণক সুধিলে - হে কানাই কিয় মাটি খালি ? কৃষ্ণই মাটি খোৱা নাই বুলি মুখখন মেলি দিলে। তেতিয়া যশোদাই কৃষ্ণৰ গৰ্ভত চৈধ্যভুৱন দেখিবলৈ পালে আৰু তেওঁ স্তুতি কৰিবলৈ ধৰিলে।

১৬৮৩ কৃষ্ণই স্তন পিবলৈ নাপাই এদিন শিলেৰে দধিৰ ভাণ্ড ভাঙি পেলালে। এই অপৰাধৰ বাবে যশোদাই কৃষ্ণক ইড়ালত বান্ধি থলে আৰু কৃষ্ণই ধীৰে ধীৰে উড়াল টানি নিলে।

১৬৮৪ অৰ্জুন বৃক্ষদ্বয়ত উড়াল পথালি হৈ লাগি ধৰিলে আৰু কৃষ্ণই টানি অৰ্জুন গছ দুজোপা উঘালি পেলালে। গছৰ পৰিবৰ্তে কুবেৰৰ দুই পুত্ৰ নলকুবেৰ আৰু মণিগ্ৰীৱে কৃষ্ণক স্তুতি কৰিলে আৰু শাপমুক্ত হৈ নিজ স্থানলৈ গতি কৰিলে।

১৬৮৫ পোহাৰীয়ে ক'লে- কোনে ফল কিনিব ? কৃষ্ণই ধান দি ফল কিনিলে, কৃষ্ণৰ হাতত পোহাৰীয়ে ফল দিলে, কিন্তু আচৰিত- কথা তাইৰ পাচি সোণেৰে উপচি পৰিল।

১৬৮৬ তাৰ পাচত কৃষ্ণ- বলৰাম বৃন্দাবনলৈ গৈ শিশুসকলৰ সৈতে গৰু ৰাখি ধেমালি কৰিলে। বিভিন্ন শিশুলীলা কৰি কৰি তাত বৎসাসুৰ আৰু বকাসুৰক বধ কৰে।

১৬৮৭ গৰু ৰাখি ফুৰোতে কংসৰ প্ৰেৰিত অঘ অসুৰে সৰ্পৰূপে ধৰি বাট ভেটি মুখ মেলি আছিল আৰু গৰখীয়া-গৰু সবাকে গিলি পেলালে। কৃষ্ণই তাৰ ডিঙি ভেটি দেহা বঢ়াই দিলে আৰু অঘাসুৰ মৰি সাৰূপ্য মুক্তি লাভ কৰিলে।

১৬৮৮ তাৰ পাচত ব্ৰহ্মাই গৰুবোৰ আৰু গৰখীয়াবোৰ মায়া কৰি চুৰি কৰি নিলে। কৃষ্ণই নিজে গৰু আৰু গৰখীয়া সৃষ্টি কৰিলে আৰু ব্ৰজত এবছৰলৈ এনেদৰে কটালে।

১৬৮৯ তাৰ পাছত ব্ৰহ্মাই আহি একেই গৰু-গৰখীয়া দেখি ভ্ৰম হ'ল। প্ৰতিটোৱেই চতুৰ্ভূজৰূপ ধাৰণ কৰা দেখি ব্ৰহ্মাৰ চেতনা হেৰাল, উশাহ লব নোৱাৰা হ'ল আৰু ভৰিত পৰি স্তুতি কৰিলে।

১৬৯০ কৃষ্ণই গোৱালৰ লগত তালবনলৈ গমন কৰিলে আৰু ধেনুকাসুৰক সবান্ধৱে বধ কৰিলে। গোৱালবোৰে তাল ফল পেট ভৰাই খালে। শঙ্কৰে এই কথা ৰচনা কৰি হৰি হৰি বুলিবলৈ কৈছে।

দ্বিতীয় কীৰ্ত্তন

ঘোষা গোবিন্দ অন্তকে গ্ৰাসে, ত্ৰাহি।
নাথ নিন্দ নাসে, গোবিন্দ ত্ৰাহি।।
(হে গোবিন্দ, মৃত্যুৱে গিলো গিলো কৰি আছে, উদ্ধাৰ কৰা। হে নাথ,টোপনি নাহে, হে গোবিন্দ, উদ্ধাৰ কৰা।)।। ১৪২।।

পদ ১৬৯১ বিষময় হ্ৰদত পানী খাই গৰু আৰু গৰখীয়াবোৰ মৰিল। কৃষ্ণই খং কৰি কালীক দমন কৰি হ্ৰদৰ পৰা খেদাই পঠালে (আৰু অমৃত ঢালি মৃত গৰু-গৰখীয়াক জীয়ালে)।

১৬৯২ ব্ৰজৰ প্ৰজাগণ বনজুইৰ পৰা বচাবলৈ কৃষ্ণক চিঞৰি মাতিলে আৰু কৃষ্ণই ভয় নাই বুলি অগ্নিক পান কৰিলে।ব্ৰজলৈ গৈ গজেন্দ্ৰৰ লীলা কৰিলে।

১৬৯৩ হৰিয়ে গোপৰ সভাত ক্ৰীড়া কৰিলে আৰু বলৰামৰ হতুৱাই প্ৰলম্বক বধ কৰোৱালে। মুঞ্জবনত গৰু আৰু গৰখীয়া পোৰাত কৃষ্ণই সিহঁতক তাৰ পৰা উদ্ধাৰ কৰি আনে।

১৬৯৪ বসন্তৰ পাচত গ্ৰীষ্মকাল পাৰ হোৱাত বাৰিষা আহি পৰিল আৰু বলৰামৰ সৈতে গোপক লৈ গৈ বৃন্দাবনত ক্ৰীড়া কৰিলে।

১৬৯৫ বৰ্ষাৰ অন্তত শৰত কাল আহিল। কৃষ্ণই বৃন্দাবনত বেণু বজাই গোপ সুন্দৰীসকলৰ বস্ত্ৰহৰণ কৰে আৰু কদম্ব গছত উঠি থাকে।

১৬৯৬ গোপবালাক কৃষ্ণই (স্বামী পাবলৈ) বৰ দিলে আৰু যজ্ঞশালালৈ গ'ল। গোৱালবোৰে ব্ৰাহ্মণসকলক অন্ন খুজিলে আৰু বিপ্ৰগণে অন্ন নিদিলে।

১৬৯৭ বিপ্ৰপত্নীসকলে ভক্তিভাৱে গোপসকলক অন্ন দান কৰি বিপ্ৰসকলৰ কৰ্ম্ম গৰ্ব নাশ কৰে। নন্দই কৰা মখ নামৰ ইন্দ্ৰযজ্ঞক ভঙ্গ কৰে আৰু তাৰ পৰিবৰ্তে গোবৰ্দ্ধন পূজা কৰোৱায়।

১৬৯৮ ইন্দ্ৰই খং কৰি বৃষ্টিৰ সৃষ্টি কৰে, কৃষ্ণই গোবৰ্দ্ধন ধাৰণ কৰি প্ৰজাক বৰষুণ-বতাহৰ পৰা ৰক্ষা কৰে। তেওঁৰ মহিমা দেখি গোপ-গোপী বিস্ময় হ'ল।

১৬৯৯ নন্দই গৰ্গৰ বাক্য সুমৰি কৃষ্ণৰ গুণাৱলী আনন্দ মনেৰে বৰ্ণনা কৰিলে। কৃষ্ণৰ অদ্ভুত মহিমা দেখি ইন্দ্ৰই আহি সুৰভিক দি অভিষেক কৰিলে।

১৭০০ ইন্দ্ৰই কৃষ্ণক গোৰ ইন্দ্ৰ (বেদৰ ৰক্ষক) পাতি প্ৰণাম কৰিলে আৰু কৃষ্ণৰ

নাম গোবিন্দ থলে। নন্দক বৰুণৰ দূতে হৰণ কৰি নিছিল আৰু কৃষ্ণই নন্দক উদ্ধাৰ কৰি আনিছিল।

১৭০১ ব্ৰজৰ প্ৰজাবৰ্গই বিষ্ণু বুদ্ধি কৰি কৃষ্ণক দেখাত, ব্ৰজবাসীয়ে বৈকুণ্ঠ দেখিবলৈ পালে। শৰত কালৰ চন্দ্ৰাবলী ৰাতি কৃষ্ণই ৰাসক্ৰীড়া আৰম্ভ কৰে।

১৭০২ গোপীকাৰ গৰ্বভাৱ দেখি কৃষ্ণ অন্তৰ্ধান হ'ল। তেতিয়া গোপীসকলে কৃষ্ণৰ গুণ বৰ্ণনা কৰি কান্দিবলৈ ধৰিলে আৰু তেওঁলোকৰ চেতনা হেৰাই গৈছিল।

১৭০৩ গোপীৰ প্ৰেম-ভকতিত তুষ্ট হৈ সকলো গোপীৰ মাজত পুনৰ দেখা দিলে আৰু সকলোকে সাদৰি ক্ৰীড়া কৰিলে। গোপীগণৰ কাম-পীড়া দূৰ হয়।

১৭০৪ শঙ্খচূড় নামে যক্ষক বধ কৰি গোপী গৰাকীক উদ্ধাৰ কৰি আনে। অৰিষ্টাসুৰে খেদি অহাত মাধৱে তাক বধ কৰে।

১৭০৫ নাৰদে কংসক ক'লে- ব্ৰজত তোৰ প্ৰাণবৈৰী বিদ্যমান হৈ আছে তাকে শুনি কংসই কেশীক পঠালে আৰু কৃষ্ণই কেশীক বধ কৰিলে।

১৭০৬ অক্ৰূৰক মাতি আনি কংসই ক'লে- তুমি ব্ৰজলৈ যোৱা (আৰু কৃষ্ণক মাতি আনা)। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই কথা লিখিছে, সকলোৱে হৰি হৰি বোলা।

তৃতীয় কীৰ্ত্তন

ঘোষা ভাৱক ভাই ভজ ভগৱন্ত।
হৰিসে কৰিব দুখৰ অন্ত।।
(হে কৃষ্ণক ভাবোতা ভাই, ভগৱন্তক ভজা। তেতিয়া হৰিয়ে দুখৰ অন্ত পেলাব।) ১৪৩।।

পদ ১৭০৭ পাচত নাৰদ গোকুললৈ আহি কৃষ্ণৰ গুণাৱলী প্ৰকাশ কৰি নমস্কাৰ জনালে। কংসই পঠোৱা অক্ৰূৰে সন্ধ্যা সময়ত গোপপুৰ পালেহি।

১৭০৮ তেওঁ আকুল হৈ অতি প্ৰেম ভাৱেৰে কৃষ্ণ কৃষ্ণ বুলি কৃষ্ণৰ চৰণত পৰিলে। কৃষ্ণই দদায়েক অক্ৰূৰক সতকাৰ কৰিলে।

১৭০৯ কংসৰ আদেশ পাই নন্দই ৰথত গোপসকলক লৈ মথুৰালৈ গমন কৰে। বলৰাম আৰু কৃষ্ণই গোপীসকলক আশ্বাস কৰি সোণৰ ৰথত উঠি গমন কৰে।

১৭১০ অক্ৰূৰে ৰথ চলালে আৰু গোপীগণে চকুলো টুকি চাই থাকিল। মধ্যাহ্ন সন্ধ্যা কৰিবৰ কাৰণে দানপতি যমুনাৰ জলত নামিল।

১৭১১ জলৰ মাজত সহস্ৰ ফণাৰে অনন্তক দেখা পালে আৰু অনন্তৰ কোলাত কৃষ্ণক দেখা পালে। অক্ৰূৰে স্তুতি কৰিলে আৰু ৰথ চলাই মথুৰা পালেগৈ।

১৭১২ কৃষ্ণই গোপসকলৰ লগত মথুৰা নগৰ ভ্ৰমণ কৰোতে নাৰীগণে নয়ন ভৰি চালে। তেওঁৰ ৰূপ কোটি মদনৰো অধিক সুন্দৰ আৰু নাৰীগণে শাৰী শাৰী হৈ পুষ্প বৃষ্টি কৰিলে।

১৭১৩ কৃষ্ণই চৰ মাৰি কংসৰ ধোবাক বধ কৰে আৰু বেশকাৰে আহি কৃষ্ণ বলৰামক বস্ত্ৰেৰে বিভূষিত কৰে। কুঁজীয়ে সাদৰি তেওঁলোকক চন্দন পিন্ধালে আৰু তাইৰ কুঁজ গুচাই কৃষ্ণই ৰজ্জু কৰিলে।

১৭১৪ মালীয়ে তেওঁলোক দুয়োকে মুঞ্জমালা পিন্ধালে আৰু সুদামা মালীক কৃষ্ণই বৰ দিলে। কৃষ্ণই কংসৰ ধনু ভঙ্গ কৰিলে আৰু ৰখীয়া সেনাগণক বধ কৰে।

১৭১৫ সেইদিনা ৰাতি তেওঁলোক নগৰৰ মাজতে বঞ্চি-পুৱাই দুন্দুভি বজাই নন্দকুমাৰে ৰঙ্গশালাত প্ৰৱেশ কৰিবলৈ যাওঁতে কুৱলয় পীড়ে বাট ভেটি ধৰিলে।

১৭১৬ কৃষ্ণই কুবলয়ক মাটিত পেলাই দাঁত উঘালি ললে আৰু দাঁতেৰে হস্তীক বধ কৰে। কান্ধত হাতীৰ দাঁত লৈ ৰাম কৃষ্ণই ৰঙ্গশালাত প্ৰৱেশ কৰিলে।

১৭১৭ চাৰিওফালে গোপকুমাৰগণে উপাসা কৰিলে আৰু কৃষ্ণক দশ প্ৰকাৰে দেখিবলৈ পালে। বলৰামে মুষ্টিকক আৰু কৃষ্ণই চানুৰক বধ কৰে।

১৭১৮ অন্যান্য মালেও খেদি আহিল আৰু দুয়োৱে সিহঁতক হত কৰে। ইয়াৰ পাচত ৰাম-কৃষ্ণই নানা ভঙ্গিমাৰে নৃত্য কৰে।

১৭১৯ কংসই এইবোৰ দেখি গৰ্জ্জিবলৈ ধৰিলে আৰু কৃষ্ণই উচ্চ আসনত বহি থকা কংসক চুলিত ধৰি আনি মাটিত থেতালি পেলালে।

১৭২০ কৃষ্ণই সমস্ত জগতৰ ভৰ তাৰ ওপৰত দিয়াত কংসৰ মৃত্যু হয় আৰু কৃষ্ণৰ সাৰূপ্য গতি লাভ কৰিলে। কৃষ্ণই পিতৃ-মাতৃৰ বন্ধন খুলি স্তুতি কৰিলে।

১৭২১ তাৰ পাচত উগ্ৰসেনক আনি ৰজা পাতিলে আৰু যাদৱসকলক আশ্বাস প্ৰদান কৰিলে। নন্দক সৎকাৰ কৰি প্ৰবোধ দিলে।

১৭২২ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ইয়াক ৰচনা কৰিছে, সমস্তলোকে কৃষ্ণ কথা শুনাহঁক, এয়ে কৃষ্ণলীলা, ইয়াক শুনি সংসাৰৰপৰা উদ্ধাৰ হোৱা।

চতুৰ্থ কীৰ্ত্তন

ঘোষা হেৰা ৰাম স্বামী আমি শৰণ মাগোহো।
প্ৰভু, তোম্মাক নভজি অধোগামী ভৈলো।।
(হে স্বামীৰাম, আমি তোমাৰ চৰণত শৰণ মাগো,হে প্ৰভু, তোমাক নভজি আমি তললৈ গলো।)।।১৪৪।।

পদ ১৭২৩ উগ্ৰসেনক ৰজা পতাৰ পাচত নন্দক নানা প্ৰবোধ বাক্যেৰে সান্ত্বনা দিলে। কৃষ্ণই ক'লে- পিতৃ বসুদেৱ আৰু মাতৃ দৈৱকীক মই যি দৰে মান সৎকাৰ কৰো তাতোতকৈ অধিকভাৱে পালন কৰোতা পিতৃ নন্দ আৰু মাতৃ যশোদাক মান সত্কাৰ কৰোঁ।

১৭২৪ ইয়াৰ পাচতে গৰ্গই দুয়োকে লগুণ বা উত্তৰী (নৱগুণ) দিলে আৰু গুৰুগৃহত শিক্ষা লাভ কৰিলে। গুৰুগৃহত চৌষষ্ঠিকলা লাভ কৰি গুৰুৰ মৃত পুত্ৰক আনি গুৰুদক্ষিণা কৰিলে।

১৭২৫ কৃষ্ণই উদ্ধৱক মথুৰাৰ পৰা গোকুললৈ পঠাই নন্দ-যশোদাক আশ্বাস দিয়ালে আৰু গোপীসকলক লৈ বাক্য সন্দেশ পঠাই সান্ত্বনা দিয়ালে।

১৭২৬ কুঁজীক ক্ৰীড়া কৰি মনোবাঞ্ছা পূৰণ কৰাৰ পাচত কৃষ্ণই অক্ৰূৰৰ গৃহত প্ৰৱেশ কৰে আৰু দানপতিয়ে কৃষ্ণক অৰ্চ্চনা কৰে। অক্ৰূৰক কৃষ্ণই পাণ্ডৱৰ ওচৰলৈ পঠালে।

১৭২৭ জৰাসন্ধৰ ভয়ত যদুৰাজে সাগৰৰ মাজত দ্বাৰকা নগৰ নিৰ্মাণ কৰোৱালে আৰু মথুৰাৰ প্ৰজাগণক যোগবলে দ্বাৰকালৈ স্থানান্তৰ কৰিলে। তাৰ পাচত জৰাসন্ধৰ সৈন্যগণক বধ কৰিলে।

১৭২৮ কালযৱনক ছলেৰে নি মুচুকুন্দৰ হতুৱাই কৃষ্ণই বধ কৰালে। মুচুকুন্দক তেওঁ পৰম গতি দিলে।

১৭২৯ জৰাসন্ধলৈ ভয় দেখুৱাই কৃষ্ণই মনুষ্য চেষ্টা দেখুৱালে আৰু দুয়ো ভাই দ্বাৰকালৈ পলাই যায়। ৰুক্মিণীয়ে গুপ্ত প্ৰেম-পত্ৰ লিখি দূত পঠালে আৰু কৃষ্ণই তাক দেখি সন্তুষ্ট হ'ল।

১৭৩০ বিপক্ষ ৰজাসকলক পৰাজয় কৰি আৰু ৰুক্মক মুণ্ডন কৰি ৰুক্মিণীক দ্বাৰকালৈ আনি বিবাহ কৰিলে।

১৭৩১ ৰুক্মিণীৰ গৰ্ভত কামদেৱৰ জন্ম হ'ল আৰু সম্বৰাসুৰে কামদেৱক হৰণ

কৰি নিছিল; কৃষ্ণই সম্বৰক বধ কৰে। ৰুক্মিনীসহিতে তেওঁ দ্বাৰকালৈ আহিল আৰু ৰুক্মিণীয়ে পুত্ৰক পাই আনন্দ পালে।

১৭৩২ স্যমন্ত মণিৰ বাবে জাম্বৱন্তক কৃষ্ণই জয় কৰি মণিৰ লগতে জাম্বৱতীক লাভ কৰে। সত্ৰাজিতেও ভয় খাই সত্যভামাক কৃষ্ণত বিয়া দিলে আৰু মণিও যৌতুকত দিলে।

১৭৩৩ মাধৱে মণিটো সত্ৰাজিতৰ হাততে ৰাখিলে। শতধনুকে সত্ৰাজিতক কাটি মণিটো লৈ গ'ল আৰু অক্ৰূৰৰ ওচৰত মণিটো থৈ পলাই যায়। শতধনুক কৃষ্ণই চক্ৰেৰে কাটে যদিও মণিটো নাপালে।

১৭৩৪ অক্ৰূৰে দ্বাৰকাৰ পৰা পলাই যায় আৰু কৃষ্ণই অক্ৰূৰক দ্বাকালৈ ঘূৰাই আনিলে। জ্ঞাতিবৰ্গক স্যমন্তক মণি দেখাই দুৰ্যশৰ পৰা মুক্ত হয়।

১৭৩৫ কৃষ্ণই মিত্ৰবৃন্দা, কালিন্দীক বিয়া কৰে। তদুপৰি ভদ্ৰা, সত্যা, লক্ষণাক কৃষ্ণই বিবাহ কৰে। এই আঠ গৰাকী কৃষ্ণৰ মৰমৰ পত্নী।

হৰি হৰি বুলি সংসাৰৰ মায়াৰ পৰা উদ্ধাৰ হোৱা।

।। পঞ্চম কীৰ্ত্তন ।।

ঘোষা হৰি, হেৰ হেলায়ে ইহেন জনম গৱাইলো।
মই পৰম পাতকী , ভকতি নভৈল।
(হে হৰি, এই জনম হেলা কৰি পঠিয়ালো। মই পৰম পাপী, মই ভকতি নকৰাকৈ জীৱন পঠিয়ালো।)।। ১৪৫।।

পদ ১৭৩৬ কৃষ্ণই নৰকক বধ কৰি যোল্ল হাজাৰ দিব্যকন্যাক লাভ কৰে। স্বৰ্গৰ পুষ্প পাৰিজাত আনি সত্যভামাৰ দুৱাৰত ৰোপন কৰে।

১৭৩৭ ৰুক্মিণীৰ লগত প্ৰেম-পৰিহাস কৰিলে আৰু ৰুক্মিণী ভয়ত নিৰাশ হ'ল। হৰিয়ে চৰ্তুভুজৰূপে ৰুক্মিণীক আঁকোৱালি ধৰি আশ্বাস কৰিলে।

১৭৩৮ কৃষ্ণই নিজকে নিন্দা কৰিলে আৰু ৰুক্মিণীয়ে স্তুতি কৰিলে। কৃষ্ণৰ চৰণত ৰুক্মিণীৰ অনুৰাগ বাঢ়িল আৰু কৃষ্ণৰ নাতি আৰু পুত্ৰই ভৰি পৰিল।

১৭৩৯ প্ৰতিগৰাকী ভাৰ্যাতি একোজনকৈ কৃষ্ণ হৈ ক্ৰীড়া কৰিলে আৰু প্ৰতিগৰাকীৰ দহ দহ পুত্ৰ আৰু এজনী কন্যা জন্ম হ'ল। জগত পতি কৃষ্ণই বহুবিধ লীলা কৰিলে আৰু অনিৰুদ্ধৰ বিবাহত ৰুক্মক মৰালে।

১৭৪০ কৃষ্ণৰ নাতি অনিৰুদ্ধই উষাক ক্ৰীড়িলে আৰু বাণক ৰক্ষা কৰিবলৈ শিৱই কৃষ্ণৰ লগত যুদ্ধ কৰিলে আৰু শিৱ পৰাস্ত হয়। কৃষ্ণই চক্ৰেৰে বাণৰ বাহু ছেদ কৰে।

১৭৪১ যুদ্ধত হাৰি হৰে কৃষ্ণক স্তুতি কৰে। তাৰ পাচত নৃগ ৰজাক উদ্ধাৰ কৰে। বলৰামে গোকুললৈ গৈ নাঙলেৰে যমুনাক আজুৰিলে।

১৭৪২ কৃষ্ণই চক্ৰ ধৰি বাৰানসীলৈ গৈ সুদক্ষিন পৌণ্ড্ৰকক বধ কৰে। হলধৰে ৰৈৱত পৰ্বতত ক্ৰীড়া কৰি দ্বিবিদ বানৰক বধ কৰে।

১৭৪৩ কৰুবীৰসকলে সাম্বক অবৰোধ কৰে আৰু বলৰামে খোজাত দিবলৈ অমান্তি হয়। বলৰামে নাঙলেৰে হস্তিনাপুৰক ওভতাও বুলি অগ্ৰসৰ হ'ল।

১৭৪৪ কৃষ্ণৰ গৃহস্থ ধৰ্ম্ম দেখি নাৰদ বিস্মিত হ'ল। নাৰদে কেৱল ঈশ্বৰকে দেখি কৃষ্ণৰ গুণ-গান কৰি আঁতৰি গ'ল।

১৭৪৫ ৰাতি কৃষ্ণই শয্যাত শয়ন কৰি আছে আৰু পত্নীগণে কণ্ঠত ধৰি নিদ্ৰাগৈ

থাকে। ৰাতিৰ শেষত পক্ষীগণে চিএৰাৰ দৰে নাৰীগণেও কৃষ্ণৰ বিৰহলৈ ভয় কৰে।

১৭৪৬ কুকুৰাৰ ডাক শুনি নাৰীগণে গালি পাৰে। পুৱা হৰিয়ে শুই উঠি নিত্য কৃত্য কৰে আৰু চৌৰাশী অধিক তেৰ হাজাৰ পৰিমাণৰ গো দান প্ৰতিদিনে কৰে।

১৭৪৭ দাৰুকে ৰথেৰে বসন্ত সভালৈ তেওঁক লৈ যায় আৰু সাত্যকি আৰু উদ্ধৱৰ লগত সভাত বহে। চাৰিওফালে পাত্ৰমন্ত্ৰী, সভাসদ বহি থাকে। নাৰদে দেৱকাৰ্য সাধনৰ বাবে তাত উপস্থিত হয়।

১৭৪৮ জৰাসন্ধই বহুত ৰজাক বান্ধি থৈছে বাবে কৃষ্ণত শৰণ মাগি দূত পঠালে। সেই সময়তে যুধিষ্ঠিৰে কৃষ্ণক মাতি পঠালে আৰু কৃষ্ণই মন্ত্ৰীবৰ্গৰ লগত আলোচনা কৰিলে।

১৭৪৯ উদ্ধৱক লগত লৈ কৃষ্ণ ইন্দ্ৰপ্ৰস্থলৈ গ'ল আৰু পঞ্চপাণ্ডৱৰ মনোবাঞ্ছা পূৰ্ণ কৰিলে। কৃষ্ণৰ কিঙ্কৰে কয় দু:খ দূৰ কৰিবলৈ হৰি হৰি বোলা আৰু তেতিয়া পাপমোচন হ'ব।

ষষ্ঠ কীৰ্ত্তন

ঘোষা ৰাম নাম অমৃত পিয়ো পিয়ো।
চিত্ত, বৃথা কথা কই নমৰ।।
(ৰাম নাম অমৃত, ইয়াক পান কৰা, পান কৰি থাকা, হে চিত্ত, বৃথা কথা কৈ কৈ মৰিবলৈ নিবিচাৰিবা)।। ১৪৬।।

পদ ১৭৫০ যুধিষ্ঠিৰে কৃষ্ণক পাই অতি শ্ৰদ্ধা-ভক্তিৰে অৰ্চ্চনা কৰিলে। যুধিষ্ঠিৰক-কৃষ্ণই প্ৰণিপাতে নমস্কাৰ জনালে আৰু ভীমৰ হতুৱাই জৰাসন্ধক বধ কৰোৱালে।

১৭৫১ বন্দী ভক্ত ৰজাসকলক বন্ধন মুক্ত কৰি কৃষ্ণই নিজৰূপ প্ৰদৰ্শন কৰিলে। তেওঁৰ মুখ শান্তিৰে ভৰা, পদুমৰ নিচিনা জ্যোৰ্তিময়, গলে গজমতি আৰু কৌস্তুভ মণিয়ে শোভা কৰে।

১৭৫২ মকৰ কুণ্ডলে গণ্ডস্থল শোভিত, কমনীয় চাৰিভুজ, শিৰে কিৰীটিয়ে সুশোভিত আৰু বুকুত শ্ৰীবৎসই সৌন্দৰ্যৰ পোহাৰ মেলে।

১৭৫৩ ক'লা ডাৱৰত বিজুলিৰ চিক্‌মিকনিৰ দৰে, তেওঁৰ শ্যাম শৰীৰত হালধীয়া বস্ত্ৰই শোভা কৰে, কঁকালত ৰত্নময় কাঞ্চি, ভৰিলৈকে পৰা বনমালাই তেওঁৰ জ্যোতি বঢ়াই তোলে।

১৭৫৪ চৰণ কমলত নুপূৰৰ শব্দই ভক্তৰ হৃদয়ত আনন্দ দিয়ে, এনে মনোময় ৰূপত সন্মুখতে কৃষ্ণক দেখি যুধিষ্ঠিৰৰ সংসাৰ বন্ধনৰ দুখ উপশম হ'ল।

১৭৫৫ সকলোৰে চিত্ত আনন্দত গলি গ'ল, শৰীৰ ৰোমাঞ্চিত হ'ল, চকুৰ লোতক বাগৰি আহিল; মৃত্যুৰ পৰা যেন পুনৰ জীৱনহে পালে আৰু চকুৰে আলিঙ্গন কৰিলে।

১৭৫৬ চাওঁতে চাওঁতে অনুৰাগ বাঢ়ি গ'ল আৰু চৰণত পৰি প্ৰণাম জনালে। আনন্দতে মুক্তি লাভ কৰা যেন পালে আৰু কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে।

১৭৫৭ কৃষ্ণৰ পৰা পৰম ভকতিৰ দান ৰজাই বিচাৰিলে আৰু কৃষ্ণই সকলোকে নমস্কাৰ জনালে। সকলো ৰজাকে সন্তোষ দান কৰি গৃহলৈ পঠালে আৰু তেওঁলোকে ৰাজসূয় যজ্ঞত কৰ ভাৰ যোগালে।

১৭৫৮ যুধিষ্ঠিৰে ৰাজসূয় যজ্ঞ কৰি কৃষ্ণক মহাভক্তিৰে অৰ্চ্চিলা। শিশুপালে নিন্দা কৰাত কৃষ্ণই চক্ৰেৰে তাৰ শিৰচ্ছেদ কৰিলে।

১৭৫৯ তাৰ তেজৰ থোপা আহি কৃষ্ণৰ ভৰিত পৰিল আৰু সাৰূপ্য লাভ কৰি পাৰিষদী তনু লাভ কৰিলে আৰু তাক দেখি সকলোৱে বিস্ময় মানিলে।

১৭৬০ পৰম অভিমানী দুৰ্য্যোধনে সভাৰ সমপতি লক্ষ্য কৰিলে আৰু পানী বুলি স্থলতে বস্ত্ৰ দাঙি ল'লে আৰু জলতে স্থল বুলি লুটিখাই পৰিল।

১৭৬১ দ্ৰৌপদীৰ লগত নাৰীগণ আহি চাপৰি বজাই হাঁহিলে। ভীমৰ ইতিকিঙত দুৰ্য্যোধনে বৰ লাজ পালে।

১৭৬২ কুৰুপতি মৃতপ্ৰায় হ'ল, আৰু কৃষ্ণই চোৱাতহে চেতনা পালে। কুৰুৰাজৰ আক্ৰোশৰ সৃষ্টি কৰি সমস্ত পৃথিৱীৰ ভাৰ হৰণ কৰিবলৈকে কৃষ্ণই এই চাতুৰি কৰালে।

১৭৬৩ কৃষ্ণই কুৰু-পাণ্ডৱৰ মাজত বিবাদৰ সৃষ্টি হ'বলৈ দি একো নমতাকৈ থাকিলে। পাণ্ডৱৰ হতুৱাই ওঠৰ অক্ষৌহিনী সেনা নিধন কৰোৱালে।

১৭৬৪ শিৱৰ বৰ পাই শাল্বই যাদৱ প্ৰজাক মাৰিবলৈ যোৱাত যদুবীৰগণে সৌভ নগৰত প্ৰৱেশ কৰি সমৰ কৰিলে।

১৭৬৫ হস্তিনাপুৰৰ পৰা আহি কৃষ্ণই শাল্বক বধ কৰে। তেওঁ চক্ৰ প্ৰহাৰ কৰি সৌভ নগৰ চূৰমাৰ কৰি বিদূৰথ, দন্তবক্ৰক বধ কৰে।

১৭৬৬ বলৰামে তীৰ্থস্থান পৰিভ্ৰমণ কৰি নৈমিষ্যাৰণ্যত ঋষিসভাত প্ৰৱেশ কৰিলে। সুতে মহাভাগৱত ব্যাখ্যা কৰি আছিল আৰু সুতক বলৰামে বধ কৰে। বল্বল দৈত্যক বধি তেওঁ সুত বধৰ প্ৰায়শ্চিত্ত হয়।

১৭৬৭ ঋষিসকলে তেতিয়া তুষ্ট হ'ল আৰু উগ্ৰশ্ৰবাই ব্ৰহ্মা আসন লাভ কৰে। মহাভাগৱতৰ কথা কোৱা হ'ল আৰু হৰি হৰি বোলা।

সপ্তম কীৰ্ত্তন

ঘোষা গোপীনাথ তুৱা পাৱে ভক্তি নভৈল।
মাধৱ ইহজন্মতো অধোগতি গৈলোহো।।
(হে গোপীসকলৰ স্বামী অৰ্থাৎ বেদৰ অধিপতি, তোমাৰ চৰণত ভকতি কৰা নহ'ল। হে মাধৱ, এই জনমত অধোন্নতিহে কৰিলোঁ।)।।১৪৭।।

পদ ১৭৬৮ দৰিদ্ৰ বিপ্ৰ দামোদৰ দ্বাৰকালৈ গৈছিল আৰু কৃষ্ণই পৰম সাদৰে তেওঁক অৰ্চ্চনা কৰিলে। গুৰুগৃহত থকা কালৰ কথা পাতি মনৰ সন্তুষ্টি লাভ কৰিলে আৰু বিপ্ৰই নিয়া চাউল-চিৰা এমুঠি খালে।

১৭৬৯ ইন্দ্ৰই নোপোৱা ঐশ্বৰ্য্য বিপ্ৰই লাভ কৰিলে - এয়ে ভক্তৰ অধীন ভগৱান কৃষ্ণ। ইতিমধ্যে সৰ্ব্বগ্ৰাস সূৰ্য্যগ্ৰহণ হ'ল আৰু সমস্ত ৰজা কুৰুক্ষেত্ৰলৈ গ'ল।

১৭৭০ পুত্ৰ আৰু বান্ধৱ সহিতে যদুগণ তালৈ গ'ল আৰু ৰজাসকলে পৰস্পৰে কৃষ্ণ কথা পাতিলে। কৃষ্ণৰ পত্নীসকলৰ লগত দ্ৰৌপদীয়ে কৃষ্ণ-কথা পাতিলে।

১৭৭১ নাৰদ প্ৰমুখ্যে ঋষিগণো তালৈ আহিল আৰু কৃষ্ণই তেওঁলোকক অৰ্চ্চনা কৰিলে। পিতৃৰ মহাযজ্ঞ মহোৎসৱ কৰাই বন্ধুগণক তুষ্ট কৰি কৃষ্ণই পঠালে।

১৭৭২ নন্দ-যশোদাক সন্মান জনাই, জ্ঞান দান কৰি গোপীক শান্ত কৰিলে। পাচত কৃষ্ণই পিতৃক মহাজ্ঞান দি দৈৱকীৰ মৃত ছয়পুত্ৰক আনি দান কৰিলে।

১৭৭৩ ভনীয়েক সুভদ্ৰাক অৰ্জুনলৈ বিয়া দিলে আৰু ভক্তক চাবলৈ মিথিলালৈ গ'ল আৰু শ্ৰুতদেৱ, জনকৰ মনোবাঞ্ছা পূৰণ কৰে।

১৭৭৪ নাৰদে মাধৱৰ ওচৰত ভক্তিৰ বিষয়ে সোধাত নাৰায়ণে বেদৰ সাৰতত্ত্ব কথা ব্যক্ত কৰিলে। ভক্তিয়েহে সংসাৰত তাৰে বুলি জানিলে। বেদস্তুতিৰ মূল মন্ত্ৰসমূহে ইয়াকে কৈছে।

১৭৭৫ হৰিভক্তিত পৰম মুক্তি লাভ হয়। অন্যদেৱসকলে ভুকুতি দিব পাৰে। ভৃগু ঋষিয়ে পূৰ্ব্বতে পৰীক্ষা কৰি পোৱা কৃষ্ণ-গুণ মুনিগণৰ আগত আহি ক'লেহি।

১৭৭৬ বিপ্ৰৰ মৃতপুত্ৰসবক মহাকালপুৰত কৃষ্ণই প্ৰৱেশ কৰি ঘূৰাই আনিছিল

আৰু অৰ্জ্জুনৰ প্ৰতিজ্ঞা ৰক্ষা কৰিছিল। ভকত বৎসল কৃষ্ণই ভকত কৃষ্ণক এইদৰে মৃত্যুৰ পৰা ৰক্ষা কৰিছিল।

১৭৭৭ কৃষ্ণৰ ষোল হেজাৰ অষ্টাধিক একশত মহিষী পৰম ভক্ত আছিল। কৃষ্ণৰ পুত্ৰৰ সংখ্যা- এষষ্ঠি হাজাৰ লাখ আৰু আশী।

১৭৭৮ তেওঁলোকৰো অপৰ্য্যাপ্ত পুত্ৰ-নাতি জন্ম হৈছিল আৰু যদুবংশত কৃষ্ণই অৱতাৰ লৈ - গঙ্গাতকৈ কীৰ্ত্তনক শ্ৰেষ্ঠ বুলি ক'লে।

১৭৭৯ তেওঁ শত্ৰু-মিত্ৰ-উদাসীনকো সমভাবে কৃপা কৰিলে, মহন্তসবৰ আপদ হৰণ কৰিলে। কৃষ্ণৰ কৰ্ম্মৰাজিত আচৰিত হ'বলগা একো নাই, কাৰণ সেইকালত তেওঁ ভগৱানৰ পূৰ্ণ অৱতাৰ আছিল।

১৭৮০ হে পৰীক্ষিত শুনা এইটো আচৰিত কথা যে, তেওঁৰ নাম ললেই তৰি যাব পাৰি। ৰজাই তপোবনলৈ যাবৰ প্ৰয়োজনেই নাই, গৃহতে শ্ৰৱণ-কীৰ্তন কৰিয়েই গতি লাভ হয়।

১৭৮১ এইখিনিয়েই দশম স্কন্ধত বৰ্ণিত কৃষ্ণলীলা। শুকমুনিয়ে ৰজা পৰীক্ষিতক এই লীলাৰ কথা কলে। শঙ্কৰে কৃষ্ণৰ চৰণত ধৰি এই কথা ৰচিলে।

১৭৮২ হে জ্ঞানীগণ, শুনা এতিয়া সুখেৰে আছা, কিন্তু কালে গ্ৰাস কৰিবলৈ চাই আছে ; মনুষ্য জন্মৰ আয়ু অবাবতে গৈ আছে, কোন মুহূৰ্ত্তত প্ৰাণ- বায়ু নিৰ্গত হয়- তাৰ ঠিক নাই।

১৭৮৩ ইয়াকে জানি ভকতিত মতি দিয়া, হৰি-কথা শ্ৰৱণত ৰতি কৰা। কলিত কীৰ্ত্তন বিনে গতি নাই সেয়ে হৰি হৰি বুলি উদ্ধাৰ হোৱা।

।। লীলামালা সমাপ্ত।।

কথা কীৰ্ত্তন- ঘোষা

ষষ্ঠবিংশ খণ্ড

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ- প্ৰয়াণ

প্ৰথম কীৰ্ত্তন

ঘোষা ।। মাধৱ পদ্মনাভ ভগৱন্ত ।
নাৰায়ণ নৰসিংহ অনন্ত।।
(ভগৱন্তৰ ছয়নাম - মাধৱ, পদ্মনাভ, ভগৱন্ত, নাৰায়ণ , নৰসিংহ, অনন্ত- ছয়নামৰ সমাহাৰ- কৃষ্ণ)।। ১৪৮।।

পদ ১৭৮৪ শুকে ক'লে- পৰীক্ষিত শুনা, এইদৰে কৃষ্ণই বলোৰমৰ সৈতে সমস্ত দুষ্ট দৈত্যগণক সংহাৰ কৰি ভূমিৰ ভাৰ লীলা কৰি হৰণ কৰিলে।

১৭৮৫ কৃষ্ণই ভাবিলে- এতিয়া মাত্ৰ দুৰ্দ্দান্ত যদুবংশহে আছেগৈ। প্ৰতিজন যদুবীৰ ত্ৰৈলোক্য বিজয়ী; গতিকে এওঁলোক জীৱিত থাকিলে ভূমিৰ ভাৰ নকমিব।

১৭৮৬ এওঁলোকৰ ময়েই আশ্ৰয় হৈ আছো আৰু মই থকাৰ বাবেই কাৰো পৰা পৰাজয়ৰ ভয় নাই। গতিকে এওঁলোকৰ মাজত কন্দল লগাই পৃথিৱীৰ ভাৰ হৰণ কৰিব লাগিব।

১৭৮৭ ইয়াকে ঠিৰাং কৰি যদুবংশৰ ওপৰত চলেৰে বিপ্ৰশাপ দিয়ালে। দ্বাৰকাত অমঙ্গল হ'ল, — সকলোৰে মন উচাট-বিচাট লাগিল।

১৭৮৮ ব্ৰহ্মাসহিতে ত্ৰিদশকোটি দেৱতা দ্বাৰকালৈ আহিল। কৃষ্ণক দৰ্শন পোৱাৰ আশাৰে তেওঁলোকে আকাশত ৰথ ৰখাই থাকিল।

১৭৮৯ দেৱগণে দ্বাৰকাৰ মহাসমৃদ্ধি দেখি বিস্ময় মানিলে। কৃষ্ণক দেখি কৃষ্ণৰ অদ্ভুত ৰূপ তেওঁলোকে চাই থাকিল।

১৭৯০ একদৃষ্টিৰে চাই চাই অতৃপ্ত হৈ তেওঁলোকে পাৰিজাত বৃষ্টি কৰিলে ,

কৃতাঞ্জলি কৰি তাৰপ্‌ৰাই স্তুতি কৰিলে।

১৭৯১ হে কৃষ্ণ, তোমাৰ চৰণত নমস্কাৰ জনাওঁ। তোমাৰ পৰমভক্তই চৰণত সেৱা জনায়। তোমাক হৃদয়ত ভকতে চিন্তা কৰে বাবে অতি সহজে সংসাৰ বন্ধ চিঙিব পাৰে।

১৭৯২ তুমি ত্ৰিগুণামায়াক আশ্ৰয় কৰি আত্মাত জীৱগণ সৃষ্টি কৰা, নিজে পালন কৰা তথাপি তোমাক ত্ৰিগুণে স্পৰ্শ কৰিব নোৱাৰে।

১৭৯৩ তোমাৰ গুণ চৰিত্ৰ শুনি তিনিলোক পবিত্ৰ হয়; জ্ঞানযোগ, দান তপ, বেদ আচৰণ আদিয়ে সিমান শুদ্ধ কৰিব নোৱাৰে ।

১৭৯৪ কলিযুগত তোমাৰ গুণ-চৰিত্ৰ, লীলা — যি শ্ৰৱণ কৰে, প্ৰচাৰ কৰে তেওঁ বহুত পুৰুষ উদ্ধাৰ কৰি সুখেৰে সংসাৰ অতিক্ৰম কৰিব পাৰে।

১৭৯৫ যোল হাজাৰ পত্নীয়েও নানা চল-চাতুৰীৰে যাৰ মনক মথিব নোৱাৰিলে। সেই কৃষ্ণৰ চৰণ কমলত প্ৰণিপাত জনাওঁ।

১৭৯৬ কৃষ্ণক সন্মুখত দেখি প্ৰতিজন দেৱেই ভুৰি ভুৰি স্তুতি কৰিলে। পদৰ বাহুল্যৰ ভয়ত সেই স্তুতিৰ বিৱৰণ দিয়া নহ'ল ।সমস্ত নৰে হৰি হৰি বোলা।।

দ্বিতীয় কীৰ্ত্তন

ঘোষা শিৱ শাৰঙ্গধাৰী মধুসূদন দৈত্যাৰি ।।
(হে শিব অৰ্থাৎ মঙ্গলময়, তুমি হাতত শাৰঙ্গধনু লৈ লীলা কৰা, তুমি মধুদৈত্যহন্তা — অৰ্থাৎ অশুভ মায়াক দূৰ কৰোঁতা) ।।১৪৯।।

১৭৯৭ আকাশত থাকি ব্ৰহ্মাই স্তুতি কৰি কৃষ্ণক ক'লে - হে প্ৰভু চক্ৰপাণি, শুনা - তুমি পৃথিৱীৰ মহাভাৰ খণ্ডিবৰ কাৰণে দৈৱকীৰ গৰ্ভত অৱতাৰ ললাহি।

১৭৯৮ দুষ্ট ৰজাগণক লীলা কৰি বধ কৰিলা, সন্ত-সাধুক ৰক্ষা কৰিলা, ধৰ্ম্মক সংস্থাপন কৰিলা আৰু সমস্তলোকত ব্যাপি থকা পাপসমূহ প্ৰলয় ঘটালা। তোমাৰ যশ-কীৰ্তি দশোদিশে প্ৰকাশ পালে।

১৭৯৯ তুমি যদুবংশত অৱতাৰ হোৱা এশ পঁচিশ বছৰৰ অধিক হ'ল। দেৱকাৰ্য্য সকলো তুমি সাধন কৰিলা আৰু বিপ্ৰশাপৰ চলেৰে নিজ কুলকো বিনাশ কৰিছাহি।

১৮০০ এতিয়া পৃথিৱী এৰি নিজস্থানলৈ অনতিপলমে আঁহা। আমি সকলো তোমাৰ সেৱক, আমাক পৰিত্ৰাণ কৰাহি। কৃষ্ণই ক'লে - হে প্ৰজাপতি পৃথিৱী এৰি যাবলৈ মোৰো মন হৈছে।

১৮০১ কিন্তু যদুবংশ সংহাৰ নকৰাকৈ এৰি থৈ গ'লে তাৰ ভৰে পৃথিৱী পুনৰ তল যাব। সেয়ে যোৱাৰ আগতে যদুবংশ সংহাৰ কৰিহে তোমাৰ আলয়লৈ গতি কৰিম ।

১৮০২ ইয়াকে শুনি ব্ৰহ্মাই প্ৰণাম জনাই দেৱসকলক লৈ নিজ স্থানে গতি কৰিলে । দ্বাৰকাত নানা ধৰণৰ উৎপাত আৰম্ভ হ'ল।

১৮০৩ বংশক শুনাই কৃষ্ণই ক'লে— আমি এই ঠাই এৰি প্ৰভাসলৈ যাম, কাৰণ আমাৰ বংশত ঋষি শাপ পৰিছে আৰু নানা উৎপাত হোৱা দেখি হৃদয় দহিছে।

১৮০৪ প্ৰভাসত স্নান কৰি চন্দ্ৰই যক্ষ্মাৰোগৰ পৰা নিষ্কৃতি পাইছিল আৰু দক্ষ শাপৰ পৰা মুক্ত হৈছিল; গতিকে আজিয়েই প্ৰভাসলৈ আমি যাম, যদুগণ, তালৈ যাবলৈ সাজু হোৱাহঁক।

১৮০৫ আমি সবংশে তালৈ গৈ স্নান কৰিম; বিপ্ৰক ভোজন কৰাই মহাদান কৰিম। দান কৰি পুণ্য লাভ কৰিম আৰু মহানাওত পাৰ হোৱাৰ দৰে

ঘোৰ দুৰ্গতিৰ পৰা নিস্তাৰ পাম।

১৮০৬ কৃষ্ণৰ বাক্যমতে যদুগণ যাবলৈ ওলাল। নানা সাজ-পাৰ পিন্ধি ৰথত নানা দ্ৰব্য তুলিলে।

১৮০৭ পতাকা উৰুৱাই সকলোৰে এঠাইত সমবেত হ'ল, নগৰত বাল-বৃদ্ধ-স্ত্ৰী মাত্ৰ থাকিল। শঙ্কৰে এই কথা ৰচিছে কৃষ্ণৰ চৰণক ধিয়াই, হৰি হৰি বুলি পাপক খেদোৱা।

তৃতীয় কীৰ্ত্তন

ঘোষা পৰমানন্দ ৰাম জোনো মোক ছাড়হে।
হৰি জোনো তেজি মোক যাহা।।
(হে পৰমানন্দ ৰাম, মোক জানোচা এৰা, হে হৰি জানোচা মোক এৰি থৈ যোৱা।)।।১৫০।।

পদ ১৮০৮ বিমঙ্গল দেখি ভক্ত উদ্ধৱৰ শৰীৰ কঁপি উঠিল আৰু যদুগণৰ ওচৰ চাপিল। কৃষ্ণৰ বচন শুনি সকলোৱে মনতে দুঃশ্চিন্তা কৰিলে আৰু কৃষ্ণৰ অভিপ্ৰায় বুজি পালে। হৰিভক্ত উদ্ধৱে কৃষ্ণক অকলশৰে লগ কৰি মূৰেৰে কৃষ্ণৰ দুই চৰণ চুই সেৱা জনালে। উদ্ধৱে নম্ৰভাৱে কৃতাঞ্জলি কৰি কৃষ্ণক ক'লে -

১৮০৯ মই জানিলো যে- তুমি যাদৱ বংশক সংহাৰ কৰোৱাই ভূমি পৰিত্যাগ কৰিবা। যিহেতু তুমি জগতৰ স্বামী, গতিকে ঋষিশাপ ব্যৰ্থ নকৰিলা। তোমাৰ চৰণ এৰি এক নিমিষ থাকিব নোৱাৰো, তুমি এৰি গ'লে মোক সন্তাপে গিলিব— অৱশ্যে মই তেতিয়া প্ৰাণকে এৰিম।

১৮১০ তুমিয়েই জপ-তপ-পুণ্য, তুমি বিনে চাৰিওফালে শূণ্য যেন লাগে, দিনতে আন্ধাৰ দেখো; গতিকে পৰি পৰি অনেকভাৱে কাকুতি কৰিছো, দুয়োচৰণত ধৰিছোঁ, মোকো লগত লৈ যোৱা। তোমাৰ চৰিত্ৰ সম্যকে অমৃতোপম, তাক যি শুনে তেওঁৰ ভাৱভৰ্ত্তি হয় আৰু তোমাৰ চৰণত ভকতি হয় আৰু বিষয়ক পিঠি দিয়ে।

১৮১১ শয়ন-ভোজন-স্নানত সদায় সেৱা কৰি থাকো। তুমিয়েই জীৱ, তুমিয়েই প্ৰাণ, তুমি বিনে আন নাই, গতিকে তোমাৰ বিয়োগত কেনেকৈ বৰ্তিম? মই পিন্ধা সকলো বস্ত্ৰ অলঙ্কাৰ এৰি তোমাৰ অলঙ্কাৰ (অৰ্থাৎ চৰণ যুগল) পিন্ধো আৰু তোমাৰ খাই এৰা (উচ্ছিষ্ট) ভোজন কৰি দুস্তৰা মায়াৰ পৰা উদ্ধাৰ হওঁ।

১৮১২ যোগীগণে বৰ কষ্ট কৰি সমাধি আচৰি সকলো কৰ্ম্মবন্ধ নাশ কৰে, সকলোতে ব্ৰহ্মময় দেখে, সংসাৰ সমস্ত ত্যাগ কৰি ঈশ্বৰত লীন যায়। আমি গৃহবাসীসকলে কৰ্ম্মপথত ভ্ৰমি ফুৰোঁ, গতিকে উদ্ধাৰৰ উপায় হিচাবে তোমাৰ চৰণত ভজিলো। হৃদয়ত তোমাক স্মৰণ কৰি মুখেৰে

কীৰ্তন কৰি, তোমাৰ কথাতে বুৰগৈ সংসাৰ পাৰ হ'ব বিচাৰো।

১৮১৩ তোমাৰ চৰণৰ শীতল ছাঁয়াত যিজনে থাকি উপাসনা কৰে, তেওঁ সংসাৰ তিনি তাপৰ পৰা ৰক্ষা পায়। এনে পাদ-পদ্মক এৰি ক্ষন্তেকো জীয়াই থাকিব নোৱাৰো, গতিকে মোকো লগতে লৈ যোৱা। এইদৰে কৃষ্ণৰ চৰণত পৰি কাৰ্পুণ্য কৰি উদ্ধৱে কান্দিবলৈ ধৰিলে। ভকতৰ দুখ দেখি মাধৱে আশ্বাস দি ক'লে-

১৮১৪ তুমি কোৱা কথা সঁচা, মই পৃথিবী এৰিব বিচাৰিছো, ইতিমধ্যে পৃথিবীৰ ভাৰ সংহাৰ কৰা হ'ল। তদুপৰি দেৱতাৰ কামো কৰি শেষ কৰিলো, তোমাক খুলিয়েই কৈছো— কুলৰো মহামাৰ চিন্তিলো। সাতদিনৰ পাচতে দ্বাৰকা সাগৰত তল যাব, মই ভূমি এৰি যোৱাৰ লগে লগে তুমি ইয়াত নাথাকিবা, এই ঠাইত বিমঙ্গল হ'বই।

১৮১৫ দুৰ্জ্জন কলিয়ে সকলোকে পীড়িব, বন্ধু-বান্ধৱৰ মৰম-চেনেহ এৰি সোনকালে ইয়াৰ পৰা আঁতৰি যোৱা। মোক আত্মা বুলি জানি মোক বান্ধৱ বুলি মানি নিজৰ দেহক ভিন্ন বুলি ভাবি লোৱা। যিমানবোৰ দেখিছা, শুনিছা, মনত গুণিছা, সকলো মায়াময় স্বপ্নসম। সমস্ত জগতেই ভগবান বুলি নিশ্চয়ে জানিবা, বুদ্ধিৰ ভ্ৰম দুৰ কৰিবা।

১৮১৬ উদ্ধৱক জ্ঞানযোগ, কৰ্ম্মযোগ, ভক্তিযোগ— সমস্তকে কৃষ্ণয়ে ক'লে। মাধৱৰ কৃপাত উদ্ধৱে সাংখ্যযোগৰ বিষয়েও জানিব পাৰিলে। পুনৰ কৃষ্ণক প্ৰণাম জনাই উদ্ধৱে নম্ৰভাৱে ক'লে— তুমিয়েই মাত্ৰ সঁচা অৰ্থাৎ সত্যব্ৰহ্ম, আন সকলোবোৰ মিছা অৰ্থাৎ অবস্তু, তৎসত্বেও মোহমায়া সহজে ত্যাগ কৰিব পৰা নাযায়।

১৮১৭ বিষয়ত যে দুখ আছে তাক জানিও সকলো প্ৰাণী পদাৰ্থই বিষয়ক এৰিব নোৱাৰি ভুঞ্জি মৰে। ছাগলীক ডিঙিত ৰচি লগাই নিলেও নিৰ্লজ্জ কৰ্ম্ম ছাগলীয়ে কৰে, কুকুৰক মৰিয়ালেও উচ্ছিষ্ট ভুঞ্জিবলৈ পুনঃ পুনঃ যায়। বিষয়ৰ মোহ ইমান দুৰ্ঘোৰ যে ইয়াৰ প্ৰতি কেনেকৈ বিৰাগ বা বিৰকতি আহিব এই তত্ব কথা কওঁক।

চতুৰ্থ কীৰ্ত্তন

ঘোষা নৰহৰি কি এ ৰাম নিস্তাৰিয়া নাৰায়ণ নিয়ো।
মাধৱ, তোহ্মাৰ চৰণ তুলি ধৰিবো।।
(হে নৰহৰি ৰাম, হে নাৰায়ণ, মোক উদ্ধাৰ কৰি নিয়া; হে মাধৱ, তোমাৰ চৰণ যুগল দাণ্ডি লৈছো প্ৰভু।) ।।১৫১।।

পদ ১৮১৮ কৃষ্ণই উদ্ধৱক সম্বোধি ক'লে - যি জনে কৰ্ম্মবন্ধৰ পৰা মুক্তি পাব বিচাৰে সেইজনে প্ৰথমে বৈষ্ণৱৰ সঙ্গ ল'ব, মোৰ গুণ-চৰিত্ৰ-লীলা ভকতৰ পৰা শুনিব, মোৰ নাম-কীৰ্তন সকলো সময়তে কৰিব।

১৮১৯ হৃদয়ত মোৰ ৰূপ যত্ন সহকাৰে চিন্তা কৰিব, মোৰ যশ গাই গীত-নৃত্য কৰিব তাৰ আৰু ভয় নাথাকিব, তেওঁ কৃতকৃত্য হ'ব অৰ্থাৎ - বিষয়ত বিৰকতি হ'ব।

১৮২০ হেৰা উদ্ধৱ, ৰহস্য ভকতিৰ বিষয়ে শুনা- প্ৰথমে মন স্থিৰ কৰি অভ্যাস কৰিবা। মই হৰি সমস্ত প্ৰাণীতে ব্যাপি আছো বাবে সকলো প্ৰাণীকে বিষ্ণু বুদ্ধি কৰি অৰ্থাৎ সকলোকে বিষ্ণু বুলি ভাবি মান-সৎকাৰ কৰিবা।

১৮২১ ব্ৰাহ্মণৰ পৰা আৰম্ভ কৰি চণ্ডাল পৰ্যন্ত কাৰো জাত-কুল নিবিচাৰিবা, দাতাৰ পৰা চোৰলৈকে সকলোকে সমভাৱে দৃষ্টি দিবা, নীচ আৰু সাধুক এক ভাৱে চাবা, তেওঁহে আচল জ্ঞানী পণ্ডিত বুলি সকলোৱে কয়।

১৮২২ বিশেষকৈ মনুষ্যৰ ভিতৰত যি জনে বৈষ্ণৱ জ্ঞানেৰে সকলোকে সম্মান আৰু শ্ৰদ্ধা কৰে, হিংসা-অসূয়া-তিৰস্কাৰ-অহংকাৰ আদি বদ গুণসমূহ লগে লগে লোপ পাই আহে।

১৮২৩ মোক বন্ধুগণে আহি বেঢ়িলৈ হাঁহিব। মই সাধু বুলি প্ৰশংসা কৰিব, মই চোৰ বুলি ঘৃণাব- এনেবোৰ লজ্জাভাৱ ত্যাগ কৰিবা। কুকুৰ, শিয়াল, গাধ আদিৰো আত্মা হিচাবে ময়েই থাকো বুলি ভাবি সকলোকে যথোচিত সন্মান অৰ্থাৎ সেৱা কৰিবা।

১৮২৪ সকলো প্ৰাণীতে ভগৱান আছে বুলি ভাৱ নোহোৱালৈকে কায়-বাক্য-মনেৰে অভ্যাস কৰি থাকিবা। সমস্ত জগতকে বিষ্ণুময় দেখিব পাৰিলে জীৱিত অৱস্থাতে মুক্ত হ'ব পাৰিবা।

১৮২৫ সমস্ত প্ৰাণীকে নিজৰ দৰে ভাবিবা, এজনৰ যি আত্মা আনজনৰো একে-

এনেভাৱ অতি শ্ৰেষ্ঠ আৰু উত্তম উপায়। মই কোৱা এই তত্ত্বৱাণীৰ অকণো হীনদেৰি নাই, যিহেতু এনে কৰিলে ধৰ্ম্মৰ গ্লানি নহয়।

১৮২৬ এই ৰহস্য-তত্ত্ব দাম্ভিক, শঠ অৰ্থাৎ ঠগ-প্ৰৱঞ্চকক ক'ব নেলাগে; মাত্ৰ বৈষ্ণৱ জনৰ আগত হে এই তত্ত্ব প্ৰকাশ কৰিবা। স্ত্ৰীয়েই বা শূদ্ৰ যি নহওক- যিজনৰ আমাত ভকতি থাকে; তেনেলোকৰ আগত এই জ্ঞান-তত্ত্ব ব্যক্ত কৰিবা।

১৮২৭ ইয়াক ভক্তিভাৱে যি জ্ঞানীগণে পঢ়ে তেওঁ মহাশুদ্ধ হৈ জ্ঞানৰ পোহৰ পাই মোক দৰ্শন কৰিব পাৰে। হে উদ্ধৱ, এতিয়া এই তত্ত্ব জানিলা, এই উপদেশ তোমাক দিলো। তোমাৰ এতিয়া শোক-মোহ আঁতৰ হ'লনে?

১৮২৮ মোৰ শৰীৰ -ব্ৰহ্মা, হৰ, বলভদ্ৰ, লক্ষ্মীৰ সমাশ্ৰৱ মাত্ৰ। এই তনু পৰম সুন্দৰ তনু। তুমি মোৰ পৰম প্ৰিয়তম, তোমাৰ সমান বন্ধু আৰু মোৰ আন নাই।

১৮২৯ ভকতেই মোৰ হৃদয়, মই ভকতৰ হৃদয়। ভকতে মোৰ বাহিৰে আন চিন্তা নকৰে আৰু ময়ো ভকতৰ বাহিৰে আনক চিন্তা নকৰো। মই আৰু ভকত অভিন্ন।

পঞ্চম কীৰ্ত্তন

ঘোষা কমলাপতি ৰাম গতি হোক।
মোৰ মতি মোহ্মাৰ চৰণে।।
(হে কমলাপতি, হে ৰাম, মোৰ গতি লাগক। মোৰ মতি যেন তোমাৰ চৰণে থাকক।) ।।১৫৩।।

পদ ১৮৩০ কৃষ্ণৰ বাণী শুনি উদ্ধৱে কৃতাঞ্জলি কৰি থাকিল। তেওঁ মুখেৰে একো নামাতি বহি থাকিল আৰু তেওঁৰ চকুৰ লোতক পৰিবলৈ ধৰিলে।

১৮৩১ স্নেহত তেওঁৰ মন আকুল হ'ল, ধৈৰ্য ধৰি সচেতন হৈ থাকিল। তেওঁ লাহে লাহে আগবাঢ়ি গৈ কৃষ্ণৰ চৰণ শিৰেৰে স্পৰ্শ কৰিলে।

১৮৩২ তেওঁ কৃষ্ণক নমস্কাৰ জনাই নিজৰ মোহ আৰু অহঙ্কাৰ দূৰ কৰিলে। সূৰ্যৰ ওচৰত থকা জনক আন্ধাৰে ঢাকিব নোৱাৰাৰ দৰে উদ্ধৱৰো তমসা কৃষ্ণই দূৰ কৰিলে।

১৮৩৩ উদ্ধৱে ক'লে— এই ভৃত্যক মহান কৃপা কৰিলা, মোক বিজ্ঞানৰ প্ৰভা মোক দান কৰিলা। হে প্ৰভু, তোমাৰ চৰণ এৰি কোনেনো আনক ভজিব।

১৮৩৪ মোৰ কঠিন মোহ পাশ চিঙি দি বিষয়ৰ প্ৰতি উদাসীন কৰিলা, বান্ধৱৰ প্ৰতি থকা স্নেহ আঁৰ কৰিলা আৰু নিজ্ৰ দেহকো আত্মাৰ পৰা পৃথক দেখিলো।

১৮৩৫ হে যোগেশ্বৰ হৰি, এই সেৱকক ভালকৈ শিক্ষা দিয়া। সংসাৰৰ পৰা মুক্ত অৱস্থাতো মোৰ মনে যেন তোমাৰ চৰণ নেৰে।

১৮৩৬ মাধৱে ক'লে— সেয়ে হওক। তুমি বদৰিকাশ্ৰমলৈ যোৱা, অলকানন্দাক দৰ্শন কৰি সমস্ত পাপ ক্ষয় কৰা।

১৮৩৭ বাকলি বসন পৰিধান কৰিবা, বন্য ফল-মূল ভক্ষণ কৰিবা, ইন্দ্ৰিয়ক দমন কৰি মনক নিয়ন্ত্ৰণ কৰি শান্ত হ'বা।

১৮৩৮ মোক মন-বাক্যেৰে সোঁৱৰণ কৰিবা, মোৰ ৰূপ যত্ন কৰি চিন্তিবা আৰু সংসাৰৰ বন্ধৰপৰা মুক্ত হৈ মোতে চিত্ত দি মোতে লীন যাবা।

১৮৩৯ মই যি জ্ঞান-শিক্ষা প্ৰদান কৰিলো তাক যথাযথভাৱে অভ্যাস কৰিবা। তাৰ প্ৰমাণ সোনকালে পাবা আৰু এইমাত্ৰ এই স্থান এৰি যোৱা।

১৮৪০ সংসাৰৰ ক্লেশৰ পৰা উদ্ধাৰ পাবা আৰু লোকক উপদেশ দিবা। কৃষ্ণৰ চৰণত শঙ্কৰে এই পদ ৰচনা কৰিলে, সকলোৱে হৰি হৰি বোলা।

ষষ্ঠ কীৰ্ত্তন

ঘোষা হৰি জগন্নাথ ত্ৰাহি।
(হে হৰি, হে জগতৰ স্বামী, উদ্ধাৰ কৰা।।)

পদ ১৮৪১ কৃষ্ণই কোৱাৰ লগে লগে উদ্ধৱে উঠি কৰযোৰ কৰিলে। বান্ধৱ কৃষ্ণৰ সান্নিধ্যৰ পৰা বিচ্ছিন্ন হৈ উদ্ধৱে কৃষ্ণক প্ৰদক্ষিণ কৰিলে।

১৮৪২ তেওঁ কৃষ্ণৰ চৰণত মূৰ থৈ প্ৰণাম কৰিলে, স্নেহত আকুল হ'ল। চকুৰ পানীৰে প্ৰভুৰ দুই চৰণ তিয়াই পেলালে।

১৮৪৩ আজিৰ পৰা প্ৰভুৰ চৰণ এৰিলোঁ বুলি কান্দিবলৈ ধৰিলে। মহাজ্ঞান লাভ কৰিও যেন প্ৰাণ যাওঁ যাওঁ হ'ল।

১৮৪৪ স্নেহত তেওঁ আতুৰ হ'ল, যাবলৈ ধৰে যদিও হৃদয়ে যাব নিদিয়ে। কৃষ্ণক এৰিব নোৱাৰা হ'ল আৰু চৰণত পৰি কেৱল কান্দিলে।

১৮৪৫ উদ্ধৱে হৃদয়-তাপত অৱসান্ন হ'ল, মাধৱে ক'লে যোৱা, যোৱা। —কৃষ্ণৰ আদেশ মানি তেওঁ চকু মোহাৰি থিয় হ'ল।

১৮৪৬ প্ৰভুৰ খৰমযোৰ শিৰত লৈ কৃষ্ণক প্ৰণাম কৰি কান্দি কান্দি আগবাঢ়ে যদিও ভৰি নচলে, পুনৰ পৰি প্ৰণাম কৰিলে।

১৮৪৭ পাঁচ-ছয় ভৰি গৈয়ে পুনৰ মাটিত পৰিলে আৰু উঠি কৃষ্ণৰ পৰা আঁতৰি যায় যদিও পুনৰ উলটি চায়।

১৮৪৮ মনক বুজাব নোৱাৰা হৈ পুনৰ মাটিত পৰি যায় আৰু উঠি চলি যায়। কৃষ্ণৰ বিয়োগত মন দহি নিবলৈ ধৰিলে।

১৮৪৯ কৃষ্ণই দিয়া জ্ঞানক তেওঁ হৃদয়ত ধ্যান কৰি খৰমযোৰ শিৰত লৈ দ্বাৰকাৰ পৰা বাহিৰ হৈ গ'ল।

১৮৫০ যাদৱবংশক আনি কৃষ্ণই ক'লে- চোৱা, কি যে উৎপাত হৈছে, দ্বাৰকাত মহা বিপদ আহি পৰিছে।

১৮৫১ স্ত্ৰী, বাল-বৃদ্ধসকল দ্বাৰকাত থাকক। আমি প্ৰভাসলৈ যাওঁ আৰু তাত নামি স্নান কৰি দান দিওঁ।

১৮৫২ দানত দুৰ্গতি খণ্ডে। গতিকে সোনকালে যাওঁহঁক। এই কথা শুনি বৃদ্ধ-বাল-স্ত্ৰীসকল দ্বাৰকাত থাকিল।

১৮৫৩ বলী বলী পুৰুষসকলে নাৱেৰে সাগৰ পাৰ হ'ল আৰু ৰথত উঠি প্ৰভাসলৈ গৈ দেৱ-ব্ৰাহ্মণক অৰ্চনা কৰিলে।

১৮৫৪ কৃষ্ণকথা সৰ্বজনে শুনা, কৃষ্ণৰ কীৰ্তনেহে উদ্ধাৰ কৰিব। গৃহত থাকিও কীৰ্ত্তন কৰি মুক্তি পাবা, ইয়াকে জানি হৰি হৰি বোলা।

সপ্তম কীৰ্ত্তন

ঘোষা মন শ্ৰীৰাম কৃষ্ণ হৰি যতনে বুলিয়া।
একান্ত চিত্তে কৃষ্ণৰ চৰণে ধৰিয়ো।।
(হে মন, শ্ৰীৰাম কৃষ্ণ হৰি যত্ন কৰি লোৱা, একান্ত চিত্তে কৃষ্ণৰ চৰণত ধৰি— ৰাম কৃষ্ণ হৰিৰ নাম লোৱা।। ১৫৪।।

পদ ১৮৫৫ যদুগণে কালগ্ৰস্ত হৈ বাৰুণী সুৰা পান কৰি গণ্ডগোল আৰম্ভ কৰিলে। কৃষ্ণৰ মায়াত পৰি তেওঁলোকৰ বুদ্ধি লোপ পালে আৰু মদৰ ৰাগীত পৰি সকলোৱেই উন্মত্ত হৈ পৰিল।

১৮৫৬ তেওঁলোকৰ পৰমক্ৰোধৰ সৃষ্টি হ'ল, চেতনা লোপ পালে, পৰস্পৰে পৰস্পৰক গৰ্জ্জি উঠিল। অস্ত্ৰ-শস্ত্ৰ ধৰি সকলোৱে ৰণত নিৰ্বিষ্ট হ'ল আৰু নিজৰ মাজতে তুমুল যুদ্ধ হ'ল।

১৮৫৭ ধনু টঙ্কাৰি শৰ বৰষিবলৈ ধৰিলে- গদা, মুদ্‌গৰ, তৰোৱাল, কুঠাৰ প্ৰহাৰ কৰিবলৈ ধৰিলে। সাম্ব আৰু কামদেৱৰ মাজত যুদ্ধ লাগিল, সাত্যকি আৰু অনিৰুদ্ধৰ মাজত যুদ্ধ হ'ল।

১৮৫৮ সুভদ্ৰ আৰু সংগ্ৰামজিতে, সুমিত্ৰ-সুৰথে, উল্মুকে-নিশঠে তুমুল সংগ্ৰাম কৰিলে। সতজিতৰ লগত ভানুৱে যুদ্ধ কৰিলে।

১৮৫৯ অক্ৰূৰৰ লগত কৃতবৰ্মাই যুদ্ধ কৰিলে। সকলোৱে উন্মত্ত হৈ নিশিত, শায়ক আদি অস্ত্ৰ নিক্ষেপ কৰে।

১৮৬০ পৰিঘ, পট্টিশ, অসি প্ৰহাৰ কৰিবলৈ ধৰিলে। তৰ্জ্জন-গৰ্জ্জন কৰি এজনে আনজনক হতাহতি কৰিবলৈ ধৰিলে। মাধৱৰ মায়াত সকলোৱে মোহিত হয়।

১৮৬১ ভোজ, বৃষ্ণি, অন্ধক, সাত্বত, যদু বংশ -বিষ্ণুৰ মায়াত পৰি বুদ্ধি ভ্ৰষ্ট হয়। বিস্মৃতিৰ প্ৰভাৱত পিতৃক পুত্ৰই, শহুৰে জোঁৱায়েকক, ককায়েকে ভায়েকক প্ৰহাৰ কৰি হত্যা কৰে।

১৮৬২ খুলখালীয়েকে ভিনিয়েকক, নাতিয়ে আজোককাক (আৰ্য্যকক), দদায়েকে ভতিজাক কটাকটি কৰে। মিত্ৰই-মিত্ৰই, ভাগিনে-মোমায়েকে, সহোদৰে-সুহৃদে যুদ্ধ কৰে।

১৮৬৩ অস্ত্ৰ-শস্ত্ৰ, ধনু আদি কোবাই ভাঙি শেষ কৰাৰ পাচত মাদুৰি ধৰি কোবাবলৈ ধৰিলে আৰু তাৰ আঘাত বজ্ৰৰ সমান পাই যদুগণ এফালৰ পৰা মৰিবলৈ ধৰিলে।

১৮৬৪ তাৰ পাচত ৰাম-কৃষ্ণই হাত দাঙি মাজত সোমাই বাধা প্ৰদান কৰাত যদুগণে খেদি গৈ মাৰিবলৈ ধৰিলে।

১৮৬৫ মাধৱ আৰু ৰামেও খং কৰি মাদুৰি লৈ যাদৱ সেনা মাৰিবলৈ ধৰিলে। বিপ্ৰশাপ লাগি যদু বংশ ধ্বংস হ'ল। বাঁহৰ অগ্নিয়ে যেন বাঁহনিবাৰী পুৰি ভস্মীভূত কৰিলে।

১৮৬৬ মৰা শৱে সাগৰৰ পাৰ উপচি পৰিল। মাধৱে জানিলে যে ভূমিৰ ভাৰ হৰণ হৈছে। বলভদ্ৰ সাগৰৰ তীৰলৈ গৈ যোগাসন কৰি মনুষ্য শৰীৰ ত্যাগ কৰে।

১৮৬৭ কৃষ্ণৰ অদ্ভুত লীলা সকলোৱে শুনা। প্ৰাণ থকালৈকে কীৰ্ত্তন নেৰিবা। মৃত্যুৱে অপেক্ষা কৰি আছে, হৰি হৰি বুলি যমৰ কবলৰ পৰা ৰক্ষা পোৱা।

অষ্টম কীৰ্ত্তন

ঘোষা ৰাম হৰি মুখে বোলা।
সংসাৰ সুখে তৰিয়ো।।
(মুখেৰে ৰাম হৰি বুলি কোৱা, তেতিয়া সুখেৰে সংসাৰ তৰিব পাৰিবা।)।। ১৫৫।।

পদ ১৮৬৮ বলৰামে যোগবলে শৰীৰ ত্যাগ কৰা বুলি জানি কৃষ্ণই প্ৰভাসৰ জলত স্নান কৰি অশ্বত্থৰ তললৈ গ'ল।

১৮৬৯ মাটিত বহি মৌন হ'ল আৰু চতুৰ্ভুজ ৰূপ ধাৰণ কৰিলে। তেওঁৰ দেহৰ জ্যোতি চাৰিওদিশে বিয়পি পৰিল। ধোঁৱাৰ মাজৰ পৰা ওলোৱা অগ্নিৰ দৰে জ্যোতি বাহিৰ হ'ল।

১৮৭০ নৱ মেঘৰ দৰে শ্যাম বৰণ, পীতবস্ত্ৰৰ দীপ্তি, মুখপদ্মৰ জ্যোতি আৰু ঈষৎ হাঁহিৰে তেওঁ শোভা কৰিলে।

১৮৭১ কপালত অলকাৰ শাৰী, পদ্মনয়নৰ কান্তি, শিৰত উজ্জ্বল কিৰীটি, কৰ্ণত মকৰ-কুণ্ডলে জলমল কৰিলে।

১৮৭২ চাৰিহস্ত অজানুলম্বিত আৰু তাত কেয়ুৰ কংকণ প্ৰকাশ পায়। সুন্দৰ আঙুলি সমূহত ৰত্নময় আঙঠি পৰিধান কৰি আছে।

১৮৭৩ শঙ্খৰ দৰে কণ্ঠত কৌস্তুভ মণি জিলিকি আছে, বুকুত মুকুতাৰ হাৰে শোভা কৰিছে, ডিঙিত বনমালাই কান্তিময় কৰিছে আৰু হৃদয়ত শ্ৰীবৎসই আনিন্দ্য সুন্দৰ কৰি তুলিছে।

১৮৭৪ কান্ধত নৱগুণ বিশিষ্ট উত্তৰী, কটিত ৰত্নৰ কাঞ্চি, দুই পাদপদ্মত ৰঞ্জিত নুপুৰৰ সৌন্দৰ্য-সুষমাই ভকতৰ হৃদয় আকৰ্ষণ কৰে।

১৮৭৫ চক্ৰকে আদি কৰি অস্ত্ৰসমূহে তেওঁৰ চাৰিওকাষে মূৰ্ত্তিমান হৈ আছে। সোঁ কৰগুনৰ ওপৰত ভৰি থৈ তেওঁ আসন কৰি বহিল।

১৮৭৬ তেওঁৰ চৰণ মৃগৰ মুখ বুলি জানি ব্যাধে শৰ নিক্ষেপ কৰিলে আৰু শৰে চৰণ ভেদ কৰিলে আৰু ব্যাধ দৌৰি আহিল।

১৮৭৭ ব্যাধে দেখিলে যে ঈশ্বৰ কৃষ্ণ বহি আছে আৰু তেওঁ ধনু পেলাই দিলে আৰু মহাত্ৰাসত মৃতপ্ৰায় হ'ল। জৰাব্যাধ কৃষ্ণৰ চৰণত দীঘল দি পৰিল।

১৮৭৮ হৰি চৰিত্ৰ সকলোৱে শুনা, ইয়াৰ বাহিৰে আন ধৰ্ম্ম কলিত আৰু নাই। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ৰচনা কৰি সকলোকে হৰি হৰি বুলিবলৈ কৈছে।

নৱম কীৰ্ত্তন

ঘোষা ৰাম প্ৰভু পদ্মপাণি প্ৰণামো।
(হে ৰাম, হে প্ৰভু, হে পদ্মপাণি, তোমাক প্ৰণাম জনাওঁ) ।। ১৫৬।।

পদ ১৮৭৯ ব্যাধে ভুৰি ভুৰি অনুনয়-বিনয় কৰিলে। হে হৰি, মোৰ অপৰাধ ক্ষমা কৰক। হে দামোদৰ, মই মহা অধম, পাপী, মই তোমাক নাজানি শৰ প্ৰহাৰ কৰিলো।

১৮৮০ মোক আৰু চাব নালাগে প্ৰভু, মোক কাটক আৰু এই মহাপাপীৰ প্ৰায়শ্চিত্ত হওক। আৰু যেন মই এনে অধৰ্মী কৰ্ম্ম নকৰো, মহন্তক যেন উপতাপ নিদিওঁ (উপতাপ-উৎপাত)।

১৮৮১ শিৱ, ব্ৰহ্মা আদি দেৱগণে যাৰ মায়াত মোহিত যাৰ অচিন্ত মহিমা কেৱে নাজানে, আমি অন্ত্যজাতিয়ে কেনেকৈ জানিম।

১৮৮২ মাধৱে ক'লে- হে জৰা, শুনা, উঠা, ভয় নকৰিবা, মোৰ মনোবাঞ্ছা সম্ফল কৰিলা। মোৰ বাক্যে তুমি স্বৰ্গ লাভ কৰিলা আৰু স্বৰ্গলৈ গতি কৰা।

১৮৮৩ তেওঁ ভয়ে ভয়ে মাধৱক তিনিবাৰ প্ৰদক্ষিণ কৰি প্ৰণাম জনাই, ৰথত উঠি সশৰীৰে স্বৰ্গলৈ গ'ল।

১৮৮৪ কৃষ্ণৰ সাৰথি দাৰুকে ৰথৰ পৰা কৃষ্ণক বিচাৰি চাই ফুৰে। এইদৰে গৈ তুলসীৰ গন্ধ পালে।

১৮৮৫ সন্মুখলৈ আহি দেখিলে যে চাৰিওফালে অস্ত্ৰসমূহে মূৰ্ত্তি ধৰি আছে। কৃষ্ণৰ শৰীৰ পূৰ্ণিমাৰ চন্দ্ৰৰ দৰে জিলিকি আছে। তেওঁ অশ্বত্থৰ তলত বহি আছে।

১৮৮৬ তাকে দেখি আকুল হৈ চকুলোৰে পৃথিৱী তিয়াই দাৰুক কৃষ্ণৰ চৰণত পৰিল আৰু হুমাহুমি কৰি কান্দিবলৈ ধৰিলে আৰু মাতিবলৈ ল'লে—

১৮৮৭ হে স্বামী, তোমাৰ চৰণ নেদেখি মোৰ চকু যেন অন্ধ হৈছিল, দিশ-বিদিশ একো ধৰিব পৰা নাছিলো আৰু সুখ-শান্তি হেৰাই গৈছিল।

১৮৮৮ চন্দ্ৰবিহনে যেনেকৈ ৰাতি আন্ধাৰ হয়, তোমাৰ অবিহনেও হে প্ৰভু, আমাৰ প্ৰাণ আন্ধাৰ। কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে এই পদ ৰচনা কৰি সকলোকে হৰি হৰি বুলিবলৈ কৈছে।

দশম কীৰ্ত্তন

ঘোষা হৰি গোবিন্দ কৃষ্ণ গোপাল ৰাম জয়।
(হে হৰি, গোবিন্দ, কৃষ্ণ, গোপাল আৰু ৰাম, তোমাৰ জয় হওক।) ।।১৫৭।।

পদ ১১৮৯ এইদৰে দাৰুকে কওঁতেই ৰথ আকাশেদি অতি বেগেৰে বৈকুণ্ঠলৈ চলিল, ৰথৰ পাছে পাছে চক্ৰ আদি অস্ত্ৰগণো চলিবলৈ ধৰিলে। ইয়াকে দেখি দাৰুকে পৰম বিস্ময় মানিলে।

১৮৯০ তেওঁ আচৰিত হৈ ওপৰলৈ চাই থাকিল। মাধৱে দাৰুকক ক'লে- হে দাৰুক, অনতিপলমে দ্বাৰকালৈ যোৱা আৰু আমাৰ কথা বান্ধৱক কোৱাগৈ।

১৮৯১ অন্যান্য সকলো জ্ঞাতি মৰিল, বলভদ্ৰকো দেখিলা যে তেৰোঁ দেহ ত্যাগ কৰিলে। ময়ো শৰৰ আঘাতত মৃতপ্ৰায় হ'লো- এইখিনি কথা পিতৃ-মাতৃক কোৱাগৈ।

১৮৯২ দ্বাৰকাত আৰু কোনো লোক নাথাকিব, মই এৰি অহাৰ পাচত সাগৰে বুৰাই পেলাব। বন্ধু-বান্ধৱসকলে সাগৰ পাৰ হৈ যাব আৰু মোৰ বৃদ্ধ পিতৃ-মাতৃক নেৰিবা।

১৮৯৩ সখা অৰ্জ্জুনে মোক বিচাৰি দ্বাৰকালৈ আহিব আৰু তেওঁৰ লগতেই দ্বাৰকাৰ সকলোলোক যাব। ধনঞ্জয়ে সকলোকে ৰক্ষা কৰি নিব আৰু ইন্দ্ৰপ্ৰস্থত সকলো থাকিবগৈ।

১৮৯৪ তুমি ভাগৱতধৰ্ম্ম আচৰিবা আৰু জ্ঞাননিষ্ঠ হৈ বিষয় ত্যাগ কৰিবা। এই সংসাৰ মায়াৰ ৰচনা বুলি জানি মোক বিচাৰিবা আৰু পাচত মোক পাবাগৈ।

১৮৯৫ দাৰুকে কৃষ্ণৰ আদেশ শুনি বেজাৰ মনেৰে কৰযোৰ কৰি সাতবাৰ কৃষ্ণক প্ৰদক্ষিণ কৰিলে আৰু পৰি পৰি নমস্কাৰ জনালে।

১৮৯৬ তেওঁ মূৰেৰে কৃষ্ণৰ চৰণ স্পৰ্শ কৰি চকুলো উলিয়াই কান্দিলে আৰু ক'লে- প্ৰভু, তোমাক এৰি মই আহিলো, এই জন্মৰ বাবে এয়ে শেষ দেখা দেখি।

১৮৯৭ কৃষ্ণৰ চৰণ চুই, হা কৃষ্ণ, হা কৃষ্ণ বুলি গমন কৰিলে আৰু সেই মুহূৰ্ত্ততে দেৱগণে ব্ৰহ্মাক লৈ তাত ওলালহি।

১৮৯৮ সিদ্ধমুনি, বিদ্যাধৰ, কিন্নৰ, চাৰণ, পাৰ্বতী সহিতে শিৱ তালৈ আহিল। কৃষ্ণৰ নিৰ্যাণ চাবলৈ আহি আকাশত ৰ'লহি।

১৮৯৯ মাধৱৰ চৰিত্ৰ সকলোৱে শুনা, কেতিয়াও কীৰ্ত্তন নেৰিবা। কলিযুগত আন ধৰ্ম্ম নাই। ইয়াকে জানি অনবৰতে হৰি হৰি বোলা।

একাদশ কীৰ্ত্তন

ঘোষা কৃষ্ণ নাথ যাদব মাধব মধুৰিপু।।
(হে কৃষ্ণ, নাথ, যাদব, মাধব আৰু মধু ৰিপু)।। ১৫৮।।

পদ ১৯০০ দেৱগণে মাধবক প্ৰণাম জনালে আৰু মাধবৰ ৰূপ দেখি এক দৃষ্টিৰে চাই পুষ্পবৃষ্টি কৰিলে।

১৯০১ কৰযোৰ কৰি ভক্তিভাৱে কৃষ্ণগুণ গাবলৈ ধৰিলে। কেতিয়াবা কীৰ্তন কৰে আৰু নাচে।

১৯০২ বাদ্য বজাই আকাশ ধ্বনি কৰে, পুষ্পবৃষ্টি কৰে, জয় কৃষ্ণ বুলি মুখ জোকাৰে।

১৯০৩ কৃষ্ণই ধ্বনি শুনি ওপৰলৈ চাই ব্ৰহ্মাক দেখা পালে। অন্য দেৱগণকো তেওঁ দেখা পালে আৰু চকু মুদি দিলে।

১৯০৪ ইয়াৰ পাচত তেওঁ যোগ ধাৰণ কৰিলে আৰু নিজক আত্মাত স্থাপন কৰিলে। ক্ষন্তেক মানবীয় চেষ্টা প্ৰদৰ্শন কৰি বৈকুণ্ঠত প্ৰৱেশ কৰিলে।

১৯০৫ মেঘৰ বিজুলিৰ দৰে অন্তৰ্গত হ'ল আৰু কোনেও তৎ ধৰিবই নোৱাৰিলে। আনকি দেৱগণেও তৎ ধৰিব নোৱাৰিলে।

১৯০৬ কৃষ্ণৰ দেহ ধ্যানৰ আলয় আৰু তাক দেখি নিজেও বিস্ময় হয় আৰু তেনে তনু বিজুলিৰ দৰে অন্তৰ্ধান হ'ল।

১৯০৭ শ্ৰী, ধৰ্ম্ম, সত্য, ধৈৰ্য আদি কৃষ্ণৰ লগতে গুচি গ'ল। দেৱগণে ইয়াক দেখি বিস্ময় হ'ল।

১৯০৮ কৃষ্ণৰ অদ্ভুত যোগৰ প্ৰভাৱ দেখি সকলো দেৱতাই প্ৰশংসা কৰিলে। তাৰ পাচতে দেৱগণ নিজস্থানে গতি কৰিলে।

১৯০৯ পৰীক্ষিতক শুকে ক'লে - ৰাজা, এই কাৰ্যত আচৰিত নহ'ব। কৃষ্ণই মৃত পুত্ৰকো যমৰ পৰা আনিছিল আৰু গুৰুক দক্ষিণা দিছিল। জৰা ব্যাধকো স্বৰ্গ গতি দিছিল।

১৯১০ তোমাক ব্ৰহ্মা অস্ত্ৰই দহিবলৈ লোৱাত তেওঁ গদা ধৰি ৰক্ষা কৰিছিল। এনে কৃষ্ণ জগতৰ আদি মূল। তেওঁ নিজ যদু কুলকো ক্ষয় কৰিলে।

১৯১১ মানুহৰ নিজস্ব গতি নাই, মৃত্যুৰ সময়ত ইয়াৰ বিসঙ্গতি ঘটে। ইয়াকে প্ৰদৰ্শন কৰিবলৈ নিজ বংশক সংহাৰ কৰি তেওঁ গুচি গ'ল।

১৯১২ কৃষ্ণৰ এই লীলা চৰিত্ৰ যি নিতৌ কীৰ্ত্তন কৰে, তেওঁ বৈকুণ্ঠত বাস কৰিবলৈ পায়। সেই কাৰণে এলাহ ত্যাগ কৰা।

১৯১৩ সদায় হৰিৰ কীৰ্ত্তন কৰা, অমূলক কথা পাতি মৰিবলৈ নিবিচাৰিবা। কৃষ্ণ কিঙ্কৰ শঙ্কৰে কৈছে— নিৰন্তৰে হৰি হৰি বোলা।

দ্বাদশ কীৰ্ত্তন

ঘোষা মন মাধব ৰাম।
ৰাম জপ অবিশ্ৰাম।।
(হে মন, মাধৱক অবিশ্ৰাম জপ কৰা, ৰামক অবিশ্ৰাম জপ কৰা।) ১৫৯।।

পদ ১৯১৪ শুক মুনিয়ে পৰীক্ষিতক কৈছে— কৃষ্ণৰ চৰিত্ৰ শ্ৰৱণ-কীৰ্তন কৰিলে পাপ মষিমূৰ হয়। কৃষ্ণই এইদৰে যাদৱসকলক নিৰ্মূল কৰিলে আৰু দাৰুকে দ্বাৰকালৈ গমন কৰিলে।

১৯১৫ গোবিন্দৰ বিয়োগৰ দুখত বিহ্বল হৈ নৰ-নাৰীয়ে ওপৰলৈ চাই আছে। বসুদেৱ, উগ্ৰসেনে দুখ মনেৰে থকা অৱস্থাত দাৰুক গৈ দুয়োৰে চৰণত পৰিলগৈ।

১৯১৬ দাৰুকে চকুৰ পানীৰে দুয়োৰে ভৰি তিয়ালে আৰু ৰাম-কৃষ্ণক সুঁৱৰি বহুত কান্দিলে। দাৰুকক বেৰি ধৰি নৰ-নাৰীগণে সুধিলে— কি হ'ল সোনকালে কোৱাচোন।

১৯১৭ তেওঁ চকু মোহাৰি গদ্‌গদ্ মাতেৰে সকলো কথা ক'লে— কিনো ক'ম, মোৰ হৃদয় দগ্ধ হৈছে। অন্য অন্য যদুগণ যমালয় পালেগৈ।

১৯১৮ এজনো জীয়াই থকা নাই। এই কথা শুনামাত্ৰেই ক্ৰন্দনৰ ঢৌ উথলি উঠিল আৰু প্ৰভাসলৈ দৌৰি গ'ল।

১৯১৯ শোকত নিজৰ গালত চাপৰিয়াই হাঁ পতি, হাঁ পুত্ৰ বুলি চিঞৰে। তেওঁলোক গৈ প্ৰভাসৰ তীৰত পৰি থকা মৃতসকলক দেখেগৈ।

১৯২০ মৃত পতি, পুত্ৰ, সোদৰৰ ডিঙিত ধৰি নাৰীগণে আৰ্তনাদ কৰি কান্দিবলৈ ধৰিলে। বসুদেৱ, দৈৱকী, ৰোহিনীয়ে কৃষ্ণ,বলৰামক বিচাৰি ফুৰিলে।

১৯২১ তেওঁলোকে ৰাম কৃষ্ণক ক'তো বিচাৰি নাপালে আৰু শোকত অন্ধকাৰ দেখিলে আৰু চেতনা হেৰাই গ'ল। তিনিওৱে কৃষ্ণ কৃষ্ণ বুলি প্ৰাণ এৰিলে আৰু মাটিত পৰি থাকিল।

১৯২২ নাৰীগণে কান্দোন এৰি স্বামীসকলক আলিঙ্গি চিতাত আৰোহণ কৰিলে। ৰেৱতী প্ৰমুখ্যে নাৰীগণে বলৰামক আলিঙ্গন কৰি জুইত পৰি প্ৰাণ এৰে।

১৯২৩ কৃষ্ণ মাতৃগণে বসুদেৱক আবৰি চিতাত উঠি সতীযোৱা প্ৰথাৰে আত্মজাহ যায়। ৰতি আদি মাধৱৰ পুত্ৰ বধুগণে স্বামীৰ লগত প্ৰাণ

১৯২৪ ৰুক্মিণী প্ৰমুখ্যে অষ্টমহিষীয়ে কৃষ্ণক বিচাৰি নাপাই স্বামীক ধ্যান কৰি অগ্নিত প্ৰাণ এৰে।

১৯২৫ এইদৰে কৃষ্ণই দ্বাৰকা এৰি যোৱাৰ লগে লগে সাগৰে দ্বাৰকা নগৰক বুৰাই পেলালে। ৰুক্মিণীৰ মন্দিৰৰ বাহিৰে সকলোবোৰ জলত তল গ'ল।

১৯২৬ মধুসূদনে যাক ক্ষণেকো নেৰে সেই ৰুক্মিণীৰ মন্দিৰ এতিয়াও সাগৰৰ মাজত জিলিকি আছে। সেই মন্দিৰ সূৰ্যৰ দৰে প্ৰতিভাত হৈ আছে আৰু তাক দৰ্শন কৰিলে পাপ নাশ হয়।

১৯২৭ সকলোৱে কৃষ্ণৰ নিৰ্যানৰ কথা শুনাইঁক। ইয়াক শ্ৰৱণ কীৰ্ত্তন কৰিলে সংসাৰ তৰিব পাৰিবা। ঘৰত থাকিয়েই কীৰ্ত্তনৰ যোগে মহাপুণ্য সঞ্চয় কৰা, হৰি হৰি বুলি সংসাৰ যাতনাক পৰাজয় কৰা।

ত্রয়োদশ কীর্ত্তন

ঘোষা ৰামে মতি হোক।
ৰাম চৰণে গতি।।
(ৰামত মোৰ মতি হওক, ৰামৰ চৰণত গতি হওক)।। ১৬০ ।।

পদ ১৯২৮ অৰ্জুনে কৃষ্ণৰ প্ৰয়াণৰ কথা শুনি শোকত বিহ্বল হৈ শ্ৰুতি-জ্ঞান হেৰুৱাই পেলালে। মৰ্মান্তিক আঘাত পাই তেওঁ হা কৃষ্ণ, হা প্ৰাণ কৃষ্ণ বুলি কান্দিবলৈ ধৰিলে।

১৯২৯ অৰ্জুনে কৃষ্ণৰ পৰা শুনা গীতা-জ্ঞানক সোঁৱৰণ কৰি অতি যত্ন সহকাৰে হিয়াত ধ্যান কৰিলে। চিৰকালৰ বাবে চিত্তক স্থিৰ কৰি জ্ঞাতিবৰ্গৰ প্ৰেতকাৰ্য সমাধা কৰিলে।

১৯৩০ সেই অনুক্ৰমে পিণ্ডদান কৰিলে আৰু দাৰুকৰ মুখে কৃষ্ণৰ আদেশ অনুসৰি স্ত্ৰী, বাল-বৃদ্ধসকলক শান্ত কৰি সকলোকে লৈ ইন্দ্ৰপ্ৰস্থলৈ গমন কৰিলে।

১৯৩১ তাত যদুগণক থৈ যুধিষ্ঠিৰক দেখা কৰিলে। তেওঁ যুধিষ্ঠিৰৰ চৰণত পৰি অধোমুখে ৰ'ল। কোনো সমিধান নিদিলে আৰু মহাদুঃখত তলমূৰ কৰি আছিল।

১৯৩২ যুধিষ্ঠিৰে অৰ্জ্জুনৰ হৃদয় বিহ্বল দেখি মনস্থিৰ কৰি সুধিলে - হে অৰ্জ্জুন-বান্ধৱসকলৰ খবৰ মোক দিয়া, তেওঁলোক সুখ শান্তিৰে আছেনে?

১৯৩৩ মামা বসুদেৱ কুশলে আছেনে? তেওঁৰ পত্নীসকলৰ ভালনে? সাম্ব, ৰাম, অনিৰুদ্ধ সুকলমে আছেনে? তেওঁলোকে মোক সোঁৱৰণ কৰেনে?

১৯৩৪ হে বাপ, গোবিন্দৰ বাৰ্তা মোক কোৱা, দ্বাৰকাত দেৱ দামোদৰে সুখেৰে আছেনে? যি কৃষ্ণৰ আশ্ৰয়ত যদুবীৰগণ পৰম আনন্দেৰে থাকে, সেই কৃষ্ণ বৰ্তমান ভালেৰে আছেনে?

১৯৩৫ সত্যভামা সতীয়ে যি কৃষ্ণৰ সহায়ত পাৰিজাত পুষ্প দুৱাৰতে ৰোৱালে, যাৰ চৰণ সেৱা সতীয়ে অনবৰতে কৰে , সেই প্ৰাণ কৃষ্ণৰ বিষয়ে মোক শীঘ্ৰে কোৱা। হে বাপ, তোমাৰ অৱস্থা এনে শোচনীয় কিয় হৈছে?

১৯৩৬ চিৰকাল প্ৰবাসত থাকি কিবা দুখ পালা নেকি? তোমাৰ শৰীৰ নিস্তেজ

আৰু মলিন দেখিছোঁ। তুমি বিচৰাজনক প্রতিশ্রুতি দান নকৰিলা নেকি? নতুবা ভয়াৰ্ত্ত প্রাণীক পৰিত্রাণ নকৰিলা নেকি?

১৯৩৭ অতিথিক নিদিয়াকৈ নিজেই আগতে ভোজন কৰিলা নেকি? নতুবা অগম্যাগমন পাপ কৰিলা নেকি। বাটত আহোতে অধমে পৰাজয় কৰিলে নেকি? কি কাৰণে তোমাৰ এনে দুখ হ'ল?

১৯৩৮ হে বাপু, এতিয়া কোৱাচোন, তোমাৰ দুখৰ কাৰণ কোনটো? অৰ্জ্জুনে ক'বলৈ ধৰিও ক'ব নোৱাৰে, মুখৰ মাত নোলায়। চকুলো মচি শোকক দমন কৰি ৰজালৈ চাই তেওঁ হুমুনিয়াহ কাঢ়িলে।

১৯৩৯ মাধৱৰ লগত থকা সখিত্ব সৌহৃদ্য সুঁৱৰি যুধিষ্ঠিৰক অৰ্জ্জুনে ক'লে,- শুনক বৰ অথন্তৰ ঘটিলে। শঙ্কৰে কৃষ্ণৰ চৰণত ধৰি এই পদ ৰচিলে, হৰি হৰি বোলা, পাপ দূৰ হওক।

চতুৰ্দ্দশ কীৰ্ত্তন

ঘোষা গোপাল হৰি প্ৰণাম কৰোঁ।
মুখে ৰাম কৃষ্ণ নাম নেড়োক।।
(হে গোপাল,হে হৰি, তোমাক প্ৰণাম কৰোঁ। মোৰ মুখে যেন ৰাম কৃষ্ণ নাম নেৰক।)।। ১৬১।।

পদ ১৯৪০ হে ৰজা, মোৰ অৱস্থাৰ কথা কিয়বা সুধিছা? সৰ্ব্বনাশ হৈছে,কিনো কম। বন্ধুৰূপী কৃষ্ণৰ পৰা বঞ্চিত হ'লো, কিদৰে চিত্ত সম্বৰণ কৰোঁ।

১৯৪১ যাৰ আশ্ৰয়ত দ্ৰুপদৰ গৃহত ৰজাসকলক অকলেই জিনিলো, মৎস্যক ভেদ কৰি দ্ৰৌপদীক লাভ কৰিলো, সেই কৃষ্ণৰ বিনে জীৱন ধিক্।

১৯৪২ যাৰ সহায়ত খাণ্ডৱ দহিলো, ইন্দ্ৰক জয় কৰিলো, যাৰ কৃপাত ময়দানৱে অদ্ভুত সভা তৈয়াৰ কৰি দিলে আৰু ৰাজসূয় যজ্ঞ সমাধা কৰা হ'ল—

১৯৪৩ সেই কৃষ্ণই মোক এৰি গ'ল। মইনো নমৰি কিয় জীয়াই আছো। যাৰ সহায়ত হৰক জিনিলো আৰু হৰেও বিস্ময় হৈ অস্ত্ৰ দান কৰিলে-

১৯৪৪ যাৰ প্ৰসাদত স্বৰ্গলৈ গমন কৰি ইন্দ্ৰৰ অৰ্দ্ধাসন পালো- তেনে যদুৰায় কৃষ্ণই এৰি থৈ গ'ল, তেওঁৰ অবিহনে কেনেকৈ জীয়াই থাকো, প্ৰাণ নাযায় কিয়?

১৯৪৫ যাৰ শক্তিৰ প্ৰভাৱত ভীমে দুঃশাসনৰ হিয়া কুঠাৰে ছিৰি, তেজ পী প্ৰতিজ্ঞা ৰাখিছিল, কুৰুৰজা দুৰ্যোধনৰ উৰু ভঙ্গ কৰিছিল।

১৯৪৬ ত্ৰিজগতৰ গৰাকীক বন্ধু বুলি মই কুমতিয়ে সাৰথি কৰি লৈছিলো, ব্ৰহ্মা আদি ত্ৰিদশগণে যাৰ চৰণ সদায় সেৱা কৰে-

১৯৪৭ দেৱৰো দেৱ প্ৰভু কৃষ্ণই মোক পৰিহাস কৰি মাতে - হেৰা পাৰ্থ, হেৰা অৰ্জ্জুন, এইদৰে প্ৰভুৰ কিমান যে গুণ— কৈ শেষ কৰিব নোৱাৰো।

১৯৪৮ ভ্ৰমণ কৰোঁতে, ভোজন কৰোঁতে কৃষ্ণৰ লগত কিমানযে উদ্ধতালি কৰিলো, সেই সকলোখিনি তেওঁ বন্ধু বুলি সহ্য কৰিলে- এনে মাধৱৰ পৰা বঞ্চিত হ'লো।

১৯৪৯ হে মহাৰাজ, মোৰ কথা আৰু কি সুধিবা, মোৰ অৱস্থা আৰু কি হ'বলৈ বাকী থাকিল। কৃষ্ণপত্নীসকলক ৰাখি আনোতে গোৱালে তেওঁলোকক কাঢ়িনিলে।

১৯৫০ নাৰীয়ে জয় কৰাৰ দৰে মোক সিহঁতে জিনিলে। এই শোকত মোৰ প্ৰাণ ফুটি যায়, কৃষ্ণৰ বিয়োগে মোক দগ্ধ কৰিলে, মই মাতিব নোৱাৰা হৈছো, মোৰ চেতনা লোপ পাইছে।

১৯৫১ এই বুলি কৈ অৰ্জ্জুন মৌন হৈ ৰ'ল আৰু কৃষ্ণৰ চৰণ চিন্তা কৰিলে। বিষয়ৰ বিষত বিৰকতি হ'ল, কৃষ্ণ পাদপদ্মৰ বাহিৰে আন চিন্তা এৰিলে।

১৯৫২ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ৰচনা কৰিলে- এই কৃষ্ণ কথা সকলোৱে শুনাহঁক। শুনিলে সংসাৰ তৰি যাবা আৰু হৰি হৰি বোলা।

পঞ্চদশ কীৰ্ত্তন

ঘোষা গোপাল গোবিন্দ ৰাম কৃষ্ণ হৰি গতি।
কি ৰাম হৰি গতি কি ৰাম হৰি গতি।।
(গোপাল, গোবিন্দ, ৰাম, কৃষ্ণ, হৰি নামে গতি দিয়ে। সেই ৰাম, হৰিত গতি বিচৰা)।।১৬২।।

পদ ১৯৫৩ এইদৰে কৃষ্ণক চিন্তা কৰোতে মহাবীৰ অৰ্জ্জুনৰ ভকতিৰ বৃদ্ধি হ'ল আৰু বুদ্ধিৰ মলি দূৰ হ'ল। ইতিপূৰ্বে শিকা তত্ব পাহৰি আছিল আৰু পুনৰ অৰ্জ্জুনৰ মনত ব্যক্ত হ'ল।

১৯৫৪ শোক-ভয় দূৰ হ'ল আৰু ব্ৰহ্ম বস্তু মনত বাস কৰিলে মনৰ সকলো সংশয় নোহোৱা হ'ল, লিঙ্গ শৰীৰৰ পৰা মায়া নিৰ্গত হ'ল, নিজৰ আত্মা পৰমাত্মাত স্থাপন কৰিলে।

১৯৫৫ ভকতিৰ বলেৰে তেওঁ নিগুণ-জ্ঞান লাভ কৰিলে আৰু তেওঁ জীৱন্ততে মুক্ত হ'ল। কুন্তীয়ে কৃষ্ণৰ নিৰ্যান শুনি কৃষ্ণতে চিত্ত অৰ্পণ কৰি প্ৰাণ এৰিলে।

১৯৫৬ কৃষ্ণৰ নিৰ্যান শুনি ৰজা যুধিষ্ঠিৰে শোক-মোহ এৰি চিত্ত স্থিৰ কৰিলে। হৰিয়ে পৃথিৱী এৰি যোৱাৰ লগে লগে কলিৰ প্ৰৱেশ হ'ল বুলি জানি পৰীক্ষিতক ৰজা পাতিলে।

১৯৫৭ বিচিত্ৰ বস্ত্ৰ, ৰত্ন, অলঙ্কাৰ এৰি বাকলি বসন পিন্ধি আহাৰ ত্যাগ কৰিলে। মৌন ব্ৰত কৰি, চুলি মেলি জড় প্ৰায় পিশাচৰ বেশ ধাৰণ কৰিলে।

১৯৫৮ কৃষ্ণ পদ-পঙ্কজক হৃদয়ত ধৰিলে আৰু হৰিভক্তিয়ে মন সমূহ আঁতৰ কৰিলে। পাণ্ডভায়ে বিষ্ণুক একমাত্ৰ ধ্যান কৰি পৰম গতি লাভ কৰিলে।

১৯৫৯ হৃদয় স্থিৰ কৰি কৃষ্ণৰ চৰণ কমল ধিয়াই উত্তৰ দিশে যুধিষ্ঠিৰ আগবাঢ়ি গ'ল। লগতে অন্য চাৰি ভাতৃও অগ্ৰসৰ হ'ল। দৌপদীয়ে দেখিলে যে পঞ্চস্বামীয়ে তেওঁক এৰি থৈ গ'ল। তেৰোঁ কৃষ্ণৰ চৰণত মন স্থিৰ কৰিলে।

১৯৬০ দ্ৰৌপদীয়ে কৃষ্ণক সুঁৱৰি ধ্যান কৰিলে আৰু হা প্ৰাণ কৃষ্ণ বুলি ঢলি পৰিল আৰু প্ৰাণত্যাগ কৰিলে। ইয়াৰ পাচত তুমি পৰীক্ষিতে পৃথিৱী পালন কৰিলা আৰু কলিক নিগ্ৰহ কৰি সকলোকে ৰক্ষা কৰিলা।

১৯৬১ তোমাৰ ৰাজ্যত সত্য প্ৰতিষ্ঠা হ'ল আৰু দশোদিশে তোমাৰ যশ বিয়পি পৰিল। কৃষ্ণৰ নিৰ্যানৰ কথা সকলোৱে শুনক, শ্ৰৱণ-কীৰ্তনৰ দ্বাৰা ঘোৰ সংসাৰ তৰিবা।

১৯৬২ ইহ-পৰলোকে হৰি চৰণেহে গতি দিয়ে, গতিকে ইয়াকে জানি সকলোৱে হৰিক ভকতি কৰা। মৃত্যুৱে সকলোকে গ্ৰাস কৰোঁ কৰোঁ কৰি আছে হৰি হৰি বুলি যমকালৰ গ্ৰাসৰ পৰা ৰক্ষা পোৱা।

ষোড়শ কীৰ্ত্তন

ঘোষা ৰাম গোপাল কৃপাময় নিৰঞ্জন হৰি।
নাথ, ভকতৰ দুখক সংহৰি নিয়ো।।
(হে ৰাম, গোপাল, কৃপাময়, নিৰঞ্জন, হৰি তুমিয়েই আমাৰ গৰাকী, আমি তোমাৰ ভক্ত, গতিকে আমাৰ দুঃখ হৰণ কৰা প্ৰভু।) ।। ১৬৩।।

পদ ১৯৬৩ ৰজাক শুকে ইয়াৰ পাচৰ কথা ক'বলৈ ধৰিলে- কৃষ্ণৰ পৰা বিদায় লৈ উদ্ধৱ যাবলৈ ধৰিলে আৰু বিদুৰৰ লগত কি আলোচনা কৰিলে-সেই কথা আৰু উদ্ধৱৰ বিলাপৰ কথা শুনা -

১৯৬৪ বিদুৰে তীৰ্থ পৰ্যটন কৰি কৰি গৈ যমুনাৰ পাৰত উদ্ধৱক লগ পালে। কৃষ্ণৰ একান্ত ভক্ত, কৃষ্ণৰ অনুগত উদ্ধৱক দেখি বিদুৰে পৰম প্ৰীতি লাভ কৰিলে।

১৯৬৫ বিদুৰে উদ্ধৱক আলিঙ্গন কৰি সাৱটি ধৰিলে। যদু আৰু কুৰুবংশৰ মঙ্গল-কুশলৰ বিষয়ে সুধিলে। পুৰাণ পুৰুষে ৰাম কৃষ্ণ অৱতাৰ লৈ পৃথিৱীৰ ভাৰ হৰি কুশলে আছেনে?

১৯৬৬ বসুদেৱ ভিনিদেউৰ কুশল নে? তেওঁ মোৰ পৰম সুহৃদ। প্ৰদ্যুম্নৰ খবৰ কেনেকুৱা? উগ্ৰসেনৰ ভালনে?

১৯৬৭ সাম্ব, কামদেৱ, অনিৰুদ্ধ কুশলে আছে নে? বৈষ্ণৱ অক্ৰূৰ আগৰ দৰেই আছেনে? সাত্যকি, দৈৱকীৰ খা-খবৰ কোৱা।

১৯৬৮ চাৰু, গদ আদি কৃষ্ণৰ পুত্ৰগণ, যদুগণ আগৰ দৰেই আছেনে? কৃষ্ণ আৰু অৰ্জ্জুন দুয়োকে আশ্ৰয় কৰি যুধিষ্ঠিৰে মঙ্গলে আছেনে?

১৯৬৯ ভীম, ধনঞ্জয়,নকুল, সহদেৱৰ বাৰ্তা কোৱাচোন। ধৃতৰাষ্ট্ৰক লৈ মই অনুতাপ কৰোঁ, কিয়নো তেওঁ নিজৰ পাপতে অধোগামী হ'ল।

১৯৭০ তেওঁ মোক পুত্ৰৰ বিবাদৰ বাবেই দেশৰ পৰা বাহিৰ কৰিলে, কিন্তু কৃষ্ণৰ অনুগ্ৰহত মই তীৰ্থ পৰ্যটন কৰি ফুৰিছো। যাৰ যশ-কীৰ্ত্তনে জগত উদ্ধাৰ হয়-সেই কৃষ্ণৰ খবৰ মোক শীঘ্ৰে দিয়া।

১৯৭১ বিদুৰে যেতিয়া কৃষ্ণৰ কুশল-মঙ্গলৰ কথা সুধিলে তেতিয়া উদ্ধৱ মাধৱক সুঁৱৰি বিহ্বল হৈ পৰিল। পাঁচ বছৰ বয়সতে উদ্ধৱে ভোজন পৰ্যন্ত এৰি শিশুলীলা কৰি কেৱল হৰিকেই ভজিছিল।

১৯৭২ কৃষ্ণৰ সেৱা কৰি কৰিয়েই এতিয়া বৃদ্ধ হৈছে-সেই উদ্ধৱে কথা ক'ব নোৱাৰি মৌন হৈ ৰ'ল। দুই দণ্ড কাল কৃষ্ণৰ চৰণ চিন্তি হৰি ভক্তি অমৃতত তেওঁৰ মন মগ্ন হ'ল।

১৯৭৩ গাৰ নোম শিয়ৰি উঠিল। সৰ্ব্বশৰীৰ পুলকে ভৰি পৰিল। চকু মুদি দিলে, চকুৰে চকুলো ওলাই আহিল। মাধৱৰ স্নেহ-ৰসত উদ্ধৱৰ মন নিমগ্ন হ'ল। সকলোৱে হৰি হৰি বোলা।

সপ্তদশ কীৰ্ত্তন

ঘোষা বনমালী ৰাম মোৰ প্ৰাণ কোন স্থান গৈল।
জীৱেৰ জীৱন কৃষ্ণ বিনে আন নাই।।
(হে বনমালী, হে ৰাম, তুমি মোৰ প্ৰাণ, মোক এৰি কোন স্থানলৈ গতি কৰিলা? হে কৃষ্ণ, তুমি জীৱসমূহৰ প্ৰাণ, তোমাৰ বিনে আন গতি নাই।) ।। ১৬৪।।

পদ ১৯৭৪ উদ্ধৱে কথমপি কৃষ্ণৰ চৰণ এৰি (মনৰ পৰা) গাত চেতনা লাভ কৰিলে। হাতেৰে চকু মোহাৰি চিত স্থিৰ কৰি কৃষ্ণৰ লীলা স্মৰণ কৰি উশাহ ললে।

১৯৭৫ কৃষ্ণৰ বিয়োগত সৃষ্টি হোৱা বিৰহৰ অগনিয়ে তেওঁৰ মন দগ্ধ কৰে আৰু কান্দি কান্দি বিদুৰক উত্তৰ দিলে- হে সখী, মই অন্ধকাৰ দেখিছোঁ, কিনো কথা মোক সুধিছা। মোৰ প্ৰাণস্বৰূপ কৃষ্ণ-সূৰ্য অস্ত গ'ল।

১৯৭৬ আমাৰ সুহৃদসকলকো কাল সৰ্পই দংশন কৰিলে; আমাৰ কুশলৰ বিষয়েনো কি কম? যাদৱ বংশৰ দুৰ্ভাগ্য আহিলে; কৃষ্ণক হাততে পায়ো নিচিনিলো।

১৯৭৭ ক্ষীৰ সাগৰত থকা চন্দ্ৰমাক জলচৰ মাছে এটা জলচৰ জীৱ বুলিয়েই ভাবে। সেইদৰে যদুগণেও কৃষ্ণক পাই এজন জ্ঞাতি বুলিহে জ্ঞান কৰিলে।

১৯৭৮ তেওঁৰ অঙ্গসমূহ অনিন্দ্য সুন্দৰ, যাক দেখি তেওঁ নিজেও বিস্ময় হয়, কম পূণ্যৱান লোককো তেওঁ অলপ দৰিশন দি আনন্দ দিয়ে, তেওঁ নিৰ্যান হৈ যেন লোকচক্ষুক অন্ধকাৰত নিমগ্ন কৰালে।

১৯৮৯ চোৱাচোন,কৃষ্ণৰ কৰ্ম্মলীলা কি বিড়ম্বনাপূৰ্ণ, বসুদেৱৰ গৃহত জন্মহীন ঈশ্বৰে জন্ম গ্ৰহণ কৰিলে। যাৰ কটাক্ষত জগত বিনাশ হয়, তেওঁ কংসৰ ভয়ত গোকুলত বাস কৰিলে।

১৯৮০ বসুদেৱ-দৈৱকীক প্ৰণাম কৰি তেওঁ কৈছিল- মই কংসৰ ভয়ত ব্ৰজত বাস কৰিছিলো। হে পিতৃ-মাতৃ, মোৰ দোষ মৰ্ষণ কৰা, এই কথা মনত পৰিলে মোৰ মহা অসন্তোষ হয়।

১৯৮১ এনে কৃষ্ণৰ নাম-গুণ লোৱাজনে নিদাৰুণ হৈ কোন সতে তেওঁক পাহৰিব। ৰাজসূয় যজ্ঞত শিশুপালে তেওঁৰ দ্বেষ কৰি কেনেকৈ মৃত্যুদণ্ড

পালে তাক আমি চকুৰে দেখিলো।

১৯৮২ যি কৃষ্ণৰ মুখপদ্মক চকুৰে পান কৰে, কৃষ্ণৰ পৰম বান্ধৱ অৰ্জুনৰ শৰত যি মৃত্যুবৰণ কৰে- তেওঁ সুখেৰে মৃত্যু লাভ কৰে। ব্ৰহ্মা আদিয়েও তেওঁক বিৰোধিতা কৰি পৰমপদ পায়। তেনে প্ৰভুৰ বিয়োগত কাৰ নো বিৰহ নহ'ব।

১৯৮৩ উগ্ৰসেন ৰজাক সিংহানত বহুৱাই স্বয়ং নাৰায়ণে কৰযোৰ কৰি কয়— হে মহাৰাজ, আজ্ঞা কৰা- কি কাম কৰিব লাগে। এই কথা সুঁৱৰি অত্যন্ত দুখ অনুভৱ কৰোঁ।

১৯৮৪ কৃষ্ণ-গুণ সোঁৱৰণত চেতনা হেৰাই যায়। পুতনাই কৃষ্ণক বধিবৰ বাবে স্তন দান কৰিলে; কিন্তু কৃষ্ণই তাইৰ প্ৰাণ শুহি মাতৃ গতিহে দিলে। কৃষ্ণ কিমান যে কৃপালু।

১৯৮৫ এনে স্বামীক এৰি মহা অন্ধ হৈ আনক ভজিবলৈ যোৱাজন কিমান অন্ধ। মাধৱক মাৰিবলৈ যিমানবোৰ দৈত্য ক্ৰোধ কৰি আহিছিল, তেওঁলোক সকলোকে বধি উত্তম গতিহে দিছিল।

১৯৮৬ ভগৱন্তক যি প্ৰেমভাৱে ভজে, তেওঁৰ মহিমা কৈ অন্ত কৰিব নোৱাৰি। এনে পূৰ্ণ ব্ৰহ্মক হাততে পায়ো আমি দুৰ্ভগীয়াসকলে হেৰুৱাই পেলালো।

১৯৮৭ সেই ভগৱন্ত কৃষ্ণক সুঁৱৰি সুঁৱৰি মন দগ্ধ কৰিছে আৰু মুখত মাত নোলোৱা হৈছে। কৃষ্ণৰ কিঙ্কৰে কয় - হে লোক, হৰি হৰি বোলা, পাপ নাশ হওঁক।

অষ্টাদশ কীৰ্ত্তন

ঘোষা গোপাল প্ৰাণ কোন থান গৈলা?
গোপাল—প্ৰাণ।।
(হে গোপাল, তুমি মোৰ প্ৰাণ, তুমি কোন ঠাইলৈ গ'লাগৈ, তুমি মোৰ প্ৰাণ।) ।। ১৬৫।।.

পদ ১৯৮৮ হে সখি বিদুৰ, কৃষ্ণৰ পূৰ্ব্বৰ আৰু পাচৰ কথা কও- ভূমিৰ ভাৰ হৰণ কৰিবলৈ তেওঁ দৈৱকীৰ গৰ্ভত অৱতাৰ ললে।

১৯৮৯ বসুদেৱে কংসৰ ভয়ত গোকুলত থলে আৰু কৃষ্ণই তাত শিশুলীলা কৰিলে। গোপ শিশুৰ লগত বাঁহী বজাই যমুনাৰ পাৰে পাৰে ঘূৰি ফুৰিলে।

১৯৯০ কংসই যিমানবোৰ দানৱ পঠালে, সকলোকে ধেমালি কৰাৰ দৰে বধ কৰিলে। ইন্দ্ৰৰ মখ উৎসৱক ভঙ্গ কৰিলে আৰু ইন্দ্ৰই খণ্ডতে বৰষুণ দিয়ালে।

১৯৯১ ভগৱন্তই মন্দৰগিৰি দাঙি তাৰ তলতে ব্ৰজক ৰক্ষা কৰিলে। শাৰদীয় চন্দ্ৰাবলী ৰাতি কৃষ্ণই ৰাসক্ৰীড়া কৰিলে।

১৯৯২ বলৰামৰ সৈতে মথুৰালৈ আহি কংসক বধ কৰিলে। তাৰ পাচত ছাত্ৰ হৈ সান্দীপণি গুৰুৰ গৃহত শাস্ত্ৰ শিক্ষা কৰিলে।

১৯৯৩ গুৰুৰ মৃত পুত্ৰক আনি গুৰু দক্ষিণা দিলে আৰু অষ্টমহিষীক বিয়া কৰিলে। নৰকাসুৰক বধ কৰি ৰূপে-গুণে অনিন্দিতা যোল্ল হাজাৰ কন্যা লাভ কৰিলে।

১৯৯৪ তেওঁলোকৰ প্ৰত্যেকৰ পৰা দহ দহ পুত্ৰৰ জন্ম হ'ল আৰু তেওঁলোকে বল-বীৰ্যত পৰাক্ৰমী হৈ জগত বিখ্যাত হৈ উঠিল। তাৰ পাচত তেওঁ দ্বিবিধ, মাগধ, সম্বৰ, বান, শাল্ব, পৌণ্ডকৰ প্ৰাণ ললে।

১৯৯৫ পাণ্ডৱৰ হাতে কুৰুক্ষেত্ৰ যুদ্ধ জয় কৰি অষ্টাদশ নাৰায়ণী সৈন্য বধ কৰোৱালে। উত্তৰাৰ গৰ্ভত পৰীক্ষিতক জন্ম দিয়াই তেওঁ পাণ্ডু বংশৰ সতি-সন্ততিৰ সৃষ্টি কৰোৱালে।

১৯৯৬ দ্ৰোণী অৰ্থাৎ অশ্বত্থামাইপ্ৰহাৰ কৰা অস্ত্ৰ উত্তৰাৰ গৰ্ভত গদা ধৰি পৰীক্ষিতক ৰক্ষা কৰিলে। কৃষ্ণৰ মহা অনুগ্ৰহত যুধিষ্ঠিৰে ৰাজ ভোগ কৰিলে।

১৯৯৭ কৃষ্ণই বহু বছৰ থাকি যাদৱসকলক আনন্দ বঢ়াই গৃহতে আছিল আৰু গৃহত বিৰকতি দেখুৱাই মনত ভাবিলে —

১৯৯৮ এতিয়া দুষ্মহ যদুগণ জীৱিত আৰু পৃথিবীৰ ভাৰ দূৰ হোৱা নাই। প্ৰভুৱে কৌশলেৰে বিপ্ৰশাপ দিয়াই সকলোকে প্ৰভাসলৈ নিলে।

১৯৯৯ স্নান কৰি দান কৰিলে আৰু বাৰুণী সুৰা পান কৰিলে। কৃষ্ণৰ মায়াত সকলোৰে বিবেকৰ অৱনতি ঘটিল আৰু পৰস্পৰে যুঁজি সকলো মৰিল।

২০০০ মাধৱেও পাচত স্নান কৰি অশ্বত্থমূলত আসন কৰি বহিল। সেই সময়তে নাৰায়ণে মোক ক'লে— তুমি বদৰিকাশ্ৰমলৈ গমন কৰা।

২০০১ তথাপি প্ৰভুক এৰিব নোৱাৰি আঁৰ হৈ আছিলো। কৃষ্ণৰ বিৰহ কেনেকৈ সহো। সকলোৱে হৰি হৰি বোলা।

ঊনবিংশ অধ্যায়

ঘোষা মোৰ গোপাল স্বামী, কাহা গৈলা।
কৃষ্ণ বিনে আমি কিমতে জীৱো।।
(হে মোৰ গোপাল, হে মোৰ স্বামী, তুমি ক'লৈ গুচি গ'লা। হে কৃষ্ণ তুমি বিনে আমি কেনেকৈ জীয়াই থাকো) ।। ১৬৬।।

পদ ২০০২ কৃষ্ণক নেদেখি মন আকুল হ'ল আৰু পাচত বিচাৰি সেই প্ৰাণ পতিক পালো। নিৰ্ম্মল, শ্যামতনু, সুকুমাৰ, কণ্ঠত কৌস্তুভ মণিৰে সুশোভিত কৃষ্ণক দেখিলো।

২০০৩ তেওঁৰ হস্ত চাৰিখন অলঙ্কাৰেৰে সুশোভিত, ডিঙিত ভৰিলৈকে পৰা বনমালা, অৰুণলোচনেৰে প্ৰসন্ন মুখ, পীতবসনে শোভা কৰিছে।

২০০৪ কৰ্ণত কুণ্ডল জলমলায়, শিৰত কিৰীটিয়ে চিক্‌মিকায়, পাদপদ্ম কোষত নুপুৰে ৰুণ্‌ঝুণ কৰে- যাক দেখি ভয়তে পৰমানন্দ অনুভৱ কৰে—

২০০৫ সোঁ কৰঙনত বাওঁ ভৰি তুলি আসনত বহি থকা, শিশু অশ্বত্থত আউজি থকা প্ৰভুৰ পূৰ্ণানন্দ ৰূপ দেখিলো।

২০০৬ তাতেই মৈত্ৰেয় আহি ওলালহি আৰু মোক দেখি কৃষ্ণই হাঁহি মাৰিলে। মই প্ৰভুক চাই কান্দিবলৈ ধৰিলো আৰু বাসুদেৱে মোক প্ৰবোধ দিলে—

২০০৭ হে উদ্ধৱ, তোমাৰ মন মই বুজিলো আৰু তোমাৰ মনৰ বাঞ্ছিত মই সাধিম। তুমি পূৰ্ব জনমত বসু আছিলা আৰু মোক পূজিছিলা।

২০০৮ মোৰ কৃপাত তুমি এই জন্মত পাৰ পালা, তোমাৰ আৰু জন্ম নহয়। তোমাৰ সুদৃঢ় ভকতি, জ্ঞান, বৈৰাগ্যই এই জন্মত লগ দিলে।

২০০৯ স্বামীৰ এনে কৃপাবাক্য শুনি মোৰ সৰ্ব্ব শৰীৰ শিয়ৰি উঠিল, চকুৰ লোতক বৈ আহিল আৰু কৃতাঞ্জলি কৰি ক'লো—

২০১০ যি তোমাৰ চৰণ চিন্তা কৰে, তেওঁৰনো কি প্ৰয়োজন সিদ্ধি নহ'ব। তথাপি মোৰ কোনো বাঞ্ছাই নাই। কেৱল তোমাৰ চৰণত সেৱাহে আছে।

২০১১ তুমি পূৰ্ণব্ৰহ্ম, তথাপি মোক মন্ত্ৰণাৰ বাবে মাতা আৰু কথা সোধা। যেন তুমি অতি সামান্যহে। এই কথা সুঁৱৰি মোৰ মনত মোহ হয়।

২০১২ তুমি ব্ৰহ্মাক যি জ্ঞান দিলা প্ৰভু, আৰু মই যদি শুনিবলৈ যোগ্য হওঁ, হে ভগৱান মোক কওঁক আৰু তাকে শুনি দুঃখৰ অন্ত পেলাও।

২০১৩ ইয়াকে শুনি কৃষ্ণই কৃপা কৰি সেই ৰহস্য জ্ঞান মোক ক'লে। এই পৰম প্ৰসাদ পাই মই নমস্কাৰ কৰি প্ৰদক্ষিণ কৰিলো।

২০১৪ কৃতকৃত্য হৈ ইয়ালৈ আহিলো যদিও কৃষ্ণৰ বিৰহত চিত্ত আতুৰ হৈয়ে আছে। তোমাক এৰি মই দুৰ্ভগীয়াই বদৰিকাশ্ৰমলৈ যাম।

২০১৫ তোমাক জ্ঞানদান কৰিবলৈ মৈত্ৰেয়ৰ প্ৰতি যদুপতিৰ আদেশ হৈছে। বিদুৰৰ লগত এই কথা পাতি যমুনাৰ তীৰত আনন্দতে দিন কটাইছিল।

২০১৬ কথা কওঁতেই ৰাতি পুৱাল। বিদুৰেও মহানন্দ লাভ কৰিলে। কৃষ্ণৰ কীৰ্তি সকলোৰে শুনাইক। তেতিয়া দুঃখ-শোক দূৰ হ'ব।

২০১৭ মৃত্যুৰে লগ ধৰোঁ ধৰোঁ, গতি আন অমূলক কথা এৰি কৃষ্ণক ভজা, কৃষ্ণক চিন্তা, কৃষ্ণ কীৰ্ত্তন-শ্ৰৱণ কৰা। কৃষ্ণৰ কিঙ্কৰে কয়— হৰি হৰি বোলা।

।। শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ সমাপ্ত।

কথা কীৰ্ত্তন-ঘোষা

সপ্তবিংশ খণ্ড

ভাগৱত-তাৎপৰ্য

প্ৰথম কীৰ্ত্তন

ঘোষা কৃষ্ণ সূৰ্য ভৈলন্ত উদিত।
নাম ধৰ্ম্ম কৰিলা বিদিত -
(কৃষ্ণ সূৰ্য উদিত ভৈলন্ত। নামধৰ্ম্ম বিদিত কৰিলা)
(ভগৱন্তৰ পূৰ্ণ অৱতাৰ কৃষ্ণই ধৰাধামত সূৰ্যৰ দৰে উদয় হৈ লুপ্ত হোৱা একশৰণ হৰিনাম ধৰ্ম্ম -পৃথিৱীত পুনৰ বিদিত কৰে)।। ১৬৭।।

পদ ২০১৮ সত্যযুগৰ প্ৰথম ভাগতে ব্ৰহ্মা আদি দেৱগণে হৰিনাম গুপ্ত কৰি ৰাখিলে, কিন্তু কৃপাময় হৰিয়ে সেই হৰিনাম প্ৰকাশ কৰি কলিৰ পাপ লুপ্ত কৰিলে। মহা ম্লেচ জাতিয়েও মুখেৰে হৰি নাম লৈ শুদ্ধ হয়। সমস্ত ধৰ্ম্মই কলিত নামত শৰণ লৈ ৰক্ষা পৰে।

২০১৯ ঘোৰ কলিকালত পাপৰ অন্ত নাই আৰু লোকক পাপে গ্ৰাস কৰাত প্ৰজাৰ হিত চিন্তি ভগৱানে হৰিনাম ব্যক্ত কৰিলে। হৰিনামে জগতৰ পাপ দূৰ কৰে,স্মৰণ কৰিলেও নিস্তাৰ হয় আৰু এনে মহিমাময় নামকে প্ৰচাৰ কৰিলে।

কলি দুখৰ সাগৰ আৰু এইকালত হৰিনাম ললে- ধৰ্ম্ম, অৰ্থ, কাম আৰু মোক্ষ লাভ হয়। সকলোৰে প্ৰতি দয়ালু হৈ দেৱ দামোদৰে হৰিনাম বিদিত কৰিলে।

২০২০ মন্ত্ৰ, তন্ত্ৰ, যজ্ঞ, তপ, তীৰ্থতকৈ হৰিনাম শতকোটি বাৰ শ্ৰেষ্ঠ। এনে হৰিনাম লোকে মহা মহা ভাগ্যৰ ফলতহে মুখত লবলৈ পালে। যিজনে হৰিনাম লয় তেওঁ মহাসুখেৰে মোক্ষ লাভ কৰাৰ উপৰিও হৰি তেওঁৰ প্ৰতি সন্তুষ্ট

হয়। তেওঁ জগতৰ গুৰু আৰু তেওঁৰ নাম ললে কোটি কোটি পুৰুষ উদ্ধাৰ কৰিব পাৰে।

২০২১ অগ্নিয়ে শুকান বন ক্ষন্তেকতে ভস্মীভূত কৰিব পৰাৰ দৰে হৰিনামে হুতাশনৰ দৰে পাপ ভস্মীভূত কৰে আৰু এনে হৰিনাম প্ৰচাৰ কৰি কৃপালু নাৰায়ণে পাপীবোৰক উদ্ধাৰ কৰিলে। দেৱতাৰে ঈশ্বৰ হৰি, বহু যত্ন কৰি হলেও তেওঁত একান্ত শৰণ হ'ব লাগে। মোক্ষ লাভ কৰিবলৈ বিচৰাজনে দূৰলৈ যাবৰ প্ৰয়োজন নাই, হৃদয়স্থ আত্মা ঈশ্বৰতে শৰণ লব লাগে।

২০২২ কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে কৈছে- হৰি নামে পাপ দহে, ৰাম নাম সকলোতকৈ উত্তম। যিজনে নাম স্মৰণ কৰে, তেওঁৰ সকলো পাপ মষিমূৰ হয় আৰু মুক্তি লাভ কৰে। জগতৰ উদ্ধাৰৰ বাবেই গৰুড়কেতু অৰ্থাৎ কৃষ্ণই এইবাৰ হৰিনাম ব্যক্ত কৰিলে। নৰৰ আয়ুস অবাবতে অতিক্ৰম হৈছে, কেতিয়া কালে গ্ৰাস কৰে ঠিক নাই; গতিকে নিৰন্তৰে ৰাম ৰাম বোলা।

দ্বিতীয় কীর্ত্তন

ঘোষা মাধৱ বান্ধৱ বাপ উদ্ধাৰা।
কতনো সংসাৰ তাপ সহিবা।।
(হে মাধৱ, হে বান্ধৱ, হে বাপ মোক উদ্ধাৰ কৰা। সংসাৰৰ কিমান তাপনো
সহ্য কৰিম)।।১৬৮।।

পদ ২০২৩ শুকে ক'লে, হে নৃপবৰ, বাৰস্কন্ধৰ যি তাৎপৰ্য; সেই তাৎপৰ্য হৈছে- একমাত্ৰ কৃষ্ণদেৱ। কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ আন নাই; গতিকে ইয়াকে জানি কৃষ্ণক সেৱা জনোৱা।

২০২৪ যাৰ অৰ্জ্জিত পুণ্য অসংখ্যাত আছে, তেওঁহে কৃষ্ণ কথাত কাণ পাতে। সেই কাৰণে কৃষ্ণক আপোন বুলি লৈ কৃষ্ণদেৱৰ গুণানুকীৰ্ত্তন শুনা।

২০২৫ যি স্থানত ভকতে কৃষ্ণৰ গুণ নাম লয়, সেই নাম পুষ্পৰ মালা গাঁথি মহামহোৎসৱ কৰি কণ্ঠত পিন্ধাজনহে আচল ভকত আৰু মাধৱৰ পৰম বান্ধৱ।

২০২৬ যিজনে হৰি নাম সেৱা কৰি যায়, তেওঁৰ পাছে পাছে সমস্ত দেৱ-দেৱী গৈ থাকে। যিমান তীৰ্থ আছে — সেইবোৰেও তেওঁক স্তুতিহে কৰে আৰু সেইজনৰ বায়ুদোষ, পাপাদি সমস্তকে নামে হৰণ কৰে।

২০২৭ যিজনে হৰিনাম উচ্চাৰণ কৰি ফুৰে, তেওঁৰ পাছে পাছে হৰিয়েও ভ্ৰমি ফুৰে। দামুৰিৰ স্নেহত গাই দামুৰিৰ পিছে পিছে যোৱাৰ দৰে হৰিকো সেইদৰে ভজিব লাগে আৰু তেহে ভগৱানক লাভ কৰিব পাৰে।

২০২৮ এজনে যদি নাম উচ্চাৰণ কৰে,সেই উচ্চাৰণ যিমানলৈকে যায় সিমানলৈকে শুনোতাসকলৰ পাপ দূৰ হয়। সেই হৰি সিমানেই অদ্ভুত আৰু মহিমাযুক্ত যে তেওঁৰ নাম ললেই সংসাৰ তৰি যাব পাৰে।

২০২৯ অনিচ্ছাতো যদি বিষ্ণু উচ্চাৰণ কৰে,তেওঁৰ সমস্ত পাপ দূৰ হয়। প্ৰেমভাৱে কৃষ্ণৰ চৰণত ভজাজনৰ প্ৰভাৱ নকলেও হ'ব।

২০৩০ জীৱই সংসাৰৰূপী গৰ্তত পৰি আছে, মোহান্ধ হৈ দুঃখ-শোকত ভুগি আছে, কালৰূপী ভুজঙ্গই দংশন কৰি প্ৰাণ লওঁ লওঁ কৰিছে - এইবোৰৰ পৰা ৰক্ষা কোনে কৰিব?

২০৩১ অসংখ্য প্ৰাণীৰ খোজবোৰ হাতীৰ খোজত লুকুবাৰ দৰে সমস্ত বিশ্বৰ সকলোবোৰ কৃষ্ণতে অন্তৰ্হিত হয়।

২০৩২ অতি পাতকীয়েও যদি আনন্দ মনেৰে কৃষ্ণক যদি এক নিমেষ ধিয়ায়, তেৱোঁ পুণ্যশালী হৈ বৈচিত্ৰ্যময় হৈ উঠে আৰু পবিত্ৰকাৰীকো পবিত্ৰ কৰে।

২০৩৩ আমি পোৱা পাৰ্থিৱ সম্পদবোৰ সম্পদ নহয় বা আমি পোৱা সৌভাগ্যবোৰো সম্পদ নহয়, বিপদ-আপদবোৰো বিপদ নহয়, হৰি ভকতিহে পৰম সম্পদ আৰু হৰিৰ প্ৰতি পিঠি দিয়াটোহে আপদ।

২০৩৪ মহাপাপী, অধমজাতিকো নামে পবিত্ৰ কৰে।সেই ধৰ্ম্মশিৰোমণি হৈছে হৰিনাম আৰু ইয়েই পাপ- অৰণ্যৰ বহ্নি।

২০৩৫ কলিত পৰম উপায় নাম, ই একেলগে তিনিটা কাম সমাধা কৰে— পুণ্য উপজে, পাপ দুৰ হয় আৰু মোক্ষ সুখ লাভ হয়।

২০৩৬ কলিৰ লোকৰ মন এনেয়ে মলিন আৰু আন আন পুণ্য অৰ্জ্জন কৰিব নোৱাৰে। কলিত নামেই পৰম ধৰ্ম্ম আৰু মৃত্যুৰ লগতে লৈ যাব পৰা সম্বল আৰু অৰ্থ।

২০৩৭ ইয়াকে জানি বিষয়-ধান্দা ত্যাগ কৰি হৰিনাম গলত বান্ধা। কিমান পুণ্যৰ ফলত মানৱী তনু লাভ কৰিছা ইয়াক কেতিয়াও বিফল নকৰিবা।

২০৩৯ মোহ-নিদ্ৰাৰ পৰা সাৰ পাই উঠা, চেতনা লভা, কৃষ্ণৰ সেৱাত যত্ন কৰা অতি সোনকালে পৰলোকৰ বাবে কৰ্ম্ম সম্পাদন কৰা; নিৰন্তৰে ৰাম ৰাম বোলা।

।। ভাগৱত তাৎপৰ্য সমাপ্ত।।

কথা কীৰ্ত্তন-ঘোষা

ওপৰঞ্চি

পৰিশিষ্ট।। ১।।

সহস্ৰনাম -বৃত্তান্ত

প্ৰথম কীৰ্ত্তন

ঘোষা কি কৰিলো কি কৰিলো ভকতি নকৰি।
অন্তকে পাইলেক আসি ৰক্ষা কৰা হৰি।।

****

(ভকতি নকৰি কি কৰিলো, কি কৰিলো।
অন্তকে আসি পাইলেক, হৰি ৰক্ষা কৰা।।)

(গোটেই জীৱনত ভকতি নকৰাকৈ পঠালো, কি ভুল কাম কৰিলো, এতিয়া মৃত্যুৰ সময় আহি পালেই, উপায় নাই, হে হৰি মোক ৰক্ষা কৰা।) ।। ১।।

পদ ১ এই শিৰ থাকোতেও মাধৱক নমস্কাৰ নকৰিলো, এই মূৰটো মই বৃথাই বহন কৰিলো, ই মোৰ মহাভাৰহে হ'ল। দুখন কাণ থকা সত্বেও এদিনো হৰি কথা নুশুনিলো ; এই দুখন কাণৰ দুটা গাঁতৰ ভাৰ এনেয়ে বহন কৰিলো।

২ জিভাখন ৰাম নাম লবলৈহে ভগৱানে দিছিল; কিন্তু মই জিভাখন থাকোতেও ৰাম নাম নললো, ভেকুলীৰ জিভাখনৰ দৰে কোনো কাম নহ'ল। দুটি নয়ন থকাতো ঈশ্বৰৰ ৰূপ নেচালো; গতিকে দুটি নয়ন অন্ধকূপৰ নিচিনাই হ'ল।

৩ ঈশ্বৰ কৃষ্ণৰ ৰূপ অতি মনোহৰ— চিত্ৰ-বিচিত্ৰ মৈৰা চৰাই পাখিৰ দৰে, এনে মনোময় হৰিৰ ৰূপ নেদেখা চকুহে মই পালো।হৰি পদ-পদ্মৰ গোন্ধ তুলসীৰ গন্ধৰ দৰে আৰু সেই গন্ধ মই নাকেৰে নললো;

গতিকে মোৰ নাসিকা কমাৰৰ ভাঠিৰ দৰে জড়।

৪ দুয়ো বাহুত বিবিধ অলঙ্কাৰ পৰিধান কৰিলো; কিন্তু এই দুখনি বাহুৰে ঈশ্বৰৰ পূজা নকৰিলো। কৃষ্ণ কৃত্য নকৰাৰ বাবে মই পাষণ্ড-বৰ্ব্বৰ হ'লো আৰু মোৰ এই হাত আৰু বাহু মৰা শৰ দৰে অকামিলা হ'ল।

৫ দুখনি ভৰি থকা সত্বেও পুণ্যক্ষত্ৰলৈ (নামঘৰলৈ) নগ'লো, গতিকে মোৰ পাদ গছত শিপাৰ দৰে হ'ল। হে দয়াময়, মোৰ কি গতি হ'ল, এতিয়াৰ পৰাই তোমাৰ নাম লওঁ প্ৰভু— এই মাত মোক দিয়া।

৬ কৰ্ম্মদোষত মই যি জনমেই নাপাওঁ লাগিলে সেই জন্মত যেন তোমাৰ চৰণ যাতে মই এৰি নিদিওঁ। মোৰ মুখে সদায়ে ৰাম নাম উচ্চাৰণ কৰক, যাতে মই সংসাৰ সাগৰ পাৰ হ'ব পাৰো।

৭ সমস্ত জগত তোমাৰ মায়াৰে মোহিত হৈ আছে, তোমাৰ পদত কোনোৱে চিত্ত নিদিয়ে; পুত্ৰ-ভাৰ্যা -এই দুডাল শিকলিৰে দুয়ো ভৰি বান্ধি থৈছো, মৰিবৰ সময় সমাগত হ'লহি, তৎসত্বেও হৰি বুলি নকওঁ।

৮ ভাৰতৰ নিচিনা পবিত্ৰ ভূমিত মানৱীজন্ম লাভ কৰিলো কিন্তু তোমাক নভজি জীৱন বিফলে পঠালো। এবাৰো তোমাৰ চৰণ চিন্তা নকৰিলো। তৰু-বন আদি জীয়াই থকাৰ দৰেহে যেন মোৰ জীৱন জীৱিত হৈ আছো।

৯ বিষয়ত ভোল গৈ ভোগকে কৰি আছো আৰু তাৰ ফলত শিয়াল- কুকুৰৰ দৰেহে জন্ম লোৱাৰ বাট মুকলি কৰিলো। সংসাৰ তৰিবৰ কাৰণে মানৱ জীৱনেই শ্ৰেষ্ঠ, কিন্তু তাক পায়ো বিষয়- বতাহত পৰি অস্থিৰ হৈ গ'লো।

১০ দেহা এতিয়া তলবল কৰিছে, কেনেকৈ ভৱসাগৰ পাৰ হৈ যাম, হে প্ৰভু মোক উদ্ধাৰ কৰা- মই তোমাৰ দাস হৈছো।

সুকবি শেখৰ তোমাৰ দাসৰো দাস।

মই কাতৰ কৰিছো -মোক চৰণত ঠাই দিয়া।।

দ্বিতীয় কীৰ্ত্তন

ঘোষা ৰাম জগবন্ধু গোপাল ত্ৰাহি।
দীনদয়াল দাস উদ্ধাৰিয়ো।।
(হে ৰাম,হে জগবন্ধু,হে গোপাল, মোক ত্ৰাণ কৰা। হে দীনদয়াল, মই তোমাৰ দাস, মোক উদ্ধাৰ কৰক।) ।।২।।

পদ ১১ কৃষ্ণৰ চৰণে প্ৰণাম কৰি পদ্ম পুৰাণৰ সহস্ৰনামৰ কীৰ্ত্তন আমি ৰচনা কৰিবলৈ বিচৰা হৈছে, ইয়াক শুনিলে পাপ দূৰ হয়।

১২ হৰি নামে সংসাৰৰ পৰা পৰিত্ৰাণ কৰে- এয়ে সকলো শাস্ত্ৰৰ সাৰ কথা। পুৰাণ, মহাভাৰত, আগমশাস্ত্ৰসমূহ বেদ-বেদান্তৰ এয়ে তত্ত্ব।

১৩ এই হৰি নাম উত্তম আৰু পাতকৰ যম। ব্ৰত-দান-যজ্ঞ-কৰ্ম্মই যি ফল দিয়ে হৰিনামে অকলেই মহাফল দিয়ে।।

১৪ হৰিনামে বিষয়ত বিৰকতি আনে, কৃষ্ণত প্ৰেম ভক্তি বঢ়ায়, মায়াৰ বন্ধন ছিণ্ডি জ্ঞান দান কৰে আৰু অন্তকালে বিষ্ণুপদ দিয়ে।

১৫ হৰিনামে কৃষ্ণত লীন যোৱাইহে উপশম হয়। এই সাতকাৰ্য জানি হৰিনাম লওঁক।

১৬ নিন্দুকৰ নিন্দাত কাণ নিদিবা, হৰিনাম যত্নেৰে ল'বা — এই কথা পদ্ম পুৰাণৰ স্বৰ্গখণ্ডত উক্ত আছে।

১৭ চাৰিবেদৰ তত্ত্ব উদ্ধাৰ কৰি হৰি নামকেই সাৰ পোৱা গ'ল। হৰি নাম লগে সমস্ত জগত মুক্ত হয় বাবে মাধৱে হৰিনাম গুপ্তভাৱে ৰাখি -

১৮ ঠায়ে ঠায়ে ইয়াক স্থাপন কৰিলে; বৈষ্ণৱসকলেহে ইয়াক বিচাৰি পায়। সেইবাবে মুক্তিকো নিবিচাৰি অতি আনন্দ মনে নাৰদে হৰি কীৰ্ত্তন কৰি ফুৰে।

১৯ তেওঁ মাধৱৰ গুণ গাই ফুৰে আৰু হৰি বিনে গতি নাই বুলি কৈ ফুৰে। দুষ্ট মনৰ লোকেও যদি হৰি বুলি কয়, তেৱোঁ মহাপাপৰ পৰা ত্ৰাণ পায়।

২০ তেওঁ বৈকুণ্ঠলৈ যাবলৈ উদ্যত হয় আৰু কোটি পুৰুষকো উদ্ধাৰ কৰে। এনে হৰিনাম নলৈ নৰে আত্মঘাত কৰে।

২১ হৰে পাৰ্ব্বতীক এই তত্ত্ব ক'লে আৰু ব্ৰহ্মায়ো দেৱগণক এই তত্ত্ব কথা ক'লে। হৰি নাম বিনে আন নাই-পুৰাণ বিচাৰ কৰিলে এই সত্য প্ৰতীয়মান হয়।

২২ সুকবি শেখৰে ইয়াকে নিশ্চত কৰি কৈছে। ইয়াত কোনো সংশয় নাই। ইয়াক জানি অন্যান্য-ব্যথা কৰ্ম্ম ত্যাগ কৰি সদায়ে ৰাম ৰাম বোলক।।

তৃতীয় কীৰ্ত্তন

ঘোষা হৰি গোবিন্দ অৰবিন্দলোচন ৰাম।
মোৰ মুখে ৰাম কৃষ্ণ নাম নছাড়োক।।
(হে হৰি, হে গোবিন্দ, হে অৰবিন্দলোচন, হে ৰাম,
মোৰ মুখে যেন ৰাম কৃষ্ণ নাম নেৰক।) ।।৩।।

পদ ২৩ নাৰদ ঋষি ব্ৰহ্মাৰ সভাত পিতৃৰ মুখৰপৰা বেদৰ অৰ্থ শুনি আছিল আৰু অনেক শাস্ত্ৰৰ তত্ত্ব-অৰ্থ বিচাৰিছিল। ইয়াৰ পাচত তেওঁ পৃথিবীলৈ আহিল-

২৪ তেওঁ কেৱল বিষ্ণুতেই ধ্যান ৰাখে আৰু বিষ্ণুভক্ত। বিষ্ণুৰ বাহিৰে আনক নেজানে। তেওঁ হাতত বীণা লৈ মাধৱৰ গুণ গাই ফুৰে আৰু মাধৱৰ গুণ-গান লোকত শুনাই ফুৰে।

২৫ তিনিলোককে তেওঁ পবিত্ৰ কৰি ফুৰে। তাৰ পাচত তেওঁ ঋষিৰ সমাজলৈ গ'ল আৰু নৈমিষাৰণ্য পালেগৈ।

২৬ ব্ৰাহ্মণসকলে নাৰদক দেখি সাদৰে আসনত উপবিষ্ট কৰালে। তেওঁক ঋষিসকলে নমস্কাৰ কৰি জগতৰ ভিতৰতে সাৰ থকা প্ৰশ্ন কৰিলে-

২৭ দান, ব্ৰত, তীৰ্থ,যজ্ঞ আচৰণ নকৰি কোন কৰ্ম্ম কৰিলে সমস্ত পাপৰ পৰা উদ্ধাৰ হ'ব পাৰি? পুৰুষে সুখেৰে কেনেকৈ গতি পাব? এই ৰহস্য কথা আমাক কওঁক।

২৮ আন এটি প্ৰশ্ন আমি তোমাক কৰিব বিচাৰো- শঙ্কৰে কি কাৰণে তপ কৰে? তেওঁ নিজেই ত্ৰিজগতৰ সাৰ হৈ আন কাক চিন্তা কৰিবলগা আছে?

২৯ মুখেৰে তেওঁ কি জপে, মনেৰে কি ধ্যান কৰে,-হে গুৰু কওঁক, আমি ৰং মনেৰে শুনো। নাৰদে অতি ৰং মনেৰে ৰহস্য কথা ক'বলৈ ধৰিলে-

৩০ তোমালোকে ভাল কথাকেই সুধিছা, এই কথা পাৰ্ব্বতীয়ে শিৱক সুধিছিল শঙ্কৰে কৈলাশত যোগ-ধ্যানত থাকোতে। পাৰ্ব্বতীক দেখিলে শিৱৰ ঘোৰ ব্ৰত-আৰু দেখিলে—

৩১ গাত বস্ত্ৰ নাই, দিশেই পৰিধান, ভষ্ম-ধূলাৰে দেহ মলিন, মূৰত বিকট জঁটা, গাত সৰ্পগণ-দেখিবলৈ চমৎকাৰ।

৩২ তেওঁ দিনে-ৰাতিয়ে হৰিনাম জপে আৰু চিন্তে। তাকে দেখি পাৰ্ব্বতীয়ে

ক'লে- স্বামী, তুমি সকলো দেৱৰ ভিতৰতে মুখ্যদেৱতা, তোমাক সমস্ত দেৱগণে সেৱা কৰে।

৩৩ তোমাক সদায় চন্দ্ৰ, সূৰ্য, ব্ৰহ্মাই সেৱা জনায় আৰু তোমাৰ দৰ্শন লাভ কৰি সকলোৰে সিদ্ধি লাভ কৰে। তোমাৰ জন্ম-মৰণ-সংসাৰ নাই, তোমাৰ মহিমাৰো কোনেও অন্ত নাপায়।

৩৪ তেনেকুৱা এজন দেৱেনো কাক ধিওৱা? কি কাৰণে জপ কৰা? কি মন্ত্ৰনো জপা-মোক কোৱাচোন। বৰ কৌতুহলৰ বাবে মই তোমাক সুধিলো।

৩৫ মই তোমাৰ পৰম প্ৰিয়তমা ভাৰ্যা,মোক ৰহস্য কথা কওক। দ্বিজ কবি শেখৰে-এনে সাৰ কথা কৈছে-হৰিনাম লৈ সকলোৰে নিস্তাৰ হওক।

চতুৰ্থ কীৰ্ত্তন

ঘোষা হে কৰুণাসিন্ধু ভকতবন্ধু নিস্তাৰ কৰিয়ো।
কেনে সংসাৰৰ পাৰ হওঁ।।
(হে কৰুণাসিন্ধু, হে ভকত বন্ধু, মোক উদ্ধাৰ কৰা। কেনেকৈ সংসাৰৰপৰা উদ্ধাৰ হওঁ)।।৪।।

পদ ৩৬ পাৰ্ব্বতীৰ কথা শুনি শিৱই উত্তৰ দিলে হে পাৰ্ব্বতী, উপযুক্ত কথাকে সুধিলা, গতিকে মোৰ উত্তৰ শুনা।

৩৭ এই কথা পৰম ৰহস্যময়, এই কথা ব্যক্ত কৰা অনুচিত; কিন্তু তুমি মোৰ প্ৰথমপ্ৰিয় ভাৰ্য্যা, সেইবাবে তোমাক এই তত্ব কওঁ-

৩৮ পূৰ্ব্বকালে সত্যযুগত সকলো হৰিৰ পৰম ভক্ত আছিল, সকলোৰে শুদ্ধ চিত্ত আছিল আৰু কৃষ্ণৰ চৰণত ৰতি আছিল।

৩৯ সকলোৱে হৰিৰ পাদ-পদ্মক হৃদয়ত ধৰি মাধৱৰ নাম লৈ ফুৰিছিল। তেওঁলোকে কাণেৰে কেৱল কৃষ্ণৰ কথাহে শুনিছিল আৰু হৰিক সযত্নে পূজা কৰিছিল।

৪০ তেওঁলোকে জানিছিল যে নামেহে নিস্তাৰিব পাৰে, সেইবাবে হৰিনাম লৈ পাৰ পাবলৈ বিচাৰে। এই জনমত কেৱল ভকতিকে হাৰ কৰে আৰু পৰলোকত মুক্তি লাভ কৰে।

৪১ ইন্দ্ৰাদি দেৱতাই সেই যুগত কৰ্ম কৰি ভগৱন্তক লাভ কৰিব পৰা নাছিল। হৰি স্মৰি যি গতি লাভ হয়, আন পুণ্য কৰ্ম কৰি তাক নোপোৱাৰ বাবে সেইবোৰ আচৰণ কৰা নাছিল।

৪২ মোৰ বাক্য শুনি সমস্ত দেৱগণৰ বুদ্ধি নষ্ট হ'ল। তেওঁলোকে আগম পুৰাণ বেদ-মত অনুসৰি চলাৰ বাবে মনলৈ কৃষ্ণ নামৰ মাহাত্ম্যত ধ্যান নাছিল।

৪৩ শাস্ত্ৰ অসংখ্য আৰু শাস্ত্ৰৰ মতবোৰো ভিন্ন ভিন্ন। তাৰ তত্ব কেৱে নাপায়।
দেৱগণেও তাৰ গূঢ়াৰ্থ নাজানে। মানুহে জনাটো দূৰৈৰ কথা।

৪৪ তেওঁলোকে তুলাদান কৰে অশ্বমেধ যজ্ঞ কৰে, বাৰানসী-প্ৰয়াগত স্নান কৰে, গয়াত পিতৃক পিণ্ডদান দিয়ে।

৪৫ কৃচ্ছ-সাধন কৰে, ব্ৰত কৰে, বেদপাঠ সদায়ে কৰে, তপ-জপ-ব্ৰত-ভূতদায়া কৰে আৰু অন্যান্য পুণ্য আচৰণ কৰে।

৪৬ যোগ, ধ্যান, ব্ৰতৰ তত্ত্বকে তেওঁলোকে সাৰ কৰে বাবে পৰম গতি নাপায়। কিন্তু হৰি নাম মুখেৰে ললে পৰম গতি লাভ কৰিব পাৰে।

৪৭ পুত্ৰ-ভাৰ্য্যাতি সান্নিধ্যতে জীৱন অতিবাহিত কৰে, সততে পৰহিংসা ধৰ্ম্ম আচৰে, ব্ৰহ্মচৰ্য্য ব্ৰত পালন নকৰে আৰু কোনো জ্ঞান-তত্ত্ব উপলব্ধি নকৰে।

৪৮ এইদৰে স্ব-ধৰ্ম্ম এৰি পেলালে, বেদৰ কৰ্মকো পালন নকৰে, কেৱল কৃষ্ণৰ নামহে লয় আৰু মুক্তিকে লাভ কৰে।

৪৯ হৰিনামৰ মহিমা আচৰিত। হৰিনামৰ মহিমা কোনেও কৈ শেষ কৰিব নোৱাৰে, তাৰ সীমা নাই। ইয়াৰ বাদে আন পৱিত্ৰ ধৰ্ম্ম নাই। সেয়ে সদায়ে ৰাম নামত অমৃত পান কৰা।

পঞ্চম কীৰ্ত্তন

ঘোষা তুৱা পাৱে ভাজিলো, ৰাম গোপাল কৃপা কৰা।
তুৱা নাম নাৱে সংসাৰ সাগৰ তৰো।।
(হে ৰাম, হে গোপাল, তোমাৰ চৰণত ভাজিলো, মোক কৃপা কৰা। তোমাৰ নামৰ নাৱেৰে সংসাৰ সাগৰৰপৰা উদ্ধাৰ হ'ব বিচাৰো)।।৫।।

পদ ৫০ পাৰ্ব্বতীক শঙ্কৰে নিষ্ঠ কৰি কলে যে হৰি নামে সংসাৰ তৰায়। সৰ্ব্বক্ষণতে হৰি নাম মনত ভাবি থাকিবা। হৰি নামৰ বাদে চিন্তাত অন্য কথা নোসুমুৱাবা।

৫১ হৰি নামতে পুণ্য লাগি থাকে, হৰি নাম পাহৰিলে পাপে ঠাই লয়। পুণ্যসমূহ হৰি নামৰ কিঙ্কৰৰ দৰে আৰু হৰি নাম এৰি পেলালে পাপে বাহ লয়।

৫২ বিষ্ণুক স্মৰণ কৰি মনুষ্যগণে পাপ দূৰ কৰা ব্ৰহ্মাই দেখা পালে। লগতে সমস্ত দেৱগণেও এই কথা লক্ষ্য কৰিলে। মনুষ্যগণে হৰি নাম লৈ উপকৃত হয় আৰু দেৱগণৰ পূজা নকৰি সকলোৱে হৰিৰ সেৱক হ'ল।

৫৩ দেবগণে এই কথাত খেদ কৰি মনুষ্যৰ হৰি ভক্তি নিচ্ছিন্ন কৰিবলৈ চিন্তা কৰিলে। দেৱগণে কলে- সমস্ত পৃথিৱীতে আমাক পূজা নকৰা হ'ল আৰু হৰিক ভক্তি কৰি বৈকুণ্ঠলৈ গতি কৰে। গতিকে হৰিভক্তিক ছেদ কৰিবলৈ দেৱগণে ভাবিলে।

৫৪ আমি যজ্ঞভাগ নাপাওঁ, আমি নামতহে দেৱতা হলো। আমাৰ দেৱতা পদ ধিক্‌ধিক্ । গতিকে হে দেৱগণ সকলোৱে আগবাঢ়ি আঁহা আৰু আমি মাধৱক উপাসা কৰোঁ।

৫৫ শিৱই ক'লে— মই কৃষ্ণতকৈ শ্ৰেষ্ঠ হ'ম বুলি তেওঁত ভকতি কৰোঁ। এইদৰে ত্ৰিদশকোটি দেৱতাই স্থানে স্থানে বিষ্ণুক পূজা কৰিবলৈ ধৰিলে।

৫৬ মনুষ্যগণ আমাৰ ভিক্ষা প্ৰাৰ্থী হওক- এই জীৱিকা আমাক দিয়ক প্ৰভু, আমি আপোনাৰ ভকত হ'লো। আমি কেৱে যজ্ঞভাগ নেপাওঁ, গতিকে তোমাৰ চৰণত সেৱা জনাওঁ যে আমাক জীৱিকা প্ৰদান কৰক ।

৫৭ ত্ৰিদশৰ ভকতিত হৰি তুষ্ট হ'ল আৰু সম্মুখত দেখা দিলে। কোটি সূৰ্য্যসমৰ দৰে দিব্যৰূপ, মধুৰ মুৰুতি প্ৰকাশ কৰি, মৃদু হাস্যমুখেৰে তেওঁ প্ৰকাশিত হ'ল।

৫৮ শঙ্খ-চক্র-গদা-পদ্মধাৰী বিষ্ণুৱে দেৱসবক সম্বোধন কৰি ক'লে— মই সন্তুষ্ট হৈছো আৰু তোমালোকৰ উপকাৰ সাধন কৰিম। মই নিজেই মনুষ্যৰূপে অৱতাৰ লম-

৫৯ অৱতাৰ লৈ- তোমালোকক পূজা কৰিম আৰু মোৰ আৰ্হি লৈ মনুষ্যই তোমাক পূজিব। দেৱগণক যজ্ঞ কৰিম আৰু তেতিয়া মোৰ নামধৰ্ম্ম লোপ পাব।

৬০ এইবুলি আশ্বাস দি তেওঁ পৃথিৱীত বহুবিধ ৰূপ গ্ৰহণ কৰিলে। ৰঘুবংশত তেওঁ ৰাম অৱতাৰ লৈ যজ্ঞ কৰি দেৱতাৰ উপকাৰ সাধিলে।

৬১ শ্ৰাদ্ধ কৰি পিতৃগণৰ মনত সন্তোষ্টি আনিলে, ব্ৰাহ্মণসকলক দান দি সন্তুষ্ট কৰিলে। দ্বাপৰ যুগত যদুবংশত অৱতাৰ গ্ৰহণ কৰি বলৰাম কৃষ্ণৰূপে ভূমিৰ ভাৰ হৰণ কৰিলে।

৬২ দেৱতা আৰু ব্ৰাহ্মণক বহুতে পূজা কৰিলে। জগতৰ সকলোৱে কৃষ্ণৰ উপদেশ গ্ৰহণ কৰিলে। কৃষ্ণৰ কৃপাত দেৱগণৰ মনোৰথ পূৰ্ণ হ'ল। হৰি হৰি বোলা আৰু সকলোৱে সদ্‌গতি হওক।

ষষ্ঠ কীৰ্ত্তন

ঘোষা ভাই ৰাম নাম জপ ভাই ৰাম নাম জপ।
ইহাৰ সমান তন্ত্ৰ মন্ত্ৰ জপ নুহি।।
(হে ভাই ৰাম নাম জপ কৰা, ৰাম নাম জপ কৰা। তন্ত্ৰ, মন্ত্ৰ, জপ আদিবোৰ ইয়াৰ সমান হ'ব নোৱাৰে)।। ৬।।

পদ ৬৩ হে পাৰ্ব্বতী শুনা, মই হৰিক পূজা কৰিলো, মনতে ভাবিলো মই যেন কৃষ্ণত কৈ অধিক শ্ৰেষ্ঠ হওঁ। মই বাহিৰত দেখাই বহুবিধ ভকতি কৰিলো, কিন্তু মোৰ মনত সদায়ে কপট ভাব পুঁহি ৰাখিলো।

৬৪ হে পাৰ্ব্বতী মই অন্তৰৰ কথা ভাঙিপাতি ক'লো। মাধৱৰ প্ৰতি মোৰ অহঙ্কাৰ দুৰ নহ'ল। মই কপট ভক্তি কৰিলো যদিও ত্ৰিজগতৰ পতি মোৰ ভক্তিত তুষ্ট হ'ল।

৬৫ প্ৰভু দয়াময় কিমান যে ভকত বৎসল, মোৰ কপটী সেৱাত মোক কুশল কৰিলে মাধৱে মোক দিব্যৰূপে দেখা দিলে আৰু পৰম উৎসুকে আনন্দময় ৰূপ নয়ন ভৰি চালোঁ।

৬৬ কৃষ্ণৰ চৰণত দণ্ডৱতে পৰিলোঁ আৰু নাৰায়ণে মোক কলে - মোতকৈ তোমাক বেচি মান ভক্তি কৰিব। কেনেকৈ অধিক মান পাবা তাক ভাঙি পাতি কওঁ —

৬৭ মই পৃথিৱীলৈ গৈ তোমাক পূজা কৰিম, তোমাতে বৰ লৈ তোমাৰ যশ-কীৰ্ত্তি বঢ়াম। দ্বাপৰ যুগৰ আদিত আৰু ত্ৰেতা যুগৰ অন্তত মই জগতত অৱতাৰ ল'ম।

৬৮ মোৰ কথামতে তুমি-শাস্ত্ৰ প্ৰণয়ন কৰি মানুহৰ লোভ বঢ়াবা। আগম শাস্ত্ৰ লিখি সংসাৰৰ সুখ দেখুৱাবা, আৰু তাক পাই মানুহে মোৰ প্ৰতি অশ্ৰদ্ধ হ'ব।

৬৯ মোৰ ভক্তি পথ সম্পূৰ্ণ ছন্ন হ'ব, অন্য দেৱক পূজাত সকলোৰে মন নিৰ্বিষ্ট হ'ব। আগমৰ দ্বাৰা মোক গুপ্ত কৰি ৰাখিবা আৰু তেতিয়া প্ৰজাৰ বহুত পুষ্টি হ'ব।

৭০ মাধৱৰ কথা শুনি ভয় খাই প্ৰণাম জনাই কলো-আগমৰ দ্বাৰা অনুপ্ৰাণিত হৈ নৰে যদি সহস্ৰ ব্ৰহ্মা বধ কৰে, তোমাৰ সেৱাত তাৰ পৰা তৰিব পাৰে।

৭১ তোমাক যদি অহঙ্কাৰ প্ৰদৰ্শন কৰে, সেই পাপৰ পৰা নিস্তাৰৰ উপায় নাই, শতকোটিকল্প তেওঁ নৰকত পচে আৰু কেতিয়াও সেই মহাপাপ নুগুচিব।

৭২ হে নাৰায়ণ, মই সেই মহাপাতকৰ পৰা কেনেকৈ নিস্তাৰ পাম? সেই উপদেশ মোক দিয়া প্ৰভু।তোমাক যদি আগমে মই ছন্ন কৰো তেতিয়া মোৰ অমোচন পাপ হ'ব।

৭৩ মাধৱে ক'লে শুনা শঙ্কৰ, মোৰ নাম ললে পাপ মষিমূৰ হ'ব। সহস্ৰ মোৰ নাম লৈ পাপৰ পৰা উদ্ধাৰ হ'ব। তেতিয়া মোৰ সবাতোকৈ প্ৰিয় হ'বা।

৭৪ মোৰ নামে তিনিলোকক উদ্ধাৰ কৰিব পাৰে, মুক্তি লাভ কৰাটো কোনো কথাই নহয়। মোৰ নাম ললে মোৰ চৰণত ঠাই পায়। পৰম ঐশ্বৰ্য্য আৰু যদি কিবা লাগে, তাকো দিব পাৰো।

৭৫ হে শঙ্কৰ মোৰ বাক্য মিছা হ'ব নোৱাৰে। মোৰ নাম ললে ইচ্ছা কৰা মতে সকলো লাভ কৰিবা। কৃষ্ণই তেওঁৰ সহস্ৰ নাম মোক কলে।

৭৬ প্ৰভুৰ মুখৰ পৰা তেওঁৰ সহস্ৰ নাম শুনিবলৈ পালো। সেই নাম মনত ৰাখি ললো আৰু তাকে মই জপ কৰোঁ। তুমি মোৰ প্ৰিয় ভাৰ্য্যা বাবে সকলো ৰহস্য-তত্ত্ব তোমাক কলো।

৭৭ ৰত্নাকৰ কন্দলিয়ে এই সাৰ তত্ত্ব ব্যক্ত কৰিলে।ৰাম নাম বিনে সংসাৰত নিস্তাৰ হোৱাৰ উপায় নাই। ইয়াকে জানি মাধৱৰ নাম দৃঢ়ভাৱে ধৰা, ৰাম নাম লৈ সুখে সংসাৰ তৰা।

।। সহস্ৰনাম-বৃত্তান্ত সমাপ্ত।।

কথা কীৰ্ত্তন-ঘোষা

পৰিশিষ্ট।।২।।

উৰেষা-বৰ্ণন

প্ৰথম কীৰ্ত্তন

ঘোষা জয় জয় জগন্নাথ ৰাম প্ৰণামো।।

(হে জগন্নাথ, তোমাৰ জয় হওক, জয় হওক। হে ৰাম তোমাক প্ৰণাম কৰো)।। ৭।।

পদ ৭৮ হে জগন্নাথ, হে ভকতৰ নিধি, তোমাক নমস্কাৰ। হৰিক স্মৰণ কৰি আৰম্ভ কৰিছো যেন- সিদ্ধি হওক। হে লোক, উৰেষা- বৰ্ণন শুনক, শঙ্কৰে ব্ৰহ্মপুৰাণৰ পৰা এই কাহিনী বৰ্ণনা কৰিছে।

৭৯ মুনিসকলে ব্ৰহ্মাক ক'লে, আমি প্ৰণিপাত কৰিছোঁ— ক্ষেত্ৰৰ মহিমা আমাক কওক। উৰেষাপুৰীত ইন্দ্ৰদ্যুম্ন ৰজাই কিয় অশ্বমেধ যজ্ঞ কৰিছিল ?

৮০ তাত অদ্ভুত দৌল তৈয়াৰ কৰি বলৰাম কৃষ্ণৰ প্ৰতিমা কিয় স্থাপন কৰিলে ? এই সমস্ত কাহিনী কওক।

৮১ ব্ৰহ্মাই মুনিগণক ক'লে- মালয় দেশত অৱন্তীপুৰী আছিল, তাৰ মহিমা অশেষ, ইয়াক দ্বিতীয় অম্ৰাৱতী বুলিব পাৰি।

৮২ সেই নগৰতে ইন্দ্ৰদ্যুম্ন ৰজাই প্ৰজাবৰ্গক ধৰ্ম্মীয় নীতিৰে পালন কৰিছিল। তেওঁ দানী, মানী, সত্যবাদী আৰু সৰ্ব্বগুণাকৰ আছিল। বল-পৰাক্ৰমত তেওঁ ইন্দ্ৰতুল্য আছিল।

৮৩ পৃথিৱীত তেওঁৰ সমান ৰজা নাছিল। তেওঁ বিভিন্ন যজ্ঞ কৰিছিল আৰু মহাদান কৰিছিল। তেওঁ সুবৰ্ণ,মানিক, গ্ৰাম, হাতী, ৰথ আদি দান

৮৪ এইদৰে তেওঁ পৃথিৱী পালন কৰিছিল। এদিন তেওঁ চিন্তা কৰিলে যে কি কৰ্ম্মৰ দ্বাৰা জগন্নাথক আৰাধনা কৰিম। ইয়াৰ বাবে তেওঁ শাস্ত্ৰ বিচাৰ কৰি চালে।

৮৫ গুৰু মুখৰপৰা আগম, পুৰাণ, বেদ-বেদান্তৰ তত্ত্ব জানি ললে। মুক্তি লাভৰ ইচ্ছা কৰি ভ্ৰান্ত জ্ঞান ত্যাগ কৰিলে। হৰিক কি মতে আৰাধনা কৰিব পাৰি তাক ধ্যানত বিচাৰিলে।

৮৬ মাধৱৰ বাহিৰে নিস্তাৰ নাই। তেওঁৰ চাৰিভুজত শঙ্খ, চক্ৰ,গদা,পদ্ম; লোচন পদ্মপত্ৰৰ দৰে সুন্দৰ,গলত বনমালা আৰু কণ্ঠত কৌস্তুভমণি।

৮৭ তেওঁৰ শিৰত কিৰীটি, হাতত কেয়ুৰ কঙ্কণ, কৰ্ণত মকৰ কুণ্ডল, পাৱত নুপুৰ, শ্যামল তনু, পীতবস্ত্ৰৰ দ্বাৰা শোভিত। তেওঁৰ হিয়াত শ্ৰীবৎসৰ শাৰীয়ে মনোৰম।

৮৮ এনে মাধৱক কিমতে আৰাধনা কৰো- এই বুলি তেওঁ নগৰৰ পৰা বাহিৰ হ'ল। শঙ্কৰে কৃষ্ণৰ চৰণত ধৰি এই কাহিনী বৰ্ণনা কৰিলে। সকলোৱে হৰি হৰি বোলা।

দ্বিতীয় কীৰ্ত্তন

ঘোষা আমি অজ্ঞানী অনাশ জগন্নাথ ত্ৰাহি।।
(হে জগন্নাথ, আমি জ্ঞানশূণ্য, আমি নাথহীন, আমাক উদ্ধাৰ কৰা।) ।।৮।।

পদ ৮৯ ৰজাই মন্ত্ৰী, পাত্ৰ মন্ত্ৰী, পুৰোহিত আদিক লৈ চতুৰঙ্গ দলে আগবাঢ়িল। অসংখ্য ৰথ লৈ মহা মহা বলীসকলে খাগুৱাবাৰু লৈ অগ্ৰসৰ হয়।

৯০ অসংখ্য ঘোঁৰা, অসংখ্য প্ৰমত্ত হস্তী লগত যায় আৰু ঘণ্টাৰ শব্দত কাণ তালমাৰি ধৰে আৰু প্ৰজাৰ ভিৰত পৃথিৱী কঁপি উঠে।

৯১ নগৰৰ সমস্ত নাৰীও ৰজাৰ লগতে যায়। দিব্যবস্ত্ৰভূষণ পিন্ধি শৰীৰ সুশোভিত কৰি তেওঁলোক যায় আৰু বীৰগণে ধনু ধৰি নাৰীগণক বেঢ়ি আগবাঢ়ে।

৯২ বিবিধ বাদ্যযন্ত্ৰ বজাই তলবল কৰি বিভিন্ন বৃত্তিৰ লোক দলত যোগদান কৰে। তেলী, মালী,শিলাকুটী, বণিয়া, বাঢ়ৈ, চৰ্ম্মকাৰ, চণ্ডাল, কমাৰ, কুম্ভকাৰসকলে দলদোপ-হেন্দোলদোপ কৰি আগবাঢ়ে।

৯৩ চিত্ৰকাৰ,কঁহাৰ, কুন্দাৰ,বৈদ্য,কায়স্থ,নট, ভাট, নৰ্তকী,গায়ন আদিও ৰজাৰ সহচৰ হয়। বিপ্ৰগণেও দলত যোগদান কৰে।

৯৪ পৃথিৱীত যিমান বৃত্তীয়া আছে সেই চৌত্ৰিশ জাতিৰ লোকো ৰজাৰ লগত যায়। পিতৃক আগত কৰি পুত্ৰগণে যোবাৰ দৰে ৰজাক আগত লৈ তেওঁলোক চলি যায়।

৯৫ এইদৰে গৈ দক্ষিন সাগৰৰ পাৰ পালেগৈ। সাগৰত প্ৰকাণ্ড ঢৌ উঠিছে, হৰিৰ শয়ন স্থান নদ-নদীৰ স্বামী (সাগৰ) ক দৰ্শন পালে মুক্তি লাভ হয়।

৯৬ তাত ভয়ঙ্কৰ মাছ, কাছ, কুম্ভীৰ,মগৰ আদিয়ে পানী ওখল-মাখল কৰিছে। তীৰ্থৰ ভিতৰতে ৰজাস্বৰূপ সেই স্থানেই মোৰ লক্ষ্য বুলি ৰজাই ক'লে।

৯৭ এই মনোহৰ স্থানতে পৃথিৱীৰ সকলো গুণ গোট খাই আছে বুলি নিবাস স্থান পাতিলে। তাত বিভিন্ন বৃক্ষই ফল-ফুল লৈ সুশোভিত হৈ আছে। নানা বিধৰ পক্ষীয়ে তাত সুললিত গীত গাইছে।

৯৮ তাত বিবিধ-বিচিত্ৰ মৃগই চৰে, দঁতাল হাতীয়ে ভ্ৰমে, সুন্দৰ হ্ৰদবোৰ পদুমেৰে ভৰপূৰ হৈ আছে আৰু তাত ৰাজহাঁহে চৰি ফুৰিছে।

৯৯ তাত মনোহৰ পৰ্ব্বত আছে আৰু ওখ শৃঙ্গৰ পৰা নিজৰা বৈ আছে, কুলি, মৈৰা চৰাই চিঞৰি থাকে, গছেও যেন পথিকক হাত বাউল দি মাতে।

১০০ দীঘে দহ যোজন, প্ৰস্থে পাঁচ যোজন ব্যাপি ক্ষেত্ৰখন আছে। অতি মনোহৰ স্থান ৰজাই দেখা পালে।

১০১ মুনিগণে ব্ৰহ্মাক পুনৰ সুধিলে— তাত পূৰ্বতে কিয় প্ৰতিমা নাছিল? হে প্ৰজাপতি আমাৰ এই সংশয় দূৰ কৰা। হৰি হৰি বোলা— পাপৰ অন্ত হওঁক।

তৃতীয় কীৰ্ত্তন

ঘোষা ৰাম ৰাম তাৰে বোলা।।
যমে যাৰে নতু ধৰে।।
(যমে যাতে ধৰিব নোৱাৰে তাৰ বাবে ৰাম ৰাম বোলা।) ।।৯।।

১০২ তাত প্ৰতিমা নথকাৰ সম্পৰ্কত ব্ৰহ্মাই ক'লে— শুনা, পূৰ্বতে হৰিয়ে মেৰুৰ শিখৰত আনন্দমনে বহি আছিল।

১০৩ লক্ষ্মীয়ে শ্ৰীহৰিক আঠুকাঢ়ি মূৰ অৱনত কৰি চৰণত সেৱা জনালে। মনুষ্যই কোন কৰ্ম্মভূমি দুখে-সুখে সদায়ে নেৰাকৈ থাকে?

১০৪ কি কৰ্ম্ম কৰি সংসাৰৰ পাৰ পায়? দাসী বুলি মোক এই প্ৰশ্নাৱলীৰ উত্তৰ দিয়ক আৰু কি কৰ্ম্ম সাৰ,তাৰো উত্তৰ দি মোৰ মনৰ সংশয় দূৰ কৰক বুলি লক্ষ্মীয়ে ক'লে।

১০৫ মাধৱে লক্ষ্মীক তাৰ উত্তৰ দি ক'লে— প্ৰিয়া শুনা, পুৰুষোত্তম নামে এখন প্ৰখ্যাত ক্ষেত্ৰ আছে। ইয়াক ক্ষেত্ৰ নুবুলি মহাক্ষেত্ৰহে বোলা উচিত।

১০৬ তাত বাস কৰিলে সংসাৰ তৰিব পাৰি, অতি সহজে সিদ্ধি লাভ কৰিব পাৰি, কীৰ্ত্তনে তাত পাপ দূৰ কৰে। তিনি লোকত তাৰ সমান ক্ষেত্ৰ নাই।

১০৭ দেৱ-সিদ্ধমুনিয়েও সেই ক্ষেত্ৰ ক'ত তাক নাজানে, সেই ক্ষেত্ৰক অতি গুপ্ত কৰি মই ৰাখি থৈছো। আজিহে তোমাৰ আগত প্ৰকাশ কৰিম, তাৰ মহাত্ম্য সাৱধানে শুনা।

১০৮ মহাপ্ৰলয়ৰ শেষত মোৰ নাভি কমলত ব্ৰহ্মাক সৃষ্টি কৰিলো। মোৰ পৰাই জন্ম লাভ কৰি চৰাচৰ জগতৰ সৃষ্টি ব্ৰহ্মাই কৰিলে।

১০৯ জগত নিৰ্ম্মাণ কৰি ব্ৰহ্মাই ধ্যান কৰাত মই তেওঁৰ আগত বিদ্যমান হ'লো। সজল মেঘৰ দৰে শৰীৰৰ কান্তি আৰু হিয়াত শ্ৰীবৎসৰ শাৰীৰে সুশোভিত হ'লো।

১১০ শৰীৰত পীতবস্ত্ৰ, হাতত চক্ৰ ধৰি মই প্ৰসন্ন বদনে দেখা দিলো। ব্ৰহ্মাই মোক দেখি আসন দিয়ালে।

১১১ অৰ্ঘেপূজি প্ৰজাপতিয়ে মোক স্তুতি কৰিলে তেতিয়া ব্ৰহ্মাৰ স্তুতিত মই সন্তুষ্ট হৈ কি কাৰণে স্তুতি কৰিছে তাক সুধিলো।

১১২ ব্ৰহ্মাই ক'লে— যজ্ঞ, ব্ৰত, নিয়মৰ বাদে আৰু তপ, তীৰ্থ পৰিশ্ৰম নকৰাকৈ লোকৰ বাবে কি মুখ্য সাধনা আছে?

১১৩ হে জগনিবাস, অপ্ৰয়াসে মহা সিদ্ধি যাতে লাভ কৰিব পাৰো -তাক মোক কওক, আৰু তোমাৰ উত্তম ক্ষেত্ৰ কি তাকো কওক

হৰি হৰি বোলা আৰু সংসাৰ তৰি যোৱা।।

চতুৰ্থ কীৰ্ত্তন

ঘোষা গোপাল গৰুড়কেতু চৰণে প্ৰণামো।
হৰি নিস্তাৰি নিয়োক, শৰণে পশিলো।।
(হে গোপাল, হে গৰুড়কেতু তোমাৰ চৰণত প্ৰণাম জনাওঁ। হে হৰি মই শৰণ পশিলো, মোক নিস্তাৰ কৰক) ।।১০।।

পদ ১১৪ ইয়াকে শুনি মই ব্ৰহ্মাক উত্তৰ দিলো- মোৰ ক্ষেত্ৰৰ কথা শুনা ,হেৰা সৃষ্টিকৰ। মই জগতত্তকৈউত্তম কাৰণে মোক পুৰুষোত্তম বোলা হয়।

১১৫ মই সেই ক্ষেত্ৰতেই স্বয়ং উপবিষ্ট হলো আৰু তাকে পুৰুষোত্তমক্ষেত্ৰ বোলে। এই ক্ষেত্ৰত যজ্ঞ, দান, তপ, যোগৰ যুগুতি নাই, চাৰি জাতিয়ে ইয়াত ভক্তি কৰি মুক্তি পাব পাৰে।

১১৬ এই ক্ষেত্ৰ দহ যোজন ব্যাপি আছে। দক্ষিণ সাগৰৰ পাৰত এজোপা সিদ্ধ বট গছ আছে। ইয়াৰ ছাঁয়া মহান, এই ছাঁত ব্ৰহ্মহত্যাৰ পাপো ক্ষয় হয়।

১১৭ এই বটক প্ৰদক্ষিণ কৰি নমস্কাৰ কৰিলে মোৰ এই থান পায়হি আৰু পুৰুষো উদ্ধাৰ হয়। মহাপ্ৰলয়তো এই বৃক্ষৰ বনাশ নঘটে। বটৰ উত্তৰ দিশত এই থান বিদ্যমান।

১১৮ তাত দিব্যদৌল আছে আৰু তাৰ অশেষ মহিমা আছে। পদ্মৰাগেৰে মোৰ প্ৰতিমা নিৰ্ম্মিত আৰু তাক দেখিলে মহা ভাগ্যোদয় হয়। পাপী মানুহ বিষ্ণুৰ নিলয়লৈ যায়।

১১৯ সেইবাবে যমৰজাই আহি মোক বটৰ ওচৰত দেখা কৰিছিল। মোক তেওঁ শিৰেৰে প্ৰণাম জনাই স্তুতি কৰিছিল-" নমো নমো জগন্নাথ দেৱ চক্ৰপাণি" বুলি।

১২০ যমে প্ৰাৰ্থনা কৰিলে- নমো নমো জ্যোতিঃফল দেৱ সনাতন, তুমি সৰ্বব্যাপি পুৰুষ, তুমি পৰম নিৰঞ্জন। এইদৰে যমে বহুত স্তুতি-মিনতি কৰিলে আৰু মই তেতিয়া যমক সুধিলো— মই তোমাৰ কি উদ্দেশ্য সাধন কৰিব লাগে?

১২১ যম ৰজাই ক'লে— সকলো ক্ষেত্ৰৰ ভিতৰত এই ক্ষেত্ৰই শ্ৰেষ্ঠতম। ইয়াতে তোমাৰ ইন্দ্ৰনীলময় প্ৰতিমা আছে। পাপী আৰু নিষ্পাপীয়ে সহজে ইয়াত দৰ্শন কৰিব পাৰে, তোমাৰ অনুগ্ৰহত এই স্থানতে শ্বেতদ্বীপৰ নাৰায়ণকো দেখা পাব পাৰি।

১২২ মোৰ যি অধিকাৰ আছিল সেই অধিকাৰ লুপ্ত হ'ল, কিয়নো এই ক্ষেত্ৰলৈ আহি যমৰ হাতৰ পৰাও ৰক্ষা পাব পাৰে। সেইবাবে হে প্ৰভু, ইয়াক গুপ্ত কৰা। যমৰ কথা ৰাখি মই বালিৰে প্ৰতিমাক ঢাকি ৰাখিলো।

১২৩ কিন্তু ইন্দ্ৰদ্যুম্ন ৰজাই অশ্বমেধ যজ্ঞ কৰি কৃষ্ণ, বলভদ্ৰ-সুভদ্ৰাৰ মূৰ্ত্তি সাজি- দিব্য দৌল বান্ধি পূজা কৰিলে। হৰিয়ে এই সমস্ত বৃত্তান্ত লক্ষ্মীক ক'লে।

১২৪ মুনিসকলে ব্ৰহ্মাক পুনৰ সুধিলে - ইন্দ্ৰদ্যুম্নই ক্ষেত্ৰলৈ গৈ কি কৰিলে? সেই কথা কওক আৰু আমি আনন্দ মনেৰে শুনো।

ৰাম ৰাম বোলা ।। মনুষ্যজীৱন বৃথায়ে নপঠাবা।।

পঞ্চম কীৰ্ত্তন

ঘোষা ভাই, হৰি ৰাম, হৰি ৰাম ঘুষিয়ো।
পাপ সাগৰে আন গতি নাই।।
(হে সংসাৰী ভাইহঁত, হৰিৰাম হৰিৰাম বোলা।
পঙ্কিলময় সংসাৰত হৰি বিনে গতি নাই।)।। ১১।।

পদ ১২৫ ব্ৰহ্মাই ক'লে- মুনিগণ শুনা, ইন্দ্ৰদ্যুম্নই গৈ অতি অনুপম ক্ষেত্ৰ ধাম পালেগৈ। তাত মহানদী নামৰে তীৰ্থস্থান আছে।

১২৬ এই নদীয়ে লোকৰ পাপ ধুই ধুই দক্ষিণ সাগৰলৈ বৈ গৈছে। এই নদী গঙ্গাৰ সদৃশ আৰু ইয়াৰ দুয়ো পাৰে অনেক দেশ আছে।

১২৭ তাৰ লোক শকত-আৱত, বসনে-ভূষণে সুন্দৰ সুঠাম শৰীৰৰ, অসংখ্য বেদবিদ ব্ৰাহ্মণ তাত বিদ্যমান আৰু প্ৰতিদিনে তাত অগ্নিহোত্ৰ হয়।

১২৮ সদায় তাত শাস্ত্ৰালাপ হয়, বেদধ্বনিয়ে পাপ দূৰ কৰে। ক্ষেত্ৰত থকা নাৰীগণে সুন্দৰ আভৰণ পৰিধান কৰে।

১২৯ তেওঁলোকৰ লোচন আয়ত আৰু পদুমৰ পাহিৰ দৰে; মুখত মিচিকিয়া হাঁহিৰে ভৰা, ৰূপত বিদ্যাধৰীৰ দৰে লয়লাস গতিৰে অহা-যোৱা কৰে।

১৩০ তাত অনেক তপস্বীয়ে তপ আচৰণ কৰে, সন্ন্যাসীগণে ধ্যান কৰে, ব্ৰহ্মচাৰীগণে ভ্ৰমণ কৰে— ক্ষেত্ৰৰ মহিমা কৈ অন্ত কৰিব নোৱাৰি।

১৩১ পৰম দুৰ্লভ ক্ষেত্ৰ পাই ইন্দ্ৰদ্যুম্নই ভাবিলে - ইয়াতে পৰম পুৰুষ, জগতস্বামী বিষ্ণুক আৰাধনা কৰিম।

১৩২ এই পৰম ক্ষেত্ৰত কল্পবৃক্ষ - 'বট' বিদ্যমান। যাক পূজিলে পৰম জন্ম লাভ হয় , কিন্তু ইয়াত বিষ্ণুৰ প্ৰতিমা নাই।

১৩৩ সোণ-ৰত্ন আনি ইয়াতেই মহাযত্ন কৰি দৌল বন্ধাম। মহাদান কৰি, যজ্ঞ কৰি বিষ্ণুক ভজনা কৰিম আৰু যেন হৰিয়ে ইয়াত বিদ্যমান হৈ থাকিব।

১৩৪ এই দৌল নিজে স্থাপন কৰিম। ইয়াকে ভাবি ৰজাই দৈৱজ্ঞ, বিপ্ৰক আনি দৌলৰ স্থান নিৰ্ণয় কৰিলে।

১৩৫ শুভ দিন আৰু শুভ ক্ষণ চাই শাৰী শাৰীকৈ কুম্ভ (কলহ) ৰাখি অনেক

মাঙ্গল্য বাদ্যধ্বনি কৰিলে, বিপ্ৰসকলে বেদ পাঠ কৰিলে।

১৩৬ পূজা কৰি স্থান পবিত্ৰ কৰিলে। ৰজাই অৰ্ঘ্য দান কৰিলে। সমস্ত ক্ষেত্ৰত উৎসব পাতিলে । হৰি হৰি বোলা, পাপ পলাওক।।

ষষ্ঠ কীৰ্ত্তন

ঘোষা জয় গোবিন্দ দয়াশীল জয় জগন্নাথ।
মাধৱ ভূমিত মাথ থৈয়া প্ৰণামো।।
(গোবিন্দৰ জয় হওক, দয়াশীল জগন্নাথৰ জয় হওক। হে মাধৱ, ভূমিত মূৰ থৈ তোমাক প্ৰণাম কৰোঁ)।।১২।।

পদ ১৩৭ ইয়াৰ পাচত ৰজা ইন্দ্ৰদ্যুম্নই কলিঙ্গৰজাক মতাই অনালে আৰু ক'লে- হে কলিঙ্গপতি, বিন্ধ্য পৰ্ব্বতলৈ গৈ ভদ্ৰতৰ শিলাক গাড়ীত তুলি লৈ আনা।

১৩৮ দৌল সাজি ইয়াত দেৱতাক স্থাপন কৰিম। কলিঙ্গৰ ৰজাই এই কথা শুনি গমন কৰিলে। ৰজাই মন্ত্ৰীক মাতি আনি চাৰি দিশলৈ দূত পঠাবলৈ আজ্ঞা কৰিলে।

১৩৯ বিভিন্ন দেশৰ ৰজাসকলক ইয়ালৈ চতুৰঙ্গ সেনা লৈ আহিবলৈ ইন্দ্ৰদ্যুম্নই আদেশ কৰিলে। ৰজাৰ আদেশমতে দূতে ঘূৰি আহি পালে আৰু ৰজাসকলেও চাৰিও দিশৰপৰা আহি পালেহি।

১৪০ ইয়াকে দেখি ৰজাই বৰ সন্তোষ পালে আৰু নৃপতিগণক ক'লে মুক্তিৰ উদ্দেশ্যে এই মহাক্ষেত্ৰভূমি নিৰ্ম্মাণ হ'ব আৰু ইয়াতে অশ্বমেধ যজ্ঞ কৰি নাৰায়ণক যজিম।

১৪১ ইয়াত দৌল বন্ধাই দেৱক বিধি মতে স্থাপন কৰিম। এই মোৰ পৰিকল্পনা ৰূপায়িত কৰাত তোমালোকে মোক সহায় কৰিব লাগে বুলি ৰজাই কোৱাত সকলো নৃপতিয়ে অঙ্গীকাৰ কৰিলে।

১৪২ নৃপতিসকলে সুবৰ্ণ, মাণিক, মণি-মুক্তা, গজ, বাজী, ৰথ, বস্ত্ৰ আদি সম্ভাৰ যজ্ঞৰ বাবে যোগান ধৰিলে।

১৪৩ ৰজাই ৰত্নময় যজ্ঞৰ সম্ভাৰ দেখি বিপ্ৰ, ঋষি, তপস্বী, উপাধ্যায়, আচাৰ্য্য, সদস্যাদি পাত্ৰক অনালে আৰু পুৰোহিতক ৰজাই ক'লে—

১৪৪ বিপ্ৰ, ঋষিগণৰ লগত মহাযজ্ঞভূমিলৈ যাওক। পুৰোহিতে গৈ বহুত যত্ন কৰি সুবৰ্ণৰতনে বেদীখণ্ড নিৰ্ম্মাণ কৰিলে।

১৪৫ এশটা ৰত্নময় প্ৰসাদ সজালে, গৃহত সুবৰ্ণখচিত স্তম্ভ তৈয়াৰ কৰিলে, ঠায়ে ঠায়ে বৃহত আকাৰৰ তোৰণ বনালে আৰু তাত মণি-মুকুতাৰ মালাৰ আভৰণ লগালে।

১৪৬ ব্ৰাহ্মণৰ বাবে অসংখ্য ঘৰ সজোৱালে, ভক্ষ্য আৰু ভোজ্য পঞ্চামৃত যোগাৰ কৰিলে, নৃপতিসকলে ব্ৰাহ্মণক শুশ্ৰূষা কৰিলে আৰু বাদ্যৰ শব্দই আকাশ তোলপাৰ লগালে।

১৪৭ সুবৰ্ণৰ বাদে আন ভাজন নোহোৱা দেখি ৰজাই আনন্দ পালে। বিধিমতে যজ্ঞ আৰম্ভ হ'ল।

হৰি হৰি বুলি দুৰ্ঘোৰ সংসাৰ তৰা।

সপ্তম কীৰ্ত্তন

ঘোষা হৰি, গোবিন্দ কৃষ্ণ জয় জগন্নাথ ।।
(হেহৰি, হে গোবিন্দ, হেকৃষ্ণ, হেজগন্নাথ, তোমাৰ জয় হওক ।) ।। ১৩ ।।

পদ ১৪৮ সমস্ত ব্ৰহ্ম ঋষি বেঢ়ি যাঁজিবলৈ ধৰিলে আৰু ৰজায়ো অৰ্চ্চনাত লাগিল। কোটি হোম কৰা হ'ল আৰু ৰথ, হাতী, বাজী দান কৰিলে।

১৪৯ কোটি কোটি ৰথ, গাঁও, নগৰ, দাস-দাসী, ধেনু, বৃষেৰে সমৃদ্ধ যজ্ঞৰ প্ৰজাগণে যিয়ে যিহকে বিচাৰে তাকেই ৰজাই দান কৰিছিল।

১৫০ সকলোৰে মনোবাঞ্ছা পূৰণ হ'ল। সকলো নৰ হৃষ্ট-পুষ্ট হ'ল। ৰজাইঋষিসকলক ক'লে - যেতিয়ালৈকে চক্ৰপাণি সন্তুষ্ট নহয় তেতিয়ালৈকে যজক।

১৫১ আমাৰ যজ্ঞ প্ৰৱৰ্তন কৰালা— এই বুলি কৈ ৰজাই অপাৰ দান দক্ষিণা কৰিলে। দানৰ সীমা নাই আৰু যজ্ঞৰো মহিমা অন্ত নাই।

১৫২ দেৱতা, অসুৰ, নাগসকলে বিস্ময় মানিলে। ৰজাই ঘোঁৰা উৎসৰ্গা কৰি পুত্ৰগণক মাতি আনি যজ্ঞৰ ঘোঁৰা দেশে-দেশে নিবলৈ আদেশ কৰিলে।

১৫৩ সুবৰ্ণ ৰত্নেৰে বিষ্ণুৰ দৌলৰ ঠায়ে ঠায়ে ৰচিৰে সজালে। ৰজা পুত্ৰসকলে দৌলৰ সকলো কৰ্ম্ম কৰি অদ্ভুত দৌল বান্ধিলে।

১৫৪ ৰজাই দৌলৰ সফল ৰূপায়ন কৰি অনিদ্ৰাৰে চিন্তা কৰিবলৈ ধৰিলে যে কেনেকৈ বিষ্ণুৰ দেখা-সাক্ষাৎ হ'ব আৰু বিষ্ণুৰ মূৰ্ত্তি ক'ত পোৱা যাব।

১৫৫ হৰিক কি মতে আৰাধনা কৰোঁ আৰু দৌলত কেনেকৈ প্ৰতিমা স্থাপন কৰোঁ বুলি ৰজাই ভাবি ভাবি মনলৈ সন্তোষ্টি আনিব নোৱাৰিলে আৰু তেওঁ স্নান আৰু ভোজনো এৰি পেলালে।

১৫৬ পৰম চিন্তাত তেওঁ আকুল হৈ পৰিল আৰু বিষ্ণুক অৰ্চিবলৈ ধৰিলে। পঞ্চৰাত্ৰ বিধি-পূজা কৰি ৰজাই স্তুতি কৰিবলৈ ধৰিলে।

১৫৭ হে বাসুদেৱ, তোমাক নমস্কাৰ কৰোঁ, তুমি মোক্ষৰ মূল কাৰণ। মোক সংসাৰৰ পৰা উদ্ধাৰ কৰা। মোৰ শিৰ দোঁৱাই তোমাক নমস্কাৰ কৰোঁ। হে বিষ্ণুদেৱ, মোক ত্ৰাণ কৰা।

১৫৮ হে নৰসিংহ, হে দৈত্যাৰি, তুমি যিদৰে উদ্ধাৰ কৰি আহিছা, সেইদৰে মোকো উদ্ধাৰ কৰা প্ৰভু। হে বৰাহ অৱতাৰী বিষ্ণু তোমাৰ ওচৰত মই নতি স্বীকাৰ কৰোঁ।

১৫৯ বলদেৱ, গৰুড় প্ৰমুখ্যে তোমাৰ অৱতাৰ বিশেষক মই নমস্কাৰ কৰোঁ।
।। হৰি হৰি বুলি নিস্তাৰ হোৱা ।।

অষ্টম কীৰ্ত্তন

ঘোষা হৰি কৰুণাসিন্ধু ত্ৰাহি।
গোবিন্দ জগতবন্ধু।।
(হে হৰি, হে কৰুণাসিন্ধু, মোক ত্ৰাণ কৰা। হে গোবিন্দ, হে জগতবন্ধু- মোক উদ্ধাৰ কৰা।)।। ১৪।।

পদ ১৬০ স্বৰূপাৰ্থত তোমাৰ কিছু ভেদ নাই; মায়াইহে বিবিধ কৰি তোমাক দেখায়। তুমি চৈতন্যস্বৰূপে এক নিৰঞ্জনহে মাত্ৰ। তোমাক অজ্ঞজনেহে দ্বৈতজ্ঞান কৰে।

১৬১ তুমি নিশ্চল— অৰ্থাৎ স্থিৰ, নিৰ্ম্মল অৰ্থাৎ মায়াহীন, সূক্ষ্মৰূপী অৰ্থাৎ অণু-পৰমাণু ৰূপত তুমি থাকা, দেৱতাই যাক জানিব নোৱাৰে, তেনে স্বামী তোমাক আমি কেনেকৈ জানিম।

১৬২ তুমি ৰত্নময় মুকুতাৰ হাৰ পিন্ধি আছা, হিয়াত তোমাৰ শ্ৰীবৎস গলে বনমালা আৰু এনে মূৰ্ত্তিকে দেৱগণে আৰাধে আৰু তেনে ৰূপকে ভকতসকলেও সৰ্ব্বক্ষণতে চিন্তে।

১৬৩ হে কমললোচন, আমি বিষয়-সাগৰত ডুব গৈ আছো, তুমি ভকতৰ অভয়দাতা, আমাক মুক্ত কৰা। তোমাৰ বাহিৰে আন কাৰণ নাই। হে শ্ৰীমধুসূদন, প্ৰসন্ন হওক।

১৬৪ মোক বিবিধ ব্যাধি, শোক আৰু জড়াই পীড়ন কৰিছে; কৰ্ম্মপাশত বন্দী হৈ আছে, লোভ-মোহে লগ নেৰে। সংসাৰ সাগৰৰ জল হৈছে বিষয়-বাসনা। ইয়াৰ ক্লেশত পৰি আছো, ইন্দ্ৰিসমূহে গ্ৰাহ হৈ বিষয়ত লিপ্ত কৰাই ৰাখিছে, খং-ৰাগে পীড়ন কৰিছে।

১৬৫ তদুপৰি- শোক,তৃষ্ণা আদি উৰ্ম্মিয়ে চমৎকাৰ ৰূপ ধাৰণ কৰিছে। অনবৰতে অস্থিৰ হৈ অনুমাত্ৰও চেতনা পোৱা নাই। সংসাৰৰ মায়ায়ে মোহিলে আৰু চিৰকালে নানা জাতিত জন্ম লব লগা হৈছে।

১৬৬ হে প্ৰভু, অসংখ্যবাৰ জগতত জন্ম ললো, অনেক বেদাদি শাস্ত্ৰ, পুৰাণ অধ্যয়ন কৰিলো। সন্তোষ আৰু অসন্তোষো বহুবাৰ পালো, ক্ষয়-বৃদ্ধি আৰু উদয়কে বহুত বাৰ পালো।

১৬৭ সংযোগ-বিয়োগো বহুত পালো, শত্ৰু-মিত্ৰ-বান্ধৱকো বহুত পালো, সংসাৰো

বাৰম্বাৰ দেখিলো আৰু সেই অনুসাৰে পিতৃ-মাতৃও বহুত পালো। সুখ-দুঃখো সেইদৰে অনুভৱ কৰিলো আৰু পুত্ৰ-ভাতৃ-জ্ঞাতিও বহুত পালো।

১৬৮ স্ত্ৰীৰ উদৰত বহুত বাৰ বিষ্ঠা-মুত্ৰত পচিলো, গৰ্ভত বাস কৰা দুখো অসংখ্যবাৰ পালো, শিশু-যুৱা, বৃদ্ধ কালতো দুখ পালো। মৃত্যুৰ কষ্টত বহুত বাৰ ভোগ কৰিলো।

১৬৯ যমপুৰতো চৌৰাশী নৰক যান্ত্ৰণা ভূগিলো, কৃমি,কীট, হাতী, ঘোঁৰা, মৃগ,পক্ষী, গৰু, উট, মহ আদিৰ জীৱনো বহুত বাৰ ধৰিলো।

১৭০ দ্বিজ,শূদ্ৰ, ধনী, দুখী,তপস্বী, ৰজা, কৰ্ম্মচাৰী অন্যান্য মনুষ্য জীৱনো বহুবাৰ অতিক্ৰম কৰিলো, সকলোৰে ঘৰত জন্ম লৈ আহিছো-কোনোঘৰত গৃহস্থ, কোনোঘৰত চাকৰ হৈ পালো।

১৭১ কেতিয়াবা দৰিদ্ৰ, ঈশ্বৰ-অধিকাৰী হৈয়ো পালো। কেতিয়াবা মোক মাৰে, কেতিয়াবা মই মাৰো, মই কাটো, মোক কাটে।

শঙ্কৰে এই কথা ৰচনা কৰিছে। ৰাম ৰাম সঘনাই বোলা।

নৱম কীৰ্ত্তন

ঘোষা ও হৰি প্ৰভু জগন্নাথ
দাৰুণ সংসাৰে নিস্তাৰ কৰা,
কৃষ্ণৰ চৰণ ছাড়ি আন গতি হামাৰে নেদেখো।।
(হে হৰি, হে প্ৰভু, হে জগন্নাথ, দাৰুণ সংসাৰৰ পৰা ৰক্ষা কৰা। কৃষ্ণৰ চৰণৰ বিনে আমাৰ আৰু আন গতি নাই)।। ১৫।।

পদ ১৭২ পিতৃ-মাতৃ-ভাতৃ-ভাৰ্যা একেলগ হ'লে আনন্দত সন্তোষত মন নাচি উঠে। ইয়াৰ ভিতৰত কোনোজনৰ বিয়োগ হ'লে দুখত কান্দি উঠো, অসন্তোষত অধীৰ হওঁ। দেৱগণত, মনুষ্যলোকত, পশুজগতত, পতঙ্গৰ মাজত অৰ্থাৎ জগতৰ মাজত ঈশ্বৰ স্বামীৰূপে বিৰাজ কৰি আছে। সপ্ত স্বৰ্গ, সপ্ত পাতাল অৰ্থাৎ চৈধ্য ভুৱনত এনে এখন ঠাই নাই য'লৈকে আমি নাযাওঁ - সকলোতে ঈশ্বৰ ব্যাপ্ত হৈ আছে।

১৭৩ কেতিয়াবা নৰকত, কেতিয়াবা স্বৰ্গলৈ গৈ, কেতিয়াবা মনুষ্যলোকত, কেতিয়াবা পশুৰ লগত সঙ্গ কৰি আমি জীৱবোৰ থাকো। দ নাদৰ পানী উঠাবৰ বাবে চকাত ৰচী খুৱাই বাল্টি বন্ধা হয় আৰু ৰচী টানোতে বাল্টি কেতিয়াবা ওপৰত, মধ্যত, তলত থাকে। সেই অনুক্ৰমে আমিও মায়াৰ চক্ৰত আবদ্ধ হৈ কেতিয়াবা উন্নতি, কেতিয়াবা অধোগতি আৰু কেতিয়াবা মধ্যম গতি লাভ কৰোঁ।

১৭৪ কৰ্ম্ম-বন্ধ হৈ সংসাৰ চক্ৰত আমি চিৰকাল এইদৰে ভ্ৰমিব লগাহৈছে, কেতিয়াও দুখৰ অন্ত নপৰিল। শোক-মোহ-তৃষ্ণাই আকুল কৰাত অতি অচেতন হৈ পৰিছো। কি কৰিব লাগে - তাকো নাজানো আৰু তোমাত শৰণ ললো।

১৭৫ তোমাৰ ভকত হ'লো যেতিয়া - হে জগন্নাথ কৃপা কৰা, সংসাৰ সাগৰত ডুব গ'লো। আমাক উদ্ধাৰ কৰা। তোমাৰ বাহিৰে মোৰ বিষয়ে চিন্তা কৰিবলৈ আন বন্ধু নাই। তোমাক স্বামী হিচাবে পালে ক'তো ভয় নাই।

১৭৬ তুমি জগতৰ ধাতা, যিজনৰ তোমাৰ চৰণত ভকতি নাথাকে, তাৰ কুল-মৰ্যাদা, বিদ্যাৰ অৰ্থ নাই, জীৱনো নিৰৰ্থক। মোহত পৰি যি তোমাক নিন্দা কৰিব - তেওঁ অসুৰ স্বভাৱৰ আৰু তেওঁ জন্ম লৈ নৰকগামী হয় আৰু উদ্ধাৰৰ পথ নাথাকে।

১৭৭ নিজ কৰ্ম্মফলৰ বাবে য'তেই জন্ম নলওঁ লাগিলে তাতো তোমাৰ চৰণত ভকতি কৰিম। দেৱতা-অসুৰ, নাগ আদিয়ে তোমাক আৰাধনা কৰি পৰম সিদ্ধি লাভ কৰিলে। তুমি ভকতৰ নিধি, তোমাক কোনে নভজাকৈ থাকিব।

১৭৮ ব্ৰহ্মা আদি দেৱগণেও তোমাক স্তুতি কৰিবলৈ অপাৰগ। মনুষ্য হৈ আমি কেনেকৈ তোমাক স্তুতি কৰিম। মূঢ়ভাবে যি স্তুতি কৰিছো তাক ক্ষমা কৰা যেন। অপৰাধ কৰিলেও সাধুজনে ক্ষমা কৰে, গতিকে তুমি মহন্তই ক্ষমা কৰোক।

১৭৯ ইয়াকে জানি হে প্ৰভু, প্ৰসন্ন হওক, আমি তোমাৰ ভক্ত। ভক্তিভাবেৰে কৰা স্তুতি যেন সফল হয়। হে বাসুদেব, তোমাৰ চৰণত মই নমস্কাৰ জনাওঁ।

।। অন্য কাম এৰি হৰি হৰি বোলা। জীৱই মুক্তি পাওক।।

দশম কীৰ্ত্তন

ঘোষা হৰি গোবিন্দ দয়াময় মুৰাৰি ৰাম।
মোৰ মুখে কৃষ্ণ বিষ্ণু নাম নছাড়োক।।
(হে হৰি, গোবিন্দ, দয়াময়, মুৰাৰি ৰাম, মোৰ মুখে কৃষ্ণ বিষ্ণু নাম নেৰক।) ।। ১৬।।

পদ ১৮০ ব্ৰহ্মায়ে ক'লে - মুনিগণ, ৰজাৰ স্তুতিত নাৰায়ণ তুষ্ট আৰু ৰজাৰ মনোবাঞ্ছা পূৰণ কৰিলে। কাৰুণ্য-স্তুতিৰ ফল কি মহান।

১৮১ যি হৰিক নিতৌ পূজে, স্তুতি কৰে, তেওঁ মুকুতি লাভ কৰিবই। যি ত্ৰিসন্ধ্যা স্তোত্ৰ পাঠ কৰে তেওঁ ধৰ্ম্ম-অৰ্থ-কাম-মোক্ষ লাভ কৰে।

১৮২ যি পাঠ কৰে, যি শ্ৰৱণ কৰে, আনক শুনায় তেওঁ পাপ এৰাই বিষ্ণুৰ স্থান পায়। যি দুষ্টই বেদক লুপ্ত কৰে তাক পৰম গুপ্ত-তত্ত্ব নকবা।

১৮৩ বিষ্ণু-ভকতক উপদেশ দিবা। দেৱ মাধৱক যি নিতৌ ধ্যান কৰে, অগ্নিত ঘিউ পৰাৰ দৰে বিষ্ণু প্ৰকাশ ঘটে।

১৮৪ মহাযজ্ঞ, বিদ্যাদানৰ দ্বাৰা, মহা উগ্ৰ তপস্যাৰ দ্বাৰা তেনে উত্তম ফল লাভ নহয়,জগতৰ গুৰু, মোক্ষদাতা নাৰায়ণৰ কথা শ্ৰৱণ-কীৰ্ত্তন নকৰালৈকে উত্তম ফল নাপায়।

১৮৫ সেইজনেই ধন্য, সেইজনেই শুদ্ধ, সেইজনেই পণ্ডিত, যজ্ঞ-তপ-ব্ৰতত শ্ৰেষ্ঠ আৰু অখণ্ডিত জ্ঞানত জ্ঞানী, সেইজনেই সত্যবাদী দাতা-জ্ঞাতা— যিজনে কৃষ্ণত ভকতি কৰে।

১৮৬ এনেদৰে স্তুতি কৰি ইন্দ্ৰদ্যুম্নই কুশৰ বিচনা কৰি ভূমিত পৰিলে আৰু মহা চিন্তাবিষ্ট হৈ শয়ন কৰিলে। কেনেকৈ কৃষ্ণৰ দৰ্শন লাভ হ'ব তাকে তেওঁ ভাবি থাকিল।

১৮৭ এনে ভাবি ৰজা নিদ্ৰা গ'ল। সপোনত দামোদৰে তেওঁক দেখা দিলেহি। ৰজাই জগতৰ গুৰুক দেখা পালে - গুৰুৱে আঠখন হাতত আঠ বিধ অস্ত্ৰ লৈ আছে।

১৮৮ শঙ্খ, চক্ৰ, গদা, পদ্ম, চাৰু, বাৰু, অসি আৰু সাৰঙ্গ ধেনু ধৰি গৰুড়ত নাৰায়ণ বহি আছে। নীলা শৰীৰ, হৃদয়ত বগা নোমৰ শাৰীয়ে শোভা কৰি আছে।

১৮৯ শৰীৰত পীতবস্ত্ৰ, কটিত মেখলা,কণ্ঠত কৌস্তুভ , গলত বনমালা আৰু

কীৰিটি, কুণ্ডল, হাৰ, কেয়ুৰ, কঙ্কণ আদিয়ে সৰ্ব্ব অঙ্গত দিব্য আভৰণে বিৰাজ কৰিছে।

১৯০ পাদপদ্মত নুপূৰে ৰঞ্জি আছে আৰু ভকতে তাকে দেখি আনন্দ পায়, প্ৰসন্ন আৰু হাস্যমুখত কমললোচনে শোভা কৰি আছে আৰু যাক দেখিলে পাপ মোচন হয়।

১৯১ যুগান্তৰ সূৰ্য সদৃশ হৈ তেওঁ প্ৰকাশমান হৈ আছে আৰু হৰিয়ে হাঁহি মাৰি ক'লে— কৃষ্ণৰ কিঙ্কৰে কয় - হৰি হৰি বোলা। সকলোৰে সদ্গতি হ'ব।

একাদশ কীৰ্ত্তন

ঘোষা হৰি গোপাল - জয়।

জগন্নাথ কৃপাল।।

(হে হৰি, হে গোপাল- তোমাৰ জয় হওক। হে জগন্নাথ তুমি কৃপালু।)।। ১৭।।

পদ ১৯২ হে মহাৰাজ, তুমি সাধু, তোমাৰ কাৰ্য সাৰ্থক হ'ব। তুমি যজ্ঞ দান কৰি ভক্তিভাবে মোক পূজিলা আৰু মই সন্তুষ্ট হৈছো। ১৯৩।। তুমি অনুতাপ কৰাৰ প্ৰয়োজন নাই, ইয়াতে প্ৰতিমা স্থাপন কৰিবা আৰু প্ৰতিমা ক'ত পাবা তাকো ক'ম।

১৯৪ প্ৰাতঃসতে সাগৰৰ পাৰলৈ যাবা, জল-স্থলৰ মাজত বৃক্ষ দেখিবা।

১৯৫ সাগৰৰ ঢৌত বৃক্ষ নকঁপিব, হাতত কুঠাৰ লৈ অকলে গৈ দেখিবা।

১৯৬ কুঠাৰেৰে বৃক্ষ কাটি তাতে প্ৰতিমা নিৰ্মাণ কৰিবা। চিন্তা নকৰিবা,তোমাৰ মনোবাঞ্ছা পূৰণ হ'ব।

১৯৭ ৰজাক প্ৰবোধ দি হৰি অন্তৰ্ধান হ'ল। অদ্ভুত সপোন দেখি ৰজা আচাৰত হ'ল।

১৯৮ বিষ্ণুমন্ত্ৰ জপ কৰি, হৰিক মনত ধৰি, ৰাতি পাৰ কৰি ৰজাই উঠি বহিলে।

১৯৯ তেওঁ সাগৰত স্নান কৰি বিবিধ দান দিলে আৰু নিত্যকৰ্ম্ম সমাপ্ত কৰি হাতত কুঠাৰ দাঙি ললে।

২০০ তেওঁ হৰিক স্মৰণ কৰি ধীৰে ধীৰে চলি গ'ল। লগত তেওঁৰ কোনো সাৰথি বা ৰথ যোৰা নাছিল। মাত্ৰ অকলশৰে গৈছিল।

২০১ সাগৰৰ পাৰ পালেগৈ আৰু ভয়ানক বৃক্ষ দেখিবলৈ পালে। বৃক্ষৰ নাম, জাতি নাই; ই অতি উচ্চ আৰু শকত।

২০২ কৃষ্ণৰ বৰণ - মঞ্জাঠিৰ দৰে আৰু অতি মনোৰম। জলৰ কাষতে যেন সুখেৰে শুইহে আছে— এনেদৰে বৃক্ষ পৰি আছে।

২০৩ বিষ্ণু-বৃক্ষ লাভ কৰি ৰজাই আনন্দিত হ'ল।

কৃষ্ণৰ কিঙ্কৰে ৰচনা কৰিছে — সকলোৱে হৰি হৰি বোলা।

দ্বাদশ কীৰ্ত্তন

ঘোষা ভাই, ৰাম কহ, ৰাম কহ, ৰাম ৰাম মন্ত্ৰ সাৰ।
তপ,জপ,যজ্ঞ যোগে আৰ সিদ্ধি নাহি।।
(হে লোক, ৰাম বোল, ৰাম বোল- ৰাম ৰাম মন্ত্ৰহে সাৰবস্তু। তপ-জপ-যজ্ঞ-যোগ আদিৰ যোগে সিদ্ধি লাভ কৰিব নোৱাৰি।) ।।১৮।।

পদ ২০৪ ৰজাই অতি তীক্ষ্ণ কুঠাৰে হাত দাঙি বৃক্ষৰ আগ আৰু গুৰি কাটিলে। নৃপতিয়ে দুফাল কৰিবলৈ ধৰোঁতেই হৰিয়ে বিশ্বকৰ্ম্মাৰ লগ লৈ আহি পালেহি।

২০৫ দিব্য গন্ধমালা পৰিধান কৰি বিপ্ৰৰূপ ধৰি ৰজাক ক'লে -ইয়াত কি কৰিছা? কি কাৰণে এই মহাবৃক্ষ কাটিলা। নিৰ্জ্জন ঠাইত কিয় অকলে আছা?

২০৬ এই প্ৰশ্ন শুনি ৰজাই চাই দেখিলে যে, চন্দ্ৰ-সূৰ্য দুয়ো যেন একেলগ হৈ প্ৰকাশ কৰিছে, ৰজাই নমস্কাৰ কৰি ক'লে - হে গুৰুদ্বয়, মোৰ উদ্দেশ্যৰ বিষয়ে কওঁ শুনক।

২০৭ মোৰ মাধৱক আৰাধনা কৰিবৰ মন গ'ল আৰু দাৰুময়ী প্ৰতিমা সাজিব বিচাৰিছো। নাৰায়ণে মোক স্বপ্নত আদেশ দিলে -এয়ে আচল কথা আপোনালোকৰ আগত প্ৰকাশ কৰিলো।

২০৮ ইয়াকে শুনি বিপ্ৰৰূপী নাৰায়ণে সন্তুষ্ট হৈ ৰজাক ক'লে - হে ৰজা, তুমি ধন্য, ধন্য, তোমাৰ উত্তম বুদ্ধিয়েই হৈছে। সংসাৰ সাগৰত কোনো সাৰবস্তু নাই।

২০৯ পানীৰ বুদবুদ পানীতে মিলি যোৱাৰ দৰে বিষ্ণু আৰাধনাৰ বাবেও ৰজাৰ মন বিষ্ণুতে একত্ৰ হ'ল। এই সসাগৰা বসুমতীও পৰম ভাগ্যৱতী যে তোমাৰ দৰে এজন বিষ্ণুসাধক ৰজাই শাসন কৰিছে।

২১০ সাগৰৰ পাৰৰ পৰা ইয়ালৈ আহা, এই বৃক্ষৰ তলতে আমি একেলগ হওঁ। এই ব্ৰাহ্মণ হৈছে বিশ্বকৰ্ম্মা, এওঁ প্ৰতিমা সাজি দিব।

২১১ ইয়াকে শুনি ৰজাই সাগৰৰ তীৰৰ পৰা আহি তৰু মূললৈ আহিল। হৰিয়ে বিশ্বকৰ্ম্মাক কলে - তিনিটি প্ৰতিমা তৈয়াৰ কৰি আনি সোনকালে দিয়াহি।

২১২ কৃষ্ণ, বলভদ্ৰ আৰু সুভদ্ৰাৰ প্ৰতিমা (নিজগুণ ৰক্ষা কৰি) তৈয়াৰ কৰিবা।

বিশ্বকৰ্ম্মায়ো তৎকালে তিনিৰো প্ৰতিমা তৈয়াৰ কৰি দিলে।

২১৩ প্ৰথমে বলভদ্ৰক শুক্লবৰ্ণ কৰি তৈয়াৰ কৰিলে। তেওঁৰ চকু ৰঙা, মূৰত ফনাই শোভা কৰে, গাত নীলবসন, কাণত এটা কুণ্ডল, এখন হাতত গদা আৰু আনখনত মুষল দিয়ে।

২১৪ কৃষ্ণক ঘনশ্যাম কৰি গঢ়িলে। পদুমৰ পাহিৰ দৰে লোচন, বুকুত শ্ৰীবৎস, গাত পীতবস্ত্ৰ আৰু কৰত চক্ৰ দি গঢ়িলে, যাক দেখিলে সমস্ত পাপ দূৰ হয়।

২১৫ সুভদ্ৰৰ তনু সুবৰ্ণ- গৌৰাঙ্গ কৰি গঢ়িলে। সৰ্ব্বাঙ্গতে ৰত্নময় অলঙ্কাৰেৰে সুশোভিত, উন্নত স্তনযুগলক দিব্য বস্ত্ৰে ঢাকিলে।

হৰি হৰি বোলা, পাপৰ মূৰত জুই লাগক।।

ত্ৰয়োদশ কীৰ্ত্তন

ঘোষা কমলাকান্ত কৰুণা সাগৰ, কৃপা কৰা ।।

(হে কমলাকান্ত ; হে কৰুণা সাগৰ , আমাক কৃপা কৰা)।। ১৯।।

পদ ২১৬ ক্ষন্তেকতে প্ৰতিম সাজি দিয়াত ৰজাই মহিমা দেখি কলে- আপোনালোক দুয়োজন আচলতে মানুহ নোহোৱা।

২১৭ আপোনালোক দুয়ো চন্দ্ৰ-সূৰ্য্য নেকি? বা ব্ৰহ্মা-ৰুদ্ৰ নেকি? কিয় ইয়ালৈ আহিছে? একো বুজিব পৰা নাই, মই তোৰাসবত শৰণ লৈছো, - সত্য কৰি কওক।

২১৮ বিষ্ণুৱে উত্তৰ দিলে - ব্ৰহ্মা আৰু ৰুদ্ৰ আমি নহওঁ, মই জগতৰ ঈশ্বৰ হৰি আৰু মোতে চৰাচৰ বিশ্ব তিষ্ঠি আছে।

২১৯ বেদান্তৰ মূল ব্ৰহ্মত ময়েই, মোক স্মৰণ কৰিয়েই পাপীয়ে পাপ দূৰ কৰে। মই তুষ্ট হৈ আগত দেখা দিলোহি। হে ৰজা, যি বৰ লাগে লোৱা।

২২০ পাপীয়ে মোক স্বপ্নতো দেখা নাপায়। তুমি মোৰ মহাভক্ত, অসংখ্যবাৰ তুমি মোক পূজিলা বাবে তোমাক দেখা দিলো।

২২১ ৰজাই শুনি সৰ্বশৰীৰ আৰু মনত ৰোমাঞ্চ অনুভৱ কৰিলে, ভূমিত পৰি স্তুতি কৰিলে - হে লক্ষ্মীকান্ত, তোমাক প্ৰণাম, তোমাৰ তনু মেঘশ্যাম।

২২২ হাতত তোমাৰ শঙ্খ-চক্ৰ-গদা আৰু পদ্ম, তুমি লক্ষ্মীৰ নিবাস স্থান, ভূজঙ্গ শয্যাত তুমি শয়ন কৰা আৰু তুমি সৰ্ব্বব্যাপক ব্ৰহ্ম।

২২৩ তুমি সূক্ষ্মতকৈ সূক্ষ্ম, নিৰ্ম্মল, নিৰ্গুণ; সৃষ্টি-স্থিতি-লয় তুমিয়ে কৰোৱা; মোক্ষ দিয়াৰ গৰাকী তুমিয়েই জগতৰ ঈশ্বৰ; তোমাক অসংখ্য প্ৰণাম কৰোঁ।

২২৪ পুনঃ পুনঃ নমস্কাৰ যাচো প্ৰভু, মোক উদ্ধাৰা, তুমি ভক্তি-মুক্তি দিব পাৰা বাবে তোমাক সেৱা জনাওঁ।

২২৫ ৰজাই পুনৰ পৰি পৰি বিষ্ণুক স্তুতি কৰিলে আৰু ক'লে - ঋষিগণে, দেৱাসুৰে, যোগী-সন্যাসীয়ে তোমাক যি পদত সেৱা কৰে - সেই পদকেই মই বিচাৰো।

২২৬ মাধৱে ক'লে - সেয়াই হওঁক, অন্তকালে মোক পাবাগৈ।

২২৭ ইয়াত সংশয় নকৰিবা। তোমাক নিশ্চিতভাৱে ক'লো

।। কৃষ্ণৰ কিঙ্কৰে এই পদ ৰচনা কৰিছে; সৰ্বজনে হৰি হৰি বোলা।।

চতুৰ্দশ কীৰ্ত্তন

ঘোষা কৃষ্ণ মুৰাৰি ৰাম পৰিয়া প্ৰণাম কৰো।
মোৰ মুখে হৰি হেন নাম নছাড়োক।।
(হে কৃষ্ণ, হে মুৰাৰি, হে ৰাম, তোমাক পৰি পৰি প্ৰণাম জনাওঁ। মোৰ মুখে যেন 'হৰি' নিচিনা অমৃতময় নাম নেৰক।)।। ২০।।

পদ ২২৮ ন শতকৈ অধিক দহ হাজাৰ বছৰ অখণ্ড ৰাজ্য ভোগ কৰি তুমি মোৰ পৰম পদ লাভ কৰিবা। পৃথিবী থকালৈকে তোমাৰ যশস্যা থাকিব।

২২৯ যেতিয়ালৈকে চন্দ্ৰ, সূৰ্য, সপ্ত সাগৰ থাকিব, সেই পৰ্যন্ত তোমাৰ যশস্যা ত্ৰৈলোক্যত প্ৰচাৰ হৈ থাকিব। যজ্ঞৰ অৱশেষ জলেৰে অনুপম তীৰ্থ হ'ব আৰু তাৰ নাম হ'ব ইন্দ্ৰদ্যুম্ন সৰোবৰ।

২৩০ ইয়াত স্নান কৰিলে ইন্দ্ৰৰ স্থান লাভ কৰিব আৰু পিণ্ডদান কৰি একৈশ পুৰুষ উদ্ধাৰ কৰিব। ইয়াত অপেস্বৰা, গন্ধৰ্বই নৃত্য-গীত কৰিব আৰু চৈধ্য ইন্দ্ৰ পড়ে মানে তাত বৰ্তি থাকিব।

২৩১ হ্ৰদৰ নৈঋত কোণত সিদ্ধ বটবৃক্ষ থাকিব আৰু তাৰ ওচৰতে দিব্য মণ্ডপ থাকিব। নানাবিধ পুষ্পবন তাৰ চাৰিওফালে থাকিব আৰু পতাকা, তোৰণ ধ্বজদণ্ডই অলঙ্কৃত কৰি ৰাখিব।

২৩২ আহাৰ মাহৰ শুক্লা পঞ্চমীত সেই মণ্ডপতে ৰথ থৈ বেশ্যাগণে মোক উৎসৱ আনন্দ কৰি চামৰে বিচিব। যতি, সিদ্ধ, সন্যাসীয়ে স্তুতি কৰি থাকিব।

২৩৩ মোক দেখি যিসকলে প্ৰণাম কৰিব, সেইজনে মহাৰঙ্গে বিষ্ণুপুৰীত বসিবলৈ পাব। তাত দিব্য দহ হাজাৰ বছৰ থকাসকলে চতুৰ্বেদী ব্ৰাহ্মণ হ'ব।

২৩৪ তাত থাকিলে শ্ৰীমন্ত, কোটিধনৰ গৰাকী হ'ব পাৰিব। এইদৰে বৰ দি বিশ্বকৰ্ম্মাৰি সৈতে অন্তৰ্হিত হ'ল। ৰজাই ইয়াকে দেখি ৰোমাঞ্চিত হ'ল।

২৩৫ হৰিৰ মহিমা দেখি ৰজা কৃতকৃত্য হ'ল আৰু তিনি প্ৰতিমাক লৈ ৰথত উঠি গমন কৰিলে। মাঙ্গল্য বাদ্য বজাই বিপ্ৰগণে বেদধ্বনি কৰি আগবাঢ়িল।

২৩৬ বিচিত্ৰ পৱিত্ৰ স্থানত প্ৰতিমা থোৱালে আৰু শুভ তিথি আৰু ক্ষণত প্ৰতিমা প্ৰতিষ্ঠা কৰিলে। আচাৰ্য আৰু পুৰোহিতক দক্ষিণা দান কৰিলে

আৰু অন্যান্য ব্ৰাহ্মণ সকলক ধন-ৰত্নাদি দান কৰিলে।

২৩৭ এইদৰে বিধিমতে বিচিত্ৰ দৌলত প্ৰতিমা স্থাপন কৰিলে। উত্তৰে কৃষ্ণ, দক্ষিণে বলভদ্ৰ, সুভদ্ৰাক দুয়োৰে মাজত ৰাখিলে।

২৩৮ সুগন্ধি ধূপ, নানা উপহাৰ, সুবৰ্ণ, মুকুতা, মণি, বস্ত্ৰ, অলঙ্কাৰে পূজা কৰিলে, গ্ৰাম-নগৰ, আসন দিলে আৰু দাস-দাসী উৎসৰ্গা কৰিলে।

২৩৯ জগন্নাথক থাপি ৰজাই অকণ্টকা ৰাজ্য ভোগ কৰিলে। অন্তকালত এই উত্তম সম্পদ এৰি বিষ্ণুৰ পৰমপদ লাভ কৰিলে।

২৪০ ব্ৰহ্মায়ে মুনিসকলক ক'লে - ক্ষেত্ৰৰ সকলো লক্ষণ ক'লো। আন কিবা শুনিবলৈ বিচাৰে যদি কওক ।

হৰি হৰি বোলা, যি বৈকুণ্ঠ পাবলৈ বিচাৰে।।

পঞ্চদশ কীৰ্ত্তন

ঘোষা ও ভাই ৰাম ভাবিয়ো ৰাম চিন্তিয়ো।
ৰাম নাম জোনো চাড়া ।
ৰাম কৃষ্ণ নাম অন্তক ধৰিয়া
পাপ বিপক্ষক তাড়া।।
(হে ভাই ৰামক ভাবা, ৰামক চিন্তা, ৰাম নাম জানোচা এৰা, ৰাম কৃষ্ণ নামেৰে মৃত্যুক জয় কৰা, পাপক পৰাজয় কৰা।) ২১।।

পদ ২৪১ মুনিগণে ব্ৰহ্মাক সুধিলে- ক্ষেত্ৰৰ বিধি কেনেকুৱা? কোন সময়ত ক্ষেত্ৰলৈ যাত্ৰা কৰিলে সিদ্ধি লাভ হয়? কৃষ্ণ দৰশনে কি ফল লাভ হয়? এই কথা কওক। ব্ৰহ্মাই ক'বলৈ ধৰিলে—

২৪২ কুৰুক্ষেত্ৰলৈ গৈ নিৰাহাৰে পৰম তপ কৰিব, এশ অযুত বছৰ একপদে ইন্দ্ৰিয়ক দমন কৰি থাকিব। জেঠ মাহৰ শুক্লা দ্বাদশীত কৃষ্ণৰ মুখ কমল উপবাসে থাকি যি নৰে দেখিব পাৰে, তেওঁ অধিক ফল পায়।

২৪৩ পঞ্চতীৰ্থ কৰি যিজনে দ্বাদশী তিথিত কৃষ্ণমুখ দৰ্শন কৰে, তেওঁ অপ্ৰয়াসে বিষ্ণুপুৰী পায় আৰু পুনৰ জন্ম নহয়। সেইবাবে জেঠ মাহত সকলোৱে যাত্ৰা কৰিবা আৰু পঞ্চতীৰ্থ কৰি বিষ্ণুক দৰ্শন কৰাৰ সমান ধৰ্ম্ম নাই।

২৪৪ কাষতে থাকি যিজনে প্ৰতিদিনে কৃষ্ণৰ কীৰ্ত্তন কৰে, অতি সহজে বিষ্ণুপুৰী পায় আৰু শুদ্ধ হয়। পৰম ভকতি ভাৱে যি কৃষ্ণৰ সমীপলৈ যাত্ৰা কৰে, তেওঁৰ সমস্ত পাপ দূৰ হয় আৰু বিষ্ণুপুৰী পায়।

২৪৫ মাধৱৰ ধ্বজ দণ্ডক যি লোকে দৌলৰ ওপৰত প্ৰত্যক্ষ কৰে আৰু ভূমিত পৰি প্ৰণাম জনায় তেওঁ পাপ সাগৰৰ পৰা উদ্ধাৰ হয়। ইয়াৰ পাচত পঞ্চতীৰ্থ বিধি কেনেকুৱা তাৰ আৰু স্নান দানৰ ফল কি কম -
।। শঙ্কৰে ৰচনা কৰিলে, সকলোৱে সাৱধানে হৰি বোলা।।

ষোড়শ কীৰ্ত্তন

ঘোষা হৰি ৰাম, হৰি ৰাম, হে ৰঘুনাথ।
হে ৰাম ৰাম নাম মুখে না নছাড়োক।।
(হে হৰি, হে ৰাম, হে ৰঘুনাথ, মোৰ মুখে ৰাম নাম নাছাড়োক।) ।।২২।।

পদ ২৪৬ মাৰ্কণ্ডেয় হ্ৰদলৈ গৈ উত্তৰলৈ মুখ কৰি এনে মন্ত্ৰ উচ্চাৰণ কৰিবা। ক্ৰোধ এৰি শুদ্ধ হৈ তিনিবাৰ বুৰ মাৰি তেনে মন্ত্ৰ গাবা; সংসাৰ সাগৰত মগ্ন হৈ পাপগ্ৰস্ত হৈ অচেতন হ'লো, মোৰ সমান দুৰাচাৰী নাই। হে প্ৰভু, হে সংসাৰৰ জ্ঞান চকু, হে ত্ৰিপুৰাৰী, তোমাৰ চৰণত নমস্কাৰ কৰোঁ।

২৪৭ হে মঙ্গলময়,হে মহাশান্ত, হে পাপৰ অন্তকাৰী, মই মাৰ্কণ্ডেয় হ্ৰদত স্নান কৰোঁ। মোৰ যিমান পাপ আছে, সোনকালে ক্ষয় হওক, তোমাৰ চৰণত সেবা জনাওঁ। নাভিলৈকে জলত নামি দেৱতা আৰু ঋষিক তিল আৰু পানী অৰ্পণ কৰিব। স্নানৰ পাচত শিৱৰ দৌললৈ গমন কৰিব।

২৪৮ শেৱ দৌলক তিনিবাৰ প্ৰদক্ষিণ কৰি পূজিব আৰু মূলমন্ত্ৰ পঢ়ি শিৱলিঙ্গক এক মনেৰে প্ৰণাম কৰিব আৰু থিয় হৈ পুতাঞ্জলি ধৰি হৰক তুতি কৰিব— নমো নমো ত্ৰিনয়ন, তোমাৰ শিৰত অৰ্দ্ধচন্দ্ৰই শোভা কৰিছে। হে প্ৰভু বিৰূপাক্ষ, তোমাক সেবা কৰোঁ।

২৪৯ এইদৰে মন্ত্ৰ পঢ়িলে দহটা অশ্বমেধ যজ্ঞৰ ফল পায় আৰু শিৱলোকত ভোগ ভুঞ্জি,শিৱ যোগ যাজনা কৰি শিৱৰ শৰীৰত লীন যাব। তাৰ পাছত কল্পবৃক্ষৰ গুৰিলৈ গৈ তিনিবাৰ প্ৰদক্ষিণ কৰিব। বটৰ পাৰত পৰম ভক্তিৰে তেনে মন্ত্ৰ উচ্চাৰণ কৰিব।

সপ্তদশ কীৰ্ত্তন

ঘোষা পৰম পুৰুষ ৰাম প্ৰণামো।
মুখে মাধৱ নাম নুগুচোক।।
(হে পৰম পুৰুষ, হে ৰাম, তোমাক প্ৰণাম কৰোঁ।মোৰ মুখত যেন মাধৱৰ নাম নুগুচক।)।। ২৩।।

পদ ২৫০ হে ব্ৰহ্মৰূপী, প্ৰলয়কৰ্তা, তোমাক নমস্কাৰ। তুমি মহীধ্ৰৰ ওপৰত আছা। হে বট তৰুবৰ, প্ৰলয় কালতো তুমি তিষ্ঠি থাকা।

২৫১ তুমিয়েই হৰিৰ মুখ্য আশ্ৰয়স্থল। হে বট, প্ৰণাম জনাওঁ, মোৰ পাপ ক্ষয় কৰা। এইদৰে বটক প্ৰণাম কৰি মন্ত্ৰ উচ্চাৰণ কৰিব আৰু নবে প্ৰদক্ষিণ কৰিব।

২৫২ তেতিয়া ক্ষন্তেকতে পাপ দূৰ হ'ব। বটৰ ছায়াও অনুপম। তাৰ স্পৰ্শ পোৱাৰ লগে লগে ব্ৰহ্মহত্যা পাপ দূৰ হয়।

২৫৩ আনবোৰ পাপৰ কথাই নাই। এই কথা নিৰ্ঘাত সত্য। ৰাজসূয় আৰু অশ্বমেধ যজ্ঞৰ ফল বটক দৰ্শন কৰিলেই পায়।

২৫৪ বংশক উদ্ধাৰ কৰি ব্ৰহ্মালোক পায় আৰু এক কল্পকালত মৃত্যু নহয়। কৃষ্ণৰ সম্মুখত গৰুড় পক্ষী আছে তাকো নমস্কাৰ কৰিব।

২৫৫ সমস্ত পাপ দূৰে যায় আৰু অপ্ৰয়াসে বিষ্ণুপুৰী লাভ হয়। গৰুড়ৰ আগত বটবৃক্ষ আছে আৰু তাৰ পাচতহে দৌলত প্ৰৱেশ কৰিব লাগে।

২৫৬ সেই মন্ত্ৰ উচ্চাৰি বলৰামক তিনিবাৰ প্ৰদক্ষিণ কৰি প্ৰণাম কৰিব। নমো হলধৰ, ৰেৱতীপতি তুমি ভকত বৎসল, তোমাক প্ৰণাম কৰোঁ।

২৫৭ হে হলধৰ, তুমি অতি পৰাক্ৰমী, হে প্ৰলম্বৰ শত্ৰু কৃষ্ণৰ জ্যেষ্ঠ। বলোৰামক এইদৰে স্তুতি কৰিলে পাপ দূৰ হয় আৰু বিষ্ণুপুৰী লাভ হয়।

২৫৮ এক কল্প বিষ্ণুপুৰীত মহাভোগ ভুঞ্জি বেদবিদ হৈ ইয়াত উপজিবলৈ পাব আৰু জ্ঞান লাভ কৰি পৰম দুল্লভ মুক্তি পাব।

২৫৯ ইয়াৰ পাচত কৃষ্ণক সাদৰে পূজিব, দ্বাদশ অক্ষৰ মন্ত্ৰ উচ্চাৰণ কৰিব, এই মন্ত্ৰৰ দ্বাৰা গতি লাভ হয়, যোগী আৰু জ্ঞানীয়েও সেই গতি নাপায়।

২৬০ ইয়াকে জানি মন্ত্ৰ উচ্চাৰণ কৰি গন্ধ-পুষ্প-ধূপ-নৈবেদ্য দি কৃষ্ণক অৰ্চি স্তুতি কৰিব।

।। হৰি হৰি বোলা, মুক্তি লাভ হওঁক।।

অষ্টাদশ কীৰ্ত্তন

ঘোষা এ ৰাম নিৰঞ্জন, ৰাম নিৰঞ্জন।
ৰাম নিৰঞ্জন হৰি।।
(হে হৰি, হে নিৰঞ্জন, হে হৰি, তুমি ৰাম-নিৰঞ্জন-হৰি।) ।। ২৪।।

পদ ২৬১ হে কৃষ্ণ,হে জগন্নাথ, তোমাৰ জয় হওক। তুমি সৰ্ব পাপ বিনাশ কৰা। হে চানুৰ আৰু কেশীৰ যম, তোমাৰ জয় হওক। হে কংসনিসুদন, তোমাৰ জয় হওক। তোমাৰ পদ্মপত্ৰৰ দৰে লোচনৰ জয় হওক। তুমি চক্ৰ, গদা ধৰি আছা। হে ঘনশ্যাম তোমাৰ জয় হওক । তুমি সৰ্বসুখ দাতা।

২৬২ হে ভৱ নাশন, তুমি জগতৰ পূজনীয়, সন্তৰ গতিদাতা, ভকতৰ বাঞ্ছা ফলদাতা, লোকপতি, তোমাৰ জয় হওক। দুৰ্ঘোৰ সংসাৰৰ সাগৰৰ পাৰ নাই, কাম-ক্ৰোধৰূপী গ্ৰাহে আমাক সদায়ে আক্ৰমণ কৰি আছে, দুখ নুগুচা হ'ল।

২৬৩ বিষয়ৰ জালে আমাক বুৰাই থৈছে, মহামোহে চাকনৈয়া হৈ নিৰ্যাতিন দিছে, ব্যাধিৰূপী টৌৱে উটাই লৈ ফুৰিছে, হে প্ৰভু উদ্ধাৰ কৰা। এইদৰে কৃষ্ণক স্তুতি কৰিব। তেওঁ মহাবাহু, বক্ষস্থলত শঙ্খ-চক্ৰ-গদা ধৰি আছে।

২৬৪ উজ্জ্বল ভূষণে তেওঁ ভূষিত,গলত বনমালা, চক্ষু কমলৰ পাহিৰ দৰে, তেওঁক দণ্ডবতে পৰি প্ৰণাম কৰিব। এইদৰে কৃষ্ণক যিজনে ভক্তিভাৱে প্ৰণাম জনায় সেইজনে এহেজাৰ অশ্বমেধ যজ্ঞৰ ফল তৎক্ষণাতে পায়।

২৬৫ সমস্ত তীৰ্থত, যজ্ঞত, দানত, ব্ৰতত যি ফল লাভ হয়, ব্ৰহ্মচাৰী, গৃহী, বনবাসী আৰু সন্ন্যাসীয়ে যি ফল পায়, কৃষ্ণক দৰ্শন কৰিলে সেই ফল লাভ কৰে। কৃষ্ণক দেখি প্ৰণাম কৰিলে মোক্ষ লাভ হয়।

২৬৬ কোটি কল্পত যি পাপ কৰি আহিছে, সিও কৃষ্ণ দৰিশন পালে সেই পাপ বিনষ্ট হয়। তেওঁ একৈশ পুৰুষ উদ্ধাৰ কৰি বিমানত উঠি বিষ্ণুপুৰীলৈ যায়। তেওঁ তিনিশ কল্প কাল ভোগ ভূঞ্জি পুনৰ শ্ৰেষ্ঠ ব্ৰাহ্মণ হৈ জন্ম গ্ৰহণ কৰে আৰু সৰ্বগুণী হয়।

২৬৭ তেওঁ সৰ্বভূতৰ হিতকাৰী, শান্ত, দাতা, সত্যবাদী আৰু সৰ্বজ্ঞান হয়। অন্তকালে তেওঁ মুক্তি লাভ কৰে আৰু বৈষ্ণৱী জ্ঞান পায়। তাৰ পাচত সুভদ্ৰাক মন্ত্ৰেৰে পুজি— প্ৰণাম কৰিব। নমো ব্ৰহ্মগামী দেৱীক নমস্কাৰ

কৰো, মোক মুকুতি দিয়া।

২৬৮ হে কমললোচনী, হে কাত্যায়নী, মোক পৰিত্ৰাণ কৰা। হে বলোৰ ভগ্নী, সুভদ্ৰাক নমস্কাৰ কৰি বিষ্ণুলোকত স্থান পায়। এককল্প কাল দেৱতাৰ দৰে আৰু তাৰ পাচত বিপ্ৰ হৈ ভোগ কৰে। অন্তকালে বৈষ্ণৱ জ্ঞান অভ্যাস কৰি মুক্তি পায়।

উনবিংশ কীৰ্ত্তন

ঘোষা ৰাম গোপাল ত্ৰাহি, শৰণে পশিলো প্ৰভু।
কত দুঃখ তোম্হাৰ চৰণে নিবেদিবো।।
(হে প্ৰভু ৰাম গোপাল, তোমাক শৰণে পশিলো। তোমাৰ চৰণত মোৰ কিমান দুঃখ নিবেদন কৰিম।) ২৫।।

পদ ২৬৯ বলো, কৃষ্ণ, সুভদ্ৰাক ভক্তিভাৱে নমস্কাৰ জনাই ধৰ্ম্ম-অৰ্থ-কাম-মোক্ষ সৰ্বলোকে লাভ কৰে। কৃতকৃত্য হৈ দৌলৰ পৰা ওলাই আহিব। বিষ্ণুৰ স্থান এৰি আন এঠাইলৈ যাব।

২৭০ যি স্থানত ইন্দ্ৰনীলময় বনমালীক বালিৰে গুপ্ত কৰি ঢাকি থোৱা আছে তালৈ গৈ তেওঁক নমস্কাৰ জনাব আৰু তেতিয়া মানুহ পুৰুষক উদ্ধাৰি বিষ্ণুপুৰী পায়।

২৭১ সেই স্থানতে হৰিয়ে নৰসিংহ ৰূপ ধৰি আছে আৰু তেওঁক মহাভক্তিভাৱে নমস্কাৰ কৰিব আৰু তাকে কৰিলে পাপ দূৰ হয় আৰু ধৰ্ম-অৰ্থ-কাম-মোক্ষ লাভ হয়।

২৭২ অনন্তক মহাভক্তিৰে নমস্কাৰ কৰিলে পাপ নাশ হয় আৰু পৰম পদ লাভ কৰে। অনন্তক ইন্দ্ৰ, ৰাম, বিভীষণ আৰু মই পূজিছিলো। সেই অনন্তক আনেনো কিয় নুপূজিব?

২৭৩ শুক্ল গঙ্গাজলত বিধি অনুসৰি স্নান কৰি শ্বেত মাধৱক দৰ্শন কৰিলে, মৎস্যৰূপী মাধৱক দৰ্শন কৰিলে— অন্তকালে শ্বেতদ্বীপত স্থান পায়।

২৭৪ পাচত গৈ স্বৰ্গদ্বাৰ পাবগৈ আৰু তাৰ কাষ্ঠক আলিঙ্গি ধৰিব। সাগৰৰ পাৰলৈ গৈ উগ্ৰসেনক দেখিব আৰু তাতে চিত স্থিৰ কৰি বিষ্ণুক চিন্তিব।

২৭৫ জলত নামি অঙ্গন্যাস কৰিব-আৰু নাৰায়ণক স্মৰণ কৰি নাৰায়ণী কৱচ পাঠ কৰিব। "মই নাৰায়ণ, শঙ্খ-চক্ৰ-গদা-পাণি" চিন্তা কৰি — এই মন্ত্ৰবাণী উচ্চাৰণ কৰিব।"

২৭৬ তুমি অগ্নিৰূপে সমস্ত ভূততে শ্ৰেষ্ঠ হৈ আছা, তুমি জীৱৰ ঈশ্বৰ আৰু অমৃতৰো জন্মভূমি। হে নাথ,তুমি তীৰ্থৰ ভিতৰত ৰজা, তোমাক নমস্কাৰ কৰো। হে হৰি পাপ দূৰ কৰা।

২৭৭ এনে উচ্চাৰণ কৰি বিধিপূৰ্ব্বক স্নান কৰিব আৰু স্নানৰ সকলো ফল

নৱে লাভ কৰিব। পানীৰ তলত (অন্তৰ্জলে) নামি অঘমৰিষণ (পাপনাশী মন্ত্ৰ) কৰি পাৰলৈ উঠি আহিব আৰু বস্ত্ৰ পিন্ধিব।

২৭৮ সূৰ্য্যক বন্দনা কৰি সন্ধ্যা আচৰণ কৰিব আৰু তিল-জল বিধিমতে তৰ্পণ কৰিব। শৰীৰত তিল থৈ পিতৃক তৰ্পণ কৰিব, তেজ-মাংসও পিতৃক তৰ্পণ কৰিব।

২৭৯ জলত থাকি ভূমিত জলাঞ্জলি নিদিব আৰু স্থলত থাকি জলত জলাঞ্জলি নিদিবি। জলত থাকি স্থলত তৰ্পণ কৰিলে পিতৃগণে তৰ্পণ নাপায়।

২৮০ ভূমিত কুশ পাৰি জলাঞ্জলি দিব, তেতিয়া সমস্ত পুৰুষ তুষ্ট হয়। ক্ষেত্ৰৰ মহিমা কৃষ্ণৰ কিঙ্কৰে বৰ্ণনা কৰিছে।

।। হৰি হৰি বোলা, পাপ ভষ্ম হওক।।

বিংশ কীৰ্ত্তন

ঘোষা চৈতন্য বনমালী ৰঙ্গে ফাকু খেলে।
দুয়ো হাতে ফল্গু-গুড়া মুৰাৰি সিঞ্চন্ত।।
(চৈতন্য প্ৰভু বনমালীয়ে আনন্দ মনেৰে ফাকু খেলা কৰে। তেওঁ দুয়ো হাতেৰে ফাকুগুৰি লৈ সিঁচি দিয়ে) ।।২৬।।

পদ ২৮১ জেঠ মাহৰ শুক্লা দশমী তিথিত পৃথিবীস্থ নদ-নদী, তীৰ্থত সাতদিন ধৰি স্নানদান কৰিলে অক্ষয় লাভ হয়।

২৮২ দহটা পাপ হৰে বাবে তাক দশহাৰা বোলা হয়। তাত সুভদ্ৰা-কৃষ্ণ-ৰামক দেখিলে সকলো পাপ নিৰ্ম্মূল হয়। আৰু অন্তকালত মহাসুখ লাভ কৰি বিষ্ণুপুৰ পায়।

২৮৩ উত্তৰাৰ্ক আৰু দক্ষিণাৰ্ক দিনা যি মানুহে ৰাম-কৃষ্ণ-সুভদ্ৰাক দেখে আৰু শুদ্ধভাৱে পৰি পৰি প্ৰণাম কৰে, তেওঁ বিষ্ণুলোক লাভ কৰে।

২৮৪ ফাল্গুনীত গোবিন্দক দৌলত তুলি মহোৎসব কৰি দৌলযাত্ৰা কৰিলে আৰু তাত গোবিন্দক যত্ন সহকাৰে দৰ্শন কৰিলে, তেওঁ ৰঙ্গমনে গোবিন্দপুৰ পায়।

২৮৫ বিহুৰ দিনা বিধি অনুসৰি পঞ্চতীৰ্থ কৰি, শুদ্ধ মনেৰে সুভদ্ৰা-ৰাম-হৰিক দৰ্শন কৰিলে সমস্ত যজ্ঞৰ ফল লভে আৰু পাপ বিহীন হৈ বিষ্ণুভুৱনলৈ যায়।

২৮৬ বহাগ মাহৰ শুক্লা তৃতীয়া তিথিত চন্দনে কৃষ্ণৰ শৰীৰ বিভূষিত কৰি চন্দন যাত্ৰা কৰিলে মহাৰঙ্গে বিষ্ণুপুৰীত স্থান পায়।

২৮৭ জ্যেষ্ঠ মাহত জ্যেষ্ঠাৰাশিৰ ঋক্ষযোগত ক্ষেত্ৰলৈ পৰম আশাৰে যাব লাগে, তেতিয়া মানুহে একৈশ পুৰুষ উদ্ধাৰ কৰি মহানন্দে বিষ্ণুপুৰী পায়।

২৮৮ যেতিয়া মহাজ্যেষ্ঠা নক্ষত্ৰৰ লগত সংযোগ হ'ব, সেই ক্ষণতে ক্ষেত্ৰলৈ যাত্ৰা কৰিব। ৰাম- কৃষ্ণ-সুভদ্ৰাক পৰম যত্ন কৰি দৰ্শন কৰিব আৰু দ্বাদশ যাত্ৰাৰ ফল লাভ কৰিব।

২৮৯ প্ৰয়াগ প্ৰমুখ্যে যিমানবোৰ তীৰ্থ আছে তাত স্নান কৰিলে যি ফল পায়, সূৰ্যগ্ৰহণৰ যি মহাপুণ্য থাকে, মহাজ্যেষ্ঠীত কৃষ্ণ দৰ্শনত সেই ফল পায়।

২৯০ তেওঁ মহাসুখে এশ কুলক উদ্ধাৰ কৰি বিষ্ণুলোকত কল্পকাল বাস কৰিবলৈ পায় আৰু তাৰ পাচত ব্ৰাহ্মণ হৈ বিষ্ণু ভক্তি কৰি বিষ্ণুযোগ প্ৰাপ্ত হৈ পৰম মুক্তি লাভ কৰে।

২৯১ ব্ৰহ্মায়ে মুনিগণক ক'লে - তোমালোকক ক্ষেত্ৰৰ মহিমাৰ বিবৰণ ক'লো আৰু কিবা শুনিব ইচ্ছা কৰা নেকি?

।। হৰি হৰি বোলা,যদি বৈকুণ্ঠলৈ যাব বিচৰা।।

একবিংশ কীৰ্ত্তন

ঘোষা জগন্নাথ, জগন্নাথ, জগন্নাথ, হৰিৰ— জয় হোক।
ৰাম জগন্নাথ, জগন্নাথ হৰি— নমো।।
(হে জগন্নাথ, হে হৰি তোমাৰ জয় হওক। হে ৰাম, হে জগন্নাথ, হে হৰি— তোমাক নমস্কাৰ কৰোঁ।) ২৭।।

পদ ২৯২ ব্ৰহ্মাই ইন্দ্ৰদ্যুম্ন ৰজাক ক'লে— উৰেষা সকলো তীৰ্থতকৈ শ্ৰেষ্ঠ আৰু ক্ষেত্ৰৰ সকলো মহিমা ৰজাক ক'লে। জগন্নাথৰ নাম কীৰ্ত্তনৰ ফলৰ বিষয়ে শুনা —

২৯৩ মনক বৈশ্য কৰি যি সদায় পৰম ৰহস্যময় জগন্নাথৰ নাম লয়, তেওঁ অপ্ৰয়াসে কৰ্ম্মবন্ধ ছিঙিব পাৰে আৰু হাততে মুকুতি লাভ কৰে।

২৯৪ হৰিয়ে শিৱক সাক্ষাৎ কৰি কৈছিল যে, জগন্নাথৰ নামৰ সমান আন ধৰ্ম্ম হ'ব নোৱাৰে। যি জগন্নাথ নাম সোঁৱৰণ কৰে তাৰ এশ অপৰাধ ক্ষমা কৰে।

২৯৫ জগন্নাথ নাম হেলায়ে উচ্চাৰণ কৰিলেও ব্ৰহ্মহত্যাৰ পাপ মোচন হয়। আচাৰ ভ্ৰষ্ট আৰু অজ্ঞানেও জগন্নাথ বুলিলে বিষ্ণুক পায়।

২৯৬ জগন্নাথ নামৰ মহিমা অনন্ত আৰু ই মহাপ্ৰসাদ। হোম,তপ,দান,তুলাদান কৰি যি ফল লাভ কৰা যায়—

২৯৭ এক কোটি ব্ৰাহ্মণক খুৱাই যি ফল পোৱা যায়, পিতৃ শ্ৰাদ্ধৰ দিনা বিষ্ণুৰ অন্নক ভক্তিভাৱে পিতৃক অৰ্পণ কৰি—

২৯৮ অন্নপিণ্ড তিল মিহলাই দিলে কোটিকল্প কালৰ বাবে পিতৃগণ তৃপ্ত হয়। জগন্নাথৰ মহাপ্ৰসাদৰ বিচাৰ নকৰিবা। ব্ৰহ্মাত বিকাৰ নথকাৰ দৰে মহাপ্ৰসাদ বিকাৰহীন।

২৯৯ অন্ন, পিঠা-পনা আদি বিষ্ণুৰ নৈবেদ্যৰ ভক্ষ্য-অভক্ষ্য বিচাৰ যিজনে কৰে তেওঁ মন্দ ৰোগী হয় আৰু ভাৰ্যা-পুত্ৰই তেওঁক ত্যাগ কৰে। তাৰ নিস্তাৰ নাই আৰু তেওঁ নৰকত পৰে।

৩০০ অন্ত্য জাতি, হীন জাতিয়ে যি অন্ন চুবে, তাক ভুঞ্জিলে সমস্ত পাপ দূৰ হয়। এওঁলোকে চোৱা-গজা কৰিছে বুলি যি সেই অন্ন নাখায়, তেওঁ বিপদগামী হয় আৰু তেওঁক ঘোৰ দণ্ড কৰোঁ।

৩০১ কাল, নিয়ম নাই, ব্ৰতত দোষ নাই, পালে অন্ন খাব, তেতিয়া মোক্ষ

পাব। হৃদয়ত ৰূপ ধাৰণ কৰিব আৰু মুখত হৰিনাম ল'ব, বিষ্ণুৰ নৈবেদ্য সুখেৰে উদৰত থ'ব।

৩০২ পাদোদক, নিৰ্ম্মালি মূৰত যাৰ থাকে, মুখে হৰি হৰি যি বোলে, তেওঁ বিষ্ণুৰ অৱতাৰ। শঙ্কৰে কৃষ্ণৰ চৰণত ধৰি— এই ৰচনা কৰিছে। হৰি হৰি বোলা, পাপ পলাই যাওক।

।। উৰেষা বৰ্ণন সমাপ্ত।।

।। পৰিশিষ্ট সমাপ্ত।।